সুৰেন্দ্ৰমোহন দাসৰ দ্বাৰা অনুদিত

ব্লগ অসম

লিও টলস্তয়

# যুদ্ধ আৰু শান্তি

# প্ৰথম খণ্ড

## প্ৰথম অধ্যায়

"চাওক প্ৰিন্স্, জেনোৱা আৰু লুকা এতিয়া বোনাপাৰ্ট পৰিয়ালৰ নিজা সম্পত্তিহে হ'ল। মই আপোনাক আগতে সাৱধান কৰি দিছোঁ। আপুনিতো নিজেই কয় আপুনি হেনো মোৰ কিনা গোলাম। কিন্তু আপোনালোকে যদি এতিয়াও যুদ্ধক অস্বীকাৰ কৰে আৰু সেই বিধৰ্মীজনৰ সকলো পাশৱিক অত্যাচাৰলৈ আওকাণ কৰে, তেন্তে আগলৈ আমাৰ এই বন্ধুত্ব আৰু নাথাকিব। সি এজন নাস্তিক, তাতে কোনো সন্দেহ নাই। বাৰু, সেইবোৰ এতিয়া থাওক। আপোনাক বৰ ভয় খুৱালোঁ। বহক, বহক, এতিয়া ঘৰুৱা কথা পাতোঁ। খবৰ কি? আপোনাৰ ভাল তো?"

১৮০৫ চনৰ জুলাই মাহৰ এদিন সন্ধিয়া ৰাজ দৰবাৰত প্ৰতিপত্তি থকা আৰু বিধবা ৰাজমাওৰ সহচৰী আনা পোলোভনা্ ছেৰৰে এই কথাখিনি কৈছিল। আনাৰ বয়স চল্লিশৰ কম নহব। এতিয়াও বিয়া কৰোৱা নাই আৰু কেতিয়াবা কৰাৰ বুলিও অনুমান নহয়। তেওঁৰ সান্ধ্য সম্মিলনলৈ অহা প্ৰথম আলহী সম্ভ্ৰান্ত বিষয়া প্ৰিন্স্ বাচিলক তেওঁ এই কথাখিনিৰে সম্ভাষণ জনাইছিল। প্ৰিন্স্ বাচিল ৰাজ পৰিয়ালত ডাঙৰ-দীঘল হোৱা গহীন-গম্ভীৰ প্ৰকৃতিৰ মানুহ। আজি আনাৰ এনে ধৰণৰ অভ্যৰ্থনাত অকণো বিচলিত নহৈ প্ৰিন্সে গহীনাই কলে, "হে ভগবান! কি ভীষণ আক্ৰমণ!" তাৰ পাচত গুপা মুৰটো দোঁৱাই আনা পোলোভনাৰ হাতত চুমা খালে। আনাৰ ওচৰতে ভালকৈ বহি লৈ কলে, "প্ৰথমতে আপুনি কেনে আছে কওক।"

আনা পোলোভনাই কলে, "মনৰ অশান্তি হলে, মানুহ কেনেকৈ ভালে থাকিব পাৰে? বৰ্তমান সময়ত অনুভতি থকা মানুহ মাত্ৰেই মানসিক অশান্তি ভোগ কৰিব লাগিব। যি হওক, আশা কৰোঁ, আজি সন্ধিয়াটো, আপুনি ইয়াতে কটাব নিশ্চয়।"

"নাই, নোৱাৰিম। আজি বুধবাৰ। ইংৰাজ দূতে এখন ভোজমেল পাতিছে। মই তাত দেখা দিবই লাগিব। মোৰ ছোৱালীজনীয়ে মোক নিবলৈ আহিব।"

"আপুনি জানেনে যে আপোনাৰ ছোৱালীয়ে সকলোকে মুহিছে? মানুহে কয় তাই হেনো দিনৰ পোহাৰৰ দৰে ধুনীয়া।"

প্ৰিন্সে সসম্মানে মূৰ দোঁৱাই শলাগ ললে। কাষ চাপি আহি হাঁহি হাঁহি আনাই কবলৈ ধৰিলে, "মই প্ৰায়ে ভাবোঁ যে মানুহক সৌভাগ্য কেতিয়াবা বৰ অন্যায়কৈ দিয়া হয়। আপোনাৰ কথাই ধৰক। এনেকুৱা সুন্দৰ এহাল লৰা-ছোৱালীৰ বাপেক হোৱাৰ সৌভাগ্য আপোনাৰ কিয় হব লাগে? অৱশ্যে আপোনাৰ মুমলীয়া লৰা আনাতোলৰ কথা মই কোৱা নাই। মই তাক ভাল নাপাওঁ। এনে সুন্দৰ লৰা-ছোৱালী অথচ আপুনি সিহঁতৰ মোল নুবুজে। এনে জাকত জিলিকা লৰা-ছোৱালীৰ বাপেক হোৱাৰ সৌভাগ্য আপোনাৰ হব নালাগে।"

প্ৰিন্সে কলে, "কি কৰিম? পিতৃত্বৰ অভিমান মোৰ নাই।"

"মই ধেমালি কৰা নাই, সঁচাকৈয়ে কৈছোঁ। মই আপোনাৰ সৰু লৰা আনাতোলৰ ওপৰত বৰ অসন্তুষ্ট। আমাৰ ভিতৰতহে কৈছোঁ, কাকো নকব—সিদিনা কিছুমানে তাৰ কথা ৰাজমাওৰ আগত লগাইছিল। আটায়ে আপোনাৰ কাৰণে দুখ কৰিছিল।"

আনাই উত্তৰৰ কাৰণে ৰ'ল কিন্তু প্ৰিন্সে একো নামাতিলে। অলপ পিচত বিৰক্তিৰ সুৰত প্ৰিন্সে কলে, "মোক কি কৰিবলৈ কয়? আপুনি জানে সিহঁতৰ শিক্ষাৰ কাৰণে বাপেকে কৰিব পৰা সকলোখিনি মই কৰিছোঁ। কিন্তু দুয়ো অপদাৰ্থ হ'ল। ইপোলিৎ শান্ত-মূৰ্খ আৰু আনাতোল হ'ল দুৰ্দান্ত-মূৰ্খ, প্ৰভেদ এইখিনি।" ইয়াকে কৈ প্ৰিন্সে উত্তেজিত হৈ অস্বাভাৱিক হাঁহি এটি মাৰিলে।

আনাই গহীনাই কলে, "আপোনাৰ নিচিনা মানুহৰ লৰা-ছোৱালী কিয় হয়? আপুনি পিতাক নোহোৱা হলে, মই আপোনাক দুষিলোঁহেঁতেন।"

নিষ্ঠুৰ ভাগ্যক ধিয়াই প্ৰিন্সে হঠাতে মাত লগালে, "মই আপোনাৰ বিশ্বাসী গোলাম। সেই দেখি আপোনাকহে কৈছোঁ—লৰা-ছোৱালীবোৰেই মোৰ জীৱনটো অশান্তি কৰিছে। একমাত্ৰ সিহঁতৰ কাৰণেই মই দুখৰ বোজা বৈছোঁ। আপুনি মোক কি কৰিবলৈ কয়?"

লাহে লাহে আনা পোলোভনাৰ চ'ৰাঘৰ আলহীৰে ভৰি পৰিল। বয়স আৰু স্বভাৱৰ তাৰতম্য থাকিলেও এওঁলোক সকলো চেণ্ট পিটাৰ্চবাৰ্গৰ

সম্ভ্ৰান্ত পৰিয়ালৰ মানুহ। প্ৰিন্স্ বাচিলৰ ৰূপহী জীয়েক প্ৰিন্সেছ হেলেনে দেউতাকক ইংৰাজ দূতাবাসৰ ভোজমেললৈ নিবলৈ আহিল। হেলেনে নাচৰ পোছাক পিন্ধি আহিছে। চেণ্ট্ পিটাৰ্চবাৰ্গত আটাইতকৈ মুহিব পৰা তিৰোতা বুলি জনাজাত গাভৰু প্ৰিন্সেছ বলকনস্কিও আহিল। যোৱা শীত কালত তেওঁৰ বিয়া হৈছে। এতিয়া তেওঁ বৰকৈ বাহিৰ নোলায়, তথাপি সৰুসুৰা মেলত তেওঁক দেখা যায়। প্ৰিন্স্ বাচিলৰ লৰা ইপোলিৎ আৰু তেওঁৰ লগতে ৰাষ্ট্ৰদূত মৰ্টেমাৰ আৰু পাতুৰি মোৰিও আহিছে; আৰু বহুতো আহিল।

প্ৰিন্সেছ বলকনস্কিয়ে এখন ধুনীয়া হাতমোনাত চিলাইৰ কাম লৈ আহিছে। তেওঁ দেখিবলৈ বৰ ধুনীয়া। তেওঁৰ ওপৰৰ ওঁঠটো অলপ চুটি কিন্তু এইকণ খুঁতে তেওঁৰ সৌন্দৰ্য্যহে বঢ়াইছে। তেওঁৰ প্ৰসৱৰ সময় হৈছে। ডেকা, বুঢ়া সকলোৱে তেওঁক দেখি বা তেওঁৰ লগত কথা পাতি বৰ সন্তোষ পায়; তেওঁৰ মুখত হাঁহি লাগিয়ে আছে। যি কোনো মানুহৰ লগতে তেওঁ মৰমেৰে হাঁহি হাঁহি কথা কয় আৰু সকলোৱে কৃতাৰ্থ বোধ কৰে। জানিবা তেওঁৰ জীৱনৰ একমাত্ৰ উদ্দেশ্য নিজক আৰু লোকক সন্তোষ দিয়া।

ৰূপহী প্ৰিন্সেছে হাতত মোনাখন লৈ লাহে লাহে খোজ কাঢ়ি গৈ এটা ৰূপৰ পাত্ৰৰ ওচৰত বহিল। তেওঁ যিহকে কৰে সিয়ে যেন এটা পৰব।

হাতমোনাখন দেখুৱাই আলহীসকলৰ, পিনে চাই প্ৰিন্সেছে কলে, "মই হাতৰ কাম লৈ আহিছোঁ।" তাৰ পাচত আনাৰ ফালে চাই কলে, "আনা, মোক কিন্তু লাজত নেপেলাবা দেই। তুমি লিখিছিলা—'অকল কেইজনমান বন্ধুহে আহিব।' সেই কাৰণে দেখিছানে মই কেনে বেয়া কাপোৰকানি পিন্ধি আহিছোঁ। এনেকৈ কৈ প্ৰিন্সেছে হাত দুখন মেলি দি তেওঁৰ ধুনীয়া পোছাকটো সকলোকে দেখুৱালে।

আনা পোলোভনাই কলে, "ভয় কৰিব নালাগে, লিচা। তুমি যিহকে পিন্ধা সেয়ে শুৱায়। অইনতকৈ তুমি সদায় ধুনীয়া।"

এজন সামৰিক বিষয়াক দেখি লিচাই কলে, "শুনিছেনে, মোৰ স্বামীয়ে মোক এৰি যাবলৈ ওলাইছে।" প্ৰিন্স্ বাচিলক কলে, "তেওঁ মৰিবলৈ যাবলৈ ওলাইছে। এই পাশৱিক যুদ্ধৰ পৰা নো কি লাভ হয়?" উত্তৰৰ কাৰণে নৰৈ লিচাই বাচিলৰ জীয়েক ৰূপহী হেলেনৰ লগত কথা পাতিবলৈ ধৰিলে।

প্ৰিন্স্ বাচিলে মনে মনে আনাক কলে, "এই প্ৰিন্সেছজনী এজনী পৰী।"

অলপ পাচতে এজন শকত-আৱত ওখ ডেকা ঘৰৰ ভিতৰত সোমাল।

তাৰ চুলিবোৰ চুটিকৈ কটা, চকুত চচমা, পোছাকটো ধুনীয়া। এওঁ ৰাণী কেথাৰিনৰ আমোলত বিখ্যাত ফুলবাবু কাউণ্ট বেচুখভৰ জহবা লৰা। কাউণ্ট বেচুখভ এতিয়া মস্কোত আছে, বেমাৰী মৰণ-পথৰ যাত্ৰী। পিয়াৰ এতিয়াও কোনো কামত সোমোৱা নাই। বিদেশত পঢ়া-শুনা কৰি অলপতে উভতি আহিছে। চেণ্ট্ পিটাৰ্চবাৰ্গৰ সমাজৰ লগত আজি তাৰ প্ৰথম চিনাকি। আনাই পিয়াৰক সাধাৰণ অভ্যৰ্থনা জনালে। কিন্তু অদ্ভুত ধৰণৰ কিবা এটা ডাঙৰ বস্তু দেখিলে মানুহৰ অন্তৰত যেনেকৈ ভয় সোমায়, পিয়াৰক দেখি আনাৰো তেনেকুৱা লাগিল। ঘৰখনৰ ভিতৰত পিয়াৰ আটাইতকৈ ওখ। তাৰ আচাৰ-ব্যৱহাৰ, চলন-ফুৰণো সম্পূৰ্ণ বেলেগ। গতিকে আনাই ভয় খোৱা স্বাভাৱিক।

আনা পোলোগুনাই তাক কলে, "পিয়াৰ, তুমি যে এই দুখীয়া বেমাৰীক চাবলৈ আহিছা—তাৰ বাবে শলাগ লৈছোঁ।"

বুজিব নোৱাৰাকৈ পিয়াৰে কিবা কলে; কিন্তু তাৰ চকুযুৰিয়ে কিবা বিচাৰি ফুৰিছে। হঠাতে তাৰ মুখখন হাঁহিৰে বিৰিঙি উঠিল। লিচালৈ চাই মূৰ দোঁৱাই বৰ নং মনেৰে এটি নিচিকিয়া হাঁহি মাৰিলে, যেনিবা তেওঁ তাৰ অন্তৰঙ্গ বন্ধুহে।

আনাই তাক বাধা দি কলে, "তুমি পাছুৰি মোৰিওক চিনি পোৱা নে? তেওঁৰ লগত কথা পাতি বৰ ভাল পাবা।"

"হয়, তেওঁৰ চিৰস্থায়ী শান্তিৰ পৰিকল্পনাৰ কথা শুনিছোঁ। পৰিকল্পনাটো বৰ ভাল হৈছে, যদিও বাস্তৱত সম্ভৱপৰ নহ'ব।"

"কেলেই নহ'ব?" বুলি কৈ আনাই আলহীসকলক সোধপোছ কৰিবলৈ ওলাইছিল, কিন্তু পিয়াৰে আনাৰ আগত ভালকৈ থিয় দি যুক্তি দিবলৈ ধৰিলে—মোৰিওৰ মতবাদক সি কিয় অলীক কল্পনা বুলি ভাবে।

নিৰুপায় হৈ আনাই হাঁহি হাঁহি কলে, "বাৰু, বাৰু, এই বিষয়ে আমি পিচত আলোচনা কৰিম।"

ব্যৱহাৰ নজনা ডেকাজনক এৰি থৈ আনাই আলহীসকলৰ সোধপোছত লাগিল। ইখন মেজৰ পৰা সিখন মেজলৈ গৈ আলহীসকলৰ মেলত যোগ দিছে। কিন্তু পিয়াৰৰ পিনে তেওঁ সদায় চকু ৰাখিছে। এই ডেকাজনে কি অঘটন ঘটায়!

পিয়াৰে প্ৰথমতে মৰ্টেমাৰক কেন্দ্ৰ কৰি বহা মেল অলপ শুনিলে। তাৰ পাচত মোৰিওক কেন্দ্ৰ কৰি বহা মেলত যোগ দিলে।

পিটাৰ্চবাৰ্গ সমাজলৈ পিয়াৰ এই প্ৰথম আহিছে। বহুতকে সি চিনি নাপায় কিন্তু আলহীসকলৰ বেহৰূপ দেখিয়েই পিয়াৰে গম পালে যে ৰাজধানীৰ বিশেষ তীক্ষ্ণবুদ্ধিৰ গণ্যমান্য মানুহবিলাকহে ইয়াত গোট খায় আৰু ডাঙৰ ডাঙৰ বিষয়ে আলোচনা কৰে। পিয়াৰে ভাবিলে যে ইয়াত কোৱা প্ৰতিটো শব্দই জানিবলগীয়া, বহুমূলীয়া হ'ব। সেই কাৰণে আলোচনা শুনিবলৈ সি গোটেই ঘৰটো ঘূৰি-পকি ফুৰিছে। শেহত মোৰিওৰ আলোচনাই তাক আকৰ্ষণ কৰিলে। তাৰ নিজৰ মতামত দিবৰ কাৰণে চেগ বিচাৰি ওচৰতে থিয় হৈ থাকিল। এইটো ডেকা মাত্ৰৰেই দুৰ্বলতা।

আনা পোলোভনাৰ সান্ধ্য সম্মিলন ভালকৈয়ে জমিছে। আলহীসকল তিনিটা দল হৈ ৰহিছে। মোৰিওক কেন্দ্ৰ কৰি বহা দলটোত সৰহভাগ মতা মানুহ। বাচিলৰ ৰূপহী কন্যা হেলেন আৰু প্ৰিন্সেছ বলকনস্কিৰ চাৰিওফালে ডেকাবোৰ ৰহিছে। প্ৰিন্সেছ বলকনস্কি দেখিবলৈ বৰ ধুনীয়া যদিও বয়স অনুপাতে বেছি শকত। তৃতীয় দলটোত ৰহিছে মৰ্টেমাৰ আৰু আনা পোলোভনা।

ফৰাচী আলহী কাউণ্ট মৰ্টেমাৰ ধুনীয়া ডেকা মানুহ। বিশেষকৈ তেওঁৰ শিষ্টাচাৰ অনুকৰণীয়। আনা পোলোভনাৰ আজি সান্ধ্য সম্মিলনৰ বিশেষ আকৰ্ষণ আছিল কাউণ্ট মৰ্টেমাৰ আৰু তেওঁৰ পাচত পাদুৰি মোৰিও। মৰ্টেমাৰৰ দলটোত হঠাতে ডিউক এ'ন্গিয়াৰ হত্যাৰ কথা ওলাল। মৰ্টেমাৰে কলে যে ডিউক নিজৰ উদাৰতাৰ কাৰণে মৰিছে আৰু ডিউকৰ ওপৰত নেপোলিয়নৰ ব্যক্তিগত আক্ৰোশ আছিল।

আনা পোলোভনাই উলাহেৰে কলে, "হয় নেকি? কাউণ্ট, ঘটনাটো কওঁকচোন।"

কাউণ্টে মূৰ দোঁৱাই বিনয়ৰ হাঁহি এটি মাৰি সম্মতি জনালে। ডিউক এ'ন্গিয়াৰ হত্যা কাহিনীটো শুনিবলৈ আনাই আলহীসকলক মাতি আনি কাউণ্টৰ চাৰিও পিনে বৃত্ত কৰি বহুৱালে। ওচৰৰ এজনক আনাই ফুচ-ফুচাই কলে, "কাউণ্টে ডিউকক ভালদৰে জানিছিল।" আন এজনৰ কাণে চাই কলে, "কাউণ্টে সুন্দৰ গল্প কব পাৰে!" তৃতীয়জনক কলে, "কাউণ্ট ভাল ভাল সমাজত ফুৰিছে। তেওঁক দেখিলেই গুণী মানুহ বুলি ধৰিব পাৰি।" এইদৰে আনাই শ্ৰোতাসকলৰ মনোযোগ আকৰ্ষণ কৰিলে।

কাউণ্টে মিচিকিয়া হাঁহি এটি মাৰি গল্পটো আৰম্ভ কৰিব—এনেতে আনাই মাত লগালে, "হেৰা হেলেন, ইয়ালৈ আহা।" ৰূপহী হেলেনে

আন এটা দলৰ কেন্দ্ৰ হৈ অলপ আঁতৰত বহি আছিল। আহিৰবে পৰা হেলেনৰ মুখত হাঁহি লাগিয়ে আছে। তাই হাঁহি হাঁহি আনাৰ ওচৰলৈ আহিল। পুৰুষসকলে বাট এৰি দিলে। সঁচাকৈয়ে হেলেন দেখিবলৈ বৰ ধুনীয়া। নাচৰ ফুলাম পোছাকটোৱে আজি তাইৰ জেউতি চৰাইছে। সকলোৱে ফোৰাকুই কৰিলে, "কি ধুনীয়া ছোৱালী !"

হেলেনৰ সৌন্দৰ্যত বিচলিত হৈ কাউণ্টে হাঁহি হাঁহি কলে, "এনে শ্ৰোতাৰ আগত মোৰ সামৰ্থ্যৰ ওপৰত সন্দিহান হওঁ।" হেলেনে একো নামাতিলে—হাঁহি হাঁহি গল্প শুনিবলৈ বৈ থাকিল। অলপ পাচতে ৰূপহী প্ৰিন্সেছ বলকনস্কি চাহমেজৰ পৰা উঠি আহিল।

তেওঁ কলে, "মোৰ কাৰণে অলপ বৰ ; মই চিলাইৰ কামটো আনো।" ইপোলিতক মাতিলে, "আই, কি ভাবিছা ? মোৰ হাতমোনাখন আনা।" ৰূপহী প্ৰিন্সেছে সকলোবে লগতে হাঁহি হাঁহি কথা কৈ, পোছাকটো ভালকৈ লৈ আৰামকৈ বহিল। চিলাইৰ কামটো হাতত লৈ, গল্পটো আৰম্ভ কৰিবলৈ কাউণ্টক অনুৰোধ কৰিলে। ইপোলিতে হাতমোনাখন আনি দিলে আৰু প্ৰিন্সেছৰ ওচৰতে বহিল।

কাউণ্টে গল্পটো সুন্দৰকৈ সজাই-পৰাই কলে। ডিউক এঁগিয়াই বিখ্যাত অভিনেত্ৰী মডেমচেল জৰ্জেচক দেখা কৰিবলৈ চোৰাংকৈ পেৰিচলৈ আহিছিল, আৰু তাতে নেপোলিয়নৰ লগত তেওঁৰ দেখাদেখি হয়। এই অভিনেত্ৰীজনীয়ে নেপোলিয়নকো হেনো ভাল পাইছিল। অভিনেত্ৰীৰ ঘৰত ডিউকক দেখি নেপোলিয়ন মূৰ্চ্ছা যায় আৰু ডিউকৰ সম্পূৰ্ণ আয়ত্তাধীন হয়। ডিউকে এনে সুযোগ পায়ো নেপোলিয়নৰ কোনো অনিষ্ট নকৰিলে। কিন্তু এই উদাৰ ব্যৱহাৰৰ কাৰণে নেপোলিয়নে ডিউকক বধ কৰাই প্ৰতিশোধ ললে।

প্ৰতিদ্বন্দ্বী প্ৰেমিক দুজনৰ দেখাদেখি হোৱা বৰ্ণনাটো বৰ নাটকীয় হৈছিল। লিচাৰ পিনে চাই আনাই কলে, "কি সুন্দৰ গল্প !" লিচাই বেজীটো কাপোৰত গুজি থৈ কলে, "সঁচাকৈয়ে বৰ সুন্দৰ !" প্ৰশংসাৰ বাণী শুনি কাউণ্টে দুগুণ উৎসাহেৰে গল্পটো কবলৈ ধৰিলে। আনাৰ এটা চকু সদায় পিয়াৰৰ পিনে আছিল। পিয়াৰক পাদুৰি মোৰিওৰ লগত চিএৰি কথা কোৱা দেখি আনাই তালৈ লৰি গ'ল। পিয়াৰে শক্তি সমতাৰ বিষয়ে প্ৰশ্ন কৰিছে আৰু পাদুৰিয়ে বৰ আগ্ৰহেৰে তেওঁৰ মতবাদটো ব্যাখ্যা কৰিছে। দুয়োজনে

বৰ উৎসাহেৰে চিঞৰি চিঞৰি কথা কৈছে। এওঁলোকৰ তৰ্ক বন্ধ কৰিবলৈ আনাই ডুয়োকো মাতি নি ডাঙৰ দলটোত বহুৱালে।

এই সময়তে আন এজন আলহীৰ আৱিৰ্ভাব হ'ল। এওঁ প্ৰিন্স এণ্ড্ৰু বলকনস্কি, লিচাৰ গিৰিয়েক। প্ৰিন্স্ বলকনস্কি ধুনীয়া ডেকা মানুহ। চলন-ফুৰণত এণ্ড্ৰু ঘৈণীয়েকৰ সম্পূৰ্ণ বিপৰীত। এণ্ড্ৰু গহীন, লিচা চঞ্চলা। এই ঘৰত থকা প্ৰতিজন আলহীকে তেওঁ চিনি পায় কিন্তু তেওঁ তেওঁলোকক ভাল নাপাইছিল। তেওঁলোকক দেখিলেই আৰু তেওঁলোকৰ কথা শুনিলেই তেওঁ বিৰক্তি বোধ কৰে। বিশেষকৈ ঘৈণীয়েকক দেখিলে তেওঁ বেছি বিৰক্ত হয়। ঘৈণীয়েকক দেখিয়েই তেওঁ মুখখন বিকটাই অইন ফালে চালে। আনা পোলোভনাৰ হাতত চুমা খাই এণ্ড্ৰুৱে চকুযুৰি আধাখিনি মেলি আলহীৰ দলটো নিৰীক্ষণ কৰিলে।

আনা পোলোভনাই সুধিলে, "প্ৰিন্স্, তুমি হেনো যুদ্ধলৈ যাবলৈ ওলাইছা ?"

"এৰা, সেনাপতি কুতুজভে মোক তেওঁৰ অনুচৰ কৰি লব খুজিছে।"

"আৰু লিচা, তোমাৰ ঘৈণীয়েৰা এক্া ?"

"তেওঁ গাৱঁলৈ যাব।"

"কিন্তু সকলোৰে ভালপোৱা এনেকুৱা ৰূপহী এজনীৰ সঙ্গৰপৰা আমাক বঞ্চিত কৰাতো বেয়া নহব জানো ?"

অইনৰ লগত যেনেকৈ হাঁহি হাঁহি কথা কয় সেইদৰে লিচাই গিৰিয়েকক কলে, "এণ্ড্ৰু, এইমাত্ৰ কাউণ্টে মডেমচেল জৰ্জেচ আৰু বোনাপাৰ্টিৰ বিষয়ে এটি সুন্দৰ গল্প কলে!" এণ্ড্ৰুৱে ভ্ৰুকুটি কৰি মুখখন ঘূৰালে। ইমান পৰে পিয়াৰে বং মনেৰে এণ্ড্ৰুক লক্ষ্য কৰি আছিল। এতিয়া ওচৰ চাপি আহি পিচফালৰ পৰা এণ্ড্ৰুৰ হাতত ধৰিলে। কোনোবাই হাতত ধৰা দেখি এণ্ড্ৰুৱে ঘূৰি নোচোৱাকৈয়ে বিৰক্তিৰ ভাব দেখুৱালে। কিন্তু পিয়াৰৰ সৰল হাঁহিমুখখন দেখি, এণ্ড্ৰুৱে মৰমৰ হাঁহি এটা মাৰি কলে, "পিয়াৰ, তুমিও দেখোন ইয়াত! এই সমাজত!"

পিয়াৰে কলে, "তুমি ইয়ালৈ আহিবা বুলি গম পাইছিলোঁ।" মৰ্টেমাৰৰ গল্প তেতিয়াও চলি আছিল। সেই কাৰণে পিয়াৰে সৰুকৈ কলে, "ৰাতি তোমালোকৰ তালৈ খাবলৈ যাম। যাম নে ?"

এণ্ড্ৰুৱে হাঁহি হাঁহি কলে, "নালাগে, নালাগে, অসম্ভৱ।" পিয়াৰক জানিবলৈ দিলে যে তাৰ সুধিবৰ কোনো দৰ্কাৰ নাছিল। তেওঁ আৰু কিবা কব খুজিছিল

কিন্তু এনেতে প্ৰিন্স্ বাচিল আৰু তেওঁৰ জীয়েক যাবলৈ ওলাল। তেওঁলোকক বাট এৰি দিবলৈ ডেকা তুজন থিয় হ'ল।

কাউণ্টক আসনৰপৰা উঠিবলৈ নিদি প্ৰিন্স্ বাচিলে ফৰাচী ভাষাত কলে, "কাউণ্ট, মোক ক্ষমা কৰিব। ৰাষ্ট্ৰদূতৰ তুৰ্ভগীয়া ভোজমেলটোৱে আপোনাৰ সঙ্গসুখৰ পৰা মোক বঞ্চিত কৰিলে আৰু আপোনাৰো প্ৰতিবন্ধক জন্মাইছে।" আনা পোলোভনাৰ ফালে চাই কলে, "আপোনাৰ এনে ৰং ৰহইছৰ মেলখন এৰি যাবলগীয়া হোৱাত মৰ্মান্তিক বেজাৰ পাইছোঁ।"

জীয়েক প্ৰিন্সেছ হেলেনে এহাতেৰে গাউনটো দাঙি ধৰি হাঁহি হাঁহি লাহে লাহে মানুহৰ মাজৰ পৰা ওলাই আহিল। পিয়াৰে ৰ লাগি তাইৰ পিনে চাই থাকিল। প্ৰিন্স্ এগুৱে কলে, "বৰ ধুনীয়া!" পিয়াৰে কলে, "অতিপাত!"

প্ৰিন্স বাচিলে পিয়াৰৰ হাতত ধৰি আনাক কলে, "ইয়াক মানুহ কৰক। আজি এমাহ সি আমাৰ ঘৰতে আছে, কিন্তু সমাজত আজিহে তাক প্ৰথম দেখিলোঁ। শিক্ষিতা নাৰীৰ সংশ্ৰৱত নাহিলে ডেকাবোৰ মানুহ হব নোৱাৰে।"

বাপেকৰ ফালৰপৰা পিয়াৰ প্ৰিন্স বাচিলৰ সম্বন্ধীয়া। বাচিলৰ কথা শুনি আনাই হাঁহিলে আৰু পিয়াৰৰ যত্ন লব বুলি প্ৰতিশ্ৰুতি দিলে।

এজনী বুঢ়ী আসনৰপৰা লৰালৰীকৈ উঠি আহি বাচিলক লগ ধৰি উদ্বিগ্ন হৈ কলে, "প্ৰিন্স্, মোৰ বোৰিচৰ বিষয়ে আপুনি কি কয়? চেণ্ট পিটাৰ্চবাৰ্গত মই আৰু বেছিদিন থাকিব নোৱাৰোঁ। মোৰ বেচেৰা লৰাটোলৈ কি খবৰ লৈ যাম, কওক।"

বাচিলে অসন্তুষ্টিৰ ভাব দেখুৱাই তাইৰ কথা শুনিব নোখোজে। তথাপি তাই বাচিলৰ হাতত ধৰি হাঁহি হাঁহি কাকুতি কৰিলে, "সম্ৰাটক এবাৰ কোৱাটো আপোনাৰ পক্ষে একোৱে নহয়, কিন্তু লৰাটোৱে তৎক্ষণাত ৰাজৰক্ষক সেনাদলত নিযুক্ত হব পাৰিব।"

বাচিলে কলে, "বিশ্বাস কৰক প্ৰিন্সেছ মই যি পাৰোঁ কৰিম। কিন্তু সম্ৰাটক অনুৰোধ কৰাটো মোৰ পক্ষে সহজ নহব। প্ৰিন্স্ গেলিচিনৰ জৰিয়তে আপুনি ৰামিয়েনচভলৈ আবেদন কৰক। সেইটোহে বেছি ভাল হব।"

এই বুঢ়ীজনী প্ৰিন্সেছ দ্ৰুবেৎস্কো। কছিয়াৰ এক সম্ৰান্ত পৰিয়ালৰ তিৰোতা। বৰ্তমানে তেওঁ দুখীয়া। বহু বছৰ গাঁৱত থকাৰ কাৰণে সমাজত তেওঁৰ আগৰ সম্পৰ্ক আৰু নাই। একমাত্ৰ পুতেকৰ কাৰণে ৰাজৰক্ষী বাহিনীত এটি চাকৰি বিচাৰি তেওঁ ৰাজধানীলৈ আহিছে। অকল প্ৰিন্স্ বাচিলক লগ পাবলৈ তেওঁ

নিজে নিমন্ত্ৰিতা হৈ আনা পোলোভনাৰ সান্ধ্য সম্মিলনলৈ আহি কাউণ্টৰ গল্প শুনিছিল। বাচিলৰ কথা শুনি বুঢ়ী হতাশ হ'ল। তথাপি আকৌ হাঁহি হাঁহি বাচিলৰ হাতখন জোৰকৈ ধৰিলে।

"প্ৰিন্স্, মোৰ অনুৰোধ ৰাখক। মই আগতে আপোনাক কোনো অনুৰোধ কৰা নাই আৰু আগলৈকো নকৰোঁ। দেউতাই যে আপোনাক মৰম কৰিছিল সেই কথা মই আপোনাক কেতিয়াও সোঁৱৰাই দিয়া নাই। কিন্তু মই দোহাৰি কৈছোঁ—লৰাটিৰ কাৰণে এইফেৰি অনুগ্ৰহ কৰক। মই আপোনাক ঈশ্বৰ বুলি মানিম। থং নকৰিব। মোক প্ৰতিশ্ৰুতি দিয়ক। গেলিচিনক মই অনুৰোধ কৰিছিলোঁ কিন্তু মোক সহায় কৰিবলৈ তেওঁ মান্তি নহ'ল। আপুনি সদায় দয়ালু। এইফেৰি কৃপা কৰক।" ইয়াকে কৈ বুঢ়ীয়ে হাঁহিব খুজিছিল কিন্তু চকুলোহে ওলাল।

হেলেনে আগবাঢ়ি গৈ দুৱাৰদলিত ৰৈ আছিল। এতিয়া বাপেকৰ ফালে চাই মাত লগালে, "দেউতা, আমাৰ পলম হ'ল।"

পৃথিৱীত ক্ষমতা এটা মূলধন। কিন্তু তাক ৰাখিবলৈ হ'লে তাৰ মিতব্যৱহাৰ কৰিব লাগে। এই কথাটো বাচিলৰ দৰে ভালকৈ কোনেও নাজানিছিল। যি অকল লোকৰ কাৰণে আনক খাটে সি নিজৰ কাৰণে লোকক খাটিব নোৱাৰা হয়। এই কথাটো বাচিলে বহু আগতেই উপলব্ধি কৰিছিল। সেই কাৰণে ব্যক্তিগত প্ৰভাৱ তেওঁ কদাচিতহে প্ৰয়োগ কৰে। কিন্তু দ্ৰুবেৎস্কোৰ কাকুতি-মিনতিয়ে বাচিলৰ অন্তৰ স্পৰ্শ কৰিলে। তাই এটা সত্য কথা সোঁৱৰাই দিছে। তাইৰ বাপেকে বাচিলক উন্নতিৰ পথত প্ৰথম আগবঢ়াই দিছিল। তাৰ কাৰণে দ্ৰুবেৎস্কোৰ বাপেকৰ ওচৰত বাচিল ধৰুৱা। তদুপৰি কিছুমান মাইকী মানুহ আছে, যি নিজৰ কাৰ্য্যসিদ্ধি নোহোৱালৈকে যত্নৰ ত্ৰুটী নকৰে, দিনে ৰাতি লাগিয়ে থাকে আৰু অনুনয় বিনয় কৰিবলৈ সদায় প্ৰস্তুত। বাচিলে দেখিলে যে এই বুঢ়ীজনীও তেনেকুৱা এজনী মাক। এইবোৰ চিন্তাই বাচিলৰ মনৰ কিছু পৰিবৰ্তন ঘটালে।

"মৰমৰ আনা মিখাইলোভনা, আপুনি যি কৈছে তাক কৰাটো মোৰ পক্ষে প্ৰায় অসম্ভৱ। কিন্তু আপোনাৰ প্ৰতি মোৰ শ্ৰদ্ধাৰ চিন স্বৰূপে আৰু আপোনাৰ মৰমৰ দেউতাকৰ স্মৃতিৰ সম্মানাৰ্থে মই অসম্ভৱ কামো কৰিম। আপোনাৰ লৰাটোৱে ৰাজৰক্ষী বাহিনীত সোমাব পাৰিব। ইয়াত মোৰ হাত আছে। এতিয়া সন্তুষ্ট হৈছেনে?"

"মৰমৰ প্ৰিন্স্, আপুনি আমাৰ উপকাৰী বন্ধু। এই ফেৰি অনুগ্ৰহ পাম বুলি মই আগতে আশা কৰিছিলোঁ। মই জানো, আপুনি কিমান দয়ালু— ।"

হেলেনে আকৌ মাত লগালে, "দেউতা, আমাৰ বৰ পলম হ'ল।"

"বাৰু, এতিয়া আহিলোঁ, নমস্কাৰ। কি হয় চাওক।"

"তেন্তে কাইলৈ সম্রাটক কবতো ?" বুলি মিখাইলোভনাই গাভৰুৰ মনোমোহা হাঁহি এটি মাৰিলে। কিন্তু বুঢা দেহাত সেই হাঁহি অমিল হৈ ব'ল। তাইৰ নিজৰ বয়সৰ কথা ভবাই নাছিল। যাথোন কাৰ্য্যসিদ্ধিৰ কাৰণে মাইকী মানুহে ব্যৱহাৰ কৰা সকলো অস্ত্ৰকে তাই প্ৰয়োগ কৰিবলৈ বিচাৰিছিল। বাচিল গ'লত তাই আকৌ চেঁচা হ'ল। কাউণ্টে গল্প কৈয়ে আছে। বুঢ়ী গৈ আকৌ সেই মেলত যোগ দিলে। কিন্তু তাইৰ অহাৰ সকাম হ'ল যেতিয়া, মেলবপৰা কেনেকৈ অন্তৰ্দ্ধান হব পাৰে তাৰে চেগ চাই থাকিল।

আনা পোলোভনাই মাত লগালে, "সিদিনাখন মিলানত নো অভিষেকৰ কি ভেকোভাওনাখন হ'ল ? জেনোৱা আৰু লুকাৰ মানুহবোৰ দলে দলে আহি বোনাপাৰ্টক অভিনন্দন জনালে, আৰু ওখ আসনত বহি বোনাপাৰ্টে তেওঁলোকৰ আবেদন মঞ্জুৰ কৰিলে। বৰ ডাঙৰ পূজা! এজন মানুহৰ মস্তিষ্ক বিকৃত কৰিবলৈ ই যথেষ্ট। পৃথিৱীৰ সকলো মানুহেই একেলগে পগলা হৈছে দেখিছোঁ।"

আনাৰ ফালে চাই বিদ্ৰূপৰ হাঁহি এটি মাৰি প্ৰিন্স্ এণ্ড্ৰুৱে কলে, "ৰাজমুকুটটো পিন্ধাওঁতে তেওঁ হেনো কৈছিল 'এইটো মোক ভগৱানে দিছে ; তোমালোকে তাক নুচুবা।' আৰু তেতিয়া তেওঁক হেনো বৰ সুন্দৰ লাগিছিল।"

আনাই কলে, "বৰ বাঢ়ি গৈছে। এই জীৱন্ত আতঙ্কক ইউৰোপৰ ৰজাসকলে আৰু সহ্য নকৰিব।"

মৰ্টেমাৰে ঘপ্‌কৈ মাত লগালে, "ৰজা! মই কছিয়াক ধৰা নাই। ইউৰোপৰ ৰজা! তেওঁলোকে ষোড়শ লুইৰ কাৰণে কি কৰিছে ? ৰাণীৰ কাৰণে এলিজাবেথৰ কাৰণেই বা কি কৰিছে ? একো কৰা নাই। বিশ্বাস কৰক, বুৰবোঁ পৰিয়ালক প্ৰবঞ্চনা কৰাৰ কাৰণে তেওঁলোকে এতিয়া তাৰ ফল ভোগ কৰিছে। তেওঁলোক ৰজা! ৰাজ্যাপহাৰকৰ সেৱা জনাবলৈ তেওঁলোকে দূত পঠাইছে।" অইনৰ মতামতলৈ ভ্ৰূক্ষেপ নকৰি আকৌ কলে, "বোনাপাৰ্ট যদি আৰু এবছৰমান ফ্ৰান্সৰ সিংহাসনত থাকে, তেন্তে ঘটনা বহু দৰলৈ যাব। ষড়যন্ত্ৰ, অত্যাচাৰ, নিৰ্বাসন আৰু অৰাজকতাই এনেহেন ফৰাচী সমাজখন ছাৰখাৰ কৰিব।"

পিয়াৰে কিবা কব খুজিছিল কিন্তু আনাই তাক বাধা দি কলে, "আমাৰ

সম্রাট আলেক্‌জেণ্ডাৰে বাঞ্ছা কৰে যে ফৰাচীসকলে নিজ খুচিমতে শাসনতন্ত্র বাছি লওক।" ৰাজভক্ত আলহীক ভাললৰি লগাবলৈ কলে, "মোৰ বিশ্বাস, এবাৰ এই পাৰ্বতগজা বজাৰ হাতৰ পৰা মুক্তি পালে, তেওঁলোকে ন্যায্য বজাক বাছি লব।"

এণ্ড্রে কলে, "সম্ভৱ যেন নালাগে। মর্টেমাৰে ঠিকে কৈছে—ঘটনা বহু দূৰলৈ গৈছে। পুৰণি শাসনতন্ত্ৰক ওভতাই পোৱা সহজ নহব।"

পিয়াৰে আগবাঢ়ি আহি কলে, "মই যি শুনিছোঁ প্রায় সকলো সম্ভ্রান্ত মানুহেই নেপোলিয়নৰ পক্ষ লৈছে।"

পিয়াৰৰ পিনে নোচোৱাকৈয়ে মর্টেমাৰে উত্তৰ দিলে, "বোনাপার্টৰ ভক্তসকলেহে এইদৰে কয়। ফ্রান্সৰ প্রকৃত জনমত কি এতিয়া জনা অসম্ভৱ।"

মর্টেমাৰৰ কথাত অসন্তুষ্ট হৈ প্রিন্স্ এণ্ড্রে বিদ্রূপৰ হাঁহি এটি মাৰি কলে, "নেপোলিয়নেই কৈছিল, 'মই সিহঁতক গৌৰৱৰ বাট দেখুৱাইছোঁ, সিহঁতে এতিয়া সেই বাট নেৰে। মই মোৰ সক কোঠাটো খুলি দিয়াত, সিহঁত দলে দলে আহি তাত জমা হ'ল।' অৱশ্য এইখিনি কথা কবলৈ তেওঁৰ কিমানখিনি অধিকাৰ আছিল, মই নাজানো।"

"কোনো অধিকাৰ নাই। ডিউক এঁগিয়াক হত্যা কৰাৰ পাচত তাৰ পৰম ভক্তসকলেও তাক বীৰ বুলি গণ্য নকৰা হৈছে। ডিউকৰ মৃত্যুত স্বৰ্গত এজন শ্বহীদৰ সংখ্যা বাঢ়িল আৰু মৰ্ত্যত বীৰৰ সংখ্যা এজন টুটিল।"

মর্টেমাৰে কথাখিনি কবহে পালে, পিয়াৰে আগবাঢ়ি আহি ( আনাই বাধা দিবলৈ সুবিধাই নাপালে ) কবলৈ ধৰিলে, "ৰাজনীতিৰ ফালৰপৰা ডিউকৰ মৃত্যুদণ্ডৰ আৱশ্যক হৈছিল। আৰু নেপোলিয়নে এই হত্যাৰ সকলো দায়িত্ব নিজে লৈ মহানুভৱতাৰহে পৰিচয় দিছে।"

আনাই পিয়াৰৰ কাণ্ড দেখি হতাশ হ'ল—"হে ঈশ্বৰ! হে ভগৱান!"

লিচাই হাতৰ কামটো থৈ হাঁহি হাঁহি সুধিলে, "হত্যাক তুমি মহানুভৱতা বুলি ভাবা নেকি, পিয়াৰ?"

কেইবাজনেও একেলগে মাত লগালে "এৰা, এৰা হত্যাক নো···আৰু···।"

ইপোলিতে আঁঠুত চপৰিয়াই ইংৰাজীতে কলে, "চাবাচ! চাবাচ!" মর্টেমাৰে অস্বস্তি বোধ কৰিলে।

কাকো ভ্ৰূক্ষেপ নকৰি পিয়াৰে কবলৈ ধৰিলে, "মই এইদৰে কৈছোঁ কাৰণ

বিপ্লৱৰ সময়ত বুৰবোঁসকলে দেশখনক অৰাজকতাৰ মাজত এৰি থৈ পলায়। নেপোলিয়নে হে সেই বিপ্লৱৰ অগণি নুমায়। জনসাধাৰণৰ কল্যাণৰ কাৰণে এজনক হত্যা নকৰাই নোৱাৰিলে।"

আনাই মাতিলে, "পিয়াৰ, তুমি এইখন মেজলৈ আহা।" কিন্তু পিয়াৰে তেওঁৰ কথালৈ কাণ নকৰি দ্বিগুণ উৎসাহেৰে কবলৈ ধৰিলে, "নেপোলিয়ন সঁচাকৈয়ে এজন ডাঙৰ বীৰ। কাৰণ তেৰেঁ বিদ্ৰোহ দমন কৰি তাৰ বেয়াখিনি আঁতৰাইছে আৰু ভালখিনি যেনে, নাগৰিকসকলৰ সমতা, বাক্তবিকাকত আৰু বাক্ স্বাধীনতা ৰক্ষা কৰিছে। এইদৰে তেওঁ ক্ষমতা লাভ কৰিছে।"

কাউণ্টে উত্তৰ দিলে, "ক্ষমতা পাই এজনক হত্যা নকৰি যদি ন্যায্য ৰজাক সিংহাসনত বহুৱালে হয় তেন্তে তেওঁক এজন ডাঙৰ মানুহ বুলি কলোঁহেঁতেন।"

আধুনিক ডেকাসকলৰ নিচিনাকৈ পিয়াৰে তাৰ মতবাদটো বুজাবলৈ ধৰিলে, "ইয়াত তেওঁৰ কোনো হাত নাছিল। তেওঁ এজন শক্তিমন্ত পুৰুষ বুলি মানুহে গম পাইছিল। সেই কাৰণে বুৰবোঁসকলৰ হাতৰ পৰা জাতিটোক ৰক্ষা কৰিবলৈ তেওঁক ক্ষমতা দিয়া হৈছিল।"

আনাই ডৰিয়াই কলে, "হৈছে, হৈছে, বিপ্লৱ, ৰাজহত্যা আৰু তাৰ পাচত— তুমি এইখন মেজলৈ আহা।"

কোনোবাই উপলুঙাকৈ মাত লগালে, "ডকাইতি, হত্যা, ৰাজহত্যা।"

পিয়াৰে কলে, "এইবোৰ নিশ্চয় বেয়া। মই বিচাৰো মানুহৰ সমঅধিকাৰ, স্বাধীনতা আৰু নেপোলিয়নে তাক ৰক্ষা কৰিছে।"

পিয়াৰৰ অযুক্তিকৰ কথাবোৰ শুনি কাউণ্টে কলে, "স্বাধীনতা, সমতা এইবোৰ ডাঙৰ ডাঙৰ শব্দৰ অৰ্থ কেতিয়াবাই নাইকিয়া হৈছে। স্বাধীনতা, সমতাক কোনে ভাল নাপায়? যীশুখ্ৰীষ্টই নিজেই এইবোৰ প্ৰচাৰ কৰিছে। কিন্তু বিপ্লৱৰ পিচৰ পৰা আমি বেছি সুখী হৈছো জানো? বৰং আমি স্বাধীনতা বিচাৰিছিলোঁ,—নেপোলিয়নে তাক বাজেয়াপ্ত কৰিছে।"

পিয়াৰৰ ব্যৱহাৰত আনা হতাশ হ'ল। কিন্তু যেতিয়া দেখিলে যে তেওঁলোকৰ তৰ্ক আৰু নাথামে আৰু মৰ্টেমাৰৰ খং উঠা নাই—তেতিয়া তেওঁ মৰ্টেমাৰৰ ফলীয়া হৈ পিয়াৰক সুধিলে, "যি এজন নিৰ্দোষ মানুহক বিনা বিচাৰে হত্যা কৰিলে, তাক ডাঙৰ বুলি কৰা নে?"

লিচাই চিঞৰি কলে, "আফ্ৰিকাৰ বন্দীবোৰক তেওঁৰ আদেশ মতে হত্যা কৰা হয়। কি নিষ্ঠুৰ কাম!"

ইপোলিতে মাত লগালে, "তোমালোকে যিয়ে নোকোৱা সি নীচ প্ৰকৃতিৰ মানুহ।"

কাৰ প্ৰশ্নৰ উত্তৰ দিব ভাবি নাপাই পিয়াৰে আটায়েৰে পিনে চাই সক লৰাৰ নিচিনাকৈ হাঁহিলে। পিয়াৰৰ অন্তৰৰ সৰলতা তাৰ হাঁহিতেই প্ৰকাশ পাইছিল। কাউণ্টে পিয়াৰক আগতে দেখা নাছিল। তেওঁ স্পষ্টকৈ বুজি পালে যে পিয়াৰে মুখত যিমান কয়—অন্তৰত তাৰ তিমান বেয়া নহয়।

ইমান পৰে প্ৰিন্স্ এণ্ড্ৰুৱে হাঁহি হাঁহি পিয়াৰ, মৰ্টেমাৰ আৰু আনাৰ ফালে চাই আছিল। এতিয়া হঠাতে মাত লগালে, "এইবোৰ প্ৰশ্নৰ উত্তৰ পিয়াৰে একেলগে কেনেকৈ দিব? এজন সাধাৰণ মানুহৰ আৰু এজন সেনাপতি বা সম্ৰাটৰ কামৰ ভিতৰত পাৰ্থক্য নাই নে? মোৰ বোধেৰে ইয়াত বহুত প্ৰভেদ আছে।"

এণ্ড্ৰুৰ সমৰ্থন পাই পিয়াৰে ৰংমনেৰে কলে, "নিশ্চয় আছে।"

পিয়াৰৰ ভুল শুধৰাবৰ কাৰণে এণ্ড্ৰুৱে আকৌ কলে, "আৰকোলা সাঁকোৰ ওপৰত আৰু জাভা হাস্পটালত প্লেগ্ হোৱা সৈন্যবিলাকক নেপোলিয়নে নিজহাতে যেকেকৈ শুশ্ৰূষা কৰিছিল তাৰ কাৰণে তেওঁৰ মহত্ত্ব স্বীকাৰ নকৰি নোৱাৰি। কিন্তু তেওঁৰ কিছুমান কামক সমৰ্থন কৰা টান।" ইমাকে কৈ এণ্ড্ৰু যাবলৈ থিয় হল আৰু ঘৈণীয়েককো উঠিবলৈ ইঙ্গিত দিলে।

আনাক ধন্যবাদ দি আলহীসকলে বিদায় লবলৈ ধৰিলে। পিয়াৰ আছিল দেখিবলৈ কুশ্ৰী বৰ ওখ; তাৰ হাত দুখন বৰ ডাঙৰ আৰু ৰঙা। মেললৈ আহিলে আৰু তাৰপৰা যাওঁতে যিবোৰ সামাজিক শিষ্টাচাৰ পালন কৰিব লাগে, পিয়াৰে তাক নাজানিছিল। যাবৰ সময়ত পিয়াৰে ভুলকৈ এজন সামৰিক বিষয়াৰ টুপীটো ললে। পিচত জানিবা বিষয়াজনে পিয়াৰৰ হাতৰ পৰা টুপীটো নিলে। কিন্তু পিয়াৰ ইমান সৰল, সহজ প্ৰকৃতিৰ আৰু বিনয়ী আছিল যে তাৰ এইবোৰ দোষ মানুহে সহজে ক্ষমা কৰিছিল।

পিয়াৰক বিদায় দিওঁতে আনাই কলে, "মৰমৰ পিয়াৰ, তোমাক আকৌ ইয়াত দেখা পালে বং পাম; কিন্তু আশা কৰোঁ তাৰ আগতে তোমাৰ মতা-মতবোৰ শুধৰাবা।"

পিয়াৰে মুখেৰে একো নামাতি সৰল হাঁহি এটি মাৰি মূৰ দোঁৱালে। হাঁহিটিয়ে যেনিবা কৈছিল, "মতামত যিয়ে নহওক, আচলতে মই মানুহজনতো ভাল।" কথাটো যে সঁচা তাক সকলোৱে উপলব্ধি কৰিছিল। এণ্ড্ৰু বাহিৰলৈ

ওলাই আহিল। পাচত ইপোলিৎ আৰু লিচাই ওলাই আহি কথা পাতি থকা এণ্ড্ৰে শুনিলে। ইপোলিতে লিচাৰ ওচৰত থিয় হৈ লাহে লাহে কৈছে, "ইংৰাজ দূতাবাসলৈ নগৈ ভালেই কৰিলোঁ। বৰ আমনি লাগিলহেঁতেন। ইয়াত আজি বৰ ভাল লাগিছিল। কি কোৱা, তোমাৰ ভাল লগা নাই জানো?"

"কিন্তু তাত সুন্দৰ নাচ হৈছে। চেণ্ট্ পিটাৰ্চবাৰ্গৰ সকলো ৰূপহী তালৈ গৈছে।"

ইপোলিতে হাঁহি কলে, "তুমি যোৱা নাই যেতিয়া, তাতনো আৰু কোন ৰূপহী আছে?" তাৰ পাচত ইপোলিতে লগুৱাজনৰ হাতৰ পৰা গৰম কাপোৰখন আনি লিচাৰ গাত মেৰিয়াই দিলে। লিচাই হাঁহি হাঁহি মুখ ফিৰাই খোজ লওঁতেই গিৰিয়েকক দেখা পালে।

এণ্ড্ৰে মাত লগালে, "তোমালোকৰ হল নে?" লিচাই গাউনটো সামৰি লৈ গাড়ীখনৰ এন্ধাৰ চুকত বহিল। গাড়ীৰ দুৱাৰমুখত থিয় দি ইপোলিতে মাত লগালে, "প্ৰিন্সেচ, বিদায়, বিদায়।"

এণ্ড্ৰে গাড়ীত উঠিবলৈ আহি ইপোলিতক ৰুছ ভাষাত কৰ্কশভাৱে কলে, "ডাঙৰীয়া, বাট এৰি দিয়ক।" কিন্তু পিয়াৰক মৰমেৰে কলে, "তুমি আহিবা দেই।" এণ্ড্ৰু আৰু লিচাক লৈ গাড়ী বাওণা হ'ল।

# দ্বিতীয় অধ্যায়

এণ্ডুৰ পঢ়াকোঠালৈ সোমাই গৈ পিয়াৰে এখন চোফাত দীঘল দি কিতাপ এখন মেলি ললে। এণ্ড্ৰুৱে আহি সুধিলে, "আনা পেোলোভনাৰ তাত নো তুমি কি কৰিছিলা? শেহত তেওঁকো পগলা কৰিবা দেখিছোঁ।" পিয়াৰে হাঁহি হাঁহি হাত জোকাৰি কলে, "সেই মোৰিও মানুহজনৰ লগত কথা পাতি বৰ ভাল লাগিল। কিন্তু তেওঁৰ এটা ভুল ধাৰণা আছে। পৃথিৱীৰ চিৰশান্তি যে সম্ভৱপৰ তাত মোৰ অকণো সন্দেহ নাই। কিন্তু শক্তি সমতাৰ দ্বাৰাই যে এইটো হব নোৱাৰে, ই ধুৰুপ।"

এইবোৰ তত্বকথা এণ্ড্ৰুৱে ভাল নাপাইছিল। অলপ পৰ ৰৈ কলে, "কিন্তু বন্ধু, আমি যি ভাবো তাক য'তে ত'তে কৈ ফুৰাটো ভাল নহয়। বাৰু থাওক, পিচত তুমি কিবা ঠিক কৰিলা নে? সামৰিক বিভাগতে সোমাবা নে কূটনীতিক হবা?"

চোফাত বহি লৈ পিয়াৰে কলে, "যদি বিশ্বাস কৰা, এতিয়ালৈকে মই একোকে ঠিক কৰা নাই। কোনোটোৱে মোৰ পছন্দ নহয়।"

"কিন্তু তুমি কিবা এটা কৰিবই লাগিব। তোমাক লৈ দেউতাৰাৰ চিন্তা হৈছে।"

দহ বছৰ বয়সত পিয়াৰক শিক্ষাৰ কাৰণে এজন পাদুৰিৰ লগত বাহিৰলৈ পঠোৱা হৈছিল। কুৰি বছৰ বয়সলৈকে পিয়াৰ বিদেশতে থাকিল। উভতি আহিলত বাপেকে শিক্ষকজনক বিদায় দি পিয়াৰক কলে, "তুমি এতিয়া চেণ্ট পিটাৰ্চবাৰ্গলৈ গৈ ভবিষ্যত জীৱনৰ পথ নিজে বিচাৰি বাছি লোৱাগৈ। তুমি যিহকে বাছি লোৱা, মই তাতে সম্মত হম। এইখন চিঠি প্ৰিন্স্ বাচিলক দিবা আৰু এইখিনি ধন নিয়া। মোলৈ সকলো কথা লিখিবা আৰু সকলো ৰকমে মই সহায় কৰিম।" তেতিয়াৰ পৰা আজি তিনি মাহ পিয়াৰে অবাৰত সময় নিয়াইছে। কি কৰিব, কি নকৰিব একোৱে ঠিক কৰা নাই। এণ্ডুৰ কথা শুনি পিয়াৰে কপালত হাত ফুৰালে।

এণ্ড্ৰুৱে আকৌ কলে, "তুমি আমাৰ অশ্বাৰোহী সেনাদল চাবলৈ গৈছিলানে?"

"নাই, মই যোৱা নাই। কিন্তু এটা কথা মই বুজি পোৱা নাই। এই বিষয়ে মই তোমাক সুধিম বুলি ভাবিছিলোঁ। এইখন যুদ্ধ হৈছে নেপোলিয়নৰ বিৰুদ্ধে।

ই আমাৰ স্বাধীনতাৰ যুদ্ধ হোৱা হলে, মযে পোন প্ৰথমে সেনাবাহিনীত যোগ দিলোহেতেন। কিন্তু পৃথিবীৰ শ্ৰেষ্ঠ মানুহজনৰ বিৰুদ্ধে ইংলণ্ড আৰু অষ্ট্ৰিয়াক সহায় কৰাটো অন্যায়।"

পিয়াৰৰ কথাত এণ্ড্ৰুৱে বিৰক্তিৰ ভাব দেখুৱালে, কিন্তু আচলতে এই সাধাৰণ প্ৰশ্নটোৰ উত্তৰ দিয়া টান আছিল। এণ্ড্ৰুৱে মাথোন কলে, "মানুহে নিজ বিশ্বাস মতে যুদ্ধ কৰা হলে, যুদ্ধৰ অন্ত পৰিলহেতেন।"

পিয়াৰে ঘপকৈ কলে, "ইয়াতকৈ আৰু কি ভাল কথা হব পাৰে?" এণ্ড্ৰুৱে হাঁহি হাঁহি কলে, "ভাল কথা হব পাৰে কিন্তু ই সম্ভৱপৰ নহব। যুদ্ধৰ অন্ত নপৰে।"

"বাৰু বোৱা, তুমি কিয় যুদ্ধলৈ যাব ওলাইছা?"

এণ্ড্ৰুৱে গহীনাই কলে, "কিয় কব নোৱাৰো, কাৰণ যাবই লাগিব। আৰু মই যাব ওলাইছো কাৰণ ইয়াত থাকি মই ভাল পোৱা নাই।"

মাইকী মানুহৰ পোছাকৰ শব্দ শুনি এণ্ড্ৰু গহীন হ'ল। লিচাই পোছাক সলাই, বেলেগ কাপোৰকানি পিন্ধি আহিল। এণ্ড্ৰুৱে চকী এখন আগবঢ়াই দিলে।

লিচাই বহিয়েই ফৰাচী ভাষাত কবলৈ ধৰিলে, "মই ভাবি নাপাওঁ, আজিলৈকে আনাৰ কিয় বিয়া হোৱা নাই। তোমালোক মতাবিলাকেনো তেওঁক কিয় বিয়া কৰোৱা নাই। তোমালোককে বা কি সুধিম! মাইকী মানুহৰ বিষয়ে তোমালোকে একেবাৰে নাজানা। পিয়াৰ, তুমি দেখোন তৰ্কবীৰ হলা!"

"এতিয়াও আপোনাৰ স্বামীৰ লগত তৰ্ক কৰিয়ে আছোঁ। কাৰণ তেওঁ কিয় যুদ্ধলৈ যাব খুজিছে, মই বুজি পোৱা নাই।"

"মযো তাকে কওঁ। মতা মানুহেনো যুদ্ধ নহলে কিয় থাকিব নোৱাৰে! আমি মাইকী মানুহেতো যুদ্ধ নিবিচাৰোঁ। পিয়াৰ, তুমিও তেওঁক বুজনি দিয়া। ইয়াত সকলোৱে তেওঁক ভাল পায়। যশ, মান, প্ৰতিপত্তি একোৰে অভাৱ নাই। যুদ্ধলৈ কেলেই যাব লাগিছে?"

পিয়াৰে এণ্ড্ৰুৰ ফালে চালে। এণ্ড্ৰু লিচাৰ কথাত বিৰক্ত হৈছিল। পিয়াৰে মাতাতিলে। অলপ পাচত পিয়াৰে সুধিলে, "তেন্তে, তুমি কেতিয়াকৈ বাওণা হবা?"

লিচাই কলে, "পিয়াৰ, তুমি সেইবোৰ কথা আৰু নুলিয়াবা। মই

শুনিব নোৱাৰো। ইমান দিনৰ প্ৰিয় বন্ধু-বান্ধৱসকলক এৰি থৈ যাব লাগিব; এনে কি এণ্ড্ৰুৰ পৰাও এৰাএৰি হৈ থাকিব লাগিব; গোটেই দিনটো আজি তাকেই ভাবি আছো।" পিৰিয়েকৰ ফালে চাই কলে, "মই বৰ ভয় খাইছো।" এণ্ড্ৰুৱে শান্তভাৱে কলে, "তোমাৰ কিহৰ ভয়, লিচা?"

"মতা মানুহ মাত্ৰেই স্বাৰ্থপৰ। বিনা কাৰণে গাঁৱত মোক অকলে পেলাই থৈ আপুনি যাবলৈ ওলাইছে।"

"অকলে থাকিব নালাগে—দেউতা আছে, ভনটী আছে।"

"বন্ধু-বান্ধৱক এৰি থাকিলেই অকলে থকা হয়।" লিচাৰ মুখত হাঁহি নাই। তেওঁ এতিয়া বনবীয়া জন্তু। কিন্তু তেওঁৰ প্ৰকৃত ভয়ৰ কাৰণটো পিয়াৰৰ আগত কবলৈ সঙ্কোচ কৰিছে।

এণ্ড্ৰুৱে আকৌ কলে, "তোমাৰ কিহৰ ভয়, মই এতিয়াও বুজি পোৱা নাই।" লিচাই ৰঙা পৰি হাত জোকাৰি কলে, "আপুনি একেবাৰে বদলি গৈছে। আপোনাৰ আমূল পৰিবৰ্তন হৈছে।"

"ডাক্তাৰে তোমাক সোনকালে শুবলৈ কৈছে। তোমাৰ শুবৰ সময় হৈছে, যোৱা।"

লিচাই একোকে নামাতিলে। এণ্ড্ৰু থিয় হৈ কোঠাটোৰ ভিতৰত খোজ কাঢ়িবলৈ ধৰিলে।

পিয়াৰে আচৰিত হৈ এবাৰ এণ্ড্ৰুৰ ফালে, এবাৰ লিচাৰ ফালে চাই যাবলৈ ওলাইছিল কিন্তু এণ্ড্ৰুৱে কলে, "ৰঁহা।"

লিচাই মাত লগালে, "পিয়াৰ আছে, তাতে নো কি হ'ল? মই কেতিয়াবাৰ পৰাই কম বুলি ভাবি আছিলোঁ। আপুনি মোক ইমান অৱজ্ঞা কৰে কিয়? মইনো কি কৰিলোঁ? আপুনি যুদ্ধলৈ যাব ওলাইছে কিন্তু মোৰ কথা নাভাবে কিয়?"

এণ্ড্ৰুৱে গহীনাই মাত্ৰ কলে, "লিচা!" কিন্তু লিচা নাথামিল। ফেঁকুৰি ফেঁকুৰি কলে, "আপুনি মোক বেমাৰী বা সৰু ছোৱালীৰ নিচিনা ধমক দিয়ে। মই সকলো কথা লক্ষ্য কৰিছো। ছমাহ আগতে কিন্তু আপুনি এনেকুৱা নাছিল।"

এণ্ড্ৰুৱে সবলভাৱে কলে, "লিচা, তোমাৰ মুখখন বন্ধ কৰা। মই অনুৰোধ কৰিছোঁ।"

পিৰিয়েক ঘৈণীয়েকৰ এনে ধৰণৰ বাকবিতণ্ডা শুনি পিয়াৰে অস্বস্তি

বোধ কৰিলে। বিশেষকৈ লিচাৰ চকুৰ পানী দেখি সি বিচলিত হ'ল। তাৰো চকুপানী ওলাল। লিচাৰ ওচৰলৈ গৈ অনুনয় কৰি কলে, "আপুনি শান্ত হওক। মই যিদৰে নহওঁ, মই এজন বাহিৰৰ মানুহ। মোৰ আগত—। আপুনি দুখ নকৰিব। বাৰু, মই এতিয়া আহিলো।"

এণ্ড্ৰুৱে তাক হাতত ধৰি বাধা দি কলে, "অলপ পৰ থাকা। আজি সন্ধিয়াটো তোমাৰ লগত কটাব খুজিছো। এই সুখৰ পৰা লিচাই মোক বঞ্চিত নকৰিব।"

লিচাই কান্দি কান্দি কলে, "তেওঁ অকল নিজৰ সুখৰ কথা হে ভাবে।"

এণ্ড্ৰু চিঞৰি উঠিল, "লিচা!" তেওঁৰ ধৈৰ্য্যৰ সীমা পাইছেগৈ। লিচাই ভয় খাই এণ্ড্ৰুৰ মুখৰ ফালে চালে। তাইৰ অভিমান নাইকিয়া হ'ল। শান্তভাৱে কলে, "বাৰু! বাৰু!" তাৰ পাচতে গাউনটো এহাতে ধৰি এণ্ড্ৰুৰ ওচৰলৈ গৈ নিয়মমতে তেওঁৰ কপালত চুমা খালে। এণ্ড্ৰুৱে লিচাৰ হাতত চুমা এটা খাই শুভৰাত্ৰি কামনা কৰিলে। জানিবা দুয়োজন অচিনাকি মানুহ হে।

লিচা যোৱাৰ পাচত দুয়ো বন্ধু অলপ পৰ নিমাত থাকিল। কাৰো মুখত কথা নোলাল। পিয়াৰে এণ্ড্ৰুৰ ফালে চালে। এণ্ড্ৰুৱে কপালখন মচি, থিয় হৈ, হুমুনিয়াহ কাঢ়ি লাহেকৈ কলে, "ব'লা, খাওঁগৈ।"

দুয়ো খোৱা কোঠাত সোমাল। কোঠাটোত থকা গামোছা, কাঁহী, বাটি, গিলাচ সকলো বস্তু নতুন। দেখিলেই নব-দম্পতিৰ সৰঞ্জাম বুলি বুজিব পাৰি। খোৱাৰ মাজতে এণ্ড্ৰু উত্তেজিত হৈ কবলৈ ধৰিলে, "বন্ধু, মোৰ উপদেশ, তুমি কেতিয়াও, কেতিয়াও বিয়া নকৰাবা। জীৱনৰ উদ্দেশ্য সাধন নোহোৱালৈকে বিয়া নকৰাবা। যিজনীক বিয়া কৰাব খোজা, যেতিয়া-লৈকে তাইক ভাল পোৱা বিয়া নকৰাবা। নহলে তুমি ভয়ানক ভুল কৰিবা। তাৰ প্ৰতিকাৰ নাই। অকৰ্ম্মণ্য, বুঢ়া হলে বিয়া কৰাবা। নহলে তোমাৰ সামৰ্থ্য উচ্চাকাংক্ষা অথলে যাব। আচৰিত নহবা, মই ঠিক কথাই কৈছো। তোমাৰ জীৱনৰ লক্ষ্যৰ পথত পদে পদে বাধা পাবা। অকল চ'ৰাঘৰত মেল মাৰিব পাৰিবা।"

পিয়াৰে চচমাযোৰ সোলোকাই লৈ এণ্ড্ৰুৰ পিনে ৰ লাগি চাই ৰ'ল। চচমা নাথাকিলে পিয়াৰক কোমলমতি লৰা যেন লাগে।

"মোৰ ঘৈণীৰ কথাই ধৰা। বৰ ভাল তিৰোতা। তেওঁৰ হাতত মোৰ

সন্মান অটুট থাকিব। কিন্তু মোৰ অবিবাহিত জীৱনটো ঘূৰাই পাবলৈ মই এতিয়া সকলো ত্যাগ কৰিবলৈ প্ৰস্তুত। মই তোমাক ভাল পাওঁ। সেই দেখি তোমাক হে এইবোৰ কথা কৈছোঁ।”

আনা পোলোভনাৰ ঘৰত এণ্ড্ৰুৰ যি কৃত্ৰিম, বিৰক্তিপূৰ্ণ, প্ৰাণহীন চেহেৰা দেখা গৈছিল তাৰ লগত এতিয়াৰ সজীৱ, তেজস্বী এণ্ড্ৰুৰ যেন কোনো সাদৃশ্য নাই। তেওঁ আকৌ কবলৈ ধৰিলে, “তুমি সকলো কথা বুজি নাপাবা। জীৱনৰ সকলো কথাই ইয়াত আছে। তুমি বোনাপাৰ্টৰ কথা কোৱা।” যদিও পিয়াৰে বোনাপাৰ্টৰ কথা কোৱা নাছিল। “বোনাপাৰ্টে যেতিয়া নিজ লক্ষ্যৰ পথত আগ বাঢ়িছিল, তেওঁৰ তেতিয়া আন কোনো চিন্তা নাছিল। কিন্তু তিৰোতা এজনী সাঙুৰি ললেই তুমি শিকলি লগোৱা কয়দী হলা। স্বাধীনতা, সকলো আশা-ভৰসা মৰহি যাব। চ'ৰাঘৰ, মেল, নাচ, ভেম আৰু সকমুৰা কথা—এইবোৰৰ হাত মই সাৰিব পৰা নাই। মই যুদ্ধলৈ যাবলৈ ওলাইছোঁ। এনে ডাঙৰ যুদ্ধ আগত হোৱা নাই। অৱশ্যে মই একো নাজানো আৰু মোৰ দ্বাৰা কোনো কামো নহব। এই অপদাৰ্থ সমাজখন লিচাই এৰি থাকিব নোৱাৰে। দেউতাই ঠিকেই কয় যে মাইকী মানুহৰ আছে অকল গৰ্ব, অভিমান, মূৰ্খামি। দূৰৈৰ পৰা সিহঁতৰ ভিতৰত কিবা থকা যেন লাগে, কিন্তু একো নাই।” সামৰণিত এণ্ড্ৰুৱে কলে, “বিয়া নকৰাবা, ভাই, কেতিয়াও বিয়া নকৰাবা।”

পিয়াৰে কলে, “তোমাৰ কথাটো মোৰ মনত অসম্ভৱ যেন লাগিছে। তুমি ভাবা তোমাৰ জীৱনটো অথলে গৈছে। কিন্তু তোমাৰ সকলো আছে। তোমাৰ ভবিষ্যত উজ্জ্বল।”

পিয়াৰে এণ্ড্ৰুক এজন আদৰ্শ পুৰুষ বুলি জ্ঞান কৰিছিল। বিশেষকৈ এণ্ড্ৰুৰ নিচিনা মনৰ বল পিয়াৰৰ মুঠেই নাছিল। এণ্ড্ৰুৰ স্মৃতি শক্তি, জ্ঞান আৰু ধৈৰ্য্য দেখি পিয়াৰ স্তম্ভিত হৈছিল। সেই কাৰণে পিয়াৰে এণ্ড্ৰুক বন্ধুভাৱে যেনে ভাল পাইছিল তেনে শ্ৰদ্ধাও কৰিছিল। কেতিয়াবা এণ্ড্ৰুৰ কোনো মতত একমত হব নোৱাৰিলেও, পিয়াৰে সেইটো দোষ বুলি নধৰি এণ্ড্ৰুৰ গুণ বুলিহে ধৰিছিল। চাকা চলিবলৈ যেনেকৈ তেল লাগে, বন্ধুত্ব বজায় ৰাখিবলৈও প্ৰশংসা লাগে।

অলপ বৈ এণ্ড্ৰুৱে ক'লে “মোৰ পিনে আধ্যা পৰিছে। বাৰু, মোৰ কথা এৰি দিয়া। এতিয়া তোমাৰ কথা শুনো।” দুয়ো বন্ধুৱে মিচিকিকৈ হাঁহিলে।

“মোৰনো কি কথা থাকিব পাৰে? মই কোন? মই এজন জহৰা। নাম নাই, ধাম নাই, মান নাই, সন্মান নাই, টকা নাই, পইচা নাই, কিন্তু মই মুক্ত,

বন্ধনহীন। কি কামত লাগিম, ভাবি পোৱা নাই। সেই কাৰণে তোমাৰ উপদেশ বিচাৰিছোঁ।"

এণ্ড্ৰুৱে মৰমৰ চকুৰে পিয়াৰৰ ফালে চালে, কিন্তু সেই দৃষ্টিত আত্মগৰিমাও লুকাই আছিল।

"পিয়াৰ, মই তোমাক ভাল পাওঁ। কাৰণ আমাৰ সমাজত তুমিয়ে একমাত্ৰ জীৱন্ত মানুহ। তুমি ভাগ্যবান। যি কাম ভাল পোৱা তাকে কৰা। তাতেই তোমাৰ ভাল হ'ব। কিন্তু তুমি কুৰেগিন পৰিয়ালৰ লগ এৰাঁ। এনেকুৱা উচ্ছৃঙ্খল জীৱন তোমাৰ কাৰণে ভাল নহ'ব।"

"মোক কি কৰিবলৈ কোৱা? মাইকী মানুহৰ কথাতো তুমি জানাই।"

"সম্ভ্ৰান্ত পৰিয়ালৰ মাইকী মানুহৰ কথা বেলেগ। কিন্তু কুৰেগিনহঁতৰ মাইকী, মদ মই ভাল নাপাওঁ।"

পিয়াৰ বাচিল কুৰেগিনৰ ঘৰতে থাকে আৰু বাচিলৰ পুতেক আনাতোলৰ নিচিনা পিয়াৰেও উচ্ছৃঙ্খল জীৱন যাপন কৰিছে।

এণ্ড্ৰুৰ কথাত সুখী হৈ পিয়াৰে কলে, "কেইদিনমানৰপৰা ময়ো এই কথাটো ভাবিছোঁ। এনেকৈ থাকি মই কোনো কথাকে ভাল দৰে ভাবিব নোৱাৰোঁ। মোৰ আৰু আমনি লাগিছে। স্বাস্থ্য ভঙ্গ হৈছে, টকা-পইচা নাইকিয়া হ'ল। আনাতোলে আজি ৰাতিও মোক ক্লাবলৈ মাতিছে। কিন্তু মই নাযাওঁ।"

"তেন্তে আজিৰপৰা ক্লাবলৈ নোযোৱা বুলি মোক কথা দিয়া।"

"নিশ্চয় কথা দিলোঁ।"

# তৃতীয় অধ্যায়

পিয়াৰে বন্ধুবৰ্গৰ বিদায় ললে। তেতিয়া এক বাজি গৈছে। জহ কালিৰ ৰাতি। আকাশত ভাৰব নাই। পিয়াৰে এখন ভাৰাগাড়ী লৈ ঘৰ বুলি ৰাওণা হ'ল। অলপ দূৰ গৈ তাৰ মনত পৰিল যে আজি নিশা আনাতোল কুৰেগিনৰ ঘৰত ভাল আড্ডা বহিব, মদ খোৱা হব আৰু কিমান আমোদ-প্ৰমোদ হব। এনে সুন্দৰ নিশা। তেতিয়াই তাৰ টোপনি অহা অসম্ভৱ। কুৰেগিনহঁতৰ তালৈ যোৱাই ভাল হব বুলি ভাবিলে। কিন্তু তালৈ নাযাব বুলি এণ্ড্ৰ আগত শপত খাইছিল। হঠাতে সেই কথাটো তাৰ মনত পৰিল।

কিন্তু দুৰ্বল চৰিত্ৰৰ মানুহৰ সাধাৰণতে যি অৱস্থা হয় তাৰো সিয়ে হ'ল। ইমান দিনে সি উচ্ছৃঙ্খল জীৱন যাপন কৰি অভ্যস্ত হৈছে। সেই জীৱন আকৌ এবাৰ উপভোগ কৰিবলৈ তাৰ প্ৰবল ইচ্ছা হ'ল। শেহত ক্লাবলৈ যোৱাটোকে ঠিক কৰিলে। সি ভাবিলে এণ্ড্ৰক কথা দিয়াৰ কোনো অৰ্থ নাই—কাৰণ সি তাৰ আগতেই ক্লাবলৈ যাব বুলি আনাতোলক কথা দিছিল। আৰু সি ভাবিলে যে এই কথা দিয়াৰ কোনো মূল্য নাই। কালিলৈ যদি কোনোবাই হঠাতে মাৰি যায় নাইবা তেনেকুৱা দুৰ্ঘটনা ঘটে, তেতিয়া মান সন্মানৰ প্ৰভেদ নাথাকিব। এনেকৈ ভাবি পিয়াৰ ক্লাবলৈ গ'ল।

আনাতোলৰ ঘৰৰ দুৱাৰ খোলা আছিল। বাহিৰৰ কোঠাত কোনো নাই। শুদা বটল আৰু কিছুমান কানি-কাপোৰ মাটিত পৰি আছে; মদৰ গোন্ধ। অলপ আঁতৰত পিয়াৰে মানুহৰ মাত শুনিলে।

তাচৰ গেল, খোৱা-লোৱা শেহ হৈছে কিন্তু মেল এতিয়াও ভঙা নাই। পিয়াৰে কোটটো সোলোকাই থৈ প্ৰথম কোঠাটোত সোমাল। তাত খোৱাৰ এবেহা পৰি আছে। এজন খানচামাই অকলে বহি মদ খাইছে। তৃতীয় কোঠাটোত হাঁহিৰ বোল উঠিছে। চিনাকি মানুহৰ চিঞৰ-বাখৰ আৰু এটা ভালুকে চিঞৰিছে। খোলা খিড়িকী এখনৰ ওচৰত আঠ জন ডেকা আগ্ৰহেৰে গোট খাইছে। আৰু তিনিজন ডেকাই এটা ভালুক লৈ ব্যস্ত। এজনে ভালুকটোক শিকলিত ধৰি টানিছে—আৰু তাৰে আনবোৰক ভয় খুৱাইছে। ভালুকটোৱে চিঞৰিছে।

এজনে কৈছে, "মই ষ্টীভেন্সৰ হৈ এশ টকা বাজি ধৰিছোঁ।" আন এজনে কৈছে, "মই দলোহভৰ হৈ।" আন এজনে কৈছে, "কুৰেগিন বাজি মাৰক।"

আনাতোলে চিঞৰিলে, "জেকভ, আমাক এবটল মদ দিয়া।" আনাতোল ওখ, ধুনীয়া ডেকা। তেওঁ কোঠাটোৰ মাজত থিয় হৈ আছে। এনেতে পিয়াৰ ওলালহি। পিয়াৰে দেখিলে আটাইবোৰে মদ খাই টং হৈ আছে।

খিড়িকীৰপৰা এজন ডেকাই মাত লগালে, "হেৰা পিয়াৰ, ইয়ালৈ আহাঁ। মই তোমাক আমাৰ বাজিৰ কথা কওঁ।" এওঁ দলোহভ, সামৰিক বিভাগত কাম কৰে। এওঁ যুঁজাৰু হিচাবে জনাজাত। আনাতোলৰ লগত থাকে। পিয়াৰে কলে, "কিহৰ বাজি? মই বুজা নাই।" আনাতোলে কলে, "ওঁ ৰবা, তুমি মদ খোৱা নাই। আগতে মদ খাই লোৱাঁ। এবটল মদ আনা।" পিয়াৰে কেবা গিলাচো মদ খালে। আনাতোলে গিলাচত মদ ঢালি দি আছে। আনাতোলে কলে যে দলোহভে ইংৰাজ নাবিক ষ্টিভেন্সৰ লগত বাজি মাৰিছে। দলোহভে চাৰিতলাৰ খিড়িকীত বহি, ভৰি দুখন বাহিৰৰ পিনে ওলমাই দি এবটল মদ খাব। "বটলটো শেহ কৰাঁ। বলা খিড়িকীৰ ওচৰলৈ যাওঁ।"

দলোহভে আনাতোল আৰু পিয়াৰক আগত ৰাখি ইংৰাজ জনৰ হাতত ধৰি বাজিৰ চৰ্তবোৰ বুজাইছে। দলোহভৰ বয়স পঁচিশ বছৰ। চুলিবোৰ কেকোঁৰা, চকু যুৰি নীলা। দাড়ি গোফ নাই। দলোহভ সাধাৰণ অৱস্থাৰ মানুহ। আপোন-বুলিবৰ কোনো নাই। আনাতোলে বছৰত দহ হেজাৰ টকা খৰচ কৰে। কিন্তু দলোহভে আনাতোলৰ লগত থাকি ইমান আধিপত্য কৰি লৈছে যে আনাতোলৰ বন্ধু-বান্ধৱসকলে আনাতোলতকৈ দলোহভকহে বেছি সম্মান কৰে। দলোহভে সকলো ৰকমৰ জুৱা খেলে আৰু প্ৰায়ে জিকে। যিমানেই মদ নাখাওঁক তাৰ মগজ বেয়া নহয়। সেই সময়ত পিটাৰ্চবাৰ্গত জুৱাৰী আৰু উচ্ছৃংখল ডেকা হিচাপে আনাতোল কুৰেগিন আৰু দলোহভ জনাজাত আছিল।

দলোহভে এবটল মদ লৈ খিড়িকীৰ ওচৰলৈ গ'ল। আৰু জাপ মাৰি খিড়িকীখনত উঠিল। হাতত মদৰ বটলটো লৈ খিড়িকীৰ বাটামত থিয় দি দলোহভে কবলৈ ধৰিলে, "শুনা," সকলো নিমাত হ'ল।

ইংৰাজ জনে বুজিব পৰাকৈ দলোহভে ফৰাচী ভাষাত কলে, "মই পঞ্চাশ টকাৰ বাজি মাৰিছো—এশ টকাৰো মাৰিব পাৰোঁ।" ইংৰাজ জনে কলে, "নহয় পঞ্চাশ টকাৰ।" "বাৰু, পঞ্চাশ টকাৰ বাজি। মই বাহিৰৰ পিনে খিড়িকীত বহি ক'তো নধৰাকৈ বটলটো মুখৰপৰা হুণ্ডচোৰাকৈ গোটেই বটল মদ খাম। হবনে?" ইংৰাজজনে কলে, "ঠিক আছে।" আনাতোলে ইংৰাজজনৰ কোটত ধৰি বাজিৰ চৰ্ত্তবোৰ ইংৰাজীত বুজাই দিলে। খিড়িকীৰ ওপৰৰপৰা দলোহভে মাত লগালে, "আৰু এটা কথা আনাতোল, শুনা। অইন কোনোবাই যদি এই কামটো কৰিব পাৰে—মই তাক এশ টকা দিম, বুজিছা।"

খিড়িকীৰ বাটামৰ ওপৰত মদৰ বটলটো থৈ দলোহভ লাহে লাহে খিড়িকীৰ ওপৰত উঠিল। দুয়োখন ভৰি বাহিৰৰ পিনে ওলমাই দি, হাত দুখন মেলি, ভালদৰে বহি ললে। বাটামৰ ওপৰত আনাতোলে দুডাল মম-বাতি জ্বলাই দিলে। দলোহভৰ বগা কামিজ আৰু কেঁকোৰা চুলিত পোহৰ পৰিল। খিড়িকীৰ চৌপাশে সকলো গোট খালে। ইংৰাজজন সকলোৰে আগত। পিয়াৰে হাঁহি আছে কিন্তু একো মতা নাই। এনেতে এজন কম বয়সীয়াল ডেকাই খং কৰি দলোহভক কামিজত ধৰি নমাই আনিব খুজিছিল। "তোমালোকে কি চাইছা? এইটো মূৰ্খামিহে, সি মৰিব।" আনাতোলে তাক থমালে। "তাক নুছুবা। চক্ খুৱালে সি পৰি মৰিব।" দলোহভে আকৌ ভালকৈ বহি লৈ, হাত দুখন মেলি লাহে লাহে কলে, "আকৌ কোনোবাই মোক ছুলে, মই তাক ইয়াৰপৰা পেলাই দিম। এতিয়া—" বুলি কৈ দলোহভে এখন হাতেৰে মদৰ বটলটো মুখত গুজি ধৰি,—আনখন হাত দাঙি ধৰিলে। এজন লগুৱাই ভগা গিলাচৰ ডোগৰবোৰ লৈ বুটলিব আহি দলোহভৰ পিনে ৰ' লাগি চাই ৰ'ল। আনাতোলে আচৰিত হৈ চাইছে। ইংৰাজজনে মুখ বন্ধ কৰি এফালৰপৰা চাইছে। দলোহভক নমাই আনিব খোজা ডেকাজন খিড়িকীৰ ওচৰৰ পৰা গৈ কোঠাটোৰ এচুকত বহি বেৰৰ পিনে চাই আছে। পিয়াৰে ভয়তে মুখখন ঢাকি আছে। সকলো নিস্তব্ধ। পিয়াৰে এবাৰ চকুৰপৰা হাত দুখন আঁতৰালে। দলোহভ একেদৰে বহি আছে। মূৰটো অলপ তললৈ হালিছে। মদৰ বটল ধৰি থকা হাতখন অলপ কঁপিছে। পিয়াৰে ভাবিলে, "আধা ঘণ্টাৰ ওপৰ হ'ল, মদ শেষ হোৱা নাইনে?" হঠাতে দলোহভৰ গোটেই গাটো কঁপিবলৈ ধৰিলে। পিয়াৰে

আকৌ চকু মুদিলে। চকু মেলি দেখিলে দলোহভ খিড়িকীৰ ওপৰত থিয় হৈছে। মুখখন শেঁতা কিন্তু বং মনেৰে কলে, "গুদা বটল।"

দলোহভে বটলটো ইংৰাজজনৰ গালৈ দলিয়াই দিলে। দলোহভ খিড়িকীৰপৰা জাপ মাৰি নামি আহিল। গোটেই গাত মদৰ গোন্ধ।

"চাবাচ! চাবাচ! ইয়াকেহে বাজি বোলে। তুমি মানুহ নহয়!" সকলোৱে প্ৰশংসা কৰিলে।

ইংৰাজজনে মোনাৰ পৰা টকাখিনি গণি দিলে। দলোহভে একো নামাতিলে। পিয়াৰ খিড়িকীখনৰ ওচৰলৈ গৈ চিঞৰি কলে, "মোৰ লগত কোনে বাজি মাৰা আহাঁ। দলোহভে যি কৰিছে,ময়ো তাকে কৰিম। বাজি নধৰিলেও কোনো কথা নাই। মোক এবটল মদ দিবলৈ কোৱা।"

দলোহভে হাঁহি হাঁহি কলে, "দিয়াঁ, দিয়াঁ মদ এবটল দিয়াঁ। বাক, কি কৰে চাওঁ।"

পিয়াৰৰ কথাত বহুতে আপত্তি কৰি কলে, "পিয়াৰ, তুমি পগলা হৈছা নেকি? কোনেও তোমাক এইটো কৰিবলৈ নিদিয়ে। কেলেই, তললৈ নামি যাওঁতেই দেখোন তোমাৰ মূৰ ঘূৰায়।" পিয়াৰে যেজত ভুকুৱাই চিঞৰিলে, "মই খিড়িকীৰ ওপৰত বহি এবটল মদ খাম। মদ দিয়াঁ।" সি খিড়িকীৰ ওপৰত উঠিল। কিছুমানে তাক হাতত ধৰি টানি নমাব খুজিছিল কিন্তু পিয়াৰৰ গাত যথেষ্ট বল আছিল। সি প্ৰত্যেক জনকে ঠেলি আঁতৰাই দিলে। তেতিয়া আনাতোলে মাত লগালে, "নহয়, তেনেকৈ তাৰ লগত নোৱাৰিবা। ৰ'বাঁ, মই তাক ঠিক কৰিম। পিয়াৰ, শুনা, মই তোমাৰ লগত বাজি মাৰিম কিন্তু আজি নহয়—কাইলৈ। কাৰণ এতিয়া আমাৰ আন ধেমালি আছে।" পিয়াৰে "আহা তেন্তে" বুলি কৈ ভালুকজনীক সাবটি লৈ ওপৰলৈ দাড়ি ধৰি কোঠাটোত ঘূৰিবলৈ ধৰিলে।

# চতুৰ্থ অধ্যায়

আনা পোলোভনাৰ ঘৰত প্ৰিন্সেছ দ্ৰুবেৎস্কোৱে তেওঁৰ একমাত্ৰ পুতেক বোৰিচৰ কাৰণে প্ৰিন্স বাচিলক যি আবেদন কৰিছিল—বাচিলে তেওঁৰ কথা ৰাখিছে। বাচিলে সম্ৰাটক কৈ বোৰিচক ৰাজকীয় বাহিনীত নিযুক্ত কৰিছে। আনা মিখাইলোভনা এতিয়া মস্কোত তেওঁৰ চহকী আত্মীয় ৰোস্তভ পৰিয়ালত আছে। ৰাজকীয় বাহিনীৰ অইনবোৰে আগষ্টৰ দহ তাৰিখেই পিটাৰ্চবাৰ্গ এৰিছে। কিন্তু তেওঁৰ ল'ৰাটোৱে কাপোৰ-কানি আৰু আন আন লাগতিয়াল বস্তু যোগাৰ কৰিবৰ কাৰণে মস্কোতে আছে।

আজি ৰোস্তভ গৃহিণীৰ জন্মতিথি। ৰাতিপুৱাৰে পৰা ছটা ঘোঁৰাৰ বাগীখন ঘৰৰপৰা অহা-যোৱা কৰি আছে। গৃহিণীৰ বয়স পঞ্চল্লিশ বছৰ। কিন্তু কেবাটাও ল'ৰা-ছোৱালীৰ মাক হোৱাৰ কাৰণে দুৰ্বল আৰু শেঁতা পৰিছে। তেওঁ বাৰটা ল'ৰা-ছোৱালীৰ মাক। দুৰ্বলতাৰ কাৰণে তেওঁ লাহে ধীৰে চলা-ফুৰা কৰে, কিন্তু তাত তেওঁৰ গাম্ভীৰ্য্যহে বাঢ়িছে। পৰিয়ালৰ বিশেষ বন্ধু হিচাবে আনা মিখাইলোভনা দ্ৰুবেৎস্কোৱে আলহীক সোধ-পোছ কৰাত ৰোস্তভ গৃহিণীক সহায় কৰিছে। গৃহস্থ কাউণ্ট ৰোস্তভে আলহীক আগবঢ়াই গৃহিণী থকা ঘৰলৈ লৈ আনিছে আৰু ভোজত যোগ দিবলৈ সকলোকে নিমন্ত্ৰণ জনাইছে।

এজনী শকত লিগিৰী আহি গৃহস্থনীক খবৰ দিলে যে মেৰিয়ালোভনা কাৰাগিন আৰু তেওঁৰ জীয়েক আহিছে। গৃহস্থনীয়ে অলপ ভাবি বেজাৰেৰে কলে, “এইবোৰ আলহীয়ে বৰ আমনি দিয়ে। বাৰু, আহক, নহলে বেয়া পাব। আৰু কাকো দেখা নকৰোঁ।”

এজনী ওখ শকত-আৱত মহিলা আৰু তেওঁৰ ধুনীয়া জীয়েক ঘৰৰ ভিতৰ সোমাল। ৰোস্তভ গৃহিণীৰ দীৰ্ঘায়ু কামনা কৰাৰ পাচত তেওঁলোকৰ ভিতৰত নানান বিষয়ৰ কথা-বতৰা হ'ল। বিশেষকৈ তেওঁলোকে চহকী বুঢ়া কাউণ্ট বেচুখভৰ বেমাৰৰ কথা আৰু তেওঁৰ জহৰা ল'ৰা পিয়াৰৰ বিষয়ে আলোচনা কৰিলে। ডেকা কালত বেচুখভ বৰ ধুনীয়া মানুহ আছিল। মেৰিয়া কাৰাগিনে কলে, “মই বেচেৰা কাউণ্টৰ কাৰণে বৰ দুখ পাইছোঁ। তেওঁৰ স্বাস্থ্য বৰ বেয়া, তাতে ল'ৰাটোৰ আচৰণে তেওঁক সোনকালে মাৰিব।”

ৰোস্তভ গৃহিণীয়ে সুধিলে, "কি হৈছে ?"

"আধুনিক শিক্ষাৰ ফল বহিৰাগত থাকোঁতে পিয়াৰক নিজ খুচি মতে চলিবলৈ হৈছিল! এতিয়া পিটাৰ্চবাৰ্গত মানুহে কয় সি ইমানে জঘন্য কাম কৰিছে যে তাক পুলিচত গটাই দিয়া হৈছে।"

"সঁচা নে ?"

আনা মিথাইলোভনাই মাত লগালে, "সি বৰ বেয়া লগ লৈছে। প্ৰিন্স বাচিলৰ ল'ৰা, সি আৰু দলোহভ নামে এজন ডেকা। মানুহে কয় ভগৱানেহে জানে সিহঁতে কি দুষ্কৰ্ম কৰিছে। তাৰ কাৰণে দুয়ো শাস্তি পাইছে। দলোহভক সাধাৰণ সৈনিকৰ শাৰীলৈ নমাই দিয়া হৈছে। আৰু বেচুখভৰ ল'ৰাক মস্কোলৈ নিৰ্বাসন কৰিছে। আনাতোলৰ কথাটো বাপেকে কোনোমতে লুকাই ৰাখিছে। কিন্তু তাকো পিটাৰ্চবাৰ্গৰপৰা পঠাই দিয়া হৈছে।"

ৰোস্তভ গৃহিণীয়ে সুধিলে, "কেলেই, সিহঁতে কি কৰিছিল ?"

আলহীয়ে কলে, "সিহঁত অসভ্য, বৰ্বৰ, বিশেষকৈ দলোহভ। মাকজনী ইমান ভাল মানুহ। ল'ৰাটো হ'ল এনেকুৱা। চাওক, সিদিনাখন তিনিও ক'ৰবাত এজনী ভালুক ধৰিছিল। গাড়ীত ভৰাই ভালুকজনীক এজনী অভিনেত্ৰীৰ তালৈ লৈ গ'ল। পুলিচে দেখি লৰি আহি সিহঁত ৰখালে। সিহঁতে পুলিচটোক ধৰি ভালুকজনীৰ পিঠিত বান্ধি নৈত পেলাই দিলে। ভালুকজনীয়ে পিঠিত পুলিচজনৰ সৈতে সাঁতুৰি গ'ল।"

কাউণ্ট ৰোস্তভে হাঁহি কলে, "দৃশ্যটো বৰ সুন্দৰ হৈছিল।"

"কাউণ্ট, ইমান নিৰ্দয়। ইয়াত হাঁহিবলৈ কি আছে ?" কিন্তু মহিলাসকলে নিজেও হাঁহি ৰাখিব নোৱাৰিলে।

আলহীয়ে কলে, "বেচুখভৰ ল'ৰাই এনে ধৰণৰ আমোদ-প্ৰমোদ কৰে। মানুহে কয় সি হেনো বৰ শিক্ষিত, চোকা। বিদেশত শিক্ষাৰ এই পৰিণাম। যথেষ্ট ধন সম্পত্তি থকা সত্ত্বেও বোধকৰোঁ তাক ইয়াত কোনেও আদৰ নকৰিব। মোৰ লগত তাক চিনাকি কৰি দিব খুজিছিল। মই চিনাকি হবলৈ গাটাংকৈ অস্বীকাৰ কৰিছোঁ। মোৰ ঘৰত ছোৱালী আছে।"

ৰোস্তভ গৃহিণীয়ে সুধিলে, "ডেকাজনক চহকী কিয় বুলিছো ? তেওঁৰ অকল জহৰা ল'ৰা-ছোৱালীহে আছে আৰু পিয়াৰো জহৰা ল'ৰা।"

আলহীয়ে কলে, "তেওঁৰ বোধকৰোঁ বহুত জহৰা ল'ৰা-ছোৱালী আছে।"

আনা মিথাইলোভনাই ফুচফুচাই কলে, "কাউণ্ট বেচুখভৰ খ্যাতিৰ কথা

আমি সকলোৱে জানো। তেওঁৰ ল'ৰা-ছোৱালীৰ লেখ জোখ নাই, খবৰো নাই কিন্তু পিয়াৰ তেওঁৰ বৰ মৰমৰ।"

ৰোস্তভ গৃহিণীয়ে কলে, "যোৱা বছৰলৈকে বুঢ়াটো কিমান ধুনীয়া আছিল। এনে ধুনীয়া মানুহ আৰু মই দেখা নাই।"

আনা মিখাইলোভনাই কলে, "এতিয়া তেওঁৰ চেহেৰা একেবাৰে বদলি গৈছে। ঘৈণীয়েকৰ ফালৰপৰা প্ৰিন্স বাচিল তেওঁৰ সকলো সম্পত্তিৰ উত্তৰাধিকাৰী কিন্তু দেউতাকে পিয়াৰক বৰ মৰম কৰে। তাৰ শিক্ষাৰ কাৰণে বৰ যত্ন লৈছে। আৰু তেওঁৰ মৃত্যুৰ পাচত এই অগাধ সম্পত্তিৰ গৰাকী প্ৰিন্স্ বাচিল নে পিয়াৰ হব, এই বিষয়ে কোনেও নজনাকৈ তেওঁ সম্ৰাটলৈ লিখিছে। তেওঁৰ জমিদাৰীত চল্লিশ হেজাৰ প্ৰজা আছে। লাখ লাখ টকা আছে। সঁচা কথা, কাৰণ প্ৰিন্স্ বাচিলে নিজে মোক কৈছে। অৱশ্যে মাৰ ফালৰপৰা বেচুখভ মোৰ ককাইদেউ হয়। আৰু তেওঁ বোৰিচৰ ধৰ্ম পিতাকো।"

আলহীয়ে কলে, "প্ৰিন্স্ বাচিল কালি মস্কো আহি পাইছে। তেওঁ কিবা পৰিদৰ্শন কামত অহা বুলি শুনিছোঁ।"

ৰোস্তভ গৃহিণীয়ে কলে, "আমাৰ ভিতৰতহে কৈছোঁ—সি এটা ছেলুহে। বেচুখভৰ টান নৰিয়াৰ কথা শুনি তেওঁক চাবলৈকেহে আহিছে।"

হঠাতে দুৱাৰৰ ওচৰলৈকে কেইবাজনো ল'ৰা-ছোৱালী লৰি অহা অহা শব্দ শুনা গ'ল। এজনী ছোৱালীয়ে কাপোৰৰ ভিতৰত কিবা এটা লুকাই লৈ লৰি আহি কোঠাটোৰ মাজত থমকি ৰল। পলাবলৈ ঠাই নাপাই ভুলতে তাই এই কোঠাটোত সোমাইছে। লগে লগে এজন ছাত্ৰ, এজন ডেকা সৈনিক, এজনী পোন্ধৰ বছৰীয়া ছোৱালী আৰু এজন শকত আৰত্ত গোলপীয়া বঙৰ ল'ৰা দুৱাৰ মুখত থিয় হ'ল।

কাউণ্ট ৰোস্তভে ছোৱালীজনীক সাবটি ধৰি কলে, "এই আমাৰ মৰমৰ নাতাচা। আজি তাইৰো জন্মদিন।" গৃহস্থনীয়ে গহীনাই কলে, "আপুনি লাই দি দি তাইক মূৰত তুলিছে।—ইয়াত কিয় গোলমাল কৰিছা?"

ছোৱালীজনী দেখিবলৈ বৰ ধুনীয়া নহয়। কিন্তু তাইৰ সৰলতা আৰু চকুযুৰি মৰম লগা। তাই এতিয়া ছোৱালী নয়—কিন্তু গাভৰুও নহয়।

নাতাচা বাপেৰ ওচৰৰপৰা মাকৰ ওচৰলৈ গ'ল। মাকৰ বকনিলৈ তাই মনকে কৰা নাই। মাকৰ কোলাত মুখখন লুকাই তাই হাঁহিবলৈ ধৰিলে। হাঁহি হাঁহি মাকক কলে, "মা, মোৰ মিমিক দেখিছা?" এই বুলি কাপোৰৰ

ভিতৰৰপৰা এটা পুতলা উলিয়াই ক'লে, "এয়া মোৰ মিমি।" মাকে অলপ বিৰক্তিৰ ভাব দেখুৱাই ক'লে, "থাক হৈছে, এতিয়া ইয়াৰপৰা যা।" নাতাচাই মাকৰ কোলাত আকৌ মুখখন লুকালে।

ইপিনে নাতাচাৰ দলৰ ল'ৰা ছোৱালীবোৰ দুৱাৰ মুখত অস্থিৰ হৈ ৰৈ আছে। এই দলত আছিল—মিথাইলোভনা, ড্ৰুবেৎস্কোৰ ল'ৰা, ল'ৰা-সৈনিক বোৰিচ, কলেজৰ ছাত্ৰটো কাউণ্টৰ ডাঙৰ ল'ৰা নিকোলাচ। পোন্ধৰ বছৰৰ ছোৱালীজনী চোনিয়া, গৃহস্বনীৰ মাউৰী ভাগিনী। আটাইতকৈ সৰু ল'ৰাটো গৃহস্বৰ হুমলীয়া পুতেক পিঠিয়া। নিকোলাচ আৰু বোৰিচ বাল্যবন্ধু। একেলগে বং ধেমালি কৰি ডাঙৰ হৈছে। দুয়ো দেখিবলৈ ধুনীয়া কিন্তু দুয়ো বেলেগ ধৰণৰ। বোৰিচ ওখ, গহীন, কিন্তু নিকোলাচ কঁটীয়া আৰু সবল।

হাঁহি হাঁহি লৰা-ছোৱালীবোৰ ঘৰৰ ভিতৰ সোমাল। কোঠাত সোমায়ে বোৰিচে মাত লগালে, "মই মিমিক আজি পাঁচ বছৰে দেখি আছোঁ। তাইৰ তেতিয়া নাক ভগা নাছিল। কিন্তু তাই এতিয়া বুঢ়ী হৈছে। এতিয়া তাইৰ মূৰটোও ভাগিছে।" বোৰিচে তাইৰ ফালে চাওঁতেই নাতাচাই মুখ ঘূৰাই ভায়েকৰ ফালে চালে। ভায়েকক ইহা দেখি নাতাচাই একে দৌৰে ঘৰৰ পৰা লৰ মাৰিলে। বোৰিচে কিন্তু হঁহা নাই। সি মাকক হাঁহি ক'লে, "মা আপুনি ওলাই যাব নহয়? গাড়ী মাতিব লাগিব নেকি?" "এৰা, গাড়ী এখন আনাগৈ।" বোৰিচে কোঠাৰপৰা ওলাই গৈ নাতাচাক বিচাৰিবলৈ ধৰিলে। লৰা-ছোৱালীৰ ভিতৰত নিকোলাচ আৰু চোনিয়া ডাঙৰৰ কোঠাটোতে থাকিল। চোনিয়াই ডাঙৰৰ মেলত বস পোৱা নাই। তাই অকল নিকোলাচৰ কাৰণে ৰৈ আছে। নিকোলাচ যুদ্ধলৈ যাব। তাই ভাবিছে—কেনেকৈ নিকোলাচক লৈ কোঠাটোৰ-পৰা ওলাই যাব পাৰে। বোৰিচ আৰু নাতাচাৰ নিচিনা তাইৰো নিকোলাচৰ লগত খেলিবলৈ বৰ হেঁপাহ হৈছে।

নিকোলাচক দেখুৱাই বোস্তভ গৃহিণী মেৰিয়া কাৰাগিনক ক'লে, "ইয়াৰ বন্ধু বোৰিচ সৈনিক বিভাগত সোমাইছে। সেই কাৰণে ইও বিশ্ববিদ্যালয় এৰি, বুঢ়া বাপেকক অকলে এৰি থৈ বন্ধুৰ লগত সৈনিক হব খুজিছে। এয়ে আজি-কালিৰ বন্ধুত্ব।" ৩

আলহীয়ে ক'লে, "কিন্তু যুদ্ধ হেনো ঘোষণা কৰা হৈছে।"

কাউণ্টে ক'লে, "যুদ্ধ ঘোষণা কৰা হৈছে বুলি সিহঁতে কেতিয়াবাৰ পৰাই কৈ আছে। আৰু এনেকৈ মিছাতে কৈয়ে থাকিব।—ই হৈছে বন্ধুত্ব।"

নিকোলাচে অলপ উত্তেজিত হৈ কলে, “বন্ধুত্বৰ কাৰণে মুঠেই নহয়, দেউতা। মই সামৰিক জীৱন বেছি ভাল পাওঁ।”

নিকোলাচৰ কথা শুনি লৰা-ছোৱালীবোৰে ভাল পালে।

কাউণ্টে বেজাৰ মনে কলে, “সেনাপতি পাউলোভড্রেডে আজি আমাৰ ইয়াত খাবহি। আজি ৰাতিয়ে বোধকৰোঁ নিকোলাচক লৈ যাব।”

নিকোলাচে কলে, “দেউতা, মই আপোনাক আগতে কৈছোঁ—আপুনি যদি সম্মতি নিদিয়ে মই নাযাওঁ। কিন্তু মই জানো সৈনিক হোৱাৰ বাহিৰে মই আন কোনো কামৰে উপযুক্ত নহওঁ। ৰাজনীতিও নাজানো, কেৰানী হবও নোৱাৰোঁ।”

বুঢ়া কাউণ্টে কলে, “বাৰু, বাৰু, ঠিক আছে। অলপ কথাতে তাৰ মূৰ গৰম হয়। বোনাপাৰ্টে ইহঁতৰ মূৰ খালে। বোনাপাৰ্টক সাধাৰণ সৈনিকৰ পৰা সম্রাট হোৱা দেখি, ইহঁতেও তেনে হব আশা কৰিছে। হওক বাৰু, ভগৱানে তোমালোকক তাকে কৰক।”

ডাঙৰবিলাকে বোনাপাৰ্টৰ বিষয়ে আলোচনা কৰি থাকোঁতে কাৰাগিন গাভৰু জুলিয়াই নিকোলাচক কলে, “যোৱা বৃহস্পতিবাৰে তুমি আমাৰ মেললৈ নোযোৱাত মোৰ ইমান বেয়া লাগিছিল।” নিকোলাচে হাঁহি হাঁহি জুলিয়াৰ ওচৰ চাপি বহিল। নিকোলাচ আৰু জুলিয়াক হাঁহি হাঁহি কথা পতা দেখি কিন্তু চোনিয়াৰ হিয়াখন ভাগিল। মাজতে নিকোলাচে এবাৰ চোনিয়াৰ ফালে চালে। চোনিয়াৰ অন্তৰত খং, মুখত শুকান হাঁহি। চকুপানী সামৰিব নোৱাৰি তাই কোঠাৰ পৰা ওলাই গ'ল। নিকোলাচ যেন প্ৰাণহীন হ'ল। জুলিয়াৰ কথা শেহ হোৱা মাত্রেই সি বিষাদ মনেৰে চোনিয়াক বিচাৰি গ'ল।

নাতাচাই বহা কোঠাৰপৰা ওলাই গৈ ওচৰৰ কোঠা এটাত সোমাইছিল। এই কোঠাটোৰ এচুকত কাঠৰ পাত্রত কেইবাজোপাও গছ-গছনিৰ পুলি আছিল। হঠাতে বোৰিচৰ ভৰিৰ খোজ শুনি তাই লৰালৰিকৈ গছৰ পুলিবোৰৰ ভিতৰত লুকাল।

বোৰিচ আহি কোঠাটোৰ মাজত থিয় হ'ল। কোঠাটোত কোনো নাই। সি পোছাকটো ভালকৈ পিন্ধি আয়নাৰ ওচৰলৈ গৈ তাৰ ধুনীয়া মুখখন চালে। বোৰিচেনো কি কৰে—নাতাচাই লুকাই চাইছে। বোৰিচে আয়নাত মুখখন চাই মিচিকি হাঁহি দুৱাৰৰ পিনে খোজ ললে। নাতাচাই তাক মাতিব খুজিছিল ; পিচত ভাবিলে, “মোক বিচাৰক।” বোৰিচ কোঠাটোৰ পৰা ওলাই

গ'ল। এনেতে আনখন দুৱাৰেদি চোনিয়া কোঠাটোত সোমাল। চোনিয়াই অভিমানত বঙা পৰি মনে মনে কিৰাকিৰি কৈ চকুৰ পানী টুকিছে। চোনিয়াক দেখি নাতাচাই লুকাই থকা ঠাইৰ পৰা ওলাই আহিব খুজিছিল, কিন্তু নাহিল— লুকায়ে থাকিল। চোনিয়াই কিৰাকিৰি বলকিছে আৰু বহা কোঠাৰ দুৱাৰখনৰ ফালে চাইছে। এনেতে দুৱাৰখন মেলি নিকোলাচ ওলালহি।

নিকোলাচে চোনিয়াৰ ওচৰলৈ গৈ মৰম কৰি সুধিলে, "চোনিয়া, তোমাৰ কি হৈছে ?"

"একো হোৱা নাই। তুমি যোৱাঁ।" চোনিয়াই ফেঁকুৰি ফেঁকুৰি কলে।

"জানিছোঁ তোমাৰ কি হৈছে।"

"তেন্তে ভালেই হৈছে ; তাইৰ ওচৰলৈ যোৱাঁ।"

নিকোলাচে চোনিয়াৰ হাতত ধৰি কলে, "চোনিয়া, এটা কথা। মিছাকৈ ভাবি তুমি মোক মনত দুখ দিছা আৰু নিজেও কষ্ট পাইছা।"

চোনিয়াই ফেঁকুৰিবলৈ এৰিলে।

নাতাচাই বৰ আগ্ৰহেৰে নিকোলাচ আৰু চোনিয়াক লুকাই চাই আছে— ইহঁতেনো কি কৰে।

নিকোলাচে কলে, "চোনিয়া, তোমাৰ বাহিৰে মই কাকো ভাল নাপাঁও। তুমি মোৰ সকলো। মই তোমাক প্ৰমাণ কৰি দেখুৱাম।"

"তেনেকৈ নকৰবাঁ। মই ভাল নাপাঁও।"

"বাৰু, নকওঁ তেন্তে। মোক ক্ষমা কৰাঁ, চোনিয়া।" বুলি কৈ নিকোলাচে চোনিয়াক সাবটি ধৰি চুমা খালে।

এই দৃশ্যটো দেখি নাতচাৰ বৰ ভাল লাগিল। নিকোলাচ আৰু চোনিয়া কোঠাটোৰ পৰা ওলাই গ'ল। অলপ পাচতে নাতাচাই কোঠাটোৰ পৰা ওলাই আহি হাঁহি হাঁহি বোৰিচক মাতিলে, "শুনা, শুনা। এটা বৰ ডাঙৰ কথা আছে।" নাতাচাই লুকুৱা ঠাইডোখৰলৈ বোৰিচক মাতিলে। বোৰিচ হাঁহি হাঁহি পিচে পিচে গ'ল।

"কি ডাঙৰ কথা ?" কিন্তু নাতাচাই হঠাতে কোনো উত্তৰ দিব নোৱাৰিলে। তাইৰ পুতলাটো এজোপা গছৰ পুলিৰ বাকচত পৰি থকা দেখি, নাতাচাই পুতলাটো তুলি লৈ বৰ আগ্ৰহেৰে কলে, "পুতলাটোক চুমা খোৱাঁ।" বোৰিচে মৰমেৰে নাতাচাৰ মুখলৈ চালে। কিন্তু একোকে নামাতিলে। "চুমা

নোখোৱা ? বাৰু তেন্তে ইয়ালৈ আহা।" এই বুলি কৈ নাতাচাই পুতলাটো দলিয়াই দি গছৰ পুলিবোৰৰ মাজত সোমাল আৰু বোৰিচক হাতত ধৰি তালৈকে মাতিলে। দুয়ো গছপুলিবোৰৰ আঁৰ হ'ল। তেতিয়া নাতাচাই বোৰিচৰ মুখলৈ চাই ফুচফুচাই কলে, "মোক চুমা খোৱা।" হঠাতে বোৰিচৰ মুখখন ৰঙা হ'ল। সি কলে, "কি অসম্ভৱ কথা কোৱা।" নাতাচাই তেতিয়া এটা কাঠৰ পাত্ৰৰ ওপৰত থিয় হৈ বোৰিচৰ ডিঙিত সাবট মাৰি ধৰি মুখত এটা চুমা খালে। তাৰ পাচত তাই অলপ আঁতৰ হৈ তলমূৰকৈ থাকিল।

"নাতাচা, তুমি জানা, মই তোমাক ভাল পাওঁ, কিন্তু ..."

"তুমি মোক ভাল পোৱা ?"

"ভাল পাওঁ, কিন্তু আমি এনেকুৱা কৰা অনুচিত।" অলপ ভাবি বোৰিচে কলে, "চাৰি বছৰ পাচত—মই তেতিয়া তোমাক বিয়া কৰাম।"

আঙুলিৰ মূৰত লেখি নাতাচাই কলে "তেৰ, চৈধ্য, পোন্ধৰ, যোল···বাৰু, তেন্তে তুমি কথা দিছা ?"

"নিশ্চয়, কথা দিছোঁ।"

"চিৰদিনৰ কাৰণে নহৰালৈকে ?"

ৰৰ বং মনেৰে নাতাচাই বোৰিচৰ হাতত ধৰি আন কোঠালৈ গুচি গ'ল।

# পঞ্চম অধ্যায়

বোস্তভ গৃহস্থনীক আলহীয়ে আমনি লগাইছিল। কাৰাগিন গৃহিণী আৰু তেওঁৰ জীয়েক বিদায় লোৱাৰ পাচতে জনাই দিলে যে আৰু কোনো আলহীক তেওঁ দেখা নকৰে। ভোজলৈ সকলোকে নিমন্ত্ৰণ জনাবলৈ দুৱাৰৰখীয়াক কলে। গৃহস্থনীয়ে তেওঁৰ বাল্যকালৰ বান্ধৱী আনা মিখাইলোভনাৰ লগত অকলে অলপ সুখ-দুখৰ কথা হব খুজিছিল। পিটাৰ্চবাৰ্গলৈ অহাৰ পাচত তেওঁৰ লগত ভালকৈ দেখা-শুনা কৰিব পৰা নাই। এতিয়া অকলে পাই আনা মিখাই-লোভনাই গৃহস্থনীৰ কাষ চাপি বহিল।

আনা মিখাইলোভনাই কলে, "মই তোমাৰ আগত সকলো কথা খোলা-খুলিকৈ কম। আমাৰ বান্ধৱী এতিয়া আৰু বেছি নাই। সেই কাৰণে তোমাৰ বন্ধুত্বৰ ওপৰতে নিৰ্ভৰ কৰিছোঁ। তুমি বোধকৰো ভাবিবই নোৱাৰা যে বৰ্তমানে আচলতে মোৰ হাতত এটা ফুটাকড়িও নাই। বোৰিচৰ সাজপাৰ কেনেকৈ কৰাওঁ ভাবিয়ে পোৱা নাই।" পিচত কমালখন উলিয়াই চকুৰ পানী মচি কলে, "পাঁচ শ ৰূপ লাগিব কিন্তু মাত্ৰ পচিশটাহে যোগাৰ হৈছে—এনে বিপদত পৰিছোঁ। এতিয়া প্ৰিন্স্ বেচুখভৰ ওপৰত মোৰ একমাত্ৰ ভৰসা। তুমি জানা তেওঁ বোৰিচৰ ধৰ্ম পিতাক। তেওঁ যদি ধৰ্ম পুতেকক সহায় নকৰে, তাৰ পোহ যাবৰ ব্যৱস্থা নকৰে, মোৰ সকলো চেষ্টা অথলে যাব। তাৰ সাজপাৰ দিব নোৱাৰিম।" বোস্তভ গৃহিণীয়ে চকুৰ পানী টুকি নিমাত হৈ শুনিছে।

"মই প্ৰায়ে ভাবো—অৱশ্যে এইটো পাপ চিন্তা যে প্ৰিন্স্ বেচুখভ অকলে অকলে আছে। তেওঁৰ অগাধ সম্পত্তি—তেওঁনো কিহৰ কাৰণে জীয়াই থাকিব লাগিছে? জীৱনটো এতিয়া তেওঁৰ বিড়ম্বনা মাথোন কিন্তু বোৰিচৰ জীৱনৰ আৰম্ভণি হে।"

গৃহস্থনীয়ে কলে, "বোৰিচক তেওঁ নিশ্চয় কিবা দি যাব।"

"ঈশ্বৰেহে জানে। চহকী মানুহবিলাকৰ ধনে নিজকে নাটে। তথাপি বোৰিচক লৈ মই এতিয়াই তেওঁক দেখা কৰিবলৈ যাম। আৰু সকলো কথা মই তেওঁৰ আগত ভাঙি-পাতি কম। অৱশ্যে মানুহে মোক যিহকে পায় তাকে কব। কিন্তু ইয়াৰ ওপৰত মোৰ লৰাৰ ভাগ্য নিৰ্ভৰ কৰিছে যেতিয়া মই কাৰো কথা গ্ৰাহ্য নকৰোঁ।" প্ৰিন্সেছ মিখাইলোভনা থিয়

হ'ল। "এতিয়া দুই বাজিছে। তোমাৰ ভোজ চাবি বজাত। ইয়াৰ ভিতৰতে মই উভতি আহিব পাৰিম।"

আনা মিখাইলোভনাৰ ব্যৱসায়বুদ্ধি যথেষ্ট আছে আৰু প্ৰতিটো মুহূৰ্তকে তেওঁ কামত লগাব জানে। পুতেকক মাতি আনি তেওঁ যাবলৈ ওলাল। খোৱা-কোঠাৰপৰা ওলাই আহি কাউণ্টে মাত লগালে, "আপুনি প্ৰিন্স বেচুখভৰ তালৈ যাব ওলাইছে। যদি তেওঁক ভাল দেখে, তেন্তে পিয়াৰক ভোজলৈ মাতি আহিব। সি আমাৰ ইয়াত আছিল। লৰা-ছোৱালীবোৰৰ লগত নাচিছিল। তাক মাতিবলৈ নাপাহৰিব।"

# ষষ্ঠ অধ্যায়

বাটে বাটে গাড়ীৰ ভিতৰত আনা মিখাইলোভনাই পুতেক বোৰিচক বহুতো বুজনি দি গৈছে। সি যেন বেচুখভৰ লগত ভাল ব্যৱহাৰ কৰে, কাৰণ তেওঁৰ ওপৰতে তাৰ ভবিষ্যত নিৰ্ভৰ কৰিছে। বোৰিচে কলে, "সন্মান হানি হোৱা কোনো কাম মই কৰিবলৈ ভাল নাপাওঁ। কিন্তু তোমাৰ কাৰণে সকলো সহ্য কৰিম।"

কাউন্ট বেচুখভৰ ঘৰৰ আগত মিখাইলোভনা আৰু বোৰিচ গাড়ীৰ পৰা নামিল। এটা লগুৱা আহি সুধিলে—তেওঁলোকে কাক বিচাৰিছে—প্ৰিন্সেছইতক নে কাউন্টক। কাউন্টকহে বিচাৰিছে বুলি কোৱাত লগুৱাটোৱে কলে যে কাউন্টৰ অৱস্থা আজি বেয়াৰ পিনে ঢাল লৈছে, কাৰো লগত দেখা কৰিব নোৱাৰিব।

বোৰিচে ফৰাচী ভাষাত কলে, "তেন্তে মা, আমি উভতি যোৱাই ভাল।" মাকে মিনতিৰ সুৰত তাক আকৌ বুজনি দিলে।

আনা মিখাইলোভনাই লগুৱাটোক কলে, "হেৰা, কাউন্টৰ টান বেমাৰ বুলি মই জানো—সেই কাৰণেহে মই আহিছোঁ। মই সম্বন্ধীয়া মানুহ। মই তেওঁক অকণো আমনি নকৰোঁ। প্ৰিন্স বাচিল ইয়াতে আছে। মই অকল তেওঁকহে দেখা কৰিম। আমি অহা বুলি খবৰ দিয়াচোন।"

মিখাইলোভনাই পিন্ধি থকা পোছাকটো ভালকৈ লৈ বোৰিচৰ সৈতে ওপৰতলালৈ গ'ল। বাটতে পুতেকক আকৌ বুজনি দিবলৈ নাপাহৰিলে। তেওঁলোক এটা ডাঙৰ কোঠাত সোমাল। তাতে মিখাইলোভনাই "প্ৰিন্স বাচিল কোনটো কোঠাত থাকে?" বুলি এটা লগুৱাক সুধিলে। এনেতে দুৱাৰ মেলি প্ৰিন্স্ বাচিল আৰু এজন ধুনীয়া মানুহ এটা কোঠাৰ পৰা ওলাই আহিল। এই মানুহজন পিটাৰ্চবাৰ্গৰ নামজাদা ডাক্তৰ লোৰেন।

বাচিলে সুধিলে, "তেন্তে এইটো ঠিক?"

ডাক্তৰজনে উত্তৰ দিলে, "প্ৰিন্স্, মানুহৰ ভুল হোৱা অস্বাভাৱিক নহয়।"

"বাৰু, বাৰু⋯".

আনা মিখাইলোভনা আৰু তেওঁৰ পুতেকক দেখি বাচিলে ডাক্তৰজনক

বিদায় দি তেওঁলোকৰ ওচৰলৈ গ'ল। হঠাতে মাকৰ মুখত বৰ বেজাৰৰ ভাব দেখি বোৰিচে পেটে পেটে হাঁহিলে। বোৰিচে বাচিলক সেৱা জনালে।

মিখাইলোভনাই কলে, "প্ৰিন্স্, এনে দুখৰ সময়তো আমি আকৌ দেখা দেখি হব লগা হ'ল। বাৰু, আগতে কওঁকচোন বেমাৰীৰ অৱস্থা কেনে?" বাচিলে মিখাইলোভনাক দেখি অলপ বিৰক্ত হৈছিল। তেওঁ চমুকৈ কলে যে বেমাৰীৰ অৱস্থা বৰ বেয়া।

আনা মিখাইলোভনাই কান্দি কান্দি কলে, "ইমানেই নে? সাংঘাতিক কথা! ভাবিবলৈকে ভয় লাগে!" বোৰিচক দেখুৱাই দি কলে, "এইটোৱে মোৰ লৰা। সি নিজে আপোনাক শলাগ জনাব খুজিছিল।" বোৰিচে আকৌ এবাৰ সেৱা কৰিলে।

"প্ৰিন্স্, আপুনি আমাৰ কাৰণে যি কৰিছে তাক কেতিয়াও নাপাহৰোঁ।" বাচিলে গহীনভাৱে কলে, "মৰমৰ মিখাইলোভনা, আপোনাৰ অলপ উপকাৰ কৰিবলৈ পাই বৰ ভাল পাইছোঁ।" বোৰিচৰ পিনে চাই কলে, "চাকৰিত তোমাৰ কৰ্তব্য ভালদৰে পালন কৰিবা। তোমাক দেখি ভাল পালোঁ—ইয়ালৈ ছুটী লৈ আহিছা?" বোৰিচে বিনীতভাৱে কলে, "মহাশয়, নতুন বাহিনীত যোগ দিবলৈ মই হুকুমৰ কাৰণে বৈ আছোঁ।"

"তুমি মাৰাৰ লগতে আছা?"

"মহাশয়, মই ৰোস্তভ গৃহিণীৰ তাত আছোঁ।"

মিখাইলোভনাই কলে, "ইলা ৰোস্তভ। তেৰেঁ নাতালি চিন্‌চিন্‌ক বিয়া কৰাইছে।"

বাচিলে কলে, "মই জানোঁ, মই জানোঁ। নাতালি চিন্‌চিন্ কিয় যে তাৰ লগত বিয়াত বহিল ভাবিয়ে নাপাওঁ। এটা গজমূৰ্খ আৰু জুৱাৰী বুলিও শুনিছোঁ।"

বাচিলৰ কথাত হয়ভৰ দি মিচিকি হাঁহি মিখাইলোভনাই কলে, "কিন্তু মানুহজনৰ ভাল গুণো আছে।" অলপ পৰ বৈ বিষাদৰ সুৰত কলে, "ডাক্তৰে কি কয়?"

"আশা নাই।"

"দদাইদেউক শলাগ জনাম বুলি ইমান দিনে আশা পালি আছিলোঁ। তেওঁ মোৰ আৰু বাচিলৰ বহুতো উপকাৰ কৰিছে। ই তেওঁৰ ধৰ্মপুতেক।"

বাচিলৰ মুখত অলপ বিৰক্তিৰ ভাব দেখি মিখাইলোভনাই ভাবি ললে

যে তেওঁলোকে বেচুখভৰ সম্পত্তিৰ ভাগ লবলৈ আহিছে বুলি হয়তো বাচিলে ভাবিছে। লবালবিকৈ কলে, "দদাইদেউলৈ মোৰ অকৃত্রিম চেনেহ, ভক্তি আছে বুলিহে আহিছো। মই তেওঁৰ স্বভাব চৰিত্রৰ কথা জানো—কি উদাৰ, ন্যায়-পৰায়ণ! এতিয়া লগত অকল জীৱেক কেইজনীহে আছে—সিইতো সক।" ফুচফুচাই কলে, "অৱস্থা যদি ইমানেই বেয়া, তেওঁক পৰাচিত কৰোৱা হৈছে নে? জীৱনৰ শেহ মুহূর্তবোৰ ইমান মূল্যবান। তেওঁৰ নৰিয়া যদি ইমানেই টান, এতিয়াই তেওঁক পৰলোকৰ কাৰণে সাজু কৰাব লাগে। আমি মাইকী মানুহে এইবোৰ কথা ভালদৰে জানো। মই তেওঁক চাব লাগিবই। সেই দৃশ্যটো মোৰ পক্ষে অসহ্য হ'ব কিন্তু জীৱনত বহুতো দুখ-কষ্ট ভুগিছো।"

বাচিলে আগতেই জানে আৰু এতিয়াও ভালদৰে বুজি পালে যে আনা মিখাইলোভনাৰ হাত সৰা সহজ কথা নহয়।

বাচিলে কলে, "কিন্তু আপুনি দেখা কৰিলে, বেমাৰীৰ প্রতি অন্যায় কৰা নহব জানো? গধুলিলৈকে বাট চাওক; ডাক্তৰে বিপদৰ ভবিষ্যদ্বাণী কৰি গৈছে।"

"প্রিন্স, এই মুহূর্তত বাট চোৱাৰ কোনো প্রশ্নই নুঠে। এতিয়া তেওঁৰ আত্মাৰ মুক্তিৰ কথাহে ভাবিব লাগে। খ্রীষ্টানৰ কর্তব্য···।" হাতমোজাযোৰ সোলোকাই বেজাৰ মনেৰে মিখাইলোভনা চকী এখনত বহিল। পুতেকক কলে, "বোৰিচ, মই দদাইদেউক চাই আহো গৈ। ইয়াৰ ভিতৰতে তুমি পিয়াৰক লগ ধৰা। ৰোস্তভইতৰ নিমন্ত্রণ তাক জনাবলৈ নাপাহৰিবা। তাক খাবলৈ মাতিছে। বোধকৰো সি নাযাব।"

বাচিলে কলে, "নিশ্চয় যাব। আপোনালোকে পিয়াৰক ইয়াৰপৰা লৈ গলেই ভাল পাওঁ। সি মিছাতে ইমান দিন ইয়াত বহি আছে। কাউণ্টে এবাৰো তাৰ বিচাৰ লোৱা নাই।"

এজন লগুৱা আহি বোৰিচক পিয়াৰৰ কোঠালৈ লৈ গ'ল।

# সপ্তম অধ্যায়

পিটাৰ্চবাৰ্গত পিয়াৰে কোনো কাম বাছি লব পৰা নাই। আৰু সঁচাকৈয়ে উচ্ছৃঙ্খল স্বভাৱৰ কাৰণে তাক মস্কোলৈ নিবাসন কৰা হৈছে। তাৰ বিষয়ে কাউণ্ট ৰোস্তভৰ ঘৰত যি আলোচনা হৈছিল, সকলো সঁচা। পুলিচ কৰ্মচাৰী-জনক ভালুকৰ পিঠিত বন্ধাত পিয়াৰে সহায় কৰিছিল। কেইদিনমান আগতে সি ইয়ালৈ আহি আগৰ নিচিনাকৈ বাপেকৰ ঘৰতে আছে।

পিয়াৰ অহাৰ পিচদিনা প্ৰিন্স্ বাচিল আহি কাউণ্টৰ ঘৰতে আছেহি। পিয়াৰক মাতি আনি তেওঁ কলে, "চোৱা পিয়াৰ, পিটাৰ্চবাৰ্গৰ দৰে ইয়াতো যদি তেনে ব্যৱহাৰ কৰা, তোমাৰ পৰিণাম বেয়া হব। মই চমুকৈ তোমাক ইয়াকে কলোঁ। কাউণ্টৰ বৰ অসুখ। তুমি তেওঁৰ ওচৰলৈ নাযাবা।" তেতিয়াৰ পৰা পিয়াৰক কোনেও একো কোৱা নাই। গোটেই দিনটো সি অকলে ওপৰ মহলাত নিজৰ কোঠাতে সোমাই থাকে।

পিয়াৰে নিজৰ কোঠাটোৰ ভিতৰত ইফাল সিফালকৈ খোজ কাঢ়ি আছিল। এনেতে বোৰিচক সোমোৱা দেখি সি থমকি ৰ'ল। পিয়াৰে বোৰিচক চৈধ্য বছৰ বয়সতে দেখিছিল আৰু তাক একেবাৰে পাহৰি গৈছিল। তথাপি সি বোৰিচক বৰ আগ্ৰহেৰে হাঁহি হাঁহি হাতত ধৰিলে।

বোৰিচে হাঁহি সুধিলে, "মোক চিনিব পাৰিছেনে? মই মাৰ লগত কাউণ্টক দেখা কৰিবলৈ আহিছিলো কিন্তু তেওঁৰ হেনো অসুখ।"

"এই ডেকাজন কোন?" পিয়াৰে মনত পেলাবলৈ চেষ্টা কৰি কলে, "এৰা, তেওঁৰ বোধকৰোঁ অসুখ। মানুহবিলাকে তেওঁক বৰ আমনি কৰিছে।"

বোৰিচে বুজি পালে যে পিয়াৰে তাক চিনি পোৱা নাই। কিন্তু নিজেও চিনাকি দিবলৈ ইচ্ছা নকৰি কলে, "কাউণ্ট ৰোস্তভে আপোনাক আজি খাবলৈ মাতিছে।" পিয়াৰে ৰংমনে কলে, "অ' কাউণ্ট ৰোস্তভ। তেন্তে তুমি তেওঁৰ লৰা ইলিয়াচ। তোমাক মই হঠাতে চিনিব পৰা নাছিলোঁ। মনত আছে নে আমি একেলগে কেনেকৈ পাহাৰ বগাই ফুৰিছিলোঁ?"

বোৰিচে হাঁহি হাঁহি কলে, "আপোনাৰ ভুল হৈছে। মই প্ৰিন্সেছ আনা মিখাইলোভনা দ্ৰুবেৎস্কোৰ লৰা বোৰিচ। ৰোস্তভইতৰ বাপেকৰ নাম হে ইলিয়াচ। পুতেকৰ নাম নিকোলাচ।

পিয়াৰে হাত মুখ জোকাৰিলে জানিবা মাখি বা মৌগুটিৰ জাকহে তাৰ গাত পৰিছে ।

"অ', মই সকলো কথা সানমিহলি কৰিছো। মস্কোত আমাৰ ইমান আপোন মানুহ আছে ! তুমি বোৰিচ, এৰা। এতিয়া মনত পৰিছে। বাৰু কোৰ্চিচোন বোলান অভিযানৰ বিষয়ে তোমাৰ কি মত ? নেপোলিয়নে যদি প্ৰণালীটো পাৰ হব পাৰে তেন্তে ইংৰাজৰ অৱস্থা বৰ বেয়া হব। বোধকৰো পাৰ হবই ।"

বোৰিচে বোলান অভিযানৰ কথা একো নাজানিছিল। সি কলে, "মস্কোত ৰাজনীতিতকৈ আমি ভোজ খাই আৰু লোকৰ কুচ্ছা গাইহে বেছি ভাল পাওঁ। বোলান অভিযানৰ বিষয়ে মই একোকে নাজানোঁ, নাভাবোঁও। মস্কোৱে কুৎসা চৰ্চাৰ বাহিৰে একোকে নাজানে। বৰ্তমানে মানুহে আপোনাৰ আৰু কাউণ্টৰ কথাহে আলোচনা কৰিছে।" পিয়াৰে এটি মৰমৰ হাঁহি মাৰিলে। বোৰিচে স্পষ্টকৈ কৈ গল, "মস্কোত পৰনিন্দা কৰাৰ বাহিৰে আন কাম নাই। এতিয়া সকলোৰে চিন্তাৰ বিষয় হৈছে কাউণ্টে তেওঁৰ সম্পত্তি কাক দি যায়। কিন্তু মোৰ বিশ্বাস তেওঁ এতিয়া নমৰে, আমিয়ে আগতে মৰিম।"

পিয়াৰে কলে, "এৰা, এইবোৰ বৰ বেয়া কথা।" বোৰিচে আকৌ কলে, "আৰু আপুনি দেখিব, প্ৰত্যেকৰে একমাত্ৰ চিন্তা হৈছে কেনেকৈ তেওঁৰ সম্পত্তিৰ অলপ ভাগ পায়।" পিয়াৰে ভাবিলে, "ঠিকেই কৈছে।"

বোৰিচে কৈয়ে আছে, "লগতে ইয়াকো কওঁ যে এই মানুহবোৰৰ ভিতৰত যদি মোক আৰু মাকো ধৰে তেন্তে আপুনি বৰ ভুল কৰিব। আমি বৰ দুখীয়া। কিন্তু মই অন্ততঃ মোৰ ফালৰপৰা কৈছো—আপোনাৰ দেউতাক ধনী বুলিয়েই তেওঁক মোৰ আত্মীয় বুলি নকওঁ। মই আৰু মাৰে তেওঁক একো নোখোজোঁও আৰু তেওঁৰপৰা একো নলওঁ।"

সকলো কথা বুজি পাই, চোফাৰপৰা জাপ মাৰি উঠি বোৰিচৰ হাতত ধৰি, লাজ আৰু বিৰক্তিৰ ভাৰত পিয়াৰে কলে, "বৰ আচৰিত কথা ! তুমি ভাবা নেকি মই··· মই ভালদৰে জানো।"

বোৰিচে আকৌ কৰলৈ ধৰিলে, "মই সকলো কথা খোলাখুলিকৈ কলোঁ। মোৰ এইটো স্বভাৱেই। আপুনি যদি বেয়া পাইছে, ক্ষমা কৰিব। কিন্তু বোধকৰো আপুনি বেয়া পোৱা নাই···। পিচত বোস্তভইতৰ ভোজলৈ যাব নে নাই ? মই কি কম ?"

পিয়াৰে গহীন হৈ কলে, "তুমি বৰ অদ্ভুত মানুহ। তুমি বৰ ভাল কথা কৈছা। অৱশ্যে তুমি মোক নাজানা। বহু দিনৰ মূৰত আমাৰ দেখাদেখি হ'ল। আমি তেতিয়া সৰু আছিলো। তুমি ভাবিব পাৰা—মই সকলো বুজোঁ। কিন্তু মোৰ সাহস নাই।" পিচত হাঁহি কলে, "তোমাৰ হয়তো মোৰ বিষয়ে এটা অদ্ভুত ধাৰণা হৈছে। কোনো কথা নাই। আমি পৰস্পৰে পৰস্পৰক জনা উচিত।" বোৰিচৰ হাতত ধৰি কলে, "মই কাউণ্টক এবাৰো দেখা নাই। মোক মাতি পঠোৱাও নাই। তেওঁৰ কাৰণে বৰ দুখ পাইছো—কিন্তু কি কৰিম!"

এটা লগুৱা বোৰিচক মাতিবলৈ আহিল। মাক যাবলৈ ওলাইছে। পিয়াৰে ভোজলৈ যাব বুলি কলে, বিশেষকৈ বোৰিচৰ লগত আৰু কথা হবলৈ।

আনা মিখাইলোভনাই চকুৰ পানী টুকি টুকি প্ৰিন্স বাচিলৰ লগত ঘৰৰপৰা ওলাই আহিল। "বৰ বেয়া হৈছে। কিন্তু যিয়ে নহওক লাগে মই মোৰ কৰ্তব্য কৰিম। মই ৰাতি থাকিবলৈ আহিম। তেওঁক এনেকৈ পেলাই থব নোৱাৰি। ভাগিনীয়েকহঁতে এই কামটো কিয় কৰা নাই—বুজি নাপাওঁ। তেওঁক পৰলোকৰ কাৰণে সাজু কৰাবলৈ ভগবানে কিজানি মোক সহায় কৰিব। তেন্তে প্ৰিন্স এতিয়া আহিলো—ভগবানে আপোনাৰ মঙ্গল কৰক।"

বাচিলে কলে, "বাৰু, যাওঁক।"

গাড়ীত উঠি মিখাইলোভনাই পুতেকক কলে, "তেওঁৰ অৱস্থা বৰ বেয়া। মানুহ চিনি নোপোৱা হৈছে।"

"কিন্তু মা, পিয়াৰৰ প্ৰতি তেওঁৰ কি মনোভাব?"

"উইলখনৰ পৰা সকলো কথা ওলাই পৰিব। আমাৰ ভাগ্যও তাৰ ওপৰতে নিৰ্ভৰ কৰিছে।"

"কিন্তু তেওঁ আমাক কিবা দিব বুলি তুমি কিয় আশা কৰিছা?"

"বাচা, তেওঁ ইমান চহকী আৰু আমি ইমান দুখীয়া।"

"ই কোনো কাৰণ হব নোৱাৰে।"

মাকে কান্দি কান্দি কলে, "ভগবান, তেওঁ ইমান কষ্ট পাইছে!"

পিয়াৰে হাত মুৰ জোকাৰিলে জানিবা মাখি বা মৌগুটিৰ জাকহে তাৰ গাত পৰিছে।

"অ', মই সকলো কথা সানমিহলি কৰিছোঁ। মস্কোত আমাৰ ইমান আপোন মানুহ আছে! তুমি বৌৰিচ, এৰা। এতিয়া মনত পৰিছে। বাৰু কোৰ্বাচোন বোলান অভিযানৰ বিষয়ে তোমাৰ কি মত? নেপোলিয়নে যদি প্ৰণালীটো পাৰ হ'ব পাৰে তেন্তে ইংৰাজৰ অৱস্থা বৰ বেয়া হ'ব। বোধকৰো পাৰ হ'বই।"

বোৰিচে বোলান অভিযানৰ কথা একো নাজানিছিল। সি ক'লে, "মস্কোত সান্ধ্যভোজনতকৈ আমি ভোজ খাই আৰু লোকৰ কুচ্ছা গাইহে বেছি ভাল পাওঁ। বোলান অভিযানৰ বিষয়ে মই একোকে নাজানোঁ, নাভাবোঁও। মস্কোৱে কুৎসা চচাৰ বাহিৰে একোকে নাজানে। বৰ্তমানে মানুহে আপোনাৰ আৰু কাউণ্টৰ কথাহে আলোচনা কৰিছে।" পিয়াৰে এটি মৰমৰ হাঁহি মাৰিলে। বোৰিচে স্পষ্টকৈ কৈ গল, "মস্কোত পৰনিন্দা কৰাৰ বাহিৰে আন কাম নাই। এতিয়া সকলোৰে চিন্তাৰ বিষয় হৈছে কাউণ্টে তেওঁৰ সম্পত্তি কাক দি যায়। কিন্তু মোৰ বিশ্বাস তেওঁ এতিয়া নমৰে, আমিয়ে আগতে মৰিম।"

পিয়াৰে ক'লে, "এৰা, এইবোৰ বৰ বেয়া কথা।" বোৰিচে আকৌ ক'লে, "আৰু আপুনি দেখিব, প্ৰত্যেকৰে একমাত্ৰ চিন্তা হৈছে কেনেকৈ তেওঁৰ সম্পত্তিৰ অলপ ভাগ পায়।" পিয়াৰে ভাবিলে, "ঠিকেই কৈছে।"

বোৰিচে কৈয়ে আছে, "লগতে ইয়াকো কওঁ যে এই মানুহবোৰৰ ভিতৰত যদি মোক আৰু মাকো ধৰে তেন্তে আপুনি বৰ ভুল কৰিব। আমি বৰ দুখীয়া। কিন্তু মই অন্ততঃ মোৰ ফালৰপৰা কৈছো—আপোনাৰ দেউতাক ধনী বুলিয়েই তেওঁক মোৰ আত্মীয় বুলি নকওঁ। মই আৰু মায়ে তেওঁক একো নোখোজোঁও আৰু তেওঁৰপৰা একো নলওঁ।"

সকলো কথা বুজি পাই, চোফাৰপৰা জাপ মাৰি উঠি বোৰিচৰ হাতত ধৰি, লাজ আৰু বিৰক্তিৰ ভাৱত পিয়াৰে ক'লে, "বৰ আচৰিত কথা! তুমি ভাবা নেকি মই··· মই ভালদৰে জানো।"

বোৰিচে আকৌ কৰলৈ ধৰিলে, "মই সকলো কথা খোলাখুলিকৈ কলোঁ। মোৰ এইটো স্বভাৱেই। আপুনি যদি বেয়া পাইছে, ক্ষমা কৰিব। কিন্তু বোধকৰো আপুনি বেয়া পোৱা নাই···। পিচত ৰোস্তভইতৰ ভোজলৈ যাব নে নাই? মই কি কম?"

পিয়াৰে গহীন হৈ কলে, "তুমি বৰ অদ্ভুত মানুহ। তুমি বৰ ভাল কথা কৈছা। অৱশ্যে তুমি মোক নাজানা। বহু দিনৰ মূৰত আমাৰ দেখাদেখি হ'ল। আমি তেতিয়া সৰু আছিলো। তুমি ভাবিব পাৰা···মই সকলো বুজোঁ। কিন্তু মোৰ সাহস নাই।" পিচত হাঁহি কলে, "তোমাৰ হয়তো মোৰ বিষয়ে এটা অদ্ভুত ধাৰণা হৈছে। কোনো কথা নাই। আমি পৰস্পৰে পৰস্পৰক জনা উচিত।" বোৰিচৰ হাতত ধৰি কলে, "মই কাউণ্টক এবাৰো দেখা নাই। মোক মাতি পঠোৱাও নাই। তেওঁৰ কাৰণে বৰ দুখ পাইছো—কিন্তু কি কৰিম!"

এটা লগুৱা বোৰিচক মাতিবলৈ আহিল। মাক যাবলৈ ওলাইছে। পিয়াৰে ভোজলৈ যাব বুলি কলে, বিশেষকৈ বোৰিচৰ লগত আৰু কথা হবলৈ।

আনা মিখাইলোভনাই চকুৰ পানী টুকি টুকি প্রিন্স বাচিলৰ লগত ঘৰৰপৰা ওলাই আহিল। "বৰ বেয়া হৈছে। কিন্তু যিয়ে নহওক লাগে মই মোৰ কৰ্তব্য কৰিম। মই ৰাতি থাকিবলৈ আহিম। তেওঁক এনেকৈ পেলাই থব নোৱাৰি। ভাগিনীয়েকহঁতে এই কামটো কিয় কৰা নাই—বুজি নাপাও। তেওঁক পৰলোকৰ কাৰণে সাজু কৰাবলৈ ভগৱানে কিজানি মোক সহায় কৰিব। তেন্তে প্রিন্স এতিয়া আহিলো—ভগৱানে আপোনাৰ মঙ্গল কৰক।"

বাচিলে কলে, "বাৰু, থাওক।"

গাড়ীত উঠি মিখাইলোভনাই পুতেকক কলে, "তেওঁৰ অৱস্থা বৰ বেয়া। মানুহ চিনি নোপোৱা হৈছে।"

"কিন্তু মা, পিয়াৰৰ প্রতি তেওঁৰ কি মনোভাব?"

"উইলখনৰ পৰা সকলো কথা ওলাই পৰিব। আমাৰ ভাগ্যও তাৰ ওপৰতে নির্ভৰ কৰিছে।"

"কিন্তু তেওঁ আমাক কিবা দিব বুলি তুমি কিয় আশা কৰিছা?"

"বাচা, তেওঁ ইমান চহকী আৰু আমি ইমান দুখীয়া।"

"ই কোনো কাৰণ হব নোৱাৰে।"

মাকে কান্দি কান্দি কলে, "ভগৱান, তেওঁ ইমান কষ্ট পাইছে!"

# অষ্টম অধ্যায়

কাউণ্ট বেচুখভ ছ বাব মূৰ্চ্ছা যোৱাৰ পাচত ডাক্তৰে কলে যে তেওঁৰ আৰু ভাল হোৱাৰ আশা নাই। অজ্ঞান অৱস্থাতে বেমাৰীক পবাচিত কাৰোৱা হ'ল। বহুতো মানুহৰ সমাগম হৈছে। গোটেই ঘৰখন উদ্বিগ্ন। বাহিৰত অন্ত্যেষ্টি-ক্ৰিয়াৰ যো-জা চলিছে। মস্কোৰ ৰাজ্যপালে বেমাৰীৰ সদায় খবৰ কৰি আছিল। আজি গধূলি তেওঁ নিজে আহি, আধা ঘণ্টামান থাকি, কাউণ্ট বেচুখভৰ পৰা বিদায় লৈ গৈছে।

ৰাজ্যপালক আগবঢ়াই থওঁতে প্ৰিন্স বাচিলে তেওঁক কিবা এটা কথা বাৰে বাৰে ফুচফুচাই কলে।

ৰাজ্যপালক বিদায় দি বাচিল ডাঙৰ কোঠাটোত সোমাই এখন চকীত বহিল। কিলাকুটিটো আঠুৰ ওপৰত থৈ হাতখনেৰে চকুযুৰি ঢাকি কিবা ভাবিলে। তাৰ পাচত হঠাতে ডাঙৰজনী প্ৰিন্সেছৰ কোঠালৈ গ'ল। তেতিয়া এন্ধাৰ হৈছিল। কোঠাটোত দুটা চাকি জ্বলি আছিল। বাচিল কোঠাটোত সোমালত এটা সৰু কুকুৰে ভুকিলে। প্ৰিন্সেছে থিয় হৈ কলে, "অ', আপুনি। কিবা খবৰ আছেনেকি ? বৰ ভয় লাগি আছে।"

"নাই, নতুন খবৰ নাই। একে ৰকমেই আছে।" এখন চকীত বহি কলে, "তোমাৰ কোঠাটো বৰ ধুনীয়া। এটা কথাৰ কাৰণে তোমাৰ ইয়ালৈ আহিলোঁ। বহাঁ।" অলপ ৰৈ কলে, "এনে সময়ত আমি সকলো কথা ভাবিব লাগিব। ভৱিষ্যতৰ কথা ভাবিব লাগে। তোমাৰ—মই তোমালোকৰ সকলোকে নিজৰ লৰা-ছোৱালী যে ভাবোঁ, তুমি জানাই।" প্ৰিন্সেছে বাচিলৰ মুখলৈ ৰ লাগি চাই থাকিল।

"সেইহত মোৰ পৰিয়ালৰ কথাও ভাবিব লাগিব। কিন্তু তুমি জানাই—যোৱা জাৰকালি কাউণ্টে প্ৰকৃত উত্তৰাধিকাৰী আমাক উপেক্ষা কৰি তেওঁৰ সকলো সম্পত্তি পিয়াৰক উইল কৰি দিছে।"

"তেওঁ বহুতো উইল কৰিব পাৰে কিন্তু পিয়াৰক সম্পত্তি দিব নোৱাৰে ; সি জহৰা, অবৈধ সন্তান।"

"কিন্তু কাউণ্টে যদি পিয়াৰক বৈধ বুলি স্বীকাৰ কৰিবলৈ সম্ৰাটক আবেদন কৰিছে, সেই আবেদনৰ মূল্য আছে।"

প্ৰিন্সেছে হাঁহিলে। এই বিষয়ে বাচিলতকৈ তেওঁ যেন বেছি জানে। বাচিলে প্ৰিন্সেছৰ হাতত ধৰি কলে, "মই আৰু জানো—চিঠিখন লিখা হৈছে যদিও পঠোৱা হোৱা নাই। আৰু সম্ৰাটে এই বিষয়ে শুনিছে। এতিয়া কথা হৈছে সেই চিঠিখন ফালি পেলোৱা হৈছে নে নাই। যদি হোৱা নাই তেন্তে আমাৰ আৰু হ'ল! কাউণ্টৰ সকলো কাগজ-পত্ৰ, চিঠিখনৰ সৈতে উইলখন সম্ৰাটক দিয়া হয়। আৰু কাউণ্টৰ আবেদন নিশ্চয় মঞ্জুৰ হব। ঔৰসজাত সন্তান হিচাপে পিয়াৰেই সকলো পাব।"

প্ৰিন্সেছে তেওঁৰ কথাত পতিয়ন নগৈ কলে, "কিন্তু আমাৰ অংশ কি হব?"

"কেলেই, পৰিষ্কাৰ কথা। পিয়াৰেই সম্পত্তিৰ একমাত্ৰ উত্তৰাধিকাৰী হব। তোমালোকে এতিয়া যি পাইছা, তাকো নাপাবা। এতিয়া তোমালোকে খবৰ কৰিব লাগে—উইলখন আৰু দৰ্খাস্তখন লিখা হৈছিল নে নাই আৰু সেইবোৰ নষ্ট কৰা হৈছে নে নাই। যদি কেনেবাকৈ এই কাগজবোৰ ক'ৰবাত পৰি আছে, সেইবোৰ বিচাৰি উলিয়াব লাগে—কাৰণ···"

"ইমানলৈ যাব নোৱাৰি। মই মাইকী মানুহ। আপুনি আমাক মূৰ্খ বুলি ভাবে। কিন্তু মই এইটো জানো যে জহৰা লৰা সম্পত্তিৰ উত্তৰাধিকাৰী হব নোৱাৰে।"

"কেটিচ্, তুমি নুবুজা কিয়? তুমি ইমান বুদ্ধিমতী। তথাপি তুমি নুবুজা কিয়? কাউণ্টে যদি পিয়াৰক বৈধ বুলি স্বীকাৰ কৰিবলৈ সম্ৰাটলৈ লিখিছে তেতিয়া পিয়াৰ আৰু পিয়াৰ হৈ নাথাকিব—কাউণ্ট বেচুখভ হব। আৰু তেতিয়া উইল মতে সকলো সম্পত্তিৰ উত্তৰাধিকাৰী হব। উইলখন আৰু চিঠিখন যদি নষ্ট কৰা হোৱা নাই, তোমালোকে একো নোপোৱা। ই ধ্ৰুৱ।"

"উইল কৰা হৈছিল, মই জানোঁ। কিন্তু মই জানো যে ই অসিদ্ধ। আপুনি মোক অধামূৰ্খ বুলি ভাবিছে।"

বাচিলে অলপ অস্থিৰ হৈ কলে, "প্ৰিন্সেছ, মই তোমাক উত্তেজিত কৰিবলৈ অহা নাই। আত্মীয়া বুলি, তোমালোকৰ ভালৰ কাৰণেহে কবলৈ আহিছোঁ। মই আকৌ কওঁ যে যদিহে সম্ৰাটলৈ লিখা চিঠিখন আৰু পিয়াৰৰ নামে কৰি দিয়া উইলখন কাউণ্টৰ কাকত-পত্ৰৰ ভিতৰত আছে তেন্তে তোমালোক উত্তৰাধিকাৰিণী হব নোৱাৰা। যদি মোৰ কথাত পতিয়ন নোযোৱা, জনা মানুহক সুধিবা। এইমাত্ৰ উকীলজনৰ লগত এই বিষয়ে মোৰ কথা হৈছিল। তেৱোঁ একে কথাকে কৈছে।"

হঠাতে প্ৰিন্সেচৰ মনৰ অলপ পৰিবৰ্তন হ'ল। "ভালেই হব! মই কেতিয়াও একো খোজা নাই। এতিয়াও একো নালাগে।" কোলাৰ পৰা কুকুৰটো পেলাই দি কলে, "তেওঁৰ কাৰণে সকলো স্বাৰ্থত্যাগ কৰাৰ এই কৃতজ্ঞতা, এই শলাগ। বৰ ভাল কথা! অতি উত্তম! প্ৰিন্স্, মোক একোকে নালাগে।"

"কিন্তু তুমি অকল নোহোৱা, তোমাৰ ভনীয়েৰা আছে।" প্ৰিন্সেচে কিন্তু বাচিলৰ কথাত কাণ নিদিলে। "মই বহু আগতেই জানিছিলোঁ কিন্তু পাহৰিছিলো যে এইখন ঘৰত নীচতা, ঠগবাজী, হিংসা, ঘোৰ অকৃতজ্ঞতাৰ বাহিৰে আন একো আশা কৰিব নোৱাৰি।"

বাচিলে সুধিলে, "উইলখন ক'ত আছে তুমি জানা নে নাই?"

"এতিয়া সকলো বুজি পাইছো। এইটো কাৰ ষড়যন্ত্ৰ তাকো জানিছোঁ।"

"এতিয়া সেইবোৰ কথা অৱান্তৰ।"

"সকলো কৰিছে আপোনাৰ শ্ৰদ্ধেয়া আনা। যিখাইলোভনাই কি অসচ্চৰিত্ৰ। মই তাইক চাকৰণীও নাৰাখোঁ।"

"মিছাতে সময় নষ্ট কৰিছা কিয়?"

"মোক আৰু নকব। মোৰ জাবকালি সেই ডাইনীজনী আহি কাউণ্টৰ আগত আমাৰ বিষয়ে ইমান নীচ, মিছা কথা লগাইছে; বিশেষকৈ চোফিৰ বিষয়ে যে সেইবোৰ কথা মই উচ্চাৰণ কৰিবলৈকে লাজ পাইছো। তেতিয়াৰপৰাই কাউণ্টৰ অসুখ হয় আৰু তেওঁ পোন্ধৰ দিন আমাক দেখা কৰা নাই। সেই সময়তে মই জানো, তেওঁ এই ঘিণলগা, কেলেঙ্কাৰী উইলখন লিখে। কিন্তু উইলখন কোনো কামত নহা বুলি মই ভাবিছিলোঁ।"

"এইটো কথা তুমি আগতে আমাক কোৱা নাই কিয়?"

"এইবোৰ দৰকাৰী কাকত-পত্ৰ তেওঁ গাৰুৰ তলত থয়। এতিয়া মই সকলো বুজি পাইছোঁ। মোৰ যদি কিবা পাপ আছে তেন্তে এই ডাইনী বুঢ়ীজনীক ঘিণ কৰাৰ কাৰণেহে। তাই ইয়াত অনধিকাৰ প্ৰৱেশ কিয় কৰে? বাৰু, ময়ো, তাইক দেখিম।"

# নবম অধ্যায়

বোম্ভইতৰ তাত ভোজ খাই ৰাতি পিয়াৰ ঘৰলৈ আহিব গুলাইছে ( তাক মাতি পঠাইছিল )। লগতে গাড়ীত আনা মিথাইলোভনাও আহিল। গাড়ীৰ ভিতৰতে বুঢ়ীয়ে পিয়াৰক বহুতো বুজনি দিলে। "বাচা, কোনো চিন্তা নকৰিবা, মই আছোঁ।" কিন্তু এইবোৰ কথা কোনোৰ অৰ্থ পিয়াৰে বুজি নাপায়। বেচুখভৰ ঘৰৰ দুৱাৰমুখত গাড়ী ৰ'ল। কিন্তু গাড়ীৰ ভিতৰতে পিয়াৰ টোপনিত লালকাল হৈ আছে। মিখাইলোভনাই তাক টোপনিৰ পৰা জগালে। দুয়ো গাড়ীৰ পৰা নামিল। বুঢ়ীয়ে আকৌ কলে, "বাচা, অধীৰ নহবা। মই থাকোঁতে তোমাৰ কিহৰ চিন্তা। মই যি কওঁ সেইমতে চলিবা।"

সন্মুখৰ ফালৰ দুৱাৰেদি নগৈ তেওঁলোক পিছফালৰ দুৱাৰেদি ঘৰত সোমাল। পিয়াৰ অলপ আচৰিত হ'ল কিন্তু একোকে নামাতিলে। ডাঙৰ প্ৰিন্সেছ কেথাৰিনৰ কোঠাটোৰ দুৱাৰখন অলপ মেল খাই আছিল। দুৱাৰৰ আগেদি যাওঁতে মিথাইলোভনাই দেখিলে যে বাচিল আৰু কেথাৰিনে কথা পাতি আছে। কেথাৰিনে মিথাইলোভনাক দেখি জলি উঠিল। দুৱাৰখন বন্ধ কৰি দিলে।

মিথাইলোভনাই পিয়াৰক ডাঙৰ বহা কোঠাটোলৈ গ'ল। তাত বহুতো মানুহ মন মাৰি ফুচফুচাই কথা পাতি আছিল। পুৰোহিত আৰু ডাক্তৰজনক তাত বহি থকা দেখি মিথাইলোভনাই কলে, "এইজন তেওঁৰ লৰা।" পিয়াৰক কোঠাটোত বহুৱাই কলে, "তুমি ইয়াতে বহি থাকা। তুমি মতা মানুহ, অধীৰ নহবা। তুমি যিমান দুখ পাইছা, ময়ো তিমানেই পাইছোঁ।"

পিয়াৰে কলে, "তেওঁতো মোক চাব খোজা নাই। মই মোৰ কোঠালৈ যাওঁ।"

"নহয়, তোমাৰ প্ৰতি যি অন্যায় কৰা হৈছে, সেইবোৰ কথা এতিয়া পাহৰি যোৱা। অকল এইটো কথা মনত ৰাখা যে তোমাৰ দেউতাৰা মৃত্যুশয্যাত। মোক বিশ্বাস কৰা। মই তোমাক নিজৰ লৰাৰ দৰে ভাল পাওঁ। মোৰ কথামতে চলা, তোমাৰ ভাল হব।"

মিথাইলোভনাই বাৰে বাৰে এইবোৰ কথা কৈ আছে। বিশ্বাস,

কিবা কথা পাতি আছিল। পিয়াৰে প্ৰিন্সেছক কোৱা শুনিলে "এই মাইকীজনীক মই দুই চকুৰে দেখিব নোৱাৰোঁ।" আৰু প্ৰিন্সেছে কিবা এটা বস্তু লুকাই থলে।

বাচিলে আনা মিথাইলোভনাক কলে, "আপোনালোকক চাহ দিছে, খাওক গৈ।"

মিথাইলোভনা আৰু পিয়াৰ চাহখোৱা কোঠাত সোমাল। পিয়াৰে একো নাখালে। অৱশ্যে তাৰ খাবৰ ইচ্ছা আছিল। হঠাতে মিথাইলোভনা ভৰিৰ আঙুলিত ভৰ দি বহা কোঠাটোলৈ আহিল। পিয়াৰে আহি দেখিলে ডাঙৰ প্ৰিন্সেছ আৰু মিথাইলোভনা দুয়ো উত্তেজিত হৈ কথা কৈছে।

"কি কৰিব লাগে, কি কৰিব নালাগে মোক জানিবলৈ দিয়ক।"

"প্ৰিন্সেছ, দদাইদেউক এতিয়া জিৰণি লাগে। এই সময়ত তেওঁক দিগ্দাৰ দিয়া ভাল নহব। তেওঁৰ আত্মাটো যাবলৈ সাজু হৈছে। এতিয়া সাংসাৰিক বিষয়ে কোৱা—।"

বাচিলে মাত লগালে, "নহয়, মিথাইলোভনা, কেটিছে যি ভাল দেখে কৰক। আপুনি জানে কাউণ্টে তাইক কিমান মৰম কৰে।"

হাতত থকা কাকতৰ টোপোলাটো দেখুৱাই প্ৰিন্সেছে বাচিলক কলে, "এনেকি এই উইলখনতনো কি আছে তাকো মই নাজানোঁ। আৰু আচল উইলখন বোধকৰো বাকচত আছে।" এই বুলি প্ৰিন্সেছ যাবলৈ ওলাইছিল কিন্তু মিথাইলোভনাই প্ৰিন্সেছৰ হাতৰ পৰা কাকতৰ টোপোলাটো কাঢ়ি আনি কলে, "মৰমৰ প্ৰিন্সেছ, মই তোমাক কাকুতি কৰিছোঁ, তেওঁক আৰু আমনি নকৰিবা। শান্তিত থাকিবলৈ দিয়া।" তাৰ পাচত কাকতৰ টোপোলাটো লৈ দুয়োজনীৰ মাজত টনা-আঁজোৰা লাগিল। কিন্তু বহু চেষ্টা কৰিও প্ৰিন্সেছে টোপোলাটো মিথাইলোভনাৰ হাতৰপৰা কোনোমতে আনিব নোৱাৰিলে। বাচিলৰ পিনে চাই প্ৰিন্সেছে চিঞৰিলে, "আপুনি নামাতে কিয়? মোক সহায় নকৰে কিয়?" বাচিলে মাতিলে, "তোমালোকে এইখন কি কাঁজিয়া লগালা? বৰ লাজৰ কথা। ইয়াৰ পৰিণাম বেয়া হব। বাক, ময়ে কাউন্টৰ ওচৰলৈ গৈ যি কৰিব লাগে কৰিম।"

মিথাইলোভনাই কলে, "প্ৰিন্স্, তেওঁক শান্তিত থাকিবলৈ দিয়ক।"

"ডাইনী, যখিনী" বুলি চিঞৰি প্ৰিন্সেছে জোৰ কৰি মিথাইলোভনাৰ হাতৰ পৰা কাকতৰ টোপোলাটো কাঢ়ি আনিলে।

এনেতে সৰু প্ৰিন্সেছ বেজাৰ মনেৰে বেমাৰীৰ কোঠাৰ পৰা ওলাই আহি কলে, "মোক অকলে অকলে ভাত এৰি থৈ আহি আপোনালোকে ইয়াত কি কৰিছে? ইপিনে তেওঁৰ আৰু বেছি সময় নাই।"

ৰবজ্ঞনী প্ৰিন্সেছ ক্যকতৰ টোপোলাটো মাটিত পেলাই দিলে। মিখাইলোভনাই লৰালৰিকৈ টোপোলাটো তুলি লৈ লৰ মাৰি বেমাৰীৰ কোঠাত সোমাল। ডাঙৰজনী প্ৰিন্সেছ আৰু প্ৰিন্স্ বাচিল পাচে পাচে গ'ল। কেই মিনিটমান পাচতে ডাঙৰ প্ৰিন্সেছ ওলাই আহি খঙেৰে পিয়াৰক কলে, "তুমি এতিয়া শান্তি পাইছা। যি বিচাৰিছিলা, তাকে পাইছা।" এই বুলি কৈ ফেঁকুৰি ফেঁকুৰি কোঠাটোৰ পৰা ওলাই গ'ল।

অলপ পাচতে বেমাৰীৰ কোঠাটোৰ পৰা শেঁতা পৰি বাচিল ওলাই আহিল। তেওঁ ধলং পলংকৈ আহি পিয়াৰৰ ওচৰত বহি, কপালত হাত দিলে। পিচত পিয়াৰৰ হাতত ধৰি কলে, "আমি ইমান পাপ, জাল, জুৱা-চুৰি কৰো।—কিন্তু কিহৰ কাৰণে? পিয়াৰ, মোৰ বয়স এতিয়া পঞ্চাশৰ ওপৰ—মযো—কিন্তু সকলোৰে পৰিণতি—মৃত্যু। মৃত্যুৱে সকলোৰে অন্ত পেলায়। সংসাৰ অসাৰ।" এই বুলি তেও কান্দিবলৈ ধৰিলে।

অৱশেষত আনা মিখাইলোভনা চকুৰ পানী টুকি টুকি মৃতকৰ কোঠাৰ-পৰা ওলাই আহিল। লাহে লাহে আহি পিয়াৰৰ ওচৰত থিয় হৈ পিয়াৰক এটা চুমা খালে। অলপ পাচত হুমুনিয়াহ এটা কাঢ়ি লাহে লাহে কলে, 'তেওঁ আৰু নাই।" পিয়াৰে তেওঁৰ মুখলৈ চালে।

"পিয়াৰ, আইা। কান্দিবলৈ চেষ্টা কৰা। কান্দোনে দুখ পাতলায়।"

পিয়াৰক আন এটা সৰু আন্ধাৰ বহা কোঠাত থৈ মিখাইলোভনা ওলাই গ'ল। উভতি আহি দেখিলে পিয়াৰে হাতত মূৰটো থৈ শুই আছে।

পিচদিনা ৰাতিপুৱা আনা মিখাইলোভনাই পিয়াৰক কলে, "বাচা, এইটো আমাৰ আটাইৰে কাৰণে ডাঙৰ ক্ষতি। ভগৱানে তোমাক সাহস দিব। তুমি লৰা মানুহ কিন্তু এতিয়া অগাধ সম্পত্তিৰ গৰাকী। উইলখন এতিয়াও মেলি চোৱা নাই—তথাপি মই ভালকৈ জানো—ই তোমাৰ মস্তিষ্কৰ বিকৃতি নঘটাব। কিন্তু তোমাৰ কৰ্তব্য বাঢ়িব। তুমি মানুহ হব লাগিব।" পিয়াৰে একোকে নামাতিলে।

"পিচত, লগতে কওঁ যে মই নথকা হলে কি যে হ'লহেঁতেন, ভগৱানে হে জানে। তুমি জানা সিদিনা মাথোন—পৰহিদিনা দদাইদেৱে মোক কৈছিল

যে তেওঁ বোৰিচক নাপাহৰে। কিন্তু তেওঁ সময় নাপালে। আশাকৰোঁ। তুমি নিশ্চয় তোমাৰ দেউতাৰাৰ আকাঙ্ক্ষা পূৰণ কৰিবা।”

পিয়াৰে মিখাইলোভনাৰ মুখলৈ চাই থাকিল কিন্তু এটা কথাৰো অৰ্থ বুজি নাপালে। পিয়াৰৰ লগত কথাপাতি আনা মিখাইলোভনা ৰোস্তভ-ইতৰ তালৈ গৈ শুই থাকিল।

পিচদিনা ৰাতিপুৱা তেওঁ চকুপানী টুকি টুকি কাউণ্ট বেচুখভৰ মৃত্যু কাহিনী সকলোৰে আগত বিৱৰি কলে। অন্তিম অৱস্থাত পিতা-পুত্ৰৰ মিলনৰ দৃশ্যটো মনত পৰিলেই তেওঁ চকুপানী সামৰিব নোৱাৰে। কাউণ্টৰ মৃত্যুত তেওঁ ইমান শোক পাইছে যে কাউণ্টৰ লগত তেওঁৰো মৰিবলৈ ইচ্ছা গৈছিল। লগতে ডাঙৰ প্ৰিন্সেছ আৰু প্ৰিন্স্ বাচিলৰ গৰ্হিত কাৰ্য্য-কলাপবোৰৰ কথাও ফুচফুচাই কলে।

# দশম অধ্যায়

ব্লিক হিল্‌চৰ জমিদাৰৰ ঘৰলৈ খবৰ আহিছে যে জমিদাৰৰ পুতেক এণ্ড্ৰু সস্ত্ৰীক দুই-এদিনতে আহি পাবহি। কিন্তু এই খবৰে ঘৰখনত কোনো চাঞ্চল্যৰ সৃষ্টি কৰা নাই। ঘৰৰ গৰাকী প্ৰিন্স্ নিকলয় এণ্ড্ৰুফিচ্ বল্‌কনস্কি এসময়ত সম্ৰাটৰ সেনাপতি আছিল আৰু অভিজাত সমাজত তেওঁ "প্ৰুচিয়াৰ ৰজা" নামেৰে জনাজাত আছিল। সম্ৰাট পলৰ ৰাজত্ব সময়ত তেওঁক এই জমিদাৰীলৈ নিৰ্বাসিত কৰা হয় আৰু তেতিয়াৰ পৰা জীয়েক মেৰিয়াৰ সৈতে তেওঁ ব্লিক হিল্‌চতে আছে। নতুন সম্ৰাটৰ আমোলত তেওঁক ৰাজধানীলৈ আহিবলৈ অনুমতি দিয়া হৈছিল কিন্তু গাঁৱৰ ঘৰখন এৰি তেওঁ নাহে। মস্কোৰপৰা ব্লিক হিল্‌চ পঞ্চাশ মাইল দূৰৈত। প্ৰিন্স্ বল্‌কনস্কিক একোকে নালাগে; তেওঁ কাকো নিবিচাৰে। কোনোবাই তেওঁক দেখা কৰিব খুজিলে, তেওঁৰ ঘৰলৈ যাব লাগে। তেওঁৰ মতে মানুহৰ সকলো পাপৰ কাৰণ এলাহ আৰু কুসংস্কাৰ। আৰু পৃথিবীত মাত্ৰ দুটা ভাল গুণ আছে—উৎসাহ আৰু বুদ্ধি। তেওঁ জীয়েকক নিজে শিকায় আৰু কুৰি বছৰ বয়সলৈকে জীয়েকক বীজগণিত আৰু জ্যামিতি শিকাই আছে। তেওঁ কেতিয়াও বহি নাথাকে। সদায় কিবা নহয় কিবা এটা কামত লাগি আছে। জীয়েককো তেনেকৈ সদায় কামত ব্যস্ত ৰাখে। তেওঁ খোৱা-বোৱা সকলো কাম নিয়মিত সময়ত কৰে। এক মিনিটৰো হেৰফেৰ নকৰে। চাকৰিৰ পৰা তেওঁ কেতিয়াবাই অৱসৰ ললে আৰু এতিয়া ৰাজনীতিত তেওঁৰ হাত নাই। তথাপি বহুতো ওখ খাপৰ বিষয়া আহি তেওঁক দেখা নকৰি নোৱাৰিছিল। নিৰ্দ্দিষ্ট সময়ৰ বাহিৰে তেওঁ কাৰো লগত দেখা নকৰে। বহুতো সময়ত দেখা কৰিবলৈ আহি বৈ থাকিব লগীয়া হলেও আগন্তুকসকলে তেওঁক বিশেষ শ্ৰদ্ধা ভক্তি কৰিছিল।

যিদিনাখন এণ্ড্ৰু ঘৰ আহি পোৱাৰ কথা, সেইদিনাখনো নিয়মিতভাৱে ৰাতিপুৱা যথাসময়ত মেৰিয়াই বাপেকৰ ওচৰত পঢ়িবলৈ বহা কোঠালৈ যাব ওলাল। পঢ়িবলৈ যোৱাৰ আগতে মেৰিয়াই সদায় ঈশ্বৰক স্তুতি কৰি যায় যাতে বাপেকৰ লগত তাইৰ দিনটো ভালে ভালে যায়।

কোঠাটোৰ ভিতৰত বাপেকে হাতুৰি বটালিৰে খুটুং খাটাং কৈ কিবা কিবি কৰি আছিল। মেৰিয়াই লাহেকৈ দুৱাৰখন মেলি ভিতৰ সোমাল।

কোঠাটো আহল-বহল। প্ৰিন্স্ বল্কন্স্কিয়ে হাতিয়াৰবোৰ ভালকৈ থৈ মেজৰ ওচৰলৈ আহি ক'লে, "ভালে আছা? বাক্, বহা।" তাৰ পাচত এখন চকী আনি মেৰিয়াৰ কাষ চাপি বহিল। এখন জ্যামিতিৰ কিতাপ আনি কেইটামান পাত মেৰিয়াক দেখুৱাই ক'লে, "এইখিনি কালিৰ কাৰণে।" মেৰিয়াই পাত কেইটা লুটিয়াই চালে। হঠাতে বল্কন্স্কিয়ে "বাঃ, তোমাৰ এখন চিঠি আছে," বুলি কৈ মেজাৰ পৰা তিৰোতা মানুহৰ হাতৰ আখৰৰ চিঠি এখন মেজৰ ওপৰত থ'লে। চিঠিখন দেখি মেৰিয়াৰ মুখখন ৰঙা পৰিল। তাই লৰালৰিকৈ চিঠিখন লৈ পঢ়িবলৈ ধৰিলে। বল্কন্স্কিয়ে হাঁহি হাঁহি সুধিলে, "কোনে লিখিছে? তোমাৰ সেই বান্ধবীজনী চাগে?"

মেৰিয়াই ভয় ভয়কৈ মুখলৈ চাই হাঁহি ক'লে, "হয়, জুলিয়াই লিখিছে।"

"আৰু চিঠি আহিলে প্ৰথম তোমাক দিম কিন্তু তৃতীয়খন মই পঢ়ি চাম। তোমালোকে বোধকৰোঁ যিহকে পোৱা তাকে লিখা। তৃতীয়খন মই পঢ়িমেই।"

চিঠিখন আগবঢ়াই দি মেৰিয়াই ক'লে, "এইখনকে পঢ়ক, দেউতা।"

"নহয়, তৃতীয়খন। মই কৈছো নহয়, তৃতীয়খন।"

জীয়েকৰ ওচৰ চাপি বহি এখন জ্যামিতিৰ কিতাপ মেলি ক'লে, "এই ত্ৰিভুজবোৰ সমান। চোৱা, ক, খ, গ কোণটো—।"

মেৰিয়াই বাপেকৰ মুখলৈ চালে। তাই একো বুজি পোৱা নাই। শিক্ষকৰে দোষ নে ছাত্ৰীৰে দোষ বাপেকে যিমানেই পৰিষ্কাৰকৈ বুজাওক মেৰিয়াই জ্যামিতি কেতিয়াও বুজি নাপায়। বাপেকৰ ওচৰত পঢ়িবলৈ বহিলেই মেৰিয়াই সকলো পাহৰি যায়। বাপেকে গালি শপনি পাৰে, কেতিয়াবা খঙতে কিতাপখন দলিয়াই দিয়ে— তথাপি মেৰিয়াৰ মগজুত কোনো কথা নোসোমায়। তাই অকল ভাবে পঢ়া কোঠাৰ পৰা কেনেকৈ পলাব পাৰে। এটা প্ৰশ্নৰ উত্তৰ মেৰিয়াই ভুলকৈ দিলত "মূৰ্খ" বুলি প্ৰিন্স্ বল্কন্স্কিয়ে খঙতে কিতাপখন দলিয়াই দি চকীৰপৰা থিয় হ'ল। পাচত জীয়েকৰ মূৰত হাতখন দি আকৌ বহি বুজাবলৈ ধৰিলে। "এনেকৈ নহব, এনেকৈ নহব।" মেৰিয়াই কিতাপ, বহী সামৰি লৈ যাবলৈ ওলাল। "অঙ্ক শাস্ত্ৰ বৰ ডাঙৰ বিষয়। অইন ছোৱালীৰ দৰে মূৰ্খ হৈ থাকিলে নচলিব। মই পছন্দ নকৰোঁ। ধৈৰ্য্য ধৰি থাকিলে তুমি অঙ্ক শাস্ত্ৰ ভাল পাবা। ই তোমাৰ মূৰ্খত্বদোষ আঁতৰাব।" মেৰিয়াৰ পিঠিত থপৰিয়াই

মৰম কৰি কলে, “ঘোৰাঁ, ঘোৰাঁ, ছুটা।” মেৰিয়া ওলাই যোৱাৰ লগে লগে বল্‌কন্‌স্কিয়ে দুৱাৰখন মাৰিলে।

প্ৰিন্সেচ মেৰিয়া নিজৰ কোঠালৈ গৈ কিতাপ-পত্ৰবোৰ সজাই থলে। তাৰ পাচত বৰ আগ্ৰহেৰে চিঠিখন খুলিলে। চিঠিখন লিখিছে তাইৰ সৰুকালৰ বান্ধৱী জুলিয়া কাৰাগিনে। এইবাৰ ৰোষ্টভ গৃহিণীৰ জন্ম উৎসৱলৈ গৈছিল। জুলিয়াই চিঠিখন ফৰাচী ভাষাত লিখিছে—

“বন্ধু, তুমি লগত নাথাকিলে মোৰ যে কিমান বেয়া লাগে। আঁতৰত থাকিলেও মোৰ আধাখিনি দেহা-মন তোমাৰ লগতে আছে। এবাএৰি হোৱাৰেপৰা মই মনত অকণো শান্তি পোৱা নাই। অকল তোমাৰ কথাই ভাবি থাকোঁ। এতিয়াও মই তোমাক দেখি আছোঁ যেন লাগিছে।

“এতিয়া মস্কোত মানুহৰ মুখে মুখে যুদ্ধৰ কথা হে। মোৰ দুজন ককাইদেউ যুদ্ধলৈ গৈছে। আমাৰ আদৰৰ সম্ৰাটো যুদ্ধত নামিছে। ভগৱানৰ ওচৰত খাটিছোঁ,— যেন আমাৰ সম্ৰাটে ইউৰোপৰ শান্তিভঙ্গকাৰী, কচিকাৰ দৈত্যটোক দমন কৰিব পাৰে। নিকলাচ ৰোষ্টভো কলেজ এৰি যুদ্ধলৈ ওলাইছে। মই তেওঁক বৰ ভাল পাওঁ— কি সুন্দৰ, সৰল। যুদ্ধই মোক তেওঁৰ পৰা বঞ্চিত কৰিলে।

“যোৱামাহে মস্কোত ডাঙৰ খবৰ হৈছে কাউণ্ট বেচুখভৰ মৃত্যু। প্ৰিন্সেছ তিনিজনীয়ে একো নাপালে। বাচিলেও একো নাপালে। পিয়াৰ এতিয়া বৈধ সন্তান হ'ল আৰু সকলো সম্পত্তি তাকে দিছে। এতিয়া ৰুছিয়াত সি আটাইতকৈ ধনী। সম্পত্তি লৈ বাচিলে হেনো বহুতো কেলেঙ্কাৰী কৰিলে কিন্তু হতাশ হৈ পিটাচবাৰ্গলৈ গৈছে।

“মানুহৰ কথা কিমান কম! দুপাত লিখিলোঁ। আয়ে মাতি আছে আৰু নিলিখোঁ। তোমাৰ দেউতাৰাক মোৰ সেৱা আৰু বুঢ়িয়েক শ্ৰদ্ধা জনাবা আৰু তুমি মোৰ হিয়াভৰা মৰম লবা।

জুলি—

আকৌ: তোমাৰ ককায়েৰাৰ আৰু বৌয়েৰাৰ খবৰ লিখিবা।

# একাদশ অধ্যায়

পচা কোঠাটোত বলকন্স্কি শুইছে। মেৰিয়াই তাইৰ কোঠাত পিয়ানো বজাইছে। এনেতে এখন গাড়ী আহি ঘৰৰ আগত ৰ'ল। এণ্ড্ৰু গাড়ীৰ পৰা নামি ঘৈণীয়েকক নমালে। দুয়ো ঘৰৰ ভিতৰ সোমাল। বুঢ়া চাকৰ টিহনে বহা কোঠাটোৰপৰা ওলাই আহি এণ্ড্ৰুক ফুচফুচাই কলে যে প্ৰিন্স্ শুইছে। এই বুলি কৈ সি দুৱাৰখন মাৰিলে। প্ৰিন্সে কেতিয়াও দৈনন্দিন নীতি-নিয়ম ভঙ্গ নকৰে—তেওঁৰ নিজৰ লৰা আহিলেও নকৰিব। এইটো কথা টিহনে ভালদৰে জানিছিল। এণ্ড্ৰুৱেও জানে। এণ্ড্ৰুৱে ঘড়ীত সময় চাই জানিলে যে বাপেকৰ আগৰ অভ্যাসৰ অকণো সালসলনি হোৱা নাই। তেওঁ কলে, "দেউতা, আৰু কুৰি মিনিট পিছত উঠিব। আমি মেৰিয়াৰ তালৈ যাওঁ বলা।"

টিহনে তেওঁলোকক আগবঢ়াই লৈ গ'ল। আলহীয়ে গিৰিহঁতক কোৱাৰ নিচিনাকৈ ঘৈণীয়েকে কলে, "কেলেই, ই দেখোন বাজকাৰেং'— মেৰিয়াই পিয়ানো বজাইছে।" হঠাতে মেৰিয়াৰ কোঠাৰপৰা তাইৰ সহচৰী মেদাম ঝালি বুঁৰিয়ে ওলাই আহিল। এণ্ড্ৰু আৰু ঘৈণীয়েকক দেখি কলে, "অ', আপোনালোক আহিছে! মেৰিয়াই বৰ ৰং পাব। মই খবৰটো দিওঁগৈ।" লিচাই বুঁৰিয়েক চুমা খাই কলে, "নালাগে, আমিয়ে যাম। আপোনাৰ নাম মেদাম ঝালি বুঁৰিয়ে, আপুনি মেৰিয়াৰ বান্ধৱী বুলি শুনিছোঁ। আমি এতিয়াই আহি পাম বুলি মেৰিয়াই ভবা নাই।"

আগতে লিচা কোঠাটোত সোমাল। তাৰ পাচত এণ্ড্ৰুৱে গৈ দেখিলে দুইজনীয়ে চুমা খাই,, সাবটাসাবটিকৈ আছে। আগতে মাত্ৰ এণ্ড্ৰুৰ বিয়াৰ দিনাখনহে দুয়োৰো দেখাদেখি হৈছিল। দুয়োজনীয়ে কথা পাতিবলৈ ধৰিলে।

"যোৱা ৰাতি মই এটা সপোন দেখিছিলোঁ।"

"আমি আহিম বুলি তুমি বোধকৰো ভবা নাই? মেৰিয়া, তুমি বৰ খীণাইছা।"

"তোমাক কিন্তু ভালেই দেখিছোঁ।"

"মই কব নোৱাৰোঁ।"

এণ্ড্ৰুৰ হাতত চুমা খাই মেৰিয়াই হুমুনিয়াহ কাঢ়ি কলে, "এণ্ড্ৰু, তেন্তে তোমাৰ যুদ্ধলৈ যোৱাটো ঠিক ?" লিচায়ো হুমুনিয়াহ কাঢ়িলে।

এণ্ড্ৰুৱে কলে, "যোৱাটো ঠিক। কালিলৈকে যাম।"

লিচাই কলে, "মোক ইয়াতে থৈ যাব।"

"সঁচাই নেকি ?"

"সঁচা, মোৰ যে কি হ'ব !" বুলি কৈ লিচাই কান্দিবলৈ ধৰিলে।

"মেৰিয়া, তেওঁক এতিয়া জিৰণি লাগে। তেওঁক তোমাৰ কোঠালৈ লৈ যোৱা। মই দেউতাৰ তালৈ যাওঁ। দেউতা কেনে আছে ? আগৰ দৰেই নহয় জানো ?"

মেৰিয়াই হাঁহি হাঁহি কলে, "ঠিক একে ৰকমে আছে।"

"ঘড়ীৰ দৰে ঠিক সময়মতে সকলো কাম কৰি আছে ?"

"আগৰ নিচিনা ঠিক সময়মতে তেওঁৰ যন্ত্ৰপাতিলৈ কাম, অঙ্ক, মোৰ জ্যামিতি পঢ়া ইত্যাদি সকলো চলি আছে।"

কুৰি মিনিট পাচত প্ৰিন্সৰ উঠিবৰ সময় হোৱাত টিহনে এণ্ড্ৰুক মাতিবলৈ আহিল। পুতেক অহাৰ কাৰণে বুঢ়াই আজি নিয়মৰ অলপ লৰচৰ কৰিলে। খোৱাৰ আগতে পোছাক পিন্ধিবৰ সময়ত এণ্ড্ৰুক মাতি পঠালে। পুতেকক দেখি বুঢ়াই বংমনেৰে মুখত পাউদাৰ ঘঁহি ঘঁহি খুব জোকাৰি কলে, "সৈনিক আহিছা। বোনাপাৰ্টৰ লগত যুঁজিবলৈ ওলাইছা— নহয় ! খবৰ কৰা, নহলে আমি আটায়ে তাৰ বহতীয়া হব লাগিব। বাৰু, কেনে আছা ?"

দুপৰীয়া খোৱাৰ আগতে টোপনিৰপৰা উঠি বুঢ়া বৰ স্ফূৰ্তিত থাকে। ( তেওঁ সদায় কয় যে দুপৰীয়া খোৱাৰ পাচত টোপনি ৰূপালী আৰু খোৱাৰ আগৰ টোপনি সোণালী )। এণ্ড্ৰুৱে কোনো উত্তৰ নিদি বাপেকক চুমা খালে।

"দেউতা, লিচাৰ এতিয়া গা-নৰীয়া। তেওঁক লৈ আহিছোঁ। আপোনাৰ গা কেনে আছে ?"

"অকল মূৰ্খ আৰু অমিতাচাৰীবোৰৰ হে বেমাৰ হয়। তুমি জানাই মই ৰাতিপুৱাৰেপৰা গধূলিলৈকে ব্যস্ত থাকোঁ আৰু মই মিতাচাৰী, গতিকে নিশ্চয় মই ভালে আছোঁ।"

"ঈশ্বৰৰ দয়া।"

"ইয়াত ঈশ্বৰৰ বিশেষ কৰিবলৈ নাই। বাৰু, বোনাপাৰ্টৰ লগত যুঁজিবলৈ জাৰ্মানইতে তোমালোকক কি নতুন বৈজ্ঞানিক পদ্ধতি শিকাইছে ?"

এণ্ড্ৰুৱে হাঁহি ক'লে, "মই এই আহি পাইছোঁহি। অলপ জিৰাই লওঁ।"

"জিৰণি? জিৰণি কিয় লাগে?" এণ্ড্ৰুৰ হাতত ধৰি ক'লে, "বোৱাৰীৰ কাৰণে সকলো ঠিক আছে। মেৰিয়াই তাইক চাব, সকলো দেখুৱাই দিব, আৰু দিনেৰাতি কথা পাতি থাকিব। এইটো তিৰোতা মানুহৰ স্বভাৱেই। বোৱাৰীক অনাত ভাল পাইছোঁ। বাৰু, বহাচোন, যুদ্ধৰ কথা শুনো। টলস্টয় আৰু মিকেলচনৰ সৈন্যবাহিনী গোটখাই যুদ্ধ কৰিব, নহয়? দক্ষিণ ফালৰ সৈন্যই কি কৰিব? প্ৰুচিয়া নহয় নিৰপেক্ষ থাকিল কিন্তু অষ্ট্ৰিয়া আৰু চুইডেন? সিহঁতে কি কৰিব? আৰু পামেৰানিয়াৰ মাজেদি সিহঁত কেনেকৈ যাব?" বুলি কৈ অলপ থোকা কাটি বুঢ়াই ভাবিবলৈ ধৰিলে

দেউতাকৰ কথা পেলাব নোৱাৰি যুদ্ধৰ কাৰণে কি বন্দোবস্ত কৰা হৈছে এণ্ড্ৰুৱে বিৱৰি ক'লে। প্ৰুচিয়া যাতে নিৰপেক্ষ হৈ নাথাকে আৰু যুদ্ধত যোগ দিয়ে তাৰ কাৰণে নব্বৈ হেজাৰ সেনাই প্ৰুচিয়া আক্ৰমণ কৰিব। এই সেনাৰ এটা অংশই চুইডেনৰ লগত যোগ দিব। দুই হাজাৰ ডুশ অষ্ট্ৰিয়াৰ সৈন্যই ইটালীত বাইনৰ পাৰত এক লাখ কুৰি সৈন্যৰ লগত যোগ দিব। পঞ্চাশ হেজাৰ ৰুচ সৈন্য আৰু পঞ্চাশ হেজাৰ ইংৰাজ সৈন্য নেপল্‌চত লগ লাগিব। এইদৰে পাঁচ লাখ সেনাই ফৰাচী সেনাক একে লগে বেলেগ বেলেগ ঠাইত আক্ৰমণ কৰিব। কিন্তু এইবোৰ কথা প্ৰিন্স বল্‌কন্‌স্কিৰ কাণত নলাগিল। মাজতে টিহনক ক'লে, "মোক বগা চোলাটো দিয়া।" আকৌ এবাৰ ক'লে, "কেতিয়াকৈ প্ৰসৱৰ সময়?" এণ্ড্ৰু কোনা শেষ হ'লত প্ৰিন্সে ফৰাচী ভাষাত গালে, "মেলব্ৰুক যুদ্ধলৈ ওলাইছে, কেতিয়া উলটিব ভগৱানে হে জানে।"

এণ্ড্ৰুৱে হাঁহিলে। "এই বন্দোবস্ত ভাল হোৱা বুলি মই নকওঁ। কি বন্দোবস্ত কৰা হৈছে তাকেহে মই আপোনাক কৈছোঁ। ইয়াৰ ভিতৰত নেপোলিয়নে নিশ্চয় ভাল ব্যৱস্থা কৰিছে।"

"তুমি মোক একো নতুন কথা কোৱা নাই।" অলপ ভাবি নিজে নিজে ক'লে, "ভগৱানেহে জানে, সি কেতিয়া উলটিব।"

# দ্বাদশ অধ্যায়

পিচদিনা গধূলি এণ্ড্ৰু যাবলৈ ওলাইছে। বুঢ়া প্ৰিন্স তেওঁৰ নিয়মমতে দুপৰীয়া খাই-বৈ তেওঁৰ কোঠালৈ গৈছে। লিচা ননদেকৰ লগত আছে। এণ্ড্ৰুৱে পোছাক পিন্ধি তেওঁৰ কোঠাত কেণ্ডেলটোৰ পোহৰত বস্তুবাহানিবোৰ বান্ধিছে। গাড়ীত মালবোৰ বোজাই দি এণ্ড্ৰুৱে ঘোঁৰা জোটিবলৈ কলে। লগত নিয়া বস্তুৰ বাহিৰে আৰু অইন কোনো বস্তু কোঠাটোত নাই। তেওঁ লগত নিব এটা সৰু বাকচ, দুটা বন্দুক আৰু বাপেকে উপহাৰ দিয়া এখন তৰোৱাল। সকলো বস্তুকে এণ্ড্ৰুৱে পৰিপাটিকৈ সজাই লৈছে।

নতুন জীৱন আৰম্ভ কৰাৰ আগ মুহূৰ্তত মানুহ সাধাৰণতে চিন্তাযুক্ত হয়। তেতিয়া মানুহে অতীত জীৱনৰ কথা সোঁৱৰে আৰু ভৱিষ্যতৰ কৰ্মপন্থা স্থিৰ কৰে। এণ্ড্ৰু চিন্তামগ্ন হৈ কোঠাটোৰ ভিতৰত লাহে লাহে খোজ কাঢ়িছে। যুদ্ধলৈ যাবলৈ ভয় কৰিছিল, নে পত্নীয়েকক এৰি থৈ যাবলৈ বেজাৰ পাইছিল, নে দুয়োটা কাৰণেই তেওঁ চিন্তাযুক্ত হৈছিল কব নোৱাৰি। এনেতে কাৰোবাৰ ভৰিৰ শব্দ শুনি এণ্ড্ৰু গহীন হৈ মেজৰ ওচৰত থিয় হ'ল; জানিবা তেওঁ বাকচখানিবোৰ সজোৱাতহে ব্যস্ত। প্ৰিন্সেছ মেৰিয়া কোঠাটোত সোমাল।

"তুমি হেনো গাড়ীত ঘোঁৰা জোটিবলৈ দিছা! সেই কাৰণে তোমাৰ লগত মই অকলে আৰু অলপ কথা পাতিব খুজিছোঁ। ভগৱানেহে জানে আমি আৰু কিমান দিন এৰাএৰি হৈ থাকিব লাগিব। মই অহাৰ কাৰণে তোমাৰ খং উঠা নাইতো? তোমাৰ বহুতো পৰিবৰ্তন হৈছে, এণ্ড্ৰুছা।"

"এণ্ড্ৰুছা" বুলি কৈ মেৰিয়াই হাঁহিলে। লৰাকালত একেলগে খেমালি কৰোঁতে মেৰিয়াই এণ্ড্ৰুক "এণ্ড্ৰুছা বুলি মাতিছিল। কিন্তু সেই চেবেলা, চঞ্চল "এণ্ড্ৰুছা" আৰু নাই।

এণ্ড্ৰুৱে হাঁহি কলে, "লিচা ক'ত?"

"তেওঁৰ বৰ ভাগৰ লাগিছে। মোৰ কোঠাতে চোফাত শুই আছে।" ককায়েকৰ মুখামুখিকৈ বহি কলে, "এণ্ড্ৰু, তুমি এটি ৰত্ন পাইছা। তেওঁ বৰ মৰম লগা সৰল ছোৱালী। মোৰ ইমান ভাল লাগে।"

এণ্ড্ৰুৱে একোকে নামাতিলে। কিন্তু মেৰিয়াই এণ্ড্ৰুৰ মুখখন চাই বুজি পালে যে এণ্ড্ৰুৱে এইবোৰ কথা শুনি ভাল পোৱা নাই।

এণ্ড্ৰুৱে হাঁহি কলে, "মই এই আহি পাইছোঁহি। অলপ জিৰাই লওঁ।"

"জিৰণি? জিৰণি কিয় লাগে?" এণ্ড্ৰুৰ হাতত ধৰি কলে, "বোৰাবীৰ কাৰণে সকলো ঠিক আছে। যেতিয়াই তাইক চাব, সকলো দেখুৱাই দিব, আৰু দিনেৰাতি কথা পাতি থাকিব। এইটো তিৰোতা মানুহৰ স্বভাৱেই। বোৰাবীক অনাত ভাল পাইছোঁ। বাৰু, বহাচোন, যুদ্ধৰ কথা শুনো। টলস্টয় আৰু মিকেলচনৰ সৈন্যবাহিনী গোটখাই যুদ্ধ কৰিব, নহয়? দখিণ ফ্ৰান্সৰ সৈন্যই কি কৰিব? প্ৰুচিয়া নহয় নিৰপেক্ষ থাকিল কিন্তু অষ্ট্ৰিয়া আৰু চুইডেন? সিহঁতে কি কৰিব? আৰু পামেৰানিয়াৰৰ মাজেদি সিহঁত কেনেকৈ যাব?" বুলি কৈ অলপ খোজ কাঢ়ি বুঢ়াই ভাবিবলৈ ধৰিলে।

দেউতাকৰ কথা পেলাব নোৱাৰি যুদ্ধৰ কাৰণে কি বন্দোবস্ত কৰা হৈছে এণ্ড্ৰুৱে বিবৰি কলে। প্ৰুচিয়া যাতে নিৰপেক্ষ হৈ নাথাকে আৰু যুদ্ধত যোগ দিয়ে তাৰ কাৰণে নব্বৈ হেজাৰ সেনাই প্ৰুচিয়া আক্ৰমণ কৰিব। এই সেনাৰ এটা অংশই চুইডেনৰ লগত যোগ দিব। দুই হাজাৰ ত্ৰিশ অষ্ট্ৰিয়াৰ সৈন্যই ইটালীত ৰাইনৰ পাৰত এক লাখ রুছ সৈন্যৰ লগত যোগ দিব। পঞ্চাশ হেজাৰ রুছ সৈন্য আৰু পঞ্চাশ হেজাৰ ইংৰাজ সৈন্য নেপল্‌চত লগ লাগিব। এইদৰে পাঁচ লাখ সেনাই ফৰাচী সেনাক একে লগে বেলেগ বেলেগ ঠাইত আক্ৰমণ কৰিব। কিন্তু এইবোৰ কথা প্ৰিন্স্ বল্‌কন্‌স্কিৰ গাত নলাগিল। মাজতে টিহনক কলে, "মোক বগা চোলাটো দিয়া।" আকৌ এবাৰ কলে, "কেতিয়াকৈ প্ৰসৱৰ সময়?" এণ্ড্ৰুৰ কোৱা শেষ হ'লত প্ৰিন্সে ফৰাচী ভাষাত গালে, "মেলব্ৰুক যুদ্ধলৈ ওলাইছে, কেতিয়া উলটিব ভগৱানে হে জানে।"

এণ্ড্ৰুৱে হাঁহিলে। "এই বন্দোবস্ত ভাল হোৱা বুলি মই নকওঁ। কি বন্দোবস্ত কৰা হৈছে তাকেহে মই আপোনাক কৈছোঁ। ইয়াৰ ভিতৰত নেপোলিয়নে নিশ্চয় ভাল ব্যৱস্থা কৰিছে।"

"তুমি মোক একো নতুন কথা কোৱা নাই।" অলপ ভাবি নিজে নিজে কলে, "ভগৱানেহে জানে, সি কেতিয়া উলটিব।"

## দ্বাদশ অধ্যায়

পিচদিনা গধূলি এণ্ড্রু যাবলৈ ওলাইছে। বুঢ়া প্ৰিন্স্ তেওঁৰ নিয়মমতে জুপৰীয়া খাই-বৈ তেওঁৰ কোঠালৈ গৈছে। লিচা ননদেকৰ লগত আছে। এণ্ড্ৰুৱে পোছাক পিন্ধি তেওঁৰ কোঠাত লগুৱাটোৰ সৈতে বস্তুবাহানিবোৰ বান্ধিছে। গাড়ীত মালবোৰ বোজাই দি এণ্ড্ৰুৱে ঘোঁৰা জোঁটিবলৈ কলে। লগত নিয়া বস্তুৰ বাহিৰে আৰু অইন কোনো বস্তু কোঠাটোত নাই। তেওঁ লগত নিব এটা স্ক বাকচ, ডুটা বন্দুক আৰু বাপেকে উপহাৰ দিয়া এখন তৰোৱাল। সকলো বস্তুকে এণ্ড্ৰুৱে পৰিপাটিকৈ সজাই লৈছে।

নতুন জীৱন আৰম্ভ কৰাৰ আগ মুহূৰ্ত্তত মানুহ সাধাৰণতে চিন্তাযুক্ত হয়। তেতিয়া মানুহে অতীত জীৱনৰ কথা সোঁৱৰে আৰু ভবিষ্যতৰ কৰ্মপন্থা স্থিৰ কৰে। এণ্ড্ৰু চিন্তামগ্ন হৈ কোঠাটোৰ ভিতৰত লাহে লাহে খোজ কাঢ়িছে। যুদ্ধলৈ যাবলৈ ভয় কৰিছিল, নে ঘৈণীয়েকক এৰি থৈ যাবলৈ বেজাৰ পাইছিল, নে দুয়োটা কাৰণেই তেওঁ চিন্তাযুক্ত হৈছিল কব নোৱাৰি। এনেতে কাৰোবাৰ ভৰিৰ শব্দ শুনি এণ্ড্ৰু গহীন হৈ মেজৰ ওচৰত থিয় হ'ল; জানিবা তেওঁ বস্তুবাহানিবোৰ সজোৱাতহে ব্যস্ত। প্ৰিন্সেছ মেৰিয়া কোঠাটোত সোমাল।

"তুমি হেনো গাড়ীত ঘোঁৰা জোঁটিবলৈ দিছা! সেই কাৰণে তোমাৰ লগত মই অকলে আৰু অলপ কথা পাতিব খুজিছোঁ। ভগৱানেহে জানে আমি আৰু কিমান দিন এৰাএৰি হৈ থাকিব লাগিব। মই অহাৰ কাৰণে তোমাৰ খং উঠা নাইতো? তোমাৰ বহুতো পৰিবৰ্ত্তন হৈছে, এণ্ড্ৰুছা।"

"এণ্ড্ৰুছা" বুলি কৈ মেৰিয়াই হাঁহিলে। লৰাকালত একেলগে ধেমালি কৰোতে মেৰিয়াই এণ্ড্ৰুক "এণ্ড্ৰুছা বুলি মাতিছিল। কিন্তু সেই চেৰেলা, চঞ্চল "এণ্ড্ৰুছা" আৰু নাই।

এণ্ড্ৰুৱে হাঁহি কলে, "লিচা ক'ত?"

"তেওঁৰ বৰ ভাগৰ লাগিছে। মোৰ কোঠাতে চোফাত শুই আছে।" ককায়েকৰ মুখামুখিকৈ বহি কলে, "এণ্ড্ৰু, তুমি এটি ৰত্ন পাইছা। তেওঁ বৰ মৰম লগা সৰল ছোৱালী। মোৰ ইমান ভাল লাগে।"

এণ্ড্ৰুৱে একোকে নামাতিলে। কিন্তু মেৰিয়াই এণ্ড্ৰুৰ মুখখন চাই বুজি পালে যে এণ্ড্ৰুৱে এইবোৰ কথা শুনি ভাল পোৱা নাই।

"লোকৰ সকলুবা খুঁত ধৰিব নাপায়। নিখুঁত নো কোন? তেওঁ নগৰতে ডাঙৰ দীঘল হৈছে, শিক্ষা পাইছে। বৰ্তমানে তেওঁ তিমান সুখ পোৱা নাই। তেওঁৰ অৱস্থাত আমি কি কৰিলোঁহেঁতেন? সকলো কথা বুজিবলৈ হলে, সকলো ক্ষমা কৰিব লাগে। তেওঁ কেনেভাৱে ডাঙৰ দীঘল হৈছে আৰু এতিয়া বেচেৰীয়ে গিৰিয়েকক এৰি থাকিব লাগিব, অকলে গাঁৱত থাকিব লাগিব আৰু বৰ্তমান অৱস্থাত তেওঁৰ কেনেকুৱা লাগিব পাৰে, ভাবি চোৱা। বৰ টান কথা।"

এণ্ড্ৰুৱে হাঁহি কলে, "তুমিওতো গাঁৱত থাকা। বৰ টান পাইছানেকি?"

"মোৰ কথা সুকীয়া। মোৰ কথা কিয় কোৱা? মই বেলেগ ধৰণে থাকিব নোখোজোঁ। মই ইয়াতে ডাঙৰ-দীঘল হৈছোঁ। মই অইন সমাজ দেখা নাই। কিন্তু এণ্ড্ৰু, ভাবি চোৱা, চৌখীণ সমাজত ডাঙৰ-দীঘল হোৱা এজনী গাভৰুৰ পক্ষে জীৱনৰ ভাল এচোৱা গাঁৱত অকলে কটোৱাটো কি কষ্টকৰ! কাৰণ দেউতা সদায় ব্যস্ত আৰু মই···।"

এণ্ড্ৰুৱে হঠাতে সুধিলে, "বাৰু, সঁচা কথা কোৱাচোন, মই ভাবোঁ দেউতাৰ স্বভাৱৰ কাৰণে তুমি মাজে মাজে বৰ কষ্ট পোৱা।" মেৰিয়াই আচৰিত হৈ কলে, "মই কষ্ট পাওঁ?"

"আগৰপৰাই তেওঁ কঠুৱা, এতিয়া বোধকৰোঁ আমনি লগা হৈছে?"

"এণ্ড্ৰু, তুমি সকলো ৰকমে ভাল কিন্তু তোমাৰ অহঙ্কাৰ আছে। এইটো পাপ। দেউতাৰ ভাল-বেয়া বিচাৰ কৰা আমাৰ উচিত জানো? বিচাৰ কৰিলেও ভক্তিৰ বাহিৰে তেওঁৰ প্ৰতি আমাৰ অইন ভাব আহিব নোৱাৰে। তেওঁৰ লগত মই বৰ সুখেৰে আছোঁ। তোমালোকো মোৰ দৰে সুখী হোৱা, তাকে মই বাঞ্ছা কৰোঁ। অকল এটা কথাত মই বেয়া পাইছোঁ যে দেউতাৰ ধৰ্মলৈ মতি নাই। তেওঁৰ নিচিনা এজন মেধাৱী মানুহে কিয় এনে ভুল কৰে, বুজি নাপাওঁ। অকল এইটো কথাৰ কাৰণে মই অসন্তুষ্ট। কিন্তু সম্প্ৰতি তেওঁৰ অলপ পৰিৱৰ্তন দেখিছোঁ। এতিয়া সাধু-সন্ন্যাসীক বেছিকৈ ঠাট্টা-মস্কৰা নকৰে।" অলপ ৰৈ কলে, "অ' এণ্ড্ৰু, তুমি মোৰ এটা ডাঙৰ কথা ৰাখিব লাগে।"

"কি কোৱা?"

"আগতে কোঁৱা যে তুমি মোৰ কথা ৰাখিবা। ইয়াৰ কাৰণে তোমাৰ কোনো হানি নহয়। কিন্তু মই সন্তোষ পাম। কোৱা এণ্ড্ৰুছা, তুমি মোৰ

কথা ৰাখিবা ?" এই বুলি তাই মোনাব ভিতৰত হাত ভৰাই এণ্ড্ৰুৰ মুখলৈ চাই থাকিল।

"মোৰ অসুবিধা হলেও···।"

"তুমি যিহকে ভাবা, ভাবা। কিন্তু মোৰ কথাটো ৰাখিব লাগিব। তোমাক মিনতি কৰি কৈছো। আমাৰ ককাদেউতাই সকলো যুদ্ধতে এইটো পিন্ধিছিল।" মোনাৰ পৰা বস্তুটো তুলিবাকৈয়ে আকৌ কলে, "তেন্তে তুমি মোৰ কথা ৰাখিবা ?"

"নিশ্চয়, কি, কোৱাঁ ?"

"এণ্ড্ৰু, মই তোমাক যীশুখ্ৰীষ্টৰ এটি মূৰ্তি দিম। তুমি এইটো সদায় লগত ৰাখিবা বুলি মোক কথা দিব লাগে।"

"যদি বৰ গধুৰ নহয়, তোমাক সন্তুষ্ট কৰিবৰ কাৰণে···।"

"যীশুৱে তোমাক দয়া কৰিব আৰু ৰক্ষা কৰিব। অকল তেৱেঁহে সত্য আৰু শান্তি দিব পাৰে।" তাৰ পাচত ভক্তি সহকাৰে দুই হাতেৰে মোনাৰপৰা যীশুখ্ৰীষ্টৰ মূৰ্তিটো উলিয়াই, সেৱা কৰি, চুমা খাই এণ্ড্ৰুক দিলে; "লোৱাঁ, মোৰ অনুৰোধ।"

মেৰিয়াৰ চকুযুৰি আৰু মুখখন উজ্জ্বল হৈ উঠিল। তাইৰ কথামতে এণ্ড্ৰুৱে মূৰ্তিটো লৈ সেৱা কৰিলে, চুমা খালে। মেৰিয়াই এণ্ড্ৰুৰ কপালত চুমা খাই আকৌ চোফাত বহিল।

"এণ্ড্ৰু, মই তোমাক কব খুজিছিলোঁ যে তুমি আগৰ নিচিনা দয়ালু আৰু উদাৰ হবা। লিচাৰ প্ৰতি নিৰ্দয় নহবা। তেওঁ কেনে ধুনীয়া, সৰল আৰু বৰ্তমানে তেওঁ বেয়া অৱস্থাত আছে।"

"কিন্তু মাছা, মই বোধকৰো কোনো কাৰণে লিচাক দুষিছোঁ বুলি বা তেওঁৰ ওপৰত অসন্তুষ্ট হৈছোঁ বুলি কোৱা নাই। তোমাৰ এইবোৰ কথা কোৱাৰ কাৰণ কি ? মই তোমাক কোনো কথা কোৱা নাই। কোনোবাই তোমাক লগাইছে। সেই কাৰণে মই বেজাৰ পাইছোঁ।" ভনীয়েকলৈ এণ্ড্ৰুৰ খুতো হ'ল।

মেৰিয়াৰ মুখখন ৰঙা পৰিল। তাই একো মাতিব নোৱাৰিলে। ককায়েকে ঠিকেই অনুমান কৰিছে। দুপৰীয়া খোৱাৰ পিচত লিচাই চকুৰ পানী টুকিছিল। প্ৰসৱৰ সময়ত কিবা অমঙ্গল হব বুলি তাই ভয় কৰিছে। নিজৰ কপালক, শহুৰেকক আৰু গিৰিয়েকক দুষিছিল। কান্দি কান্দি তাই শুইছে।

"মাছা, এটা কথা মই তোমাক কওঁ। লিচাক মই কোনো কাৰণে দুখিব নোৱাৰোঁ— দোষাও নাই আৰু কেতিয়াও দুখুষিমো। আৰু লিচাৰ কোনো কথা লৈ মই নিজকো কোনো অৱস্থাতে দুখিব নোৱাৰোঁ। কিন্তু তুমি যদি প্ৰকৃত সত্য কথা জানিব খোজা…'মই সুখী নে?' বুলি যদি সোধা তেন্তে মই কম— 'নহয়'। 'তেওঁ সুখী নে' '— নহয়'। ইয়াৰ কাৰণ কি মই নাজানো।"

এণ্ড্ৰুৱে ভনীয়েকৰ কপালত চুমা খাই গহীনাই কলে, "তেওঁৰ ওচৰলৈ যাওঁ ব'লা। মই বিদায় লব লাগিব। নহলে তুমি অকলে গৈ তেওঁক জগোৱা— মই গৈছোঁ।" লগুৱাটোক মাতি কলে, "শুন, এই বস্তুবোৰ গাড়ীত উঠাই দে।"

মেৰিয়াই দুৱাৰৰ ওচৰলৈ গৈ কলে, "এণ্ড্ৰু, তোমাৰ অন্তৰত প্ৰেম নাই। ভগৱানত তোমাৰ বিশ্বাস থকা হলে, প্ৰাৰ্থনা কৰিলে, ভগৱানে তোমাক প্ৰেম দিলেহেঁতেন।"

"হব পাৰে। যোৱা মিছা, মই গৈছোঁ।"

এণ্ড্ৰু লাহে লাহে গৈ ভনীয়েকৰ কোঠাত সোমাল। মেৰিয়া আৰু লিচাই কথা পাতিছে। তেৰোঁ তাতে যোগ দিলে।

শৰৎ কালৰ এন্ধাৰ ৰাতি। ঘৰৰ দুৱাৰমুখত ছটা ঘোঁৰাৰ এখন গাড়ী ৰৈ আছে। লগুৱাবোৰে হাতত লেম লৈ ইফালে সিফালে ঘুৰি ফুৰিছে। চাকিৰ পোহৰত প্ৰকাণ্ড ঘৰখন উজ্জ্বল হৈ উঠিছে। এণ্ড্ৰু বাপেকক মাত লগাবলৈ গৈছে। বহা কোঠাত মেৰিয়া, লিচা, বুৰিয়েঁ ঘৰৰ সকলো চাকৰ-নাকৰে এণ্ড্ৰুক বিদায় দিবৰ কাৰণে ৰৈ আছে।

প্ৰিন্স্ বল্‌কন্‌স্কিয়ে তেওঁৰ কোঠাত বহি কিবা লিখি আছিল। এণ্ড্ৰুক দেখি "অ' যাবলৈ ওলাইছা" বুলি কৈ আকৌ লিখিবলৈ ধৰিলে।

"দেউতা, মই বিদায় লবলৈ আহিছোঁ।"

প্ৰিন্সে গালখন দেখুৱাই দি কলে, "ইয়াতে চুমা খোৱাঁ। ধন্যবাদ, ধন্যবাদ!"

"দেউতা, ধন্যবাদ মোক কিহৰ কাৰণে দিছে?"

"তুমি যে অকণো সময় নষ্ট নকৰি নিৰ্দিষ্ট সময়ত যাবলৈ ওলাইছা, তিৰোতা মানুহৰ মোহত ভোল যোৱা নাই। সকলোৰে আগ— কৰ্তব্য। ধন্যবাদ, ধন্যবাদ!" এই বুলি কৈ আকৌ লিখিবলৈ ধৰিলে। "তোমাক

যদি কিবা কৰলগীয়া আছে, কোৱা। মই এই দুয়োটা কাম একেলগে কৰিব পাৰোঁ।"

"লিচাৰ বিষয়ে···তেওঁক আপোনাৰ তত্ত্বাৱধানত এৰি থৈ যাবলগীয়া হোৱাত মই লাজ পাইছোঁ।"

"বাজে কথা নকবা। কি কৰিব লাগে কোৱা।"

"লিচাৰ প্ৰসৱৰ সময় হলে, মস্কোৰ পৰা এজন ডাক্তৰ অনাই ইয়াত ৰাখিব।"

বুঢ়াই পুতেকৰ মুখলৈ চাই থাকিল যেন একোকে বুজি পোৱা নাই।

"প্ৰকৃতিয়ে সহায় নকৰিলে কোনেও একো কৰিব নোৱাৰে। আৰু লাখৰ ভিতৰত এটাহে অস্বাভাবিক ঘটনা হয়। তাই বেয়া সপোন দেখিছে আৰু মানুহৰ কথা শুনি বৰ ভয় পাইছে। সেই কাৰণেহে এজন ডাক্তৰ ওচৰত ৰখা ভাল হব।"

"বাৰু, বাৰু, হ'ব।" বুলি কৈ বুঢ়াই লিখিবলৈ ধৰিলে। চিঠিখনত চহী কৰি পুতেকৰ ফালে চাই হাঁহি কলে,

"বৰ বেয়া কাৰবাৰ, নহয় জানো?"

"কি বেয়া কাৰবাৰ, দেউতা?"

"পত্নী!"

"মই বুজি পোৱা নাই।"

"কিন্তু উপায় নাই, সোণ। সিহঁত তেনেকুৱাই। বিয়া কৰাইছা যেতিয়া, এতিয়া আৰু এৰিবৰ উপায় নাই। ভয় নকৰিবা, মই ঘৃণাক্ষৰেও কাকো নকওঁ। অকল তুমি জানি লোৱা।"

বুঢ়াই পুতেকৰ হাতত ধৰি মুখলৈ চাই হাঁহিলে। পুতেকে হুমুনিয়াহ কাঢ়ি জনাই দিলে যে বাপেকে ঠিকেই ধৰিছে। চিঠিখন খামৰ ভিতৰত বন্ধ কৰি বুঢ়াই কলে, "উপায় নাই। তাই ধুনীয়া। তুমি চিন্তা নকৰিবা। মই সকলো বন্দোবস্ত কৰিম।"

এণ্ড্ৰুৱে একোকে নামাতিলে। বাপেকে তেওঁৰ মনটো বুজি পোৱাত তেওঁ ভালেই পাইছিল, দুখো পাইছিল। পুতেকৰ হাতত চিঠিখন দি বুঢ়াই কলে, "শুনা, তোমাৰ পৰিবাৰক লৈ মনত দুখ নকৰিবা। যি পৰা যায় সকলো কৰা হ'ব। এতিয়া শুনা, এই চিঠিখন মিখাল ইলাৰিয়নোভিচক দিবা। তোমাক এটা ভাল কাম দিবৰ কাৰণে লিখিছোঁ। কবা, মই তেওঁক ভাল পাওঁ আৰু সদায় সোঁৱৰোঁ। তেওঁ তোমাক কেনে ব্যৱহাৰ

কৰে লিখিবা। যদি ভাল পোৱা, তেওঁৰ তলত কাম কৰিবা। নিকলয় এণ্ড্ৰচ্ বল্‌কন্‌স্কিৰ লবাই অনুগ্ৰহপ্ৰাৰ্থী হৈ কোনো মানুহৰ তলত কাম কৰিবৰ দৰকাৰ নাই। এতিয়া এইফালে আহা।” বুঢ়াই পুতেকক এটা বাকচৰ ওচৰলৈ মাতি নিলে। বাকচটো খুলি নিজে হাতে লিখা এখন কিতাপ উলিয়াই কলে, “মই নিশ্চয় তোমাতকৈ আগতে মৰিম। মোৰ এই টোকা-বোৰ, মই মৰাৰ পাচত সম্ৰাটক দিব লাগিব। আৰু চোৱাঁ, ইয়াত এখন হুণ্ডি আৰু এখন চিঠি আছে। চুভোৰভে যুদ্ধৰ বুৰঞ্জী যি লিখিব তেওঁৰ কাৰণে এইটো বঁটা। ইয়াত মোৰ মন্তব্য আছে। মই মৰাৰ পাচত তুমি পঢ়িবা। তোমাৰ কামত আহিব।”

এণ্ড্ৰুৱে কলে, “আপুনি কোৱা মতে মই সকলো কৰিম।”

“তেন্তে এতিয়া বিদায়!” বুলি বুঢ়াই পুতেকক সাবট মাৰি ধৰিলে। “এণ্ড্ৰু, এটা কথা মনত ৰাখিবা যে যদি তুমি যুদ্ধত মৰা, বুঢ়া কালত মই বৰ শোক পাম···।” অলপ ৰৈ কলে, “কিন্তু যদি মই শুনো যে তুমি নিকলয় বল্‌কন্‌স্কিৰ লবাৰ নিচিনা ব্যৱহাৰ কৰা নাই— মই লাজ পাম।”

এণ্ড্ৰুৱে হাঁহি কলে, “দেউতা, এইটো কথা আপুনি মোক নকলেও হব।” বুঢ়াই নামাতিলে।

“আপোনাক আৰু এটা অনুৰোধ কৰিব খুজিছোঁ।— যুদ্ধত যদি মই মৰোঁ, আৰু মোৰ যদি পুত্ৰ সন্তান লাভ হয়, তেন্তে তাক আপোনাৰ হাতৰ পৰা এৰি নিদিব। এই কথাটো মই আপোনাক কালিয়ে কৈছোঁ। অনুগ্ৰহ কৰি আপুনি তাক লগত ৰাখি তুলি তালি ডাঙৰ কৰিব।”

বুঢ়াই হাঁহি কলে, “তোমাৰ ঘৈণীয়েৰাক দিব নালাগে?” অলপ পৰ দুয়ো মুখামুখিকৈ চাই থাকিল। বুঢ়াই হঠাতে কলে, “আমাৰ বিদায় লোৱা হৈছে···এতিয়া যোৱাঁ।” তাৰ পাচত কোঠাটোৰ দুৱাৰখন মেলি দি খঙেৰে চিঞৰি কলে, “যোৱাঁ!”

বুঢ়াৰ চিঞৰ শুনি আৰু এণ্ড্ৰুক ওলাই অহা দেখি মেৰিয়া আৰু লিচাই সুধিলে, “কি হ'ল? কি হ'ল?”

এণ্ড্ৰুৱে এটা হুমুনিয়াহ কাঢ়িলে; কিন্তু কোনো উত্তৰ নিদিলে। ঘৈণীয়েকৰ ফালে চাই কলে, “এতিয়া তুমি বিদায় দিয়া।”

শেঁতা পৰি বিষাদ মনেৰে গিৰিয়েকৰ মুখলৈ চাই লিচাই ফেঁকুৰি কলে, “এণ্ড্ৰু, তুমি যাবলৈ ওলালাই?”

এণ্ড্ৰুৱে মৈৰীয়েকক সাবটি ধৰিলে। তাই চিঞৰ মাৰি এণ্ড্ৰুৰ কান্ধতে মূৰ্চ্ছা গ'ল। এণ্ড্ৰুৱে সাৱধানে মৈৰীয়েকক দাঙি নি এখন ডাঙৰ চকীত শুৱাই থলে। ভনীয়েকক লাহেকৈ কলে, "মাছা, বিদায়!" দুয়ো দুইবো হাতত চুমা খালে। তাৰ পাচত এণ্ড্ৰু বেগেৰে কোঠাটোৰপৰা ওলাই গ'ল।

মেদামোচেল বুৰিয়ঁই লিচাৰ মূৰত হাত ফুৰাইছে। ওচৰতে বহি মেৰিয়াই চকুপানী টুকিছে আৰু এণ্ড্ৰু ওলাই যোৱা দুৱাৰখনৰ ফালে একেবাহে চাই আছে। প্ৰিন্স্ বল্কন্স্কিয়ে তেওঁৰ কোঠাত থকেৰে কিবাকিবি বলকি আছে। এণ্ড্ৰু ওলাই আহিবৰ পৰা তেওঁৰ কোঠাটোৰ দুৱাৰখন মেল খায়ে আছে। বাহিৰলৈ জুমি চাই লিচাক মূৰ্চ্ছা যোৱা দেখি কলে, "গ'ল? ভালেই কৰিলে।" এই বুলি দুৱাৰখন মাৰি থলে।

# দ্বিতীয় খণ্ড

## প্ৰথম অধ্যায়

অষ্ট্ৰিয়াৰ লগত নেপোলিয়নৰ যুদ্ধ চলি আছে। ৰুছিয়াৰ সেনাবাহিনী যুদ্ধ ঘোষণা কৰি অষ্ট্ৰিয়াৰ লগত যোগ দিবলৈ থিৰাং কৰিছে। ১৮০৫ চনৰ অক্টোবৰ মাহত বহুতো ৰুছ সৈন্য আহি অষ্ট্ৰিয়াৰ গাঁৱে, নগৰে থুপ খালেহি। প্ৰধান সেনাপতি কুতুজভৰ সদৰ কাৰ্য্যালয় ব্ৰুনোক কেন্দ্ৰ কৰি নিতৌ নতুন নতুন সেনাদল আহি ওচৰে-পাঁজৰে তম্বু তৰিছে।

অক্টোবৰৰ এঘাৰ তাৰিখে গধূলি এদল পদাতিক বাহিনী আহি ব্ৰুনোৰপৰা আধা মাইল দূৰৈত হঠাতে ৰ'ল। কাৰণ প্ৰধান সেনাপতিয়ে বাহিনীটো ইয়াতে পৰিদৰ্শন কৰিব বুলি হুকুম আছিল।

এখন ওখ, নীলা ৰঙৰ ভিয়েনা গাড়ী বহল কেঁচা ৰাস্তাৰে কেইবাটাও ঘোঁৰাই টানি আনিছে। গাড়ীৰ পিচে পিচে ঘোঁৰাত উঠি প্ৰধান সেনাপতিৰ অনুচৰসকল আহিছে। গাড়ীৰ ভিতৰত কুতুজভৰ ওচৰত বগা পোছাক পিন্ধি এজন অষ্ট্ৰিয়াৰ সেনাপতি বহি আছে। সৈন্যবাহিনীৰ ওচৰ পালত গাড়ীখন ৰ'ল। দুয়ো ফুচফুচাই কিবা কথা পাতিলে। কুতুজভ গাড়ীৰ পৰা নামিল। দুই হেজাৰ সৈন্যই নিস্তব্ধ হৈ একেবাহে দলৰ সেনাপতিৰ ফালে চাই থাকিল।

সেনাপতিৰ আদেশ মতে সৈন্যবাহিনীয়ে আগ্ৰহেৰে প্ৰধান সেনাপতিক অভিবাদন জনালে। তাৰ পাচত সৈন্যবাহিনীয়ে চিঞৰিলে, "প্ৰধান সেনাপতিৰ জয় হওক। প্ৰধান সেনাপতি দীৰ্ঘায়ু হওক।" ইয়াৰ পাচত সকলো নিস্তব্ধ। অষ্ট্ৰিয়াৰ সেনাপতিৰ সৈতে কুতুজভ সেনাদলৰ মাজে মাজে খোজ কাঢ়িবলৈ ধৰিলে। অনুচৰসকল পাচে পাচে গৈছে।

সেনাদলৰ অধিনায়কজনে প্ৰধান সেনাপতিক ইমান সন্মান দেখুৱাইছে আৰু ইমান সাৱধানে প্ৰধান সেনাপতিৰ পাচে পাচে ঘূৰিছে যেন অধিনায়কজনক

তেওঁ তলতীয়া কৰ্মচাৰী হিচাপেহে ভালদৰে কৰ্তব্য কৰিছে। সেই সময়ত কনো আছি পোৱা সকলো সেনাদলতকৈ এই বাহিনীটো উত্তম। তাৰ কাৰণে অধিনায়কৰ অধ্যবসায় প্ৰশংসনীয়। বাটত এবি থৈ অহা বেমাৰী আৰু দলভ্ৰষ্টৰ সংখ্যা মাত্ৰ দুশ সোতৰজন। সেনাদলৰ সাজপাৰৰ ভিতৰত বুটজোতাৰ বাহিৰে সকলো ভাল।

কুতুজভে ঘূৰি-পকি সৈন্যবোৰ চাইছে। মাজে মাজে কেতিয়াবা বৈ তুৰ্কী যুদ্ধত লগ পোৱা কৰ্মচাৰীসকলৰ লগত বন্ধুভাৱে দুই-এটা কথা পাতিছে, মাজে সময়ে সৈনিকবোৰৰ লগতো কথা পাতিছে। সৈনিকবোৰৰ জোতাবোৰ দেখি কুতুজভ হতাশ হৈছে আৰু বিষাদ মনেৰে অষ্ট্ৰিয়াৰ সেনাপতিক সেইবোৰ আঙুলিয়াই দেখুৱাইছে। এই বেয়া বুটজোতাৰ কাৰণে তেওঁ কাকো দুষিব নোৱাৰে; কিন্তু জোতাৰ দুৰৱস্থা দেখি তেওঁ দুখ নকৰিও নোৱাৰে। সেনা বাহিনী সম্বন্ধে মতামত কৰা প্ৰত্যেকটো কথাই যাতে শুনিব পাৰে তাৰ কাৰণে অধিনায়কজনে বিশেষ সতৰ্কতাৰে প্ৰধান সেনাপতিৰ আগে পাচে লৰি ফুৰিছে। প্ৰধান সেনাপতিৰ পিচে পিচে প্ৰায় কুৰিজনমান অনুচৰ ফুৰিছে। তেওঁলোকে নিজৰ ভিতৰত কথা পাতি গৈছে আৰু মাজে-সময়ে হাঁহিছে। প্ৰধান সেনাপতিৰ নিচেই ওচৰত থকা অনুচৰজন ধুনীয়া ডেকা। তেঁৱে প্ৰিন্স বল্‌কন্‌স্কি। তেওঁৰ ওচৰতে আছে তেওঁৰ লগৰীয়া নেচ্‌ভিটস্কি। নেচ্‌ভিটস্কি ওখ, শকত, ভাল প্ৰকৃতিৰ, হাঁহি লাগি থকা ধুনীয়া মুখখন। ওচৰতে গোজকাঢ়ি অহা এজন কৰ্মচাৰীক দেখি নেচ্‌ভিটস্কিয়ে হাঁহি ৰাখিব পৰা নাই। এই কৰ্মচাৰীজনে নইহাকৈ একেবাহে পাচফালে অধিনায়কজনৰ প্ৰত্যেকটো গতিবিধিৰ ভেঙুচালি কৰিছে। অধিনায়কজনে যেতিয়াই কঁপি কঁপি প্ৰধান সেনাপতিৰ আগলৈ লৰ মাৰে তেতিয়াই এই কৰ্মচাৰীজনে তেনেকৈ কঁপি কঁপি লৰ মাৰি দলৰ আগলৈ আহে। নেচ্‌ভিটস্কিয়ে হাঁহি হাঁহি লগৰীয়াবোৰক এই দৃশ্যটো আঙুলিয়াই দেখুৱালে।

কুতুজভ লাহে লাহে ঘূৰি-পকি খোজ কাঢ়ি গৈছে আৰু হেজাৰ হেজাৰ চকুৱে একেবাহে তেওঁলৈ চাই আছে। তৃতীয় দলটো পালত কুতুজভ হঠাতে ৰ'ল। অনুচৰসকল কাষ চাপি আহিল।

এজন চিনাকি কাপ্তেনক দেখি কুতুজভে মাত লগালে, "অ' টিমোহিন।" টিমোহিনৰ নাকটো ৰঙা। প্ৰধান সেনাপতিয়ে মাত লগোৱা মাজে কাপ্তেন জনে লৰচৰ নকৰাকৈ পোন হৈ থিয় হ'ল। কুতুজভে বুজি পালে যে তেওঁ

বেছি সময় কাপ্তেনজনলৈ চাই থাকিলে কাপ্তেনজনৰ পক্ষে এনেকৈ থিয় দি থকা টান হৈ পৰিব। গতিকে অকল শুভ কামনা কৰি কুতুজভে কাপ্তেনজনৰ ফালে পিঠি দিলে। কুতুজভে অলপ কৈ মিচিকি হাঁহিলে।

আৰু এজন সৈনিকক দেখি কুতুজভে দলৰ অধিনায়কজনক কলে, "ইছমাইলত এওঁক পাইছিলোঁ। বৰ সাহসী কৰ্মচাৰী। তুমি এওঁৰ কামত সন্তুষ্ট হৈছা নে ?"

পিচফালে এজন কৰ্মচাৰীয়ে যে তেওঁৰ গতিবিধি ভেঙুচালি কৰি আছে অধিনায়কজনে সমূলি গম পোৱা নাছিল। তেওঁ কঁপি কঁপি প্ৰধান সেনাপতিৰ আগলৈ আহি কলে, "হয় হুজুৰ, মই বৰ সন্তুষ্ট।" আঁতৰলৈ খোজকাঢ়ি গৈ কুতুজভে হাঁহি কলে, "দোষ আমাৰ সকলোৰে আছে। এওঁ মদ ভাল পাইছিল।" অধিনায়কজনৰ ভয় হ'ল জানোবা ইয়াৰ কাৰণে তেৱেঁ দায়ী হব। একোকে নামাতিলে।

ভেঙুচালি কৰা কৰ্মচাৰীজনে নাক ৰঙা কাপ্তেনজনক লৰচৰ নকৰাকৈ পোন হৈ থিয় দি থকা দেখি, কাপ্তেনজনৰ মুখখন আৰু থিয় হোৱা ধৰণটো এনে হুবহু নকল কৰি দেখুৱালে যে নেচ্‌ভিটস্কিয়ে হাঁহি ৰাখিব নোৱাৰিলে। কৰ্মচাৰীজনে নিজ খুচিমতে মুখৰ আকৃতি সলাব পাৰিছিল। কুতুজভে উভতি পাচ মুখ কৰিলত কৰ্মচাৰীজনে সসম্মানে গহীন, সবল মূৰ্তি ধাৰণ কৰিলে।

তৃতীয় দলটোৱেই আছিল শেহ দল। তৃতীয় দলটো পৰিদৰ্শন কৰি কুতুজভে অলপ ভাবিলে, যেন কিবা এটা মনত পেলাব খুজিছে। এনেতে প্ৰিন্স্ এণ্ড্ৰু আগলৈ আহি লাহেকৈ ফৰাচী ভাষাত কলে, "তললৈ নমাই দিয়া দলোহভ নামৰ কৰ্মচাৰীজন বৰ্তমানে এই বাহিনীতে আছে। তেওঁৰ কথা আপুনি মোক সোঁৱৰাই দিবলৈ কৈছিল।"

কুতুজভে সুধিলে, "দলোহভ ক'ত ?" দলোহভক মাতিব লগা নহ'ল। সি নিজে শাৰীৰ পৰা ওলাই প্ৰধান সেনাপতিৰ আগলৈ আহি অস্ত্ৰেৰে অভিবাদন জনালে।

এই খীণ উজ্জ্বল, নীলা চকুৰ সৈনিকজনক দেখি কুতুজভে অলপ ভ্ৰূকুটি কৰি সুধিলে, "কিবা গোচৰ আছে নেকি ?" এণ্ড্ৰুৱে কলে, "এৱেঁই দলোহভ।" তেতিয়া কুতুজভে কলে, "অ', আশা কৰোঁ আগলৈ তোমাৰ এটা শিক্ষা হ'ল। ভালকৈ কাম কৰা। আমাৰ সম্ৰাট পৰম দয়ালু। আৰু তুমি যদি উপযুক্ত

হোৱা, মই তোমাক নাপাহৰোঁ।" দলোহভে কলে, "হুজুৰৰ ওচৰত মই এটি মাত্ৰ অনুগ্ৰহ ভিক্ষা কৰিছোঁ—মোৰ অপৰাধৰ কাৰণে পৰিচিত হবলৈ আৰু সম্ৰাট আৰু কছিয়াৰ প্ৰতি মোৰ ভক্তি প্ৰতিপন্ন কৰি দেখুৱাবলৈ মোক সুযোগ দিব লাগে।" কুতুজভে এনেদৰে ভ্ৰূকুটি কৰিলে যেনিবা দলোহভে যি কলে বা কব খুজিছে সকলো কথা তেওঁ বহু আগতেই জানে। কুতুজভে গাড়ীখনৰ ফালে খোজ ললে। কাপ্তেন টিমোহিনক দেখাৰ পাচত তেওঁ যেনেকৈ অলপ হাঁহিছিল এতিয়া দলোহভক দেখাৰ পিচতো তেনেদৰে চকুযুৰিত হাঁহি বিৰিঙি উঠিল।

সৈন্য বাহিনী বেলেগ বেলেগ দলত ভাগ ভাগ হ'ল। আৰু ব্ৰুনোৰ ওচৰতে সজোৱা নিৰ্দিষ্ট বাহৰলৈ গ'ল। বহুতৰ বাটকুৰি বাই ভাগৰে-দুখে আহিছে। এতিয়া এই বাহৰত তেওঁলোকে জিৰণি লব আৰু ইয়াতে তেওঁলোকক বুটজোতা আৰু কাপোৰ দিয়া হব।

# দ্বিতীয় অধ্যায়

এই অক্টোবৰ মাহতে দানিউব আৰু এনচ্ নদীৰ সঙ্গমত অৱস্থিত সৰু নগৰখনিক কেন্দ্ৰ কৰি যুদ্ধৰ আয়োজন চলিছে। কুতুজভে তেওঁৰ সৈন্য বাহিনী লৈ পিচ হুহকি ভিয়েনাৰ ফালে গতি কৰিছে। যাওঁতে তেওঁ দুখন সাঁকো ভাঙি থৈ গৈছে। অক্টোবৰৰ তেইশ তাৰিখে ৰুছ বাহিনী এনচ্ নৈ পাৰ হৈ সাঁকোৰ দুফালেৰে এই ধুনীয়া সৰু এনচ্ নগৰখনৰ মাজেদি তেওঁলোকৰ মালবস্তু, বৰতোপৰ গাড়ীবোৰ লৈ শাৰী পাতি গৈ আছে। পদাতিক, অশ্বাৰোহী সৈন্যৰ কোলাহলত আকাশ-বতাহ মুখৰিত হৈছে।

শৰৎ কাল। মাজে মাজে বৰষুণ দিছে। এডোখৰ ওখ ঠাইত গোলন্দাজ বাহিনী সাঁকোখন পৰ দি আছে। তাৰ পৰা বাহিৰৰ দৃশ্যটো বৰষুণে আঁৰ কৰি ৰাখিছে কিন্তু ব'দ দিলে বহু দূৰলৈকে সকলো উজ্জ্বলভাৱে দেখি। সৰু নগৰখনৰ বগা বগা ঘৰবোৰ, গীৰ্জা আৰু সাঁকোখন ধুনীয়াকৈ দেখি। সাঁকোৰ দুয়োপাৰে ৰুছ বাহিনী জুম পাতি লানি ধৰিছে। দানিউব নৈত নাওবোৰ দেখি আৰু নৈ দুখনৰ সঙ্গমস্থলত কুঞ্জবনৰ সৈতে এটি ধুনীয়া দ্বীপ। দানিউব নৈৰ বাওঁফালে পাহাৰ—পাইন্ গছৰ বননি। এই বননিৰ সিফালে এটি মন্দিৰ। সম্মুখৰ ফালে বহু দূৰৈত পাহাৰৰ ওপৰত দেখা যায়—শত্ৰুপক্ষৰ গোলন্দাজ বাহিনী।

ৰুছ গোলন্দাজ বাহিনীৰ আগত থিয় হৈ পিচৰ এটা সেনাদলৰ সেনাপতি আৰু আন এজন ওখ থাপৰ বিষয়াই দূৰবীণেৰে শত্ৰুপক্ষৰ গতিবিধি লক্ষ্য কৰিছে। অলপ আঁতৰত নেচ্‌ভিটস্কিয়ে এটা বৰতোপৰ ওপৰত বহি বংমনেৰে পিঠা খাইছে আৰু ওচৰত থিয় হৈ থকা সৈনিকবিলাকক বিলাই দিছে। নেচ্‌ভিটস্কিৰ লগুৱাটোৱে মদৰ পাত্ৰ লৈ ওচৰতে থিয় দি আছে। আৰু কিছুমান কৰ্মচাৰী ঘাঁহনিত বহি কথা পাতিছে।

নেচ্‌ভিটস্কিয়ে কলে, "এইডোখৰ বৰ মনোমোহা ঠাই। অষ্ট্ৰিয়াৰ ৰজাসকলে এই নিৰ্জান ঠাইডোখৰত এখন ঘৰ কৰি থাকিলে বৰ ভাল হব। হেৰা, পিঠা নোখোৱা কেলেই? খোৱাঁ।" দলৰ এজনে মাত লগালে, "প্ৰিন্স্, আপোনাৰ উদাৰতাৰ শলাগ নলৈ নোঁৱাৰো।" নেচ্‌ভিটস্কিৰ

নিচিনা এজন ওখ বিষয়াৰ লগত কথা পাতিবলৈ পাই মানুহজনে ধন্য মানিছিল। সি আকৌ কলে, "ঠাইডোখৰ সঁচাকৈয়ে মনোৰম! সৌ বাগিছাখনলৈ ফুৰিবলৈ যাওঁতে আমি দুটা হৰিণা দেখিছিলোঁ। আৰু ধুনীয়া এটি ঘৰ—।"

আগলৈ আঙুলিয়াই আন এজনে মাত লগালে, "চাওক প্ৰিন্স্, আমাৰ পদাতিক বাহিনী কিমান দূৰ আগুৱাই গৈছে। সৌ গাওঁখনৰ পিচৰ পথাৰত তিনিজনে কিবা এটা টানি নিছে। সিঁহত হেলাৰঙে ঠাইডোখৰ পাৰ হৈ যাব।"

নেচ্ভিটস্কিয়ে পিঠা এখন চোবাই, এটা চকু অলপ মুদি দূৰৈৰ গীৰ্জাটোলৈ আঙুলিয়াই কলে, "মই হলে তালৈকেহে যাব খোজোঁ। মই যদি হঠাতে তাত ওলাওঁগৈ, গীৰ্জাৰ সন্ন্যাসিনীবোৰে কিমান ভয় খাব! বৰ তামাচা হব। আৰু কি লাগিছে? ইয়াৰ কাৰণে লাগিলে মোৰ পাঁচ বছৰ পৰমায়ু দিবলৈকো সাজু আছোঁ। মই তালৈ যাবই লাগিব। আৰু শুনিছোঁ—ইটালীৰ ছোৱালী-বোৰ হেনো বৰ চকুতলগা। তাত তেনেকুৱা দুই-এজনীও নাপাম নে?"

এনেতে আগত থিয় হৈ থকা এজন কৰ্মচাৰীয়ে আঙুলিয়াই সেনাপতিক কিবা দেখুৱালে। সেনাপতিয়ে দূৰবীণেৰে চালে। দূৰবীণটো চকুৰ পৰা নমাই সেনাপতিয়ে খঙেৰে কলে, "ঠিক। নৈখন পাৰ হৈ থাকোঁতেই সিঁহতে গুলী মাৰিব। ইহঁতে ইমান পলম কৰিছে কিয়?"

শুদা চকুৰেই সেইফালে চালে শত্ৰুক আৰু সিঁহতৰ কামানবোৰ দেখি। সেই ঠাইত বগা ধোৱা দেখা গ'ল আৰু পাচতে দূৰৈত হিলৈৰ শব্দ শুনা গ'ল। আমাৰ সৈন্যবোৰৰ সাঁকোখন পাৰ হ'বলৈ খৰধৰ লাগিল।

নেচ্ভিটস্কি ফোঁপাই ফোঁপাই সেনাপতিৰ ওচৰলৈ গৈ হাঁহি হাঁহি কলে, "আপুনি অলপ জলপান নাখায় জানো?" সেনাপতিয়ে তাৰ কথাৰ উত্তৰ নিদি কলে, "বৰ বেয়া কথা। আমাৰ মানুহবোৰ লেধেমা।"

নেচ্ভিটস্কিয়ে কলে, "তেন্তে ঘোঁৰাত উঠি মই তালৈকে যাম নেকি?"

"যোৱা, ঘোঁৰাত উঠি চুটি যোৱা। আৰু অশ্বাৰোহী সেনাবোৰক কবা যে তেওঁলোক শেহত পাৰ হব আৰু মই কোৱামতে সাঁকোখন পুৰি পেলাব।" এই হুকুমটো সেনাপতিয়ে আগতেই দিছিল।

"বাৰু" বুলি নেচ্ভিটস্কিয়ে লগুৱাটোক তেওঁৰ ঘোঁৰাটো, মোনাখন, বটলটো আনিবলৈ কলে। নেচ্ভিটস্কি ঘোঁৰাত উঠি কৰ্মচাৰীসকলৰ পিনে

চাই হাঁহি হাঁহি কলে, "সঁচাকৈয়ে মই সেই সন্ন্যাসিনীবোৰক চাবলৈ ওলালোঁ।" পৰ্বতৰ নামনিৰ একাবেঁকা বাটেৰে সি ঘোঁৰাত উঠি গ'ল।

গোলন্দাজ কৰ্মচাৰীজনৰ ফালে চাই সেনাপতিয়ে কলে, "কাপ্তেন, কিমান দূৰ যায় চোৱা য'ক। সময় কটাবলৈ অলপ তামাচা কৰোঁ।" কাপ্তেনে হুকুম দিয়া মাত্ৰে হিলৈদাৰীসকলে বং মনেৰে জুইৰ ওচৰৰ পৰা লৰি গৈ বৰতোপবোৰ গাজিলে। "এক নম্বৰ।" বুলি কোৱা মাত্ৰে এক নম্বৰ মানুহজন অলপ মুকলি ঠাইলৈ আহিল। কাণ তালমাৰি ধৰা কামানৰ শব্দ হ'ল। পৰ্বতৰ নামনিত থকা আমাৰ সেনাবোৰৰ মূৰৰ ওপৰেদি উৰি গৈ গোলা শত্ৰুপক্ষৰ আগ প'লে। তাত ধোঁৱা উঠা দেখা গ'ল। তাতেই গোলা পৰিল।

এই শব্দ শুনি সৈনিক আৰু কৰ্মচাৰীসকলৰ মুখ উজ্জ্বল হ'ল। সকলোৱে থিয় হৈ তলত আমাৰ সেনাবোৰৰ আৰু আগবাঢ়ি অহা শত্ৰুপক্ষৰ গতিবিধি আগ্ৰহেৰে চাবলৈ ধৰিলে। ঠিক সেই সময়তে ডাৱৰৰ মাজৰপৰা বেলি ওলাল। কামানৰ ধ্বনি আৰু উজ্জ্বল বেলিৰ পোহৰে সিহঁতৰ মাজত প্ৰাণ সঞ্চাৰ কৰিলে।

শত্ৰুপক্ষৰ কামানৰ দুটা গোলা সাঁকোৰ ওপৰত আগতেই পৰিছে আৰু সাঁকোখনৰ অলপ ক্ষতিও হৈছে। সাঁকোখনৰ মাজত নেচ্‌ভিটস্কি থিয় হৈ আছে। সি ঘোঁৰাৰ পৰা নামি দলঙৰ বেলিঙত আউজি আছে আৰু হাঁহি হাঁহি লগুৱাটোৰ ফালে চাইছে। সি ঘোঁৰা দুটাৰ লাগামত ধৰি অলপ আঁতৰত থিয় দি আছে। নেচ্‌ভিটস্কি যেতিয়াই আগবাঢ়িব খোজে, সৈনিক আৰু গাড়ীবোৰৰ হেচা-ঠেলাত সি আকৌ বেলিঙৰ ওচৰ পায়গৈ। আগবাঢ়ি যাবলৈ কোনো উপায় নাপাই থিয় হৈ সি অকলেই হাঁহিছে।

এখন বোজাই গাড়ী লৈ অহা সৈনিক এজনক লগুৱাটোৱে কলে, "হেৰা ভাই, কি কৰিছা? অলপ ৰ'বা, সেনাপতিক যাবকৈ অলপ বাট এৰি দিয়া।" সৈনিকজনে চিঞৰিলে, "বাওঁফালে যোৱা। সেনাপতিক বাট এৰি দিয়া।" কিন্তু কোন সেনাপতি, ক'ত থিয় দি আছে, খবৰ কৰিবলৈ কাৰো সময় নাই। যিমান দূৰ সম্ভৱ গাত গা লগাই ঠেলাঠেলিকৈ মানুহবোৰ যাবলৈ ধৰিলে কিন্তু বাট আৰু নোলাল। নেচ্‌ভিটস্কিয়ে তলমূৰকৈ এনচ্‌ নদীৰ পানীৰ সোঁত চালে। তাত অসংখ্য সৰু সৰু ঢৌ। দলঙৰ খুটাত খুন্দা খাই ঢৌবোৰ চূৰ্ণবিচূৰ্ণ হৈছে। দলঙৰ ওপৰত সি দেখিলে সৈনিকবোৰৰ জীৱন্ত ঢৌ। পানীৰ সোঁতৰ দৰে

মানুহ গৈছে। ইইঁত মানুহ নে? ইইঁতৰ মুখত, দেহত সৌন্দর্য নাই। আছে অকল ক্লান্তি, অৱসাদ। মাজে মাজে কেতিয়াবা একোজন সেনাপতি বা ওখ খাপৰ বিষয়া দেখা যায় যেনিবা সোঁতৰ মাজত ডাঙৰ বগা ঢৌ। সোঁতৰ পাকত পৰা চলিবোৰৰ নিচিনা মাজে সময়ে দুই এজন বেসামৰিক মানুহ, লগুৱা গৈছে—এই চহৰৰে অধিবাসী। পানীত উটি যোৱা কাঠৰ নিচিনা দলঙৰ ওপৰেদি মালবস্তুৰ গাড়ী গৈছে।

লগুৱাটোৱে কলে, "গৰাখহনীয়া নৈৰ দৰে মানুহৰ সোঁত বৈছে। আৰু বহুতো আছে নেকি?" ফটা কোট পিন্ধা এজন সৈনিকে হাঁহি হাঁহি কৈ গ'ল, "হেজাৰ, হেজাৰ।" তাৰ পাচত এজন বয়সিয়াল সৈনিক আহিল। সি এজন লগৰীয়াক বেজাৰ মনেৰে কৈ গৈছে, "শত্রুৱে এতিয়া দলংখন আক্রমণ কৰিলে আৰু ৰক্ষা নাই।" তাৰ পাচত গাড়ীত উঠি এজন সৈনিক আহিল। সি কৈ গৈছে, "আগবাঢ়া, আগবাঢ়া; ন'লে ৰক্ষা নাই।"

গাড়ীৰ পাচে পাচে লৰি আহি এজন লগুৱাই চিঞৰিছে, "ভৰিত বন্ধা কাপোৰডোখৰ ক'ত থলা?" সিও গাড়ীৰ লগে লগে গ'ল।

তাৰ পাচত কিছুমান মতলীয়া সৈনিক আহিল। এজনে হাঁহি হাঁহি হাত জোকাৰি কৈছে, "বন্দুকৰ নলীয়ে তাৰ মুখখন ভালকৈ থেতেলিয়ালে।" আৰু এজনে কৈছে, "মঙহখিনিৰ বৰ সোৱাদ।" সিইঁতো গুচি গ'ল। কোনে মুখত আঘাত পালে আৰু মঙহৰ লগত তাৰ কি সম্বন্ধ নেচ্‌ভিটস্কিয়ে একোকে বুজি নাপালে।

এজন তলতীয়া বিষয়াই খঙেৰে কৈছে, "এৰা, এতিয়া ইইঁতে বৰ লৰালৰি কৰিছে! সিইঁতে দুটা এটা গুলী মাৰিছে আৰু ইইঁত আটাইখন পলাইছে যেন আটাইকে মাৰিব। ইমান ভয়!"

"গুলীটো যেতিয়া মোৰ ওচৰেদি যায়, মোৰ জীউ উৰি গ'ল। ইমান ভয় লাগিছিল! সঁচাকৈয়ে ভাই, বুকুখন কঁপি উঠিছিল।" এইদৰে এজন ডেকা সৈনিকে তাৰ ভয়ৰ কথা হাঁহি হাঁহি কৈ গৈছে। ভয় খোৱাটো যেন বৰ গৌৰৱৰ কথা। কিছুমানে নেচ্‌ভিটস্কিক দেখি কৈ গ'ল, "চোৱা, সৌজন বিষয়া যাবলৈ বাট নাপাই ৰৈ আছে।" নেচ্‌ভিটস্কিয়ে অন্যমনস্ক হৈ সাঁকোৰ তলৰ পানীলৈ চাই আছিল। হঠাতে এটা ডাঙৰ শব্দ তাৰ কাণৰ ওচৰলৈ আহিল। পাচতে কিবা এটা গধুৰ বস্তু পানীত পৰিল।

এজন সৈনিকে গহীনভাৱে কলে, "দেখিছা, কিমান দূৰ আহিছে?" আন

এজনে উদ্বিগ্ন হৈ কলে, "লবালবিকৈ যাবলৈ আমাক উদগনি দিছে।" নেচ্‌ভিটস্কিয়ে বুজি পালে যে ই এটা কামানৰ গুলী। লগুৱাটোক মাতি কলে, "হেৰা, মোৰ ঘোঁৰাটো লৈ আহঁা। আৰু দেৰী কৰিব নোৱাৰি।" বৰ কষ্টেৰে কোনোমতে ঘোঁৰাত উঠি লৈ নেচ্‌ভিটস্কিয়ে চিঞৰিবলৈ ধৰিলে, "বাট এৰি দিয়া। যাবলৈ দিয়া।" নেচ্‌ভিটস্কি আগবাঢ়ি গৈছে, এনেতে "নেচ্‌ভিটস্কি! নেচ্‌ভিটস্কি!" বুলি কোনোবাই পিচফালৰ পৰা মাত লগালে। নেচ্‌ভিটস্কিয়ে ঘূৰি চাই এদল চলন্ত অশ্বাৰোহী সেনাদলৰ পাচত ভাস্কা দেনিচভক দেখা পালে। কাপ্তেন দেনিচভ অশ্বাৰোহী সেনাদলৰ মাজত ভাস্কা নামেৰে জনাজাত। নিকলয় ৰোস্তভ এই দলৰে পতাকাবাহী। দেনিচভে খঙেৰে চিঞৰিলে, "ইহঁতক বাট এৰি দিবলৈ ক।" সৈন্যবোৰে ভয়তে থতমত খালে। দেনিচভ নেচ্‌ভিটস্কিৰ ওচৰ চাপিল।

নেচ্‌ভিটস্কিয়ে হাঁহি কলে, "কিহে ভাস্কা, তুমি ইয়াত কি কৰিছা? তোমাক দেখোন আজি ঠাণ্ডা দেছিছোঁ।"

"গৰম হবলৈ সময় ক'ত? গোটেই দিনটো সেনাবোৰক মিছাতে ইফাল সিফালকৈ ঘূৰাই লৈ ফুৰিছে। যুদ্ধ কৰিবলৈ পালে তো ভালেই আছিল।"

নেচ্‌ভিটস্কিয়ে কলে, "এই পোছাকটোৱে তোমাক আজি শুৱাইছে।"

দেনিচভে হাঁহিলে। এখন সুগন্ধি ৰুমাল উলিয়াই সি নেচ্‌ভিটস্কিৰ নাকৰ ওচৰত ধৰিলে। "সঁচাকৈয়ে মই আজি যুদ্ধ কৰিবলৈকে ওলাইছোঁ: দাড়ি খুৰাইছোঁ, দাঁত চাফা কৰিছোঁ আৰু গাটো সুগন্ধি কৰি লৈছোঁ।"

নেচ্‌ভিটস্কি আৰু দেনিচভৰ চেহেৰা আৰু সাজপাৰ দেখি আৰু তেওঁলোকৰ পিচে পিচে এজন লগুৱা দেখি সেনাবোৰে সসম্মানে তেওঁলোকক বাট এৰি দিলে। তেওঁলোক সাঁকোৰ সিমূৰ পালেগৈ। নেচ্‌ভিটস্কিয়ে তাত থকা বিষয়াজনক সেনাপতিৰ হুকুমটো জনাবলৈ আহিছিল। তাৰ কৰ্তব্য সমাধান কৰি সি তাৰ পৰা উলটিল।

বাকী পদাতিক সৈনিকবোৰ শাৰী পাতি বেগাবেগিকৈ দলঙৰ ওপৰেদি গ'ল। শেহত মালবস্তুৰ গাড়ীবোৰ গ'ল। অকল দেনিচভৰ সৈন্যবোৰ নৈৰ ইপাৰে শত্ৰুৰ সম্মুখীন হৈ থাকিল। দলঙৰপৰা শত্ৰুবিলাকক দেখা নাযায়, কাৰণ মাজতে এডোখৰ ওখ ঠাই আছে। হঠাতে সেইফালে কিছুমান নীলা পোছাক পিন্ধা সৈনিক আৰু হিলৈদাৰী দেখা গ'ল। ইহঁত ফৰাচী।

দেনিচভৰ সৈন্যবোৰে যদিও অইন কথা পাতিছিল, অইন ফালে চাইছিল, তথাপি সিহঁতে অন্তৰত ভাবিছিল পাহাৰৰ দাঁতিৰ পৰা ওলাই অহা এইবোৰ কি। ভালকৈ চাই জানিব পাৰিলে— ই শত্রুসেনা। দুপৰীয়াৰ পাচৰ পৰা বতৰ ফৰকাল হৈছিল আৰু মাৰ যোৱাৰ আগতে বেলিৰ পোহৰ উজ্জ্বল হৈ উঠিছিল। বতাহ নিস্তব্ধ আছিল। পাহাৰৰ দাঁতিৰ পৰা মাজে মাজে ভেৰীৰ শব্দ আৰু শত্রুৰ চিঞৰ-বাখৰ শুনা গৈছিল। দেনিচভৰ সেনাদল আৰু শত্রুপক্ষৰ মাজত মাত্র ছয় শ গজমান ব্যৱধানৰ এডোখৰ মুকলি ঠাই। এই ব্যৱধানেই সৈনিকসকলৰ মাজত বহুতো ভাবৰ সৃষ্টি কৰিছে। এই ব্যৱধানৰ মাজত আছে জীৱন-মৰণৰ সীমা। এই সমান ঠাই ডোখৰৰ পাচত থকা ওখ ঠাইডোখৰত আছে এক অজ্ঞাত ৰহস্য। তাত কি আছে? কোন আছে? কোনেও নাজানে। যন্ত্রণা, বেদনা নে শান্তি? জানিবলৈ' ইচ্ছা কৰে কিন্তু সেই সীমা পাৰ হবলৈ ভয় কৰে। কিছু সময়ৰ আগপিচ, সীমা পাৰ হব লাগিবই। যেনেকৈ এদিন মানুহ মৰিবই। শত্রুক দেখিলে প্রত্যেক মানুহৰে মনত এনেকুৱা ভাব হয়। নাভাবিলেও এই ভাৱ আছে। সৈনিকৰ মন এই অজ্ঞাতৰ ফালে লৰ মাৰিব খোজে। একেবাৰে আগবাঢ়ি যাবলৈ ইচ্ছা কৰে। কিন্তু জীৱনৰ মায়া, অজ্ঞাতৰ ভীতিয়ে বাধা দিয়ে।

দেনিচভে খঙেৰে কলে, "সিহঁতে কি ভাবিছে কব নোৱাৰোঁ।' তাৰ পাচত ৰোস্তভৰ পিনে চাই হাঁহি কলে, "ৰোস্তভ, আৰু বেছিপৰ ৰব নেলাগিব।"

ৰোস্তভে মনত বং পালে। এনেতে সেনাপতিজন দলটোলৈ আহিল। দেনিচভে তেওঁৰ ওচৰলৈ গৈ কলে, "আমি আক্রমণ কৰোঁহক। আমি সিহঁতক ঠাণ্ডা কৰিব পাৰিম।" সেনাপতিয়ে অলপ বিৰক্ত হৈ কলে, "নিশ্চয় আক্রমণ কৰিব লাগিব। তুমি ইয়াত কৈছা কিয়? চোৱাঁ, সকলো গৈছে। তোমাৰ দলটোক শুভতাই লৈ যোৱাঁ।"

সেনাদলটো সাঁকোখন পাৰ হ'ল। এজনো হানি নোহোৱাকৈ দলটো শত্রুৰ কামানে ঢুকি নোপোৱা ঠাই পালেগৈ। এইদৰে দ্বিতীয় দলটোও গ'ল। সকলোৰে শেহত কচাক সেনাবোৰে দলংখন পাৰ হ'ল।

সাঁকোখন পাৰ হৈ সেনাদল দুটা পাহাৰৰ পিনে বাওণা হ'ল। তেওঁলোকৰ সেনাপতি কাৰ্ল বোগদেনিচ দেনিচভৰ সেনাৰ লগত যোগ দি ৰোস্তভৰ ওচৰেদি লাহে লাহে গৈছে। এনেতে পতাকাবাহী গেৰকভ আহি তাৰ

পুৱলি সেনাপতি বোগদেনিচক গহীনাই কলে, "সেনাপতি, উভতি যাবলৈ আৰু সাঁকোখন পুৰিবলৈ হুকুম হৈছে।" সেনাপতিয়ে কলে, "হুকুম! কোনে জুই দিব? মই?"

গেৰকভে গহীনভাৱে কলে, "কোনে জুই লগাব মই নাজানো। প্ৰধান সেনাপতিয়ে মোক কবলৈ আদেশ কৰিছে—আপুনি অশ্বাৰোহী সেনাৰে সাঁকোখন পুৰিব।"

এনেতে এজন দূত আহি সেই হুকুমটোকে সেনাপতিক জনালে। তাৰ পাচত নেচ্‌ভিটস্কি বেগাই আহি সেনাপতিক কলে, "সাঁকোখন পুৰিবলৈ মই দেখোন আপোনাক আগতে কৈছিলোঁ।" সেনাপতিয়ে কলে, "সাঁকোখন পুৰিব লাগে বুলি তুমি কৈছিলা কিন্তু কোনে জুই দিব মই নাজানিছিলোঁ।" দূতজনে কলে, "সেনাপতি, সোনকাল কৰক, নহলে বিপদ আছে।"

সেনাপতিয়ে দূত, নেচ্‌ভিটস্কি আৰু গেৰকভৰ ফালে চাই গহীনাই কলে, "বাৰু, মহে সাঁকোখন পুৰিম।" যেনিবা এই সকলোবোৰৰ কাৰণে তেৱেঁ হে দোষী। দেনিচভৰ অধীনত থকা দ্বিতীয় অশ্বাৰোহী দলটোক তেওঁ সাঁকোখনৰ ফালে উলটি যাবলৈ আদেশ দিলে। এই দলটোত ৰোস্তভো আছিল। ৰোস্তভে ভাবিলে, "তেওঁ মোক পৰীক্ষা কৰিব খুজিছে। বাৰু, মই কাপুৰুষ নে চাওঁ।"

সেনাবোৰে ইমান সময় ৰং-ধেমালি কৰি আছিল। কিন্তু আদেশ পাই আকৌ গহীন হ'ল। "লৰালৰি কৰা! লৰালৰি কৰা!" লৰালৰিকৈ সেনাবোৰ ঘোঁৰাৰ পৰা নামিল কিন্তু কি কৰিব লাগিব সিহঁতে নাজানে। ৰোস্তভে সেনাপতিৰ ফালে চোৱা নাই। চাবলৈ তাৰ সময় নাই। ৰোস্তভে ঘোঁৰাটো এজন লগুৱাক দি কঁপিবলৈ ধৰিলে। সেনাবোৰ তাৰ চাৰিওপিনে লৰি গৈছে। পাচৰ পৰা কোনোবাই চিঞৰিলে, "সাঙী, সাঙী!" ৰোস্তভে ইয়াৰ অৰ্থ বুজি নাপালে। সি দৌৰিবলৈ ধৰিলে। সি সকলোৰে আগত যাব খোজে। কিন্তু দলঙখন পাওঁতেই সি বোকাত বাগৰি পৰিল। সি পিচপৰি থাকিল। সেনাপতিয়ে আগে আগে ঘোঁৰাত উঠি গৈ চিঞৰিছে, "দুয়োফালে, কাপ্তেন।"

ৰোস্তভ কোনোমতে উঠি কাপোৰত হাত-মুখ মচি আকৌ লৰ দিলে। সি আগলৈ যাবই। এজন সৈনিকক বহুদূৰ আগবাঢ়ি যোৱা দেখি বোগ-দেনিচে মাতিলে, "হেৰা, ইমান আগবাঢ়ি কিয় গৈছা? উভতি আহা।"

যোগদেনিচে যাক মাজিমে দি বোস্তভ। তেওঁ বোস্তভক চিনিব পৰা নাছিল।

নেচ্‌ভিটস্কি, গেৰকভ আদি কেইজনমানে নিৰাপদ ঠাইত থিয় হৈ সেনাবোৰলৈ চাইছে আৰু নিজৰ মতামত প্ৰকাশ কৰিছে। নেচ্‌ভিটস্কিয়ে কলে, "আমাৰ সেনাবোৰ সাঁকোৰ ওপৰত উঠিল।"

"কিন্তু এতিয়া শত্ৰুৰ কামানে সিহঁতক ঢুকি পাব।" আন এজনে কলে, "ইমান মানুহ লগত নিয়াৰ কি দৰকাৰ আছিল ?"

নেচ্‌ভিটস্কিয়ে তাৰ কথাত হয়ভৰ দি কলে, "এৰা, ভাল চাই দুজনমান পাকৈত মানুহ নিলেই হ'লহেতেন।"

গেৰকভে গহীন হৈ কলে, "তোমালোকে কৈছাতো—মাত্ৰ দুজন মানুহ নিলেই হ'লহেঁতেন। তেতিয়া হলে যুদ্ধৰ পাচত বাকীবিলাকে ক্ৰচ, ৰিবন আদি সম্মানৰ প্ৰতীক কেনেকৈ পাব ? এতিয়া প্ৰচাৰ হব যে ইমান সংখ্যক বাহিনীয়ে বীৰত্বৰ পৰিচয় দিছে। এইবোৰ কথা সেনাপতিয়ে ভালদৰে জানে।"

সিফালে শত্ৰুৰ কামান গৰ্জি উঠিল। আকাশ বতাহ কঁপিবলৈ ধৰিলে। এজন মাটিত পৰিল। এই দৃশ্য দেখি নেচ্‌ভিটস্কিয়ে চকু মুদি চিঞৰি উঠিল, "এজন পৰিল।"

"নহয়, দুজন যেন লাগিছে।"

নেচ্‌ভিটস্কিয়ে কলে, "মই সম্ৰাট হোৱা হলে, কেতিয়াও যুদ্ধ নকৰিলো-হেঁতেন।"

ফৰাচীবিলাকে আকৌ কামান চলালে। নীলা পোছাক পিন্ধা পদাতিক বাহিনী সাঁকোৰ পিনে লৰি আহিল। চাৰিও ফালে আকাশত ধোঁৱা উঠিল। দলঙৰ ওপৰত কামানৰ গুলী পৰিল। কিন্তু ইবেলি দলঙৰ ওপৰত কি হৈছে নেচ্‌ভিটস্কিয়ে দেখা নাপালে। কছ সৈন্যই দলঙত জুই দিছে আৰু ফৰাচী কামান বাহিনীয়ে সিহঁতলৈ গুলী কৰিছে। জুই লগাই কছদলে ঘোঁৰাত উঠিবলৈ পোৱাৰ আগতে ফৰাচীবিলাকে তিনিবাৰ কামান এৰিলে। দু বাৰৰ গুলী সিহঁতৰ মূৰৰ ওপৰেদি গ'ল। কিন্তু তৃতীয় বাৰৰ গুলীটো এদল সৈন্যৰ মাজত পৰিল। আৰু লগে লগে তিনিজন বাগৰি পৰি গ'ল।

বোস্তভ দলঙত উঠিল কিন্তু কি কৰিব ভাবি নাপালে। অস্ত্ৰেৰে সি কাক মাৰিব ? কোনো নাই। বোস্তভে ভাবিছিল সাঁকোৰ ওপৰত কটাকটি,

মৰামৰি হব। তাৰ কাৰণে সি প্ৰস্তুত হৈ আগুৱাই আহিছিল। দলঙত জুই দিয়াত সি সহায় কৰিব নোৱাৰে, কাৰণ অইন সৈনিকৰ নিচিনাকৈ সি লগত খেৰ আদি একো অনা নাই।

সি থিয় হৈ ইফালে সিফালে চাইছে, এনেতে হঠাতে দলঙৰ ওপৰত এটা ডাঙৰ শব্দ হ'ল। তাৰ নিচেই ওচৰতে থিয় হৈ থকা এজন সৈনিক চিঞৰি মাৰি বাগৰি পৰিল। অইনৰ লগে লগে ৰোস্তভো তাৰ ওচৰলৈ লৰি গ'ল। আকৌ এজনে চিঞৰিলে, "সাঙী, সাঙী"। চাৰিজন মানুহে সৈনিকজনক দাঙি ধৰিলে। আহত হোৱা সৈনিকজনে চিঞৰিলে, "উঁ, নালাগে, মোক এৰি দে!" কিন্তু মানুহ কেইজনে তাক সাঙীত তুলি নিলে। নিকলয় ৰোস্তভ তাৰ পৰা গুচি আহিল। সি এবাৰ আকাশৰ পিনে, এবাৰ নৈৰ পিনে, এবাৰ বেলিৰ পিনে চাবলৈ ধৰিলে যেন কিবা বিচাৰিছে। সুন্দৰ নীলা আকাশখন, অস্তগামী সূৰ্য্য, দানিউব নৈৰ উজ্জ্বল পানীবোৰ দেখি সি মুগ্ধ হ'ল। তাতোকৈ তাৰ দেখি ভাল লাগিছিল দানিউব নৈৰ সিপাৰৰ নীলা পৰ্বতটো, পাইন গছৰ বননি আৰু সেই ৰহস্যময় মন্দিৰৰ কলচী। তাত চিৰশান্তি বিৰাজ কৰিছে। ৰোস্তভে ভাবিলে, "তাত থাকিবলৈ পালে, মোক আৰু একো নালাগে। মই তাত অকলে থাকি ইমান শান্তি পাম। ইয়াত আছে কামানৰ গৰ্জ্জন, আহতৰ আৰ্তনাদ আৰু অনিশ্চয়তা। সকলো নিজৰ প্ৰাণ লৈ পলাব খুজিছে। ময়ো তাকে কৰিছোঁ। মৃত্যু মোৰ ওচৰতে আছে। হয়তো ক্ষন্তেক পাচতে ময়ো কামানৰ গুলীত জখম হব পাৰোঁ, মৰিব পাৰোঁ। তেতিয়া এই আকাশ, এই নৈ, এই বেলিৰ পোহৰ, এই পৰ্বতখন আৰু কেতিয়াও নেদেখিম।" সেই সময়তে মেঘে বেলিক ঢাকি পেলালে। কেবাজনো মৃত সৈনিকক ৰোস্তভৰ আগেদি কঢ়িয়াই নিলে। এইবোৰ দেখি ৰোস্তভৰ প্ৰাণত আতঙ্ক হ'ল। সি এটা দীঘল হুমুনিয়াহ কাঢ়ি মনে মনে কলে, "হে ভগৱান, তুমি পৰম দয়ালু। মোক জীয়াই ৰাখা, ক্ষমা কৰা, ৰক্ষা কৰা।"

সৈন্যবোৰ আকৌ ঘোঁৰাত উঠিল। মৰা শ বোৰ কঢ়িয়াই নিয়া হ'ল। ভাস্কা দেনিচভ ৰোস্তভৰ ওচৰলৈ আহি কলে, "তুমি আজি খাৰবাৰুদৰ গোন্ধ পালা। কিন্তু আজি আমি বৰ জুলুমত পৰিছোঁ। লোকক আক্ৰমণ কৰা সহজ কিন্তু আক্ৰমণৰ লক্ষ্যবস্তু হৈ আত্মৰক্ষা কৰাটো টান।" ৰোস্তভে ভাবিলে, "সকলো শেষ হ'ল কিন্তু মই ভীৰু।" তাৰ পাচত এটা হুমুনিয়াহ কাঢ়ি সি ঘোঁৰাত উঠিল।

অলপ আঁতৰতে সেনাপতি, নেচ্ভিটস্কি, গেৰকভ আৰু দুতজন থিয় হৈ আছিল। দেনিচভ সিহঁতৰ ওচৰ পালেগৈ।

গেৰকভে কলে, "এতিয়া আমাৰ খ্যাতি বৈ বৈ যাব। মোক লেফটেনেণ্ট উপাধি এটাও দিব পাৰে।"

সেনাপতি বোগদেনিচে সগৰ্বে কলে, "তেন্তে প্ৰধান সেনাপতিক জনাবা যে ময়ে দলংখন পুৰিছোঁ।"

"যদি ক্ষতিৰ পৰিমাণ জানিবলৈ বিচাৰে?"

"কবা সামান্য, উল্লেখযোগ্য নহয়। দুজন অশ্বাৰোহী সৈন্য আহত হৈছে আৰু এজন মৰিছে।" এই বুলি কৈ বোগদেনিচে এটা অকপট হাঁহি মাৰিলে।

ৰোস্তভে ভাবি ভাবি গৈছে, "মোৰ এই দুৰ্বলতা বোধকৰোঁ কোনেও লক্ষ্য নাই।" অকল নতুন সৈনিক ৰোস্তভৰ মনতে এই ভাব হোৱা নাই, যুদ্ধক্ষেত্ৰত প্ৰত্যেক মানুহৰ মনতেই এই ভাব উদয় হয়। ই সকলোৰে মনৰ কথা।

# তৃতীয় অধ্যায়

ফৰাচী সৈন্যৰ দ্বাৰা আক্ৰান্ত হৈ কুতুজভে এনেকৈ পিচ হুহকি যুদ্ধ কৰিছে। নেপোলিয়নে এক লাখ ফৰাচী সৈন্য লৈ আক্ৰমণ কৰিছে কিন্তু কুতুজভৰ সৈন্যবল মাত্ৰ পয়ত্ৰিশ হাজাৰ। তাতে আকৌ খোৱা-পিন্ধাৰ অভাৱ। তেওঁলোকক উৎসাহিত কৰিবলৈ কোনো নাই। তেওঁলোকৰ প্ৰতি দেশজুৰি বিদ্বেষ ভাব। মিত্ৰশক্তি বুলি যিসকলে মুখত উৎসাহ দিছিল, কাৰ্য্য গতিকে তেওঁলোকৰ ওপৰতো ৰুছিয়াৰ আস্থা নাইকিয়া হৈছে। এইবোৰ কাৰণে কুতুজভ পিচ হুহকিবলৈ বাধ্য হৈছে। মাজে সময়ে, অ'ত ত'ত বৈ সৰু-সুৰা যুদ্ধ কৰিছে নিজৰ নিৰাপত্তাৰ কাৰণে। দানিউব নদীৰ পাৰে পাৰে ৰুছবিলাকে বীৰত্বেৰে কেইবাখনো সৰু-সুৰা যুদ্ধ কৰিছে। কিন্তু এই যুদ্ধৰ প্ৰধান উদ্দেশ্য আছিল মালবস্তুবোৰ নিৰাপদ ঠাইলৈ নিওঁতে যি সময় লাগে সেই সময়খিনিৰ কাৰণে ফৰাচীসকলক বাধা দি আঁতৰত ৰখা।

অষ্ট্ৰিয়াৰ সেনাদল উলমত পৰাজিত হৈ কুতুজভৰ লগ লাগিছিল, কিন্তু এতিয়া তেওঁলোকেও ৰুছ সৈন্যক এৰা দি গৈছে। দুৰ্বল, ক্লান্ত সৈন্যদল লৈ কুতুজভ অকলে অসহায় অৱস্থাত আছে। ভিয়েনাক ৰক্ষা কৰাৰ কথা এতিয়া আৰু সপোনতো ভাবিব নোৱাৰি। কুতুজভৰ একমাত্ৰ ক্ষীণ লক্ষ্য হ'ল-- সৈন্যবল আৰু ক্ষয় নকৰাকৈ ৰুছিয়াৰ পৰা আহিব লগীয়া সেনাদলৰ লগত লগ লগা।

অক্টোবৰ মাহৰ ২৮ তাৰিখে দানিউব নৈৰ বাওঁপাৰত কুতুজভে সসৈন্যে প্ৰথমতে শিবিৰ তৰিলে। ইয়াৰ আগতে এমাহ জুৰি তেওঁলোক পলাই ফুৰিছিল। দুই পক্ষৰ সৈন্যৰ মাজত দানিউব নৈ। এই ব্যৱধানতে কুতুজভে অলপ জিৰণি পাবলৈ আশা কৰিলে। ফৰাচী সেনাপতি মাৰ্তিয়াৰে মূল বাহিনীৰ পৰা বিচ্ছিন্ন হৈ অলপ সংখ্যক সৈন্যেৰে সৈতে দানিউবৰ বাওঁপাৰত আছিল। ত্ৰিশ তাৰিখে ৰুছবাহিনীয়ে এই সেনাদলটোক আক্ৰমণ কৰি পৰাস্ত কৰে। এই যুদ্ধ জয় কৰি ৰুছদলে প্ৰথম বাৰৰ কাৰণে ফৰাচী পক্ষৰ দুজন সেনাপতিক বন্দী কৰে আৰু দুটা বৰতোপ আৰু এখন জাতীয় পতাকা হস্তগত কৰে।

নভেম্বৰ মাহৰ প্ৰথম তাৰিখে এজন চোৰাংচোৱাৰ পৰা কুতুজভে খবৰ পালে যে ফৰাচী বাহিনী ভিয়েনা সাঁকোখন পাৰ হৈ ৰুছিয়াৰ পৰা যি বাটেৰে

সৈন্যবোৰ আহিব ধৰিছিল, সেই বাটেৰে বেগাই আগ বাঢ়িছে। নেপোলিয়নৰ ডেৰ লাখ ফৰাচী সৈন্যই সংযোগৰ পথ ৰোধ কৰি তেওঁৰ চল্লিশ হাজাৰ সৈন্যক সহজেই পৰাস্ত কৰিব। আৰু ৰুছিয়াৰ লগত সংযোগ ৰাখিবলৈ কুতুজভে যদি ততাতৈয়াকৈ ওলমুৎচলৈ যাবলৈ চেষ্টা কৰে—তেতিয়া হয়তো মাজ বাটতে ফৰাচীবিলাকৰ লগত ভেটাভেটি হব পাৰে। মাজবাটত মালবস্তু লৈ তিনিগুণ বেছি শক্তিশালী শত্ৰুৰ লগত যুদ্ধ কৰা অসম্ভৱ। বহুতো ভাবি চিন্তি ৰুছিয়াৰ লগত সংযোগ ৰাখিবৰ কাৰণে কুতুজভে ওলমুৎচৰ পিনে আগ বাঢ়িবলৈ সিদ্ধান্ত কৰিলে।

সেইদিনা নিশাতেই ফৰাচীসকলে ভিয়েনাৰপৰা যি বাটেৰে আহিছিল, সেই বাটেৰে বাগ্ৰাচিয়নৰ অধীনত কুতুজভে চাৰি হাজাৰ সৈন্য পঠালে। বাকী সৈন্য আৰু মালবস্তু লৈ কুতুজভ বেলেগ বাটেৰে ওলমুৎচৰ পিনে যাত্ৰা কৰিলে।

বাগ্ৰাচিয়নে ফৰাচী সৈন্যৰ পথ ৰোধ কৰি যুদ্ধ কৰিলে সহজেই হাৰিব, জনা কথা। কিন্তু ফৰাচীবিলাকক এনেকৈ পলম কৰাব পাৰিলে কুতুজভে প্ৰধান বাহিনীটো লৈ নিৰাপদে যথাসময়ত গন্তব্য ঠাই পাবগৈ পাৰে। এটা দিন হাতত পালেই হয়। এনে অৱস্থাত চাৰি হাজাৰ মানুহৰ প্ৰাণ দি গোটেই জাতিটোৰ সম্মান ৰক্ষা কৰিব পৰাটোও কম সৌভাগ্যৰ কথা নহয়।

বাগ্ৰাচিয়নে গোটেই ৰাতি বতাহ, বৰষুণ মূৰত লৈ বাট ঘাট নোহোৱা পৰ্বতৰ মাজেৰে ভুদা ভৰিৰে সৈন্যবোৰক ত্ৰিশ মাইল বাট খোজ কঢ়াই আনি ভিয়েনাৰ বাট পালে। তিনি ভাগৰ এভাগ সৈন্য বাটত পিচ পৰি থাকিল। কেইঘণ্টামানৰ পাচতে ফৰাচী বাহিনী সেইখিনি আহি পালেহি। চৌবিশ ঘণ্টাৰ কাৰণে ফৰাচী বাহিনীৰ পথ অৱৰোধ কৰি ৰখা এই দুৰ্বল সেনাদলৰ পক্ষে অসম্ভৱ।

কিন্তু নিয়তিয়ে অসম্ভৱকো সম্ভৱ কৰিলে। ম্যুৰাই এটা সৰু সেনাদল লৈ প্ৰধান ফৰাচী বাহিনীৰ আগে আহিছিল। বাগ্ৰাচিয়নৰ সেনাদলটো দেখি ম্যুৰাই ভাবিলে যে তেওঁ কুতুজভৰ সমগ্ৰ ৰুছ বাহিনীৰ হাতত পৰিল। প্ৰধান ফৰাচী বাহিনী আহি নাপালে তেওঁ তিষ্ঠিব নোৱাৰিব। কিবা এটা ছেল্ উলিয়াই প্ৰধান বাহিনীৰ কাৰণে অপেক্ষা কৰাটো ভাল হব। তেতিয়া ৰুছ সৈন্যক সহজেই ধ্বংস কৰিব পাৰিব। ম্যুৰাই তিনি দিনৰ কাৰণে যুদ্ধ বিৰতিৰ প্ৰস্তাৱ কৰি দূত পঠালে। তেওঁ কৈ পঠালে যে সন্ধিৰ প্ৰস্তাৱ চলি আছে, এনে অৱস্থাত অনৰ্থক ৰক্তপাত বন্ধ কৰিবলৈ তেওঁ এই যুদ্ধ বিৰতিৰ প্ৰস্তাৱ আগ

বঢ়াইছে। এই প্ৰস্তাৱৰ উত্তৰত বাগ্ৰাচিয়ঁই জনালে যে এই প্ৰস্তাৱত সম্মতি বা অসম্মতি দিবলৈ তেওঁৰ অধিকাৰ নাই। প্ৰস্তাৱটো প্ৰধান সেনাপতি কুতুজভৰ ওচৰলৈ পঠোৱা হৈছে।

এই যুদ্ধ বিৰতিৰ প্ৰস্তাৱে কুতুজভক বহুতো সুবিধা দিলে। মালবস্তু আৰু সৈন্য বাহিনী লৈ নিৰাপদে আগ বাঢ়িবলৈ সময় পালে। বাগ্ৰাচিয়ঁৰ ভাগৰুৱা সেনাদলেও জিৰণি লবলৈ সময় পালে। প্ৰস্তাৱটো পায়ে কুতুজভে যুদ্ধ বিৰতিত সম্মতি জনাবলৈ আৰু সন্ধিৰ চৰ্ত্তবোৰ আলোচনা কৰিবলৈ ভিন্টিংচিন গেৰোভক ম্যুৰাৰ ওচৰলৈ পঠালে। ইপিনে তেওঁৰ সৈন্য বাহিনীক খৰধৰকৈ গন্তব্য ঠাইলৈ আগ বাঢ়িবলৈ কলে। বাগ্ৰাচিয়ঁই তেওঁতকৈ আঠগুণ সেছি শত্ৰুসেনাৰ সম্মুখীন হৈ থাকিল।

নেপোলিয়ন মাত্ৰ যোল মাইল আঁতৰত আছিল। ম্যুৰাৰ প্ৰস্তাৱৰ কথা জানিবলৈ পাই তেওঁ তলত দিয়া চিঠিখন পঠালে।

চক্ৰ, ২৫ ব্ৰুমাৰ, বছৰ ১৮০৫

ৰাতিপুৱা ৮ বজাত।

প্ৰিন্স ম্যুৰালৈ

তোমাৰ কামত মই ইমান অসন্তুষ্ট হৈছোঁ যে তাক প্ৰকাশ কৰিবলৈ ভাষা বিচাৰি পোৱা অসম্ভৱ। মোৰ সৈন্য বাহিনীৰ আগে আগে যোৱা সেনাদলৰ তুমি এজন নায়ক মাত্ৰ। মোৰ বিনা হুকুমে যুদ্ধ বিৰতি কৰিবলৈ তোমাৰ কোনো অধিকাৰ নাই। তুমি মোৰ অভিযানৰ কৃতকাৰ্য্যতাত বাধা জন্মাইছা। ততালিকে যুদ্ধ বিৰতিৰ প্ৰস্তাৱ ভঙ্গ কৰি শত্ৰুক আক্ৰমণ কৰাঁ। সিহঁতক জনাই দিয়া যে যিজন সেনাপতিয়ে চুক্তিপত্ৰখন চহী কৰিছে, তেওঁৰ সেইটো কৰিবলৈ ক্ষমতা নাই। অকল ৰুছিয়াৰ সম্ৰাটৰহে এই ক্ষমতা আছে।

অৱশ্যে ৰুছিয়াৰ সম্ৰাটে প্ৰস্তাৱটো সমৰ্থন কৰিলে, ময়ো সম্মতি দিম। কিন্তু ই এটা চতুৰালি মাথোন। আক্ৰমণ কৰা, ৰুছ বাহিনী ধ্বংস কৰা। সিহঁতৰ মালবস্তু, হিলৈ, খাৰবাৰুদ হাত কৰিবলৈ তুমি সুবিধা পাইছা।

ক্ষমতা নাথাকিলে কৰ্মচাৰীৰ কোনো মূল্য নাই। এইজন সেনাপতিৰ কোনো ক্ষমতা নাই। সম্ৰাটৰ এজন সহকাৰীৰ হাতত তুমি ঠগ খাব খুজিছা।

"নেপোলিয়ন।"

নেপোলিয়নৰ পত্ৰবাহক তৎক্ষণাত ম্যুৰাৰ ওচৰলৈ ৰাওনা হ'ল। সেনাপতি-বোৰক বিশ্বাস নকৰি নেপোলিয়নে নিজে সৈন্য সামন্ত লৈ যুদ্ধক্ষেত্ৰলৈ আগ বাঢ়ি

আছিল। হয়তো জালত পৰা চিকাৰো এৰা দি যাব পাৰে। ইফালে বাগ্রাচিয়ঁৰ সেনাদলে বং মনেৰে জুই ফুৰাইছে, কানি-কাপোৰ শুকাইছে আৰু বন্ধাবঢ়াত লাগিছে। কেইবাদিনৰো পিচত সিইঁতে জিৰণি পাইছে। সিইঁতৰ ভাগ্যত কি আছে সিইঁতে সপোনতো ভাবিব পৰা নাই।

প্রধান সেনাপতিৰ অনুমতি লৈ আবেলি চাৰি বজাৰ আগতে প্রিন্স্ এণ্ড্রু আহি বাগ্রাচিয়ঁৰ লগ লাগিল। নেপোলিয়নৰ পত্রবাহক এতিয়াও ম্যুৰাৰ ওচৰ পোৱাহি নাই। যুদ্ধ আৰম্ভ হোৱা নাই। বাগ্রাচিয়ঁৰ সেনাদলে নিশ্চিন্ত মনে যুদ্ধ বিৰতিৰ কথা, শান্তিৰ কথা পাতি আছে।

প্রিন্স্ এণ্ড্রু প্রধান সেনাপতিৰ এজন প্রিয়, বিশ্বাসী সহচৰ বুলি—বাগ্রাচিয়ঁই আগতে জানিছিল। সেই কাৰণে তেওঁ প্রিন্স্ এণ্ড্রুক যথেষ্ট সম্মান সহকাৰে অভ্যৰ্থনা জনালে। বাগ্রাচিয়ঁই প্রিন্স্ এণ্ড্রুক কলে, "আপোনাৰ সহায় পোৱাটো মোৰ সৌভাগ্য। যদিও আজি যুদ্ধ হোৱাৰ কোনো সম্ভাৱনা নাই, দুই এদিনৰ ভিতৰতে যুদ্ধ হব পাৰে। আপোনাৰ খুচিমতে, আপুনি সেনাদলৰ আগভাগত নাইবা পাচফালে থাকে আমাক সহায় কৰিব পাৰে।" পিচত মানতে ভাবিলে, "এই ডেকাজন যদি নামৰ কাৰণেহে আহিছে, তেন্তে সেনাদলৰ পাচফালে নিৰাপদ ঠাইত থকাই ভাল। আৰু যদি মোৰ লগত থাকিব খোজে, যদি সঁচাকৈয়ে সাহসী মানুহ হয়, মোৰ কামত আহিব।" এণ্ড্রুৱে কলে, "এতিয়াই মই কোনো কামৰ ভাৰ লব নোখোজো। আগতে আমাৰ পৰিস্থিতিটো এবাৰ ভালকৈ ঘুৰি পকি চাই আহোঁ।" বাগ্রাচিয়ঁই এণ্ড্রুৰ লগত এজন কৰ্মচাৰী দিলে।

এণ্ড্রুৱে দেখিলে কৰ্মচাৰীবিলাক তিতি-বুৰি হতাশ মনেৰে আছে আৰু সেনাবোৰে গাঁৱৰপৰা দুৱাৰ, খিৰিকী, বেঞ্চি, বেৰ কঢ়িয়াই আনিছে। লগত অহা কৰ্মচাৰীজনে কলে, "ইইঁতৰ লগত আৰু নোৱাৰি। কাপ্তেনসকলেও ইইঁতক এৰি দিছে।" এখন কেনটিনৰ পিনে আঙুলিয়াই কলে, "সকলো আহি ইয়াত গোট খায়। ৰাতিপুৱা এবাৰ ইয়াৰ পৰা খেদি দিছিলোঁ—এতিয়া আকৌ সোমাইছেহি। আপুনি অলপ ৰ'ব। মই ইইঁতক খেদি দিওঁ।"

প্রিন্স্ এণ্ড্রুৱে তেতিয়ালৈকে খাবলৈ সময় পোৱা নাছিল। তেওঁ মাত লগালে, "বাক দুয়ো যাওঁ। ময়ো ইয়াতে অলপ খাই লওঁ।"

"আপুনি আগতে নকলে কেলেই? মই আপোনাক কিবা খাবলৈ দিলোঁহেঁতেন।"

ঘোঁৰাৰ পৰা নামি দুয়ো কেনটিনৰ ভিতৰ সোমাল। তাত কেইবাজনো কৰ্মচাৰী বহি থাই আছে।

এণ্ড্ৰুৰ লগত অহা বিষয়াজনে তিৰস্কাৰৰ সুৰত কলে, "সেনাপতিৰ আদেশ অমান্য কৰি আপোনালোকে এনেকৈ নিজ ঠাই এৰি অহা উচিত নহয়।" এজন চুটি-চাপৰ হিলৈদাৰী বিষয়াই বুটজোতাযোৰ শুকাবলৈ দি শুদা মোজা পিন্ধি আছিল। তাকে দেখি কৰ্মচাৰীজনে কলে, "কাপ্তেন টুহিন, আপুনি লাজ নাপায় নে? আপুনি এজন কৰ্মচাৰী, আপুনি আনক আহি দেখুৱাব লাগে কিন্তু আপোনাৰ ভৰিত জোতা নাই। হঠাতে বিপদ সঙ্কেত দিলে কি হব? আপোনালোক সকলো নিজ নিজ ঠাইলৈ যাওক।"

টুহিনে অলপ হাঁহি কলে, "সৈনিকবোৰে শুদা ভৰিৰে যুদ্ধ কৰিয়ে হেনো ভাল পায়।" প্ৰিন্স এণ্ড্ৰুৱে হাঁহি ৰাখিব নোৱাৰিলে। টুহিনক দেখি তেওঁৰ ভাল লাগিল। বিষয়াজনে গহীনভাৱে আকৌ কলে, "অনুগ্ৰহ কৰি আপোনালোক নিজ নিজ ঠাইলৈ যাওক।"

প্ৰিন্স্ এণ্ড্ৰু বিষয়াজনৰ সৈতে ঘোঁৰাত উঠি অইন ফালে গ'ল। সৈ সৈ গাৰ্ডৰ শিমুৰ পালেগৈ। ইমান ঠাণ্ডাতো সৈনিকবোৰে উঁই পকৰাৰ নিচিনাকৈ অশেষ পৰিশ্ৰম কৰি গড় সাজিছে। সকলো কামত ব্যস্ত।

পিচত দুয়ো গৈ সম্মুখৰ পাহাৰ এটাৰ ওপৰত উঠিল। প্ৰিন্স্ এণ্ড্ৰুৱে চাৰিও পিনে চালে। এই পাহাৰৰপৰা তেওঁলোকে ফৰাচীবিলাকক দেখিলে। পাহাৰৰ ওখ টিংটোলৈ আঙুলিয়াই কৰ্মচাৰীজনে কলে, "আমাৰ কামান বাহিনী তাত আছে। এই বাহিনীৰ কাপ্তেন হ'ল সেই শুদা ভৰিৰে কেন্‌টিনত বহি থকা আচৰিত ধৰণৰ মানুহজন। তাৰ পৰা সকলো দেখি। তালৈ যাওঁ ব'লক।"

বিষয়াজনৰ হাত এৰাবলৈ প্ৰিন্স্ এণ্ড্ৰুৱে কলে, "নালাগে, ধন্যবাদ! আপুনি আৰু নষ্ট কৰিব নালাগে। এতিয়া মই অকলেই যাব পাৰিম। আপোনাক আমনি নকৰোঁ।"

কৰ্মচাৰীজন উভতি আহিল। প্ৰিন্স্ এণ্ড্ৰু ঘোঁৰাত উঠিত অকলে আগ বাঢ়ি গ'ল।

প্ৰিন্স্ এণ্ড্ৰুৱে সোঁফালৰ পৰা বাওঁফাললৈ গোটেই সেনাদলটো ঘূৰিপকি চালে। পাচত বৰতোপবোৰ চাবলৈ পাহাৰৰ টিঙত উঠিল। এজন সৈনিকে কামানবোৰ পৰ দি আছিল। প্ৰিন্স্ এণ্ড্ৰু কামানবোৰৰ ওচৰত থিয় হ'ল। বাওঁফালে অলপ আঁতৰত এটা নতুন পৰ্জাৰ ভিতৰত কিছুমান মানুহে কথা

পাতি থকা তেওঁৰ কাণত পৰিল। ইয়াৰ পৰা গোটেই কছ সেনাদলৰ অৱস্থিতি আৰু শত্রুপক্ষৰো সৰহখিনি দেখি। কামানবোৰৰ সম্মুখফালে চন্দ্রাবে গাওঁখন। ধোঁৱা দেখি অনুমান কৰিব পাৰি যে পাহাৰখনৰ পাচফালে আৰু গাওঁখনতে সৰহ সংখ্যক ফৰাচী সেনা আছে। এণ্ড্রুৱে এটা বৰতোপত আউজি—কোন ফালেৰে আক্রমণ কৰিলে ভাল হব, কোন বাটেৰে পলাব পাৰিব ইত্যাদি কথা ভাবিবলৈ ধৰিলে। সেই পঁজাঘৰটোত এতিয়াও মানুহবোৰে কথা পাতি আছে; কিন্তু এণ্ড্রুৱে সিহঁতৰ কথালৈ মন কৰা নাই। হঠাতে তাত এজন মানুহে বৰ আগ্রহেৰে কিবা কোৱা শুনি এণ্ড্রুৱে কাণ পাতিলে।

"কেতিয়াও নহয়, হবই নোৱাৰে। মৃত্যুৰ পাচত কি হব, জানিব পাৰিলে আমি কোনেও মৰণক ভয় নকৰিলোঁহেঁতেন। ই ধুৰুপ।" মাতটো এণ্ড্রুৰ চিনাকি যেন লাগিল।

আন এজনে কলে, "ভয়ে কৰোঁ বা নকৰোঁ, আমি কোনেও মৃত্যুৰ হাত সাৰিব নোৱাৰোঁ।"

তৃতীয়জনে কলে, "ঠিক কথা, কিন্তু আমি যে ভয় কৰোঁ, ইও সঁচা।" আৰু এজনে ডাঙৰ মাতেৰে কলে, "তোমালোকে সকলো জানা—হিলৈদাৰীসকলে ভালৰকমে বচদপাতি আৰু মদ পায়, সেই কাৰণে সিহঁতে সকলো জানে। তোমালোক হিলৈদাৰী।" এই মন্তব্যটো বোধকৰোঁ কোনোবা পদাতিকে কৰিছিল।

প্রথমতে যিজনে কৈছিল সি আকৌ কলে, "তথাপি আমি ভয় কৰোঁ— অজ্ঞাতক ভয় কৰোঁ। মানুহে কয় মৰিলে আত্মাটো স্বৰ্গলৈ যায়। কিন্তু আমি ভালদৰে জানো স্বৰ্গ বুলি কোনো ঠাই নাই—অকল নাহাবিবা। সেই কাৰণে আমি ভয় কৰোঁ।"

ডাঙৰ মাতৰ মানুহজনে আকৌ মাত লগালে, "এইবোৰ বাজে কথা বাদ দিয়া। টুহিন, অলপ মদ দিয়া, ভাই।"

প্রিন্স্ এণ্ড্রুৱে বুজি পালে যে কেন্‌টিনত জোতা খুলি থোৱা কামান বাহিনীৰ কাপ্তেনজনেই—এইজন টুহিন।

টুহিনে কলে, "নিশ্চয় দিম। কিন্তু আত্মাৰ পুনর্জন্ম সম্বন্ধে—" বাক্যটো শেহ নহল, কৰিব নোৱাৰিলে।

হঠাতে এটা ডাঙৰ শব্দ হ'ল। তাৰ পাচতে কামানৰ গুলী এটা আহি পঁজাটোৰ ওচৰতে পৰিল। ঠাইডোখৰ কঁপি উঠিল। লগে লগে থপাত হপি

হুপি টুহিন লৰালৰিকৈ পজাটোৰ পৰা বাহিৰলৈ ওলাই আহিল। তাৰ মুখখন শেঁতা। তাৰ পাচতে ডাঙৰ মাত্তৰ সেই শকত-আৱত পদাতিক কৰ্মচাৰীজনো ওলাই আহি কোটৰ গুদাম মাৰি মাৰি তাৰ দলৰ পিনে লৰ দিলে।

প্ৰিন্স্ এণ্ড্ৰু ঘোঁৰাত উঠি গৈ চাৰিও পিনে চালে। ফৰাচী বাহিনী অলপ আগবাঢ়ি অহা যেন অনুমান হ'ল। দুজন ফৰাচী অশ্বাৰোহী পাহাৰৰ পিনে আহিছে। ধোঁৱা দেখি এণ্ড্ৰুৱে বুজি পালে যে কামনৰ গোলাটো বাওঁফালৰ পৰা আহিছে। অলপ পাচতে আকৌ হিলৈৰ শব্দ হ'ল। যুদ্ধ আৰম্ভ হৈছে। এণ্ড্ৰুৱে বাগ্ৰাচিয়ঁক লগ ধৰিবলৈ লৰ দিলে। সঘনে কামান ধ্বনি হ'ল আৰু ৰুছবিলাকেও তাৰ প্ৰত্যুত্তৰ দিবলৈ ধৰিলে।

ঠায়ে ঠায়ে বন্দুকৰ শব্দও শুনা গ'ল। নেপোলিয়নৰ গৰিহণা-পত্ৰ পায়েই ম্যুৰাই যুদ্ধৰ আদেশ দিছে। ম্যুৰাই ভাবিলে, যে নেপোলিয়ন এইখিনি আহি পোৱাৰ আগতে যদি তেওঁ অকলে এই সৰু ৰুছ দলটোক গধূলিৰ আগতে পৰাস্ত কৰিব পাৰে, তেতিয়া নেপোলিয়নে নিশ্চয় থুচি হব, তেওঁৰ দোষ মৰিষণ কৰিব।

প্ৰিন্স্ এণ্ড্ৰুৱে বাটে বাটে ভাবি গৈছে "যুদ্ধতো আৰম্ভ হ'ল কিন্তু ইয়াত মোৰ কৰ্তব্য কি ?"

সেনাদলবোৰৰ মাজেদি প্ৰিন্স্ এণ্ড্ৰু বাগ্ৰাচিয়ঁক বিচাৰি গ'ল। পোন্ধৰ মিনিট আগতে যিবোৰ সেনাদলক জুইৰ ওচৰত বহি আৰামকৈ খোৱা-বোৱা কৰা দেখিছিল, এতিয়া সেইবোৰ সেনা দলে বন্দুক লৈ নিজৰ দলত শাৰী পাতি যুদ্ধৰ কাৰণে সাজু হৈছে। যুদ্ধ আৰম্ভ হৈছে। সকলো ব্যস্ত। মুখত ভয় আৰু আনন্দৰ ছবি। গড় পোৱাৰ আগতে এণ্ড্ৰুৱে দেখিলে কিছুমান মানুহ ঘোঁৰাত উঠি তেওঁৰ ফালে আহিছে। আগৰজনৰ ঘোঁৰাটো বগা। এইজন প্ৰিন্স্ বাগ্ৰাচিয়ঁ। এণ্ড্ৰু তেওঁৰ কাৰণে ৰ'ল। প্ৰিন্স্ বাগ্ৰাচিয়ঁই এণ্ড্ৰুক চিনি পাই ঘোঁৰাটো থমালে। এণ্ড্ৰুক অভিবাদন জনালে। প্ৰিন্স্ এণ্ড্ৰুৱে চাৰিওফালে যি দেখি আহিছিল বাগ্ৰাচিয়ঁক সকলো বিৱৰি কলে।

এণ্ড্ৰুৰ কথা শুনি বাগ্ৰাচিয়ঁই শান্তভাৱে কলে যে অৱস্থা এনেকুৱা হব বুলি তেওঁ আগতেই অনুমান কৰিছিল। দুয়ো উদ্বিগ্ন হ'ল। কিন্তু এনে অৱস্থাত বাগ্ৰাচিয়ঁই কি ব্যৱস্থা কৰিব খুজিছে এণ্ড্ৰুৱে বুজি নাপালে। বাগ্ৰাচিয়ঁই ভাবি ভাবি কলে যে লৰালৰি কৰিবৰ কোনো সকাম নাই। বাগ্ৰাচিয়ঁই টুনিহৰ কামানবোৰৰ পিনে বাওনা হ'ল। প্ৰিন্স্ এণ্ড্ৰু পাচে পাচে গ'ল। লগত দুজন

কৰ্মচাৰী, দুজন অনুচৰ আৰু সেবকজো গ'ল। অলপ দূৰ ঘোঁৰাৰ পাচতে তেওঁলোকৰ পাচফালে এটা ডাঙৰ শব্দ হ'ল। কামানৰ গুলীয়ে এজন অশ্বাৰোহীক ঘোঁৰাৰ পিঠিৰ পৰা উকৰাই নিলে আৰু ঘোঁৰাটো আহত হৈ মৃত্যু যন্ত্ৰণাত মাটিত বাগৰি ছটফট কৰিবলৈ ধৰিলে। সেবকজ আৰু এজন কৰ্মচাৰী অলপ বৈ অশ্বাৰোহীজনৰ মৰা শটো চালে। বাগ্ৰাচিয়ঁই পিচমুখ কৰি এবাৰ চালে—ঘটনাটো কি। তাৰ পাচত আকৌ নিশ্চিন্ত মনে আগ বাঢ়ি গ'ল। যেনিবা এনে সকহুৰা কথাত মন দিবলৈ তেওঁৰ সময় নাই।

পাহাৰৰ ওপৰৰ যিটো বৰতোপৰ ওচৰৰ পৰা প্ৰিন্স্ এণ্ড্ৰুয়ে যুদ্ধক্ষেত্ৰ পৰ্য্যবেক্ষণ কৰিছিল তেওঁলোক আহি সেইখিনি পালেহি। এজন হিলৈদাৰী খাৰবাৰুদৰ বাকচৰ ওচৰত থিয় হৈ আছিল। বাগ্ৰাচিয়ঁই তাক সুধিলে, "এইটো কাৰ দল?" মুখেৰে এনেকৈ প্ৰশ্ন কৰিলেও চকুৰে কিন্তু তাক সোধা হৈছিল "কামানৰ শব্দ শুনি তুমি ভয় খাইছা নেকি?" মানুহজনে বুজি পালে। হিলৈদাৰীজনে আগবাঢ়ি আহি সেৱা জনাই প্ৰফুল্ল মনেৰে কলে, "সেনাপতি, এইটো কাপ্তেন টুহিনৰ দল।" "বাৰু" বুলি কৈ কিবা ভাবি সেনাপতি কামানৰ গাড়ীবোৰৰ মাজেদি গৈ শেহৰ কামানটো পালেগৈ। এনেতে ভীষণ শব্দ কৰি কামানটো গৰ্জি উঠিল। ধোঁৱাৰ ভিতৰত সোমাই কেইজনমান মানুহে কামানটো বগৰাই আনি আকৌ আগৰ ঠাইত থলে। এক নম্বৰ হিলৈদাৰীজন ওচৰতে থিয় হৈ আছে। আৰু দুই নম্বৰ হিলৈদাৰীজনে কামানটোৰ ভিতৰত খাৰবাৰুদ গাজিছে। কাপ্তেন টুহিনে মুখত ধপাতৰ পাইপ লৈ এবাৰ কামানটোৰ আগলৈ, এবাৰ পিচলৈ গৈছে। চকুৰ ওপৰত হাতখন দি, আগলৈ চাই কলে, "দুই নম্বৰ, আৰু অলপ ওপৰেদি চলোঁৱা। হঁা, হঁা, বচ্, ঠিক্ আছে।" টুহিনে সেনাপতিক দেখা নাছিল।

বাগ্ৰাচিয়ঁই কাপ্তেন টুহিনক মাতিলে। টুহিনে সেনাপতিৰ আগলৈ আহি তিনিটা আঙুলিৰে এনেকৈ সেৱা জনালে যেনিবা পুৰোহিতে আশীৰ্বাদ হে দিছে।

কাপ্তেন টুহিনে তলৰ উপত্যকালৈ কামান নচলাই বৰুতো ওপৰেদি চস্ৰাবেঁ গাওঁখনলৈ গুলী চলাইছিল। কাৰণ সি দেখিছিল যে এই গাওঁখনৰ পৰা জাকে জাকে ফৰাচী সৈন্য ওলাই আহিছে। এই বিষয়ে টুহিনে কাৰো পৰা নিৰ্দেশ পোৱা নাই। এজন চাৰ্জেণ্টৰ ওপৰত তাৰ বিশ্বাস, শ্ৰদ্ধা আছিল আৰু এই চাৰ্জেণ্ট-জনৰ লগত পৰামৰ্শ কৰিয়ে ঠিক কৰে যে সেই গাওঁখন জলাই দিয়া

ভাল হব। টুহিনৰ কথা শুনি সেনাপতি বাগ্রাচিয়ঁই কলে, "বাৰু, ঠিক আছে। তুমি ভালেই কৰিছা।"

সেনাপতি বাগ্রাচিয়ঁই গোটেই যুদ্ধক্ষেত্রখন পৰ্য্যবেক্ষণ কৰিছে আৰু ভাবিছে। সোঁফালে ফৰাচীবিলাক নিচেই ওচৰ চাপি আহিছে। ওচৰৰ বননিৰ কাৰণে বাওঁফালে একো নেদেখি। মাজৰ দুদল সৈন্যক সোঁফালে গৈ যোগ দিবলৈ সেনাপতিয়ে হুকুম দিলে। কৰ্মচাৰীজনে কলে যে দুদল সৈন্য নিলে কামানবোৰ অৰক্ষিত অৱস্থাত থাকিব। বাগ্রাচিয়ঁই একো নামাতি কৰ্মচাৰীজনৰ ফালে চালে। প্রিন্স্ এণ্ড্রুৱে ভাবিলে যে কৰ্মচাৰীজনে ঠিকেই কৈছে। এনেতে নামনিৰ পৰা এজন দূত বেগাই আহি বাগ্রাচিয়ঁক কলে যে অসংখ্য ফৰাচী সৈন্যই আক্রমণ চলাইছে ; মিছাতে বহুতো ৰুছ সৈন্যৰ প্ৰাণ হানি হৈছে ; সেই দেখি সৈন্য-সামন্ত লৈ সেনাপতি পলাই গৈ হাবিত আশ্রয় লৈছে। বাগ্রাচিয়ঁই কলে, "বাৰু, ঠিক আছে, ভালেই কৰিছে।"

কামানবোৰ চাই যাবলৈ ওলাইছে, এনেতে বাওঁফালে দ বৈৰ বননিত কামানৰ শব্দ শুনা গ'ল। বাগ্রাচিয়ঁই সেৱকভক আদেশ দিলে, "তুমি এতিয়াই বাওঁফালৰ প্ৰধান সেনাপতিক কোৱাগৈ যাতে যিমান সোনকালে পাৰে তেওঁ-লোকে পৰ্ব্বতে-জংঘলে আশ্রয় লয়গৈ। কাৰণ সোঁফালৰ বাহিনীয়ে বোধকৰো শত্রুপক্ষক বেছি সময় বাধা দি ৰাখিব নোৱাৰিব।"

এণ্ড্রুৱে দেখিলে যে সেনাপতি বাগ্রাচিয়ঁই কাকো কোনো বিশেষ নিৰ্দেশ নিদিয়ে। সকলোৱে কামকে তেওঁ সমৰ্থন কৰিছে যেনিবা আগতে সেনাপতিৰ আদেশ লৈহে তেওঁলোকে এইবোৰ কাম কৰিছে। কিন্তু তেওঁৰ উপস্থিতি আৰু এইদৰে সকলোৱে কামক সমৰ্থন কৰাৰ পৰা ভাল ফল হৈছে —সকলোৱে সন্তুষ্ট হৈ দুগুণ উৎসাহেৰে নিজ নিজ কামত লাগিছে।

বাগ্রাচিয়ঁ পাহাৰৰ পৰা নামিবলৈ ধৰিলে। যিমানেই তললৈ নামি গৈছে, তিমানেই বন্দুকৰ অবিৰাম শব্দ কাণত পৰিছে, কিন্তু ধোঁৱাৰ কাৰণে একো নেদেখে। বাটত তেওঁলোকে কেইবাজনো আহত সৈনিক লগ পালে। এজনক দুজনে ধৰি লৈ গৈছে। তাৰ মুখত, ডিঙিত বন্দুকৰ গুলী সোমাইছে। আৰু এজনে খোৰাই খোৰাই বিষত চিঞৰি আহিছে। তাৰ হাতত বন্দুক নাই। বিষতকৈ তাৰ ভয়টো বেছি যেন লাগিল। এঠাইত কিছুমান সৈনিক লগ পালে। তাৰে কিছুমান আহত হোৱা নাই। সেনাপতিক দেখিও সিহঁতে চিঞৰ-বাখৰ কৰি পাহাৰ বগাইছে। বাগ্রাচিয়ঁক দেখি কাপ্তেনজনে পলাই

অহা সৈনিকবোৰক উভতি আহিবলৈ মাতিলে। বাগ্রাচিয়ঁ সেনাদলটোৰ ওচৰলৈ গ'ল। সিহঁত উত্তেজিত হৈ আছে, গাত খাববাকদৰ গোন্ধ। কোনোৱে বন্দুকত টোটা ভৰাইছে, কোনোৱে গুলী কৰিছে। কি কালৈ গুলী কৰিছে কব নোৱাৰে; কাৰণ গোটেই ঠাইডোখৰ ধোঁৱাৰে ঢাক খাই আছে। সেনাবোৰৰ ওচৰলৈ গৈ প্রিন্স্ এণ্ড্ৰু আচৰিত হ'ল, "ইহঁতেনো কি যুদ্ধ কৰিব? শাৰী নপতাকৈ, লৰচৰ নকৰাকৈ ইহঁত একে ঠাইতে থূপ খাই আছে।"

এজন চেবেলা বুঢ়া সেনাপতি আহি প্রিন্স্ বাগ্রাচিয়ঁক বিনীতভাৱে সেবা জনালে যেনিবা এজন ডাঙৰ আলহীহে তেওঁৰ ঘৰলৈ আহিছে। তেওঁ জনালে যে এদল অশ্বাৰোহী ফৰাচী সেনাই তেওঁৰ দলটোক আক্রমণ কৰিছিল। তেওঁ এই আক্রমণ ব্যৰ্থ কৰিছে, কিন্তু তেওঁৰ দলৰ প্রায় আধাখিনি মানুহ হত হৈছে পাহাৰৰ ওপৰৰ পৰা দু দল সৈন্য মাতি আনিবলৈ বাগ্রাচিয়ঁই এজন দূতক পঠালে।

বুঢ়া সেনাপতিজনে বাগ্রাচিয়ঁক অনুৰোধ কৰিলে, "আপুনি ইয়াৰ পৰা উভতি যাওক। ইয়াত বিপদ আছে।" লৰা-ছোৱালীয়ে হাতিয়াৰ চুলে কাঠমিস্ত্রীয়ে যিদৰে কৰ তেৰে তেনেকৈ কলে। কামানৰ গুলীয়ে যেন তেওঁক মাৰিব নোৱাৰে। আন এজন কর্মচাৰীয়েও তেওঁক সমর্থন কৰিলে। কিন্তু বাগ্রাচিয়ঁই একোকে নামাতিলে। তেওঁ গুলী কৰিবলৈ সৈন্যবোৰক হাক দিলে আৰু যি দুদল সেনা আহিব, সিহঁতৰ কাৰণে ঠাই কৰিবলৈ কলে। এনেতে বতাহ বলিল। ধোঁৱাবোৰ উৰুৱাই নিলে। সন্মুখৰ পাহাৰখন পাৰ হৈ ফৰাচী বাহিনীক আগবাঢ়ি অহা দেখা গ'ল।

বাগ্রাচিয়ঁৰ নির্দেশ মতে পাচফালৰ পৰা দু দল পদাতিক বাহিনী আগবাঢ়ি আহিল। এণ্ড্ৰুৱে দেখিলে যে যিজন মানুহ পঁজা ঘৰটোৰ পৰা টুহিনৰ পাচে পাচে লৰি আহিছিল তেৰেঁ এই বাহিনীৰ কাপ্তেন। তেওঁ গহীনাই গাই আহিছে "লেফট, ৰাইট, লেফট।" এনেতে এটা কামানৰ গুলী বাগ্রাচিয়ঁৰ মূৰৰ ওপৰেদি গৈ পদাতিক বাহিনীৰ মাজত পৰিল। গুলীৰ শব্দত দলটো ভাঙি গ'ল। কাপ্তেনে মাতিলে, "আহা, শাৰী পাতা। লেফট, ৰাইট, লেফট।" বাগ্রাচিয়ঁই কলে, "মই বৰ সন্তোষ পাইছো। তোমালোক বীৰৰ নিচিনাকৈ আগবাঢ়ি আহিছা।" পদাতিক বাহিনীয়ে সমস্বৰে কলে, "ইয়াতেই আমাৰ জীৱনৰ সাৰ্থকতা, হজুৰ।"

বাগ্রাচিয়ঁই পদাতিক বাহিনীটো চাই ঘোঁৰাৰ পৰা নামিল। ফৰাচী বাহিনী

পৰ্বতৰ নামনি আহি পালেহি। ফৰাচী বাহিনীক লক্ষ্য কৰি বাগ্ৰাচিয়ঁই আগবাঢ়ি গৈ সৈন্যবোৰক কলে, "তোমালোক আটায়ে আগবাঢ়ি অহা, ভগৱান সহায়।" প্ৰিন্স্ এণ্ড্ৰুৱে অনুভৱ কৰিলে, কি যেন এটা অজানা শক্তিয়ে তেওঁক আগলৈ টানিছে। সকলোৰে আগত তেওঁৰ যাবলৈ খুব ইচ্ছা হ'ল। এক স্বৰ্গীয় আনন্দ অনুভৱ কৰিলে। এণ্ড্ৰুৱে বাগ্ৰাচিয়ঁৰ লগে লগে খোজ ললে।

চকুৰ আগতে ফৰাচীবোৰ। সিহঁতৰ মুখৰ আকৃতি ভালকৈ দেখি। প্ৰিন্স্ বাগ্ৰাচিয়ঁই কোনো নতুন আদেশ দিয়া নাই—নিশব্দে সেনাদলৰ আগে আগে গৈ আছে। হঠাতে ফৰাচী বাহিনীত তিনিটা কামান ধ্বনি হ'ল। আকাশখন ধোঁৱাই ঢাকি পেলালে। কেবাজনো কছসৈন্য ধৰাশায়ী হ'ল। প্ৰথম গুলীটো মাটিত পৰোতেই বাগ্ৰাচিয়ঁই চিঞৰি উঠিল, "হুৰৰে!" আৰু লগে লগে সমগ্ৰ বাহিনীত উল্লাসৰ ধ্বনি তৰঙ্গিত হৈ উঠিল—উলাহতে হৈ হৈ শব্দ কৰি বেগেৰে ফৰাচী বাহিনীক খেদি গ'ল।

টুছিনৰ কামানবোৰে চবাগ্ৰে গাওঁখন জ্বলাই দিয়াত ফৰাচীবিলাকৰ আগবাঢ়ি অহাত পলম হ'ল। সেই কাৰণে যুদ্ধক্ষেত্ৰৰ মাজভোখৰৰ কছ-সেনাবিলাকে পলাবলৈ সময় পালে। বাওঁফালে কিন্তু ফৰাচী বাহিনীয়ে একে সময়তে চাৰিও ফালে আক্ৰমণ চলাই কছসেনাক বিব্ৰত কৰিছিল। বাগ্ৰাচিয়ঁই গেৰকভক কাপ্তেনৰ ওচৰলৈ কৈ পঠালে যাতে তেওঁৰ সেনাদল শীঘ্ৰে পলাই যায়।

গেৰকভে লৰালৰিকৈ ঘোঁৰাত উঠি ৰাওনা হ'ল। কিন্তু বাগ্ৰাচিয়ঁৰ দৃষ্টিৰ বাহিৰ হোৱাৰ লগে লগে তাৰ সাহস নাইকিয়া হ'ল। য'ত বিপদ আছে এনে ঠাইলৈ সি কেনেকৈ যায়? তাৰ অন্তৰত ভয় সোমাল। সি কোনোমতে যাব নোৱাৰে। অলপ দূৰ গৈ কছসেনাবোৰ যিপিনে আছিল সেই পিনে নগৈ অইন ফালে গ'ল। সেইফালে কাপ্তেন বা অইন কোনো কৰ্মচাৰী লগ পোৱাৰ সম্ভাৱনা নাই। গতিকে গেৰকভে খবৰটো নিদিলে।

যি দলৰ বোস্তভ পতাকাবাহী আছিল সেই দলটো অতৰ্কিতে শত্ৰুৰ সম্মুখীন হয়। সেনাবোৰ বিমোৰত পৰিল। যুদ্ধৰ কাৰণে সাজু হবলৈ হুকুম হ'ল। কিন্তু সেনাদলে বুজি পালে যে কাপ্তেন সকলেই ভাবি পোৱা নাই—কি কৰিব লাগে। সকলো দোমোজাত পৰিছে।

আক্ৰমণৰ উদ্দীপনাৰ কথা ৰোস্তভে আগতে শুনিছিল। এতিয়া ঘোঁৰাত উঠি নৈ ভাবিলে, "সেই সুখৰ সোৱাদ লোৱাৰ সুযোগ মিলিছে।"

দেনিচভে গহীনাই কলে, "অহা, বেগাবেগি কৰা ; আগুৱাই যোৱা ; ভগৱান সহায় আছে।"

হাতত তৰোৱালখন ভালদৰে ধৰি লৈ ৰোস্তভে বেগেৰে ঘোঁৰা চলাইছে। অলপ পিচত পিচফালে মানুহৰ চিঞৰবাখৰ শুনি সি আৰু বেছি উত্তেজিত হৈ চকু মুদি ঘোঁৰা চলালে।

পাচত সি চকু মেলি চাই আচৰিত হ'ল, ভয় খালে। "মই ক'ত ? মই দেখোন অকলে। অইনবোৰ কলৈ গ'ল ? মই দেখোন অচল হৈ পৰি আছোঁ। মই মৰিছোঁ নেকি ?" ৰোস্তভে একো ভাবি নাপায়। কিমান প্ৰশ্ন তাৰ মনলৈ আহে কিন্তু সি তাৰ সমিধান নাপায়। সকলো নিজান, ক'তো একো নাই—অলপ চেঁচা মাটি।

অলপ পাচত সি ভাবিলে, "মইতো মৰা নাই। আহত হৈছোঁ। ঘোঁৰাটো মৰি মোৰ ভৰিৰ ওপৰত পৰিছে। ঘোঁৰাটোৰ তেজ মোৰ গালৈকে বৈ আহিছে।"

এনেকৈ কিছু সময় যোৱাৰ পাচত নিকলয় থিয় হবলৈ চেষ্টা কৰিলে কিন্তু নোৱাৰিলে—মূৰ ঘূৰাই পৰি গ'ল। বাগৰি পৰি আকৌ ভাবিবলৈ ধৰে, "আমাৰ দলৰ মানুহবোৰ কলৈ গ'ল ? নীলা পোচাক পিন্ধা সেই ফৰাচী সেনাবোৰ ক'লৈ গ'ল ? ইয়াত দেখোন কোনো নাই—কোনে কব ?"

অলপ পাচত ভৰিখন লাহে লাহে টানি উলিয়াই লৈ সি কোনোমতে থিয় দি চাৰিও পিনে চালে—ৰুছবাহিনী কোনফালে আছে। সি ভাবে, "মোৰ কিবা এটা গোলমাল হৈছে। নহলেনো মই একো বুজি নাপাওঁ কিয় ? এতিয়া কি কৰোঁ ?"

সি গম পালে তাৰ বাওঁ হাতখন বৰ গুৰ লাগিছে। যেন হাতখনত কোনোবাই এডোখৰ গধুৰ শিলহে বান্ধি দিছে। হাতখন ভালকৈ চালে কিন্তু তাৰ পৰা তেজ ওলোৱা নাই।

হঠাতে দূৰৈত কেইজনমান মানুহ অহা দেখি তাৰ ভাল লাগিল—সহায় পাব বুলি তাৰ আশা হ'ল। মানুহবোৰলৈ চাই আশা পলি বৈ থাকিল। আগৰ মানুহজন যেনিবা তাকেই বিচাৰি লৰি আহিছে। মানুহজনৰ নাকটো দীঘল—পোচাকটো বেলেগ ধৰণৰ, নীলা। পিচৰ মানুহবিলাকে নিকলয়ৰ দলৰে এজন অশ্বাৰোহীক বেৰি আহিছে। সকলোৰে পোচাক নীলা। নিকলয়ে বুজি পালে এই অশ্বাৰোহীজনক সিহঁতে বন্দী কৰিছে। "তেন্তে সিহঁত ফৰাচী। সিহঁত আগবাঢ়ি আহিছে। মোকো বন্দী কৰিব নেকি ?"

অলপ আগতে শত্ৰু নিপাত কৰিবলৈ তাৰ যি জলন্ত উৎসাহ আছিল—এতিয়া সেই উৎসাহ ৰবকৰ নিচিনা চেঁচা পৰিছে। সি ভয়তে চকু খাই উঠে "ইহঁত কলৈ আহিছে? মোক বন্দী কৰিবলৈ? মোক কিয় বন্দী কৰিব? মোকতো সকলোৱে ভাল পায়।" লগে লগে তাৰ মনত পৰিল ঘৰৰ সকলোৰে কথা—মাক, বাপেক, ভায়েক, ভগ্নীয়েক—নাতাছা, পেট্ৰছা, চোনিয়া—।

নিকোলাচ শিলৰ মূৰ্ত্তিৰ দৰে থিয় হৈ থাকিল। তাৰ যেন লৰচৰ কৰিবৰ শক্তি নাই। অকল ঘৰৰ কথা ঘনাই তাৰ মনলৈ আহিছে। সেই দীঘল নাকৰ ফৰাচীজনক ওচৰ চাপি অহা দেখি সি বন্দুকটো ললে। কিন্তু মানুহজনক গুলী নকৰি বন্দুকেৰে মূৰত এটা কোব মাৰি লৰ দিলে। প্ৰাণৰ ভয়ত সি খাল, ডোবা, হাবি-বননিৰ মাজেদি লৰি গৈছে আৰু মাজে মাজে পিচফালে ঘূৰি চাইছে। কিছুদূৰ গৈ ভাগৰ লগাত সি হাবিৰ মাজত ৰ'ল। সি ভাবিলে, "মই মিছাতেই ইমান ভয় খাইছোঁ। সিহঁতে মোক নামাৰিলেহেঁতেন।"

তাৰ হাতখন ক্ৰমাৎ বেছি গধুৰ হোৱা যেন লাগিছে আৰু বিষ বেছি হৈছে। এতিয়া লৰিবলৈ তাৰ আৰু শক্তি নাই। এনেতে কেইটামান বন্দুকৰ গুলী তাৰ ওচৰেদি পাৰ হৈ গ'ল—সিহঁতে নিকোলাচক লক্ষ্য কৰি গুলী কৰিছে। ইয়াতো শান্তি নাই। নিকোলাচে সোঁহাতেৰে বাওঁহাতখন ধৰি আকৌ হাবিবননি ঠেলি আগবাঢ়িল। সি ভাবিলে, "এইখন হাবি পাৰ হলেই ৰুছসকলক দেখা পাম—তেতিয়া শান্তি, আশ্ৰয় পাম।"

পদাতিক বাহিনীৰ আগ ভাগত থকা সেনাবোৰ ভয়তে হাবিয়ে-জংঘলে পলাবলৈ ধৰিলে। সিহঁতৰ সেনাপতিয়ে ভাবিলে ইহাৰ কাৰণে তেঁৱে দোষী হব। আজি কুৰি বছৰ তেওঁ সুখ্যাতিৰে কাম চলাইছে, এতিয়ানো তেওঁৰ পৰিচালনাত কি ত্ৰুটী হ'ল? তেওঁ ফৰাচী বাহিনীৰ আগলৈকে আগবাঢ়ি গ'ল। ফৰাচীবিলাকে অবিৰাম গুলী চলাইছে। ভাগ্যক্ৰমে তেওঁৰ গাত নালাগিল। তেওঁ সেনাবোৰক চিঞৰি মাতিছে কিন্তু কোনেও তেওঁৰ কথা নুশুনে। সকলোৰে মনত আতঙ্ক। মনলৈ দুৰ্বলতা আহিলে যুদ্ধত জয়ী হব নোৱাৰি। সেনাপতি হতাশ হ'ল আৰু আশা নাই। হঠাতে ফৰাচী বাহিনী পিচ হুহকি গ'ল। হাবিত লুকাই থকা এদল ৰুছসেনা ওলাই আহি ফৰাচী বাহিনীক পাচ ফালৰ পৰা আক্ৰমণ কৰিলে। দলোহতে এজন ফৰাচী সৈনিকক বধ কৰিলে আৰু এজন কৰ্মচাৰীক বন্দী কৰিলে। পলাই যোৱা ৰুছসেনাবোৰ উভতি আহি লগ লাগিল। বাওঁফালে ফৰাচী বাহিনীৰ গতি সম্প্ৰতি ৰোধ হ'ল।

দলোহভে এখন তৰোৱাল, এখন বাৰুদৰ মোনা আৰু বন্দী কৰাচী কৰ্মচাৰীজনক লগত লৈ সেনাপতিৰ আগলৈ আহি কলে, "এইবোৰ আমাৰ জয় কৰা সম্পত্তি। এই ডাঙৰ কৰ্মচাৰীজনক মযে বন্দী কৰিছোঁ। কৰাচী দলটোক ময়ে খেদি পঠাইছোঁ। আমাৰ দলৰ সকলোৱে সাক্ষ্য দিব। অনুগ্ৰহ কৰি হুজুৰে অধমৰ কথা মনত ৰাখে যেন।"

সেনাপতিয়ে কলে, "বৰ ভাল কাম কৰিছা।" দলোহভে মূৰৰ বান্ধটো খুলি দেখুৱালে "চাওক কিমানখিনি কাটিছে। মই সকলোৰে আগত আছিলোঁ। মনত ৰাখিব। মোক নাপাহৰে যেন, হুজুৰ।"

প্ৰিন্স্ বাগ্ৰাচিয়ঁই টুচিনৰ কামানৰ কথা পাহৰিয়েই গৈছিল। যুদ্ধক্ষেত্ৰৰ পৰা ৰুছসেনা আতৰি গৈছে। এতিয়া যুদ্ধৰ শেহ অৱস্থাতো মাজভাগত টুচিনৰ কামানৰ শব্দ শুনি ব্ৰাগ্ৰাচিয়ঁই এজন কৰ্মচাৰীক, তাৰ পাচত প্ৰিন্স্ এণ্ড্ৰুক হুকুম দি পঠালে যাতে কামান বাহিনী ততালিকে পিচুৱাই আহে। টুচিনৰ কামানবোৰ ৰক্ষাৰ কাৰণে ওচৰত যিবোৰ সৈনিক আছিল, সিহঁতকো কোনোবা সময়ত যুদ্ধৰ মাজতে আতৰাই নিয়া হৈছে ; টুচিনে মনেই কৰা নাই। সি কামান চাৰিটা চলাইয়ে আছে। ফৰাচীবিলাকে পাহাৰৰ ওপৰত থকা টুচিনৰ কামান বাহিনীক আক্ৰমণ কৰিবলৈ দুবাৰো চেষ্টা কৰিছিল কিন্তু টুচিনৰ বৰতোপ চাৰিটাৰ অবিৰাম গুলীত ব্যতিব্যস্ত হৈ আগুৱাই যাব পৰা নাই। পাহাৰৰ ওপৰত ৰুছসকলৰ অকল চাৰিটাহে বৰতোপ থকা বুলি আৰু বৰতোপবোৰ ৰক্ষাৰ কাৰণে তাত কোনো সেনাদল নথকা বুলি ফৰাচীবিলাকে ভাবিবই পৰা নাছিল। কামানবোৰৰ ভীষণ সক্ৰিয়তা দেখি তেওঁলোকে অনুমান কৰিছিল যে ৰুছসকলৰ শ্ৰেষ্ঠ বাহিনীটো যুদ্ধক্ষেত্ৰৰ এই মাজ ভাগতে আছে।

প্ৰিন্স্ বাগ্ৰাচিয়ঁই কামানবোৰ চাই অহাৰ পাচতেই টুচিনে চন্দ্ৰাবৈ গাওঁখন জ্বলাই দিছিল। গাওঁখনৰ পৰা যিবোৰ ফৰাচী সেনা ওলাই আহিছিল, সিহঁত পিচ হুহকি গৈ গাওঁখনৰ সোঁফালৰ পৰা খণ্ডতে দহোটা কামানেৰে টুচিনলৈ গুলীয়াবলৈ ধৰিলে।

গাওঁখন জ্বলাই দি আৰু শত্ৰুপক্ষক ব্যতিব্যস্ত কৰি টুচিনৰ হিলৈদাৰীসকলে সক লৰা-ছোৱালীবদৰে আনন্দত মতলীয়া হৈ অবিৰাম গুলী চলাইছে। শত্ৰুপক্ষৰ কামানলৈ ভ্ৰূক্ষেপ কৰা নাই। শত্ৰুপক্ষৰ গুলীত কেইবাটাও ঘোঁৰা আৰু মানুহ মৰিল। হত বা আহত হোৱা মানুহবোৰৰ ঠাইত টুচিনে অইন মানুহ লগাই কাম চলাইছে। সিহঁত অকণো হতাশ হোৱা নাই। টুচিনৰ

লগৰীয়াজন প্ৰথমবাৰৰ গুলীতেই মৰিল। এঘণ্টা পাচত চল্লিশজন হিলৈদাৰীৰ ভিতৰত সোতৰজন আহত হ'ল। তথাপি সিহঁতে উৎসাহৰে কামান চলাইছে। ফৰাচীবোৰক তুৰাবো আগবাঢ়ি অহা দেখিছিল, দুয়োবাৰে সিহঁতক খেদি পঠালে।

টুহিনে মুখত খপাতৰ পাইপটো লৈ ইটো কামানৰ পৰা সিটো কামানলৈ গৈ মানুহবোৰক উৎসাহ দিছে। সি মৃত্যুলৈ ভয় নকৰে। কামানৰ শব্দ, শত্ৰুৰ গুলী, মৃতকৰ তেজ, লোকক্ষয় একোৱে তাক বিচলিত কৰিব পৰা নাই; বৰং এইবোৰ দেখি সি আনন্দহে পাইছিল। শত্ৰুৰ কামানবোৰক সি কামান বুলি ভ্ৰূক্ষেপেই কৰা নাছিল। কোনোবা খপাত খোৱা মানুহৰ পাইপৰ ধোঁৱা বুলিহে ভাবিছিল। সি তাৰ কামানবোৰক একোটা মৰমৰ নাম ধৰি মাতিছিল। ডাঙৰটোৰ নাম দিছিল "মেটিভ্‌না"; দ্বিতীয়টোক মাতিছিল "খুড়া" বুলি। কামানবোৰৰ ওচৰলৈ গৈ মাত লগায় "মেটিভ্‌না, এতিয়া তোমাৰ পাল। খুড়া, বৈছা কিয় ?"

কামানবোৰ চাই টুহিন পিছলৈ আহিছে, এনেতে ওপৰৰ পৰা কোনোবাই মতা শুনিলে "কাপ্তেন টুহিন, কাপ্তেন টুহিন!" টুহিনে উভতি চালে। এইজন বিষয়াই তাক কেনটিনৰ পৰা খেদি দিছিল। তেওঁ টুহিনক সোনকালে উভতি আহিবলৈ কৈছে—"তুমি পগলা হৈছা নেকি ? উভতি যাবলৈ তোমাক তুৰাবো আদেশ দিয়া হৈছে।"

কৰ্মচাৰীজনক অভিবাদন জনাই টুহিনে কলে, "মই কিয় যাব লাগে ? মই ঠিক আছোঁ।"

"মই কব নোৱাৰোঁ। কৰ্মচাৰীজনে আৰু কিবা কব খুজিছিল এনেতে ওচৰতে এটা কামানৰ গুলী পৰাত তেওঁ থমকি ৰ'ল। অলপ পাচত কিবা কব খোজোঁতে আকৌ এটা গুলী আহি বাধা দিলে। ঘোঁৰাটো বেগেৰে চলাই কৰ্মচাৰীজন তাৰ পৰা লৰ দিলে। দূৰৈৰ পৰা চিঞৰি গ'ল "তোমালোক আটায়ে গুচি আহা, গুচি আহা।"

কৰ্মচাৰীজনক ভয়তে পলাই যোৱা দেখি টুহিনৰ মানুহবোৰে হাঁহিবলৈ ধৰিলে।

অলপ সময়ৰ পিচতে সেই একে হুকুম লৈ প্ৰিন্স্ এণ্ড্ৰু ওলালহি। এণ্ড্ৰুৱে দেখিলে টুহিনৰ কামানবোৰৰ ওচৰত এটা আধামৰা ঘোঁৰাই চিঞৰিছে আৰু কাষতে বহুতো মৰা শ পৰি আছে। তেওঁৰ মূৰৰ ওপৰেদি কেবাটাও কামানৰ

গুলী উৰি গ'ল। কিন্তু এগু্‌ সাহসেৰে কামানবোৰৰ মাজত ঘোঁৰাৰ পৰা নামিল। আৰু কামানবোৰ আভৰাই নিয়াত টুহিনক সহায় কৰিলে।

এজন হিলৈদাৰীয়ে প্ৰিন্স্ এণ্ড্ৰুক কলে, "অলপ আগতে এজন কৰ্মচাৰী আহি খবৰটো দিয়ে পলাল। আপুনি দেখিছোঁ তেনেকুৱা নহয়।"

প্ৰিন্স্ এণ্ড্ৰুৰে টুহিনৰ লগত কোনো কথা পতা নাই। দুয়ো ব্যস্ত। দুয়ো ধৰাধৰিকৈ ভালে থকা ৰবতোপ দুটা গাড়ীত বোজাই দিলে। গাড়ীবোৰ ৰাওনা হ'ল। প্ৰিন্স্ এণ্ড্ৰুৰে টুহিনলৈ হাতখন আগবঢ়াই দি কলে, "তেন্তে আজিলৈ আহিলোঁ, বিদায়।"

টুহিনে চকুৰ পানী টুকি টুকি কলে, "যাওক ভাই, বিদায়, বিদায়!"

হতাহত মানুহৰ মাজেদি টুহিন কামানবোৰৰ লগত গৈছে। তেতিয়া ৰাতি। দুঠাইত ডাঙৰকৈ জুই জলিছে। কামানৰ শব্দ বৰকৈ শুনি। কিন্তু পিচফালে আৰু সোঁফালে বন্দুকৰ শব্দ ঘনাই শুনা গৈছে। নিৰাপদ ঠাইলৈ আহি টুহিনে গেৰকভ আৰু আন এজন কৰ্মচাৰীক লগ পালে। এওঁলোকক দুবাৰো টুহিনৰ কামানৰ ওচৰলৈ পঠোৱা হৈছিল; কিন্তু সেইখিনি নাপালেগৈ। পলমকৈ অহাৰ কাৰণে দুয়ো টুহিনক কিবাকিবি কলে। কিন্তু টুহিনে একোকে নামাতি কামানবোৰৰ পাচে পাচে গ'ল।

যদিও আহতবোৰক এৰি আহিবলৈ আদেশ হৈছিল তথাপি বহুতে চুঁচৰি বাগৰি কামানৰ গাড়ীবোৰত ঠাই বিচাৰিছিল। যুদ্ধৰ আগ মুহূৰ্তত টুহিনৰ পঁজাটোৰ পৰা লৰি ওলাই অহা পদাতিক বাহিনীৰ কৰ্মচাৰীজনৰ পেটত কামানৰ গুলী এটা সোমাইছিল। তেওঁক "মেটিভ্‌না"ৰ গাড়ীত উঠাই অনা হৈছিল। পাহাৰৰ নামনিত অশ্বাৰোহী সেনাদলৰ এজন পতাকাবাহীয়ে এখন হাত আনখনেৰে ধৰি লৈ টুহিনৰ ওচৰ চাপি ভয় ভয়কৈ কলে, "কাপ্তেন, মই খোজ কাঢ়িব নোৱাৰোঁ, হাতখন বৰ বিষাইছে; অনুগ্ৰহ কৰি গাড়ীত মোক অলপ ঠাই দিয়ক। কাকুতি কৰিছোঁ, মোক উঠাই নিবলৈ কওক।"

বোধকৰোঁ সি আগতে কেইবা ঠাইতো এই অনুৰোধ কৰি বিফল হৈছিল। টুহিনে এজন প্ৰিয় সৈনিকক মাতি কলে, "এওঁক উঠিবলৈ দিয়া। আৰু শুবৰ কাৰণে এটা কোট পাৰি দিয়া। আহত কৰ্মচাৰীজন কত আছে?"

"হুজুৰ, তেওঁক নমাই দিছোঁ—মানুহজন মৰিছে।"

কৰ্মচাৰীজনৰ ঠাইতে পতাকাবাহীজনক উঠাই লোৱা হ'ল। এই পতাকা-বাহীজনেই ৰোস্তভ।

এন্ধাৰৰ মাজেদি পদাতিক বাহিনীৰ সহায়ত বহু কষ্টেৰে কামানবোৰ পাহাৰ ওপৰলৈ টানি নিয়া হ'ল। এখন গাওঁ পালত সকলোৱে জিৰণি ললে। হঠাতে ওচৰতে সোঁফালে বন্দুকৰ শব্দ আৰু মানুহৰ কোৰ্হাল শুনা গ'ল। এইটো ফৰাচীবিলাকৰ শেহ আক্ৰমণ। গাওঁখনত বহুতো ৰুছসেনা লুকাই আছিল। শত্ৰুক আক্ৰমণ কৰিবলৈ সিহঁত ওলাই আহিল। কিন্তু টুহিনৰ কামানবোৰ আৰু হিলৈদাৰীসকল আগবাঢ়িব নোৱাৰা হ'ল। ৰোস্তভে নিসহায়ভাৱে টুহিনৰ মুখলৈ চালে। কিছু সময়ৰ পাচত দুয়োপক্ষৰ গুলীয়া-গুলীৰ অন্ত পৰিল। ৰাস্তাৰ ওপৰত কেইজনমান সৈনিকক বংমনেৰে কথা পাতি থকা শুনা গ'ল।

শেহবাৰৰ কাৰণে ফৰাচীবিলাকক খেদি দিয়া হ'ল। এন্ধাৰৰ মাজেদি টুহিনৰ কামানবোৰ আকৌ ঘৰঘৰ শব্দেৰে আগবাঢ়িল। আগে আগে পদাতিক বাহিনী কথা পাতি গৈছে। কিন্তু সকলো শব্দকে চেব পেলাই আহতসকলৰ কৰুণ বিননি—চিঞৰবাখৰ, আৰ্তনাদ গোটেইখন এন্ধাৰত বিয়পি পৰিল। অলপ পিচতে দলটো চঞ্চল হৈ উঠিল। কোনোবা এজনে বগা ঘোঁৰা এটাত উঠি ওচৰেদি কিবা কৈ গ'ল।

সকলোৱে কোৱা-কুই কৰিলে "কি কৈ গ'ল? আমিনো কলৈ গৈ আছোঁ? ৰ'বলৈ কলে নেকি? আমাক ধন্যবাদ দিছে? কি কথা?" জনৰব হ'ল যে দলটোক ৰ'বলৈ আদেশ দিয়া হৈছে। বোকা ৰাস্তাৰ ওপৰত যি য'তে আছিল, তাতে ৰ'ল।

সৈনিকবোৰে ৰাস্তাৰ দাঁতিতে জুই ধৰিলে আৰু কথা পাতিবলৈ ধৰিলে। টুহিনে হিলৈদাৰীসকলক আদেশ-উপদেশ দি, ৰোস্তভৰ কাৰণে এখন গাড়ী নাইবা এজন ডাক্তৰ বিচাৰি আনিবলৈ কেইজনমান সেনা পঠালে। পিছত টুহিনো গৈ জুইৰ ওচৰত বহিল। ৰোস্তভো কোনোমতে আহি জুইৰ ওচৰত বহিল। বিষতে আৰু ঠাণ্ডা লাগি তাৰ জ্বৰ উঠিছে আৰু গোটেই গাটো কঁপিছে। তাৰ টোপনি ধৰিছে কিন্তু হাতৰ বিষত শুব নোৱাৰে। সি অলপ সময়ৰ কাৰণে চকু মুদে, আকৌ চকু মেলি টুহিনৰ ফালে, জুইকুৰাৰ ফালে চায়। টুহিনেও সহানুভূতিৰে ৰোস্তভলৈ চায়। টুহিনে তাক সহায় কৰিব খোজে কিন্তু একোকে কৰিব নোৱাৰে।

পদাতিক, অশ্বাৰোহী সেনাবোৰ দলে দলে আহিছে, গৈছে, কথা পাতিছে। গোটেইখন ঠাই ধুমুহাৰ পিচতো আলোড়িত হৈ থকা সাগৰৰ

নিচিনা হ'ল। ৰোস্তভে চাৰিওপিনে চালে আৰু সেনাবোৰৰ কথালৈ কাণ পাতিলে।

এজন অশ্বাৰোহী সৈনিক জুইৰ ওচৰলৈ আহি টুহিনক কলে, "ক্ষমা কৰিব, হুজুৰ; মই দল হেৰুৱাইছো। মই এতিয়া ক'ত আছোঁ, মই নিজে কব নোৱাৰোঁ। কি সাংঘাতিক কথা!" লগে লগে এজন অশ্বাৰোহী কৰ্মচাৰী আহি টুহিনক কলে, "আমাৰ গাড়ীখন যাবৰ কাৰণে কামানৰ গাড়ীখনে অনুগ্ৰহ কৰি অলপ বাট দিলে ভাল আছিল।" তাৰ পাচতে এযোৰ বুটজোতা টনা-আঁজোৰা কৰি দুজন সৈনিক জুইৰ ওচৰলৈ আহিল। তাৰ পাচত এজন চেৰেলা, শেঁতা সৈনিক আহিল। তেজৰ কাপোৰেৰে তাৰ ডিঙিটো বন্ধা। সি দীঘলকৈ উশাহ লৈ হিলৈদাৰীসকলক পানী খুজিলে। "কেলেই? কুকুৰৰ দৰে মৰিব লাগিব নেকি?"

তাক পানী দিবলৈ টুহিনে হিলৈদাৰীসকলক কলে। তাৰ পাচত অশ্বাৰোহী সেনাদল এটাৰ কাৰণে জুইৰ আঙঠা বিচাৰি এজন ধেমেলীয়া সৈনিক আহিল। "ইমান দিনৰ মূৰত জিৰণি পাই, ভাল লাগিছে। অলপ জুই ধাৰলৈ দিয়া, ভাই। ধন্যবাদ। আমি সুতে-মূলে ধাৰ মাৰিম।"

ওচৰেদি চাৰিজন সৈনিকে এটা ডাঙৰ ওভাৰ কোটত কিবা গধুৰ বস্তু কঢ়িয়াই নিলে। তাৰে এজনে উজুটি খাই খঙেৰে কলে, "কি মূৰ্খ, খৰিবোৰ বাটতে পেলাই থৈছে।" আন এজনে কলে, "ও মৰিছে! ইয়াক কঢ়িয়াই নি কি হব?" "আহা!" বোজাটো লৈ সিহঁত এন্ধাৰত অন্তৰ্দ্ধান হ'ল।

টুহিনে ৰোস্তভক লাহেকৈ সুধিলে, "বিষাইছে নেকি?"

"এৰা, বৰ বিষাইছে।"

এনেতে এজন হিলৈদাৰী টুহিনৰ আগলৈ আহি কলে, "হুজুৰক সেনাপতিয়ে মাতিছে। তেওঁ ইয়াতে এটা পঁজাৰ ভিতৰত আছে।"

টুহিনে থিয় হৈ কোটটো ভালকৈ পিন্ধি, ৰোস্তভক মাত লগাই গ'ল "ৰবা, মই এতিয়াই আহিম।"

এটা পঁজাৰ ভিতৰত প্ৰিন্স্ বাগ্ৰাচিয়ঁই কেইজনমান কাপ্তেনৰ লগত বহি কথা পাতিছে আৰু খাইছে। তাত সেই বুঢ়া সেনাপতিজন, বাইশ বছৰ সুখ্যাতিৰে চাকৰি কৰা কৰ্মচাৰীজন, গেৰকভ, প্ৰিন্স্ এণ্ড্ৰু আৰু কেইবাজনো কৰ্মচাৰী আছিল। পঁজাটোৰ এচুকত কাঢ়ি অনা এখন ফৰাচী পতাকা আছে।

কাষৰ পঁজাটোত বন্দী ফৰাচী সেনাপতিজন আছে। কছ কৰ্মচাৰীসকলে জুম পাতি তেওঁক চাইছে। প্ৰিন্স বাগ্ৰাচিয়ঁই কাপ্তেনসকলক ধন্যবাদ দিছে আৰু তেওঁলোকৰ পৰা যুদ্ধৰ বিতং বিবৰণ আৰু ক্ষতিৰ পৰিমাণৰ বিষয়ে ভু লৈছে।

যিজন সেনাপতিৰ সেনাদলটো কুতুজভে ক্ৰনোত পৰিদৰ্শন কৰিছিল, সেই সেনাপতিজনে নিবেদন কৰিলে, "হুজুৰ, যুদ্ধৰ আৰম্ভনিতেই হঠাতে আমি হাবিৰ পৰা ওলাই আহি—ডুদল ফৰাচী সেনাক খেদি পঠাওঁ।" দৰাচলতে সি তাকে কৰিবলৈ হেপাহ কৰিছিল কিন্তু কামত কৰিব পৰা নাছিল। ইমান গোলমালৰ মাজত কি হৈছিল কি নহৈছিল সেইটো কোনে জানিব? "আৰু এটা বিশেষ কথা, দলোহভে মোৰ চকুৰ আগতে এজন ফৰাচী কৰ্মচাৰীক বন্দী কৰি বীৰত্ব দেখুৱাইছে।"

গেৰকভে কলে, "হুজুৰ, মই আজি ইয়াতে পেভলোগ্ৰাড্ অশ্বাৰোহী সেনাদলৰ আক্ৰমণ দেখিছোঁ। সিহঁতে ডুদল সেনাক পৰাস্ত কৰিছে।" সেইদিনাখন গেৰকভে কিন্তু এই দলটোক দেখাই নাছিল। এজন কৰ্মচাৰীৰ পৰাহে কথাটো শুনিছিল। কৰ্মচাৰীসকলৰ বহুতেই ভালকৈ জানিছিল যে গেৰকভৰ কথাবোৰ সম্পূৰ্ণ মিছা, তথাপি নিজৰ সেনাদলক প্ৰশংসা কৰা দেখি সকলো গহীন হৈ থাকিল।

পদাতিক, অশ্বাৰোহী, কামানবাহিনী সকলো বিভাগেই বীৰত্বেৰে যুঁজিছে বুলি বাগ্ৰাচিয়ঁই কৰ্মচাৰীসকলক ধন্যবাদ দিলে। তাৰ পাচত কাৰোবাক চকুৰে বিচাৰি কলে, "কিন্তু মাজ ভাগৰ দুটা কামান কিয় এৰি অহা হ'ল?" এজন কৰ্মচাৰীৰ ফালে চাই কলে, "তোমাকে বোধকৰো পঠাইছিলোঁ।" কৰ্মচাৰীজনে কলে, "এটা বেয়া হৈছিল। বাকীটোৰ কথা মই কব নোৱাৰোঁ। মই তাত নিজে থাকি সিহঁতক উপদেশ দিছিলোঁ। মই অহাৰ পাচত—অৱশ্যে তাত বেছি সময় থকাটো বিপদজনক আছিল।" এনেতে কোনোবাই কলে যে কাপ্তেন টুচিন ওচৰতে আছে আৰু তেওঁক মাতি পঠোৱা হৈছে।

প্ৰিন্স এণ্ড্ৰুৰ ফালে চাই বাগ্ৰাচিয়ঁই কলে, "তুমি সেখোন তালৈ গৈছিলা?" আগৰ কৰ্মচাৰীজনে কলে, "আমি দুয়ো প্ৰায় একেলগে তালৈ গৈছিলোঁ।" হঠাতে এণ্ড্ৰুৱে গহীনাই কলে, "মই কিন্তু আপোনাক দেখা নাই।" সকলো নিমাত হ'ল।

টুচিনে ভয় ভয়কৈ পজাঁটোৰ ভিতৰত সোমাওঁতেই পতাকাখনৰ ওচৰত উজুটি খালে। কৰ্মচাৰীসকলে হো হো কৰি হাঁহিবলৈ ধৰিলে। বেছিকৈ

হাঁহিলে গেৰকভে। কৰ্মচাৰীসকলক ইংহা দেখি বাগ্ৰাচিয়ঁই ভ্ৰুকুটি কৰি কলে, “এটা কামান কিয় এৰি অহা হ’ল ?”

সেনাপতিৰ খং উঠা দেখি টুহিনে ভাবিলে, “দুটা কামান হেৰুৱাই, এই অপমান সহ্য কৰিবলৈ মই এতিয়াও কিয় জীয়াই আছো ?” সি কি জবাব দিব ? কৰ্মচাৰীসকলৰ হাঁহিয়ে তাক আৰু বেছি হতবুদ্ধি কৰিছে। বাগ্ৰাচিয়ঁৰ আগত থিয় হৈ সি কঁপি কঁপি কলে, “মই কব নোৱাৰোঁ, হুজুৰ; মোৰ মানুহ নাছিল, হুজুৰ।”

“কামান ৰক্ষী দলৰ পৰা মানুহ আনিব পাৰিলা হয়।” যদিও সঁচাকৈয়ে সেই সময়ত তাত কোনো কামানৰক্ষী সেনা নাছিল তথাপি টুহিনে সেই কথাটো নকলে। কাৰণ সেইটো কথা কলে কোনোবা কৰ্মচাৰী বিপদত পৰিব পাৰে। সি একোকে নামাতি পৰীক্ষকৰ আগত বিবুদ্ধি হোৱা স্কুলীয়া লৰাৰ নিচিনাকৈ একেৰাহে বাগ্ৰাচিয়ঁৰ মুখলৈ চাই থাকিল।

বহুপৰলৈকে সকলো নিমাত থকাৰ পাচত হঠাতে এণ্ড্ৰুৱে মাত লগালে, “হুজুৰ, আপুনি মোক টুহিনৰ কামানৰ ওচৰলৈ পঠাইছিল। মই তালৈ গৈ তিনি ভাগৰ দুভাগ মানুহ আৰু ঘোঁৰা হত হোৱা দেখিছিলোঁ। দুটা কামান অকামিলা হৈছিল আৰু সিহঁতক ৰক্ষা কৰিবলৈ ওচৰত কোনো সৈনিক নাছিল।”

প্ৰিন্স্ বাগ্ৰাচিয়ঁ আৰু টুহিন দুয়ো আগ্ৰহেৰে এণ্ড্ৰুৰ ফালে চালে।

এণ্ড্ৰুৱে আকৌ কলে, “হুজুৰে যদি মোৰ মতামত কবলৈ অনুমতি দিয়ে তেন্তে মই কওঁ যে অকল কাপ্তেন টুহিনৰ বীৰত্ব, তেওঁৰ কামান আৰু হিলৈদাৰী-সকলৰ কাৰণেহে আজি আমি কৃতকাৰ্য্যতা লাভ কৰিছোঁ।” উত্তৰৰ কাৰণে বাট নাচাই এণ্ড্ৰু মেজৰ ওচৰৰ পৰা থিয় হ’ল।

প্ৰিন্স্ বাগ্ৰাচিয়ঁই টুহিনৰ ফালে চালে। বল্‌কন্‌স্কিৰ কথা অবিশ্বাস কৰিব নোৱাৰি অথচ সম্পূৰ্ণৰূপে বিশ্বাস কৰিবও নোৱাৰি—তলমূৰ কৰি বাগ্ৰাচিয়ঁই টুহিনক কলে, “তুমি এতিয়া যাব পাৰা।” পাছে পাছে এণ্ড্ৰুও ওলাই গ’ল।

টুহিনে এণ্ড্ৰুক ধন্যবাদ দি কলে, “আপুনি আজি মোক এটা বিপদৰ পৰা সৰুৱালে।” এণ্ড্ৰুৱে টুহিনৰ ফালে চালে কিন্তু একোকে নামাতি গুচি গ’ল। এণ্ড্ৰুৱে যি ভাবিছিল, যি আশা কৰিছিল—কামবোৰ তাৰ বিপৰীত হোৱা দেখি তেওঁ মনত বেজাৰ পাইছিল।

অহা-যোৰা কৰা মানুহবোৰক দেখি ৰোস্তভে ভাবিছে—"ইহঁত কোন ? ইহঁত ইয়ালৈ কিয় আহিছে ? কি লাগে ?" ক্ৰমাৎ তাৰ হাতৰ বিষ বেছি হৈছে। সি চকু মুদিলে। তাৰ অলপ টোপনি আহিল। এই অলপ সময়ৰ ভিতৰতে সপোনত সি বহুতো বস্তু দেখিলে। সি মাকক, চোনিয়াক দেখিলে। নাতাচাৰ হাঁহি আৰু চকুযুৰি দেখিলে আৰু দেনিচভৰ মাত শুনিলে।

অলপ পাচত সি চকু মেলি ওপৰলৈ চালে। জুইকুৰাৰ কেই ফুটমান ওপৰৰ পৰা চাৰিও পিনে এন্ধাৰ, অলপ বৰফ পৰিছে। টুহিন উভতি অহা নাই—ডাক্তৰো নাহিল। সি অকলে আছে। এতিয়া মাত্ৰ এজন নাঙঠ সৈনিক তাৰ মুখামুখিকৈ বহি জুই পুৱাইছে।

"মোৰ কাৰণে কোনেও নাভাবে। মোক চাবলৈ, সহায় কৰিবলৈ কোনো নাই। মোৰো ঘৰ আছিল, গাত বল আছিল। ময়ো সুখী আছিলোঁ—মোকো ভাল পাইছিল।" এইবোৰ ভাবি ভাবি ৰোস্তভে হুমুনিয়াহ্ কাঢ়িলে আৰু কেঁকুৰিবলৈ ধৰিলে।

জুইৰ কাষত কামিজটো জোকাৰি, উত্তৰৰ কাৰণে বাট নাচাই—সৈনিকজনে সুধিলে, "বৰ বিষাইছে নেকি ? উহ্ আজি যে কিমান মানুহ মৰিল ! শুনিলেই ভয় লাগে।"

সৈনিকজনৰ কথাবোৰ ৰোস্তভৰ কাণলৈ নগ'ল। জুইৰ ওপৰত ঘূৰি ফুৰা বৰফৰ কণিকাবোৰ সি চাই থাকিল। লগে লগে ৰুছিয়াৰ জাৰকালিৰ কথা মনত পৰিল। নিজৰ ঘৰখনৰ কথা, গৰম কোটটোৰ কথা, বৰফৰ ওপৰত চলোৱা তাৰ গাড়ীখনৰ কথা, তাৰ স্বাস্থ্যৰ কথা আৰু পৰিয়ালৰ মৰম চেনেহৰ কথা—সকলো তাৰ মনলৈ আহিল। সি আচৰিত হৈ ভাবিলে, "মই ইয়ালৈ কিহৰ কাৰণেনো আহিছিলোঁ ?"

পিচ দিনাখন ফৰাচীবিলাকে আৰু আক্ৰমণ কৰা নাই। বাগ্ৰাচিয়ঁৰ সেনাদলৰ অৱশিষ্ট অংশ কুতুজভৰ সেনাবাহিনীত লগ লাগিল।

# তৃতীয় খণ্ড

## প্ৰথম অধ্যায়

ধন-সম্পত্তিৰ উত্তৰাধিকাৰী হোৱাৰ লগে লগে পিয়াৰৰ অকলশৰীয়া জীৱনৰ অন্ত পৰিল। এতিয়া তাৰ বহুতো কাম। দিনে-ৰাতিয়ে তাৰ লগৰ পৰা মানুহ নুগুচে। ৰাতি শুবৰ সময়ৰ বাহিৰে সি অকলে থাকিবলৈ নাপায়। তাৰ কিমান বন্ধু, কিমান নিমন্ত্ৰণ! সকলোতকৈ প্ৰিন্স্ বাচিল তাৰ ডাঙৰ আত্মীয় হ'ল। কাউণ্ট বেচুখভৰ মৃত্যুৰ পাচত বাচিলে পিয়াৰক হাতত ৰাখিলে।

মস্কোত থাকোঁতেই প্ৰিন্স্ বাচিলে যত্ন কৰি পিয়াৰক ৰুছিয়াৰ ৰাজপৰিষদৰ সভ্য কৰি ললে। তেওঁৰ লগতে পিটাৰ্চবাৰ্গলৈ যাবলৈ আৰু তাত তেওঁলোকৰ ঘৰতে থাকিবলৈ প্ৰিন্স্ বাচিলে পিয়াৰক অনুৰোধ কৰিলে। বাচিলে ভাবিছিল যেনেকৈয়ে হওক জীয়েকক বিয়া কৰাবলৈ পিয়াৰক মান্তি কৰাবই লাগিব। তেওঁতকৈ চহকী আৰু ক্ষমতাশালী মানুহৰ লগত আত্মীয়তা কৰা তেওঁৰ অভ্যাস। আৰু সেইবিলাক মানুহৰ পৰা নিজৰ কাম আদায় কৰি লব পৰা বুদ্ধি তেওঁৰ যথেষ্ট আছিল।

১৮০৫ চনৰ শীতকালৰ আৰম্ভনিতে পিয়াৰে আনা পোলোভনাৰ পৰা এখন নিমন্ত্ৰণ পত্ৰ পালে। চিঠিত এইখিনি কথাই লিখা আছিল—"আমাৰ ঘৰত ৰূপহী হেলেনকে দেখা পাবা। তাইক দেখি কাৰো আমনি নালাগে।" চিঠিখনৰ এইডোখৰ পঢ়ি পিয়াৰে অনুমান কৰিলে যে মানুহে হেলেনৰ লগত তাৰ বিয়াৰ কথা ভাবিছে। তাৰ ভয়ো লাগিল, ভালো লাগিল।

আনা পোলোভনাৰ ঘৰত বহুতো সম্ভ্ৰান্ত পুৰুষ, মহিলাৰ সমাগম হৈছে। আনাই পিয়াৰক অভ্যৰ্থনা জনালে আৰু কাউণ্ট বেচুখভৰ মৃত্যুৰ কাৰণে শোক প্ৰকাশে কৰিলে। পিয়াৰক ভিতৰলৈ লৈ গ'ল। ভিতৰলৈ সোমাই, পিয়াৰক অলপ ৰগাই, আনাই কলে "মই আজি এটা ষড়যন্ত্ৰ কৰিছোঁ।" এই বুলি হেলেনৰ ফালে চাই হাঁহিলে।

আনাই পিয়াৰক কলে, "তাই বৰ ধুনীয়া নহয় নে? তুমি কি কোৱা?

এই সৰু ছোৱালীজনী কিমান ধীৰ, গহীন, কি সুন্দৰ ব্যৱহাৰ! মোৰ বৰ ভাল লাগে। যাৰ ঘৰত পৰিব তাৰ কি ভাগ্য! অতি সামান্য মানুহ এজনেও তাইক বিয়া কৰালে, বিয়াৰ পাচত তাইৰ ভাগ্যৰ গুণত সি ডাঙৰ মানুহ হব; মই ডাঠি কব পাৰোঁ। চাবা।"

পিয়াৰে সৰলভাৱে আনাক সমৰ্থন কৰিলে। কাৰণ হেলেনৰ কথা ভাবিলেই পিয়াৰৰ মনত পৰে তাইৰ ৰূপ-সৌন্দৰ্য্য আৰু তাইৰ অমায়িক ব্যৱহাৰ আৰু গাম্ভীৰ্য্য।

হেলেনে পিয়াৰৰ ফালে চাই মিচিকিয়াই হাঁহিলে। পিয়াৰে নিচেই ওচৰৰ পৰা হেলেনৰ সুগন্ধিযুক্ত দৈহিক সৌন্দৰ্য্য দেখি ভোল গ'ল। এই সৌন্দৰ্য্যক সি আৰু পাহৰিব নোৱাৰে। হেলেনৰ চকুযুৰিয়ে যেন কৈছিল, "মই যে ধুনীয়া, তুমি আগতে কেতিয়াও মন কৰা নাছিলা নেকি? মই নাৰী। মই যাৰে তাৰে হব পাৰোঁ—তোমাৰো হ'ব পাৰো।" পিয়াৰে ভাবিলে হেলেন তাৰ ঘৈণী হব পাৰে, নহয়, হবই। হবই লাগিব। সি মনতে কল্পনা কৰিলে সিহঁত দুয়ো যেন পুৰোহিতৰ আগত ওচৰাওচৰিকৈ থিয় দি আছে। এই বিয়াখন কেনেকৈ, কেতিয়া হব, সি কব নোৱাৰে। এই বিয়াৰ পৰা তাৰ সুখ হব নে নাই তাকো সি নাজানে; কিন্তু দুখৰ কাৰণ হলেও বিয়াখন যে হবই পিয়াৰে জানিছিল।

পিয়াৰে আকৌ এবাৰ হেলেনৰ মুখলৈ চাবৰ চেষ্টা কৰিছিল কিন্তু লাজতে নোৱাৰিলে। হেলেন কাষতে আছে। তাই পিয়াৰৰ মনটো অধিকাৰ কৰিছে। দুইৰো মাজত এতিয়া আৰু কোনো প্ৰতিবন্ধক নাই। একমাত্ৰ প্ৰতিবন্ধক তাৰ নিজৰ মনটো।

আনাই কৈ গ'ল, "বাৰু, মই এতিয়া আহিলোঁ। তোমালোকে অকলে অকলে কথা পাতি থাকাঁ। বৰ ভাল লাগিছে, নহয়?" পিয়াৰে অপ্ৰস্তুত হৈ আনাৰ ফালে চাই ভাবিলে, "মই কোনো বেয়া কাম কৰা নাইতো?" তাৰ বৰ্ত্তমান মনৰ অৱস্থাটোৰ বিষয়ে সি যিদৰে জানে; তেনেকৈ আনেও জনা বুলি তাৰ অনুমান হ'ল।

ঘৰলৈ গৈ বহু ৰাতিলৈকে পিয়াৰৰ টোপনি নাহিল। সি ভাবিলে তাৰ কি হ'ল? একো হোৱা নাই। এজনী ছোৱালীক সি সৰুৰেপৰা চিনি পায়। এতিয়া এজনে তাইক দেখিবলৈ ধুনীয়া বুলি কোৱাত—সি কথাটো সমৰ্থন কৰিছে আৰু ভাবিছে তাই তাৰ হব পাৰে।

সি ভাবিলে, "কিন্তু তাইৰ বুদ্ধি কম। তাইক অকঁৰা বুলি মঞে ভাবিছিলোঁ। তাইৰ সম্বন্ধে মোৰ ধাৰণা ভাল নহয়। শুনিছোঁ ককায়েক আনাতোল হেনো তাইৰ প্ৰেমত পৰিছিল আৰু তায়ো তাক ভাল পাইছিল। আৰু এই অপবাদ জনাজাত হোৱাত আনাতোলক হেনো পিটাৰ্চবাৰ্গৰ পৰা খেদি দিয়া হৈছিল; তাইৰ ভায়েক হ'ল ইপোলিট আৰু বাপেক হ'ল প্ৰিন্স্ বাচিল। কোনোটা ভাল নহয়।" হঠাতে পিয়াৰে হাঁহিলে, কাৰণ হেলেনৰ বিষয়ে এইদৰে ভাবি থাকোঁতেই এটা বিপৰীত ভাবে তাৰ অন্তৰত ভুমুকি মাৰিছে। একে সময়তে সি হেলেনক অকামিলা, অনুপযুক্ত বুলি ভাবিছে আৰু ভাবিছে সি কেনেকৈ তাইক বিয়া কৰাব পাৰিব; তাই তাক কেনেকৈ ভাল পাব, তাই তেতিয়া সম্পূৰ্ণ বেলেগ হৈ যাব। আৰু তাইৰ সম্পৰ্কে সি যি ভাবিছে বা শুনিছে সকলো মিছা হব পাৰে। সি আকৌ এবাৰ তাইক চালে— প্ৰিন্স্ বাচিলৰ ছোৱালী হিচাপে নহয়; আনাৰ ঘৰত ওচৰতে বহি দেখা তাইৰ দৈহিক সৌন্দৰ্য্যৰ কথা মনত পৰিল। "কিন্তু এই সৌন্দৰ্য্যৰ ধাৰণাটো মোৰ আগেয়ে কিয় হোৱা নাছিল?" সি ভাবিলে এইখন বিয়াৰে অসম্মান, অপবাদ মাতি অনা হব। এইখন বিয়া হবই নোৱাৰে—অসম্ভৱ। হেলেনৰ আগৰ কথাকৈ মনত পৰিল। সিইঁতক একেলগে দেখা মানুহবোৰৰ কথাকৈ মনত পৰিল। তাৰ ভয় হ'ল যেনিবা নকৰিবলগীয়া বেয়া কাম এটা সি কৰিবলৈ বাধ্য হব। এই বিষয়ে বাচিল আৰু আইন মানুহে দিয়া আভাসৰ কথা তাৰ মনত পৰিল। কিন্তু এইদৰে ভাবি থাকোঁতেই তাৰ অন্তৰৰ এচুকত তাইৰ সৌন্দৰ্য্যৰ মূৰ্তিটো ভাহি আছিল।

১৮০৫ চনৰ নভেম্বৰ মাহত প্ৰিন্স্ বাচিলে চাৰিখন প্ৰদেশ পৰিদৰ্শন কৰিবলৈ যাব লগা হ'ল। লগতে নিজৰ জমিদাৰীখনো চাই আহিব। কিন্তু যোৱাৰ আগতে পিয়াৰৰ লগত এটা শেহ সিদ্ধান্ত কৰি যাব বিচাৰিলে। পিয়াৰ প্ৰিন্স্ বাচিলৰ ঘৰতে আছে—গোটেই দিনটো প্ৰায় ঘৰতে থাকে। প্ৰেমত পৰা সাধাৰণ ডেকা মানুহৰ দৰে পিয়াৰো হেলেনৰ সম্পূৰ্ণ বশ, দাসানুদাস হৈ আছে। তথাপি সি বিয়াৰ কোনো প্ৰস্তাৱ কৰা নাই।

প্ৰিন্স্ বাচিলে দেখিলে যে যদিও পিয়াৰ তেওঁৰ ওচৰত বিশেষ ধকৰা তথাপি বিয়া সম্পৰ্কে সি তেওঁৰ লগত ভাল ব্যৱহাৰ কৰা নাই। এদিন ৰাতিপুৱা বাচিলে মনে মনে বেজাৰ কৰিলে, "ডেকা লৰা, ছোৱালীৰ লগত ৰং-ধেমালি কৰিছে, স্ফূৰ্ত্তি কৰিছে, ৰব ভাল কথা, স্বাভাবিক। কিন্তু কিন্তু কিম্বা

এটা খাটাং কৰিব লাগে। পৰহিলৈ হেলেনৰ জন্মদিন। সেই উপলক্ষে কিছুমান মানুহ নিমন্ত্রণ কৰিম। তেতিয়াও যদি সি তাৰ কৰ্তব্য বুজি নাপায়, তেন্তে এই বিষয়ে কিবা ব্যৱস্থা কৰাটো মোৰ কৰ্তব্য হব। এইটো মোৰ কৰ্তব্য কাৰণ মই তাইৰ বাপেক।"

আনা পোলোভনাৰ ঘৰত হোৱা চাহমেলৰ দিনাখন উত্তেজিত হৈ ৰাতিটো উজাগৰে থাকি পিয়াৰে থিৰাং কৰিছিল যে হেলেনৰ লগত বিয়া হলে তাৰ বিপদ হব, গতিকে তাইৰ হাত সাৰি তাৰ পৰা যোৱাই ভাল। কিন্তু এই সিদ্ধান্তৰ ছয় সপ্তাহৰ পাছতো সি বাচিলৰ ঘৰ এৰি যোৱা নাই। তাৰ ভয় হ'ল—হেলেনৰ প্ৰতি সি দিনে দিনে বেছিকৈ আকৃষ্ট হোৱা বুলি মানুহে জানিছে। হেলেনৰ বিষয়ে তাৰ আগৰ ধাৰণাটো মনলৈ নাহে। তাইক এৰি থাকিবও নোৱাৰে। শেহত তাইক বিয়া কৰাবলৈ বাধ্য হব। কি ভয়ানক কথা! পিয়াৰে হয়তো মনক জয় কৰিব পাৰিলে-হেঁতেন; কিন্তু যি বাচিলৰ ঘৰত আগতে কদাচিতহে চাহমেল, ভোজমেল হৈছিল, এতিয়া তেনেকুৱা মেলৰ এদিনো বাদ নপৰে। আৰু নিমন্ত্রিত সকলক সন্তোষ দিবৰ কাৰণে পিয়াৰ সেইবোৰত উপস্থিত থাকিবলৈ বাধ্য হৈছিল। প্ৰিন্স্ বাচিল প্ৰায়ে ঘৰত নাথাকে। ঘৰত থকা সময়ত কেতিয়াবা পিয়াৰক ওচৰেদি যোৱা দেখিলেই হাতত ধৰি শোঁটোৱা গালখন চুমা খাবলৈ আগবঢ়াই দি "পিয়াৰ, এতিয়াই মই ওলাই যাম, আজি আৰু দেখা নহব" বা "কাইলৈ তোমাক দেখা নাপাম" বা "তোমাৰ কাৰণেই মই আজি ঘৰতে থাকিম," এনে ধৰণৰ কথাবোৰ কয়। কিন্তু তেওঁৰ কথামতে পিয়াৰৰ কাৰণে ঘৰত থাকিলেও পিয়াৰৰ লগত তেওঁ কোনো কথা নাপাতে। পিয়াৰেও তেওঁক অসন্তুষ্ট কৰা বুলি নাভাবে।

পিয়াৰে নিতৌ একেটা কথাকে বাৰে বাৰে ভাবে, "মই তাইক ভালকৈ জানিলৈহে কিবা এটা কৰা ভাল হব। আগতে মোৰ ভুল হৈছিল নে এতিয়াহে ভুল হৈছে?" কেতিয়াবা ভাবে, "নহয়, তাইতো মূৰ্খ নহয়, ভাল ছোৱালী দেখোন। তাই কেতিয়াও ভুল নকৰে আৰু মূৰ্খৰ দৰে কোনো কথা কোৱা নাই। তাই বৰ কম কথা কয় কিন্তু যি কয় তাক পৰিষ্কাৰকৈ কয়। গতিকে তাই মূৰ্খ নহয়। লাজকুৰীয়া তাই আগতেও নাছিল, এতিয়াও নহয়। গতিকে তাই বেয়া তিৰোতা নহয়।"

হেলেনে এতিয়া সদায় হাঁহি হাঁহি পিয়াৰৰ লগত কথা পাতে।

সকলোৱে লগতে তাই হাঁহি মুখে কথা কয়। কিন্তু পিয়াৰৰ লগত ইহঁ৷ হাঁহিটি বেলেগ ধৰণৰ—অৰ্থপূৰ্ণ। পিয়াৰে জানিছিল যে সকলোৱে তাৰ এটা কথাৰ কাৰণে বৈ আছে। —সি কেতিয়া ডেওনাখন পাৰ হয়। সি জানিছিল যে সি ৰেখাটো পাৰ হব—দুদিনৰ আগ পাছ। কিন্তু এই ৰেখাটো পাৰ হোৱাৰ কথা ভাবিলেই তাৰ মনত এটা আতঙ্কৰ সৃষ্টি হয়।

পিয়াৰে অনুমান কৰিছে যে আজি ছ সপ্তাহে সি সেই অজানা বিপদৰ ফালে ক্ৰমাৎ আগবাঢ়ি গৈছে। এই ছসপ্তাহৰ ভিতৰত সি হাজাৰ বাৰ ভাবিছে, "ইয়াৰ অৰ্থ কি?" সি এটা সিদ্ধান্তত উপনীত হব খুজিছিল কিন্তু নোৱাৰে। তাৰ আগৰ সেই মনৰ বল আৰু নাই। যেতিয়ালৈকে তাৰ অন্তৰখন পবিত্ৰ আছিল তেতিয়ালৈকে তাৰ মনৰ বল আছিল। যি-দিনাখন আনা পোলোভনাৰ ঘৰত কামনাই তাক জয় কৰিলে, তেতিয়াৰ পৰা এই পাপ প্ৰবৃত্তিৰ অনুভূতিয়ে তাৰ মনৰ বলক অৱশ কৰিছে।

হেলেনৰ জন্মদিন উপলক্ষে প্ৰিন্স্ বাচিলে এটা সৰুসুৰা ভোজৰ আয়োজন কৰিছে। মৈণীয়েকৰ কথামতে অকল তেওঁলোকৰ কেইজনমান আপোন মানুহকহে নিমন্ত্ৰণ কৰা হৈছে। প্ৰিন্সেছ বাচিল আগতে ধুনীয়া আছিল, এতিয়া বয়স হোৱাত বৰ শকত হৈছে। তেওঁ মেজখনৰ মাজত বহিছে। তেওঁৰ দুয়োফালে সম্ভ্ৰান্ত আলহীসকল বহিছে—এজন সেনাপতি, তেওঁৰ মৈণীয়েক আৰু আনা পোলোভনা চেৰাৰ। ঘৰৰ পৰিয়াল হিচাপে পিয়াৰ আৰু হেলেন সাধাৰণ আলহীসকলৰ লগত মেজৰ এমূৰত একেলগে বহিছে। প্ৰিন্স্ বাচিলে থোৱা নাই। তেওঁ ৰং মনেৰে মেজখনৰ ইফালে সিফালে আলহীসকলৰ লগত অলপ পৰ বহি দুটা এটা কথা পাতি ঘূৰি-পকি ফুৰিছে। কিন্তু পিয়াৰ আৰু হেলেনৰ লগত কোনো কথা পতা নাই। যেন তেওঁলোকক মনেই কৰা নাই।

পিয়াৰ আৰু হেলেন ওচৰাওচৰিকৈ মেজৰ এমূৰত সংযত হৈ বহিছে। সিহঁতে বিশেষ কথা পতা নাই, লাজ কৰিছে। আলহীসকলে হাঁহিছে, কথা পাতিছে আৰু খাইছে। আলহীসকলে যদিও পিয়াৰ আৰু হেলেনলৈ বিশেষ মন কৰা যেন নালাগিছিল তথাপি তেওঁলোকে মাজে-সময়ে লুকাই-চুৰকৈ যি দুই-এবাৰ সিহঁতলৈ চাইছিল তাতে অনুমান হ'ল, আলহীসকলৰ সম্পূৰ্ণ মনোযোগ আছিল সেইহালিৰ ওপৰতহে—পিয়াৰ আৰু হেলেন। পিয়াৰে সন্তোষো পালে, অপ্ৰস্তুতো হ'ল।

পিয়াৰে ভাবিলে, "এতিয়া সকলো কথাৰ অন্ত পৰিল। কিন্তু ইমান সোনকালে হ'ল কেনেকৈ? তাইৰ কাৰণে নহয়, অকল মোৰ কাৰণেও হয়, সকলোৰে কাৰণে ই হবই। সকলোৰে বিশ্বাস ই হবই। সিঁহতে ভাবিছে—মই সিঁহতক নিৰাশ কৰিব নোৱাৰোঁ। কিন্তু ই কেনেকৈ হব পাৰে? মই ভাবি নাপাওঁ। কিন্তু ই হবই—নিৰ্ঘাত।"

খোৱাঘৰৰ পৰা সকলোৰে পাছত পিয়াৰে হেলেনক বহা কোঠালৈ লৈ গ'ল। আলহীসকলে বিদায় লৈছে। কিছুমানে হেলেনক মাত নলগোৱাকৈয়ে গুচি গ'ল। কিছুমানে এনে এটা ডাঙৰ কামৰ সময়ত তাইক আমনি কৰিবলৈ ইচ্ছা নকৰি, তাইক দেখা দিয়ে বিদায় হ'ল। তাইক বাহিৰলৈ যাব নিদিলে।

আলহীসকল যোৱাৰ পাছত পিয়াৰ আৰু হেলেন সৰু বহা কোঠাটোত অকলে থাকিল। ইয়াৰ আগতেও যোৱা ছ সপ্তাহৰ ভিতৰত পিয়াৰে বহু সময়ত হেলেনৰ লগত অকলে আছিল কিন্তু কেতিয়াও তাইক ভালপোৱাৰ কথা কোৱা নাই। সি বুজিলে যে এতিয়া কৰই লাগিব কিন্তু মনটো স্থিৰ কৰিব পৰা নাই। তাৰ লাজ লাগিছে। অন্তৰৰ পৰা কোনোবাই যেন কৈছে, "এই সুখ তোমাৰ কাৰণে নহয়।" কিন্তু সি কিবা কৰই লাগিব। সি হেলেনক সুধিলে, "আজি তোমাৰ জন্ম উৎসৱটো কেনে লাগিল?" হেলেনে সৰলভাৱে কলে যে এইবাৰৰ নিচিনা তাইৰ আৰু কেতিয়াও ভাল লগা নাছিল।

কেইগৰাকীমান আপোন মানুহ এতিয়াও ডাঙৰ বহা কোঠাটোত আছে। প্ৰিন্স্ বাচিল সৰু বহা কোঠাটোত সোমাই গহীনাই পিয়াৰৰ পিনে চালে যেন পিয়াৰৰ কথা শুনি তেওঁ আচৰিত হৈছে—অসন্তুষ্ট হৈছে। পিছত হাঁহি এটা মাৰি পিয়াৰক ওচৰত বহুৱালে আৰু হেলেনক মৰম লগাই মাতিলে। প্ৰিন্স্ বাচিলৰ অসন্তুষ্টিৰ ভাব দেখি পিয়াৰৰ বেয়া লাগিল। সি হেলেনৰ ফালে চালে। তায়ো যেন অসন্তুষ্ট। তাইৰ চকুযুৰিয়ে পিয়াৰক যেন কৈছে "ইয়াৰ কাৰণে তুমি দোষী।"

পিয়াৰে ভাবিলে, "এই হেঙাৰখন মই নিশ্চয় পাৰ হব লাগিব কিন্তু মই নোৱাৰোঁ, মই নোৱাৰোঁ।" সি আকৌ আইন কথা পাতিলে।

ডাঙৰ কোঠাটোলৈ গৈ বাচিলে দেখিলে যে ঘৈণীয়েকে এজনী বয়সীয়াল তিৰোতাৰ লগত পিয়াৰৰ কথা পাতিছে।

"নিশ্চয় ভাল হোৱা হ'ব, কিন্তু সুখ মানুহৰ ভাগ্য লৈহে হয়।"

"মানুহে বিয়া পাতিব নোৱাৰে, যাৰ য'ত লিখন।"

প্ৰিন্স্ বাচিলে কোঠাটোৰ এচুকত বহি তলমূৰকৈ কিবা ভাবিলে। তাৰ পাচত ঘৈণীয়েকক কলে, "এলিন, যোৱাচোন, সিহঁতে কি কৰিছে চোৱাগৈ।"

ঘৈণীয়েকে দুৱাৰৰ ওচৰলৈ গৈ কোঠাটোৰ ভিতৰলৈ চালে। পিয়াৰ আৰু হেলেন বহি একেদৰে কথাপাতি আছে। ঘৈণীয়েকে বাচিলক কথাটো জনালে। বাচিলৰ খং উঠিল। কিবা ভাবি আকৌ সক বহা কোঠাটোত সোমাল। তেওঁ বং মনেৰে পিয়াৰৰ ওচৰলৈ গ'ল। পিয়াৰে তেওঁক দেখি ভয়তে থিয় হ'ল।

প্ৰিন্স্ বাচিলে এখন হাতেৰে পিয়াৰক আৰু আনখনেৰে হেলেনক ধৰি কবলৈ ধৰিলে, "সকলো ভগৱানৰ ইচ্ছা। পৰিবাৰে মোক সকলো কথা কৈছে। মৰমৰ লৰা, হেলেন। মই বৰ ভাল পাইছোঁ। মই তোমাৰ দেউতাৰাক ভাল পাইছিলোঁ আৰু এই তোমাৰ উপযুক্ত সহধৰ্মিনী হ'ব। ভগৱানে তোমালোকৰ মঙ্গল কৰক!" ইয়াকে কৈ তেওঁ দুয়োকো সাবটি ধৰি চুমা খালে। তেওঁৰ চকুৰ পানী ওলাল। পাছত ঘৈণীয়েকক তালৈ মাতিলে। ঘৈণীয়েকেও আহি চকুৰ পানী টুকিলে। বয়সীয়া তিৰোতা-গৰাকীয়েও চকুত ৰুমাল ধৰিলে। তেওঁলোকেও পিয়াৰক চুমা খালে। পিয়াৰে ৰূপহী হেলেনৰ হাতত কেবাবাৰো চুমা খালে। অলপ পাচতে দুয়োকো আকৌ অকলে এৰি থৈ সকলো গুচি গ'ল।

পিয়াৰে ভাবিলে "যি হ'ব লগা, সি হ'বই। ভাল হ'ব নে বেয়া হ'ব, ভাবি লাভ নাই। এটা সমস্যা আজি সমাধান হ'ল। ইয়াতেই শান্তি।" হেলেনৰ হাতত ধৰি, ওচৰলৈ টানি আনি সি তাইৰ মুখলৈ চালে—তাইৰ বুকুখন চালে। হেলেনে লাজতে ৰঙা পৰি তাৰ বুকুত সোমাই লাহেকৈ কলে, "চচমাযোৰ খুলি থওক।" পিয়াৰে চচমাযোৰ খুলি তাইৰ হাতত চুমা খাব খুজিছিল কিন্তু হেলেনে পিয়াৰৰ ডিঙিত সাবটি ধৰি চকুমুদি পিয়াৰৰ মুখত চুমা খালে।

হেলেনৰ স্বাভাবিক গাম্ভীৰ্য্যৰ হঠাতে এনে পৰিবৰ্তন হোৱা দেখি পিয়াৰ আচৰিত হ'ল। কিন্তু এতিয়া আৰু উভতিবৰ উপায় নাই। যি হবৰ হৈ গৈছে। সিতো তাইক ভাল পায়। ৰীতি অনুসৰি পিয়াৰে কলে, "মই তোমাক ভাল পাওঁ।"

ছ সপ্তাহ পাছত তাৰ বিয়া হ'ল! মানুহে কলে, "কি ভাগ্যবান লৰা, অগাধ সম্পত্তিৰ গৰাকী আৰু হেলেনৰ নিচিনা ৰূপহী তিৰোতা।" পিটাৰ্চবাৰ্গত নতুনকৈ সজা কাউণ্ট বেচুখভৰ সুসজ্জিত ডাঙৰ অট্টালিকাটোকে সিঁহতে থাকিবলৈ ললে।

# দ্বিতীয় অধ্যায়

১৮০৫ চনৰ ১৬ নবেম্বৰৰ ৰাতিপুৱাতে দেনিচৰ্ভৰ সেনাদল যুদ্ধ কৰিবলৈ আগবাঢ়ি গ'ল। এই দলতে নিকলয় ৰোস্তভো আছিল। অইন বাহিনী-বোৰৰ পাছে পাছে এমাইলমান যোৰাৰ পাছত আলিৰ ওপৰতে এই দলটোৰ ৰবলৈ আদেশ হ'ল। ৰোস্তভৰ আগে আগে দলে দলে অশ্বাৰোহী, পদাতিক বাহিনী আগ বাঢ়ি গ'ল। সেনাপতি বাগ্রাতিয়ন আৰু দলগেৰকভকো ৰোস্তভে যোৰা দেখিলে। ৰোস্তভে যুদ্ধৰ ভয় মনৰ পৰা আঁতৰাই এজন অশ্বাৰোহী সৈনিক হিচাপে নাম কৰিব বুলি আশা কৰিছিল—এতিয়া সকলো মিছা হ'ল। তাৰ দলটোক বিজাৰ্ভত ৰখা হ'ল। ৰোস্তভে গোটেই দিনটো বেজাৰেৰে কটালে। ৰাতিপুৱা ন বজাত সি গুলীৰ শব্দ, মানুহৰ চিঞৰ-বাখৰ শুনিলে আৰু কেইজনমান আহত সৈনিকক অনা দেখিলে। পাচত ফৰাচী অশ্বাৰোহী সেনাৰ সৰু দল এটাক অনা দেখি ৰোস্তভে বুজি পালে যে যুদ্ধ শেষ হ'ল আৰু যুদ্ধখন সৰু হলেও তেওঁলোকে জয় লাভ কৰিছে। সৈনিক আৰু কৰ্মচাৰীসকল উভতি আহোঁতে বাটে বাটে জয়লাভৰ কথা, বিছা নগৰখন দখলৰ কথা আৰু ফৰাচী অশ্বাৰোহী দলটোক বন্দী কৰাৰ কথা কৈ আহিছে। সকলোৰে মুখ আনন্দত উজ্জ্বল। সেই-দিনাখন বতৰটোও আছিল ফৰকাল। ৰোস্তভে বৰ বেজাৰ পালে যে এনেহেন সুখৰ দিনটোত সি অকামিলা হৈ থাকিল।

দেনিচভে এটা বটল আৰু কিবাকিবি খোৱা বস্তু লৈ ৰাস্তাৰ দাঁতিত ৰহি ৰোস্তভক মাতিলে, "আহাঁ, অলপ মদ খাওঁ। কি ভাবি থাকাঁ!" কেইবাজনো কৰ্মচাৰী গোট খালে।

আগলৈ আঙুলিয়াই এজনে কলে, "সৌৱা, আকৌ এজন আনিছে।"

এজন ফৰাচী অশ্বাৰোহী সৈনিকক দুজনে খোজ কঢ়াই আনিছে। তাৰে এজনে বন্দীজনৰ ধুনীয়া ঘোঁৰাটো লাগামত ধৰি টানি আনিছে।

মানুহ দুজনলৈ চাই দেনিচভে সুধিলে, "হেৰা ককাই, ঘোঁৰাটো বেচিবা নেকি?"

"কিনিলে বেচিব পাৰোঁ, দেউতা।"

কৰ্মচাৰীবোৰ থিয় হৈ বন্দীজনক ঘেৰি ধৰিলে। বন্দীজন ডেকা

অশ্বাৰোহী সৈনিক। কৰ্মচাৰীবোৰক ফৰাচী ভাষাত কথা পতা দেখি সিও কথা পাতিবলৈ ধৰিলে। সি কলে যে কাপ্তেনৰ দোষতহে সি বন্দী হৈছে। কাপ্তেনে তাক ঘোঁৰাৰ কাপোৰ আনিবলৈ পঠাইছিল। সি আপত্তি কৰিছিল যে তাত কছ সৈন্য আছে। সি ঘোঁৰাটোক বৰ মৰম কৰে আৰু মাজে মাজে কয়, "মোৰ ঘোঁৰাটোক কষ্ট নিদিবা দেই।"

কছ সেনা দুজনে ঘোঁৰাটো দুটা সোণৰ মোহৰত বেচিলে। কৰ্মচাৰী-সকলৰ ভিতৰত ৰোস্তভেই বেছি চহকী আছিল, কাৰণ সি ঘৰৰ পৰা টকা পাইছে। ৰোস্তভে ঘোঁৰাটো কিনিলে।

বন্দীজনে ৰোস্তভক মিনতি কৰিলে, "ঘোঁৰাটোক মৰম কৰিব।" ৰোস্তভে হাঁহি হাঁহি তাক সেই আশ্বাস দিলে। বন্দীক লৈ সেনা দুজন গ'ল।

অশ্বাৰোহী সেনাদলটোৰ মাজৰপৰা হঠাতে কোনোবাই চিঞৰিলে "সম্রাট! সম্রাট!" সকলোৰে খৰধৰ লাগিল। ৰোস্তভে ৰাস্তাৰ পিছলৈ চালে। টুপীত বগা পাখি লগোৱা বহুতো অশ্বাৰোহীক আগ বাঢ়ি অহা দেখিলে। কন্তেকতে সকলো নিজৰ নিজৰ ঠাইলৈ গৈ শাৰী হ'ল আৰু উত্থিগ্ন হৈ সম্রাটৰ কাৰণে বাট চাই ৰ'ল।

গোটেই দিনটো অকামিলা হৈ থাকি ৰোস্তভ বেজাৰ মনেৰে আছিল। এতিয়া তাৰ মনৰ বেজাৰ নাইকিয়া হ'ল। মিলনৰ সময় ওচৰ চাপি আহিলে প্ৰেমিক-প্ৰেমিকাৰ মন যেনেকৈ আনন্দত নাচি উঠে জাৰ অহাৰ কথা শুনি ৰোস্তভৰ মনটোও তেনেকৈ আনন্দত উপচি পৰিল। জাৰ আহি পোৱাৰ লগে লগে যেন গোটেই ঠাইডোখৰ উজ্জ্বল হৈ উঠিল। সকলো নিস্তব্ধ—ইয়াৰ মাজত জাৰৰ গহীন, মৰমিয়াল, স্বৰ্গীয় মাতটো তাৰ কাণত পৰিল।

"এইটো পেভ্‌লোগ্ৰেদ্‌ অশ্বাৰোহী সেনাৰ দল?" কোনোবা এজনে উত্তৰ দিলে, "হয় সম্রাট, ইইঁত বিজ্ঞাৰ্ভত আছে।"

ৰোস্তভ থকা শাৰীটোৰ আগত জাৰ থিয় হ'ল। আলেকজেণ্ডাৰৰ মুখখন চৈধ্য বছৰীয়া লৰাৰ নিচিনা সৰল, উজ্জ্বল অথচ ধীৰ, গম্ভীৰ। সেনাদলটো চাই জাৰে ৰোস্তভৰ ফালে চালে। দুই চেকেণ্ডৰ কাৰণে দুয়োৰো চকুৰ মিলন হ'ল। তাৰ পাছত সম্রাট গুচি গ'ল।

সভাসদসকলৰ হকাবধা আওকাণ কৰি ডেকা সম্রাট ৰণস্থলীলৈ ওলাইছে। তেওঁ তৃতীয় সেনাদলৰ পাছে পাছে আহিছিল কিন্তু বাৰ বজাত

তেওঁ আগৰ শাৰীলৈ গ'ল। বাটত তেওঁ কেইবাজনো দূতৰপৰা যুদ্ধৰ শুভ সংবাদ পালে।

মাত্র কেইজনমান দলচ্যুত ফৰাচী সেনাক বন্দী কৰা হৈছিল, তাকেই যুদ্ধত তাঙৰ জয়লাভ হোৱা বুলি সম্রাটৰ আগত বৰাই কৰি কোৱা হৈছিল। যুদ্ধক্ষেত্রত তেতিয়াও ধোঁৱা দেখা গৈছিল। সেই কাৰণে সম্রাট আৰু গোটেই সেনাবাহিনীয়ে বিশ্বাস কৰিলে যে ফৰাচীবিলাক পৰাস্ত হৈ পলাবলৈ বাধ্য হৈছে। সম্রাট আগবাঢ়ি যোৱাৰ পাছতে পেভলোগ্রেদ অশ্বাৰোহী সেনাদলটোক আগবাঢ়ি যাবলৈ আদেশ দিয়া হৈছিল। সৰু জাৰ্মান নগৰ বিছাত ৰোস্তভে জাৰক আকৌ এবাৰ দেখা পালে। জাৰ সেইখিনি পোৱাৰ আগতে সেই নগৰখনত বোমাবৰ্ষণ হৈছিল আৰু বহুতো হতাহত সৈনিক মাটিত বাগৰি পৰি আছিল। এজন আহত সৈনিকক দেখি জাৰৰ দুখ হ'ল। তেওঁৰ আদেশমতে দুজন মানুহে তাক তুলি ললে।

শত্রুপক্ষক দেখাকৈ আগভাগৰ সেনাদলক বিছা নগৰৰ আগত ৰখা হ'ল। গুলীৰ শব্দ শুনি ফৰাচী বাহিনী গোটেই দিনটো পিচুৱাই গৈ আছে। সম্রাটে বহুতকে পুৰস্কাৰ দিলে আৰু সেনাবোৰক মদ খাবলৈ দিলে। গোটেই ৰাতিটো সেনাবোৰে ৰং-ধেমালি কৰি কটালে। ৰোস্তভে সম্রাটৰ দীৰ্ঘায়ু কামনা কৰিলে আৰু কলে, "সম্রাটৰ কাৰণে আমি সকলোৱে হাঁহিমুখে প্ৰাণ দিম।"

শেহ নিশা দেনিচভে ৰোস্তভৰ পিঠিত চপৰিয়াই কলে, "যুদ্ধৰ থলীততো গাভৰু নাই, সেই দেখি তুমি জাৰৰ প্ৰেমত পৰিছা।"

ৰোস্তভে খং কৰি কলে, "দেনিচভ, এনেকুৱা ধেমালি নকৰিবা। তেওঁলৈ মোৰ কিমান মহান ভাব।"

"ঠিকেই কৈছা! মযো সমৰ্থন কৰোঁ।"

"নহয়, তুমি বুজা।" ৰোস্তভ উঠি গ'ল। ৰোস্তভে ভাবিছে জাৰৰ চকুৰ আগত মৰাটো কি ভাগ্যৰ কথা। জাৰৰ মৃত্যুৰ কথা সি সপোনতো ভাবিব নোৱাৰে। সঁচাকৈয়ে তাৰ ভালপোৱা বস্তু আছিল—সম্রাট, ৰুছবাহিনীৰ গৌৰৱ আৰু বৰ্তমান যুদ্ধত জয়লাভ। এই ভাবটো অকল তাৰেই নাছিল—অস্ট্রেলিজৰ যুদ্ধৰ আগলৈকে ৰুছবাহিনীৰ দহভাগ মানুহৰ ভিতৰত নভাগৰেই একমাত্র ভালপোৱা বস্তু আছিল—সম্রাট আৰু ৰুছবাহিনীৰ গৌৰৱ।

# তৃতীয় অধ্যায়

সেইদিনাখন ৰাতি বাগ্ৰাচিয়ঁৰ সেনাদলৰ আগভাগত পৰ দিবলৈ কেইজনমান সৈনিকেৰে সৈতে বোস্তভক পঠোৱা হ'ল। তাৰ টোপনি ধৰিছিল। টোপনি ভাঙিবৰ কাৰণে সি অকলে আগে আগে গ'ল। তাৰ পিছফালে ৰুচসেনাবিলাকৰ জুই জ্বলিছে আৰু আগত কুঁৱলী, এন্ধাৰ। আগৰফালে একো নেদেখি। সি চকু মুদি গৈ আছে আৰু সম্ৰাটৰ কথা, দেনিচভৰ কথা, মস্কোৰ কথা, নাতাচাৰ কথা ভাবিছে। একোবাৰ চকু মেলি চায়। ঘোঁৰাটোৰ মূৰটো আৰু কাণ দুখনহে দেখি। সি ভাবিছে, "সম্ৰাটে মোক আকৌ লগ পাব পাৰে। মোক কিবা কামলৈ পঠাব পাৰে। তেওঁৰ লগত হঠাতে চিনাকি হৈ বহুতে ভাল চাকৰি পাইছে। তেওঁ মোক অনুচৰ কৰি ৰখা হলে মই তেওঁৰ কিমান যত্ন ললোঁহেতেন। তেওঁৰ শত্ৰুক নিপাত কৰিলোঁহেঁতেন। প্ৰাণ দিয়ো তেওঁক ৰক্ষা কৰিলোঁহেঁতেন।" আকৌ চকু মুদি ভাবে, "যুদ্ধৰ আগ শাৰীত মোক দিবলৈ সেনাপতিক অনুৰোধ কৰিম। তেতিয়া হলে সম্ৰাটক দেখাৰ সুবিধা পাম।" হঠাতে এজন সৈনিকে মাত লগালে, "সোঁফালে চাওক, ইফালে বৰ জংঘল।" টোপনিৰ আলতে বোস্তভে শত্ৰুপক্ষৰ ফালৰ পৰা হাজাৰ-বিজাৰ মানুহৰ কোৰ্হাল শুনিলে। বোস্তভে চকু মেলি চাই দেখিলে তাত জুই জ্বলিছে। ওচৰৰ এজন সৈনিকক মাতি কলে. "এইবোৰ কি? নিশ্চয় শত্ৰুৰ শিবিৰ হব।" সৈনিকজনে কলে, "এন্ধাৰত একো কব নোৱাৰি। শত্ৰু নহবও পাৰে।" লাহে লাহে শব্দটো ডাঙৰ হ'ল। বহুলো মানুহৰ শব্দ—"সম্ৰাটৰ জয় হওক! সম্ৰাটৰ জয় হওক!" আৰু জুই জ্বলিছে। বোস্তভৰ টোপনি ভাগিল।

বোস্তভে কলে, "বেছি দূৰৈত নহয়। নৈখনৰ সিপাৰে হব।" লগৰ সৈনিকজনে মাত্ৰ এটা হুমুনিয়াহ কাঢ়িলে, একোকে নামাতিলে। এনেতে এজন অশ্বাৰোহী সৈনিক আহি বোস্তভক খবৰ দিলে, "মহাশয়, সেনাপতি-সকল আহিছে।" সৈনিকজনৰ লগত বোস্তভ উভতি আহিল। শত্ৰু বাহিনীত জুইৰ পোহৰ দেখি আৰু চিঞৰ-বাখৰ শুনি প্ৰিন্স্ বাগ্ৰাচিয়ঁ আৰু দলগেৰুকভে আগবাঢ়ি চাবলৈ আহিছে। বোস্তভে যি শুনিছিল আৰু যি দেখিছিল সকলো কথা বাগ্ৰাচিয়ঁক কলে।

প্ৰিন্স্ দলগেৰকভে বাগ্ৰাচিয়ঁক কলে, "মোৰ কথা বিশ্বাস কৰক—ই এটা কৌশল মাত্ৰ। সিহঁত পলাল। মাত্ৰ আমাক ঠগিবৰ কাৰণে শেহৰ দলটোক জুই জ্বলাবলৈ আৰু চিঞৰ-বাখৰ কৰিবলৈ কৈ গৈছে।"

বাগ্ৰাচিয়ঁই কলে, "মোৰ কিন্তু সন্দেহ হৈছে। পাহাৰৰ সেই সমান ঠাইডোখৰত মই ইহঁতক গধূলিবপৰা দেখিছোঁ। পলোৱা হলে ইয়াৰ পৰাও গ'লহেঁতেন।" ৰোস্তভৰ ফালে চাই সুধিলে "শত্ৰুৰ প্ৰহৰীবোৰ এতিয়াও তাত আছে নেকি?"

"গধূলিলৈকে আছিল কিন্তু আছে নে নাই কব নোৱাৰো। কেইজনমান অশ্বাৰোহী সৈনিক লৈ মই চাই আহিম নেকি?"

কোনো উত্তৰ দিয়াৰ আগতে বাগ্ৰাচিয়ঁই কুঁৱলীৰ মাজেদি ৰোস্তভৰ মুখখন ভালকৈ চাই ললে। অলপ ৰৈ কলে, "বাৰু যোৱা। চাই আহাগৈ।"

"যো হুকুম।"

ৰোস্তভৰ পাছে পাছে তিনিজন অশ্বাৰোহী সৈনিক গ'ল। কুঁৱলীৰ মাজেদি ইমান বিপদজনক ঠাইলৈ আহি ৰোস্তভৰ মনত আনন্দও হ'ল ভয়ো হ'ল। আগতে ইয়ালৈ কোনো অহা নাই। পাহাৰৰ ওপৰৰপৰা বাগ্ৰাচিয়ঁই চিঞৰিলে, "নৈখনৰ সিফালে নাযাবা।" কিন্তু ৰোস্তভে তেওঁৰ কথালৈ মন নকৰি জোপ জংঘলৰ মাজেদি ক্ৰমাৎ আগ বাঢ়ি গ'ল। পাহাৰৰ তললৈ নামিলত ৰোস্তভে কোনো পক্ষকে নেদেখা হ'ল। কিন্তু ফৰাচী-বিলাকৰ শব্দ স্পষ্টকৈ শুনিলে। দূৰৈৰপৰা সমুখত সি এখন নৈ দেখিলে কিন্তু সেইখিনি পাই দেখিলে নৈ নহয় এটা বহল ৰাস্তাহে। ৰাস্তাটো পাই সি অলপ ভাবিলে; ৰাস্তাৰে গৈ থাকিব নে ৰাস্তাটো পাৰ হৈ পথাৰৰ মাজেদি যাব। সি ভাবিলে, "ৰাস্তাৰে গলে বেছি বিপদ আছে কাৰণ ইয়াত কুঁৱলী কম দূৰৈৰপৰা বস্তু মানিব পাৰি।" লগৰ সৈনিক তিনিজনক কলে, "আহা, ৰাস্তাটো পাৰ হৈ মোৰ পাছে পাছে আহাঁ।" এই বুলি পাহাৰৰ ওপৰত গধূলি ফৰাচী সেনাবোৰ য'ত পহৰা দি আছিল তালৈকে ৰাওনা হ'ল।

কিছুদূৰ যোৱাৰ পাছত আগত কিবা এটা দেখি পিছৰ পৰা এজন সৈনিকে ৰোস্তভক কলে, "সৌটো!" ৰোস্তভে চাবলৈ নৌপাওঁতেই বন্দুকৰ শব্দ হ'ল, পাছত আকৌ এটা বন্দুকৰ গুলী সিহঁতৰ মূৰৰ ওপৰেদি গ'ল। সিহঁত তাৰ পৰা উভতি লৰ দিলে। পাছত আকৌ চাৰিবাৰ বন্দুকৰ শব্দ শুনিলে।

ৰোস্তভ আহি বাগ্ৰাচিয়ঁক লগ ধৰিলে। দলগেৰকভে তেতিয়াও কৈ আছিল

যে ফৰাচীবিলাক পিচ হুহকি গৈছে। আৰু তেওঁলোকক ঠগিবলৈহে জুই ধৰিছে। ৰোস্তভ অহা দেখি কলে, "এতিয়া কি হ'ল ? সিহঁত পলাইছে—তাত পহৰাও নাই।"

বাগ্ৰাচিয়ঁই কলে, "সিহঁতে কিন্তু আটায়ে যোৱা নাই। ৰাতিপুৱালৈকে চোৱা যাওঁক। কাইলৈ সকলো জানিব পাৰিম।"

ৰোস্তভে কলে, "হুজুৰ, গধূলি থকা ঠাইডোখৰত প্ৰহৰীবোৰ এতিয়াও পাহাৰৰ ওপৰত আছে।"

খবৰটো আনি দিয়াৰ বাবে বাগ্ৰাচিয়ঁই তাক ধন্যবাদ দিলে। ৰোস্তভে কলে, "মই এটা অনুগ্ৰহ বিচাৰিব পাৰোঁ নে ?"

"কি লাগে ?"

"আমাৰ সেনাদলক কাইলে পিছফালে থাকিবলৈ আদেশ দিয়া হৈছে। মোক যদি আগ শাৰীত দিলে হয়।"

"তোমাৰ নাম কি ?"

"কাউন্ট ৰোস্তভ।"

"বৰ ভাল কথা। বাৰু, তুমি মোৰ অনুচৰ হৈ থাকিবা।"

ৰোস্তভে ভাবিলে, "কাইলৈ হয়তো কিবা খবৰ লৈ মোক সম্ৰাটৰ ওচৰলৈ পঠাব পাৰে। ভগৱানৰ কৰুণা।"

# চতুৰ্থ অধ্যায়

নেপোলিয়নৰ ঘোষণাপত্ৰখন ফৰাচীবাহিনীক পঢ়ি শুনোৱাৰ পাচতেই সম্ৰাট নিজে সেইখিনি আহি পায়হি। সম্ৰাটক অহা দেখি সৈনিকসকলে জুই জ্বলাইছিল আৰু "সম্ৰাটৰ জয় হওক ! সম্ৰাটৰ জয় হওক !" বুলি চিঞৰিছিল।

ঘোষণাপত্ৰখন এইদৰে লিখা আছিল—

সৈনিকসকল ৰুছবাহিনীয়ে আজি তোমালোকক আক্ৰমণ কৰিব। উলমত্ত অষ্ট্ৰিয়ানসকলৰ পৰাজয়ৰ প্ৰতিশোধ লবলৈ সংকল্প কৰিছে। কিন্তু ভয় পোৱাৰ কোনো কাৰণ নাই কিয়নো এই বাহিনীকে, এইবোৰ মানুহকে তোমালোকে হোলাব্ৰুনত পৰাস্ত কৰি ইমানদূৰ আগ বাঢ়ি আহিছা। এই ঠাইত সিঁহতে আমাৰ একো হানি কৰিব নোৱাৰে। সোঁফালৰ পৰা আমাক আক্ৰমণ কৰিলে, পিছফালৰ পৰা আমি সিঁহতক আগুৰি ধৰিব পাৰিম। তোমালোকে যদি স্বাভাৱিক বীৰত্বেৰে যুদ্ধ কৰা, তেনেহলে মই বিপদৰ সম্মুখীন নহওঁ। কিন্তু জয়লাভৰ অকণমানো সন্দেহ দেখিলে তোমালোকৰ সম্ৰাটে শত্ৰুৰ কামানৰ অগত থিয় হৈ যুদ্ধ কৰিব। ইয়াত জয়লাভৰ কোনো সংশয় থাকিব নোৱাৰে। কাৰণ ই অকল সেনাবাহিনীৰ মান, মৰ্য্যাদাৰ কথা নহয়—গোটেই ফৰাচী জাতিৰ মান-সম্মান ইয়াৰ ওপৰত নিৰ্ভৰ কৰিছে। আহতবোৰক আঁতৰোৱাৰ চেলু লৈ কোনো নিজৰ দল এৰি নাযাবা। ইংলণ্ডৰ তোষামোদকাৰী যিবোৰ দেশে আমাক ঘিণ কৰে, সিঁহতক পদদলিত কৰাই আমাৰ প্ৰত্যেকৰে জীৱনৰ ব্ৰত হব লাগিব। আজিৰ জয়লাভে এইবাৰৰ অভিযানৰ সামৰণি মাৰিব। আমি কিছুদিন জিৰণি লম। তাৰ পাছত ফ্ৰান্সত নতুনকৈ গঠিত হোৱা সেনা-বাহিনীৰে আকৌ আমাৰ অভিযান আৰম্ভ হব। তাৰ পাচত মই শান্তি প্ৰতিষ্ঠা কৰিম। সি মোৰ দেশবাসীৰ, তোমালোকৰ আৰু মোৰ উপযোগী হব।"

"নেপোলিয়ন।"

## পঞ্চম অধ্যায়

১৮০৫ চনৰ ২০ নবেম্বৰ ৰাতিপুৱা ৫ বজাত—তেতিয়াও এন্ধাৰ। মাজ ভাগত থকা কুতুজভৰ সেনাদল আৰু সোঁফালে থকা বাগ্ৰাচিয়নৰ সেনাদলে এতিয়াও জিৰণি লৈ আছে। কিন্তু বাওঁফালৰ পদাতিক, অশ্বাৰোহী, কামান বাহিনী সাজু হব ধৰিছে। তেওঁলোকেই প্ৰথমে ফৰাচীবাহিনীক সোঁফালে আক্ৰমণ কৰি বোহেমিয়া পৰ্বতৰ পিনে খেদি পঠাব লাগিব। বাহিৰত যেনে এন্ধাৰ, তেনে ঠাণ্ডা। তথাপি যাবই লাগিব—তেওঁলোকৰ ওপৰত হুকুম হৈছে। কৰ্মচাৰীসকলে চাহ জলপান খাইছে আৰু সৈনিকবোৰে জুইৰ ওচৰত গোট খাই বিস্কুট চোবাইছে, গল্প কৰিছে। মাজে মাজে সিহঁতে মেজ, চকী, টুলবোৰ জুইত জাপি দিছে কাৰণ এইবোৰ কঢ়িয়াই লগত নিব নোৱাৰে।

অলপ সময়ৰ পিছতে সঙ্কেত ধ্বনি হোৱাৰ লগে লগে শ শ সৈনিক নিজ নিজ শাৰীত থিয় হ'ল। এটা বিৰাট সুসজ্জিত বাহিনী গঠিত হ'ল। বাহিনী যাত্ৰা কৰিলে কিন্তু কব নোৱাৰে ক'লৈ যায়। ধোঁৱা আৰু কুঁৱলীৰ কাৰণে বাটঘাট একো নেদেখি।

ৰাতি পুৱাল, বেলি ওলাল তথাপি কুঁৱলীৰ কাৰণে দহখোজ আগৰ বস্তুকে মানিব নোৱাৰি। সৰু সৰু গছ-গছনিবোৰক প্ৰকাণ্ড গছ যেন দেখি, দ ঠাইবোৰক নৈ যেন দেখি। ৰুছবাহিনী হঠাতে দহখোজ আগত শত্ৰুৰ হাতত পৰিব পাৰে। এনেকৈ একাবেঁকা, ওখ-চাপৰ, নজনা বাটেৰে ৰুছবাহিনী কিছুদূৰ আগবাঢ়ি গ'ল। শত্ৰুৰ কোনো চিন্‌চাব নাপালে। আগে-পাছে চাৰিওফালে অকল নিজৰ বাহিনীৰ মানুহ একে বাটেৰে গৈ আছে। ক'লৈ গৈছে কোনেও কব নোৱাৰে। তথাপি প্ৰত্যেকজন সৈনিক উৎসাহেৰে গৈ আছে, কাৰণ লগত তাৰ নিচিনা হেজাৰ হেজাৰ মানুহ আছে—সি অকলে যোৱা নাই।

কুঁৱলীৰ মাজেৰে এঘণ্টামান যোৱাৰ পাছত হঠাতে সৰহভাগ সৈন্য বৰ লগা হ'ল। আৰু সেনাবোৰৰ মাজত জনৰৱ প্ৰচাৰ হ'ল যে পৰিচালনাৰ কিবা বেমেজালি হৈছে। বাহিনীত মিত্ৰপক্ষ নাথাকিলে জনৰৱটো ইমান সোনকালে প্ৰচাৰ নহলহেঁতেন। ৰুছ সেনাবোৰে খপটৈকে ভাবি ললে, যে জাৰ্মানবোৰৰ মূৰ্খামিৰ কাৰণে এই বেমেজালি ঘটিছে। এইদৰে মিত্ৰপক্ষক

দোধাৰোপ কৰি সেনাবোৰে ভাল পাইছিল। সিহঁতে কবলৈ ধৰিলে, "দহ বজাৰ আগতে গন্তব্য ঠাই পাব লাগিব বুলি আমাক আদেশ দিছিল কিন্তু এতিয়াও আমি আধাখিনি বাটেই গৈ পোৱা নাই। সুন্দৰ বন্দবস্ত!" মাজ বাটত এনেকৈ থিয় হৈ থাকিব লগা হোৱাত ৰুছ বাহিনীৰ প্ৰথম উত্তম চেঁচা হ'ল। পৰিচালনাৰ বেমেজালিৰ কাৰণে সিহঁত বিৰক্ত হ'ল, জাৰ্মানসকলৰ ওপৰত খং উঠিল।

এই বিশৃঙ্খলতাৰ কাৰণ হ'ল অষ্ট্ৰিয়াৰ অশ্বাৰোহী সেনাদল বাওঁফালে গৈ থাকোঁতে কৰ্তৃপক্ষই দেখিলে যে সোঁফালৰ মাজভাগৰ সেনাদল বহুত দূৰৈত আছে। সেই কাৰণে অশ্বাৰোহী দলটোক সোঁফালে যাবলৈ হুকুম দিয়া হ'ল। হাজাৰ হাজাৰ অশ্বাৰোহী সৈনিক পদাতিক বাহিনিৰ আগেদি সোঁফালে পাৰ হৈ যাব লগা হ'ল। গতিকে পদাতিক বাহিনী বহুপৰ ৰব লগা হ'ল।

সেনাদলৰ আগত এজন অষ্ট্ৰিয়াৰ কৰ্মচাৰী আৰু এজন ৰুছ সেনাপতিৰ মাজত কাজিয়া লাগিল; ৰুছ সেনাপতিয়ে চিঞৰি অনুৰোধ কৰিলে যে অশ্বাৰোহী দলটোক যোৱা বন্ধ কৰিব লাগে—আগতে পদাতিক বাহিনী যাওক। অষ্ট্ৰিয়াৰ কৰ্মচাৰীজনে কলে যে ওপৰৱালাৰ হুকুম সি মানিবই লাগিব—সি বন্ধ কৰিব নোৱাৰে। এঘণ্টামান থিয় দি থকাৰ পাছত ৰুছ বাহিনী আকৌ আগবাঢ়িল। এতিয়া পাহাৰৰ তললৈ নামি যাব লাগে। তলৰ পিনে কুঁৱলী আৰু বেছি। হঠাতে সিহঁতে সমুখত শত্ৰুপক্ষৰ কামানৰ গৰ্জন শুনিলে।

অতৰ্কিতে কুঁৱলীৰ মাজত শত্ৰুপক্ষৰ সমুখীন হৈ ৰুছ বাহিনী বিমোৰত পৰিল। এনেয়ে সিহঁতৰ অহাত পলম হৈছে, তাতে কুঁৱলীৰ কাৰণে একো নেদেখি আৰু কৰ্মচাৰীসকলৰ পৰাও কোনো উৎসাহ পোৱা নাই। কাপ্তেন-সকলেও এন্ধাৰত ঘূৰি ফুৰিছে—নিজৰ দল বিচাৰি পোৱা নাই। শত্ৰুপক্ষই জাউৰিয়ে জাউৰিয়ে গুলী চলাইছে তথাপি কোনো আদেশ নাপাই ৰুছ বাহিনীয়ে বাধ্য হৈ নিৰুৎসাহেৰে গুলী চলালে। প্ৰথম তিনিটা দলত এনেকৈ যুদ্ধ আৰম্ভ হ'ল। কুতুজভৰ লগত থকা চতুৰ্থ দলটো এতিয়াও প্ৰাৎচেন মালভূমিত আছে। শত্ৰুপক্ষৰ মূল বাহিনী আগেয়ে অনুমান কৰা মতে সাত মাইল আঁতৰতে আছে নে নিচেই ওচৰতে আছে কুঁৱলীৰ কাৰণে ন বজালৈকে জানিব পৰা নগ'ল।

# ষষ্ঠ অধ্যায়

স্মালপানিৎচ্ গাৰ্ৰ এডোখৰ ওখ ঠাইত থিয় হৈ নেপোলিয়নে ৰুছ বাহিনীৰ গতিবিধি নিৰীক্ষণ কৰি আছে। তাত আৰু তেতিয়া কুঁৱলী নাই। দূৰবীণ নোহোৱাকৈ নেপোলিয়নে অশ্ব, পদাতিক, হিলৈ সকলোবোৰ স্পষ্টকৈ দেখিছে। মুখত আত্মবিশ্বাসৰ ভাব ফুটি ওলাইছে। তেওঁৰ অনুমান সঁচা হ'ল। ফৰাচী বাহিনীক বহু দূৰৈত থকা বুলি ভাবি ৰুছ বাহিনী ইমান আগবাঢ়ি আহিছে। নেপোলিয়নে দেখিলে এতিয়া পাচফালৰ পৰা আক্ৰমণ কৰিলে ৰুছ বাহিনীক সহজে পৰাজয় কৰিব পাৰিব। প্ৰাৎচেনত থকা মূল বাহিনী এতিয়াও দুৰ্বল—তেওঁক আক্ৰমণ কৰিব নোৱাৰে। কিন্তু নেপোলিয়নে আক্ৰমণৰ কোনো সঙ্কেত নিদিলে।

আজি নেপোলিয়নৰ বিজয়ৰ দিন—আজি তেওঁৰ ৰাজ্যাভিষেকৰ বাৰ্ষিকী। শেহ নিশা কেইঘণ্টামান শোৱাৰ পাছত তেওঁ আজি গাত আৰু মনত নতুন বল পাইছে। যেনিবা তেওঁৰ কৰিব নোৱাৰা কাম একো নাই। অলপ বেলি হোৱাত নেপোলিয়ন ঘোঁৰাত উঠি বাহিৰ ওলাল। এঠাইত থিয় হৈ প্ৰাৎচেন মালভূমিৰ ফালে চালে। কুঁৱলী ভেদ কৰি বেলি তেতিয়া ওপৰলৈ উঠিছে। চাৰিওফালে বেলিৰ পোহৰত উজ্জ্বল হৈ উঠাত নেপোলিয়নে হাত-মোজা এপাত সোলোকাই লৈ তাৰে সেনাপতিসকলক ইঙ্গিত কৰিলে, "এতিয়া আক্ৰমণ কৰা।" অলপ সময়ৰ ভিতৰতে মূল ফৰাচী বাহিনী প্ৰাৎচেন মাল-ভূমিৰ ফালে ৰাওনা হ'ল। ৰুছ বাহিনী তেতিয়া প্ৰাৎচেনৰ পৰা বাওঁফালে উপত্যকালৈ আগ বাঢ়িছিল।

ৰাতিপুৱা আঠ বজাত কুতুজভে মিলোৰাডোভিচৰ চতুৰ্থ সেনাদল লৈ প্ৰাৎচেন পালেহি। এণ্ড্ৰুই কুতুজভৰ উৎসাহ দেখি বৰ ভাল পালে। এণ্ড্ৰুৱে ভাবিলে, "আজিৰ ডাঙৰ ৰণখন এই গাৱঁতেই হব। মই সেনাদল আৰু পতাকা লৈ বিপদৰ মাজলৈ আগবাঢ়ি যাম।" এজনৰ হাতত পতাকা এখন দেখি ভাবিলে, "এই পতাকাখনেই কিজানি মোৰ হাতত থাকিব।"

প্ৰধান সেনাপতিয়ে গাঁৱৰ এমূৰে থিয় হৈ সেনাদলক যোৱা চাই আছে। আদেশ নিদিয়াকৈয়ে পদাতিকসকলক হঠাতে থমা দেখি ভাবিলে "কি হ'ল? বোধকৰোঁ বাট-পথ নাই।" কাপ্তেনজনক মাতি ক'লে, "সৰু সৰু দল হৈ যোৱা।"

"হুজুৰ,গাঁৱৰ সিমুৰলৈকে শাৰীপাতি যোৱা ভাল হ্ব।" প্ৰধান সেনপতিয়ে বিদ্রুপৰ হাঁহি এটা মাৰি কলে, "এৰা, শত্ৰুৰ সমুখত এইবোৰ কৰিব লাগে! ঠিকেই কৈছা!"

"ইয়াত শত্ৰু ক'ত, হুজুৰ? সিহঁত বহুত দূৰৈত আছে। আমাৰ পৰিকল্পনা অনুসৰি—"

কুতুজভে ধমক দি ক'লে, "পৰিকল্পনা! কোনে কৈছে? মই যি কৈছোঁ—তাকে কৰা।"

"যো হুকুম।"

নেচ্‌ভিটস্কি ওচৰতে আছিল। সি এণ্ড্ৰুক কলে, "আজি দেখোন বুঢ়াৰ মেজাজ গৰম।" সঁচাকৈয়ে কুতুজভৰ মেজাজ আজি ঠিক নাছিল। কিন্তু এণ্ড্ৰুক ওচৰলৈ মাতি নি মৰমেৰে কলে, "তৃতীয় দলটো গাওঁখন পাৰ হ'ল নে নাই, চাই আহাগৈ। আৰু কবা সিহঁত যেন মোৰ হুকুমৰ কাৰণে ৰৈ থাকে। এতিয়া যোঁৱা।"

এনেতে বগা পোছাক পিন্ধা এজন অষ্ট্ৰিয়ান কৰ্মচাৰী আহি কুতুজভক কলে, 'চতুৰ্থ দলটো ৰাওনা হৈছে নে নাই—সম্ৰাটে জানিব খুজিছে।" কুতুজভে একোকে নামাতিলে। এণ্ড্ৰুৱে উভতি আহি দেখিলে প্ৰধান সেনাপতি একে ঠাইতে ঘোঁৰাৰ পিঠিত হেলান দি চকু মুদি আছে। সেনাদল থিয় হৈ ৰৈ আছে: এণ্ড্ৰুৰ কথা শুনি কুতুজভে তেওঁক ধন্যবাদ দিলে। এনেতে এজন সেনাপতিয়ে হাতত ঘড়ি এটা লৈ কুতুজভক কলে যে তেওঁলোকৰ যাবৰ সময় হৈছে। কুতুজভে হামিয়াই কলে, "বহুত সময় আছে; বহুতো সময় আছে।"

এনেতে সেনাদলৰ মাজত জয়ধ্বনি শুনি কুতুজভে আগবাঢ়ি গৈ চাবিওফালে চালে। প্ৰাৎচেনৰ বাটৰে এজন অশ্বাৰোহী অহা যেন দেখিলে। দুজন আগে আগে আহিছে। এজন ক'লা পোছাক পিন্ধা আৰু আনজন বগা পোছাক পিন্ধি ক'লা ঘোঁৰাত উঠি আহিছে। এই দুজন সম্ৰাট—কছিয়াৰ আৰু অষ্ট্ৰিয়াৰ আৰু তেওঁলোকৰ অনুচৰবৃন্দ। কুতুজভে ওচৰলৈ গৈ অভিনন্দন জনালে।

আলেকজেণ্ডাৰে কুতুজভক সুধিলে, "আমি এতিয়াও যুদ্ধ আৰম্ভ কৰা নাই কিয়?"

কুতুজভে কলে, "আপোনাৰ কাৰণেই ৰৈ আছিলোঁ, সম্ৰাট: সকলো দল আহি পোৱা নাই।"

সম্ৰাটে অলপ বিৰক্ত হৈ সম্ৰাট ফ্ৰান্সিচৰ ফালে চালে। পাছত কলে, "কিন্তু ই যুদ্ধক্ষেত্ৰ। মইতো সেনাদল পৰিদৰ্শন কৰিবলৈ অহা নাই।"

"হয় সম্রাট, আপোনাৰ কাৰণেই বৈ আছোঁ। কাৰণ এইখন যুদ্ধক্ষেত্ৰ— প্ৰদৰ্শনী নহয়, মই জানো।"

কুতুজভৰ কথা শুনি সম্রাটৰ অনুচৰসকলে মনত বেজাৰ পালে। ইজনে সিজনৰ মুখলৈ চাই ভাবিলে, "বুঢ়া হ'ল বুলি সম্রাটক এনেকৈ কোৱাটো উচিত হোৱা নাই।"

সম্রাটে গহীন হৈ কুতুজভৰ ফালে চালে। কুতুজভ তলমুৰকৈ নীৰৱে থাকিল। অলপ পাছত কুতুজভে কলে, "সম্রাটে যদি আদেশ কৰে, আমি আৰম্ভ কৰিব পাৰোঁ।" এই বুলি কৈ মিলোৰাডোভিচক যুদ্ধ আৰম্ভ কৰিবলৈ হুকুম দিলে। জয়ধ্বনি কৰি সেনাদল আকৌ আগ বাঢ়িল।

সেনা বাহিনীৰ পিছে পিছে কুতুজভ ঘোঁৰাত উঠি গ'ল। আধা মাইল-মান গৈ এটা নিজান ঘৰ দেখি কুতুজভ ৰ'ল। তাৰ পৰা তললৈ দুটা ৰাস্তা গৈছে। দুয়ো ৰাস্তাৰে সেনাবোৰ গৈছে।

ডেড় মাইলমান দূৰৈত শত্ৰুপক্ষৰ বাহিনী অস্পষ্টকৈ দেখা যায়। বাওঁ-ফালে তলত হিলৈৰ শব্দ স্পষ্টকৈ শুনা গৈছে। কুতুজভে এজন অষ্ট্ৰিয়াৰ সৈনিকৰ লগত কথা পাতিছে। এণ্ড্ৰু ওচৰতে থিয় হৈ আছে। এনেতে পাহাৰৰ তললৈ আঙুলিয়াই এজন অনুচৰে চিঞৰিলে, "চোৱা, চোৱা, সৌৱা ফৰাচী।" সেনাপতি দুজনে লৰালৰিকৈ আহি চালে। সকলোৰে মনত আতঙ্ক হ'ল। তেওঁলোকে ভাবিছিল যে শত্ৰুবাহিনী অন্ততঃ ডেড় মাইল আঁতৰত আছে কিন্তু এতিয়া হঠাতে শত্ৰুৰ মুখত পৰিল। চাৰিও পিনে চিঞৰ-বাখৰ লাগিল, "শত্ৰু! শত্ৰু!"

প্ৰিন্স্ এণ্ড্ৰুৱে দেখিলে ফৰাচী সেনাৰ এটা দল তলত সোঁফালে আগবাঢ়ি আছে—পাঁচশ মান খোজ আঁতৰত। তেওঁ কুতুজভৰ ওচৰলৈ গৈ কলে, "হুজুৰ, আমাৰ সেনাবোৰক আৰু আগবাঢ়ি যাবলৈ দিব নালাগে।"

ঠিক সেই সময়তে চাৰিওপিনে ধোঁৱা হ'ল; ওচৰতে হিলৈৰ শব্দ শুনা গ'ল। এণ্ড্ৰুৰ দুখোজমান ওচৰতে কোনোবাই চিঞৰিলে "ভাইসকল, সকলো শেষ।" এই চিঞৰটো যেনিবা আকাশবাণী হ'ল—জাকে জাকে সৈন্যবোৰ পিছ হুহকি লৰি আহিল।

পাঁচ মিনিট আগতে দুই সম্রাটৰ আগত জয়ধ্বনি কৰি যি ঠাইৰ পৰা গৈছিল, এতিয়া সেই ঠাইলৈ আহিবলৈ সকলো ব্যস্ত। এই জনস্ৰোতক বাধা দিয়া অসম্ভৱ। ইমান ঠেলাহেঁচাৰ মাজত থিয় হৈ থাকিবলৈ এণ্ড্ৰুৰ কষ্ট হ'ল। কুতুজভ একে ঠাইতে থিয় হৈ আছে। এণ্ড্ৰু আচৰিত হ'ল।

নেচ্ভিটস্কি উদ্বিগ্ন হৈ কুতুজভক কলে, "আপুনি এতিয়াই ইয়াৰ পৰা যাওক; নহলে নিশ্চয় বন্দী কৰিব।" কুতুজভে একোকে নামাত্তি—জেপৰ পৰা ৰুমাল এখন উলিয়াই কপালৰ তেজ মচিলে। তেওঁৰ কপালৰ পৰা তেজ ওলাইছিল। কুতুজভৰ অৱস্থা দেখি এণ্ড্ৰুয়ে ঠেলাঠেলিকৈ আহি কঁপি কঁপি সুধিলে, "আপোনাৰ আঘাত লাগিছে নেকি?"

বাওঁ হাতেৰে ৰুমালখন কপালত হেঁচা মাৰি ধৰি, সোঁহাতেৰে পলাই অহা সেনাবোৰলৈ আঙুলিয়াই কুতুজভে বেজাৰ মনেৰে কলে, "মোৰ আঘাত ইয়াত লগা নাই; লাগিছে তাত, চোৱা।" পাছত গৰ্জি উঠিল, "সিইতক ধমোৱা।" কিন্তু তেওঁ জানিছিল যে সিইতক ধমোৱাটো অসম্ভৱ। সোঁফালে অলপ আগবাঢ়ি গ'ল কিন্তু জনস্ৰোতে তেওঁক আকৌ পিছলৈ ঠেলি আনিলে।

ঠেলা-হেঁচাকৈ ইমান মানুহ একেলগে পলাব ধৰিছে যে ইয়াৰ ভিতৰত এবাৰ সোমালে আৰু ওলোৱা টান। কোনোবাই কৈছে, "আগবাঢ়ি যোৱা, আগবাঢ়ি যোৱা, কিয় বৈছা?" কোনোবাই ওপৰৰ পিনে গুলী কৰিছে। এজনে কুতুজভৰ ঘোঁৰাটোকে কোবাইছে। কুতুজভৰ আধাখিনি অনুচৰ নাইকিয়া হ'ল। বাওঁফালে য'ৰ পৰা কামানৰ শব্দ শুনা গৈছিল, বহু কষ্ট কৰি কুতুজভ সেইফালে আগ বাঢ়িল। এণ্ড্ৰু ও পাছে পাছে গ'ল। পাহাৰৰ ওপৰৰ পৰা ৰুছ কামান বাহিনীয়ে এতিয়াও গুলী চলাই আছে, কিন্তু ফৰাচীবিলাক সেইফালে লৰি গৈছে। অলপ ওপৰত এদল ৰুছ পদাতিক থিয় হৈ আছে। সিহঁতে কামান ৰক্ষা কৰিবলৈ অহা নাই, পলোৱাও নাই। এজন পদাতিক সেনাপতি কুতুজভৰ ওচৰলৈ আহিল। তেতিয়া কুতুজভৰ লগত মাত্ৰ চাৰিজন অনুচৰহে আছে।

পলোৱা সেনাবোৰলৈ আঙুলিয়াই কুতুজভে সেনাপতিজনক কলে, "সৌ পাৰগুবোৰক ধমোৱা।" এনেতে চৰাইৰ জাক অহাদি অসংখ্য গুলী সেনাবোৰৰ মূৰৰ ওপৰেদি উৰি আহিল। ফৰাচীবিলাকে কামান বাহিনী আক্ৰমণ কৰিছিল, এতিয়া কুতুজভক দেখা পাই তেওঁলৈ গুলী চলাইছে। পদাতিক সেনাপতিজন বহি পৰিল। বহুতো সেনা হতাহত হ'ল। কাপ্তেনে পতাকাখন পেলাই দিলে। বিনা আদেশে সেনাবোৰে গুলী চলাবলৈ ধৰিলে।

কুতুজভে হতাশ মনেৰে এটা হুমুনিয়াহ কাঢ়িলে। তাৰ পাছত নিসহায়-

ভাৰে ছত্ৰভঙ্গ সেনাদল আৰু শত্ৰুপক্ষৰ ফালে দেখুৱাই লাহেকৈ এণ্ড্ৰুক কলে, "বল্‌কন্‌স্কি, এইবোৰ কি?" কিন্তু তেওঁৰ কথা শেহ নৌহওঁতেই খং আৰু লাজত এণ্ড্ৰুৰ চকুপানী ওলাল। তেওঁ ঘোঁৰাৰ পৰা জাপ মাৰি পতাকাখন তুলি লবলৈ গ'ল।

চাৰিও পিনে বন্দুকৰ শব্দ। ওচৰতে কেবাজনো মাটিত বাগৰি পৰিল। তথাপি এণ্ড্ৰুৱে গধুৰ পতাকাখন দুই হাতেৰে ধৰি আগলৈ লৰি গৈ সেনা-বোৰক মাতিলে "আহা, আহা, আগবাঢ়ি আহা।" এজন দুজনকৈ গোটেই সেনাদলটোৱে এণ্ড্ৰুৰ লগ ললে। এজন কৰ্মচাৰীয়ে এণ্ড্ৰুৰ হাতৰ পৰা পতাকা-খন নিজে ললে। কিন্তু পাচ মুহূৰ্ততে তাৰ মৃত্যু হ'ল। এণ্ড্ৰুৱে পতাকাখন আকৌ লৈ সেনাদলৰ লগত লৰি গ'ল। এণ্ড্ৰুৱে দেখিলে কেইজনমান হিলৈদাৰীয়ে এতিয়াও যুঁজি আছে, আৰু বাকীবোৰে কামানবোৰ এৰি থৈ তেওঁৰ ফালে লৰি আহিছে। ফৰাচী পদাতিক সেনাই কামান বাহিনীৰ ঘোঁৰাবোৰ ধৰিছে আৰু কামানবোৰ বগৰাই দিছে। এণ্ড্ৰু কামানবোৰৰ নিচেই ওচৰ চাপিল। অবিৰাম কামানৰ গুলী চলিছে—আৰু এণ্ড্ৰুৰ দুয়োফালে সেনাবোৰ ধৰাশায়ী হৈ আছে। তেওঁ কিন্তু ইফালে চোৱা নাই। তেওঁ অকল সমুখৰ কামানবোৰলৈহে চাইছে। এজন ফৰাচী সৈনিক আৰু এজন ৰুছ হিলৈদাৰে এডোখৰ কাপোৰ টনা-আঁজোৰা কৰিছে। এণ্ড্ৰুৱে ভাবিলে—ইহঁত দুয়ো মূৰ্খ। ফৰাচীজনে দেখোন ৰুছজনক বন্দুকেৰে গুলী-য়াই মাৰিব পাৰে আৰু ৰুছজনৰ হাতত কোনো অস্ত্ৰ নাই—সিনো নপলায় কিয়? এনেতে আন এজন ফৰাচী সৈনিক তাত ওলালহি। কিন্তু এই সৈনিকজনে সিহঁতৰ কাজিয়াখন কেনেকৈ মীমাংসা কৰিলে এণ্ড্ৰুৱে তাক দেখা নাপালে। বোধকৰো ৰুছজনক হত্যা কৰিছিল। হঠাতে এণ্ড্ৰুৰ অনুমান হ'ল, ওচৰৰ কোনো সৈনিকে ডাঙৰ লাঠিৰে তেওঁৰ মূৰত জোৰেৰে কোব মাৰিছে। যদিও এণ্ড্ৰুৱে বেছি আঘাত পোৱা নাছিল—তথাপি সৈনিক দুজনৰ কাজিয়াখন শেহলৈকে চোৱাত বাধা জন্মিল।

এণ্ড্ৰু কঁপিবলৈ ধৰিলে। তেওঁ ভাবিলে, "মোৰ কি হ'ল? থিয় হৈ থাকিব দেখোন নোৱাৰোঁ।" তেওঁ মাটিত বাগৰি পৰিল। চকু মেলি আগলৈ চালে সেই হিলৈদাৰীজনক মাৰিলে নেকি—কামানবোৰ নিলে নেকি? কিন্তু একোকে নেদেখিলে। অকল মূৰৰ ওপৰত অনন্ত আকাশ। এটা স্বস্তিৰ নিশ্বাস লৈ এণ্ড্ৰুৱে ভাবিলে, "কি শান্তি! মই আগতে আকাশখন চোৱা

নাছিলোঁ। আকাশখন চাই কি শান্তি! কি আনন্দ পাইছোঁ! এই অনন্ত আকাশখনৰ বাহিৰে সকলো প্ৰৱঞ্চনা।"

প্ৰোৎচেন পাহাৰৰ ওপৰত পতাকাখন হাতত লৈ বল্‌কন্‌স্কি য'ত বাগৰি পৰিছিল, তাতেই গোটেই দিনটো কেঁকাই থাকিল। তেওঁৰ মূৰৰপৰা তেজ বৈছে। এনেকৈ অচেতন হৈ তেওঁ কিমান পৰ আছিল কব নোৱাৰে। গধূলি পৰত অলপ সুস্থ হ'ল, কেঁকাবলৈ এৰিলে। কিন্তু মূৰটো বিষাইছে। "সেই অনন্ত আকাশখন ক'ত? আগতে এনে যন্ত্ৰণা মই আৰু কেতিয়াও পোৱা নাছিলোঁ। কিন্তু মই ক'ত আছোঁ?"

ফৰাচী ভাষাত কথা কৈ কেইজনমান অশ্বাৰোহী অহা শব্দ এণ্ড্ৰুৰ কাণত পৰিল। তেওঁ চকু মেলি অনন্ত নীল আকাশৰ পিনে চালে। মানুহ-বোৰলৈ তেওঁ নাচালে, কিন্তু সিহঁত তেওঁৰ ওচৰলৈ আহি থমা যেন গম পালে।

এওঁলোক নেপোলিয়ন আৰু দুজন অনুচৰ। নেপোলিয়নে যুদ্ধস্থলীখন ঘূৰি-পকি চাইছে। অজেষ্ট গাঁৱলৈ কামান চলাবলৈ সেনাবোৰক আদেশ-উপদেশ দিছে। আৰু যুদ্ধক্ষেত্ৰত পৰি থকা হতাহতবোৰ চাইছে।

পতাকাৰ মাৰিডাল এণ্ড্ৰুৰ কাষতে পৰি আছিল। পতাকাখন বিজয় স্মৃতি হিচাপে ফৰাচীসকলে লৈছে। এণ্ড্ৰুক দেখি নেপোলিয়নে কলে, "ইয়াৰ মৃত্যু সাৰ্থক হৈছে।"

এণ্ড্ৰুৱে বুজি পালে যে তেওঁৰ সম্বন্ধেই এই কথাষাৰ কোৱা হৈছে আৰু কওঁতাজন নেপোলিয়ন, কাৰণ অনুচৰ দুজনে কথা কওঁতে তেওঁক "সম্ৰাট" বুলি সম্বোধন কৰিছিল। এণ্ড্ৰুৰ মূৰৰ পৰা তেজ বৈ আছে—অসহ্য যন্ত্ৰণা।··· এনে অৱস্থাত সিহঁতৰ বিষয়ে আৰু বেছি ভাবিবলৈ তেওঁৰ শক্তি নাই।—সিহঁতে যিহকে নকওক, তেওঁৰ কথা যিহকে নকওক লাগে। চকু মেলি অকল নীল আকাশৰ পিনে চাই থাকিল। এণ্ড্ৰুৱে জানিছিল যে তেওঁৰ আদৰ্শ বীৰ নেপোলিয়ন ওচৰতে থিয় দি আছে, কিন্তু সেই মুহূৰ্তত অনন্ত নীল আকাশে তেওঁৰ মনত যি গভীৰ অনুভূতিৰ সৃষ্টি কৰিছিল তাৰ তুলনাত নেপোলিয়নক এজন সামান্য বুলিহে অনুমান হ'ল। তথাপি এই দুৰৱস্থাৰ সময়ত ওচৰত মানুহ দেখি তেওঁৰ ভাল লাগিল, আশা হ'ল। সিহঁত যিয়ে নহওক, সিহঁতে তেওঁক সহায় কৰিব পাৰে। নতুন অনুভূতিৰ দ্বাৰাই তেওঁ জীৱনৰ সাৰ্থকতা উপলব্ধি কৰিছে। তেওঁ জীয়াই থাকিব খোজে। শৰীৰৰ সকলো শক্তি প্ৰয়োগ কৰি এণ্ড্ৰুৱে এখন ভৰি লৰচৰ কৰিলে আৰু এটা করুণ আৰ্তনাদ কৰিলে।

নেপোলিয়নে কলে, "অ' জীয়াই আছে। এই ডেকাজনক সেৱাকেন্দ্ৰ এটালৈ লৈ যোৱা।" তাৰ পাছত আৰু কি হ'ল এণ্ড্ৰুৱে কব নোৱাৰে।

তেওঁক কঢ়িয়াই নিয়া হ'ল আৰু অজ্ঞান অৱস্থাতে সেৱাকেন্দ্ৰত পৰীক্ষা কৰা হ'ল। আবেলি অইন আহত আৰু বন্দী ৰুছবিলাকৰ লৈতে যেতিয়া তেওঁকো হাস্পতাললৈ নিয়া হয় তেতিয়াহে বাটত তেওঁৰ জ্ঞান হ'ল। এতিয়া তেওঁ গাত অলপ বল পাইছে—ইফালে সিফালে চাব পাৰে, কথা কবও পাৰে।

সজ্ঞান হৈয়ে এণ্ড্ৰুৱে এজন ফৰাচী কৰ্মচাৰীক লৰালৰিকৈ কোৱা শুনিলে, "আমি ইয়াত ৰোৱা ভাল হব। কাৰণ সম্ৰাট এতিয়াই এইখিনি পাবহি। এই বন্দীবোৰক দেখি ভাল পাব।"

আন এজনে কলে, "ভাল কৈছা! আজি ইমান বন্দী হৈছে—প্ৰায় গোটেই ৰুছ বাহিনী। এইবোৰ দেখি দেখি তেওঁৰ বোধকৰো আমনিহে লাগিছে।"

বগা পোছাক পিন্ধা এজন আহত ৰুছ অশ্বাৰোহী কৰ্মচাৰীৰ ফালে আঙুলিয়াই প্ৰথমজনে আকৌ কলে, "কিন্তু সৌজন হেনো সম্ৰাট আলেক-জেণ্ডাৰৰ ৰক্ষী বাহিনীৰ প্ৰধান সেনাপতি।" বলকনস্কিয়ে প্ৰিন্স্ ৰেপানিনক আগতে পিটাৰ্চবাৰ্গত লগ পাইছিল, চিনি পালে। ৰেপানিনৰ কাষতে আৰু এজন উনৈশ বছৰীয়া আহত অশ্বাৰোহী কৰ্মচাৰী থিয় হৈ আছিল।

অলপ পাছতে বোনাপাৰ্ট সেইখিনি পাই ৰ'ল। বন্দীবোৰক দেখি সুধিলে, "ইহঁতৰ ভিতৰত ডাঙৰ কৰ্মচাৰী কোন?"

কোনোবা এজনে প্ৰিন্স্ ৰেপানিনক দেখুৱাই দিলে। নেপোলিয়নে সুধিলে, "তুমি সম্ৰাট আলেকজেণ্ডাৰৰ ৰক্ষী বাহিনীৰ প্ৰধান সেনাপতি নেকি?"

"মই এটা সেনাদলৰ সেনাপতি আছিলোঁ।"

"তোমাৰ দলটোৰ কৰ্তব্যজ্ঞান প্ৰশংসনীয়।"

"এজন ডাঙৰ সেনাপতিৰ প্ৰশংসা সৈনিকৰ শ্ৰেষ্ঠ পুৰস্কাৰ।"

"মই মুকলি মনেৰে তোমাক প্ৰশংসা কৰিছোঁ।" তাৰ পাছত নেপোলিয়নে ৰেপানিনক আকৌ সুধিলে, "তোমাৰ ওচৰত থকা ডেকাজন কোন?"

প্ৰিন্স্ ৰেপানিনে ডেকাজনৰ নাম কলে।

ডেকাজনলৈ চাই নেপোলিয়নে হাঁহি কলে, "এওঁ নিচেই কম বয়সতে আমাৰ লগত যুঁজিবলৈ আহিছে।"

ডেকাজনে কলে, "বয়সৰ লগত বীৰত্বৰ কোনো সম্পৰ্ক নাই।"

"সুন্দৰ উত্তৰ ! ডেকালৰা, তোমাৰ বহুত উন্নতি হ'ব।"

তাৰ পাছত প্ৰিন্স্ এণ্ড্ৰুক নেপোলিয়নৰ আগলৈ অনা হ'ল। নেপোলিয়নে তেওঁক যুদ্ধক্ষেত্ৰত পৰি থকা দেখিছিল—চিনি পালে। এণ্ড্ৰুলৈ চাই নেপোলিয়নে সুধিলে, "এতিয়া কেনে আছা ?"

পাঁচ মিনিট আগতে প্ৰিন্স্ এণ্ড্ৰুৱে কথা কব পাৰিছিল কিন্তু এতিয়া একোকে নামাতি নেপোলিয়নৰ মুখলৈ একেবাহে চাই থাকিল। অনন্ত, ওখ, সকৰুণ নীল আকাশৰ তুলনাত নেপোলিয়ন, তেওঁৰ কাৰ্য্যকলাপ, তেওঁৰ দম্ভ, বিজয় গৌৰৱ সকলো তেওঁৰ মনত অতি সামান্য, তুচ্ছ যেন লাগিল। নেপোলিয়নৰ মুখলৈ চাই তেওঁ জীৱন আৰু মৃত্যুৰ অসাৰতাৰ বিষয়ে ভাবিলে।

প্ৰিন্স্ এণ্ড্ৰুক নমতা দেখি নেপোলিয়নে এজন কৰ্মচাৰীক কলে, "চাবা, এওঁলোকৰ যাতে ভাল যত্ন লোৱা হয়। আৰু ডাক্তৰে লাবিয়ে যেন এওঁলোকক চায়।" তাৰ পাছত প্ৰিন্স্ ৰেপানিনৰ পৰা বিদায় লৈ নেপোলিয়ন গুচি গ'ল। আত্ম-প্ৰসাদত তেওঁৰ চকু-মুখ উজ্জ্বল।

ভনীয়েক মেৰিয়াই প্ৰিন্স্ এণ্ড্ৰুৰ ডিঙিত আঁৰি দিয়া ৰূপৰ তাবিজটো বাটতে যথাচৌ সৈনিকসকলে নিছিল ; কিন্তু সম্ৰাট এই বন্দীবোৰৰ প্ৰতি ইমান সদয় হোৱা দেখি সিহঁতে ভয়তে পৱিত্ৰ মূৰ্ত্তিটো আকৌ এণ্ড্ৰুৰ ডিঙিত আঁৰি থলে।

এই পৱিত্ৰ মূৰ্ত্তিটো ডিঙিৰ পৰা নিয়া বা আকৌ আঁৰি থোৱা এণ্ড্ৰুৱে গম পোৱা নাই। হঠাতে ৰূপৰ শিকলিৰে সৈতে তাবিজটো বুকুৰ ওপৰত দেখিলে।

মেৰিয়াৰ কথা এণ্ড্ৰুৰ মনত পৰিল। ভাবিলে, "মেৰিয়াই পৃথিৱীৰ সকলো বস্তুকে সহজ, সুন্দৰ দেখে। সকলোকে বিশ্বাস কৰে। পৃথিৱীখন দৰাচলতে যদি তেনেকুৱা হ'লহেঁতেন ! জীৱনত আৰু মৃত্যুৰ পিছত কেনেকৈ শান্তি পোৱা যায়—যদি জানিলোহেঁতেন। যদি গভীৰ বিশ্বাসেৰে কব পাৰিলোঁহেঁতেন— হে ভগৱান, মোক ৰক্ষা কৰক ! কি সুখ, কি শান্তি পালোঁহেঁতেন ! কিন্তু কাক কওঁ ? সেই কল্পনাতীত অসীম শক্তি, যাক কবলৈ মোৰ ভাষা নাই, বুজিবলৈ সামৰ্থ্য নাই—সেই শক্তিকে কম নে মেৰিয়াৰ তাবিজত থকা ভগৱানৰ মূৰ্ত্তিটোকে কম ? আমাৰ জ্ঞান বুদ্ধিৰে চুকি পোৱা সকলো বস্তুৱে অসাৰ, অনিশ্চিত। সেই অসীম কল্পনাতীত পৰম শক্তিয়ে বোধকৰো সত্য, নিত্য।"

একাবেঁকা, ওখ-চাপৰ বাস্তাৰে এণ্ড্ৰুক আকৌ কঢ়িয়াই নিয়া হ'ল। বাটতে

মেনেজাৰে কলে, "হুজুৰ, আপুনি কেইটামান ডাঙৰ মাছৰ কথা কৈছিল। কিন্তু ডাঙৰ মাছৰ দাম বৰ বেছি দেখোন, মই দৰাইছিলোঁ।"

"কি কৰিবা, উপায় নাই। দাম বদি নকমায় তথাপি আনিবই লাগিব। অ' এটা কথা পাহৰিছিলোঁ—ফুল কোনে যোগাৰ কৰিব ?"

ওচৰত এজনক দেখি কাউণ্টে কলে, "হেৰা মিটেস্কা, তুমি এতিয়াই ঘোঁৰাত উঠি পদমস্কোভনিলৈ (এইখন জমিদাৰী কাউণ্টে নতুনকৈ কিনিছে) যোৱা। মালীক কবা যে ক্লাবঘৰটো সজাবৰ কাৰণে বহুতো ফুল লাগিব আৰু শুকুৰবাৰৰ ভিতৰতে মই ইয়াত দুশ ফুলদানী পাব লাগিব।"

এনেতে আনা মিখাইলোভনা কৰবাৰ পৰা মনে মনে আহি কাউণ্ট ৰোস্তভৰ ওচৰত থিয় হ'লহি। মিখাইলোভনাৰ মুখখন দেখিলেই ধৰিব পাৰি যে তেওঁ কিবা এটা নিজৰ স্বাৰ্থৰ কাৰণেহে ঘূৰিছে। কাউণ্টে বহিবলৈ কোৱাত তেওঁ কলে, "নবহোঁ ; ডেকা বেচুখভ মস্কোলৈ আহিছে—মই তাক এবাৰ লগ পাই আহোঁ। আৰু ঘৰ সজোৱাৰ কাৰণে তাতেই সকলো বস্তু পাম। আপুনি ভাবিব নালাগে। মোৰ নিজৰো তেওঁৰ লগত সকাম আছে। তাৰ হাতত বোৰিচে এখন চিঠি দি পঠাইছে। ভগৱানৰ অনুগ্ৰহত বোৰিচে এতিয়া এটা উচ্চ ৰাব পাইছে।"

আনা মিখাইলোভনাই এটা কামৰ ভাৰ লোৱাত কাউণ্টে বৰ বং পালে আৰু তেওঁৰ কাৰণে এখন গাড়ী আনিবলৈ দি কলে, "বেচুখভক আহিবলৈ কব। তেওঁৰ নাম লিষ্টত ধৰিম। দৈণীয়েকক লগত আনিছে নেকি ?"

মিখাইলোভনাই বেজাৰ কৰি কলে, "কি কব, লৰাটোৰ কপালত সুখ নাই। যিবোৰ শুনো, সঁচা হলে বৰ দুখৰ কথা। এই সুখৰ বিয়াখনৰ পৰিণতি যে এনেকুৱা হব, ভবাই নাছিলোঁ। কি মহান, দেৱতুল্য ল'ৰা! তালৈ মোৰ পুত্তো হৈছে। তাক সান্ত্বনা দিবলৈ মই যথাসাধ্য চেষ্টা কৰিম।"

"কি ? ঘটনাটো কি ?"

আনা মিখাইলোভনাই দীঘলকৈ এটা হুমুনিয়াহ কাঢ়ি ফুচফুচাই কলে, "মানুহে কয়, সেই মেৰিয়া আইভানহভনাৰ ল'ৰা দলোহভৰ লগত ভাইৰ হেনো ভাল। সি দলোহভক মাতি আনি পিটাৰ্চবাৰ্গৰ ঘৰত ৰাখিলে আৰু এতিয়া তাৰ ফল হ'ল…। তাই ইয়ালৈ আহিছে আৰু সেই নৰাধমটোও পিছে পিছে আহিছে। পিয়াৰ হেনো মৰ্মাহত হৈছে।" আনা মিখাই-লোভনাই পিয়াৰৰ প্ৰতি সহানুভূতি দেখুৱাবলৈ চেষ্টা কৰিছিল কিন্তু তেওঁৰ

কথা কোৱাৰ আওভাও দেখি সেই নবাধমৰ প্ৰতিহে তেওঁৰ সহানুভূতি থকা যেন লাগিল।

"বাৰু, যি কি নহওক, তাক ক্লাবলৈ আহিবলৈ কব—মনটো ভাল লাগিব। বৰ ভাঙৰ ভোজ হব।"

মাৰ্চ মাহৰ তিনি তাৰিখে বাগ্ৰাচিয়ঁৰ সম্মানাৰ্থে পতা ভোজমেলত প্ৰায় তিনিশ অতিথি, অভ্যাগত উপস্থিত হ'ল। ইংলিচ ক্লাবৰ আটাইবোৰ কোঠা মুখৰিত হৈ উঠিল। নিকোলাচ ৰোস্তভে দেনিচভ আৰু তাৰ নতুন চিনাকি দলোহভৰ লগত একেলগে এখন মেজৰ মাজত বহিছে। দলোহভ আৰু নিকলয় ৰোস্তভৰ মুখামুখিকৈ পিয়াৰ বহিছে। পিয়াৰ খোৱাত ব্যস্ত কিন্তু তাক চিনি পোৱাসকলে আজি পিয়াৰৰ পৰিবৰ্তন দেখিলে। সি আজি খোৱাৰ সময়ত কাৰো লগত কথা পতা নাই। অকল মাজে সময়ে, ইফালে সিফালে চায়, আঙুলিৰে নাকটো মোহাৰে আৰু কেতিয়াবা অন্যমনস্ক হৈ এফালে চাই থাকে। তাৰ আজি মনটো মৰা, চিন্তাযুক্ত। যেন কিবা দুশ্চিন্তাই তাৰ মনটো অস্থিৰ কৰিছে। সি বাহিৰৰ একোকে নেদেখে, একোকে নুশুনে।

আজি ৰাতিপুৱা পিয়াৰে এখন বেনামী চিঠি পাইছিল। তাত লিখা আছে যে তাৰ ঘৈণীয়েকৰ লগত দলোহভৰ গুপুত প্ৰণয় আছে আৰু এই কথাটো সকলোৱে জানে; অকল পিয়াৰেহে বোধকৰোঁ নাজানে। এই গুপুত সম্পৰ্কৰ বিষয়ে মস্কোত ভনীয়েকে কেথাৰিনেও পিয়াৰক ইঙ্গিত দিছিল। এইয়ে হ'ল তাৰ দুশ্চিন্তাৰ কাৰণ। ভনীয়েকৰ ইঙ্গিত বা বেনামী চিঠিখনক পিয়াৰে সম্পূৰ্ণ বিশ্বাস কৰা নাছিল। তথাপি এতিয়া দলোহভৰ মুখলৈ চাবলৈ তাৰ ভয় হ'ল। তাৰ ঘৈণীয়েকৰ লগত নহৈ আন কাৰোবাৰ লগত দলোহভৰ গুপুত প্ৰণয় থকা বুলি কলে হয়তো পিয়াৰে বিশ্বাস কৰিব পাৰিলে হয়। পুৰণি কথাবোৰ তাৰ মনলৈ আহে। দলোহভৰ লগত তাৰ আগৰ বন্ধুত্ব আছিল। সেই সুবিধা লৈ পিটাৰ্চবাৰ্গলৈ আহি দলোহভ পোনে পোনে পিয়াৰৰ ঘৰত উঠিছে। পিয়াৰে তাক আশ্ৰয় দিছিল, টকা দি সহায় কৰিছে। দলোহভে সিহঁতৰ ঘৰত থকাটো হেলেনে অপছন্দ কৰিছিল। আৰু দলোহভে হেলেনৰ সৌন্দৰ্য্যক বিদ্ৰূপ কৰিছিল। মস্কোলৈ অহাৰ আগলৈকে সি সিহঁতৰ লগ এৰা নাই।

পিয়াৰে ভাবিলে, "দলোহভ দেখিবলৈ ধুনীয়া। মই তাক চিনি পাওঁ। সি লোকক কষ্ট দি আনন্দ পায়। মোৰ নামত কলঙ্ক আনি, মোক হাঁহিয়াতৰ পাত্ৰ কৰি, সি বং পাব—কাৰণ মই তাৰ বহুতো উপকাৰ কৰিছোঁ। মোক

প্ৰৱঞ্চনা কৰি সি তামাচা চাব। অৱশ্যে যদি কথাটো সঁচা হয়! কিন্তু সঁচা বুলি মই বিশ্বাস নকৰোঁ আৰু কৰিবও নোৱাৰোঁ।”

দলোহভে এজন পুলিচ কৰ্মচাৰীক ভালুক এটাৰ লগত সাঙুৰি পানীত পেলাই দিছিল। বিনা কাৰণে এজন নিৰীহ মানুহৰ লগত যুদ্ধ কৰিছিল। আৰু এজন গাৰোৱানৰ ঘোঁৰা এটাক গুলী কৰি মাৰিছিল। এনেবোৰ নিৰ্দয় কাম কৰোঁতে দলোহভে যি মূৰ্তি ধাৰণ কৰিছিল, এতিয়া দলোহভৰ ফালে চালেই সেই ভয়ঙ্কৰ মূৰ্তিটোলৈ পিয়াৰৰ মনত পৰে। পিয়াৰে ভাবে, “সি এটা ঘুঁআৰু গুণ্ডা। মানুহক হত্যা কৰা, তাৰ মনত কোনো কথাই নহয়। সি বিচাৰে যাতে সকলোৱে তাক ভয় কৰে। সি নিশ্চয় ভাবিছে যে মই তাক ভয় কৰোঁ। সঁচাকৈয়ে মই তাক ভয় কৰোঁ।”

বোস্তভ, দলোহভ আৰু দেনিচভে পিয়াৰৰ মুখামুখিকৈ বহি বং মনেৰে খাইছে, কথা পাতিছে আৰু মাজে মাজে ইতিকিং কৰি পিয়াৰৰ ফালে চাইছে। অশ্বাৰোহী সৈনিক ৰোস্তভে পিয়াৰক ভাল পোৱা নাই। প্ৰথমতে পিয়াৰ এজন বেসামৰিক চহকী মানুহ আৰু সি এজনী বুঢ়ী বিয়া কৰাইছে। দ্বিতীয়তে পিয়াৰে ৰোস্তভক চিনি পোৱা নাই আৰু ৰোস্তভে তাক নমস্কাৰ কৰাত সি ৰোস্তভক নমস্কাৰ নকৰিলে। সম্ৰাটৰ স্বাস্থ্য কামনা কৰি মদৰ গিলাচ হাতত লৈ সকলো থিয় হ'ল, পিয়াৰৰ খবৰেই নাই, সি বহিয়ে থাকিল।

ৰোস্তভে খঙেৰে পিয়াৰক চিঞৰি কলে, “হেৰি, কি ভাবিছে? কাণেৰে শুনে নেকি? সম্ৰাটৰ স্বাস্থ্য···।”

এটা হুমুনিয়াহ কাঢ়ি পিয়াৰ থিয় হ'ল। মদ গিলাচ খাই সকলো বহাত সিও বহিল। তাৰ পাছত ৰোস্তভৰ ফালে চাই হাঁহি কলে, “হে, মই তোমাক চিনিবই পৰা নাছিলোঁ।” ৰোস্তভে একো নামাতিলে। সি জয়ধ্বনি কৰি আছিল।

দলোহভে ৰোস্তভক কলে, “তুমি, চিনাকি নিদিয়া কেলেই?”

ৰোস্তভে কলে, “তাক কোনে মাতিব, সি মূৰ্খ।”

তাৰ পাছত দলোহভে কলে, “এতিয়া আমি ৰূপহীইতৰ গিৰিয়েকসকলৰ স্বাস্থ্য কামনা কৰি মদ খাওঁ।” পিয়াৰে সিইঁতৰ কথাবোৰ নুশুনিলে কিন্তু বুজি পালে যে সিইঁতে তাৰ কথাই কৈছে। তাৰ মুখখন ৰঙা হ'ল। তাৰ পাছত দলোহভে পিয়াৰৰ ফালে চাই আকৌ কলে, “প্ৰেট্ছা, ৰূপহীসকলৰ আৰু তেওঁলোকৰ প্ৰিয়তমসকলৰ স্বাস্থ্য কামনা কৰিব লাগে।”

পিয়াৰে দলোহভৰ পিনে নাচালে। সি তলমূৰকৈ মদ খাই আছে। এনেতে এজন মানুহে গীতৰ ছপোৱা কাগজ কিছুমান লৈ আহিল। আৰু সম্মানিত আলহী হিচাপে তাৰে এখন পিয়াৰক দিলে। পিয়াতে হাত বঢ়াই কাগজখন লবলৈ খোজোতেই দলোহভে থাপ মাৰি কাগজখন নি পঢ়িবলৈ ধৰিলে। পিয়াৰ খঙতে জ্বলি উঠিল—"খবৰদাৰ নিনিবা, মই কৈছোঁ।"

পিয়াৰক দলোহভৰ লগত কাজিয়া কৰা দেখি নেচভিটস্কি আৰু ওচৰত বহা আলহীসকল আচৰিত হ'ল। সকলোৰে ভয় হ'ল। দলোহভে নোৱাৰা কাম একো নাই। দলোহভে কলে, "মই নিমেই, কি কৰিব পাৰা, আহা!"

"মই কেতিয়াও নিদিওঁ," বুলি পিয়াৰে শেঙা পৰি কঁপি কঁপি কাগজখন কাঢ়ি আনিলে।

পিয়াৰে থিয় হৈ কলে, "দগাবাজ, অভদ্ৰ, মই তোক দ্বন্দ্ব যুদ্ধলৈ আহ্বান কৰিছোঁ।" লগে লগে পিয়াৰৰ মনলৈ আহিল যে ঘৈণীয়েকৰ যি বদনাম ওলাইছে সি সকলো সঁচা। হেলেনৰ প্ৰতি তাৰ ঘৃণা হ'ল। চিৰদিনৰ কাৰণে তাইৰ লগত বিচ্ছেদ হবই লাগিব।

দেনিচভে হাক দিয়া সত্ত্বেও ৰোস্তভে দলোহভৰ পক্ষ ললে। কাজিয়াখনৰ কোনোমতে মিতমাত নহ'ল। শেহত নেচভিটস্কি আৰু দেনিচভৰ মধ্যস্থতাত স্থিৰ হ'ল যে কাইলৈ ৰাতিপুৱা পথাৰত দুয়োৰে শক্তি পৰীক্ষা হব। কালিৰ দ্বন্দ্বযুদ্ধত এই মান-অপমানৰ মীমাংসা হব।

পিয়াৰ ঘৰলৈ গ'ল। ৰোস্তভ, দলোহভ আৰু দেনিচভে গানবাজনা শুনি বহু পৰলৈকে ক্লাবত থাকিল।

যাবৰ সময়ত দলোহভে ৰোস্তভক মাত লগালে, "এতিয়া তেন্তে আহিলোঁ। কাইলৈ চকোলনিকিত দেখা হব।"

ৰোস্তভে সুধিলে, "এতিয়া ঠাণ্ডা হৈছা নে?"

দলোহভে অলপ ৰৈ কলে, "দ্বন্দ্বযুদ্ধৰ আচল কথাটো কি মই তোমাক চুটা কথাৰে কওঁ। দ্বন্দ্ব যুদ্ধলৈ যোৱাৰ আগতে যদি মৰিবা বুলি ভাবি উইল কৰি যোৱা, মাৰাবাপেৰালৈ দীঘল চিঠি লিখা, তেন্তে তুমি মূৰ্খ, তুমি নিশ্চয় মৰিবা। দ্বন্দ্বযুদ্ধলৈ যাওঁতে তোমাৰ প্ৰতিদ্বন্দ্বীক মাৰিবা বুলি দৃঢ় বিশ্বাস লৈ যাবা, তেতিয়া তোমাৰ কাৰ্য্য সিদ্ধি হব। ময়ো তেনেকৈ ভাবিছোঁ।"

# দ্বিতীয় অধ্যায়

পিছদিনাখন বাতিপুৰা আঠ বজাত পিয়াৰ আৰু নেচভিটস্কি চকোলনিকি হাবিলৈ আহি দেখিলে, দলোহভ, দেনিচভ আৰু বোস্তভ তেওঁলোকৰ আগতে তালৈ আহিছে। পিয়াৰ চিন্তাযুক্ত। সি যোৱা ৰাতি শুব পৰা নাই। সি ভাবিছে, "প্ৰকৃততে হেলেন দোষী, দলোহভ নিৰ্দোষ। কোনো সম্পৰ্ক নথকা মানুহ এজনৰ মান-সন্মান ৰক্ষা কৰিবলৈ দলোহভ বাধ্য নহয়। তেনে অৱস্থাতময়ো কিজানি তেনেকুৱা কৰিলোঁহেঁতেন ; নিশ্চয় কৰিলোঁহেঁতেন। তেন্তে এই দ্বন্দযুদ্ধ, হত্যাকাণ্ড কেলেই ? হয় মই তাক মাৰিম, নহয় সি মোক মূৰত, হাতত বা শৰীৰত গুলী কৰিব। ইয়াৰ পৰা পলাই গৈ কৰবাত লুকাই থাকিলে কেনে হয় ?"

চকোলনিকি হাবিৰ মাজত পিয়াৰ আৰু দলোহভ দুয়ো দ্বন্দযুদ্ধৰ কাৰণে সাজু হ'ল। পিয়াৰৰ সমৰ্থক নেচভিটস্কি আৰু দলোহভৰ সমৰ্থক ৰোস্তভ।

যুদ্ধ আৰম্ভ হোৱাৰ আগতে নেচভিটস্কিয়ে পিয়াৰক মাতি নি ভয় ভয়কৈ কলে, "কাউন্ট, আপুনি মোক আপোনাৰ সমৰ্থক পাতি মোক সন্মানিত কৰিছে ; গতিকে সমৰ্থক হিচাপে এই মুহূৰ্তত—এই জীৱনমৰণ সমস্যাৰ সময়ত সত্য কথাটো আপোনাক জনোৱা মোৰ একান্ত কৰ্তব্য। মই ভাবোঁ, এই দ্বন্দযুদ্ধৰ— ৰক্তপাতৰ কোনো কাৰণ নাই। আপুনি নিৰ্দোষ নহয়, একেবাৰে নিৰ্দোষ নহয়। আপোনাৰো ভুল হৈছে। খঙৰ কোবত আপুনি যিহকে পায়, তাকে কৈছে।"

পিয়াৰে কলে, "সঁচাকৈয়ে মোৰ মূৰ্খামি হৈছে।"

"তেন্তে আপুনি অনুতাপ কৰা বুলি কওঁ। সিহঁতে নিশ্চয় ক্ষমা কৰিব। অঘটন ঘটোৱাতকৈ আগতে নিজৰ দোষ স্বীকাৰ কৰাত মহত্ব আছে। কোনো পক্ষৰে তিমান দোষ নাই। অনুমতি কৰক মই মিত্তমাত কৰি আহোঁ।"

পিয়াৰে হাঁহি কলে, "নালাগে, সেইবোৰ বাজে কথা কৈ লাভ নাই। মই যুদ্ধৰ কাৰণে সাজু হৈছোঁ। এতিয়া ক'ত থিয় দিব লাগে, কেতিয়া, ক'লৈ গুলী কৰিব লাগিব কোৱা।"

পিয়াৰে আগতে পিস্তল ধৰি পোৱা নাছিল। কেনেকৈ গুলী কৰিব লাগে, নাজানিছিল। কথাটো স্বীকাৰ নকৰি নেচভিটস্কিক কলে, "পিস্তলটো এনেকৈ ধৰে জানো ? মই জানো, পাহৰিছোঁ।"

সিফালে দেনিচভেও কাজিয়াখন মিতমাত কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু দলোহভে কলে, "নালাগে, ক্ষমা ভিক্ষা কৰিবৰ কোনো দৰকাৰ নাই।" সিও যুদ্ধ কৰিবলৈ আগবাঢ়ি আহিল।

ৰাস্তাৰ পৰা ৮০ খোজ আঁতৰত পাইন গছৰ মাজত এডোখৰ মুকলি ঠাই। এমূৰত পিয়াৰ থিয় হ'ল আৰু চল্লিশ খোজ আঁতৰত দলোহভ থিয় হ'ল। চাৰিওপিনে বৰফ আৰু কুঁৱলী। তিনি মিনিটতে সমৰ্থক দুজনে সকলো ঠিকঠাক কৰি দিলে। কিছু সময়লৈ কাৰো মুখত মাতবোল নাই।

দলোহভে ক'লে, "আহা, আৰম্ভ কৰোঁ।"

পিয়াৰে হাঁহি কলে, "নিশ্চয়।"

ভয় লগা দৃশ্য। সামান্য এটা কথাৰ পৰা এনে ভাওৰ ঘটনাৰ সৃষ্টি হ'ল যে এতিয়া আৰু মিতমাত কৰিবলৈ কাৰো শক্তি নাই। দুইখো মাজত থিয় হৈ দেনিচভে কলে, "তোমালোক যেতিয়া কোনোমতে আপোচ নোহোৱা, আৰম্ভ কৰাই ভাল। পিস্তল লোৱা আৰু 'তিনি' বুলিলেই দুয়ো একেলগে আগবাঢ়ি আহিবা।" "এক! দুই! তিনি!" কুঁৱলীৰ মাজেৰে দুয়ো আগবাঢ়ি আহিল। পিয়াৰে কলে, "তেন্তে এতিয়া ইচ্ছা কৰিলে মই গুলী কৰিব পাৰোঁ।"

দুখোজ আগ বাঢ়ি গৈ পিস্তলটো সোঁহাতেৰে ভালকৈ ধৰি পিয়াৰে গুলী কৰিলে। পিস্তলৰ শব্দ শুনি পিয়াৰ চক খাই উঠিল। ধোঁৱা আৰু কুঁৱলীৰ কাৰণে আগৰ ফালে একোকে নেদেখা হ'ল। পিয়াৰ বৈ থাকিল, এতিয়া দলোহভৰ গুলী আহি তাক শেষ কৰিব।

বাওঁহাতখন কঁকালত দি আৰু সোঁহাতেৰে পিস্তলটো লৈ দলোহভ থলং পলংকৈ ধোঁৱাৰ মাজৰ পৰা ওলাল। তাৰ মুখখন শেঁতা। ৰোস্তভ লৰি গৈ তাক কিবা কলত দলোহভে কলে, "নাই, নাই, এতিয়াও শেষ হোৱা নাই।" দলোহভে খোজ কাঢ়িব নোৱাৰে। দুখোজমান আহিয়ে সি বৰফৰ ওপৰত বাগৰি পৰিল। বাওঁহাতখন তেজেৰে বাঙলি হৈছে। পিয়াৰৰ চকুৰ পানী ওলাল। সি দলোহভৰ ওচৰলৈ আহিল। দলোহভে কলে, "যোৱা, আঁতৰত থিয় হোৱা।" পিয়াৰ দহ খোজ আঁতৰত থিয় হ'ল। দলোহভে কোনোমতে মূৰটো দাঙি বহি লৈ পিস্তলটো দাঙি ধৰিলে। নেচভিটস্কি আৰু দেনিচভে পিয়াৰক পিস্তলৰ আগৰ পৰা আঁতৰ হবলৈ কলে। কিন্তু পিয়াৰে বেজাৰ মনেৰে দলোহভৰ ফালে চাই থাকিল—অকণো আঁতৰি নগ'ল। এই ভয়নক দৃশ্য

দেখি দেনিচভ, ৰোস্তভ আৰু নেচ্ভিটস্কিয়ে চকু মুদিলে। দলোহভৰ চিঞৰ আৰু গুলীৰ শব্দ শুনা গ'ল।

"নালাগিল" বুলি দলোহভ চিঞৰি উঠিল। তলমূৰা হৈ সি আকৌ বৰফত ঢলি পৰিল। পিয়াৰে দলোহভৰ মুখটো ভালকৈ থৈ কিবা কিবি বলকি হাবিত সোমাল। নেচ্ভিটস্কিয়ে তাক ধৰি ঘৰলৈ লৈ গ'ল। ৰোস্তভ আৰু দেনিচভে আহত দলোহভক আঁতৰাই নিলে।

দলোহভ গাড়ীৰ ভিতৰত চকু মুদি নিমাত হৈ পৰি থাকিল। গাড়ীখন মস্কো নগৰ পোৱাত হঠাতে তাৰ চেতনা হ'ল। ৰোস্তভ ওচৰতে বহি আছিল। দলোহভে কষ্টেৰে মুখটো দাঙি ৰোষ্টভৰ হাত এখনত ধৰিলে।

ৰোস্তভে সুধিলে, "কেনে পাইছা?"

দলোহভে লাহে লাহে কলে, "ভাল পোৱা নাই। তাৰ কাৰণে মোৰ দুখ নাই। মই এতিয়া ক'ত? মস্কোত নহয় জানো? মোৰ কাৰণে নাভাবোঁ। কিন্তু মই তেওঁক মাৰিলোঁ—তেওঁক মাৰিলোঁ—এই শোকে তেওঁক মাৰিব। তেওঁ সহ্য কৰিব নোৱাৰিব।"

ৰোস্তভে সুধিলে, "কোনে?"

ৰোস্তভৰ হাত দুখন মোহাৰি দলোহভে কান্দি কান্দি কলে, "মোৰ মা, মোৰ মা, মোৰ দেৱী আই!" অলপ সুস্থ হৈ দলোহভে ৰোস্তভক কলে যে সি মাকৰ লগত থাকে আৰু মাকে তাক এই মুমূৰ্ষু অৱস্থাত দেখিলে আৰু কেতিয়াও নাবাচে। এই দৃশ্যটো মাকে সহ্য কৰিব নোৱাৰিব। সেই কাৰণে মাকক খবৰটো আগতে দিবৰ কাৰণে সি ৰোস্তভক অনুৰোধ কৰিলে।

দলোহভৰ অনুৰোধ মতে ৰোস্তভ গ'ল। ৰোস্তভে জানি আচৰিত হ'ল যে দলোহভে তাৰ মাক আৰু এজনী কুঁজী ভনীয়েকৰ লগত মস্কোতে বাস কৰিছিল আৰু পুতেক আৰু ককায়েক হিচাপে বৰ মৰমিয়াল আছিল।

## তৃতীয় অধ্যায়

দ্বন্দ্বযুদ্ধৰ পিছদিনাখন ৰাতিপুৱা চাকৰটোৱে কফি দিবলৈ পঢ়া কোঠাত সোমাই দেখিলে পিয়াৰে হাতত এখন কিতাপ লৈ চোফা এখনত শুই আছে। হঠাতে পিয়াৰে চকু মেলি চালত চাকৰটোৱে কলে, "আপুনি ঘৰত আছে নে নাই, আইদেৱে সুধিছিল।"

কি কব পিয়াৰে ভাবি নৌপাওঁতেই হেলেন নিজে আহি কোঠাত সোমাল। হেলেনে আধুনিক ধৰণৰ নতুন পোছাক পিন্ধিছে কিন্তু তাইৰ মুখত খং। হেলেনে দ্বন্দ্বযুদ্ধৰ কথা শুনিছিল আৰু সেই বিষয়ে কবলৈ আহিছে। চাকৰটো নোযোৱালৈকে তাই কোনোমতে সংযত হৈ থাকিল। পিয়াৰে ভয় ভয়কৈ চচমাৰ ভিতৰেদি তাইলৈ এবাৰ চাই কিতাপখন পঢ়িবলৈ ধৰিলে। হেলেনে থিয় হৈ তাৰ ফালে চাই থাকিল। চাকৰটো গুচি গ'লত তাই মাত লগালে, "এইবোৰ আপুনি কি কৰিব ধৰিছে?"

পিয়াৰে ঘৈণীয়েকৰ ফালে চাই কলে, "কি? মই?"

"এই দ্বন্দ্বযুদ্ধৰ অৰ্থ কি? ইয়াৰ দ্বাৰাই আপুনি কি প্ৰমাণ কৰিব খুজিছে? কওক।"

পিয়াৰে মুখ মেলিলে কিন্তু একো কব নোৱাৰিলে।

"যদি নামাতে, তেন্তেময়ে কওঁ। আপুনি যি শুনে, তাকে বিশ্বাস কৰে। মানুহে কৈছে মই হেনো দলোহভৰ প্ৰেমত পৰিছোঁ—আৰু আপুনি তাকেই বিশ্বাস কৰিছে—এয়েতো কথা? দ্বন্দ্বযুদ্ধ কৰি আপুনি যে মূৰ্খ তাকেহে প্ৰমাণ কৰিছে। আপোনাক মূৰ্খ বুলি সকলোৱে জানে—তাকে আকৌ প্ৰচাৰ কৰিব লাগিছে কিয়? লাভৰ ভিতৰত এতিয়া মানুহে মোক হাঁহিব। মানুহে কব আপুনি মদপী, মদৰ নিচাত এইবোৰ অপকৰ্ম কৰিছে।"

খঙতে উত্তেজিত হৈ হেলেনে আকৌ চিঞৰি কলে, "আপুনি বিনা কাৰণে যিজন মানুহক হিংসা কৰিছে, সেইজন মানুহ আপোনাতকৈ শতগুণে শ্ৰেষ্ঠ।"

পিয়াৰে খং কৰি কিবা কলে।

হেলেনে তাৰ কথালৈ কাণ নকৰি আকৌ কবলৈ ধৰিলে, "মোৰ লগত তাৰ ভাল বুলি আপুনি কেনেকৈ বিশ্বাস কৰিলে? মই তাৰ লগত কথা পাতি ভাল পাওঁ। যদি এইটোৱেই একমাত্ৰ কাৰণ হয় তেন্তে তাৰ কাৰণে আপুনিয়ে দায়ী।

আপুনি যদি ভদ্র, বুদ্ধিমান হ'লহেঁতেন, আপোনাৰ লগত কথা পাতি বেছি ভাল পালোঁহেঁতেন।"

পিয়াৰে খঙেৰে কলে, "মোক কোনো কথা নকবা ; মনে মনে থাকা।"

"কেলেই নকম ? মোৰ অধিকাৰ আছে। এশবাৰ কম, হেজাৰবাৰ কম। আপোনাৰ নিচিনা মানুহৰ লগত বিয়া হলে যি কোনো ছোৱালীয়েই অইন মতাৰ প্ৰেমত পৰিব—নপৰাটোহে আচৰিত হব। তথাপি মই তেনে কাম কৰা নাই।"

পিয়াৰৰ অসহ্য হ'ল। সি হেলেনৰ ফালে চালে। এই অশান্তি দূৰ কৰাৰ উপায় পিয়াৰে ভালকৈ জানে কিন্তু ই অস্বাভাৱিক, অমানুষিক। কোনোমতে কলে, "আমি এৰাএৰি হোৱাই ভাল।"

"কোনো কথা নাই, মই প্ৰস্তুত, কিন্তু, মোক সম্পত্তি দিব লাগিব। ইঃ, মোক ভয় দেখুৱাইছে !"

পিয়াৰ চোফাৰ পৰা জাপ মাৰি থিয় হৈ কলে, "মই তোমাক খুন কৰিম।" এই বুলি কৈ মেজৰ পৰা শিল এডোখৰ লৈ হেলেনৰ ফালে এখোজ আগবাঢ়ি গ'ল।

হেলেনে চিঞৰ মাৰি পিচুৱাই আহিল। পিয়াৰে শিলডোখৰ জোৰেৰে মাটিত পেলাই দি চিঞৰিলে, "যোৱা।" লগে লগে হাত দুখন মেলি হেলেনক খেদি গ'ল। পিয়াৰৰ চিঞৰত গোটেই ঘৰখন কঁপি উঠিল ! হেলেন লৰমাৰি কোঠাটোৰ পৰা পলাই নোযোৱা হলে পিয়াৰে সেই মুহূৰ্তত কি যে কৰিলে-হেঁতেন ভগৱানেহে জানে।

এক সপ্তাহ পাছত মুঠ সম্পত্তিৰ আধাতকৈও বেছি আয় হোৱা জমিদাৰী একখণ্ড ঘৈণীয়েকৰ নামে লিখি দি পিয়াৰ অকলে পিটাৰ্চবাৰ্গ লৈ গ'ল।

দলোহভ আৰু বেচুখভৰ দ্বন্দ্বযুদ্ধত ৰোস্তভে যি অংশ গ্ৰহণ কৰিছিল বুঢ়া কাউন্টৰ যত্নত তাক গোপন কৰি ৰখা হ'ল। গতিকে নিকলয়ৰ পদৰ অৱনতি নহ'ল। মস্কোৰ ৰাজ্যপালৰ পৰিষদত এটা ভাল কাম পালে। এই নতুন কামটো হ'ল গোটেই জহকালটো সি মস্কোত থাকিবলগীয়া হ'ল। ঘৰৰ অইনবোৰৰ লগত সি গাঁৱলৈ যাব নোৱাৰিলে। দলোহভ লাহে লাহে আৰোগ্য হ'ল আৰু এতিয়া বিশেষকৈ ৰোস্তভেই তাৰ বন্ধু হ'ল।

# চতুৰ্থ অধ্যায়

অস্টাৰলিজৰ যুদ্ধত পৰাজয়ৰ খবৰ ব্লিক হাউচত পোৱাৰ দুমাহ হৈছে। কিন্তু প্ৰিন্স্ এণ্ড্ৰুৰ কোনো খবৰ নাই। সকলো ফালে খা-খবৰ কৰিও তাক পোৱা নগ'ল। বন্দীবিলাকৰ ভিতৰতো সি নাই। বাপেক আৰু ভনীয়েকৰ বিশেষ দুশ্চিন্তাৰ কাৰণ হ'ল—তেওঁলোকে এতিয়া আশা কৰি আছে হয়তো এণ্ড্ৰুক যুদ্ধক্ষেত্ৰৰ পৰা কোনো গাঁৱলীয়া মানুহে তুলি নিছে নিজৰ চিনাকি দিব পৰা নাই কাৰণে হয়তো অচিনাকি মানুহৰ মাজত, অযত্নত পৰি আছে। হয়তো বা লাহে লাহে ভাললৈ আহিছে। যিবোৰ বাতৰি কাকতত বুঢ়া প্ৰিন্সে অস্টাৰ-লিজৰ যুদ্ধৰ পৰাজয়ৰ বাতৰি পাইছিল—তাত মাত্ৰ লিখা আছিল যে ৰুছ বাহিনী বীৰত্বেৰে যুঁজি পিছ হুহকি আহিছে। চৰকাৰী ইস্তাহাৰৰ পৰা তেওঁ জানিছে যে ৰুছ বাহিনী পৰাজিত হৈছে। বাতৰি কাকতত খবৰ পোৱাৰ এক সপ্তাহ পাছত বুঢ়া প্ৰিন্সে কুতুজভৰ পৰা এখন চিঠি পায়।

কুতুজভে লিখিছিল—

"মোৰ চকুৰ আগতেই এটা সেনা বাহিনীৰ আগে আগে পতাকা লৈ গৈ আপোনাৰ লৰাই আপোনাৰ আৰু পিতৃভূমিৰ উপযুক্ত বীৰ সন্তানৰ দৰে প্ৰাণ আগ বঢ়াই দিছে। কিন্তু বৰ পৰিতাপৰ কথা তেওঁ মৰিছে নে জীয়াই আছে—এতিয়াও সঠিকভাৱে জানিব পৰা নাই। আপোনাৰ লৰা জীয়াই আছে বুলি আশা কৰি আছোঁ। তাৰেই মই সান্ত্বনা লভিছোঁ। আৰু সেই সান্ত্বনাকে আপোনাকো দিছোঁ। কাৰণ যুদ্ধত যিসকল কৰ্মচাৰী মৰিছে, তেওঁলোকৰ নামৰ তালিকা এখন শান্তি পতাকাধাৰী ফৰাচী দূতে মোক দি গৈছে। তাৰ ভিতৰত প্ৰিন্স্ এণ্ড্ৰুৰ নাম নাই। এয়ে ভৰসা।"

গধূলি যেতিয়া চিঠিখন পায় বুঢ়া প্ৰিন্স্ নিজৰ কোঠাত অকলে আছিল। পিছদিনা ৰাতিপুৱা নিয়মিতভাৱে ফুৰিবলৈ গ'ল কিন্তু চাকৰ, নাকৰ, মালী কাকো নামাতিলে। মেৰিয়া তেওঁৰ কোঠালৈ আহিলত বুঢ়াই অস্বাভাৱিক মাতেৰে কলে, "অ' মেৰিয়া!" দেউতাকৰ মুখখন দেখি মেৰিয়াই ভয় খালে। যেন দেউতাকে কিবা বেয়া খবৰ পাইছে—কাৰোবাৰ মৃত্যুৰ খবৰ পাইছে। মেৰিয়াই ফেঁকুৰি ফেঁকুৰি সুধিলে, "দেউতা! এণ্ড্ৰু?..."

প্ৰিন্সে কলে, "মই খবৰ পাইছোঁ। কুতুজভে লিখিছে সি বন্দীৰ ভিতৰত নাই, মৰাৰ ভিতৰতো নাই।

মেৰিয়া মূৰ্চ্ছা ন'গল। বাপেকৰ কথা শুনি তাই যেন স্বৰ্গীয় আনন্দ অনুভৱ কৰিলে।

মেৰিয়াই দেউতাকক ভয় কৰিবলৈ প্যাহৰি গ'ল। দেউতাকক হাতত ধৰি টানি আনি ভিড়িত সাৱটি ধৰি কলে, "দেউতা, আপুনি মোক এৰা নিদিব। তাৰ কাৰণে আমি দুয়ো একেলগে কান্দিম।"

বুঢ়াই চিঞৰিলে, "দগাবাজ, বদমাচ, সৈন্য ধ্বংস কৰিছে, মানুহ মাৰিছে! কেলেই? যা, যা, লিচাক খবৰটো দেগৈ।"

মেৰিয়া অসহায়ভাৱে ওচৰৰ এখন চকীত বহি কান্দিবলৈ ধৰিলে। ককায়েকে যেতিয়া তাইৰ আৰু লিচাৰ পৰা বিদায় লৈ যায়, সেই দৃশ্যটো তাইৰ মনত পৰিল। এণ্ড্ৰুৱে তাচ্ছিল্য কৰি যীশুৰ মূৰ্তিটো পিন্ধিছিল। "এতিয়া তেওঁৰ বিশ্বাস হৈছে তো? অবিশ্বাস কৰাৰ কাৰণে এতিয়া অনুতাপ কৰা নাই নে? এতিয়া হয়তো তেওঁ চিৰশান্তিৰ ৰাজ্যত আছে।" চকুৰ পানী টুকি টুকি বাপেকক সুধিলে, "দেউতা, কেনেকৈ কি হ'ল ক'ক।"

"যা, যা, ইয়াৰ পৰা। কছিয়াৰ বচা, বচা মানুহবিলাকক আৰু কছিয়াৰ গৌৰব ধ্বংস কৰিবলৈ সিহঁতে পঠাইছিল—পৰাজয়ত মৰিছে। যা মেৰিয়া, লিচাক খবৰটো দেগৈ। মই গৈছোঁ।"

মেৰিয়াই গৈ দেখে লিচাই হাতৰ কাম কৰি আছে। তাইৰ গৰ্ভত এটা সন্তান। অলপতে তাৰ জন্ম হ'ব। এই ৰহস্যটোৱে তাইৰ অন্তৰত বিমল আনন্দৰ সৃষ্টি কৰিছিল।

মেৰিয়াক দেখি লিচাই কলে, "তোমাৰ হাতখন দিয়া।" মেৰিয়াৰ হাতখন লিচাই নিজৰ তলপেটত থৈ কলে, "গম পাইছা নে? সেইটো, সেইটো। মোৰ বৰ আচৰিত লাগিছে। মই তাক বৰ মৰম কৰিম।" মেৰিয়াই আঠুকাঢ়ি বৌয়েকৰ কাপোৰৰ ভিতৰত মুখখন লুকুৱাই কেঁকুৰিবলৈ ধৰিলে।

"মেৰিয়া, তোমাৰ কি হৈছে?"

বৌয়েকৰ কাপোৰত চকুপানী মচি মেৰিয়াই কলে, "একো হোৱা নাই। এণ্ড্ৰুৰ কাৰণেহে বেয়া লাগিছে।" বাতিপুৱাৰ ভিতৰতে মেৰিয়াই কেবাবাৰো খবৰটো দিবৰ কাৰণে লিচাৰ ওচৰলৈ আহিছিল কিন্তু প্ৰত্যেক

বাবেই আগতে তাই কান্দি পেলায়। লিচাই এই কান্দোনৰ অৰ্থ একো বুজি পোৱা নাছিল। লিচাই বুঢ়া প্ৰিন্সক বৰ ভয় কৰিছিল। দুপৰীয়া খোৱাৰ আগতে বুঢ়া প্ৰিন্স্ অস্থিৰ চিত্তে তাইৰ কোঠালৈ আহিছিল কিন্তু একোকে নামাতি গুচি যায়। লিচাই মেৰিয়াৰ ফালে চাই হঠাতে কান্দি পেলালে।

"এণ্ড্ৰুৰ কিবা খবৰ পাইছা নেকি ?"

"নাই, এতিয়াও কোনো খবৰ অহা নাই। কিন্তু দেউতাৰ অশান্তি দেখি মোৰ ভয় লাগিছে।"

"তেন্তে তুমি একো শুনা নাই ?"

মেৰিয়াই গহীনাই কলে, "নাই, একো শুনা নাই।"

লিচাৰ প্ৰসৱ হবলৈ বেছি দিন নাই। সেই কাৰণে প্ৰসৱ নোহোৱালৈকে এই সাংঘাতিক খবৰটো লিচাক নিদিবলৈ মেৰিয়াই ভাবিছিল আৰু সম্প্ৰতি খবৰটো লুকাই থবলৈ বাপেককো অনুৰোধ কৰিছিল। বাপেক, জীয়েকে কোনোমতে সহ্য কৰি খবৰটো লিচাৰ পৰা লুকাই থৈছিল। বুঢ়া প্ৰিন্সে আশা এৰি দিছে। তেওঁ ধৰি লৈছে যে এণ্ড্ৰু মৰিছে, যদিও পুতেকৰ খবৰ কৰিবলৈ অস্টেলিয়ালৈ তেওঁ এজন কেৰাণী পঠাইছে। নিজৰ বাগিছাৰ ভিতৰত স্থাপন কৰিবৰ উদ্দেশ্যে বুঢ়াই পুতেকৰ এটা স্মৃতিস্তম্ভ মস্কোত তৈয়াৰ কৰিবলৈ দিলে। তেওঁ সকলোকে কলে যে তেওঁৰ পুতেক মৰিছে। তেওঁ দৈনন্দিন জীৱনৰ চলন-ফুৰণ একে ধৰণে ৰাখিবলৈ চেষ্টা কৰিছিল কিন্তু দিনে দিনে তেওঁৰ বল পৰি আহিল, বেছি দুৰ্বল হ'ল। ফুৰাচকা, খোৱা, টোপনি সকলো টুটি আহিল। মেৰিয়াই কিন্তু এতিয়াও আশা এৰি দিয়া নাই। তাই ককায়েকৰ কাৰণে প্ৰাৰ্থনা কৰে আৰু যি কোনো মুহূৰ্তত ককায়েক অহাৰ খবৰ পাব পাৰে বুলি আশা পালি আছে।

মাৰ্চ মাহৰ উনৈশ তাৰিখে ৰাতিপুৱা লিচাই মেৰিয়াক কলে, "মোৰ পেটটো আজি বৰ বিষাইছে। খোৱাৰ কিবা গোলমাল হ'ল।"

"এবা, তুমি শেঁতা পৰিছা, কি হৈছে ?"

ওচৰতে এজনী লিগিৰী থিয় হৈ আছিল। তাই মাত লগালে, "মেৰিয়া বোগদেনোভ্‌নাক মাতি পঠাম নেকি ?" মেৰিয়া বোগদেনোভ্‌না নগৰৰ এজনী ধাই। আজি এক পক্ষ ধৰি তাই ব্লিক হিলচ্‌ত আছে।

মেৰিয়াই কলে, "বোধকৰোঁ সেইটোহে। মই গৈ তেওঁক মাতি আনো। তুমি ভয় নকৰিবা বৌ।" মেৰিয়াই লিচাক চুমা খাই যাবলৈ ওলাইছিল কিন্তু

বাহিৰলৈ চাই ক'লে, "গাড়ীত কোনোবা আহিছে—লেমো আছে—নিশ্চয় ডাক্তৰ হব।"

মেৰিয়াই ক'লে, "ৰক্ষা, ভগৱানৰ দয়া! তেওঁ ৰুছভাষা নাজানে। মই যাওঁ।"

মেৰিয়াই গাত এখন কাপোৰ লৈ বাহিৰলৈ ওলাই দেখিলে গেটত এখন গাড়ী আৰু লেম। চিৰিৰে তললৈ নামি যাব খোজোঁতে, কাৰোবাক ওপৰলৈ উঠি অহা গম পালে আৰু এজনে কিবা কৈছে। মাতটো মেৰিয়াৰ চিনাকি যেন লাগিল।

"হে ভগৱান! আৰু দেউতা?"

বান্ধনিজনে ক'লে, "তেওঁ শুইছে।"

তেতিয়া সেই মানুহজনে আকৌ কিবা সুধিলে। বান্ধনিয়েও কিবা উত্তৰ দিলে। সিহঁত ক্ৰমাৎ আহি মেৰিয়াৰ ওচৰ পালেহি। মেৰিয়াই ভাবিলে, "এইজন এণ্ড্ৰু!" আকৌ ভাবিলে, "নহয়, হব নোৱাৰে, অসম্ভৱ।" এনেকৈ ভাবি থাকোঁতেই প্ৰিন্স্ এণ্ড্ৰু এটা নোমৰ কোট পিন্ধি মেৰিয়াৰ আগত ওলালহি। শঁচাকৈয়ে এণ্ড্ৰু হয়, কিন্তু শেঁতা আৰু দুৰ্বল। এণ্ড্ৰুৱে ভনীয়েকক সাৱটি ধৰিলে।

সি সুধিলে, "তেন্তে তুমি মোৰ চিঠি পোৱা নাই?" মেৰিয়াই মাত হেৰুৱাইছে। এণ্ড্ৰুৱে উত্তৰৰ কাৰণে বাট নাচাই ডাক্তৰৰ সৈতে ওপৰলৈ গ'ল। ডাক্তাৰজন এণ্ড্ৰুৰ পাচতে আছিল। বাটত দুয়োৰে দেখাদেখি হয়। এইখিনি একেলগে আহিছে।

"ভগৱানৰ কি লীলা! মই ঠিক সময়তে আহি পালোঁ।" বুলি কৈ কোটটো বাহিৰত সোলোকাই থৈ এণ্ড্ৰু লিচাৰ কোঠাত সোমাল।

লিচাই এখন সুন্দৰ চাকা বিচনাত শুই আছে। সম্প্ৰতি বেদনাৰ উপশম হৈছে। তাইৰ মুখত আকৌ হাঁহি ওলাইছে। দুই এডাল ক'লা চুলি তাইৰ গোলপীয়া মুখে, গালে লাগি আছে। এণ্ড্ৰুৱে ওচৰত থিয় হৈ তাইৰ মুখলৈ চালে। লিচাই আচৰিত হৈ এণ্ড্ৰুৰ ফালে চাই থাকিল। তাই একোকে মাতিব নোৱাৰিলে! কিন্তু তাইৰ চকুযুৰিয়ে যেন কৈছিল, "মই সকলোকে ভাল পাওঁ, মই কাৰো অন্যায় কৰা নাই—তথাপি মই ইমান কষ্ট পাইছোঁ কিয়? মোক সহায় কৰক।" ঠিক সেই সময়ত এণ্ড্ৰু আহি ওলোৱাৰ কাৰণ তাই বুজি নাপালে। এণ্ড্ৰুৱে লিচাৰ কপালত এটা চুমা খাই ক'লে, "মৰমৰ লিচা,

ভগৱান কৰুণাময়।" আগতে তেওঁ কেতিয়াও লিচাক এইদৰে সম্বোধন কৰা নাছিল। লিচাৰ চকুযুৰিয়ে কলে, "মই আপোনাৰ পৰা সহায় পাম বুলি আশা কৰিছিলোঁ কিন্তু একো নাপালোঁ—আপুনিও…।" এণ্ড্ৰু অহাৰ লগত তাইৰ প্ৰসৱ বেদনাৰ কোনো সম্পৰ্ক নাই। আকৌ থিৰ আৰম্ভ হ'ল। মেৰিয়া বোগদেনোভনাই এণ্ড্ৰুক বাহিৰলৈ যাবলৈ কলে।

ডাক্তৰ আহি কোঠাত সোমাল আৰু এণ্ড্ৰু ওলাই আহি মেৰিয়াৰ লগ ললে। দুয়ো ফুচফুচাই কথা পাতিবলৈ ধৰিলে।

অলপ পাছতে এণ্ড্ৰু লিচাৰ কোঠাৰ ফালে গৈ ওচৰৰ কোঠাটোত বহি থৈ থাকিল। এজনী তিৰোতা লিচাৰ কোঠাৰ পৰা বেগেৰে ওলাই গ'ল। এণ্ড্ৰুৱে হাত দুখনেৰে মুখখন ঢাকি বহি আছে। হঠাতে লিচাৰ কোঠাত চিঞৰ শুনি তেওঁ খপকৈ উঠি গৈ দুৱাৰখন টানিলে। কিন্তু ভিতৰৰ পৰা কোনোবাই কলে "এতিয়া আহিব নোৱাৰে।" দুৱাৰ খুলি নিদিলে। এণ্ড্ৰু কোঠাটোৰ আশেপাশে ঘূৰি-পকি থাকিল। চিঞৰ বন্ধ হৈছে। কেইমিনিটমান পাছতেই আকৌ এটা আৰ্তনাদ শুনা গ'ল। "এইটো তাইৰ চিঞৰ নহয়—তাই জানো এনেকৈ চিঞৰিব পাৰে ?" এণ্ড্ৰু দৰজাৰ ওচৰলৈ লৰি গ'ল। চিঞৰ নাই—এটি কেচুৱাৰ কান্দোন তেওঁ শুনিলে। এণ্ড্ৰু আচৰিত হ'ল, "কি ? তালৈ কেচুৱা নিছে নেকি ? কেচুৱা ? কেচুৱা তালৈ কিয় নিব লাগে ? নহয়, কেচুৱা উপজিল ?"

এই হৰ্ষ-বিষাদৰ অনুভূতিত তেওঁৰ চকুলো ওলাল। সক লৰাৰ নিচিনাকৈ তেওঁ ফেঁকুৰি ফেঁকুৰি কান্দিবলৈ ধৰিলে। এনেতে দুৱাৰখন মেলখালে। কোঠাটোৰ পৰা ডাক্তৰ ওলাই আহিল। তেওঁ এণ্ড্ৰুৰ ফালে চালে কিন্তু একোকে নামাতি গুচি গ'ল। তাৰ পাছত এজনী তিৰোতা ওলাই আহি এণ্ড্ৰুক দেখি দুৱাৰমুখতে থমকি ৰ'ল। এণ্ড্ৰু ঘৈণীয়েকৰ কোঠাত সোমাল। পাঁচ মিনিট আগতে লিচাক যি অৱস্থাত দেখিছিল এতিয়াও সেই অৱস্থাতে তাইৰ মৰা শটো পৰি আছে। ধুনীয়া মৰা চকুযুৰিয়ে যেন এতিয়াও কৈছে, "মই সকলোকে ভাল পাওঁ। কাৰো অন্যায় কৰা নাই, কিন্তু আপুনি মোৰ কি কৰিলে ?" কোঠাটোৰ একুকত মেৰিয়া বোগদেনোভ্‌নাৰ হাতত কিবা এটা সৰু ৰঙা বস্তুৱে শব্দ কৰিছে।

দুঘণ্টাৰ পাছত প্ৰিন্স্ এণ্ড্ৰু লাহেকৈ বাপেকৰ কোঠাত সোমাল। বাপেকে সকলো কথা আগতেই জানিছে। বুঢ়া দুৱাৰৰ ওচৰতে থিয় হৈ আছিল। দুই

হাতেৰে সঁৰাহৰ নিচিনাকৈ পুতেকৰ ডিঙিত সাবটি ধৰি বুঢ়াই সক লৰাৰ দৰে ফেঁকুৰিবলৈ ধৰিলে।

তিনি দিন পাছত লিচাক কবৰ দিয়া হ'ল। আৰু প্ৰিন্স্ এণ্ড্ৰুৱে ঘৈণীয়েকৰ পৰা শেহ বিদায় ললে। শৱাধাৰৰ ভিতৰতো মুখখন একে ধৰণে আছে। যদিও চকুযুৰি মুদ খাই আছে তথাপি মুখখনে যেন বিড়িয়াই কৈছে, “আপুনি মোৰ কি কৰিলে?” প্ৰিন্স্ এণ্ড্ৰুৱে অনুভৱ কৰিলে তেওঁৰ কলিজাৰ পৰা কিবা এডোখৰ যেন ছিঙি গ'ল। তেওঁ যেন ডাঙৰ পাপ কৰিলে যাক শুধৰাবৰ বা পাহৰিবৰ আৰু উপায় নাই। তেওঁ কান্দিব নোৱাৰা হ'ল। বুঢ়াই গৈয়ো মৰাশটোৰ হাতত চুমা খালে। বুঢ়াকো তাইৰ মুখখনে কৈছিল, “আপোনা-লোকে কিয় মোক এনে কৰিলে, কেলেই?” মুখখন দেখি বুঢ়া বিৰক্ত হৈ গুচি আহিল

আৰু পাঁচদিন পাছত কেচুৱাটোৰ নামকৰণ হ'ল—নিকলয় এণ্ড্ৰেইছ। ধাইজনীয়ে ঠুটবিলৈকে কাপোৰ আঁৰি ধৰিলে আৰু পুৰোহিতে হাঁহৰ পাখিৰে কেচুৱাটোৰ বগা, শোটমোচ খোৱা হাত আৰু ভৰিত তেল সানিলে।

ককাদেউতাকে কেচুৱাটোৰ ধৰ্মপিতাক আৰু মেৰিয়া ধৰ্মমাক হ'ল। ধৰ্মবাপেকে কঁপি কঁপি টিনৰ পাত্ৰটোৰ চাৰিও পাশে নি কেচুৱাটোক ধৰ্মমাকক দিলে। অনুষ্ঠান শেহ নোহোৱালৈকে এণ্ড্ৰু কাষৰ এটা কোঠাত বহি থাকিল। ধাইজনীয়ে কেচুৱাটোক এণ্ড্ৰুৰ ওচৰলৈ লৈ আহিল। কেচুৱাটোক দেখি এণ্ড্ৰুৱে বং পালে। ধাইজনীয়ে কলে যে পানীৰ পাত্ৰটোত পেলোৱা কেচুৱাটোৰ চুলি লাগি থকা অকণমান মম পানীত তল যোৱা নাই—ওপৰতে ভাহি আছে। এণ্ড্ৰুৱে মুৰ দোঁৱালে।

# পঞ্চম খণ্ড

## প্ৰথম অধ্যায়

উত্তৰাধিকাৰী সূত্ৰে প্ৰিন্স্ এণ্ড্ৰুৰ পুত্তেকে এখন জমিদাৰী পাইছিল। ১৮০৯ চনৰ বসন্তকালত প্ৰতিনিধি হিচাপে এণ্ড্ৰুৱে পুত্তেকৰ জমিদাৰী চাবলৈ ওলাল।

গাড়ীৰ ভিতৰৰ পৰা এণ্ড্ৰুৱে প্ৰাকৃতিক সৌন্দৰ্য্য চাই চাই গৈছে। মনত কোনো চিন্তা নাই। সেউজীয়া গছ-গছনি, বেলিৰ পোহৰ আৰু নিৰ্মল, নীলা আকাশখন দেখি তেওঁৰ বৰ ভাল লাগিছে। মনটো পাতল পাতল লাগিছে। গাঁৱৰ মাজেদি যাওঁতে বাটত বহুতো ধুনীয়া খেতিপথাৰ, বিল, নৈ, দলং, পাহাৰ দেখিলে। এনেকৈ গৈ গৈ এঠাইত দেখিলে আলিৰ দুয়োকালে ডাঙৰ গছৰ এখন বননি। তেওঁ গৈ বননিৰ ভিতৰত সোমাল। বননিৰ ভিতৰত অলেখ ৰকমৰ গছ, নতুন ফুল, নতুন পাত, চৰাই-চিৰিকটিবোৰ দেখি এণ্ড্ৰুৰ মনটো আনন্দত নাচি উঠিল। কিন্তু বননিৰ ভিতৰত মুকলি বতাহ নাই; গছৰ পাতাবোৰ লৰচৰ নকৰে। ঘোঁৰাবোৰেও গৰমত অস্বস্তি বোধ কৰিলে।

এই জমিদাৰী ভ্ৰমণৰ সময়তে প্ৰিন্স এণ্ড্ৰুৱে নিজৰ জীৱনৰ বিষয়ে আকৌ এবাৰ ভালকৈ ধীৰ-সুস্থিৰে ভাবি চালে। আৰু সিদ্ধান্ত কৰিলে যে এতিয়া নতুনকৈ কোনো কাম আৰম্ভ কৰা তেওঁৰ পক্ষে উচিত নহব। কামনাবিহীন হৈ, কাৰো অন্যায় নকৰাকৈ, একোকে ভয় নকৰি তেওঁ জীৱন যাপন কৰিব।

পুত্তেকৰ প্ৰতিনিধি হিচাপে জিলাৰ সামৰিক সৈন্যাধ্যক্ষৰ লগত দেখা কৰা এণ্ড্ৰুৰ আৱশ্যক হ'ল। তেতিয়াৰ সৈন্যাধ্যক্ষ আছিল কাউণ্ট ইলিয়া এণ্ড্ৰুভিচ ৰোস্তভ। সেই মাহৰ মাজ ভাগত প্ৰিন্স এণ্ড্ৰুৱে তেওঁক দেখা কৰিবলৈ গ'ল।

এতিয়া বসন্তকালৰ গৰম পৰিছে। গছৰ পাতবোৰ ডাঙৰ হৈছে। চাৰিওপিনে ধূলি। ইমান গৰম যে পানী দেখিলেই মানুহে গা ধুব খোজে।

ৰোস্তভইঁতৰ ঘৰ ওট্ৰাদ্‌নোত। এণ্ড্ৰু ঘোঁৰাৰ গাড়ীৰে তালৈকে যাওঁতা হ'ল। এণ্ড্ৰুৱে বাটে বাটে ভাবি গৈছে তেওঁৰ কামৰ বিষয়ে সেনাধ্যক্ষকনো কি কি সোধা ভাল হব। হঠাতে সোঁফালৰ গছৰ আঁৰত তেওঁ কেইজনীমান ছোৱালীৰ হাঁহি শুনিলে। তাৰ পাছত দেখিলে ছোৱালীবোৰে বাটলৈ তেওঁৰ গাড়ীৰ ফালে লৰি আহিছে। সকলোৰে আগত লৰি অহা ছোৱালীজনী

ক্ষীণ। তাইৰ চকু আৰু চুলিবোৰ ক'লা। তাইৰ পোছাকটো হালধীয়া আৰু মূৰত এখন বগা কমাল। ছোৱালীজনীয়ে কিবাকিবি চিঞৰি আহিছিল, কিন্তু অচিনাকি মানুহ বুলি জানি তেওঁৰ কালে নাচাই হাঁহি লৰি উভতি গ'ল।

হঠাতে কিবা কাৰণত প্ৰিন্স্ এণ্ড্ৰুৱে মনত অলপ বেজাৰ পালে। ইমান ধুনীয়া দিন, ইমান উজ্জ্বল বেলি, ক'তো বিষাদৰ ছাঁ নাই। সেই ধুনীয়া ক্ষীণ ছোৱালীজনীয়ে তেওঁৰ অস্তিত্বৰ কথা গমেই নাপালে। তেওঁৰ বিষয়ে জানিবলৈ ইচ্ছা নকৰিলে। কিন্তু তাইৰ নিজৰ জীৱনটো বৰ সুখত, আনন্দত কটাইছে। তাইনো কি কাৰণে ইমান আনন্দ পাইছিল ? কি ভাবিছিল ? তাই নিশ্চয় সামৰিক নিয়মাৱলী বা কৃষক সম্মিলনৰ কথা ভবা নাছিল। প্ৰিন্স্ এণ্ড্ৰু আচৰিত হ'ল, "তাইনো কি ভাবিছিল আৰু তাই ইমান সুখী কিয় ?"

কাউণ্ট ৰোস্তভৰ ঘৰত অলপতে এক জন্মোৎসৱ অনুষ্ঠিত হব। সেই কাৰণে আগধৰি বহুতো আলহী আহিছে। বুঢ়া কাউণ্ট আৰু তেওঁৰ ঘৈণীয়েকে এণ্ড্ৰুক ভালকৈয়ে আদৰ অভ্যৰ্থনা জনালে। কিন্তু ইমান মানুহৰ মাজত থাকি এণ্ড্ৰুৰ মুঠেই ভাল লগা নাছিল। দিনটোৰ ভিতৰত এণ্ড্ৰুৱে নাতাচালৈ কেবাবাৰো চাইছে। তাই সদায় সকলোবোৰৰ লগত হাঁহি ৰং-ধেমালি কৰিয়ে আছে। প্ৰত্যেক বাৰে এণ্ড্ৰুৱে মনতে ভাবে, "তাইনো কি ভাবিছে ? তাইনো কেনেকৈ ইমান সুখী হব পাৰিছে ?"

গধূলি এই নতুন ঠাইত অকলে সি বহুপৰলৈকে শুব নোৱাৰিলে। কিছু সময় কিতাপ পঢ়িলে, তাৰ পাছত চাকিটো নুমালে, পাছত আকৌ জ্বলালে। খিৰিকীবোৰ বন্ধ থকাৰ কাৰণে শোৱা কোঠাটো গৰম হৈছিল। বুঢ়া কাউণ্টলৈ এণ্ড্ৰুৰ পেটে পেটে খং উঠিল। কাৰণ কাউণ্টেহে তেওঁক আজি ৰখালে। এণ্ড্ৰুৱে খিড়িকী এখন খুলি দিলে। বাহিৰত উজ্জ্বল, নিজান ৰাতি। খিড়িকী খোলাৰ লগে লগে জোনৰ ৰূপালী পোহৰ কোঠাটোৰ ভিতৰত সোমাল যেনিবা ভিতৰলৈ সোমাবলৈ চেগ চাই বাহিৰত ৰৈহে আছিল। এণ্ড্ৰুৱে খিড়িকী এখনৰ বাটামৰ ওপৰত কিলাকুটি ছুটা থৈ বাহিৰলৈ চাইছে। এজোপা গছৰ এফাল এন্ধাৰ, এফাল পোহৰ। মাটিত ঘাঁহৰ ওপৰত নিয়ৰৰ টোপালবোৰ মুকুতাৰ দৰে জিক্‌মিক্ কৰি আছে। জোনৰ পোহৰত গছৰ পাতবোৰ পাটৰ কাপোৰৰ নিচিনা কৈ জিলিকিছে। গছৰ ওপৰত বসন্তকালৰ পূৰ্ণচন্দ্ৰই নিৰ্মল আকাশত হাঁহি আছে।

ওপৰ মহলাৰ এণ্ড্ৰুৰ ঠিক মূৰৰ ওপৰৰ কোঠাটোতো মানুহ সাৰ পাই

আছিল। মূৰৰ ওপৰৰ এই কোঠাটোত ছোৱালীবোৰে কথা পাতি থকা এণ্ড্ৰুৱে শুনিলে।

একজনীয়ে কৈছে, "আৰু এবাৰ।" এণ্ড্ৰুৱে মাতটো বুজি পালে। আইন একজনীয়ে কলে, "কিন্তু শুবা কেতিয়া ?"

"মই নোশোওঁ। মোৰ টোপনি নাহে। মই কি হব ? আহা, আৰু এবাৰ মাত্ৰ।"

ছোৱালী দুজনীয়ে গুন গুনকৈ গীত জুৰিলে।

"বৰ ধুনীয়া! বাৰু, হৈছে, এতিয়া শোওঁহঁক আহা। আৰু নালাগে।" প্ৰথম ছোৱালীজনী খিড়িকীৰ নিচেই ওচৰলৈ আহি কলে, "তুমি শোৱাগৈ। মোৰ টোপনি নাহে। মই নোশোওঁ।" ছোৱালীজনীয়ে নিশ্চয় খিড়িকীত আউজি মুখখন বাহিৰলৈ উলিয়াইছিল, কাৰণ এণ্ড্ৰুৱে তাইৰ পোছাকৰ শব্দ, এনেকি নিশ্বাসো শুনিলে। হঠাতে সকলো নিস্তব্ধ হ'ল। পাচে তেওঁ থকা বুলি গম পায় এই ভয়তে এণ্ড্ৰুৰ লৰচৰ কৰিবলৈ সাহস নহ'ল।

প্ৰথমজনীয়ে আকৌ আবেগেৰে মাতিলে, "চোনিয়া, চোনিয়া! তোমাৰ নো কেনেকৈ টোপনি আহে ? বাহিৰলৈ চোৱা। কি সুন্দৰ জোনাক! অপৰূপ দৃশ্য! উঠা, চোনিয়া, উঠা। সঁচাকৈয়ে এনেকুৱা বিতোপন ৰাতি আৰু কেতিয়াও হোৱা নাই।"

চোনিয়াই টোপনিৰ জালত কিবা কলে।

প্ৰথম ছোৱালীজনীয়ে আকৌ আগ্ৰহেৰে মাতিলে, "চোনিয়া, আহাঁচোন। এনে ৰাতি তোমাৰ টোপনি আহে, আচৰিত ছোৱালী! এনে ধুনীয়া দৃশ্য চাই হেঁপাহ নপলায়। আহা! চোৱা, কেনে সুন্দৰ জোন! মোৰ তালৈকে এনেকৈ উৰি যাবলৈ মন যায়। উৰা যাবি···।"

"চাবা, পৰিবা।"

ছোৱালী দুজনীৰ ভিতৰত টনাটনি লাগিল। তাৰ পাচত চোনিয়াই খং কৰি কলে, "ৰাতি এক বাজিছে, খবৰ আছে নে নাই ?"

"তুমি সকলো মাটি কৰিবা। মোৰ শুবলৈ অকণো মন যোৱা নাই। তুমি শোৱাগৈ, যোৱা।"

আকৌ নিস্তব্ধ। কিন্তু এণ্ড্ৰুৱে গম পালে যে তাই এতিয়াও তাতে বহি আছে। মাজে মাজে অলপ শব্দ, এটি হুমুনিয়াহ এণ্ড্ৰুৰ কাণলৈ ভাহি আহে।

হঠাতে তাই চিঞৰি উঠিল। "হে ভগৱান! কি হ'ল? তেৰ্ষে ভুক লাগিল, বাৰু শোওঁগৈ।" জোৰেৰে খিড়িকীখন জপালে।

এণ্ড্ৰেৰে ভাবে, "মই থকা নথকাৰ লগত তাইৰনো কি?" আকৌ ভাবে, ভয় খাই উঠে—"কিজানি তাই মোৰ কথা কয়! তাই হয়তো তাক মাতিবও পাৰে"—তাকে আশাপালি থিয় হৈ ৰ'ল। এইবোৰ ভাব তাৰ মনলৈ কিয় আহে, সি কব নোৱাৰে। এণ্ড্ৰেৰে হঠাতে অন্তৰত এটা নতুন যৌৱনৰ অনুভূতি পালে। কিন্তু এইটো কিহৰ কাৰণে হ'ল ভাবি নাপাই, সি শুই থাকিল।

পিচদিনা ৰাতিপুৱা এণ্ড্ৰেৰে কাউণ্টৰ পৰা বিদায় লৈ গুচি আহিল। মহিলা-সকলক মাত নলগালে।

জুন মাহৰ আগ ভাগত। প্ৰিন্স্ এণ্ড্ৰ আকৌ সেই বননিৰ মাজৰ ৰাস্তাৰে ঘৰলৈ উভতিল। গছে গছে সেউজীয়া পাত, বসন্ত ঋতু সম্পূৰ্ণৰূপে বিৰাজ কৰিছে। গোটেই দিনটো গৰম। অলপ আগতে কিনকিনিয়া বৰষুণ হৈছিল। সেই কাৰণে ৰাস্তাত তিমান ধূলি নাই। ছাঁ পৰাৰ কাৰণে বাওঁফালে হাবিখন এন্ধাৰ। সোঁফালে বতাহে উৰাই নিয়া বৰষুণৰ টোপালবোৰ ৰ'দত চিক্‌মিকাই উঠিছে। গছলতা সকলোতে ফুল ফুলিছে। অ'ত ত'ত 'নাইটেঙ্গল' চৰায়ে গীত জুৰিছে।

হঠাতে প্ৰিন্স্ এণ্ড্ৰেৰে বসন্তৰ নব-যৌৱন অন্তৰত অনুভৱ কৰিলে। অতীত জীৱনৰ ডাঙৰ ডাঙৰ ঘটনাবোৰ তাৰ স্মৃতিপটত উদয় হ'ল। অস্টাৰলিজ, মহান আকাশ, মৰাশবোৰ, ঘৈণীয়েকৰ শেহ কথাবোৰ, বোগুভইণ্ডৰ ঘৰত সেই জোনাক নিশাৰ কথা, সেই ছোৱালীজনী—সকলোবোৰ কথা একেলগে তাৰ মনলৈ আহিল।

সি ভাবিলে, "নহয়, একত্ৰিশ বছৰ বয়সত জীৱনৰ অন্ত নপৰে। মোৰ ভিতৰত কি আছে তাক অকল মই জানিলেই নহব, তাক সকলোৱে জানিব লাগিব। পিয়াৰ আৰু আকাশলৈ উৰি যাব খোজা সেই ছোৱালী-জনী—সকলোৱে মোক জানিব লাগিব। অকল মোৰ কাৰণেই মোৰ জীৱনটো নহয়। মোৰ জীৱনৰ পৰা সিহঁত আঁতৰত থকা উচিত নহয়। মোৰ জীৱনৰ ছাপ সিহঁতৰ গাত পৰিব লাগিব। মোৰ লগত সিহঁতেও মোৰ জীৱনৰ ভাগ লব লাগিব।"

এই ভ্ৰমণৰ পাছত ঘৰলৈ আহি—অহা হেমন্ত ঋতুত প্ৰিন্স্ এণ্ড্ৰেৰে পিটাৰ্চবাৰ্গলৈ যাবলৈ মনস্থ কৰিলে।

# দ্বিতীয় অধ্যায়

পিয়াৰে তাৰ জমিদাৰী চাই চিতি ১৮০৮ চনৰ আগ্‌ভাগতে পিটাৰ্চবাৰ্গলৈ উভতি আহিছে। তাৰ স্বভাৱ-চৰিত্ৰৰ কোনো পৰিবৰ্তন ঘটা নাই। আগৰ দৰে অসংযতভাৱে দিন নিয়াইছে। খোৱা-লোৱাত, সুৰাপানত অত্যধিক আসক্ত হোৱাটো বেয়া বুলি পিয়াৰে ভাবে। কিন্তু ডেকাদলৰ হাতত পৰি সি প্ৰলোভনৰ হাত সাৰিব পৰা নাই। অবিবাহিত ডেকাবোৰেই এতিয়া তাৰ লগৰীয়া।

সেই সময়তে সি হেলেনৰ পৰা এখন চিঠি পালে। হেলেনে দহোকুৰি তাক মাতি পঠাইছে। হেলেনে তাৰ কাৰণে বৰ দুখ কৰিছে। এতিয়া তাই গোটেই জীৱনটো তাক সেৱা কৰি কটাব খুজিছে। চিঠিখনৰ শেহত লিখিছে যে দুই এদিনৰ ভিতৰতে তাই পিটাৰ্চবাৰ্গ ওলাবহি।

ঠিক সেই সময়তে শাহুৱেক প্ৰিন্স্ বাচিলৰ ঘৈণীয়েকেও পিয়াৰক মাতি পঠাইছে। কিবা এটা গুৰুবী কথাৰ আলোচনাৰ কাৰণে কেইমিনিটমানৰ কাৰণে পিয়াৰক আহিবলৈ অনুৰোধ কৰিছে। পিয়াৰে বুজি পালে যে ইয়াৰ ভিতৰত ষড়যন্ত্ৰ আছে। তাক ঘৈণীয়েকৰ লগত মিল কৰি দিব খুজিছে। কিন্তু বৰ্তমান মনৰ অৱস্থাত সি কথাটো বেয়া নাপালে। তাৰ কোন লাভ-লোকচান নাই। পিয়াৰে জীৱনৰ কোনো কথাতে গুৰুত্ব নিদিয়ে। এতিয়া সি হতাশ হৈছে। নিজৰ স্বাধীনতা বা নিজ খুচিমতে ঘৈণীয়েকক শাস্তি দিয়া—সকলো অৰ্থহীন। সি ভাবিলে, "কোনো দোষী নহয়; কোনো নিৰ্দোষ নহয়। গতিকে তাইকো দূষিব নোৱাৰি।" কিন্তু ঘৈণীয়েকৰ লগত মিল হবলৈ পিয়াৰে তৎক্ষণাত সম্মতি নিদিয়ে। তাৰ একমাত্ৰ কাৰণ হ'ল, পিয়াৰৰ মনত যি নৈৰাশ্য আহিছিল—সেই অৱস্থাত মানুহে কোনো কৰ্মপন্থা বাচি লব নোৱাৰে। ঘৈণীয়েক অহা হলে সি কেতিয়াও তাইক খেদি দিব নোৱাৰিলেহেঁতেন। ঘৈণীয়েক লগত থকা, নথকা দুয়ো সমান।

পিয়াৰে ডায়েৰীত লিখিছিল—"পিটাৰ্চবাৰ্গ, নবেম্বৰ ২৩—

পত্নীৰ লগত মোৰ আজি আকৌ মিলন হ'ল। শাহুৱে হেলেনক লৈ মোৰ ইয়ালৈ আহি চকুপানী টুকি টুকি কলে যে হেলেনৰ কোনো দোষ নাই। মই এৰি দিয়াৰ পৰা তাইৰ জীৱনটো বৰ দুখ লগা হৈছে আৰু

বহুতো কিবাকিবি কৈ হেলেনৰ লগত মিল হ'বলৈ মোক অনুৰোধ কৰিলে। হেলেন বেলেগ এটা কোঠাত বৈ আছিল। মই জানিছিলোঁ যে যদি মই তাইক দেখা কৰো তাইৰ অনুৰোধ নাৰাখি মই নোৱাৰিম। মই বিমোৰত পৰিলোঁ—কাৰনো সহায়, উপদেশ লওঁ? মই মোৰ কোঠালৈ গলোঁ। অকলে অকলে ভাবি ঠিক কৰিলোঁ যে অনুগ্ৰহপ্ৰাৰ্থীক বিমুখ কৰা উচিত নহব। সকলোকে সহায় কৰা উচিত; বিশেষকৈ তাইৰ লগত মোৰ ঘনিষ্ঠ সম্বন্ধ আছে। কিন্তু ন্যায়ৰ খাটিৰত যদি মই তাইক ক্ষমা কৰো আমাৰ মিলন আধ্যাত্মিক ধৰণৰ হব লাগিব। ইয়াকে ঠিক কৰি মই হেলেনক কলোঁ—"অতীতৰ সকলো কথা পাহৰি যোৱা। মই তোমাৰ প্ৰতি যি অন্যায় অবিচাৰ কৰিছো তাৰ কাৰণে মোক ক্ষমা কৰা। মই তোমাক ক্ষমা কৰিবলৈ একো নাই।" এইখিনি কথা কব পাৰি মই বৰ আনন্দ পাইছিলোঁ। তাইক আকৌ দেখি মই যে কিমান বেয়া পাইছিলো—সেই কথাটো যেন তাই কেতিয়াও গম নাপায়। আমাৰ প্ৰকাণ্ড ঘৰটোৰ ওপৰৰ কোঠাত মই থাকিবলৈ লৈছো। আকৌ নতুনকৈ জীৱন আৰম্ভ কৰি সুখ অনুভৱ কৰিছো।"

সেই সময়ত সম্ভ্ৰান্ত সম্প্ৰদায়ৰ মানুহবিলাক অভিৰুচি অনুসৰি বেলেগ বেলেগ দলত বিভক্ত হৈছিল। তাৰ ভিতৰত নেপোলিয়নৰ লগত সন্ধি সমৰ্থন কৰা ফৰাচী কেন্দ্ৰটোৱেই আছিল আটাইতকৈ ডাঙৰ দল। পিটাৰ্চবাৰ্গত পিৰিয়েকৰ ঘৰলৈ আহি হেলেনে এই কেন্দ্ৰত বিশেষ অংশ গ্ৰহণ কৰিলে। এই দলটোৰ ভিতৰত বহুতো বুদ্ধিমান, ভদ্ৰ মানুহ আৰু ফৰাচী ৰাজদূত সকলক হেলেনে অভ্যৰ্থনা কৰে।

সম্ৰাটসকলে যেতিয়া লগলাগি সন্ধিস্থাপন কৰে হেলেন তেতিয়া এৰফাৰ্টত আছিল আৰু তাতেই নেপোলিয়নৰ সমৰ্থকদলৰ ইউৰোপৰ বহুতো ডাঙৰ ডাঙৰ মানুহৰ লগত তাই ঘনিষ্ঠ সম্বন্ধ স্থাপন কৰে। এৰফাৰ্টত তাই যশস্যা আৰ্জিছিল। থিয়েটাৰত তাইক দেখি নেপোলিয়নে নিজে "এওঁ কোন" বুলি সুধিছিল আৰু তাইৰ সৌন্দৰ্য্যৰ প্ৰশংসা কৰিছিল। হেলেনে ৰূপহী বুলি সুখ্যাতি লাভ কৰাত পিয়াৰ আচৰিত হোৱা নাই, কাৰণ বয়সৰ লগে লগে তাইৰ ৰূপ চৰিহে গৈছে। কিন্তু যোৱা দুই বছৰৰ ভিতৰত হেলেনে অকল ৰূপহীয়ে নহয় বুদ্ধিমতী বুলিও খ্যাতি লাভ কৰাতহে পিয়াৰ আচৰিত হৈছে। কাউণ্টেছ বেচুখভৰ চৰাঁলৈ নিমন্ত্ৰণ পোৱা সকলক জ্ঞানী মানুহ বুলি ধৰি লোৱা হয়। হেলেনৰ মেলত ডেকাবিলাকে গধুৰ বিষয়ৰ ৰচনা পাঠ কৰে, ৰাজদূত সকলে

গোপনীয় ৰাজনৈতিক কথাবোৰো হেলেনক কয়। এইদৰে হেলেনে বিশেষ ক্ষমতাও লাভ কৰিছে। পিয়াৰে কিন্তু জানিছিল যে হেলেনৰ নিচিনা মূৰ্খ আৰু নাই। সেই কাৰণে আচৰিত হৈ ভয় ভয়কৈ পিয়াৰে মাজে সময়ে হেলেনৰ ভোজ আৰু মেলত ৰাজনীতি, কবিতা আৰু দৰ্শনৰ আলোচনা শুনে। কৌশল ধৰা পৰে বুলি এই মেলবোৰত পিয়াৰ যাদুকৰৰ দৰে ভয় ভয়কৈ থাকে।

এনেকুৱা মেলৰ আয়োজনৰ কাৰণে বোধকৰো মূৰ্খতাহে দৰকাৰ। নাইবা প্ৰৱঞ্চিত হোৱা বোৰে বোধকৰো প্ৰৱঞ্চিত হৈয়ে ভাল পায়। প্ৰৱঞ্চক ধৰা নপৰে। হেলেনৰ সুখ্যাতি ইমান বাঢ়িল যে তাই মূৰ্খৰ দৰে অভদ্ৰ, অযুক্তিকৰ কথা কলেও মানুহ তাৰ গভীৰ ব্যাখ্যা কৰে। হেলেনে হয়তো সপোনতো তেনে অৰ্থৰ কথা ভৰা নাছিল।

এই আধুনিক ছোৱালী জনীৰ কাৰণে পিয়াৰ উপযুক্ত স্বামী আছিল। সি সকলো বিষয়তে উদাস, নিৰ্বিকাৰ, কাৰো কামত হকাবধা নিদিয়ে। তাৰ ঘৰত যিবোৰ আলোচনা তাক বেয়া পোৱাৰ কোনো প্ৰশ্নই নুঠে। যোৱা দুই বছৰৰ পৰা পিয়াৰে অকলে অপাৰ্থিৱ বস্তুৰ বিষয়েহে চিন্তা কৰে, আইন সকলো বস্তুকে ঘিণ কৰে। পিয়াৰৰ উদাসীনতা, সকলোৰে প্ৰতি সমান ব্যৱহাৰ দেখি সকলোৱে স্বাভাৱিকতে তাক সন্মান কৰে। ঘৈণীয়েকৰ বহা ঘৰটোক পিয়াৰে ৰঙ্গমঞ্চ বুলি ভাবে। সি আহি সকলোৰে লগত চিনাকি হয়, সকলোৰে লগত ভদ্ৰ ব্যৱহাৰ কৰে আৰু সকলোৰে প্ৰতি উদাসীন। ভাল লাগিলে কেতিয়াবা সি আলোচনাত যোগ দিয়ে। কাকো ভ্ৰূক্ষেপ নকৰি পিয়াৰে তাৰ মতামত কৈ যায়—বৰ্তমান সময়ৰ লগত খাপ নোখোৱা কথাও কয়। তথাপি সৰালি স্বভাৱৰ কাৰণে মানুহে তাক বেয়া নাপায়।

# তৃতীয় অধ্যায়

১৮১০ চনৰ নতুন বছৰৰ আগদিনা ডিচেম্বৰৰ ৩১ তাৰিখে এজন ডাঙৰ মানুহৰ ঘৰত বলনাচ হব। তাত জাৰ আৰু বহুতো সম্ভ্ৰান্ত মানুহ উপস্থিত থাকিব।

তিনি ভাগৰ এভাগ আলহী আহিছেই। ৰোস্তভ পৰিয়াল নবালবিকৈ সাজু হব ধৰিছে।

এই বলনাচ লৈ ৰোস্তভ পৰিয়ালত বহুতো আলোচনা, আয়োজন হৈছে। ভয়ো হৈছে হয়তো তেওঁলোকে নিমন্ত্ৰণ নাপাবও পাৰে, পোছাক-বোৰ তৈয়াৰ নহব, হয়তো মূৰামূৰি সময়ত উপযুক্ত ভাবে সাজু হৈ ওলাব নোৱাৰিব।

মেৰিয়া ইগনাটিভনা পেৰনস্কি ৰাজপৰিষদৰ এগৰাকী পুৰণি সহচৰী। তেওঁ ৰোস্তভ গৃহিণীৰ বান্ধৱী আৰু সম্বন্ধীয়া। তেৰেঁ ৰোস্তভ পৰিয়ালক বলনাচলৈ লৈ যাব। পিটাৰ্চবাৰ্গৰ ডাঙৰ ডাঙৰ সমাজ বোৰলৈ তেৰেঁ ৰোস্তভ পৰিয়ালক লৈ যায়।

দহ বজাত গৈ পেৰনস্কিক ঘৰৰ পৰা লৈ যোৱাৰ কথা আছিল। কিন্তু এতিয়া দহ বাজিবলৈ পাঁচ মিনিট মাত্ৰ আছে—গাভৰুইঁতৰ পোছাক কৰাই হোৱা নাই।

নাতাচা আজি প্ৰথম ডাঙৰ বল নাচলৈ যাব। তাই আজি ৰাতি-পুৱা আঠ বজাতে উঠিছে আৰু গোটেই দিনটো ব্যস্ত, তাইৰ গাত ভত নাই। ৰাতিপুৱাৰ পৰা তাইৰ একমাত্ৰ চিন্তা হৈছে, তাই, মাক আৰু চোনিয়াই কেনেকৈ ভালতকৈও ভাল সাজপাৰ পিন্ধি যাব পাৰে। চোনিয়া আৰু মাকৰ পোছাকো নাতাচাইয়ে বাছি দিলে। মাকে বঙা আৰু ছোৱালী দুজনীয়ে বগা ফুলাম পোছাক পিন্ধিব।

সকলো লাগতিয়াল বস্তু যোগাৰ হ'ল। বল নাচলৈ যাবৰ কাৰণে হাত, ভৰি, ডিঙি, নাক, কাণ, ধুলে ; এচেন্স, পাউদাৰ ভালকৈ ঘঁহিলে। চিল্কৰ মোজা, বগা ফুলাম জোতা পিন্ধিলে। কেশবিন্যাস হ'ল। চোনিয়া আৰু মাক সাজি-পৰি প্ৰায় ওলাল, কিন্তু নাতাচা পিচ পৰিল। কাৰণ

তাই আগতে মাকহঁতকহে সজাই-পৰাই দিলে। তাই এতিয়া আয়নাৰ আগত বহি মুখখন চাই আছে। চোনিয়াই শাজি-পাৰি কোঠাটোৰ মাজত থিয় হ'ল। বিবনত এটা পিন মাৰোতে চোনিয়াৰ আঙুলিত খোচ খালে।

নাতাচাই দুই হাতেৰে চুলিটাৰি ধৰি, মুখ ফিৰাই ক'লে, "চোনিয়া, বিবন এনেকৈ নিপিন্ধে। এইফালে আহা।" লিগিৰীজনীয়ে নাতাচাৰ চুলিকোচা ধৰিলে। নাতাচাই বিবনৰ পিনটো মাৰি দিলে

এনেতে মাকে মাত লগালে, "তোমালোকৰ হ'ল নে? আৰু এক মিনিট হলেই দহ বাজিব।"

"এই হ'ল আৰু···আপোনাৰ হ'ল নে?"

"মোৰ অকল টুপীটো পিন্ধিলেই হ'ল।"

"নাতাচাই ক'লে, "আপুনি নিপিন্ধিব, আপুনি টুপী পিন্ধিব নাজানে, মই পিন্ধাই দিম।"

"কিন্তু দহ বাজিল।"

চাৰে দহ বজাত নাচত উপস্থিত হব লাগিব। নাতাচাই এতিয়াও পোছাক পিন্ধিবলৈ আছে। আৰু সিহঁত পেৰনস্কিৰ ঘৰলৈ যাব লাগিব।

নাতাচাই চোনিয়াৰ ফালে এবাৰ ভালকৈ চাই মাকৰ কোঠালৈ লৰি গ'ল। মাকক টুপীটো পিন্ধাই দি, চুমা খাই গুচি আহিল।

ইপিনে লিগিৰীবোৰে নাতাচাৰ পোছাক ঠিক কৰাত লাগিছে। বাহিৰৰ পৰা কাউণ্টে মাত লগালে, "তোমালোকে সোনকাল কৰা। পেৰনস্কিৰ চাগৈ বৈ বৈ আমনি লাগিছে।"

লিগিৰীবোৰে পোছাকটো চাই-চিতি সাজু কৰি দিলে। নাতাচাই পিন্ধিবলৈ ধৰিলে। নাতাচাই বাপেকক কলে, "আৰু এক মিনিট! আপুনি ভিতৰলৈ নাহিব, দেউতা!" চোনিয়াই দৰজাখন জপালে। এক মিনিট পাচত দুৱাৰখন মেলি দিলে। কাউণ্ট ভিতৰলৈ আহিল। ডেওঁ নীলা পোছাক পিন্ধিছে। গোটেই গাটো মলমলাই আছে। নাতাচাই ক'লে, "দেউতা, আপোনাক আজি সঁচাকৈয়ে বৰ ধুনীয়া দেখা গৈছে।" লিগিৰীবোৰে নাতাচাৰ পোছাকটো ঠিক কৰি দিছে।

এনেতে মাক লাহে লাহে কোঠাটোলৈ সোমাই আহিল। ধৈণীয়েকক দেখি কাউণ্টে ক'লে, "কি সুন্দৰ সাজিছে! তোমালোকতকৈ এওঁকহে ভাল দেখা হৈছে!" কাউণ্টে ধৈণীয়েকক চুমা খাব খুজিছিল কিন্তু ধৈণীয়েক

লাজতে আঁতৰি গ'ল। নাতাচাই ক'লে, "মা, টুপীটো হেলনীয়াকৈ পিন্ধিব লাগে। বাৰু মই ঠিক কৰি দিওঁ।"

বুঢ়ী ধাইজনীয়ে ক'লে, "নাতাচা আজি ৰাণী হৈছে, চোনিয়াকো ধুনীয়া দেখি।" দহ বাজি পোন্ধৰ মিনিট যোৱাত তেওঁলোক গাড়ীত উঠি যাওঁতা হ'ল।

পেৰনষ্কি সাজু হৈ ৰৈ আছে। যদিও বয়স হৈছে আৰু দেখিবলৈও কুৎসিত তথাপি বোতভইতৰ দৰে তেৰোঁ আজি দিনটো সাজপাৰ লৈহে ব্যস্ত আছিল। কোনো সভা-সমিতিলৈ গলে হাত, ভৰি, নাক, মুখ ভালকৈ ধুই, এচেন্স, পাউদাৰ সানি, ভালকৈ সাজপাৰ পিন্ধি যোৱাটো তেওঁৰ অভ্যাস। লিাগৰীজনীয়ে তেওঁৰ পোছাকটো বৰ বখানিছে। পেৰনষ্কিয়ে বোতভইতৰ সাজ-পাৰক প্ৰশংসা কৰিলে। তেওঁলোকে পেৰনষ্কিৰ পোছাকটো ধুনীয়া বুলি কলে। এবাৰ বজাত তেওঁলোক গাড়ীত উঠিল।

বলনাচত নো কি হব—এই কথাটো ভাবিবলৈ নাতাচাই দিনটোৰ ভিতৰত এক মিনিটো আজৰি পোৱা নাই। এতিয়া গাড়ীৰ ভিতৰত তাই বলনাচৰ কথা ভাবিলে। ঘৰটো কেনেকৈ সজাইছে? তাত নাচ, গান হব। জাৰ আৰু পিটাৰ্চবাৰ্গৰ বহুতো ভাল ভাল ডেকা আহিব। তাইৰ ভাগ্যতনো আজি কি আছে! বডা কাপোৰৰ ওপৰেদি খোজ কাঢ়ি যাওঁতে তাই ভাবিলে বলনাচত গহীন গম্ভীৰ হৈ থাকিব লাগে। কিন্তু তাইতো তেনেকৈ থাকিব নোৱাৰে। তাইৰ অন্তৰখন কঁপি উঠিল। বুকুখন ধপ্ ধপ্ কৰিবলৈ ধৰিলে।

তাই নিজৰ স্বভাৱটো লুকাই ৰাখিব নোৱাৰে। তাইৰ আগে পাছে বলনাচৰ পোছাক পিন্ধি আলহীবোৰ গৈছে। চিৰিত থকা আয়নাত কিমান বং-বেৰঙৰ পোছাক পিন্ধা তিৰোতাৰ ছবি প্ৰতিফলিত হৈছে। নাতাচাই নিজৰ মুখখন চালে। সকলোকে একে দেখি।

প্ৰথম কোঠাটোৰ দুৱাৰমুখত বহুতো মানুহৰ সমাগম হৈছে। তাতে গৃহস্থ আৰু গৃহিণীয়ে অতিথি অভ্যাগতসকলক একে কথাৰে অভ্যৰ্থনা জনাইছে। পেৰনষ্কি আৰু বোতভ পৰিয়ালকো একে কথাৰে অভ্যৰ্থনা জনালে। কিন্তু গৃহিণীয়ে নাতাচাক দেখি অলপ বেলেগ ধৰণে হাঁহিলে ; অকল অভ্যৰ্থনাৰ হাঁহি নহয়। আৰু নাতাচাৰ ফালে বেছি পৰ চালে। হয়তো তেওঁৰ নিজৰ ছোৱালীকালৰ কথা, প্ৰথম বলনাচৰ কথা মনত পৰিছে। গৃহস্থয়ো কাউন্টক 'এইজনী তেওঁৰ ছোৱালী নেকি' বুলি সুধিলে।

নাচঘৰৰ দুৱাৰমুখত আলহীসকলে জাবৰ কাৰণে অপেক্ষা কৰি আছে। ষোত্তত গৃহিণী আগশাৰীত থিয় হৈছে। নাতাচাৰ কাণত পৰিল—বহুতে তাইৰ কথা কোৱামেলা কৰিছে—সেইজনী কোন? আৰু বহুতে তাইৰ ফালে চাইছে। তাই গম পালে যে মানুহে তাইক ভুকুত লগা বুলি কৈছে। নাতাচাই ভাল পালে।

পিয়াৰৰ চিনাকি মুখখন দেখি নাতাচাৰ ভাল লাগিল। তাই গম পালে যে এই জনতাৰ মাজত পিয়াৰে সিহঁতকে—বিশেষকৈ তাইক বিচাৰিছে। পিয়াৰ বলনাচলৈ আহিব বুলি তাইক কথা দিছিল আৰু নাচিবলৈ সঙ্গীও গোটাই দিব বুলি কৈছিল। তেওঁলোকৰ ওচৰ পোৱাৰ আগতে পিয়াৰ এজন বগা পোছাক পিন্ধা ধুনীয়া মানুহৰ ওচৰত থিয় হ'ল। নাতাচাই সেই বগা পোছাক পিন্ধা মানুহজনক তৎক্ষণাত চিনি পালে—এওঁ বলকনস্কি। নাতাচাই এওক আগতকৈ কম বয়সৰ, বেছি সুখী, বেছি ধুনীয়া যেন দেখিলে। নাতাচাই মাকক ক'লে, "মা, আমাৰ চিনাকি মানুহ আৰু এজন আছে—বলকনস্কি। সৌজন, দেখিছেনে? আপোনাৰ মনত পৰে নে? তেওঁ ওট্রেদণোত আমাৰ ঘৰত এৰাতি আছিল।"

এনেতে জাৰ আহি পালে। আলহীবোৰ দুই শাৰী হৈ জাৰক বাট কৰি দিলে। আৱাহনৰ ঐক্যতান বাজি উঠিল। জাৰৰ পাছে পাছে গৃহস্থ আৰু তেওঁৰ ঘৈণীয়েক গৈছে। জাৰে সোঁফালে, বাওঁফালে আলহীবোৰৰ অভিবাদন গ্ৰহণ কৰিলে। জাৰে বহা কোঠাত সোমাই ঘৰৰ গৃহস্থনীৰ লগত কথা পাতিবলৈ ধৰিলে। দুৱাৰমুখত বহুতো আহি জমা হ'ল। এজন ডেকা আহি তেওঁলোকক আঁতৰাই দিলে। তথাপি কিছুমানে হেচাঠেলা কৰিও দূৰৈৰ পৰা জাৰৰ মুখখন চাই গ'ল। পুৰুষ সকলে একো গৰাকী মহিলা বাচি ললে আৰু নাচিবলৈ কেবাযোৰো সাজু হ'ল।

নাতাচাই ভাবিলে যে ইমান ভিৰোতা মানুহৰ ভিতৰত সিহঁত বোধকৰোঁ কাৰো চকুত নপৰিব—নাচিবলৈ সিহঁতক কোনেও নামাতিব। নাচৰ আয়োজন দেখি তাইৰ ভালো লাগিল, বেয়াও লাগিল। বুকুখন ধপ্ ধপ্ কৰিবলৈ ধৰিলে। পেৰনস্কিয়ে জাৰৰ কথা কৈছে, ডাঙৰ ডাঙৰ মানুহসকলক আঙুলিয়াই দেখুৱাইছে কিন্তু নাতাচাৰ মনত কোনো কথাই ধৰা নাই। তাইৰ একমাত্ৰ চিন্তা হৈছে, "তাইক জানো নাচিবলৈ কোনেও নামাতিব? ইমান মানুহৰ ভিতৰত কাৰো চকুত নপৰিব নে? হবই নোৱাৰে। মই ধুনীয়াকৈ নাচিব

জানো, মোৰ লগত নাচি মানুহে ভাল পাব। মোৰ নাচিবলৈ ইমান হেঁপাহ, মানুহে নিশ্চয় জানিব লাগিব।" বাজনাৰ চেওৱে চেওৱে আনৰ নাচ দেখি নাতাচাৰ কান্দিবলৈ ইচ্ছা হ'ল।

নাচৰ তিনি পৰ্ব হৈ গ'ল। আৰে তিনিগৰাকীৰ লগত নাচিলে। এতিয়া আৰু এগৰাকীৰ লগত নাচিবলৈ থিয় হৈছে। এনেতে এজন ৰাজৰক্ষী বাহিনীৰ কৰ্মচাৰী বোল্কভইতৰ ওচৰলৈ আহি তেওঁলোকক অলপ পিচুৱাই বহিবলৈ কলে। কিন্তু পিচুৱাবলৈ আৰু ঠাই নাই—তেওঁলোক দেৱালত গা লগাই বহিছে। আৰে হাঁহি হাঁহি চাৰিওফালে চালে ; কোনেও নাচিবলৈ ধৰা নাই। সেই কৰ্মচাৰীজনে হেলেনক নাচিবলৈ অনুৰোধ কৰিলে। হেলেনে তাৰ মুখলৈ নাচাই হাঁহি এটা মাৰি নাচিবলৈ সাজু হ'ল। কৰ্মচাৰীজনে হেলেনক ভালকৈ ধৰি ললে। বাজনাৰ লগে লগে সিহঁতে নাচিবলৈ ধৰিলে। সিহঁতক দেখি নাতাচাৰ কান্দিবলৈ ইচ্ছা হ'ল।

অশ্বাৰোহী কৰ্মচাৰীৰ বগা পোছাক আৰু নাচৰ জোতা পিন্ধি প্ৰিন্স এণ্ড্ৰু বোল্কভইতৰ ওচৰতে থিয় হৈ আছে। পিয়াৰ এণ্ড্ৰুৰ কাষলৈ আহি হাতত ধৰি কলে, "তুমি তো সদায় নাচা ; ইয়াতে এইয়া বোল্কভইতৰ সৰু ছোৱালীজনী— তাইক ধৰা।"

"ক'ত ?" বুলি পিয়াৰে দেখুৱাই দিয়ামতে এণ্ড্ৰু আগবাঢ়ি গল। এণ্ড্ৰুৱে নাতাচাক চিনি পালে আৰু মুখখন দেখিয়ে তাইৰ মনৰ ভাব অনুমান কৰিলে। সেইদিনাখন ৰাতি খিড়িকীৰ ওচৰত তাই কি কৈছিল—তেওঁৰ মনত পৰিল। বংমনেৰে গৈ এণ্ড্ৰু বোল্কভ গৃহিণীৰ আগত থিয় হ'ল। বোল্কভ গৃহিণীয়ে কলে, "বাৰু, মোৰ ছোৱালীজনীৰ লগত আপোনাক চিনাকি কৰি দিওঁ।"

প্ৰিন্স এণ্ড্ৰুৱে বিনীতভাৱে কলে, "আমি আগতেই চিনাকি হৈছিলোঁ, তেওঁৰ মনত পৰে নে নাই কব নোৱাৰোঁ।" প্ৰিন্স এণ্ড্ৰুৱে নাতাচাক নাচিবলৈ অনুৰোধ কৰাৰ আগতে তাইৰ কঁকালত ধৰিবলৈ হাতখন বঢ়ালে। হঠাতে নাতাচাৰ মুখত কৃতজ্ঞতাৰ সৰল হাঁহি বিৰিঙি উঠিল। নাতাচাই এণ্ড্ৰুৰ ডিঙিত ধৰিলে। নাতাচাৰ হাঁহিটোৱে যেন কৈছিল, "মই অকল আপোনাৰ কাৰণেই ইমান পৰ বৈ আছোঁ।"

প্ৰিন্স এণ্ড্ৰু এজন ভাল নাচনিয়াৰ। নাতাচায়ো ভালকৈ নাচিব জানিছিল। দুয়ো বৰ ধুনীয়াকৈ নাচিলে। নাতাচাৰ মুখখন আনন্দত উজ্জ্বল হৈ উঠিল।

নাতাচা আছিল ক্ষীণ আৰু হেলেনৰ নিচিনা ৰূপহী নাছিল। তথাপি তাইক সকলোৱে প্ৰশংসা কৰিলে।

প্ৰিন্স্ এণ্ড্ৰুৱে নাচিবলৈ ভাল পায়। ইয়াত আহি গোৱাৰ লগে লগে সকলোৱে তাৰ লগত ৰাজনীতি, সামৰিক আইন আদিৰ বিষয়ে কথা পাতিবলৈ বিচাৰে। ইবোৰৰ হাত সাৰিবলৈ তেওঁ নাচিবলৈ খৰধৰ কৰিলে। পিয়াৰে দেখুৱাই দিয়া দেখি আৰু প্ৰথমতে চকুত লগা দেখি নাতাচাক সঙ্গিনী কৰি ললে। কিন্তু নাতাচাৰ কঁকালত সাবটি ধৰি আৰু তাইক হাঁহি হাঁহি নচা দেখি—এণ্ড্ৰু তাইৰ ৰূপত ভোল গ'ল। সি আকৌ নৱ যৌৱন পালে। সিহঁতৰ নচা হ'লত দুখো অলপ থিয় হৈ অইনবোৰৰ নাচ চালে।

প্ৰিন্স্ এণ্ড্ৰুৰ পাছত বোৰিচে তাৰ লগত নাচিবলৈ নাতাচাক অনুৰোধ কৰিলে। তাৰ পাছত এজন ওথ কৰ্মচাৰী আহি অনুৰোধ কৰিলে। আৰু বহুতো ডেকাই নাতাচাৰ লগত নাচিবলৈ বিচাৰিলে। নাতাচাই গোটেই গধূলি অবিৰাম নাচিলে। আৰু তাইৰ লগত নাচিবলৈ অহা কিছুমানক চোনিয়াৰ লগত নাচিবলৈ দিলে।

খোৱাৰ আগতে প্ৰিন্স্ এণ্ড্ৰুৱে নাতাচাৰ লগত আকৌ এবাৰ নাচিলে। ওট্ৰেদনোৰ বাস্তাত এণ্ড্ৰুৱে কেনেকৈ নাতাচাক প্ৰথম দেখিছিল, সেইদিনা জোনাকনিশা তাই শুব পৰা নাছিল, তাইৰ কথাবোৰ তেওঁৰ কাণত পৰিছিল, এইবোৰ সকলো কথা এণ্ড্ৰুৱে নাতাচাক সোঁৱৰাই দিলে। নাতাচাৰ মুখখন লাজতে ৰঙা হ'ল।

সদায় ভদ্ৰ সমাজৰ নীতি-নিয়মত থকা মানুহে হঠাতে অইন মানুহৰ লগ পালে ভাল পায়। এণ্ড্ৰুৱে নাতাচাক লগ পাই নিজকে ভাগ্যবান বুলি ভাবিলে। এনে সুন্দৰ, সজীৱ, সৰল ছোৱালী! নাতাচাৰ সকলো কথাই তেওঁক মুগ্ধ কৰিছে। নাতাচাই ফৰাচী কওঁতে ভুল কৰে কিন্তু এণ্ড্ৰুৰ শুনি ভাল লাগে। নাতাচায়ো সাধাৰণ কথাবোৰ কয়। কিন্তু এণ্ড্ৰুৱে তাতে ৰস পায়; তেওঁ মৰমেৰে উত্তৰ দিয়ে। নাতাচাৰ উজ্জল চাৱনিত, সুন্দৰ হাঁহিটিয়ে এণ্ড্ৰুক অপাৰ আনন্দ দিছে। আৰু এই আনন্দৰ কাৰণেই নাতাচাৰ সকলো কথাকে তেওঁ ৰখানিছে।

নাচ শেষ কৰি নাতাচা বহিবলৈ যাব এনেতে আন এজনে আহি তাইক নাচিবলৈ অনুৰোধ কৰিলে। তাইৰ ভাগৰ লাগিছে কিন্তু নাচিব নোৱাৰে বুলি মুখ ফুটাই কব নোৱাৰিলে। তাইৰ মনত আজি অপাৰ আনন্দ।

নাচিবলৈ ওলাল। এণ্ড্ৰুৰ ফালে চাই যেন কলে, "আপোনাৰ লগত কথা পাতিবলৈ মোৰ হেঁপাহ কিন্তু কি কৰিম, বহিবলৈ নাপাওঁ। মই সকলোকে ভাল পাওঁ। আজি মোৰ ভাল লাগিছে।"

নাচি উঠি নাতাচাই নাহিবলৈ দুজনী ছোৱালী বিচাৰি গ'ল। এণ্ড্ৰুৱে তাইৰ ফালে চাই নিজৰ মনতে কলে, "তাই যদি প্ৰথমতে ভনীয়েকৰ ওচৰলৈ যায় তেন্তে তাই মোৰ পত্নী হব।" নাতাচা যে প্ৰথমতে ভনীয়েকৰ কাষলৈ গ'ল। এণ্ড্ৰুৱে ভাবিলে, "কিয়ে অৰ্থহীন কথা কেতিয়াবা মানুহৰ মনলৈ আহে! কিন্তু এইটো ঠিক যে এনেকুৱা স্বভাৱৰ ছোৱালী বিয়া নোহোৱাকৈ বেছি দিন নাথাকে। এমাহৰ ভিতৰতে তাইৰ বিয়া হব। এনেকুৱা ছোৱালী ইয়াত আৰু নাই।" নাতাচা আহি তেওঁৰ ওচৰত বহিল।

নাচৰ শেহত কাউণ্ট ৰোস্তভে প্ৰিন্স্ এণ্ড্ৰুক তেওঁলোকৰ ঘৰলৈ নিমন্ত্ৰণ কৰিলে। আৰু জীয়েকক সুধিলে—তাইৰ আজি ভাল লাগিছে নে নাই? তাই একোকে নামাতি হাঁহি এটি মাৰি যেনিবা কলে, "ভাল নোপোৱাৰ কথাই নাহে।" তাই আগ্ৰহেৰে দেউতাকক কলে, "জীৱনত মই কেতিয়াও এনে সুখ পোৱা নাই।" সঁচাকৈয়ে নাতাচাই আজি পৰম আনন্দ পাইছে। এই আনন্দত মানুহ সৎ, দয়ালু হয়—দুখদৈন্য, অন্যায়-অশান্তিৰ অস্তিত্বত অবিশ্বাস কৰে।

এই বলনাচত পিয়াৰে ঘৈণীয়েকৰ ব্যৱহাৰ দেখি প্ৰথম অপমানিত বোধ কৰিলে। খিড়িকী এখনৰ ওচৰত থিয় হৈ পিয়াৰে অন্যমনস্কভাৱে বাহিৰৰ ফালে চাই আছে। থাবৰ সময়ত নাতাচাই পিয়াৰৰ ওচৰেদি যাওঁতে, পিয়াৰক মন মাৰি থকা দেখি ৰ'ল। তাই কলে, "আজিৰ দিনটো বৰ সুন্দৰ, নহয় জানো?" পিয়াৰে এনেয়ে উদাসীনভাৱে হাঁহি কলে, "এৰা, মোৰ বৰ ভাল লাগিছে।" নাতাচাই ভাবিলে, "মানুহনো কিহৰ কাৰণে অসুখী হব পাৰে! বিশেষকৈ বেচুখভ পৰিয়াল।" নাতাচাৰ চকুত নাচলৈ অহা সকলো মানুহেই ভাল, মৰমিয়াল, সাদৰী। লোকৰ অন্যায় কৰিব পৰা মানুহ কোনো নাই। গতিকে সকলো সুখী হোৱা উচিত।

পিছদিনাখন প্ৰিন্স্ এণ্ড্ৰু আগতে দেখা নকৰা কেইঘৰমান মানুহৰ ঘৰলৈ গ'ল। ৰোস্তভইঁতৰ লগত বলনাচত তেওঁৰ আকৌ চিনাকি হৈছে। তেওঁলোকৰ তালৈও গ'ল। এণ্ড্ৰু ৰোস্তভইঁতৰ তালৈ অকল ভদ্ৰতাৰ খাতিৰত যোৱা নাই। নাতাচাৰ বিষয়ে তেওঁৰ মনত এটা মধুৰ স্মৃতি আছে। এণ্ড্ৰুৱে তাইক ঘৰত চাব খুজিলে।

এণ্ড্ৰুগে প্ৰথমে নাতাচাকে লগ পালে। তাই এটা সাধাৰণ নীলা পোছাক পিন্ধি আছিল কিন্তু এণ্ড্ৰুৱে তাইক আজি আৰু বেছি ধুনীয়া দেখিলে। পৰিয়ালৰ সকলোৱে এণ্ড্ৰুক পুৰণি বন্ধুৰ নিচিনা আগ্ৰহেৰে অভ্যৰ্থনা জনালে। আগতে এণ্ড্ৰুৱে এই পৰিয়ালটোক বেয়া বুলিছিল, কিন্তু এতিয়া দেখিলে যে পৰিয়ালটোৰ প্ৰতিজন মানুহেই বৰ ভাল, সৰল, সাদৰী। বুঢ়া কাউণ্টৰ আদৰ, অভ্যৰ্থনাত এণ্ড্ৰু ইমান মুগ্ধ হ'ল যে ভূপৰীয়া তেওঁ তেওঁলোকৰ ঘৰত নোখোৱাকৈ আহিব নোৱাৰিলে। বল্‌কন্‌স্কিয়ে ভাবিলে, "নিশ্চয়, এওঁলোক বৰ ভাল মানুহ, ভাল ব্যৱহাৰ। কিন্তু নাতাচা যে এটি ৰত্ন তেওঁলোকে নাজানে। তথাপি এনে কবিতাময় ছোৱালীৰ কাৰণে ঘৰখন উপযুক্ত হৈছে।"

ওট্ৰেদনোৰ বাগানত দেখা পাই আৰু সেই জোনাক নিশা তাইৰ কথা শুনি এণ্ড্ৰুৱে ভাবিছিল যে নাতাচা তেওঁৰ পৰা বহু দূৰৈত, এক স্বপ্নৰাজ্যত,—আনন্দৰ ৰাজ্যত বাস কৰিছে। এণ্ড্ৰুৱে অনুভৱ কৰিলে এতিয়া তেৰোঁ সেই ৰাজ্যত প্ৰৱেশ কৰিছে—জীৱনত নতুন আনন্দ পাইছে।

খোৱাৰ পাছত এণ্ড্ৰুৰ অনুৰোধমতে নাতাচাই গীত গালে। এণ্ড্ৰুৱে মহিলাসকলৰ লগত কথা পাতি পাতি গীত শুনিছে। হঠাতে এণ্ড্ৰু মাতিব নোৱাৰা হ'ল। নাতাচাৰ গীতে তেওঁক অভিভূত কৰিলে। তেওঁৰ হৰ্ষও হ'ল, বিষাদো হ'ল। তেওঁৰ কান্দিবলৈ ইচ্ছা গ'ল। কিন্তু কান্দিবৰতো কোনো কাৰণ নাই। কেলেই কান্দিব ? অতীত প্ৰেমৰ কথা সুঁৱৰি, লিচাৰ কাৰণে ? ভৱিষ্যত সুখৰ কাৰণে ? তেওঁৰ কান্দিবলৈ ইচ্ছা হোৱাৰ প্ৰধান কাৰণ তেওঁ দেখিলে যে তেওঁৰ অতীত জীৱন আছিল সীমাবদ্ধ, পাৰ্থিব কিন্তু তেওঁৰ ভিতৰত এটি অসীম, অপাৰ্থিব জীৱন আছে। এই প্ৰভেদৰ কথা ভাবি তেওঁৰ বিষাদ হ'ল কিন্তু নাতাচাৰ গীত শুনি তেওঁৰ হৰ্ষ হ'ল।

গীত গাই উঠি নাতাচাই প্ৰিন্স্ এণ্ড্ৰুৰ ওচৰলৈ গৈ সুধিলে,—তাইৰ মাতটো কেনে পালে। এই প্ৰশ্নটো কৰি তাই নিজেই লাজ পালে—এনে প্ৰশ্ন কৰা উচিত নাছিল। এণ্ড্ৰুৱে তাইৰ ফালে চাই হাঁহি কলে—তাইৰ গীত শুনি তেওঁক ভাল লাগিছে। এনেকি তাইৰ সকলো কথাকে তেওঁৰ ভাল লাগে।

গধূলিৰ পিচত প্ৰিন্স্ এণ্ড্ৰু ৰোস্তভইতৰ ঘৰৰ পৰা গ'ল। তেওঁ শুবলৈ গ'ল কিন্তু টোপনি নাহিল। চাকিটো জলাই তেওঁ বিছনাত উঠি বহিল। তাৰ পাছত আকৌ শুলে। তেওঁৰ আজি অন্তৰত নতুন আনন্দ অনুভৱ কৰিছে। যেনিবা বন্ধ কোঠাৰ পৰা দিনৰ মুকলি পোহৰলৈ ওলাই আহিছে। তেওঁ

নাতাচাৰ কথা ভবা নাই। তেওঁ যে নাতাচাৰ প্ৰেমত পৰিছে তাকো তেওঁ গম পোৱা নাই। কিন্তু নাতাচাৰ মুখখন মনত পৰিলেই তেওঁৰ মনটো উজ্জল হৈ উঠে। তেওঁ নিজকে নিজে ক'লে, "মই ইমান কষ্ট পাইছো কিয় ? গোটেই দিনটো, সকলো আনন্দ মোৰ আগত মুকুলিত হৈ আছে দেখোন।" ভবিষ্যতে তেওঁ কিদৰে সুখেৰে জীৱন নিয়াব ভাবিবলৈ ধৰিলে।

কাউণ্টৰ নিমন্ত্ৰণ মতে পিছদিনাও এণ্ড্ৰু ৰোস্তভইতৰ ঘৰলৈ খাবলৈ আহিল। গোটেই দিনটো তেওঁ সিহঁতৰ লগতে কটালে। ঘৰৰ সকলোৰে গম পালে— এণ্ড্ৰু কাৰ কাৰণে আহিছে। এণ্ড্ৰুৱে লেখাদেখিকৈয়ে সদায় নাতাচাৰ সঙ্গ বিচাৰে।

অকল নাতাচাই নহয়, ঘৰখনৰ আটায়ে আগ্ৰহেৰে ভাবিছে—ঘৰখনৰ কিবা এটা ডাঙৰ পৰিবৰ্তন নিশ্চয় হব। এণ্ড্ৰুৱে নাতাচাৰ লগত কথা পাতি থাকোঁতে মাকে কেতিয়াবা এণ্ড্ৰুৰ লগত গহুৰা কথা পাতে। চোনিয়াই নাতাচাক এণ্ড্ৰুৰ লগত অকলে এৰি যাবলৈ ভয় কৰে। এণ্ড্ৰুৰ লগত অকলে থাকিলে আশা-নিৰাশাৰ মাজত থাকি নাতাচাৰ মুখখন শেঁতা পৰে। মনৰ দুৰ্বলতা তাই লক্ষ্য কৰিছে। তেওঁ কিবা কব খোজে কিন্তু কব নোৱাৰে।

গধূলি প্ৰিন্স্ এণ্ড্ৰু যোৱাৰ পাছত মাকে নাতাচাৰ ওচৰলৈ গৈ ফুচফুচাই সুধিলে, "কি হ'ল ?"

নাতাচাই ক'লে, "মা, তোমাক কাবৌ কৰিছোঁ—সেইবোৰ কথা এতিয়াই নুসুধিব। এতিয়া একো কব নোৱাৰি।" তথাপি সেই দিনাখন ৰাতি নাতাচাই বহুপৰলৈকে মাকৰ বিছানাতে শুই থাকিল। আবেগেৰে মাকক সকলো কথা কলে। এণ্ড্ৰুৱে তাইক প্ৰশংসা কৰিছে ; তেওঁ কৰবালৈ যাব ; অহকালি ক'ত থাকিব নাতাচাক সুধিছিল। "কিন্তু মা, তেওঁৰ লগত কথা পাতি ইমান ভাল লাগে। আগতে কাৰো লগত কথা পাতি ইমান ভাল পোৱা নাছিলোঁ। ইয়াৰ নো কাৰণ কি ? মোৰ ভয় লাগিছে। সঁচাকৈয়ে মই তেওঁৰ। মা, তোমাৰ টোপনি আহিল নেকি ?"

"নাই অহা, মোৰ ভয় লাগিছে। যাক শোঁৱাগৈ।"

"মই নোশোওঁ। মা, মনত এনে সুখ মই আগতে পোৱা নাই। এনেকুৱা হব বুলি আমি সপোনতো ভাবিব পৰা নাছিলোঁ।"

নাতাচাই অনুভৱ কৰিলে ওট্ৰেদ্‌নোত প্ৰথমবাৰ দেখা হওঁতেই তাই প্ৰিন্স্ এণ্ড্ৰুৰ প্ৰেমত পৰে। এই আচৰিত, অভাৱনীয় সুখৰ কথা ভাবি তাই যেন ভয়

থালে। বিজন মানুহক তাই তেতিয়াই বাচি লৈছিল সেইজন মানুহেই আকৌ আহি সিহঁতক লগ ধৰিলে আৰু তাইৰ প্ৰতি উদাসীনো নহয়।

"সকলো ঘটনা যেনিবা একে উদ্দেশ্যতে ঘটিছে। আমি যেতিয়া পিটাৰ্চবাৰ্গ লৈ আহিলোঁ, তেৱোঁ আহিল। আকৌ বলনাচত দেখাদেখি। সকলো ভাগ্যৰ কথা। অদৃষ্টই এইবোৰ সকলো কৰাইছে। তেওঁক প্ৰথম দেখা মাত্ৰেই মোৰ এটা বেলেগ অনুভূতি হৈছিল।"

মাকে চিন্তান্বিত হৈ ক'লে, "তেওঁ তোমাক কি কলে? তোমাৰ এলবামত নো তেওঁ কি কবিতা লিখিছে? পঢ়াচোন।"

"মা, তেওঁৰ ষৈণীয়েক ঢুকাইছে। তেওঁৰ লগত বিয়া হব নেপায় নেকি?"

মাকে এটি ফৰাচী প্ৰবাদবাক্য মাতিলে, "বিয়াত মানুহৰ হাত নাই, কপালৰ লিখন। যাৰ য'ত হব লাগে। ভগবানক প্ৰাৰ্থনা কৰা।"

নাতাচাই আনন্দৰ আবেগত মাকক সাৱটি ধৰি ক'লে, "মা, মই তোমাক বৰ ভাল পাওঁ। মই সুখী।"

নাতাচাৰ চকুলো ওলাল।

সেই সময়তে নাতাচাক ভাল পোৱাৰ কথা প্ৰিন্স্ এণ্ড্ৰুৱে পিয়াৰক কলে। এণ্ড্ৰুৱে নাতাচাক বিয়া কৰাবলৈ খাটাং সিদ্ধান্ত লৈছে। কিন্তু বিয়া কৰাবলৈ দেউতাকৰ অনুমতি লাগিব। সেই কাৰণে অনুমতি বিচাৰি প্ৰিন্স্ এণ্ড্ৰু দেউতাকৰ ওচৰলৈ গ'ল।

# চতুৰ্থ অধ্যায়

বাপেকে পুতেকৰ কথা ধীৰভাৱে শুনিলে কিন্তু পেটে পেটে তেওঁৰ খং উঠিল। জীৱনৰ শেহ বয়সত যাহুঁছে কেনেকৈ জীৱনৰ সলনি কৰি নতুন বস্তু গ্ৰহণ কৰিব পাৰে বাপেকে ভাবি নাপায়। বুঢ়াই নিজকে নিজে ক'লে, "মই জীয়াই থকা কেইদিন যদি সিহঁতে মোক মোৰ খুচিমতে থাকিব দিয়ে,—তাৰ পাছত সিহঁতে যিহকে কৰে কৰক।" পুতেকক দেখুৱাবলৈ কিন্তু তেওঁ বাহিৰত ধীৰ স্থিৰ-ভাৱে কথাটো গুণিগাথি চালে।

প্ৰথমতে বংশ, অৱস্থা আৰু মৰ্য্যাদাৰ ফালৰ পৰা বিয়াখন সন্তোষজনক নহব। দ্বিতীয়তে—এণ্ডু নতুন ডেকা নহয় আৰু তাৰ স্বাস্থ্য বেয়া (দেউতাকে সদায় এইটো কথা কয়) আৰু ছোৱালীজনী পাতগাভৰু। তৃতীয়তে তেওঁৰ লৰা এটা আছে। এজন ছোৱালীৰ হাতত তাক গটাই দিয়াটো বৰ দুখৰ কাৰণ হব। চতুৰ্থতে শেহত বুঢ়াই পুতেকৰ ফালে চাই ক'লে, "সম্প্ৰতি এবছৰলৈ বিয়াখন স্থগিত ৰাখা। বাহিৰলৈ গৈ স্বাস্থ্যটো অলপ ভাল কৰি আহা। আৰু তুমি কোৱামতে লৰাটোৰ কাৰণে এজন ভাল জাৰ্মাণ শিক্ষক বিচাৰ কৰা। তাৰ পাছত তুমি যদি ইমানেই ভাল পোৱা, বিয়া কৰাবাই কৰাবা। এই বিষয়ে মোৰ এই শেহ কথা।" বুঢ়াৰ কোৱাৰ ধৰণৰ পৰা বুজা গ'ল যে তেওঁৰ মতৰ পৰিবৰ্তন কেতিয়াও নকৰিব।

প্ৰিন্স্ এণ্ডুৱে বুজিলে বুঢ়াই ভাবিছে যে তেওঁলোকৰ ভাল পোৱাটো এবছৰলৈ নাথাকে নাইবা তেওঁ নিজেই এবছৰৰ ভিতৰত মৰিব। গতিকে বাপেকৰ ইচ্ছামতে চলিবলৈ এণ্ডুৱে ঠিক কৰিলে। বিয়াৰ প্ৰস্তাৱ কৰিব কিন্তু বিয়াখন এবছৰ পাছত হব।

ৰোস্তভইতৰ লগত শেহবাৰ দেখা হোৱাৰ তিনি সপ্তাহ পাছত প্ৰিন্স্ এণ্ডু পিটাৰ্চবাৰ্গলৈ উভতি আহিল।

মাকৰ লগত কথা হোৱাৰ পিছদিনাখন গোটেই দিনটো নাতাচাই বল্‌কন্‌স্কিৰ কাৰণে আশা পালি থাকিল। কিন্তু তেওঁ নাহিল। তাৰ পাছত আৰু দুদিন গ'ল। তথাপি এণ্ডুৰ দেখাদেখি নাই। পিয়াৰো অহা নাই। এণ্ডু নহাৰ কাৰণ নাতাচাই বুজি নাপালে। কাৰণ এণ্ডুৱে বাপেকক লগ পাবলৈ যোৱাৰ কথাটো নাতাচাই নাজানে।

এনেকৈ তিনি সপ্তাহ উকলি গ'ল। নাত্তাচা ক'লৈকো নোলায়। ঘৰতে মন মাৰি বহি থাকে। গধূলি মাকৰ ওচৰলৈও নাযায়। ৰাতি অকলে অকলে কান্দে। তাই কাকো ভাল নোপোৱা হ'ল; অলপতে খং উঠে। তাই ভাবি ললে যে তাইৰ দুখৰ কাৰণটো সকলোৱে গম পাই তাইক হাঁহিছে, পুতৌ কৰিছে। এইবোৰ চিন্তাই তাইৰ অন্তৰৰ দুখ দুগুণ বঢ়ালে।

এদিনাখন মাকৰ ওচৰলৈ আহি কিবা কব খুজিছিল কিন্তু হঠাতে তাই কান্দি পেলালে যেন কিবা দোষহে কৰিছে। মাকে নাত্তাচাক সান্ত্বনা দিবলৈ ধৰিলে। হঠাতে মাকক বাধা দি নাত্তাচাই কান্দোনৰ সুৰত বৈ বৈ ক'লে, "আৰু কব নালাগে মা, মই তেওঁৰ কথা নাভাবোঁ; আৰু ভাবিবও নোখোজো। তেওঁ আহি আছিল কিন্তু এতিয়া একেবাৰে নহা হ'ল।" অলপ সুস্থ হৈ ক'লে, "মই কেতিয়াও বিয়া নকৰাওঁ। মই তেওঁক ভয় কৰিছিলোঁ, কিন্তু এতিয়া তেওঁৰ হাত সাৰিলোঁ।"

পিছদিনাৰ পৰা নাত্তাচাই আগতে সদায় ঘৰত পিন্ধা পোছাক পিন্ধিলে। বলনাচৰ পিছৰ পৰা তাইৰ দৈনন্দিন জীৱনৰ অলপ পৰিবৰ্তন ঘটিছিল। এতিয়া আকৌ আগৰ দৰে ঘৰুৱা কামত মন দিলে। ৰাতিপুৱা চাহ খাই উঠি তাই ভাঁড়ৰ কোঠাটোলৈ গৈ অকলে গীত অভ্যাস কৰে। এদিন গীত গাই উঠি, কোঠাটোৰ মাজত থিয় হৈ এশাৰী গীত তাই বাৰে বাৰে গাবলৈ ধৰিলে। এইশাৰী গীত গাই তাইৰ বৰ ভাল লাগিল। তাই ভাবিলে, "সেই বিষয়ে কিয় ইমান ভাবিব লাগিছে? এনেয়ে দেখোন ভাল লাগিছে।" গীত গাই, তাই কোঠাটোৰ ভিতৰত ইফাল সিফাল কৰিছে। জোতাৰ মচ মচ শব্দ আৰু নিজৰ মাতটো শুনি তাইৰ ভাল লাগিল। আয়নাত মুখখন চাই ভাবিলে, "মোৰতো কোনো পৰিবৰ্তন হোৱা নাই। মুখখন দেখোন, আগৰ দৰেই ধুনীয়া হৈ আছে।"

এজন লগুৱা কোঠাটো চাফ কৰিবলৈ আহিছিল। কিন্তু তাই তাক সোমাবলৈ নিদিলে। তাই দুৱাৰখন মাৰিলে। তাই ভাবিলে, "মই দেখোন বেচ সুখত আছোঁ—মই গাভৰু, দেখিবলৈ ধুনীয়া, মাতটো মিঠা, মই কাৰো অশান্তি নকৰোঁ, অকল লোকে মোক শান্তিত থাকিবলৈহে দিলে হয়।" কিন্তু তাই যিমানেই শান্তি বিচাৰক, তাই যে এতিয়া শান্তি নাপায়—পিচ মুহূৰ্ততে গম পালে।

বাৰাণ্ডাৰ পৰা কোনোবাই মাতিলে, "আছে নে?" শুনিব খোজ শুনা

প'ল। নাতাচাই আয়নাৰ ফালে চালে কিন্তু নিজৰ মুখখন নেদেখিলে, অকল মানুহজনৰ মাত শুনিলে। আকৌ আয়নাৰ ফালে চাই দেখিলে তাইৰ মুখখন শেঁতা পৰিছে। বাবাওাত মাত শুনিয়েই নাতাচাই জানিলে নিশ্চয় তেওঁ হব।

নাতাচা ভয়তে শেঁতা পৰি বহা কোঠাটোলৈ লৰ দিলে। "মা, মা, বলকনস্কি আহিছে। মই ভাল নাপাওঁ, অসহ্য হৈছে। মোক নালাগে, আমনি কৰিব নালাগে। মই কি কৰোঁ?"

মাকে উত্তৰ দিবলৈ নৌপাওঁতেই এণ্ড্ৰু গহীনভাবে বহা কোঠাৰ ভিতৰ সোমাল। নাতাচাক দেখি তেওঁ মনটো নাচি উঠিল। মাক আৰু জীয়েকৰ হাতত চুমা খাই এণ্ড্ৰু চোফাৰ ওপৰত বহিল। নাতাচাৰ মাকে কব ধৰিছিল, "বহুত দিনৰ পিচত···।" কিন্তু এণ্ড্ৰুৱে আগতে জবাব দিলে, "ইমান দিনে মই আহিব পৰা নাই কাৰণ দেউতাক লগ পাবলৈ মই ঘৰলৈ গৈছিলোঁ। এটা জৰুৰী বিষয়ে তেওঁৰ লগত আলোচনা কৰিবলগীয়া আছিল। যোৱা ৰাতিহে মই উভতি আহিলোঁ।" অলপ ৰৈ কলে, "আপোনাৰ লগত মই অলপ কথা হব খুজিছোঁ।" বোৱতৰ গৃহিণীয়ে তলমূৰ কৰি এটা হুমুনিয়াহ কাঢ়ি ক'লে, "কি কথা, কোৱা।"

নাতাচাই বুজি পালে যে তাই তাৰ পৰা যোৱা উচিত কিন্তু যাব নোৱাৰিলে। তাইৰ মনটো উগুল-থুগুল লাগি আছে। এতিয়াই কিবা এটা হব। তাই একেবাৰে এণ্ড্ৰুৰ ফালে চাই থাকিল। এণ্ড্ৰুৱে আকৌ তাইৰ মুখলৈ চালে। তাই ধৰি ললে যে তাইৰ অনুমান ভুল হোৱা নাই। এতিয়াই তাইৰ ভাগ্য নিৰ্ণয় হব।

মাকে নাতাচাক কলে, "নাতাচা, তুমি যোৱা। মাতিলে আহিবা।"

প্ৰিন্স্ এণ্ড্ৰু আৰু মাকৰ ফালে ভয় ভয়কৈ অনুনয়েৰে চাই—নাতাচা গুচি গ'ল।

প্ৰিন্স্ এণ্ড্ৰুৱে কলে, "কাউণ্টেছ, মই আপোনাৰ ছোৱালীৰ পাণিপ্ৰাৰ্থী হৈ আহিছোঁ।"

কাউণ্টেছৰ মুখখন ৰঙা হ'ল; কিন্তু একো নামাতিলে। পিছত ৰৈ ৰৈ কলে, "তোমাৰ প্ৰস্তাব—তোমাৰ প্ৰস্তাবটো আমাৰ ভাল লাগিছে। তোমাক প্ৰস্তাবটো পাই মই আনন্দিত হৈছোঁ। আৰু তেখেতেও যোৱকৰোঁ···কিন্তু সকলো নিৰ্ভৰ কৰিছে তাইৰ ওপৰত···।"

"আপোনাৰ সম্মতি পালে, তেওঁক মই কম। আপুনি সম্মতি দিছে তো?"

"মই সম্মতি দিছোঁ।" বুলি কাউণ্টেছে হাতখন এণ্ড্ৰুৰ ফালে আগবঢ়াই দিলে। এণ্ড্ৰুৱে হাতত চুমা খালে আৰু কাউণ্টেছে এণ্ড্ৰুৰ কপালত চুমা খালে।

"তেখেতেও বোধকৰোঁ সম্মতি দিব কিন্তু তোমাৰ দেউতাৰা ?"

এণ্ড্ৰুৱে ক'লে, "মোৰ অভিপ্ৰায়ৰ কথা দেউতাক কৈছোঁ।—তেওঁ মাত্ৰ কৈছে যে এবছৰৰ ভিতৰত বিয়াখন হব নালাগে। তাকো মই আপোনাক কব খুজিছিলোঁ।"

"সঁচা, নাতাচাৰ বয়স নিচেই কম কিন্তু ইমান দিন!" এণ্ড্ৰুৱে হুমুনিয়াহ কাঢ়ি কলে, "উপায় নাই।"

"বাৰু, মই তাইক পঠিয়াই দিওঁগে।" বুলি কাউণ্টেছ কোঠাটোৰ পৰা ওলাই গ'ল।

মাকে নাতাচাক বিচাৰিছে আৰু বাৰে বাৰে মনতে কৈছে—"হে ভগবান, দয়া কৰা!"

নাতাচা শোৱা-কোঠাত আছে বুলি চোনিয়াই কাউণ্টেছক কলে। নাতাচাই বিছনাত বহি যীশু খ্ৰীস্টৰ ছবিটো সেৱা কৰিছে আৰু মনে মনে কিবা কৈছে। মাকক দেখি তাই জাপ মাৰি লৰি আহিল—"কি মা, কি ?"

মাকে ক'লে, "যোৱা, তেওঁৰ ওচৰলৈ যোৱা। তেওঁ তোমাক বিয়া কৰাব খুজিছে, যোঁৱা।" তাই লৰি গ'ল। মাকে দীঘলকৈ এটা হুমুনিয়াহ কাঢ়িলে।

নাতাচাই বহা কোঠাটো কেনেকৈ পালেগৈ কব নোৱাৰে। এণ্ড্ৰুক দেখি দুৱাৰমুখতে থতমত খাই বৈ ভাবিলে, "এই অচিনাকি মানুহজনেই মোৰ এতিয়া যথা সৰ্বস্ব হ'ল ? যথা-সৰ্বস্ব হ'ল! পৃথিৱীৰ সকলো বস্তুতকৈ তেৰেঁ মোৰ বেছি আপোন হ'ল।"

প্ৰিন্স্ এণ্ড্ৰুৱে তলমূৰকৈ আগবাঢ়ি আহি ক'লে, "প্ৰথম দেখা মাত্ৰেই মই তোমাক ভাল পাইছোঁ। মই তোমাক পাবলৈ আশা কৰিব পাৰোঁনে ?"

এণ্ড্ৰুৱে তাইৰ গহীন মুখখনলৈ চালে। তাই যেনিবা কৈছে, "সুধিব লাগিছে কেলেই ? অনা বিষয়ত সন্দেহ কৰিবৰ কি আছে ? অন্তৰৰ ভাব যেতিয়া ভাষাই প্ৰকাশ কৰিব নোৱাৰে, সুধি লাভ কি ?"

তাই ওচৰ চাপি আহিল। এণ্ড্ৰুৱে তাইৰ হাতখন হৈ চুমা খালে। "তুমি মোক ভাল পোৱা নে ?"

"পাওঁ, পাওঁ।" বুলি নাতাচাই খঙতে কোৱা যেন লাগিল। তাই দীঘলকৈ

দুবাৰ হুমুনিয়াহ কাঢ়িলে। তাইৰ বুকুখন থপ্ থপ্ কৰিবলৈ ধৰিলে—তাই কেঁকুৰিলে।

"কি হ'ল? কি হ'ল?"

তাই হাঁহি কলে, "মোৰ ইমান ভাল লাগিছে!" তাৰ পাচত অলপ কিবা ভাবি এণ্ডুক চুমা খালে।

প্ৰিন্স্ এণ্ডুৱে নাতাচাৰ হাত দুখনত ধৰি তাইৰ মুখলৈ চাই ক'লে, "এবছৰৰ ভিতৰত হব নোৱাৰে বুলি মাৰাই কৈছে নে নাই?"

নাতাচাই ভাবিলে, "মই এজনী সৰু ছোৱালী। এতিয়াৰ পৰা মই এই অচিনাকি, ধুনীয়া, জ্ঞানী মানুহজনৰ যাক দেউতায়ো শ্ৰদ্ধা কৰে, তেওঁৰ পত্নী হলোঁ। ই সম্ভৱ জানো? এতিয়া জীৱনটো ধেমালি নহয়; মই ডাঙৰ হলোঁ। এতিয়া প্ৰত্যেক কথাতে, প্ৰত্যেক কামতে মোৰ দায়িত্ব আছে। অ', মোক কি সুধিছিল?" তাই ক'লে "নাই কোৱা।" কিন্তু এণ্ডুৰ প্ৰশ্ন বুজা নাছিল।

প্ৰিন্স্ এণ্ডুৱে ক'লে, "ক্ষমা কৰিবা। মই তোমাৰ কাৰণে ভয় কৰিছোঁ। তুমি ইমান সৰু কিন্তু মোৰ জীৱনৰ অভিজ্ঞতা বহুত। তুমি নিজকে নাজানা।"

নাতাচাই এণ্ডুৰ কথাবোৰ মন দি শুনিলে কিন্তু তাৰ অৰ্থ বুজি নাপালে।

এণ্ডুৱে আকৌ ক'লে, "এবছৰৰ পাচতহে মই সুখী হব পাৰিম। ইমান দিন ৰখি থকা মোৰ কষ্ট হব কিন্তু এই সময়ৰ ভিতৰত তুমি নিজকে জানিবা। এবছৰৰ ভিতৰতে তুমি মোক সুখী কৰিবা, এই অনুৰোধ কৰিলোঁ। কিন্তু তুমি স্বাধীন। আমাৰ বিয়াৰ কথাটো লুকাই ৰাখিম।" পিচত হাঁহি ক'লে, "যদি তুমি দেখা যে তুমি মোক ভাল নোপোৱা নাইবা যদি তুমি অইন কাৰোবাক···।"

নাতাচাই বাধা দি অন্তৰৰ কথা কলে, "আপুনি এনেকৈ কিয় কৈছে? আপুনি যেতিয়া প্ৰথম ওট্ৰেদণোলৈ আহে, তেতিয়াৰ পৰাই মই আপোনাক ভাল পাওঁ। আপুনি দেখোন জানেই।"

"এবছৰৰ ভিতৰত তুমি নিজকে জানিব শিকিবা···"

এবছৰৰ কাৰণে বিয়াখন স্থগিত থাকিব বুলি নাতাচাই এতিয়াহে গম পালে। তাই চিঞৰি উঠিল, "এবছৰ! কিন্তু এবছৰ কিয়···এবছৰ কেলেই···?"

বিয়াখন পলম কৰাৰ কাৰণ এণ্ডুৱে বুজাই কলে কিন্তু নাতাচাৰ পতিয়ন নাযায়।

নাতাচাই সুধিলে, "কোনো উপায় নাই নে?" কোনো উপায় নাই বুলি এণ্ডুৱে জানিছিল কিন্তু সি একোকে নামাতিলে।

নাতাচাই ফেঁকুৰি ফেঁকুৰি ক'লে, "অসম্ভৱ! অসম্ভৱ! এবছৰ বাট চাব লাগিলে মই মৰিমেই। অসম্ভৱ।" তাই এণ্ড্ৰুৰ মুখলৈ চালে। এণ্ড্ৰু বিমোৰত পৰিল। তাই চকুৰ পানী মচি ক'লে, "নহয় কেতিয়াও হব নোৱাৰে। মোৰ যি খুচি তাকে কৰিম। মোৰ ইমান ভাল লাগিছে।"

এনেতে মাক-বাপেক আহি দুয়োকে আশীৰ্বাদ দিলেহি। তেতিয়াৰ পৰা প্ৰিন্স্ এণ্ড্ৰু নাতাচাৰ ভাৱী স্বামী হিচাপে ৰোস্তভইঁতৰ ঘৰলৈ আহে।

প্ৰিন্স্ এণ্ড্ৰুৰ অনুৰোধ মতে বিয়াৰ প্ৰস্তাৱটো গোপনে ৰখা হ'ল। বিয়াখন সম্প্ৰতি স্থগিত ৰখাৰ কাৰণে এণ্ড্ৰুৱেই দায়ী। সেই কাৰণে তেওঁ সকলো দায়িত্ব ললে। তেওঁ নিজে কথাত বান্ধ খাই থাকিব কিন্তু নাতাচাক কোনো বাধ্যবাধকতাৰ ভিতৰত ৰাখিবলৈ ইচ্ছা নকৰিলে। নাতাচা স্বাধীন হৈ থাকিল। ছমাহ পাচত যদি নাতাচাই কোনো কাৰণত এণ্ড্ৰুক ভাল নোপোৱা হয় তাই এণ্ড্ৰুক বিয়া নকৰাব পাৰিব। অৱশ্যে কোনো পক্ষৰ পৰা বিয়াখন ভঙাৰ সম্ভাৱনা নাই। তথাপি এণ্ড্ৰুৰ ইচ্ছামতেই সকলো কথা হ'ল। প্ৰিন্স্ এণ্ড্ৰু ৰোস্তভইঁতৰ ঘৰলৈ সদায় আহে কিন্তু নাতাচাৰ লগত ভাৱী পত্নী হিচাপে ব্যৱহাৰ নকৰে। ভদ্ৰভাৱে সংযত হৈ কথা কয় আৰু তাইৰ অকল হাতত হে চুমা খায়। বিয়াৰ প্ৰস্তাৱৰ দিনাখনৰ পৰা এণ্ড্ৰু আৰু নাতাচাৰ সম্বন্ধ বেলেগ ধৰণৰ হ'ল। এতিয়াহে সিইঁতৰ ভিতৰত সৰল ঘনিষ্ঠতা স্থাপিত হ'ল। আগতে যেন তেওঁলোকৰ জনাশুনা নাছিল। আগৰ কথাবোৰ মনত পেলাই তেওঁলোকৰ ভাল লাগে। তেতিয়া তেওঁলোকৰ ভিতৰত কোনো সম্পৰ্ক নাছিল। তেতিয়া আছিল বাহিৰৰ কৃত্ৰিম ভালপোৱা, এতিয়া অন্তৰৰ, সৰল।

এণ্ড্ৰু বেলেগ সমাজৰ ওখ থাপৰ মানুহ। সেই কাৰণে প্ৰথমতে ৰোস্তভইঁতে তেওঁক লৈ অলপ অসুবিধা পাইছিল। কিন্তু নাতাচাই লাহে লাহে বুজাই দিলে যে তেওঁ৷ সিইঁতৰ নিচিনাই একজন মানুহ—সঙ্কোচ কৰিবৰ কোনো কাৰণ নাই। কেইদিনমান পাছতেই সিইঁতৰ মাজৰ দূৰত্ব আঁতৰি গ'ল।

কাউণ্টৰ লগত জমিদাৰী পৰিচালনাৰ, কাউণ্টেছ আৰু নাতাচাৰ লগত সাজপাৰৰ আৰু চোনিয়াৰ লগত তাইৰ এলবাম, চিলাইৰ বিষয়ে কেনেকৈ কথা পাতিব লাগে এণ্ড্ৰুৱে জানিছিল। সিইঁতৰনো কেনেকৈ চিনাকি হ'ল, বিয়াৰ প্ৰস্তাৱ হ'ল, এইবোৰ কথা ভাবি সিইঁত কেতিয়াবা আচৰিত হয়। এণ্ড্ৰুৱে ওট্ৰেদনোলৈ আহক, সিইঁত পিটাৰ্চবাৰ্গলৈ আহক। আৰু এনেকুৱা কিছুমান অকস্মাৎ ঘটনাৰ সমন্বয়ে এই মিলন ঘটালে। যি হবলগীয়া, সি হবই।

এদিনাখন নাতাচাই এণ্ড্ৰুক পুতেকৰ কথা সুধিলো। এণ্ড্ৰুৱে বঙা পৰি কলে যে লৰাটো তেওঁলোকৰ লগত নাথাকিব।

নাতাচাই আচৰিত হৈ ক'লে, "কেলেই ?"

"মই তাক ককাদেউতাকৰ পৰা আনিব নোৱাৰোঁ। আৰু···।"

"মই তাক কিমান মৰম কৰিলোঁহেঁতেন। মই জানিছোঁ—আপুনি দোষৰ ভাগী হব নোখোজে।"

বুঢ়া কাউণ্টে কেতিয়াবা আহি এণ্ড্ৰুক চুমা খায় আৰু পেটিয়াৰ শিক্ষা আৰু নিকলয়ৰ কামৰ বিষয়ে উপদেশ লয়। কাউণ্টেছে তেওঁলোকৰ পিনে চাই থাকে। তাই থাকিলে কথা পতাত কিবা অসুবিধা হব বুলি চোনিয়াই সদায় এটা চেলু উলিয়াই গুচি যায়। প্ৰিন্স্ এণ্ড্ৰুৱে সকলো বিষয়ে ভালকৈ কব পাৰে। নাতাচাই তেওঁৰ কথাবোৰ মন দি শুনে, গৌৰৱ অনুভৱ কৰে। নাতাচাই যেতিয়া কথা কয়—এণ্ড্ৰুৱে তাইৰ মুখৰ ফালে একেবাহে চাই থাকে। নাতাচাই বঙো পায়, ভয়ো খায়। তাই ভাবে—এওঁনো কি চায় ? মোৰ কিবা ভুল হয় নেকি ? কেতিয়াবা তাই বৰ স্ফূৰ্তিত থাকে আৰু এণ্ড্ৰুৱে হাঁহিলে বৰ ভাল পায়। এণ্ড্ৰুৱে কদাচিত হাঁহে কিন্তু যেতিয়া হাঁহে নিজকে পাহৰি যায়। এই হাঁহিয়ে নাতাচাক আৰু আপোন কৰি লয়। নাতাচাৰ সুখৰ অভাৱ নহ'লহেঁতেন কিন্তু এবছৰৰ কাৰণে এৰাএৰি হোৱাৰ কথাটো মনত পৰিলেই এণ্ড্ৰুৱে শেঁতা পৰে, হতাশ হয়।

বলনাচ হোৱা দিনাখনৰ পৰা পিয়াৰ বোত্তভহঁতৰ ঘৰলৈ অহা নাছিল। প্ৰিন্স্ এণ্ড্ৰুৱে পিটাৰ্চবাৰ্গ এৰি যোৱাৰ আগদিনাখন পিয়াৰক লগতে লৈ আহিল। পিয়াৰৰ উদাসীন ভাব। সি কাউণ্টেছৰ লগতহে বেছিকৈ কথা পাতিলে। নাতাচাই চোনিয়াৰ লগত দবা খেলি আছিল। নাতাচাই এণ্ড্ৰুক খেলিবলৈ মাতিলে। এণ্ড্ৰু গ'ল।

এণ্ড্ৰুৱে সুধিলে, "তুমি বেচুখভক কেতিয়াবাৰ পৰাই চিনি পোৱা, নহয় জানো ? তাক কেনে লাগে ?"

"চিনি পাওঁ ; বৰ ভাল মানুহ কিন্তু বৰ আচহুৱা।"

অইনৰ নিচিনাকৈ নাতাচায়ো পিয়াৰৰ উদাসীনভাৱ বিষয়ে কবলৈ ধৰিলে।

এণ্ড্ৰুৱে কলে, "আমাৰ গুপুত কথাটো তাক কৈছো। মই তাক সৰুৰে পৰা চিনি পাওঁ। কিন্তু মই তোমাক কওঁ তাৰ অন্তৰখন সোণৰ।" হঠাতে গহীন

হৈ কলে, "মই দেশ ভ্ৰমণলৈ যাম। কি হয় ভগবানেহে জানে। তোমাৰ মনৰ পৰিবৰ্তন হব পাৰে।…অৱশ্যে মই তেনেকৈ কোৱা উচিত নহয়। কিন্তু এটা কথা যদি মই নোহোৱাত তোমাৰ কিবা হয়… ।"

"কি হব পাৰে ?"

এণ্ড্ৰে কলে, "যদি কোনো বিপদ আহে, যদি কিবা হয়, মই অনুৰোধ কৰিছোঁ—তুমি উপদেশ আৰু সহায় বিচাৰি তাৰ ওচৰলৈ যাবা আৰু আইন কাৰো ওচৰলৈ নাযাবা। হয় সি বৰ উদাসীন আৰু জোৰাৰ কিন্তু তাৰ অন্তৰখন মহৎ, পৱিত্ৰ।"

এৰাএৰি হোৱাৰ পিছত নাতাচাৰ মনৰ অৱস্থা কেনে হব পাৰে—মাক, বাপেক, চোনিয়া, এণ্ড্ৰু কোনেও ভাবিব নোৱাৰিলে। গোটেই দিনটো তাই ঘৰৰ ভিতৰতে ছটফটাই সৰুসুৰা কামত ব্যস্ত থাকিলে। এণ্ড্ৰুৱে এৰি যোৱাৰ কথাটো তাই যেনিবা গমেই পোৱা নাই। এণ্ড্ৰুৱে যেতিয়া শেহবাৰৰ কাৰণে তাইৰ হাতত চুমা খালে, তেতিয়াও তাই নাকান্দিলে।

নাতাচাই অকল "নাযাবা" বুলি এনে করুণ সুৰত লাহেকৈ কৈছিল যে এণ্ড্ৰুৱে আচৰিত হৈ ভাবিলে যে তেওঁৰ কিজানি নোযোৱাটোৱেই উচিত। এই কথাটো তেওঁ বহুদিনলৈকে পাহৰিব পৰা নাছিল। এণ্ড্ৰু যোৱাৰ পিচতো তাই নাকান্দিলে। অকল কেই দিনমানলৈ তাই কোনো কামত মন নিদি নিজৰ কোঠাত বহি আছিল আৰু মাজে মাজে কৈছিল, "তেওঁ নো কিয় গ'ল ?" এণ্ড্ৰু যোৱাৰ পোন্ধৰ দিন পাছত তাইক আকৌ বং মনেৰে কাম কাজত লাগি যোৱা দেখি সকলো আচৰিত হ'ল। কিন্তু তাইৰ চেহেৰাটো বেমাৰৰ পৰা উঠা ছোৱালীৰ নিচিনা হ'ল।

# ষষ্ঠ খণ্ড

## প্ৰথম অধ্যায়

জাৰ পৰাৰ লগে লগে প্ৰিন্স্ বল্‌কন্‌স্কি জীয়েকেৰে সৈতে মস্কোলৈ আহিল।

এই বছৰৰ ভিতৰতে প্ৰিন্স্ বহুখিনি দুৰ্বল হৈছে। প্ৰায়ে শুই থাকে, কথা পাহৰে আৰু খিংখিঙীয়া হৈছে। প্ৰিন্স্ এণ্ড্ৰুৰ উভতি অহাৰ সময় হ'ল আৰু তেওঁৰ বিয়াৰ দিনো ওচৰ চাপি আহিল। ৰোস্তভইতৰ কথা ওলালেই তেওঁৰ খং উঠে।

জাহুৰাবী মাহৰ শেহত কাউণ্ট ৰোস্তভ নাতাচা আৰু চোনিয়াক লৈ মস্কোলৈ আহিল। ঘৈণীয়েকৰ অসুখ, কিন্তু তেওঁ ভাল নোপোৱালৈকে কাউণ্টে বাট চাব নোৱাৰে—কাৰণ প্ৰিন্স্ এণ্ড্ৰু মস্কো পাবহি। তাৰ উপৰিও মস্কোৰ ওচৰত থকা জমিদাৰীখন বেচাৰ বন্দবস্ত কৰিব লাগে, বিয়াৰ কাপোৰ-কানি যোগাৰ কৰিব লাগে। আৰু বুঢ়া প্ৰিন্স্ বল্‌কন্‌স্কি যেতিয়া মস্কোত আছে, এই সুযোগতে ভাবী বোৱাৰীয়েকক বুঢ়াৰ লগত চিনাকি কৰি দিয়া ভাল হব। ৰোস্তভইতৰ মস্কোৰ ঘৰটো ভাল অৱস্থাত নাই। তেওঁলোক মাত্ৰ দুদিন মানৰ কাৰণেহে আহিছে আৰু ঘৈণীয়েকক অনা নাই। সেই কাৰণে কাউণ্টে ৰোস্তভে মস্কোত মেৰিয়া স্কিত্ৰিভনাৰ আলহী হবলৈ ঠিক কৰিলে। মেৰিয়া স্কিত্ৰিভনাই বহু দিনৰে পৰা কাউণ্টক মাতি আছিল।

পিচদিনাখন মেৰিয়া স্কিত্ৰিভনাৰ কথামতে কাউণ্ট ৰোস্তভে নাতাচাক লৈ প্ৰিন্স্ বল্‌কন্‌স্কিক দেখা কৰিবলৈ গ'ল। কাউণ্ট কিন্তু ভয় ভয়কৈহে গ'ল। কাৰণ স্বেচ্ছাসেৱক বাহিনী সংগ্ৰহ কৰাৰ সময়ত কাউণ্টে যথেষ্ট মানুহ গোটাই দিব নোৱাৰাৰ কাৰণে প্ৰিন্স্ বল্‌কন্‌স্কিৰ তিতা, গৰম কথা শুনিব লগা হৈছিল। কথাটো কাউণ্টৰ ভালকৈ মনত আছে। নাতাচাই কিন্তু ধুনীয়া সাজপাৰ পিন্ধি বং মনেৰে গ'ল। তাই ভাবিলে, "তেওঁলোকে মোক ভাল নাপাই নোৱাৰে। সকলোৱে মোক ভাল পায়। তেওঁৰ দেউতাকক, ভনীয়েকক ভাল লগাবৰ কাৰণে মই সকলো কৰিব পাৰোঁ। তেওঁলোকে মোক ভাল নাপাবৰ কোনো কাৰণ নাই।"

প্ৰিন্স্ বলকন্‌স্কিৰ ঘৰৰ দুৱাৰমুখত থিয় হৈ কাউণ্টে গহীনাই ক'লে, "আহি পালোঁ তো, এতিয়া ভগৱানৰ দয়া।" তাৰ পাছত এজন লগুৱাক দেখি ভয় ভয়কৈ সুধিলে, প্ৰিন্স্ আৰু জীয়েক ঘৰত আছে নে নাই? তেওঁলোক অহা খবৰটো দিবলৈ যাওঁতে লগুৱাবোৰৰ মাজত অলপ চাঞ্চল্য দেখা গ'ল। যিজনে খবৰটো দিবলৈ ভিতৰলৈ লৰি গৈছিল, তাক ডাঙৰ কোঠাটোত আন এজন লগুৱাই ৰখাই ফুচফুচাই কিবা কলে।

এজনী লিগিৰী কোঠাটোলৈ আহি মেৰিয়াৰ কথা কিবা কলে। শেহত একজন বুঢ়া চাকৰ আহি বোল্‌কভইতক কলেহি যে প্ৰিন্সে দেখা কৰিব নোৱাৰে আৰু জীয়েকে তেওঁলোকক ওপৰলৈ মাতিছে। মেডেমোচেল বুৰিয়েঁ প্ৰথমতে আলহী দুজনক অভ্যৰ্থনা জনাই, বাপেক-জীয়েকক মেৰিয়াৰ কোঠালৈ লৈ গ'ল। মেৰিয়াই অভিনন্দন জনালে। প্ৰথম দেখিয়েই মেৰিয়াই নাতাচাক ভাল নাপালে। বৰ ৰংচঙীয়া পোছাক পিন্ধিছে, চেমবেলীয়া, ফুটনি থকা যেন লাগিল। নাতাচাক দেখাৰ আগতেই মেৰিয়াই তাইৰ সৌন্দৰ্য্য, সুখ আৰু এণ্ড্ৰে তাইক ভাল পোৱাৰ কথা শুনি তাইৰ প্ৰতি এটা বিদ্বেষৰ ভাব পোষণ কৰিছিল। তাৰ উপৰিও মেৰিয়াৰ মনটো বিচলিত হৈ আছিল। কাৰণ বোল্‌কভইঁত অহা বুলি খবৰ দিয়াত বুঢ়া প্ৰিন্সে চিঞৰি কৈছিল যে তেওঁ সিহঁতক দেখা কৰিব নোখোজে; যদি ইচ্ছা কৰে মেৰিয়াই দেখা কৰিব পাৰে কিন্তু তেওঁক দেখা কৰিবলৈ যেন সিহঁতক দিয়া নহয়। মেৰিয়াই বোল্‌কভইঁতক দেখা কৰিলে কিন্তু তাইৰ মনত এটা ভয় থাকিল। বোল্‌কভইঁত অহা বুলি শুনি বাপেকে বৰ অশান্তি অনুভৱ কৰিছে। হঠাতে কিবা এটা অস্বাভাৱিক কৰিব পাৰে।

কাউণ্ট বোল্‌কভে মূৰ দোঁৱাই মেৰিয়াক ক'লে, "আমাৰ ছোৱালীজনীক লৈ আহিলোঁ।" তেওঁৰ কিন্তু অন্তৰত ভয় হঠাতে বুঢ়া প্ৰিন্স্ আহি ওলায় বুলি। "তোমালোক বন্ধু হবা, মই কিমান ভাল পাম। প্ৰিন্সৰ গা ভাল নহয় বুলি শুনি বৰ বেজাৰ পালোঁ।" এনেকৈ গতানুগতিকভাৱে দুটামান কথা কৈ কাউণ্ট থিয় হ'ল। "যদি অনুমতি দিয়া—নাতাচাক পোন্ধৰ মিনিটৰ কাৰণে ইয়াত এৰি থৈ যাব খুজিছোঁ। ওচৰতে আনা চেমোনভনাক লগ ধৰি আহি মই তাইক লৈ যামহি।"

কাউণ্ট বোল্‌কভে এই বুদ্ধিটো পাজিছিল যাতে বুঢ়া প্ৰিন্সৰ লগত তেওঁৰ দেখাদেখি নহয় আৰু নাতাচা আৰু মেৰিয়াই ভালকৈ চিনাকি হবলৈ

সুবিধা পায়। নাতাচাই বাপেকৰ ভয়ৰ কাৰণ অনুমান কৰি মনত দুখ পালে। তাই কিন্তু কাকো ভয় নকৰে। মেৰিয়াই কাউণ্টক কলে যে নাতাচাক এৰি থৈ গ'লে তাই বৰ ভাল পাব আৰু তেওঁক অলপ পলমকৈহে আহিবলৈ অনুৰোধ কৰিলে। কাউণ্ট গ'ল।

মেৰিয়াই নিজে নাতাচাৰ লগত কথা পাতিব খুজিছিল কিন্তু বুৰিয়েঁ আগতেই নাতাচাৰ লগত মস্কোৰ আমোদ-প্ৰমোদৰ কথা আৰম্ভ কৰিলে। নাতাচা মেৰিয়াৰ ব্যৱহাৰত অসন্তুষ্ট হ'ল। কাৰণ তাত আন্তৰিকতা নাই। মেৰিয়াক কুৎসিত, কপটীয়া, অহংকাৰী যেন লাগিল। নাতাচাই তাচ্ছিল্যৰ ভাব দেখুৱালে। তাতে মেৰিয়াই নাতাচাক ক্ৰমাৎ বেছি বেয়া পোৱা হ'ল। সংযতভাৱে কোনোমতে পাঁচ মিনিটমান কথা হোৱাৰ পাচত বাহিৰত চটি জোতাৰ শব্দ শুনা গ'ল। মেৰিয়া ভয় খাই উঠিল। দুৱাৰখন মেল খালে। বুঢ়া প্ৰিন্স্ শোৱা পোছাকেৰে কোঠাটোত সোমাল।

প্ৰিন্সে ক'লে, "অ' কাউণ্টেছ...আপুনি কাউণ্টেছ্ ৰোস্তভ নহয় জানো? মোক ক্ষমা কৰিব, ক্ষমা কৰিব। আপুনি থকা থকা বুলি মই নাজানিছিলোঁ। আপুনি অনুগ্ৰহ কৰি যে আমাক দেখা কৰিবলৈ আহিছে, মই সঁচাকৈয়ে নাজানিছিলোঁ। মই এই পোছাকেৰে মেৰিয়াৰ ওচৰলৈ হে আহিছিলোঁ।— মোক ক্ষমা কৰিব। সঁচাকৈয়ে মই নাজানিছিলোঁ।"

বাপেকৰ এনে অস্বাভাৱিক কথাবোৰ শুনি মেৰিয়াৰ বাপেকৰ মুখলৈ চাবলৈ সাহস নহ'ল। তাই তলমূৰকৈ থিয় হ'ল। নাতাচাই থিয় হৈ সেৱা জনালে কিন্তু কি কৰিব তায়ো ভাবি নাপালে। অকল বুৰিয়েঁ মিচিকিয়াই হাঁহিলে।

নাতাচাৰ মূৰৰ পৰা ভৰিলৈকে চাই বুঢ়াই আকৌ বিৰবিৰকৈ ক'লে, "অনুগ্ৰহ কৰি মোক ক্ষমা কৰিব—ক্ষমা কৰিব। মই নাজানিছিলোঁ।" তাৰ পাছত বুঢ়া ওলাই গ'ল।

কিছু সময়ৰ পিছত প্ৰথমে বুৰিয়েঁ প্ৰিন্সৰ অসুখৰ কথা ক'লে। মেৰিয়া আৰু নাতাচা বহুপৰলৈকে মাতবোল নোহোৱাকৈ ইজনীয়ে সিজনীৰ মুখলৈ চাই থাকিল। সিহঁতৰ বিদ্বেষ ভাব আৰু চৰিল।

কাউণ্ট ৰোস্তভ আহি পালত নাতাচাই যেন উশাহ পালে। তাই লৰালৰিকৈ যাবলৈ ওলাল। মেৰিয়াৰ ব্যৱহাৰত তাইৰ খং উঠিছে। আধাঘণ্টা সময় থাকিল কিন্তু মেৰিয়াই এণ্ড্ৰু বিষয়ে এটা কথাও তুলিয়ালে। নাতাচাই ভাবিলে,

"সেই কথাচো তিৰোতাজনীৰ আগত মইনো প্ৰথমতে কেনেকৈ তেওঁৰ কথা উলিয়াওঁ।"

মেৰিয়াৰ মনলৈও একেটা ভাবেই আহিল। নাতাচাৰ লগত কি কথা পাতিব লাগে তাই জানিছিল কিন্তু বুৰিয়েঁ প্ৰতিবন্ধক হ'ল। আৰু বিয়াৰ কথা পাতিবলৈ তাই কিয় টান পাইছিল, তাই নিজেই কব নোৱাৰে। কাউণ্ট বাহিৰলৈ ওলাই আহিল। মেৰিয়াই নাতাচাৰ হাতত ধৰি ক'লে, "অলপ ৰবা, মই···।" নাতাচাই কিন্তু ভাল নাপালে।

"মৰমৰ নাতাচা, এণ্ড্ৰুৱে তোমাক ভাল পোৱা জানি, মই সঁচাকৈয়ে বৰ সুখী হৈছোঁ।" মেৰিয়া অলপ বল। নাতাচাই বুজি পালে যে মেৰিয়াই মিছা কথা কৈছে। নাতাচাই গহীনভাৱে ক'লে, "মেৰিয়া, এইবোৰ কথা কোৱাৰ বোধকৰোঁ এতিয়া সময় নহয়।" কোঠৰপৰা ওলাই গৈ নাতাচাই ভাবিলে, "মইনো কি কৈছোঁ? কি কৰিছোঁ?"

সিদিনা দুপৰীয়া খাবৰ সময়ত নাতাচাৰ কাৰণে বহুপৰ ৰব লগা হ'ল। তাই নিজৰ কোঠাত সৰু লৰা-ছোৱালীৰ নিচিনাকৈ কান্দি আছে, কেঁকুৰি আছে। চোনিয়া আহি তাইক চুমা খাই সুধিলে, "নাতাচা, তোমাৰ কি হৈছে? সিহঁতৰ কথালৈ কিয় ভাবিছা? সেইবোৰ একো নহয়।"

"তুমি যদি জানিলাহেঁতেন মই কিমান অপমান পাইছোঁ। মই যেন···।"

"সেইবোৰ নকবা। তোমাৰতো দোষ নহয়। কিয় ভাবিব লাগিছে?"

নাতাচাই চোনিয়াক সাবটি ধৰি চুমা খাই ক'লে, "মই কব নোৱাৰোঁ, নাজানো। কাৰো দোষ নাই। মোৰ দোষ। কিন্তু কি দুখৰ কথা! উহ, তেওঁনো নাহে কিয়?···"

বুঢ়া প্ৰিন্সে্ বোল্তভক কেনেদৰে অভ্যৰ্থনা কৰিছিল মেৰিয়া দিমিত্ৰিভনাই শুনিছিল। খাবৰ সময়ত নাতাচাৰ মুখখন গধুৰ আৰু চকু দুটা ৰঙা পৰি আছিল। দিমিত্ৰিভনাই নেদেখা ভাও জুৰি আলহীসকলৰ লগত হাঁহি মাতি কথা পাতিলে।

সেইদিনা গধূলি বোল্তভহঁত থিয়েটাৰ চাবলৈ গ'ল। দিমিত্ৰিয়েভনাই সিহঁতৰ কাৰণে আগতেই টিকট কিনি থৈছিল। নাতাচাৰ যাবলৈ ইচ্ছা নাছিল। কিন্তু ইমান মৰম কৰাৰ পাচত দিমিত্ৰিয়েভনাৰ কথা পেলাব নোৱাৰিলে। আৰু বিশেষকৈ নাতাচাৰ কাৰণেই থিয়েটাৰ যোৱাৰ বন্দবস্ত কৰিছে। সাজিপাৰি ওলাই নাতাচাই আয়নাত মুখখন চালে। তাই দেখিবলৈ ধুনীয়া, বৰ ধুনীয়া,

অকল মনটো মৰা। নাতাচাই ভাবিলে, "তেওঁ এতিয়া ইয়াত থকা হলে মই আৰু লাজ নকৰিলোঁ হয়; মই তেওঁক সাবটি ধৰিলোঁ হেতেন। তেওঁক ইহবালোঁ হেতেন। তেওঁৰ হাঁহিটো কি সুন্দৰ। চকুযুৰি কি ধুনীয়া! এতিয়াও দেখা যেন লাগিছে। তেওঁৰ বাপেক, ভনীয়েকক লৈ কি কথা আছে! মই অকল তেওঁকহে ভাল পাওঁ। সেই মুখখন! সেই চকুযুৰি! সেই সৰল হাঁহি…! নহয়, তেওঁৰ কথা নভৱাই ভাল। সম্প্ৰতি তেওঁক একেবাৰে পাহৰি যোৱাই ভাল। এই অনিশ্চয়তা আৰু অসহ্য হৈছে।" তাই কথমপি হে নকন্দাকৈ থাকিল।

সেই মুহূৰ্তত নাতাচাৰ মনটো ইমান উতলা হৈছিল যে অকল ভাল পালেই যথেষ্ট নহয়, ভালপোৱা মানুহজনক তেতিয়াই সাবটি ধৰিবলৈ তাইৰ ইচ্ছা গ'ল, তেওঁৰ মুখৰ পৰা মৰমৰ মাত শুনিবলৈ হেঁপাহ হ'ল। বাপেকৰ ওচৰত বহি গাড়ীৰে যাওঁতে তাই মনমাৰি ভাৱত বিভোৰ হৈ থাকিল। কাৰ লগত, ক'লৈ গৈছে, পাহৰি গ'ল। থিয়েটাৰ ঘৰৰ আগত গাড়ীবোৰ শাৰী পাতি ৰল। নাতাচা আৰু চোনিয়া গাড়ীৰ পৰা ওলাই আহিল। কাউণ্টক লগুৱাজনে নমাই দিলে। আন আন দৰ্শকৰ লগত সিহঁত তিনিও সিহঁতৰ বক্সলৈ যাবৰ কাৰণে বাৰাণ্ডাত উঠিল। ভিতৰৰ পৰা সঙ্গীত শুনা গ'ল।

# দ্বিতীয় অধ্যায়

চোনিয়াই ফুচকুচাই ক'লে, "নাতাচা, তোমাৰ চুলিখিনি ভালকৈ লোৱা।" এজন মানুহ সসম্মানে মহিলাসকলৰ আগেদি গৈ বক্সৰ দুৱাৰখন খুলি দিলে। গোটেই ঘৰটোৰ ভিতৰত উজ্জ্বল পোহৰ। ওপৰত শাৰী পাতি থকা বক্সবোৰত মহিলাসকল বহিছে। এগৰাকী মহিলাই ওচৰৰ বক্সটোত সোমাই, নাতাচাৰ ফালে ঘুৰি চালে। থিয়েটাৰ এতিয়াও আৰম্ভ হোৱা নাই—'কনচার্ট' বাজিছে। নাতাচাই পোছাকটো ভালকৈ সামৰি লৈ সন্মুখৰ বক্সবোৰলৈ চাই চোনিয়াৰ লগত তেওঁলোকৰ বক্সত সোমাল। এনেকুৱা অনুভূতি তাইৰ বহুদিন হোৱা নাই। শ শ চকুৱে তাইলৈ চাইছে। এই অনুভূতিৰ লগে লগে তাইৰ মনত বাসনা, কামনা, আবেগ, পুৰণি স্মৃতি জাগি উঠিল।

ৰোস্তভইত বহুদিন মস্কোলৈ অহা নাছিল। স্বাভাৱিকতে এই ধুনীয়া ছোৱালী দুজনীলৈ সকলোৰে চকু পৰিল। তাৰ উপৰি ইকাণ সিকাণকৈ সকলোৱে শুনিছিল যে নাতাচাৰ লগত প্রিন্স্ এণ্ড্ৰুৰ বিয়া ঠিক হৈছে। ৰোস্তভইত বহুদিনৰে পৰা গাৱঁত আছে। তেওঁলোকৰ ছোৱালী এজনীৰ লগত ৰুচিয়াৰ এখন ডাঙৰ বিয়া হব। বৰ কৌতূহলেৰে সকলোৰে ছোৱালী-জনীলৈ চাইছে।

গাঁৱত থকাৰ পৰা তাইৰ চেহেৰা ভাল হোৱা বুলি সকলোৱে নাতাচাক কৈছিল। আজি গধূলি তাই দেখিবলৈ আৰু বেছি ধুনীয়া হৈছে। তাইৰ প্রাণ আছে, সৌন্দর্য্য আছে। হাতত এখন দৃশ্য-তালিকা লৈ নাতাচা বক্সত বহি আছে আৰু ক'লা চকুযুৰিৰে মাজে মাজে তলৰ আসনবোৰত বহা জনতালৈ চাইছে। হঠাতে বাল্ডিপুৱাৰ অপমানৰ কথা তাইৰ মনত পৰিল। "তেওঁৰ পৰিয়ালত মোক অভ্যর্থনা নকৰাৰ তেওঁৰ কি অধিকাৰ আছে? নহয়, সেই বিষয়ে নভবাই ভাল—তেওঁ নহালৈকে!" তাৰ পাচত তলৰ আসনবোৰত বহা চিনাকি, অচিনাকি মানুহবোৰৰ মুখলৈ চালে।

সন্মুখৰ আসনবোৰৰ সোঁ মাজতে দলোহভ পার্চি পোছাক পিন্ধি, কেঁকোৰা চুলিবোৰ ওপৰলৈ ফণিয়াই থিয় হৈ আছে। সকলোৰে চকুত পৰাকৈ সি তাত থিয় হৈ আছে। মস্কোৰ নামজলা ডেকাবোৰ তাৰ ওচৰত জুম পাতি আছে। কিন্তু সি আকত জিলিকা।

বহুমূলীয়া সাজপাৰ পিন্ধি এগৰাকী ওখ, ধুনীয়া মহিলা আহি ওচৰৰ বক্সটোত ভালকৈ বহি ললে। নাতাচাই তেওঁৰ ফালে চালে। তেওঁৰ সৌন্দর্য্য, ডিঙিত পিন্ধা মণিমুকুতা আৰু সাজপাৰ দেখি নাতাচা মোহিত হ'ল। নাতাচাই দ্বিতীয়বাৰ তেওঁৰ ফালে চাওঁতে তিৰোতাজনীয়ে ঘূৰি চালে। কাউন্ট ৰোস্তভক দেখি তেওঁ অভিবাদন জনালে আৰু মিচিকি হাঁহিলে। এই মহিলা গৰাকী কাউন্টেছ বেচুখভ—পিয়াৰৰ ঘৈণীয়েক। কাউণ্টে ভদ্র সমাজৰ সকলোকে চিনি পায়। মুখখন আগবঢ়াই, থিয় হৈ তেওঁ মহিলা গৰাকীৰ লগত কথা পাতিবলৈ ধৰিলে।

"আপুনি ইয়াত কেতিয়াবাৰে পৰা আছে নেকি? মই কিবা কামত নগৰলৈ আহিছিলোঁ। লগতে ছোৱালী দুজনীকো লৈ আহিছোঁ। চেমিওনভনাই হেনো থিয়েটাৰত সুন্দৰ ভাও দিয়ে। কাউণ্ট পিটৰ কিৰিলোভিচে আমাক পাহৰা নাই। তেওঁ ইয়াত আছে নেকি?"

হেলেনে নাতাচাৰ ফালে চাই ক'লে, "এৰা, তেওঁৰ আহিবৰ কথা আছে।"

কাউন্ট ৰোস্তভ আকৌ নিজৰ ঠাইত বহিলহি। ফুচফুচাই নাতাচাক ক'লে, "বৰ ধুনীয়া, নহয় নে?"

নাতাচাই কলে, "বৰ ধুনীয়া, যি কোনো মানুহে তেওঁক ভাল পাব।"

এনেতে ৰঙ্গমঞ্চৰ আঁৰকাপোৰখন দাঙিলে। পলমকৈ অহা দর্শকসকল লৰালৰিকৈ নিজ নিজ আসনত বহিলহি। আঁৰকাপোৰখন গুচাই দিয়া মাত্রে সকলো চুপচাপ হ'ল। লৰা, বুঢ়া, মতা, মাইকী সকলো দর্শকে আগ্রহেৰে ৰঙ্গমঞ্চৰ ফালে চালে। নাতাচায়ো চালে।

গাঁৱৰ পৰা আহি আৰু বৰ্ত্তমান মনৰ অৱস্থাত থিয়েটাৰৰ দৃশ্যবোৰত নাতাচাৰ মন নবহিল। কিছুমান মতা-মাইকীয়ে সাজপাৰ পিন্ধি উজ্জল পোহৰত কথা কৈছে, গীত গাইছে, নাচিছে। ভাববীয়াইঁতৰ অস্বাভাবিক কাৰ্য্যকলাপ তাইৰ ভাল নালাগিল। ই বাস্তৱ জীৱনৰ ভাওহে। দর্শকসকলৰ ফালে চাই নাতাচাই দেখিলে সকলোৱে ভাল পোৱাৰ এটা ভাও দেখুৱাইছে। নাতাচাই ভাবিলে, "থিয়েটাৰৰ উদ্দেশ্যই এইটো।" তাই এবাৰ আসনত শাৰী পাতি বহি থকা পুৰুষ দর্শকসকলৰ ফালে চায়, এবাৰ অৰ্দ্ধ উলঙ্গ হৈ বক্সত বহা মহিলা সকললৈ চায়। কাষতে হেলেনে অৰ্দ্ধ উলঙ্গ হৈ বহি মিচিকি মিচিকি হাঁহি মঞ্চৰ ফালে চাই আছে।

নাতাচাৰ কিন্তু একেবাৰেই ভাল নলগা হ'ল। অদ্ভুত, অদ্ভুত কল্পনাই তাইক বলিয়া কৰিলে। তাই নিজকে পাহৰি গ'ল—ক'ত আছে, কি হৈছে। তাই চঞ্চল হৈ এবাৰ ইফালে চায়, এবাৰ সিফালে চায়। একোবাৰ তাইৰ মন যায় ৰঙ্গমঞ্চলৈ জাপ মাৰি গৈ গীত গায়; একোবাৰ হেলেনৰ লগত কথা পাতিব খোজে।

এটা গীত আৰম্ভ হোৱাৰ আগতে মঞ্চখন অলপ সময়ৰ কাৰণে নিস্তব্ধ হ'ল। সেই সময়তে এজন ধুনীয়া ডেকা নিজৰ আসনৰ পৰা উঠি বক্সৰ পিনে আহিল। কাউণ্টেছ বেচুখভে তাৰ ফালে চাই মিচিকিয়াই হাঁহিলে। এইজন আনাতোল কুৰেগিন। নাতাচাই তাক বহুত দিন আগতে দেখিছিল আৰু পিটাৰ্চবাৰ্গত বলনাচতো লক্ষ্য কৰিছিল। আনাতোলে আজি সৈনিকৰ পোছাক পিন্ধিছে। সি নাতাচাৰ ফালে এবাৰ চাই ভনীয়েকৰ ওচৰলৈ গ'ল। তাৰ পাছত নাতাচাৰ ফালে দেখুৱাই সি ভনীয়েকক কিবা সুধিলে।

নাতাচাৰ কথাই সি নিশ্চয় ক'লে, "অতিশাত ধুনীয়া।" নাতাচাই ভালকৈ নুশুনিলেও সি কি কৈছে অনুমান কৰিলে। তাৰ পাছত সি আগৰ শাৰী আসনলৈ গৈ দলোহভৰ ওচৰত বহিল।

কাউণ্টে কলে, "যেনে ভনীয়েক তেনে ককায়েক। দুয়ো কি ধুনীয়া!" প্ৰথম অঙ্ক হোৱাৰ পাচত দৰ্শকসকল আসনৰ পৰা উঠি বাহিৰলৈ অহা-যোৱা কৰিলে।

বহুতো ডাঙৰ ডাঙৰ মানুহ আহি হেলেনৰ বক্সৰ কাষ চাপিল। হেলেনক চিনি পোৱা বুলি দেখুৱাটোৱে যেন গৌৰৱৰ কথা।

দৰ্শকসকল বাহিৰলৈ অহা-যোৱা কৰাৰ সময় কুৰেগিনে দলোহভৰ লগত আগশাৰীত থিয় হৈ ৰোস্তভইতৰ বক্সৰ ফালে চাই থাকিল। সিহঁতে তাইৰ কথা পাতিছে বুলি ভাবি নাতাচাই ভাল পালে। তাইও সিহঁতৰ ফালে চালে। দ্বিতীয় অঙ্ক আৰম্ভ হোৱাৰ আগে আগে নাতাচাই পিয়াৰক দেখিলে। ৰোস্তভইঁত মস্কোলৈ আহি ইয়াৰ আগতে পিয়াৰক দেখা নাছিল। পিয়াৰৰ মনটো মৰা আৰু আগতকৈ শকত হৈছে। কাৰো ফালে নাচাই পিয়াৰ আগশাৰীৰ আসনলৈ গ'ল। আনতোল তাৰ ওচৰলৈ গৈ, ৰোস্তভ-ইঁতৰ বক্সৰ ফালে দেখুৱাই পিয়াৰক কিবা কলে। পিয়াৰে নাতাচাক দেখি বং পালে আৰু লৰালৰিকৈ সিহঁতৰ বক্সৰ ওচৰলৈ আহিল। পিয়াৰে

হাঁহি হাঁহি নাতাচাৰ লগত বহুতো পৰ কথা পাতিলে। পিয়াৰৰ লগত কথা পাতি থাকোঁতে নাতাচাই হেলেনৰ লগত কথা পাতি থকা মতা মানুহৰ মাত শুনিলে। মানুহজন কুৰেগিন বুলিয়ে তাই অনুমান কৰিলে। তাই সেইফালে চাওঁতে চকুৰে চকুৰে পৰিল। আনাতোলে মিচিকিয়াই হাঁহিলে।

দ্বিতীয় অঙ্ক চলি থাকোতো নাতাচাই যেতিয়াই আগৰ আসনবোৰলৈ চায়, তেতিয়াই দেখে আনাতোলে এখন হাত চকীৰ পাচফালে থৈ তাইৰ ফালে একেৰাহে চাই আছে। আনাতোল তাইৰ ৰূপত ভোল যোৱা দেখি নাতাচাৰ ভাল লাগিল। ইয়াৰ পৰা যে কিবা বিপদ হব পাৰে সেই কথাটো তাইৰ মনলৈ নাহিল।

দ্বিতীয় অঙ্ক শেহ হ'ল। হেলেনে থিয় হৈ বোগুভইত্তৰ পিনে চালে। তেতিয়া তাইৰ গোটেই বুকুখন উদং। হেলেনে কাউণ্টক মাতি আনি হাঁহি হাঁহি কথা পাতিবলৈ ধৰিলে। বক্সৰ ওচৰলৈ আহি গোট খোৱা মানুহবোৰলৈ হেলেনে ভ্ৰূক্ষেপকে নকৰিলে।

"অনুগ্ৰহ কৰি আপোনাৰ দীপ্‌লিপ্‌ ছোৱালী দুজনীৰ লগত মোক চিনাকি কৰি দিয়ক। গোটেই নগৰখনে তেওঁলোকৰ যশ গাইছে। কিন্তু মই তেওঁলোকক চিনি নাপাওঁ।"

নাতাচাই থিয় হৈ হেলেনক অভিবাদন জনালে। এনেহেন বিখ্যাত ৰূপহী এগৰ কীয়ে বখনা দেখি নাতাচাই নথৈ বং পালে। তাইৰ মুখখন ৰঙা পৰিল।

হেলেনে ক'লে, "মই নিজেই মস্কোত নিগাজিকৈ থাকিব খুজিছোঁ। এনেহেন মুকুতাটিক গাঁৱত পুতি থোৱা আপোনাৰ পক্ষে বৰ লাজৰ কথা!"

হেলেনে সকলোকে মুহিব পৰাৰ কাৰণ আছিল। মনত নভবা কথাকো তাই কব পাৰিছিল। লোকক ভাল লগাবলৈ সজা কথাবোৰো তাই নিভাঁজ, সৰল আৰু স্বাভাৱিকভাৱে কব পাৰিছিল।

হেলেনে ক'লে, "কাউণ্ট, মস্কোত আপুনি বেছিদিন থকা নাই। অৱশ্যে মোৰো আহিবৰ বেছিদিন হোৱা নাই। তথাপি মই যিমান দূৰ পাৰোঁ ছোৱালী দুজনীক ইয়াৰ আমোদ-প্ৰমোদৰ ভাগ দিবলৈ চেষ্টা কৰিম।" তাৰ পাছত নাতাচাৰ ফালে চাই হাঁহি ক'লে, "পিটাৰ্চবাৰ্গত তোমাৰ বিষয়ে বহুতো শুনিছোঁ আৰু তোমাৰ লগত পৰিচয় হবলৈ হেঁপাহ কৰিছিলোঁ; মোৰ স্বামীৰ, বন্ধু প্ৰিন্স্‌ বল্‌কন্‌স্কিৰ পৰাও তোমাৰ বিষয়ে শুনিছোঁ।" শেহৰ কথাখিনিৰ দ্বাৰাই হেলেনে বুজাব খুজিছিল যে নাতাচাৰ লগত প্ৰিন্স্‌ এণ্ড্ৰু

কি সম্বন্ধ তাই জানে। তালৈকে চিনাকি হবৰ কাৰণে হেলেনে এজনী ছোৱালীক তাইৰ বন্ধলৈ মাতিলে। নাতাচা গৈ হেলেনৰ লগত বহিল।

অলপ পাছতে লাহেকৈ আনাতোল হেলেনৰ কাষলৈ আহিল। হেলেনে নাতাচাক আনাতোলৰ লগত চিনাকি কৰি দিলে। নাতাচাই ধুনীয়া ডেকাজনৰ ফালে চাই মিচিকি হাঁহিলে। ইমান পৰে নাতাচাই আনাতোলক দূৰৰ পৰাহে দেখিছিল, এতিয়া দেখিলে সি সঁচাকৈয়ে ধুনীয়া। আনাতোলে নাতাচাৰ ওচৰত বহি কলে যে পিটাৰ্চবাৰ্গত অলনাচৰ সময়ত দেখাৰে পৰা সি তাইৰ লগত চিনাকি হবলৈ হেঁপাহ কৰিছিল। পুৰুষ মানুহৰ সমাজতকৈ আনাতোলে তিৰোতা মহলতহে তাইকৈ মিলিব পাৰিছিল। আনাতোলৰ বিষয়ে বহুতে বহু কথা কয় কিন্তু তাৰ ব্যৱহাৰ, সৰলতা দেখি নাতাচাৰ বৰ ভাল লাগিল। অভিনয়খন কেনে লাগিছে বুলি কুৰেগিনে নাতাচাক সুধিলে।

পুৰণি বন্ধুৰ দৰে সম্বোধন কৰি আনাতোলে ক'লে, "আমি এখন বহুৰূপী নাচৰ আয়োজন কৰিছোঁ। তুমিও তাত নাচিব লাগিব। নিশ্চয় আহিবা।" নাতাচাই বুজি পালে যে আনাতোল তাইৰ ৰূপত ভোল গৈছে। তাই ভাল পালে, তথাপি তাৰ উপস্থিতিত তাই অলপ অস্বস্তি অনুভৱ কৰিলে। আনাতোলে নাতাচাৰ বাহু, ডিঙি, বুকুৰফালে ঘনেপতি চাইছে। অইন মতা মানুহৰ লগত নাতাচাই সদায় অলপ ব্যৱধান ৰাখি চলে। আনাতোলৰ চকুলৈ চাই তাই ভয় খালে যে সিহঁতৰ মাজত এতিয়া আৰু সেই ব্যৱধান নাই। পাঁচ মিনিটৰ ভিতৰতে তাই অনুভৱ কৰিলে যে এই মানুহজনৰ লগত তাইৰ ঘনিষ্ঠতা বৰ বেছি হৈছে।

তাই মুখখন ঘূৰালে। কিন্তু ভয় হ'ল, এই মানুহজনে তাইক পাছফালৰ পৰা গাবটি ধৰি চুমা খাব পাৰে। সৰুসুৰা বিষয় লৈ দুয়ো কথা পাতিলে কিন্তু তাই অনুভৱ কৰিলে যে ইমান ঘনিষ্ঠতা আগতে তাইৰ কোনো মতা মানুহৰ লগত হোৱা নাছিল। এই ঘনিষ্ঠতাৰনো কি অৰ্থ? নাতাচাই হেলেন আৰু দেউতাকৰ মুখলৈ চালে। কিন্তু হেলেনে এজন সেনাপতিৰ লগত কথা পাতি আছে, তাইৰ ফালে নাচালে। বাপেকৰ চকুমুখৰেও নতুন একো নকলে; সদায় কয়—"ভাল লাগিছে? বাক, তোমাৰ ভাল লাগিলেই মই ভাল পাওঁ।"

আনাতোলে একোকে নামাতি নাতাচাৰ ফালে চাইছে। তাই লাজতে একোকে নাপাই সুধিলে, "মস্কোত আপোনাৰ কেনে লাগিছে?" পাছত

ভাবিলে তাৰ লগত কথা পাতি বেয়া কৰিছে। আনাতোলে হাঁহি ক'লে, "প্ৰথমতে মোৰ ভাল লগা নাছিল। নগৰ নো মানুহে কিয় ভাল পায়? ৰূপহীসকলৰ কাৰণে, নহয় জানো? কিন্তু এতিয়া মোৰ বৰ ভাল লাগিছে। বহুৰূপী নাচলৈ তুমি আহিবা তো? নিশ্চয় আহিবা।" পাছত নাতাচাৰ ফুলৰ তোবাটোত হাত দি কলে, "তুমি তাত সৌন্দৰ্য্যৰ ৰাণী হবা। মৰমৰ কাউণ্টেছ, তুমি নিশ্চয় আহিবা। আৰু প্ৰতিশ্ৰুতি হিচাপে মোক এই ফুলটি দিয়া।"

সি কি কৈছে নাতাচাই বুজি নাপালে। সি নিজেও কব নোৱাৰে। কিন্তু নাতাচাই বুজিলে যে এই দুৰ্বোধ্য শব্দবোৰৰ ভিতৰত কিবা বেয়া অভিপ্ৰায় আছে। কি কব তাই ভাবি নাপালে। তাই মুখ ফিৰালে যেন তাৰ কথাবোৰ শুনাই নাই। কিন্তু মুখ ফিৰাই তাই অনুভৱ কৰিলে যে সি পিছফালে নিচেই কাষতে আছে।

তাই ভাবিলে "তেওঁ বেয়া পালে নেকি? নে বিমোৰত পৰিছে? নাই খং উঠিছে? মই কিবা দোষ কৰিলোঁ নেকি?" তাই ঘূৰি নোচোৱাকৈ থাকিব নোৱাৰিলে। তাই তাৰ চকুলৈ চালে। তাৰ মৰমৰ সৰল হাঁহিটিয়ে তাইক জয় কৰিলে। তায়ো তাৰ ফালে চাই ঠিক সেইদৰে হাঁহিলে। তাই আকৌ ভয় খালে যে দুয়োৰো মাজত কোনো ব্যৱধান নাই।

মঞ্চৰ আঁৰকাপোৰখন আকৌ উঠিল। আনাতোল লাহেকৈ উঠি মিচিকি হাঁহি বক্সৰ পৰা আঁতৰি গ'ল। নাতাচা আকৌ দেউতাকৰ বক্সলৈ গ'ল। যেনিবা স্বপ্ন ৰাজ্যৰ পৰা আহিল। এতিয়া সকলো কথা তাইৰ স্বাভাবিক যেন লাগিছে। কিন্তু আগৰ চিন্তাবোৰ—এণ্ড্ৰুৰ লগত তাইৰ বিয়াৰ প্ৰস্তাৱ, মেৰিয়াৰ কথা, গাঁৱলীয়া জীৱনৰ কথা এবাৰো মনলৈ নাহিল। যেন সেইবোৰ বহু অতীতৰ কথা।

নাতাচা উত্তেজিত হ'ল। এই উত্তেজনাৰ কাৰণ কুৰেগিন। তাৰ ফালে নোচোৱাকৈ তাই থাকিব নোৱাৰা হ'ল। থিয়েটাৰৰ পৰা ওলাই অহাত আনাতোলে সিহঁতৰ গাড়ীখন বিচাৰি আনি, সিহঁতক উঠাই দিলে। নাতাচাক উঠাই দিওঁতে সি তাইৰ বাহুত লাহেকৈ চেপি দিলে। নাতাচা উত্তেজিত হৈ ৰঙা পৰি তাৰ ফালে ঘূৰি চালে। আনাতোলে তাইলৈ চাই এটি মৰমৰ হাঁহি মাৰিলে।

ঘৰলৈ আহিহে নাতাচাই সকলো কথা উপলব্ধি কৰিলে। হঠাতে প্ৰিন্স

এগুৰ কথা মনত পৰি তাই কঁপি উঠিল। থিয়েটাৰৰ পৰা আহি সকলো চাহ খাবলৈ বহিছে। তাই চিঞৰ মাৰি কোঠাটোৰ পৰা লৰ দিলে। "মই অধঃপাতে গলোঁ। মই ইমান তললৈ কেনেকৈ নামিলোঁ?" হাত দুখনেৰে মুখখন ঢাকি তাই বহুপৰলৈকে ভাবিলে, কি হ'ল! সকলো কথাই তাইৰ মনত অস্পষ্ট, ভয়াবহ যেন লাগিল। থিয়েটাৰৰ কথা মনত কৰি তাই ভাবিলে, "ইয়াৰ অৰ্থ কি? তেওঁলৈ মই কিয় ভয় কৰিছিলোঁ? এই বিবেকৰ তাড়নাৰ অৰ্থ কি?"

নাতাচাই অকল মাকৰ ওচৰত ৰাতি মনৰ কথা কব পাৰিলেহেঁতেন। চোনিয়াই তাইৰ কথা বুজি নাপাব নাইবা শুনিলেই ভয় খাব। নাতাচাই নিজেই এই সাঁথৰটো ভাঙিব লাগিব। তাই নিজাক নিজে সুধিলে, "প্ৰিন্স্ এগুৰ মৰমৰ কাৰণে অপৱিত্ৰ হৈছোঁ নেকি?" আৰু নিজেই উত্তৰ দিলে, "মইনো কি আঁকৰী। এইটোনো কি কথা! যোৱা নো কি হৈছে? নাই, মইতো নিজে একো কৰা নাই। কোনেও কেতিয়াও নাজানিব। মোৰ লগত তেওঁৰ আৰু দেখা নহব। গতিকে একোৱে হোৱা নাই। অনুতাপ কৰিবৰ একো নাই। প্ৰিন্স্ এগুৰে মোক এতিয়াও ভাল পাব পাৰে। কিন্তু এতিয়া কিয়? হে ভগৱান, তেওঁনো নাহে কিয়?" অলপ সময়ৰ কাৰণে নাতাচাই সান্ত্বনা পালে হয় কিন্তু তাইৰ বিবেকে তাইক আকৌ কলে, যদিও একোৱে হোৱা নাই সঁচা তথাপি প্ৰিন্স্ এগুৰ প্ৰতি তাইৰ প্ৰেমৰ আগৰ পৱিত্ৰতা নষ্ট হৈছে। কুৰেগিনৰ লগত হোৱা কথাবোৰ নাতাচাৰ মনত পৰিল। আকৌ সেই মুখখন দেখিলে—কি ধুনীয়া হাঁহিটি মাৰি সি তাইৰ হাতত চেপি দিছিল।

# তৃতীয় অধ্যায়

আনাতোল কুবেগিনে পিটার্চবার্গত বছৰে নগদ কুৰি হেজাৰ টকা খৰচ কৰে আৰু তাত্তোকৈ বেছি ধাৰ কৰে। মহাজনসকলে সদায় বাপেকক আমনি কৰে। সেই কাৰণে বাপেকে আনাতোলক মস্কোলৈ পঠাইছে। বাপেকে বহু চেষ্টা কৰি মস্কোত তাৰ কাৰণে সামৰিক বিভাগত এটা চাকৰি যোগাৰ কৰিছে। বাপেকে তাৰ আধাখিনি ধাৰ মাৰিবলৈ মান্তি হ'ল, যদিহে আনাতোল মস্কোলৈ যায় আৰু পাৰিলে তাতে এজনী চহকী মানুহৰ ছোৱালী বিয়া কৰাবলৈ যত্ন কৰে।

বাপেকৰ কথাত সম্মত হৈ আনাতোল মস্কোলৈ আহিল। মস্কোত সি পিয়াৰৰ ঘৰত থাকিল। আনাতোল তাৰ ঘৰত থকাটো প্ৰথমতে পিয়াৰে পছন্দ নকৰিছিল। কিন্তু পাচত আনাতোলক টকাও ধাৰে দিলে।

আনাতোলে তাৰ সাহস আৰু ব্যৱহাৰৰ দ্বাৰাই মস্কোৰ সকলো তিৰোতাকে ভাল লগাব পাৰিছিল। বিশেষকৈ অভিনেত্ৰী আৰু নৰ্ত্তকীসকলৰ লগত তাৰ ঘনিষ্ঠতা বেছি। আনাতোলে বন্ধু-বান্ধৱৰ লগত আমোদ-প্ৰমোদ কৰিয়েই দিন নিয়ায়। নাচ, গান, মৌমেল একোকে বাদ নিদিয়ে। কেতিয়াবা মদ খাই গোটেই ৰাতিটো বাহিৰতে থাকে। মদেমচেল জৰ্জ নামৰ এজনী বেশ্যাৰ লগত তাৰ হেনো বৰ প্ৰণয় হৈছে। কেইবাজনীও বিবাহিতা গাভৰুৰ লগতো তাৰ মিলাপ্ৰীতি আছে। কিন্তু ডাঙৰ ঘৰৰ বিয়া নোহোৱা ছোৱালীৰ লগত তাৰ ঘনিষ্ঠতা নাই। তাৰ কাৰণো আছে। আৰু কাৰণটো দুই-এজন নলেগলে লগা বন্ধুৰ বাহিৰে কোনেও নাজানিছিল। দুবছৰ আগতেই তাৰ বিয়া হৈছে। দুবছৰ আগতে যেতিয়া তাৰ সেনাদলটো পোলেণ্ডত আছিল, পোলেণ্ডৰ এজন সাধাৰণ খেতিয়কে জীয়েকক বিয়া কৰাবলৈ আনাতোলক বাধ্য কৰায়। অলপ দিনৰ পাচতেই আনাতোলে ঘৈণীয়েকক তাত এৰি থৈ আহে। সি শহুৰেকক ধন দিব আৰু শহুৰেকেও তাৰ বিয়াৰ কথা প্ৰকাশ নকৰিব।

জীৱনত কেতিয়াবা বেয়া কাম কৰিছে বুলি আনাতোলে নাভাবে। বৰ্ত্তমানে সি যেনেকৈ চলিছে তেনেকৈ থাকিবলৈ নাপালে তাৰ পক্ষে জীয়াই থকা অসম্ভৱ হব বুলি সি ভাবে। তাৰ স্বভাৱ-চৰিত্ৰ সম্বন্ধে মানুহে কি কয় আৰু তাৰ পৰিণতি কি হব পাৰে—এইবোৰ ভাবিবলৈ তাৰ শক্তি নাই। সি ধৰি লৈছে যে

পানীত জীয়াই থাকিব পৰাকৈ ভগৱানে হাঁহক যেনেকৈ সৃজন কৰিছে, তাকো বছৰে ত্ৰিশ হেজাৰ টকা খৰচ কৰি আমোদ-প্ৰমোদত থাকিব পৰাকৈ তেনেকৈ ভগৱানে সৃজন কৰিছে। সকলো সমাজতে সি সমাদৰ পাইছিল আৰু ধাৰলৈ টকাও পাইছিল। অৱশ্যে ধাৰ মাৰিবলৈ তাৰ মতলব নাই।

আনাতোল জুৱাৰী নাছিল—অন্ততঃ জুৱা খেলি ধন ঘটিবলৈ তাৰ তিমান হেঁপাহ নাছিল। তাৰ অহংকাৰো নাই। মানুহে তাৰ বিষয়ে যিহকে ভাবক সি ভ্ৰূক্ষেপ নকৰে। আকাংক্ষা তাৰ মুঠেই নাছিল। জীৱনত বহুতো সুযোগ, সুবিধা পায়ো সি এৰি দিছে আৰু তাৰ কাৰণে বাপেকৰ গালিও খাইছে। ওখ ৰাবলৈ তাৰ শ্ৰদ্ধা নাই। সি কৃপণ নহয়, কোনোবাই কিবা খুজিলে, সি তাক বিমুখ নকৰে। সি ভাল পায় অকল মদ আৰু মাইকী। তাৰ পৰা লোকৰ যে কিবা অনিষ্ট হব পাৰে, সি ভাবিব নোৱাৰিছিল। কোনো নীচ কাম কৰা নাই বুলি সি নিজকে নিষ্কলঙ্ক বুলি ভাবে। দুষ্ট, নীচ প্ৰকৃতিৰ মানুহক সি ঘিণ কৰে। তাৰ অন্তৰত লাজ, চৰম একো নাই।

সেই বছৰতে দলোহভো আহি মস্কো ওলালহি। সি বিলাসিতা, মদ, জুৱা লৈয়ে থাকে। আৰু নিজৰ সুবিধাৰ কাৰণে পিটাৰ্চবাৰ্গৰ পুৰণি বন্ধু কুৰেগিনৰ লগত নতুনকৈ বন্ধুত্ব স্থাপন কৰিলে। সাহস আৰু চতুৰালিৰ কাৰণে আনতোলে দলোহভক ভাল পাইছিল। আনাতোলৰ বন্ধু বুলিয়ে দলোহভে চহকী ডেকাবোৰক তাৰ জুৱাখেলাৰ লগ কৰি লবৰ সুবিধা পাইছিল। কুৰেগিনৰ নামত দলোহভে বহুতো সুবিধা কৰি লৈছিল। আনাতোলে গমেই নাপায়। নিজৰ স্বাৰ্থৰ কাৰণে দলোহভে আনাতোলক ভাল পাইছিল। তাৰ উপৰিও লোকৰ কামত হকাবধা জন্মায়ো সি ৰং পাইছিল।

কুৰেগিনে নাতাচাক পাহৰা নাই। থিয়েটাৰৰ পাচত, ৰাতি খোৱাৰ সময়ত আনাতোলে দলোহভৰ আগত নাতাচাৰ হাত, ভৰি, ডিঙি, চুলিৰ বৰ্ণনা দিলে। আৰু তাইৰ লগত প্ৰেম কৰিবৰ ইচ্ছাৰ কথাও কলে। এই প্ৰেমৰ পৰিণাম কি হব পাৰে, আনাতোলে ভাবি নাচালে। কোনো কামৰ ফলাফলৰ কথা সি কেতিয়াও নাভাবে, ভাবিবও নোৱাৰে।

দলোহভে ক'লে, "নাতাচা ধুনীয়া হয়, কিন্তু ভাই, তাই আমাৰ কাৰণে নহয়।"

"তাইক খাবলৈ নিমন্ত্ৰণ কৰিবলৈ ভনীটিক কম।"

"আগতে তাইৰ বিয়াখন হৈ যাওক।"

আনাতোলে ক'লে, "তুমি জানাই দেখোন, মই বিয়া নোহোৱা ছোৱালীহে বেছি ভাল পাওঁ। সিহঁতক সহজে জালত পেলাব পাৰি।"

আনাতোলৰ বিয়াৰ কথা দলোহভে জানিছিল। সি ক'লে, "সৰু ছোৱালীৰ প্ৰেমত পৰি এবাৰ মজা পাইছা। সাৱধান!"

আনাতোলে হাঁহি হাঁহি ক'লে, "মানুহে দুবাৰ ভুল কৰিব নোৱাৰে।"

# চতুৰ্থ অধ্যায়

মেৰিয়া ক্ৰিস্ত্ৰিভনাই ৰবিবাৰৰ দিনটো বৰ ভাল পায়। সেই দিনটো পৱিত্ৰ দিন হিচাপে পালন কৰে। শনিবাৰেই ঘৰচুৱাৰ চাফ্ কৰি থয়। দেওবাৰে ঘৰৰ কোনেও কাম নকৰে। সকলো ভাল পোছাক পিন্ধি গীৰ্জালৈ যায়। সেই দিনাখন খোৱাবোৱাও ভাল হয়। বিশেষ মন কৰিবলগীয়া যে সেই দিনাখন ক্ৰিস্ত্ৰিভনা বৰ গহীন হৈ থাকে।

গীৰ্জাৰ পৰা আহি সকলোৱে বাহিৰা কোঠাত বহি কফি খাইছে। এনেতে এজন লগুৱাই খবৰ দিলে যে গাড়ী সাজু হৈছে। ক্ৰিস্ত্ৰিভনাই থিয় হৈ গহীনাই ক'লে যে তেওঁ প্ৰিন্স্ বল্কন্স্কিক দেখা কৰিবলৈ যাব। নাতাচাক এনে ব্যৱহাৰ কৰাৰ নো কাৰণ কি ?

ক্ৰিস্ত্ৰিভনা যোৱাৰ পাচত এজন দৰ্জী বোগুভইতে চিলাই কৰিবলৈ দিয়া পোছাকবোৰ লৈ আহিল। পোছাকবোৰ দেখি নাতাচাৰ ভাল লাগিল। পোছাকটো পিন্ধি চাবৰ কাৰণে তাই অইন এটা কোঠালৈ গ'ল। দুৱাৰখন জপাই, তাই পোছাকটো পিন্ধিলে। পোছাকটোৰ পিছফালটো চাবৰ কাৰণে আয়নাৰ আগত থিয় হৈছে, এনেতে বহা কোঠাত বাপেকক এগৰাকী তিৰোতা মানুহৰ লগত আগ্ৰহেৰে কথা পতা শুনি তাইৰ মুখখন ৰঙা হ'ল। এইটো হেলেনৰ মাত। নাতাচাই নতুন পোছাকটো খুলিবলৈ নৌপাওঁতেই কোঠাটোৰ দুৱাৰখন মেল খালে। ধুনীয়া সাজপাৰেৰে কাউণ্টেচ্ বেচুখভ্ মৰমৰ সৰল হাঁহি এটি মাৰি কোঠাটোত সোমাল। কাউণ্ট বোস্তভো পিছে পিছে সোমাল।

হেলেনে নাতাচাৰ ফালে চাই ক'লে, "অ' মোৰ যাদুকৰী ! কি ধুনীয়া !" তাৰ পাচত কাউণ্টক ক'লে, "চাওক কাউণ্ট, আপুনি অসম্ভৱ কাম কৰিছে। মস্কোত থাকিও ক'লৈকো নোলায় ? আপোনাক নেৰিছোঁ। আজি গধূলি আমাৰ তাত মদেমচেল জৰ্জে আবৃত্তি কৰিব। অলপ মানুহ আহিব। আপোনাৰ ছোৱালী দুজনী মদেমচেল জৰ্জতকৈও বেছি ধুনীয়া। এই ৰূপহী ছোৱালী দুজনীক লৈ আপুনি যদি আজি তালৈ নাযায়—তেন্তে আপোনাৰ লগত আৰু কথাকে নকওঁ। তেখেত ইয়াত নাই। নহলে তেখেতকে নিবলৈ পঠালোঁ হয়। আপুনি নিশ্চয় যাব, যাব লাগিব, ন বজাৰ আগতে।"

হেলেনে আয়নাৰ ওচৰত চকী এখনত বহি লৈ বংমনে কথা পাতিবলৈ ধৰিলে। তাই কেবাবাৰো নাতাচাৰ সৌন্দৰ্য্যৰ প্ৰশংসা কৰিলে আৰু তাইৰ নতুন পোছাকটো ভাল হৈছে বুলি কলে। নিজৰ পোছাকটো বখানি হেলেনে কলে যে এই পোছাকটো তাই পেৰিচত্ত কৰাই আনিছে। আৰু নাতাচাকো তেনে এটা পোছাক লবলৈ ক'লে। "কিন্তু ৰূপহী, তোমাক যি কোনো পোছাকেই সুৱায়।"

হেলেনৰ কথাবোৰ নাতাচাই হাঁহি মুখে শুনিছে। এনেহেন ৰূপহী তিৰোতা এগৰাকীৰ মুখৰ পৰা প্ৰশংসাৰ বাণী শুনি নাতাচাই নথৈ বং পালে। এনে সম্ভ্ৰান্ত মহিলা এগৰাকীয়ে তাইক ইমান মৰম কৰে! হেলেনৰ ব্যৱহাৰত তাই মুগ্ধ হ'ল।

আমোদ উপভোগ কৰিবৰ কাৰণে হেলেনে নাতাচাক প্ৰশংসা কৰিছিল। নাতাচাৰ লগত লগ লগাই দিবৰ কাৰণে আনাতোলে ভনীয়েকক খাটিছিল। সেই কাৰণেহে হেলেন বোষ্টভইতক লগ পাবলৈ আহিছিল।

যোৱাৰ সময়ত হেলেনে নাতাচাক অকলে মাতি নি ক'লে, "কালি ককাইদেৰে মোৰ লগত একেলগে বহি খাইছিল। তাৰ কথা লৈ আমি হাঁহি হাঁহি মৰিছোঁ।—একোকে নাখায়, নামাতে, অকল তোমাৰ কাৰণে হুমুনিয়াহ কাঢ়ে। তুমি কি যাতু জানা! ভনীটি, সি তোমাৰ প্ৰেমত পৰিছে, তোমাৰ কাৰণে পগলা হৈছে।"

লাজতে নাতাচাৰ মুখখন ৰঙা হ'ল!

"উহ্, তোমাৰ মুখখন কি সুন্দৰ ৰঙা! তুমি কিন্তু নিশ্চয় যাবা। তুমি কাৰোবাক ভালপোৱা বুলিয়েই ঘৰৰ ভিতৰত বন্ধ হৈ থকাৰ কোনো কাৰণ নাই। এনেকি তুমি যদি বাক্‌দত্তাও তথাপি এনেকৈ ঘৰৰ ভিতৰত মনমাৰি থকাতকৈ বাহিৰৰ সমাজত ফুৰিলে, তেওঁ নিশ্চয় বেছি ভাল পাব।"

"তেন্তে মই বাকদত্তা বুলি তেওঁ জানে। তেন্তে তেওঁ তেওঁৰ পিৰিয়কৰ সেই সজ পিয়াৰৰ লগত এই বিষয়ে আলোচনা কৰি হাঁহিছিল। তেন্তে সি একো নহয়।"

আগতে নাতাচাই যিটো কথা সাংঘাতিক বুলি ভাবিছিল, এতিয়া হেলেনৰ প্ৰভাৱত সেই কথাটো তেওঁৰ সৰল, স্বাভাৱিক যেন লাগিল। হেলেনৰ ফালে আচৰিত হৈ চাই, নাতাচাই ভাবিলে, "এনেহেন সম্ভ্ৰান্ত মহিলা এগৰাকীয়ে মোক অন্তৰেৰে সৈতে ভাল পায়—মইনো সুখ ভোগ নকৰোঁ কিয়?"

দুপৰীয়া খাবৰ সময়ত মেৰিয়া ক্সিত্রিভনা গহীন হৈ থাকিল, কোনো কথা নাপাতিলে। বোধকৰোঁ বুঢ়া প্রিন্সৰ হাতত পৰাজিতা হৈ আহিছে। বুঢ়া প্রিন্সৰ লগত বাকবিতণ্ডা কৰি ইমান উত্তেজিত হৈ আহিছে যে সেই বিষয়ে তেওঁ কোনো কথা কব নোৱাৰিলে। কাউণ্টে সুধিলাত তেওঁ কলে যে সকলো ঠিক আছে; এই বিষয়ে তেওঁক কাইলৈ কব। কাউণ্টেছ বেচুখভ আহি গধূলিলৈ নিমন্ত্রণ কৰি যোৱা বুলি শুনি ক্সিত্রিভনাই ক'লে, "কাউণ্টেছ্ বেচুখভৰ লগ লবলৈ মই ভাল নাপাওঁ। আৰু আপোনালোককো উপদেশ নিদিওঁ। কিন্তু আপুনি কথা দিছে যেতিয়া, যাওক।" নাতাচাৰ ফালে চাই ক'লে, "তোমাৰ মনটো ভাল লাগিব।"

# পঞ্চম অধ্যায়

কাউন্ট বোস্তভ ছোৱালী দুজনীক লৈ কাউন্টেছ বেচুখভৰ ঘৰলৈ আহিল। বহুতো মানুহ গোট খাইছে কিন্তু নাতাচাই কাকো চিনি নাপায়। কাউন্ট বোস্তভে দেখিলে যে সৰহভাগ আলহী হৈছে কুখ্যাত স্বেচ্ছাচাৰী স্বভাৱৰ মতা, তিৰোতা। কাউন্টে মনতে ঠিক কৰিলে তেওঁ ইয়াত তাচ নেখেলে, নাতাচাৰ কাষতে বহি থাকিব। আৰু মদেমচেল জৰ্জৰ আবৃত্তি হলেই তেওঁলোক গুচি আহিব।

বোস্তভহঁতৰ কাৰণে আনাতোল দুৱাৰমুখতে বৈ আছিল। কাউন্টক অভিবাদন জনাই, নাতাচাৰ কাষ চাপি তাইৰ পিচে পিচে ভিতৰলৈ গ'ল। আনাতোলক দেখি নাতাচাৰ পূৰ্ব অনুভূতি জাগি উঠিল। থিয়েটাৰৰ কথা মনত পৰিল। তাইৰ সৌন্দৰ্য্যৰ প্ৰশংসা কৰাৰ কথা, আৰু দুয়োৰো মাজত ব্যৱধান নথকাৰ কাৰণে তাই ভয় খোৱাৰ কথা তাইৰ মনত পৰিল।

হেলেনে নাতাচাক বৰ মৰমেৰে অভ্যাৰ্থনা জনালে। তাইৰ সৌন্দৰ্য্যৰ আৰু পোছাকটোৰ প্ৰশংসা কৰিলে। বোস্তভহঁত অহাৰ পাচতে মদেমচেল জৰ্জ পোছাক সলাবলৈ গ'ল। বহা ঘৰটোত বহুতো চকী শাৰী পাতি থোৱা আছিল। আলহীবোৰ আহি বহিল। আনাতোলে নাতাচাক এখন চকী আগবঢ়াই দিলে। আৰু সিও তাইৰ ওচৰত বহিব খুজিছিল কিন্তু কাউন্ট নাতাচাৰ ওচৰত বহিল। আনাতোল নাতাচাৰ পাছফালে বহিল।

মদেমচেল জৰ্জৰ কাৰণে এডোখৰ মুকলি ঠাই ৰখা হৈছিল। তাই আহিয়ে এটা অস্বাভাৱিক ভঙ্গী কৰিলে। চাই সকলোৱে ভাল পালে।

পুত্ৰেকৰ লগত তাইৰ অপবিত্ৰ প্ৰেমৰ কাহিনী বৰ্ণাই মদেমচেল জৰ্জে আওভাও দি এটি ফৰাচী কবিতা আবৃত্তি কৰিলে। তাই মাতটো এবাৰ ডাঙৰ কৰে, এবাৰ সৰু কৰে, হঠাতে বয়, মূৰটো তলওপৰ কৰে, চকুহালেৰে বেলেগ বেলেগ ভাব প্ৰকাশ কৰে। সকলোৱে তাইক প্ৰশংসা কৰিলে। নাতাচাই সেই শব্দত নৰ্ত্তকীজনীৰ ফালে চাই আছে হয় কিন্তু তাইৰ মনতো কৰবাত। তাই একো দেখা নাই, একো শুনা নাই। তাই এতিয়া স্বপ্নৰাজ্যত আছে। কি ভাল, কি বেয়া, কি সচেতন, কি অচেতন, একোকে গম নাপায়। পাছতে আনাতোল বহি আছে। তাই ভয়ভয়কৈ কিহবালৈ আশা পালি আছে।

প্ৰথম আবৃত্তি হোৱাৰ পাছত, শ্ৰোতাসকল উঠি গৈ মদেমচেল জৰ্জক এবেৰি ধৰিলে। তাইক প্ৰশংসা কৰিলে।

নৰ্তকীজনীৰ ওচৰলৈ যাবৰ কাৰণে বাপেকক চকীৰ পৰা উঠা দেখি নাতাচাই ক'লে, "তাই ইমান ধুনীয়া!"

আনাতোল নাতাচাৰ পিচে পিচে গৈ ক'লে, "কিন্তু তোমাৰ তুলনাত, মোৰ মনেৰে, তাই ইমান ধুনীয়া নহয়। তুমি বৰ ধুনীয়া। প্ৰথম দেখাৰ পৰা মই তোমাক পাহৰিব পৰা নাই।" অইন কোনেও শুনাকৈ আনাতোলে এইখিনি কথা ক'লে।

কাউণ্টে নিজৰ চকীলৈ আহি মাতিলে, "নাতাচা, আহা। তাই কিমান ধুনীয়া!" নাতাচাই ওচৰলৈ গৈ বাপেকৰ মুখলৈ চালে। কিন্তু একোকে নামাতিলে।

বেলেগ বেলেগ আওভাওৰে কেবাটাও আবৃত্তি কৰাৰ পাছত, মদেমচেল জৰ্জে বিদায় ললে। কাউণ্টেছ বেচুখভে আলহীসকলক ডাঙৰ কোঠাটোলৈ মাতিলে।

কাউণ্টে বিদায় লব খুজিছিল। কিন্তু তাই আয়োজন কৰা বলনাচটোৰ অঙ্গহানি নকৰিবলৈ হেলেনে কাউণ্টক অনুৰোধ কৰিলে। নাচোতে আনাতোলে নাতাচাৰ কঁকালত আৰু হাতত টিপি দি ফুচফুছাই কলে যে সি তাইক ভাল পায়, সি মুগ্ধ হৈছে। দ্বিতীয়বাৰ নাচোঁতে আনাতোলে একো নকলে। অকল তাইৰ মুখলৈ চালে। নাতাচাৰ সন্দেহ হ'ল। প্ৰথমবাৰ নাচোঁতে আনাতোলে কোৱা কথাবোৰ তাই সপোনত শুনিছিল নেকি? নাচৰ শেহত আনাতোলে আকৌ তাইৰ হাতত টিপি দিলে। নাতাচাই ভয়ভয়কৈ তাৰ মুখলৈ চালে। কিন্তু তাই একোকে কব নোৱাৰি তলমূৰ কৰিলে। তাই লাহেকৈ খৰকৈ ক'লে, "এনে কথা মোক নকব। মই বাকদত্তা। মই আন এজনক ভালপাওঁ।" তাই তাৰ ফালে চালে কিন্তু আনাতোলৰ যেন সেইবোৰ কথা কাণত লোমোৱাই নাই। সি কলে, "সেইবোৰ কথা মোক নকবা। মোক কেলেই কব লাগিছে? মই তোমাৰ প্ৰেমত বলিয়া হৈছোঁ— মাত্ৰ এই কথা। তুমি ইমান ৰূপহী, মন-প্ৰাণ মুহিব পৰা—এইটো মোৰ দোষ নেকি? আমি মন কৰিলে আৰম্ভ কৰিব পাৰোঁ।"

নাতাচা উত্তেজিত হ'ল। তাইৰ ভাল লাগিল। বাপেক যাব খুজিছিল কিন্তু তাই ৰখালে। নাতাচা য'লৈকে যাওক, যাৰ লগত কথা পাতক,

আনাতোলৰ চকুযুৰি তাইৰ ওপৰত। পোছাক ভালকৈ পিন্ধি লবলৈ সাজ পিন্ধা কোঠাটোলৈ যাবৰ কাৰণে তাই বাপেকৰ অনুমতি ললে। হেলেনে পিছে পিছে গৈ ককায়েক তাইৰ প্ৰেমত পৰাৰ কথা হাঁহি হাঁহি নাতাচাক কলে। সেই সৰু কোঠাটোত আনাতোল গৈ আকৌ ওলাল। হঠাতে হেলেন অন্তৰ্ধান হ'ল। সিহঁত অকলে থাকিল। আনাতোলে তাইৰ হাতত ধৰি মৰমেৰে ক'লে, "মইতো তোমাক দেখা কৰিবলৈ যাব নোৱাৰোঁ। কিন্তু তোমাক নেদেখি থকাটো মোৰ পক্ষে অসম্ভৱ। মই তোমাৰ প্ৰেমত বলিয়া। মই তোমাক···" আৰু তাইক আগ ভেটা দি মুখখন তাইৰ মুখৰ ওচৰলৈ নিলে। তাই তাৰ উজ্জ্বল চকুযুৰিলৈ চালে।

আনাতোলে তাইৰ হাত দুখনত টিপি দি লাহেকৈ ক'লে, "নাতাচা !"

তাইৰ চকুযুৰিয়ে যেন ক'লে, "মই কব নোৱাৰোঁ, মোৰ কবলৈ নাই।" আনাতোলে তাইক চুমা খালে। এনেতে হেলেনক আকৌ অহা গম পাই নাতাচাই মুখ ঘূৰাই চালে, তাৰ পাছত ৰঙা পৰি ভয়ভয়কৈ আনাতোলৰ ফালে এবাৰ চাই দুৱাৰৰ ওচৰলৈ গ'ল। আনাতোলে মাতিলে, "আৰু এটা কথা শুনা, মোৰ শপত।" তাই ৰল। নাতাচাই আনাতোলৰ সেই কথা শুনি সেই উত্তৰ দিব খুজিছিল। আনাতোলে আকৌ দুবাৰো ক'লে, "নাতাচা, এটা কথা···।" কি কব সি ভাবি নাপালে। এনেতে হেলেন আহি কাষ চাপিল। হেলেনে নাতাচাক বহা কোঠাটোলৈ লৈ গ'ল। বোৱাইঁত নোখোৱাকৈয়ে বিদায় হ'ল।

# ষষ্ঠ অধ্যায়

সিদিনা গোটেই ৰাতি নাতাচাৰ টোপনি নাহিল। তাইনো কাক ভাল পায়? তেওঁক তাই কিমান ভাল পাইছিল ; এতিয়াও তাৰ উজ্জল পটপটকৈ মনত পৰে। কিন্তু তাই যে আনাতোলক ভাল পায়, তাতো সন্দেহ নাই। তাই ভাবিলে, "নহলে ইমানখিনি কেনেকৈ হবলৈ পালে? তাৰ পাছতো যেতিয়া আহিবৰ সময়ত তেওঁৰ মুখলৈ চাই হাঁহিব পাৰিলোঁ, ইমান ওচৰলৈ যাব পাৰিলোঁ যেতিয়া প্ৰথম দেখাদেখি হোৱাৰ পৰাই মই তেওঁৰ প্ৰেমত পৰিছোঁ। তেওঁ নিশ্চয় মৰমিয়াল, মহান, সৎ মানুহ হব লাগিব। সেই কাৰণে মই তেওঁক ভাল নাপাই নোৱাৰিলোঁ। এতিয়া কি কৰোঁ? যদি দুয়োকো ভাল পাওঁ?" কিন্তু নাতাচাই ইয়াৰ কোনো সমিধান বিচাৰি নাপালে।

ৰাতি পুৱাল। সকলো নিজৰ নিজৰ কামত লাগিল। দৰ্জী আকৌ আহিল। মেৰিয়া দ্মিত্ৰিভনা আজিও ওলাই গ'ল। চাহ খাবৰ সময়ত নাতাচাই বহু চেষ্টা কৰি মনৰ ভাৰ আনক বুজিবলৈ নিদিলে।

ৰাতিপুৱা খোৱাৰ পাচত মেৰিয়া দ্মিত্ৰিভনাই কাউণ্ট-নাতাচাৰ লগত কথা পাতিলে।

"গোটেই বিষয়টো মই ভালকৈ ভাবি চালোঁ। এতিয়া মোৰ মতামত কম। আপুনি জানে, মই কালি প্ৰিন্স্ বল্‌কন্‌স্কিৰ তালৈ গৈছিলোঁ। তেওঁৰ লগত কথা হলোঁ। মোৰ কথা শুনি তেওঁ চিঞৰ-বাখৰ লগাইছিল, কিন্তু চিঞৰ-বাখৰলৈ মই ভয় নকৰোঁ।"

কাউণ্টে সুধিলে, "তেওঁ নো কি কব খোজে?"

"তেওঁৰ মূৰ বেয়া হৈছে। মুঠতে এই বিষয়ে তেওঁ শুনিবই নোখোজে। লাভৰ ভিতৰত ছোৱালীজনীৰ মনত যথেষ্ট কষ্ট দিলোঁ। মোৰ মতে এই বিষয়ে ইয়াত আৰু কোনো কথা নুলিয়াই—আপোনালোক ওট্ৰেদনোলৈ যাওঁক আৰু তাতে কিছুদিন অপেক্ষা কৰক।"

"সেইটো নহয়!" বুলি নাতাচা চিঞৰি উঠিল।

"যোৱা, ঘৰলৈ গৈ, তাতে কিছুদিন বাট চোৱা। প্ৰিন্স্ এণ্ড্ৰু এতিয়া ইয়ালৈ আহিলে, এখন কাজিয়া হে হব। কিন্তু তেওঁ অকলে ইয়াত বুঢ়াক শান্ত কৰিব পাৰিব আৰু তাৰ পাছত তোমালোকৰ তালৈ যাব।"

ক্ৰিভ্ৰিভনাৰ উপদেশ যুক্তিযুক্ত বুলি কাউণ্টে মানি ললে। প্ৰিন্স্ বল্‌কন্‌স্কি যদি সুস্থ হয় তেতিয়া পাছত যকো নাইবা ব্ৰিকহিল্‌চত তেওঁক দেখা কৰা ভাল হব। নহলে তেওঁৰ ইচ্ছাৰ বিৰুদ্ধে বিয়াখন অকল ওট্ৰেদনোত হে পাতিব পৰা যাব।

কাউণ্টে কলে, "আপুনি ঠিকেই কৈছে। মইনো ছোৱালীজনীক লৈ তেওঁক দেখা কৰিবলৈ কিয় গৈছিলোঁ—তাৰ বাবে হে দুখ কৰিছোঁ।"

"দুখ কৰিবৰ নো কি আছে? আপোনালোক যকোলৈ আহিছে যেতিয়া তেওঁক সম্মান জনাব লাগিবই। সম্মান্ গ্ৰহণ কৰা নকৰাটো তেওঁৰ কথা।" তাৰ পাছত মোনাৰ ভিতৰত কিবা বিচাৰি ক্ৰিভ্ৰিভনাই ক'লে, "আপোনালোকৰ নো ইয়াত আৰু কি কাম আছে? পোচাকবোৰতো আহিলেই। চিলাইৰ কাম যদি কিবা থাকিল, মই পিচত পঠাই পঠাই দিব পাৰিম। আপোনালোকক বিদায় দিবলৈ মই টান পাইছোঁ কিন্তু আপোনালোক যোৱা উচিত। ভগৱানে আপোনালোকৰ মঙ্গল কৰিব।" মোনাৰ পৰা মেৰিয়াৰ চিঠিখন বিচাৰি উলিয়াই নাতাচাৰ হাতত দি ক'লে, "মেৰিয়াই তোমালৈ লিখিছে। বেচেৰীয়ে কিমান বেজাৰ পাইছে! তাই ভাবিছে তুমি চাগৈ ভাবিছা যে তাই তোমাক ভাল নাপায়।"

নাতাচাই খপৰাই ক'লে, "সঁচাকৈয়ে তাই মোক ভাল নাপায়।"

"অসম্ভৱ! তেনেকৈ নকবা।" বুলি ক্ৰিভ্ৰিভনা চিঞৰি উঠিল। নাতাচাই মুখে মুখে জবাব দিলে, "এই বিষয়ে মই কাৰো কথা বিশ্বাস নকৰোঁ। মই জানো তাই মোক ভাল নাপায়।" নাতাচাৰ সাহস আৰু খং দেখি ক্ৰিভ্ৰিভনাই তাইৰ ফালে ভ্ৰূকুটি কৰি চালে। "মোৰ লগত এনেকৈ কথা নকবা। মই সঁচা কথা কৈছোঁ। তাইৰ চিঠিৰ উত্তৰ দিবা।"

নাতাচাই একোকে নামাতি মেৰিয়াৰ চিঠিখন লৈ তাইৰ কোঠালৈ গ'ল। মেৰিয়াই লিখিছে যে নাতাচাই তাইক ভুল বুজাৰ কাৰণে তাই বেজাৰ পাইছে। খাপেকৰ মনৰ ভাব যিয়ে নহওক, তাই কিন্তু নাতাচাক ভাল পায়। ককায়েকে ঠিক কৰা ছোৱালীজনীক তাই ভাল নাপাই নোৱাৰে। ককায়েকৰ সুখৰ কাৰণে তাই সকলো স্বাৰ্থ ত্যাগ কৰিব পাৰে। তাই লিখিছে—"সেই বুলি নাভাবিবা যে দেউতাই তোমাক বেয়া পায়। তেওঁ বুঢ়া হৈছে, বেমাৰী, তেওঁৰ কথা ধৰিব নালাগে। তেওঁ মৰমিয়াল, অন্তৰখন তেওঁৰ বৰ ভাল। পুতেকে যিজনীৰ পৰা সুখ পায় সেইজনীক তেওঁ নিশ্চয় ভাল পাব।" নাতাচাক আকৌ এদিন আহিবলৈ মেৰিয়াই অনুৰোধ কৰিছে।

চিঠিখন পঢ়ি নাতাচা উত্তৰ লিখিবলৈ বহিল। ফৰাচী ভাষাত চিঠিখন লিখিবলৈ আৰম্ভ কৰিয়ে তাই ব'ল। "মৰমৰ মেৰিয়া" আৰু লিখিব নোৱাৰিলে। কালি যি হৈ গ'ল তাৰ পাচত নো তাই আৰু কি লিখিব পাৰে? লিখিবলৈ আৰম্ভ কৰা চিঠিখন আগত লৈ তাই ভাবিলে, "এতিয়া কথা বেলেগ হ'ল। তেওঁৰ লগত বিয়া নহয় বুলি কম নেকি? ভাল হব জানো? অসম্ভৱ, ভাবিব নোৱাৰোঁ!" এইবোৰ ভূশ্চিন্তাৰ হাত সাৰিবলৈ নাতাচাই চোনিয়াৰ কোঠালৈ গৈ তাইৰ লগত কাপোৰৰ পাৰিবোৰ চাবলৈ ধৰিলে।

দুপৰীয়া খোৱাৰ পাছত নাতাচা নিজৰ কোঠালে গৈ মেৰিয়াৰ চিঠিখন আকৌ পঢ়িলে। তাই ভাবিলে "হঠাতে যি হ'ল তাৰ কাৰণে আগৰ সকলো কথা অথলে যাব নে? সম্ভৱ জানো?" প্ৰিন্স্ এণ্ড্ৰুক ভাল পোৱাৰ কথা তাইৰ মনত পৰিল। লগে লগে কুৰেগিনক যে তাই ভাল পায় তাকো অনুভৱ কৰিলে। তাই নিজকে এণ্ড্ৰুৰ ঘৈণীয়েক হিছাপে ধৰি লৈ কিমান সুখৰ কল্পনা কৰিছিল, সকলো কথা তাইৰ মনলৈ আহিল। কিন্তু লগতে কালি আনাতোলৰ লগত হোৱা সাক্ষাতৰ কথাও জলজল পটপটকৈ মনত পৰিল।

তাই বিমোৰত পৰি ভাবিলে, "দুয়োটা হব নোৱাৰে জানো? তেতিয়া হলে মই সম্পূৰ্ণৰূপে সুখী হব পাৰিম। কিন্তু এজনক এৰি আনজনক বাচি ললে, মই সুখী হব নোৱাৰিম। এটা কাম কৰিব পাৰি—যি হৈছে সকলো কথা এণ্ড্ৰুক ভাঙি পাতি কোৱা বা সকলো কথা লুকোৱা! কিন্তু ইয়াৰ কোনো-টোৱেই কৰা সম্ভৱ নহয়। কিন্তু কিবা দোষ হৈছে বুলি আনাতোলে নাভাবে। এণ্ড্ৰুক ভাল পাই ইমান দিনে অপাৰ সুখৰ কল্পনা কৰি আছোঁ, তেওঁক চিৰদিনৰ কাৰণে পাহৰিব পাৰেঁা জানো?"

এজনী লিগিৰী কোঠাটোত সোমাই নাতাচাক চিঠি এখন দি ফুচফুচাই ক'লে, "আইদেউ, এজন মানুহে এই চিঠিখন আপোনাক দিবলৈ কৈছে। মোক ক্ষমা কৰিব।" নাতাচাই খামটো খুলি আনাতোলৰ প্ৰেমপত্ৰখন পঢ়িলে। কিন্তু তাই একো বুজি নাপালে। অকল বুজি পালে যে তাই ভালপোৱা মানুহজনে এইখন চিঠি দিছে। "নিশ্চয়, মই তেওঁক ভাল পাওঁ। নহলে ইমানখিনি কেনেকৈ হ'ল? তেওঁৰ পৰা প্ৰেমপত্ৰ নো কেনেকৈ আহিব পাৰে?"

এই চিঠিখন আনাতোলৰ হকে দলোহভে ৰচনা কৰিছিল। নাতাচাই চিঠিখন পঢ়ি দেখিলে যে ই তাইৰ নিজৰ অনুভূতিৰ হুবহু প্ৰতিধ্বনি।

আৰম্ভনিতে লিখিছে "কালি গধূলি মোৰ ভাগ্য নিৰ্ণয় হৈছে—হয় তুমি

মোক ভাল পাবা নহয় মই মৰিম। গত্যন্তৰ নাই।" সি লিখিছে, সি জানে যে তাইৰ আপোন মানুহে তাৰ বিয়া কৰাবলৈ নিদিব আৰু তাৰ গুপুত কাৰণ আছে। সেই কাৰণবোৰ সি তাইক অকলেহে ব্যক্ত কৰিব পাৰিব। কিন্তু তাই যদি তাকে ভাল পায়—"হয়" বুলি কলেই কোনো মানুহে সিহঁতৰ সুখত বাধা জন্মাব নোৱাৰিব। প্ৰেমে সকলো জয় কৰিব। সি তাইক পৃথিবীৰ শেহ সীমালৈ লৈ যাব। নাতাচাই চিঠিখন কুৰিবাৰ পঢ়িলে। প্ৰতিটো শব্দৰে তাই বিশেষ অৰ্থ বুজি পালে। "হয়, সঁচা, মই তেওঁক ভাল পাওঁ।"

সেইদিনা গধূলি মেৰিয়া স্কিত্ৰিভনা আৰখেৰভইতৰ ঘৰলৈ যাব। ছোৱালী দুজনীক লগত নিব খুজিলে কিন্তু নাতাচাই মূৰ কামোৰা বুলি ঘৰতে থাকিল।

## সপ্তম অধ্যায়

ৰাতি উভতি আহি চোনিয়া নাত্তাচাৰ কোঠালৈ গ'ল। তাই দেখি আচৰিত হ'ল—নাত্তাচাই পোছাক নোসোলোকোৱাকৈয়ে চোফাত শুই আছে। ওচৰৰ মেজখনৰ ওপৰতে আনাত্তোলৰ চিঠিখন মেল খাই আছে। চোনিয়াই চিঠিখন লৈ পঢ়িবলৈ ধৰিলে। চিঠিখনৰ অৰ্থ বুজি নাপাই চোনিয়াই নাত্তাচাৰ মুখলৈ চালে। নাত্তাচাৰ মুখত কোনো অশান্তি, অসুখৰ ভাৱ নাই। চোনিয়া ভয়তে শেঁতা পৰি, এখন চকীত বহি কান্দিবলৈ ধৰিলে। "কি কথা? মোৰ নো চকুত নপৰিল কিয়? ইমান দূৰ কেনেকৈ যাবলৈ পালে? তাই প্ৰিন্স্ এণ্ড্ৰুক পাহৰিব পাৰে জানো? এই কুৰেগিনকনো ইমান দূৰ আগবাঢ়িবলৈ তাই কেনেকৈ দিব পাৰে? সি যে এজন ঠগ, দগাবাজ তাত কোনো ভুল নাই। এণ্ড্ৰুৱে এই কথা শুনিলেনো কি কৰিব? এই কাৰণেই পৰহি, কালি আৰু আজি তাইৰ মুখখন অস্বাভাৱিক দেখা গৈছিল। কিন্তু তাই তাক ভাল পাবই নোৱাৰে। বোধকৰোঁ চিঠিখন কোনে দিছে, নজনাকৈয়ে তাই খুলিছিল। চিঠিখন পঢ়ি তাই নিশ্চয় অপমানিত বোধ কৰিছে। এনে কাম তাই কৰিব নোৱাৰে।"

এনেকৈ ভাবি চোনিয়াই চকুৰ পানী মুচিলে। তাৰ পাছত নাত্তাচাৰ মুখখন আকৌ এবাৰ ভালকৈ চাই লাহেকৈ মাতিলে, "নাত্তাচা!"

নাত্তাচাই সাৰ পাই চোনিয়াক দেখিলে। "অ' তুমি আহিলা?" বুলি কৈ বান্ধৱীক সাবটি ধৰিলে। কিন্তু চোনিয়াৰ মুখখন দেখি তাইৰ সন্দেহ হ'ল।

নাত্তাচাই সুধিলে, "চোনিয়া, তুমি চিঠিখন পঢ়িছা নেকি?"

চোনিয়াই লাহেকৈ কলে, "হয়, পঢ়িছোঁ।" নাত্তাচাই ৰং পাই হাঁহিলে। "চোনিয়া, কি কৰিম? উপায় নাই। তোমাৰ পৰা আৰু লুকাব নোৱাৰোঁ। আমাৰ ভালপোৱাৰ কথা তুমি জানা। চোনিয়া, তেওঁ লিখিছে···।"

চোনিয়াই নাত্তাচাৰ ফালে চাই থাকিল। তাইৰ কথাবোৰ চোনিয়াৰ কাণত যেন নোসোমায়।

"কিন্তু বল্‌কন্‌স্কি?"

"অ" চোনিয়া, মই এতিয়া কিমান সুখী, তুমি যদি জানিলাহেঁতেন! প্ৰেম কি বস্তু তুমি নাজানা।"

"কিন্তু নাতাচা, আগৰ কথাবোৰ তুমি মুই কৰিব নোৱাৰা।"

নাতাচাই চোনিয়াৰ মুখলৈ চালে যেন তাইৰ কথাৰ অৰ্থ একো বুজি পোৱা নাই।

চোনিয়াই ক'লে, "তেন্তে তুমি প্ৰিন্স্ এণ্ড্ৰুৰ লগত বিয়াখন ভাঙিব খুজিছা ?"

নাতাচাই বিৰক্ত হৈ ক'লে, "তুমি একো নুবুজা। যিহকে পোৱা, তাকে কোৱা। শুনা।"

"নাই, মই কোনোমতে বিশ্বাস কৰিব নোৱাৰোঁ। মই বুজি নাপাওঁ। এবছৰৰ পৰা তুমি এজন মানুহক ভাল পাই আহিছা, এতিয়া হঠাতে···। ইয়াক তুমি তিনিবাৰ দেখিছা। নাতাচা, মই তোমাক বিশ্বাস কৰিব নোৱাৰোঁ। তুমি খেমালি কৰিছা। তিনি দিনতে সকলো পাহৰি গৈ এনে···।"

"তিনি দিন ? মই তেওঁক তিনি শ বছৰ ভাল পাইছোঁ যেন লাগিছে। ইয়াৰ আগতে মই যেন কাকো ভাল পোৱা নাছিলোঁ। চোনিয়া, তুমি নুবুজিবা। বহা, শুনা।"

নাতাচাই চোনিয়াক সাবটি ধৰি চুমা খাই ক'লে, "মই আগতে ভাল পোৱাৰ কথা জানা। কিন্তু প্ৰকৃত প্ৰেম মই এতিয়াহে অনুভৱ কৰিছোঁ। এই ভালপোৱা আগৰ নিচিনা নহয়। মই তেওঁৰ দেখা মাত্ৰে অনুভৱ কৰিলোঁ যে তেওঁ মোৰ ৰজা, মই তেওঁৰ দাসী। তেওঁক ভাল নাপাই নোৱাৰোঁ। মই তেওঁৰ দাসী। তেওঁ যিহকে কয়, মই তাকে কৰিম। এইবোৰ কথা তুমি নুবুজিবা। মই কি কৰিম, চোনিয়া ? উপায় নাই।"

"কিন্তু তুমি কি কৰিবলৈ ওলাইছা দকৈ ভাবি চোৱা। মই তোমাক এইবোৰ কৰিবলৈ দিব নোৱাৰোঁ। এই গুপুত চিঠিবোৰ···। তাক ইমান দূৰ আগবাঢ়িবলৈ কেনেকৈ দিলা ?"

"মই কৈছোঁৱে নহয়, মোৰ কোনো হাত নাই। কেনেকৈ হ'ল তুমি নুবুজিবা। মই তেওঁক ভাল পাওঁ।"

চোনিয়াই কান্দি কান্দি ক'লে, "কিন্তু মই এইবোৰ হ'বলৈ দিব নোৱাৰোঁ। মই কথাটো কম।"

"মোৰ শপত! নকৰা। যদি কোৱা তুমি মোৰ শত্ৰু। তুমি মোৰ জীৱনটো নষ্ট কৰিব খুজিছা। আমাৰ বিচ্ছেদ ঘটাব খুজিছা!"

নাতাচাৰ ভয় দেখি চোনিয়াৰ পুতৌ হ'ল।

"তোমালোকৰ ভিতৰত নো কি কথা হৈছে? সি তোমাক কি কৈছে? সি নো ঘৰলৈ নাহে কিয়?"

নাতাচাই নামাতিলে। তাই কাকুতি কৰি কলে, "মোৰ শপত, চোনিয়া, কাকো নকবা। মোক কষ্ট নিদিবা। এইবোৰ বিষয়ত হস্তক্ষেপ কৰি কোনো লাভ নহয়। মই তোমাক কৈছোঁ⋯"

"কিন্তু লুকাই-চুৰকৈ কৰিব লাগিছে কিয়? সি ঘৰলৈ নাহে কিয়? তোমাক বিয়া কৰাব খোজে বুলি খোলাখুলিকৈ নকয় কেলেই? তাৰ বিয়া কৰাবৰ ইচ্ছা যদি আছে—প্ৰিন্স্ এণ্ড্ৰেতো তোমাক সম্পূৰ্ণ স্বাধীনতা দিছে, তুমি জানা। কিন্তু মোৰ বিশ্বাস নহয়। নাতাচা, তুমি ভাবি চাইছা নে? গুপুত কাৰণ কি হব পাৰে?"

নাতাচাই আচৰিত হৈ চোনিয়াৰ ফালে চালে। সঁচাকৈয়ে এতিয়াহে এই প্ৰশ্নটো তাইৰ মনত খেলালে। তাই উত্তৰ বিচাৰি নাপালে।

"কাৰণ কি মই কব নোৱাৰোঁ। কিন্তু কাৰণ নিশ্চয় আছে।"

চোনিয়াৰ বিশ্বাস নহ'ল। "যদি কাৰণ আছে⋯।" নাতাচাই তাইক আৰু কবলৈ নিদিলে। "চোনিয়া, তুমি তেওঁক কেতিয়াও সন্দেহ নকৰিবা, নকৰিবা।" বুলি নাতাচাই কান্দি পেলালে।

"সি তোমাক ভাল পায় জানো?"

চোনিয়াই এতিয়াও একো বুজি পোৱা নাই দেখি নাতাচাই পুতৌ কৰি হাঁহি কলে, "কেলেই? তুমি সেখোন তেওঁৰ চিঠিখন পঢ়িছাই। তেওঁক দেখিছা।"

"কিন্তু যদি সি বেয়া মানুহ হয়?"

"তেওঁ বেয়া মানুহ? তুমি যদি জানিলাহেঁতেন।"

চোনিয়াই গহীন হৈ কলে, "যদি ভাল মানুহ হয়, সি তাৰ অভিপ্ৰায় জনোৱা উচিত। নাইবা তোমাক আৰু দেখা কৰিব নালাগে। তুমি যদি এইটো নকৰা, ময়ে কৰিম। মই তালৈ লিখিম, দেউতাক কম।"

নাতাচাই চিঞৰিলে, "কিন্তু তেওঁ নহলে মই জীয়াই থাকিব নোৱাৰোঁ।"

"নাতাচা, তোমাৰ কথা মই বুজি নাপাওঁ। দেউতাৰ কথা ভাবা, নিকলয়লৈ ভাবা।"

নাতাচাই খঙেৰে কলে, "মই কাৰো কথা নাভাবোঁ। তেওঁৰ বাহিৰে মই কাকো ভাল নাপাওঁ। তেওঁক বেয়া মানুহ বুলি কোৱা—তোমাৰ ইমান সাহ।

মই তেওঁক ভাল পাওঁ বুলি নাজানা নেকি ? চোনিয়া, মই তোমাৰ লগত কাজিয়া কৰিব নোখোজো—আঁতৰ হোৱা। মোৰ শপত, তুমি মোৰ ওচৰৰ পৰা যোৱা, গুচি যোৱা। মই দুৰ্ভাগিনী।" চোনিয়াই ফেঁকুৰি ফেঁকুৰি কোঠাটোৰ পৰা ওলাই গ'ল।

বাড়িপুৰা নাতাচাই মেৰিয়াৰ চিঠিখনৰ উত্তৰ লিখিব পৰা নাছিল। এতিয়া হঠাতে লিখি পেলালে। মেৰিয়াক চমুকৈ লিখিলে যে তেওঁলোকৰ সকলো মনোমালিন্যৰ অন্ত পৰিছে। যাবৰ সময়ত এণ্ড্ৰুৱে তাইক সম্পূৰ্ণ স্বাধীনতা দি গৈছিল। প্রিন্স্ এণ্ড্ৰুৰ বদান্যতাৰ সুবিধা তাই লৈছে। এতিয়া তাই তেওঁৰ ঘৈণীয়েক হব নোৱাৰে। তাই কিবা দোষ কৰি থাকিলে, মেৰিয়াই যেন পাহৰি যায়, ক্ষমা কৰে। অতি সহজে তাই চিঠিখন লিখিলে। অকণো বেয়া নালাগিল।

# অষ্টম অধ্যায়

শুকুৰবাৰে বোস্তভইত গাঁৱলৈ উভতি যোৱাৰ কথা আছিল। কিন্তু বুধবাৰে কাউণ্টে এজন গ্ৰাহকক তেওঁৰ জমিদাৰীখন দেখুৱাবলৈ লৈ গ'ল।

কাউণ্ট যাবৰ দিনাখন জুলিয়া কুৰেগিনৰ এখন ডাঙৰ ভোজ মেললৈ চোনিয়া আৰু নাতাচাই নিমন্ত্ৰণ পালে। কিত্ৰিভনাই সিহঁতক তালৈ লৈ গ'ল। সেই ভোজমেলত নাতাচাৰ আনাতোলৰ লগত আকৌ দেখা হ'ল। চোনিয়াই লক্ষ্য কৰিলে নাতাচাই কোনেও শুনানাকৈ আনাতোলক কিবা কলে। নাতাচাক আগতকৈ বেছি উত্তেজিত দেখা গ'ল। ঘৰলৈ আহি প্ৰথমে নাতাচাই আৰম্ভ কৰিলে, "চোনিয়া, তুমি মিছাতে তেওঁক বেয়া মানুহ বুলি কৈছিলা। আজি তেওঁৰ লগত মোৰ সকলো কথা হলোঁ।"

"চাওঁ, সি কি কলে, কোঁৱাচোন। কি কলে? নাতাচা, তুমি মোক খং কৰা নাই দেখি ভাল পালোঁ। মোক সকলো কথা কোৱা, সঁচা কথা কোৱা। সি কি কলে?" নাতাচাই ভাবিবলৈ ধৰিলে।

"চোনিয়া, মোৰ নিচিনাকৈ তুমি যদি তেওঁক জানিলাহেঁতেন! তেওঁ কলে···। মই বলকনস্কিক কি কথা দিছোঁ—তেওঁ সুধিছিল। তেওঁক প্ৰত্যাখ্যান কৰিবলৈ মোৰ স্বাধীনতা থকা বুলি শুনি তেওঁ বৰ ভাল পালে।" চোনিয়াই হতাশ হৈ হুমুনিয়াহ কাঢ়িলে। "কিন্তু বলকনস্কিক তুমি এতিয়াও প্ৰত্যাখ্যান কৰা নাই, কৰিছা জানো?"

"বোধকৰোঁ কৰিছোঁ। বোধকৰোঁ এতিয়া আৰু বলকনস্কিৰ লগত কোনো সম্বন্ধ নাই। তুমি মোৰ অহিত চিন্তা কৰোঁ কিয়?"

"মই অহিত চিন্তা নকৰোঁ কিন্তু মই কথাটো বুজি পোৱা নাই।"

"অলপ ধৈৰ্য্য ধৰা, চোনিয়া, সকলো বুজিবা। তেওঁ কেনে মানুহ গম পাবা। মোৰ বা তেওঁৰ অহিত চিন্তা নকৰিবা।"

"মই কাৰো অহিত চিন্তা নকৰোঁ। মই সকলোকে ভাল পাওঁ আৰু সকলোৰে কাৰণে কষ্ট কৰোঁ। কিন্তু এতিয়া মোৰ কৰ্ত্তব্য কি?"

নাতাচাৰ যৰমৰ মাতত চোনিয়া ভোল নাখায়। নাতাচাই যিমানে কাকুতি মিনতি কৰে, চোনিয়া তিমানেই গহীন আৰু কঠুৱা হয়।

"নাতাচা, তুমি মোক সেই বিষয়ে কবলৈ হাক দিছিলা। মই কোৱা নাই। তুমি এতিয়া নিজে উলিয়াইছা। নাতাচা, মই তাক বিশ্বাস নকৰোঁ। ইমান লুকাই চুৰকৈ কিয় ?" নাতাচাই বাধা দি কলে, "আকৌ! আকৌ!"

"নাতাচা, মই তোমাৰ কাৰণে ভয় কৰিছোঁ।"

"ভয় কৰিবলৈ কি আছে ?"

"মোৰ ভয় হৈছে—তোমাৰ সৰ্বনাশ হব।" বুলি কথাষাৰ কৈয়ে চোনিয়া ভয় খাই উঠিল।

নাতাচাৰ আকৌ খং উঠিল। "মোৰ সৰ্বনাশ হব! মই অধঃপাতে যাম—ধ্বংসৰ বাটলৈ আগ বাঢ়িছোঁ। তোমাৰ নো তাতে কি হ'ল ? ভুগিব লাগে, মই ভুগিম, তুমি নোভোগা। তুমি যোৱা, মোৰ ওচৰত নাথাকিবা, আঁতৰ হোৱা। মই তোমাক দুই চকুৰে দেখিব নোৱাৰোঁ। মই তোমাক ঘিণ কৰোঁ।"

চোনিয়াই অনুনয় কৰি মাতিলে, "নাতাচা!"

"মই তোমাক ঘিণ কৰোঁ, ঘিণ কৰোঁ! তুমি মোৰ চিৰদিনৰ কাৰণে শত্রু!" নাতাচা কোঠাটোৰ পৰা বেগেৰে ওলাই গ'ল।

নাতাচা চোনিয়াৰ ওচৰলৈ নাহে, তাইক নামাতে। উত্তেজিতভাৱে তাই ইটো কোঠাৰ পৰা সিটো কোঠালৈ যায়। এটা কামৰ পৰা আনটো কামত ধৰে। পাছতে সকলো থেকেচা মাৰি থয়। চোনিয়াই কিন্তু নাতাচাৰ কাৰণে দুখ পাইছে। তাই নাতাচাৰ ওপৰত সদায় নজৰ ৰাখিছে।

কাউণ্ট বিদিনাথন উভতি অহাৰ কথা আছিল তাৰ আগৰ দিনা চোনিয়াই দেখিলে নাতাচা গোটেই আগবেলাটো বহা কোঠাৰ খিড়িকীৰ ওচৰত বহি আছে। যেন কাৰোবাৰ কাৰণে বৈ আছে। বাটেৰে যোৱা এজন সৈনিকক নাতাচাই কিবা ইঙ্গিত দিলে। সৈনিকজনক চোনিয়াই আনাতোল বুলি অনুমান কৰিলে।

তেতিয়াৰ পৰা চোনিয়াই বান্ধৱীক আৰু ভালকৈ লক্ষ্য কৰিলে। খাবৰ গধুলি সময়ত নাতাচাৰ অৱস্থা চোনিয়াৰ মনত অস্বাভাৱিক যেন লাগিল। তাই কিবা সুধিলে, কিবা কয়। কোনোটো বাক্য সম্পূৰ্ণকৈ কব নোৱাৰে—সকলো কথাতে হাঁহে।

চাহ খোৱাৰ পাছত লিগিৰীজনীয়ে চোনিয়াক দেখি ভয় ভয়কৈ নাতাচাৰ

কোঠাৰ দুৱাৰমুখত থিয় হৈ বল। চোনিয়াই লিগিৰীজনীক ভিতৰলৈ যাবলৈ দি বাহিৰত কাণ পাতি থাকিল। লিগিৰীজনীয়ে আৰু এখন চিঠি দিলে। চোনিয়াই ভাবি ললে যে আজি গধূলি নাতাচাই কিবা অঘটন ঘটাব। চোনিয়াই দুৱাৰত খুন্দা মাৰিলে কিন্তু নাতাচাই দুৱাৰ মেলি নিদিলে।

চোনিয়াই ভাবিলে, "তাই তাৰ লগত পলাব। তাই নোৱাৰা কাম নাই। আজি তাইৰ মুখখন দেখিলেই দুখ লাগে। দদাইদেউ যাবৰ সময়ত নাতাচাই 'বিদায়' বুলি কৈছিল, চোনিয়াৰ মনত পৰিল। তাৰ লগত তাই নিশ্চয় পলাব খুজিছে। কিন্তু মই কি কৰিব পাৰোঁ? কাউণ্ট ঘৰত নাই। মই কি কৰোঁ? কৈফিয়ৎ তলব কৰি কুৰেগিনলৈ লিখিম নেকি? কিন্তু উত্তৰ দিবলৈ তাক কোনে বাধ্য কৰাব? পিয়াৰকে লিখিম নেকি? কোনো বিপদ হলে পিয়াৰক জনাবলৈ প্ৰিন্স্ এণ্ড্ৰে মোক কৈছিল।··· কিন্তু বোধকৰোঁ বলকনস্কিৰ লগত বিয়া নহয় বুলি তাই সঁচাকৈয়ে জনাইছে। কালি মেৰিয়ালৈ এখন চিঠি দিছে, "দদাইদেউ ইয়াত নাই।"

কথাটো মেৰিয়া ক্মিত্ৰিভনাক ক'লে চোনিয়াই ভয় কৰিলে। কাৰণ নাতাচাৰ ওপৰত ক্মিত্ৰিভনাৰ বৰ বিশ্বাস।

এন্ধাৰে-মুন্ধাৰে বাৰাণ্ডাত থিয় হৈ চোনিয়াই ভাবিলে, "কিন্তু কিবা এটা কৰিবই লাগিব। মই যে তেওঁলোকৰ পৰিয়ালৰ পৰা যথেষ্ট উপকাৰ পাইছোঁ আৰু মই যে নিকলয়ক ভাল পাওঁ, তাক জনোৱাৰ এইমাত্ৰ সময়। যদি একেৰাহে তিনি ৰাতিও উজাগৰে থাকিব লাগে তথাপি এই বাৰাণ্ডাৰ পৰা মই লৰচৰ নকৰোঁ। মই তাইক যাবলৈ নিদিওঁ। সিহঁতৰ বংশত কলঙ্ক পৰিব নিদিওঁ।"

## নৱম অধ্যায়

আজি কেইদিনমানৰ পৰা আনাতোল দলোহভৰ ঘৰতে আছে। নাতাচাক পলুৱাই নিয়াৰ সকলো ষড়যন্ত্র দলোহভে কেইদিনমান আগতে ঠিক কৰিছে। যিদিনাখন চোনিয়াই নাতাচাৰ দুৱাৰমুখত কাণ পাতি শুনিছিল আৰু তাইক ৰক্ষা কৰিবলৈ সংকল্প কৰিছিল, সেইদিনাখনেই ষড়যন্ত্রটো কাৰ্য্যকৰী কৰাৰ কথা। ৰাতি দহ বজাত পাছৰফালৰ গেটৰে ওলাই আহি কুৰেগিনক লগ ধৰিব বুলি নাতাচাই কথা দিছে। তিনিটা ঘোঁৰাৰ সৈতে এখন গাড়ী লৈ কুৰেগিন সাজু থাকিব। মস্কোৰ পৰা চল্লিশ মাইল দূৰৈত কেমেস্কা নামৰ এখন গাঁৱলৈ তাইক লৈ যাব। সিহঁতৰ বিয়াৰ কাৰণে তাতে এজন পুৰোহিত বন্দবস্ত কৰা হৈছে। কেমেস্কাৰ পৰা বেলেগ গাড়ীত গৈ সেহত সিহঁত বিদেশলৈ যাব।

আনাতোলৰ পাচপোর্ট আছে। সি ভনীয়েকৰ পৰা দহ হেজাৰ টকা ধাৰলৈ লৈছে আৰু দলোহভৰ সহায়ত আৰু দহ হেজাৰ গোটাইছে।

দলোহভে কাগোৰ-কানি পিন্ধি ডাঙৰ কোঠাটোত বহি ধন হিচাপ কৰিছে। আনাতোল ইফাল সিফাল কৰি ঘূৰি আছে। আন এটা কোঠাত লগুৱাবোৰে বস্তুবাহানিবোৰ বান্ধিছে।

দলোহভে কৃপথিনি থৈ বান্ধনিজনক মাতি খানা দিবলৈ কলে। দলোহভ খোৱা কোঠালৈ গ'ল। আনাতোলে অকলে ডাঙৰ কোঠাটোত বহি কিবা ভাবি হাঁহিছে।

খোৱা কোঠাৰ পৰা দলোহভে মাতিলে, "আহা, অলপ খোৱা। মদ খোৱা।" আনাতোলে হাঁহি হাঁহি কলে, "মোৰ খাবলৈ ইচ্ছা নাই।"

"আহাচোন, বলাগা ইয়াতে আছে।"

আনাতোল খোৱা কোঠালৈ গ'ল। বলাগা এজন ভাল চহিচ। সি আজি ছ বছৰৰ পৰা দলোহভ আৰু আনাতোলক চিনি পায়। সি তাৰ তিনি ঘোঁৰাৰ গাড়ীৰে সিহঁতক বহু ঠাইলৈ অনা-নিয়া কৰিছে। কেবাবাৰো বিপদৰ পৰা সৰুৱাইছে। মাইকী মাহুহৰ লগত সিহঁতক নগৰত ঘূৰাইছে। সিহঁতক অনা-নিয়া কৰোঁতে তাৰ কেবাটাও ঘোঁৰাও মৰিছে। মস্কোত কেধাবাৰো সি মানুহৰ আৰু অইন গাড়ীৰ ওপৰেদি গাড়ী চলাই বিপদত পৰিছিল।

কিন্তু প্ৰতিবাৰে তাক আনাতোল আৰু দলোহভে উদ্ধাৰ কৰে। সিঁহতে তাক মাৰেও, মদো খুৱায়। সিঁহতৰ বহুতো অপকৰ্মৰ কথা বলাগাই জানে। অইন মানুহে তেনে কাম কৰিলে কেতিয়াবাই দেশৰ পৰা নিৰ্বাসিত হ'লহেঁতেন।

সিঁহতে বলাগাক মদ খুৱাই তিৰোতাবিলাকৰ লগত নাচিবলৈ দিয়ে। আৰু সিঁহতৰ কেবা হেজাৰো টকা বলাগাৰ হাতেৰে খৰচ কৈছে। সিঁহতৰ কামত বছৰত কুৰিবাৰ তাৰ জীৱন বিপন্ন হয়। আৰু যিমান ঘোঁৰা মৰে, সিমান টকা নাপায়। কিন্তু সি সিঁহতক ভাল পায়। সি জোৰেৰে গাড়ী চলাই, ৰাস্তাৰ মানুহৰ গাৰ ওপৰেদি গাড়ী চলাই, অইন গাড়ী বগৰাই দি আৰু গাড়ীৰ আগত সাধাৰণ মানুহ দেখিলে চাবুক মাৰি সুখ পায়।

বলাগাই আনাতোলক সেৱা জনালে। আনাতোলে বলাগাৰ কান্ধত হাত দি ক'লে, "বলাগা, তুমি মোক ভাল পোৱা নে নাই? এতিয়া মোৰ এটা ডাঙৰ কাম কৰিব লাগে। কেনে ঘোঁৰা আনিছা?"

"লগুৱাটোৱে কোৱামতে আপুনি ভাল পোৱা ঘোঁৰা কেইটা আনিছোঁ।"

"শুনা বলাগা, তোমাৰ তিনিওটা ঘোঁৰা বাটতে মৰিলেও, তিনি ঘণ্টাৰ ভিতৰত সেইখিনি পাব লাগিব, বুজিছা।"

আনাতোল কোঠাটোৰ পৰা ওলাই গৈ পাঁচ মিনিট পাছতে সাজিপাৰি আহিল। দুৱাৰমুখতে তিনি ঘোঁৰাৰ গাড়ীখন থিয় হৈ আছিল। বলাগাই গাড়ীত উঠি লাগাম ধৰিলে। আনাতোল আৰু দলোহভ গাড়ীৰ ভিতৰত সোমাল। গাড়ী ৰাওনা হ'ল। বাটত গাড়ীখন অইন গাড়ীৰ ওপৰত উঠিল। চিঞৰ-বাখৰ লাগিল কিন্তু বলাগাই তাৰ গাড়ীখন বেগেৰে চলাই লৈ গ'ল।

ক্ৰিত্ৰিভনাৰ ঘৰৰ অলপ আঁতৰত গাড়ীখন ৰখালে। আনাতোল আৰু দলোহভ খোজ কাঢ়ি গেটলৈকে আহিল। দলোহভে হুইচেল বজালে। লগে লগে এজনী লিগিৰী আহি কলে, "চোতাললৈ আহক, নহলে দেখিব। এক মিনিটতে তেওঁ আহিব।"

দলোহভ গে'টত থাকিল। আনাতোল লিগিৰীজনীৰ পিছে পিছে পদূলিলৈ গৈ দুৱাৰমুখ পালে। যেৰিয়া ক্ৰিত্ৰিভনাৰ প্ৰকাণ্ড চহিচটোৱে আনাতোলক দেখি কলে, "এইফালে গৃহস্থনীৰ কোঠালৈ আহক।"

আনাতোলে ভয়তে ফুচফুচাই সুধিলে, "কোন গৃহস্থনী? তুমি কোন?"

"ভিতৰলৈ আহক। আপোনাক ভিতৰলৈ নিব কৈছে।"

গে'টৰ পৰা দলোহভে চিঞৰিলে, "কুৰেগিন, উভতি আহা। ষড়যন্ত্ৰ! যেগাই আহা!"

আনাতোল ভিতৰলৈ সোমাওঁতেই দাবোৱানজনে পিচফালৰ গেটখন মাৰিবলৈ গৈছিল। দলোহভ গেটৰ ওচৰতে আছিল। সি বৰ কষ্টেৰে দাবোৱানজনক ঠেলা মাৰি পঠিয়াই আনাতোলক গেটৰ বাহিৰ কৰি নিলে। পিছত দুয়ো গাড়ীখনৰ ওচৰলৈ লৰ দিলে।

## দশম অধ্যায়

মেৰিয়া ক্ষিত্ৰিভনাই চোনিয়াক বাৰাণ্ডাত কান্দি থকা দেখি, সকলো কথা স্বীকাৰ কৰিবলৈ বাধ্য কৰালে। নাভাচাৰ চিঠিখন কাঢ়ি নি ক্ষিত্ৰিভনাই পঢ়িলে। তাৰ পাছত চিঠিখন লৈ তেওঁ নাভাচাৰ ওচৰলৈ গ'ল।

"দুষ্ট, নিলাজ ছোৱালী, মই তোমাৰ কোনো কথা শুনো।" নাভাচা আচৰিত হৈ ক্ষিত্ৰিভনাৰ মুখলৈ চাই থাকিল। ক্ষিত্ৰিভনাই নাভাচাক কোঠাটোৰ ভিতৰত ঠেলা মাৰি থৈ বাহিৰৰ পৰা তলা লগালে। দাৰোৱান-জনক হুকুম দিলে যে ৰাতিৰ ভিতৰত কোনো মানুহ আহিলে গেট খুলি দিব কিন্তু আকৌ বাহিৰ হবলৈ নিদিব। চাকৰবোৰক আদেশ কৰিলে যে এই মানুহবোৰক যেন তেওঁৰ ওচৰলৈ পঠাই দিয়া হয়। অপহৰণকাৰীসকলৰ কাৰণে তেওঁ বহা কোঠাত অপেক্ষা কৰি থাকিল।

গেভ্ৰিলোই মেভিয়া ক্ষিত্ৰিভনাক খবৰ দিলে যে দুজন মানুহ আহিছিল কিন্তু পলাল, তেওঁ খঙতে কোঠাবোৰ চাই ভাবিলে "কি কৰা যায় ?"

মাজনিশা ক্ষিত্ৰিভনা নাভাচাৰ কোঠাটোৰ দুৱাৰমুখলৈ গ'ল। চোনিয়াই বাৰাণ্ডাত বহি ফেঁকুৰি আছে। ক্ষিত্ৰিভনাক দেখি চোনিয়াই কান্দি কান্দি কলে, "মোৰ শপত, মোক তাইৰ ওচৰলৈ যাবলৈ দিয়ক।" মেৰিয়া ক্ষিত্ৰিভনাই একোকে নামাতি দুৱাৰখন মেলি ভিতৰ সোমাল। ক্ষিত্ৰিভনাই ভাবিলে, "ইমান দুষ্ট ছোৱালী, দেখিলেই ঘিণ লাগে। অকল দেউতাকৰ কাৰণেহে মোৰ বেয়া লাগিছে। যেনেকৈয়ে হওক, কথাটো তেওঁৰ পৰা লুকাব লাগিব। কোনেও যেন তেওঁক এই বিষয়ে একো নকয়।"

নাভাচাই হাত দুখনেৰে মুখখন ঢাকি লৈ, লৰচৰ নকৰাকৈ চোফাত শুই আছে। মেৰিয়া ক্ষিত্ৰিভনাই কলে "বৰ ভাল ছোৱালী ! বৰ ভাল ছোৱালী ! মোৰ ঘৰত প্ৰেম কৰিবলৈ আহিছে !" নাভাচাৰ হাতত ধৰি কলে, "চিঞৰ-বাখৰ কৰি লাভ নাই। মোৰ কথা শুনা। তুমি বেয়াৰ নিচিনা কাম কৰিছা। তোমাক কি যে নকৰিলোঁ হয় ! কিন্তু তোমাৰ দেউতাৰাৰ কাৰণে বেয়া লাগিছে। কথাটো তেওঁৰ পৰা লুকাম।"

নাভাচাই লৰচৰ নকৰি একে কাতি হৈ ফেঁকুৰিবলৈ ধৰিলে। ক্ষিত্ৰিভনাই

চোনিয়াৰ ফালে চাই, নাতাচাৰ গুচৰক্ত বহি খঙেৰে কলে, "তাৰ ভাগ্য ভাল, পলাই পাৰিল! কিন্তু মই তাক ধৰিম।" নাতাচাৰ মুখখন ঘূৰাই কৈ ফিত্ৰিভনাই কলে, "মই কি কৈছোঁ, শুনিছা নে নাই?"

নাতাচাৰ চকুযুৰি উজ্জল, শুকান কিন্তু মুখখন শেঁতা। ফিত্ৰিভনাৰ হাতখন খঙেৰে জোৰকৈ একবাই কলে, "মোক যাবলৈ দি···মই ভয় নকৰোঁ।···। মই মৰিম।" আকৌ মুখখন ঘূৰাই শুই থাকিল।

যেৰিয়া ফিত্ৰিভনাই কলে, "নাতাচা, মই তোমাৰ ভালৰ কাৰণেহে কৈছোঁ। মনে মনে থাকা, মোৰ কথা শুনা। তুমি কিমান বেয়া কাম কৰিছা, মই নকওঁ। তুমি নিজে জানা। কিন্তু তোমাৰ দেউতাৰা কাইলৈ আহি পাবহি। তেওঁক নো কি কম? কোৱা?"

নাতাচাই আকৌ ফেঁকুৰিবলৈ ধৰিলে।

"তেওঁ শুনিব, তোমাৰ ককায়েৰাই, এণ্ড্ৰুৱে শুনিব।"

নাতাচাই চিঞৰি কলে, "মই এতিয়া কাৰো বাক্‌দত্তা নহওঁ। এণ্ড্ৰুৰ লগত বিয়া নহয় বুলি কৈ দিছোঁ।"

"তাতে নো কি হ'ল? তেওঁলোকে সকলো কথা শুনিব। তেওঁলোকে এনেয়ে এৰিব বুলি ভাবিছা নেকি? ধৰা, তেওঁ—তোমাৰ দেউতাৰাই—মই তেওঁক জানো—তেওঁ যদি তাক দ্বন্দ্বযুদ্ধলৈ আহ্বান কৰে? ভাল হব জানো? কোৱা?"

নাতাচাই চোকাৰ পৰা উঠি ফিত্ৰিভনাৰ ফালে চাই চিঞৰি কলে, "মোৰ যি খুচি তাকে কৰিম। মোৰ সকলো কথাতে হকাবধা দিয়ে কিয়? কেলেই? আপোনাক কোনে মাতিছে?"

যেৰিয়া ফিত্ৰিভনাৰ আকৌ খং উঠিল। "কিন্তু তুমি কি কৰিব খুজিছিলা? তোমাক তো তলা মাৰি থোৱা নাছিলোঁ। থৈছিলোঁ জানো? ইয়ালৈ আহিবলৈ তাক কোনে মানা কৰিছিল? হীন চৰিত্ৰৰ তিৰোতাৰ নিচিনাকৈ তোমাক পলুৱাই নিব লাগিছে কেলেই? তোমাক পলুৱাই নিলে, তোমাৰ বাপেৰাই, ককাইদেউৰাই, এণ্ড্ৰুৱে তাক ধৰিব নোৱাৰিলেহেঁতেন নেকি? সি দগাবাজ, লম্পট, নীচ!"

নাতাচাই খপৰাই কলে, "আপোনালোকতকৈ তেওঁ ভাল। আপোনালোকে হকাবধা নকৰিলে,···হে ভগৱান, কি হ'ল! চোনিয়া, তুমি মোৰ প্ৰতিবন্ধক হ'লা। আঁতৰ হোৱা!···"

নিজে নিজৰ বিপদ মাতি অনা বুলি ভাবি মানুহে যেনেকৈ দুখ কৰে—নাতাচায়ো সেইদৰে হতাশ হৈ ফেঁকুৰিবলৈ ধৰিলে।

মেৰিয়া দ্মিত্ৰিভনাই আৰু কিবা কব খুজিছিল কিন্তু নাতাচাই চিঞৰিলে, "ইয়াৰ পৰা যাওঁক, যাওঁক। আপোনালোকে মোক ঘিণ কৰে।" এইবুলি আকৌ চোফাত বাগৰি পৰিল।

মেৰিয়া দ্মিত্ৰিভনাই আকৌ কিছু সময় নাতাচাক উপদেশ দিলে। নাতাচাক হৈ কলে যে সকলো কথা কাউণ্টৰ পৰা লুকুৱা হব। আৰু নাতাচাই যোৱা কথা পাহৰি গ'লে, তাইৰ ব্যৱহাৰত প্ৰকাশ নাপালে, এই বিষয় কোনেও একো জানিব নোৱাৰিব। নাতাচাই নামাতিলে। তাই কঁপিছিল। মেৰিয়া দ্মিত্ৰিভনাই তাইৰ মুৰৰ তলত এটা গাৰু সুমুৱাই দিলে আৰু গাত দুখন লেপ জাপি দিলে। আৰু নিজে এগিলাচ চৰবৎ আনি দিলে।

টোপনি অহা বুলি ভাবি "থাক শোৱক," বুলি কৈ দ্মিত্ৰিভনা কোঠাটোৰ পৰা ওলাই গ'ল। কিন্তু তাইৰ টোপনি অহা নাই—তাই চকু মেলি চাই আছে।

গোটেই ৰাতিটো নাতাচা শোৱা নাই, কন্দাও নাই। চোনিয়াই কেবাবাৰো উঠি তাইৰ ওচৰলৈ গৈছিল কিন্তু নাতাচাই তাইৰ লগত এটি কথাও কোৱা নাই। টু শব্দও নকৰিলে।

পিচদিনা ৰাতিপুৱা খাবৰ সময়ত কাউণ্ট আহি পালেহি। তেওঁৰ মনটো প্ৰফুল্ল। জমিদাৰীখন বেচাৰ সকলো বন্দবস্ত হৈ গৈছে। যৈণীয়েকক অসুস্থ অৱস্থাত এৰি থৈ আহি তেওঁ অশান্তিত আছিল। এতিয়া মস্কোত আৰু তেওঁৰ কোনো কাম নাই। সোনকালে ঘৰলৈ যাব পাৰিব। মেৰিয়া দ্মিত্ৰিভনাই কাউণ্টক কলে যে কালিৰ পৰা নাতাচাৰ গা ভাল নহয়। ডাক্তৰ আহিছিল। এতিয়া বহুতো ভাল। সেইদিনা নাতাচা কোঠাটোৰ পৰা ওলাই অহা নাই। খিড়িকীৰ ওচৰত বহি তাই বাটেৰে অহাযোৱা কৰা মানুহবোৰ চাই আছে। কোঠাটোৰ ভিতৰত কোনোবা সোমালেই ঘূৰি চায়। তাৰ পৰা কিবা খবৰ পাব বুলি তাই আশা পালি আছে। সি নিজে আহিব পাৰে নহলে তাইলৈ চিঠি দিব।

কাউণ্ট তাইৰ কোঠালৈ গ'লত, তাই ঘূৰি চালে। কিন্তু শব্দহীন হৈ বহিয়ে থাকিল।

"তোমাৰ অসুখ নেকি ?"

নাতাচাই অলপ বৈ কলে, "হয়, মোৰ অসুখ।"

কাউণ্ট সুধিলে—তাইৰ কি হৈছে, মনটো মৰা কিয়, নে এওঁৰ কিবা হৈছে? নাতাচাই কলে যে একো হোৱা নাই, তেওঁ চিন্তা কৰিব নালাগে। ক্ষিত্রিভনাই নাতাচাৰ কথাত হয়ভৰ দিলে। কিন্তু নাতাচাৰ অৱস্থা দেখি আৰু ক্ষিত্রিভনা আৰু চোনিয়াক চিন্তাযুক্ত দেখি কাউণ্টৰ বিশ্বাস হ'ল যে তেওঁৰ অনুপস্থিতিত কিবা এটা হৈছে। তেওঁৰ মৰমৰ জীয়েকৰ যে কিবা এটা কলঙ্ক হব পাৰে, তেওঁ ভাবিবই নোৱাৰে। তেওঁ বংমনে শান্তিত থাকিবলৈ ভাল পায়। গতিকে আৰু কোনো খবৰ নকৰি, ধৰি ললে যে বিশেষ একো হোৱা নাই। তেওঁৰ অকল বেয়া লাগিল যে তাইৰ অসুখৰ কাৰণে গাঁৱলৈ যোৱাত দুদিনমান পলম হব।

# একাদশ অধ্যায়

হেলীয়েক মস্কোলৈ অহাৰ দিনৰে পৰা পিয়াৰে অইন ক'ৰবালৈ যোৱাৰ কথা ভাবি আছে। কাৰণ সি হেলীয়েকৰ লগত থাকিব নোখোজে। বোধহয় মস্কোলৈ অহাত সি নিজকে নাতাচাৰ প্ৰতি আকৃষ্ট হোৱা যেন দেখি ক'ৰবালৈ যাবৰ কাৰণে খৰধৰ লগালে।

মস্কোলৈ আহি পিয়াৰে মেৰিয়া ক্মিত্ৰিভনাৰ পৰা এখন চিঠি পালে। এণ্ড্ৰু বল্‌কন্‌স্কি আৰু তেওঁৰ বাক্‌দত্তাৰ বিষয়ে এটা জৰুৰী কথাৰ কাৰণে তেওঁ পিয়াৰক পঠাইছে। পিয়াৰে পৰাপক্ষত নাতাচাৰ লগ নলয়। পিয়াৰে অনুভৱ কৰিছিল যে এজন বিয়া কৰোৱা মানুহ বন্ধুৰ ভাবী পত্নীক যিমানখিনি ভাল পাব লাগে পিয়াৰে যেন নাতাচাক তাতোকৈ বেছি ভাল পাইছিল। অদৃষ্টই তাক সদায় নাতাচাক লগ লগাই দিয়ে।

মেৰিয়া ক্মিত্ৰিভনাৰ তালৈ যাবৰ কাৰণে কাপোৰ-কানি পিন্ধি পিয়াৰে ভাবিলে, "কি হৈছে? মোক নো কিয় মাতিছে?" বাটে বাটে ভাবি গ'ল, "প্ৰিন্স্ এণ্ড্ৰু সোনকালে আহি তাইক বিয়া কৰালেই হয়।"

বাটত কোনোবাই তাক নাম ধৰি মাতিলে "পিয়াৰ! কেতিয়াবাই আহিলা নেকি?" মাতটো তাৰ চনাকি যেন লাগিল। পিয়াৰে মূৰ দাঙি চাই দেখিলে —আনাতোল তাৰ চিৰসঙ্গী দলোহভৰ লগত ছুটা ঘোঁৰাৰ এখন গাড়ীত গ'ল। আনাতোল সামৰিক পোছাক পিন্ধি বৰ স্ফূৰ্ত্তিত আছে।

পিয়াৰে ভাবিলে, "ই হে আচল দাৰ্শনিক। সি ঐহিক সুখৰ বাহিৰে আন একো নেদেখে। তাৰ কোনো চিন্তা নাই। সদায় প্ৰফুল্ল, সন্তুষ্ট আৰু শান্তিত আছে। তাৰ নিচিনা হবলৈ মই সকলো স্বাৰ্থ ত্যাগ কৰিব পাৰোঁ।"

মেৰিয়া ক্মিত্ৰিভনাৰ বাহিৰৰ কোঠাত সোমালত লগুৱাটোৱে পিয়াৰক কলে যে গৃহস্বামীয়ে তেওঁক শোৱা কোঠালৈ মাতিছে।

বহা কোঠোটোৰ খিড়িকীখন মেলি পিয়াৰে দেখিলে নাতাচা খিড়িকীৰ ওচৰত বহি আছে। তাইৰ মুখ শেঁতা, মনটো মৰা। তাই পিয়াৰৰ ফালে চাই ভ্ৰূকুটি কৰিলে আৰু গহীনাই কোঠোটোৰ পৰা ওলাই গ'ল।

মেৰিয়া ক্মিত্ৰিভনাৰ ওচৰলৈ গৈ পিয়াৰে সুধিলে, "কি হৈছে?"

মেৰিয়া ক্মিত্ৰিভনাই কলে, "বৰ সুন্দৰ কাম! মই পৃথিবীত আঠাবন বছৰ

জীয়াই আছো, কিন্তু এনে কেলেঙ্কাৰী কথা দেখাও নাই, শুনাও নাই।" এইবোৰ কথা কাৰো আগত প্ৰকাশ নকৰে বুলি পিয়াৰে প্ৰতিশ্ৰুতি দিয়াত ক্ষিত্ৰিভনাই তাক কলে যে মাক-বাপেকে নজনাকৈয়ে নাতাচাই বিয়াখন ভাঙিছে। আৰু তাৰ কাৰণ হ'ল আনাতোল কুৰেগিন। পিয়াৰৰ ঘৈণীয়েকেই তাইক তাৰ লগ লগাই দিছে। বাপেক নথকাত নাতাচাই তাৰ লগত পলাই গৈ, লুকাই-চুৰাকৈ তাৰ লগত বিয়াত বহিব খুজিছিল।

যেৰিয়া ক্ষিত্ৰিভনাৰ কথা শুনি পিয়াৰ আচৰিত হ'ল। তাৰ বিশ্বাস ন'হল। নাতাচা বোস্তভ প্ৰিন্স্ এণ্ডুৰ বাক্‌দত্তা, এণ্ডুৱে তাইক ইমান ভাল পায়! এনে স্থলত সেই মূৰ্খ আনাতোলৰ কাৰণে তাই এণ্ডুক বুলি পিয়াৰে বিশ্বাস কৰিব নোৱাৰে। পিয়াৰে আনাতোলৰ বিয়াৰ কথা জানে। সেই বিবাহিত মূৰ্খটোক নাতাচাই ইমান ভাল পোৱা হ'ল যে তাই তাৰ লগত পলাবলৈ সম্মত হৈছেনে! পিয়াৰে কল্পনাও কৰিব নোৱাৰে। পিয়াৰে নাতাচাক সৰুৰে পৰা জানে। তাইৰ ওপৰত পিয়াৰৰ বৰ ভাল ধাৰণা। এতিয়া তাইক ইমান নীচ, মূৰ্খ, নিৰ্দয়া বুলি ভাবিব নোৱাৰে। পিয়াৰে ঘৈণীয়েকৰ কথা ভাবিলে, "সিহঁত সকলো সমান।" নীচ প্ৰকৃতিৰ তিৰোতাৰ লগত তুৰ্ভাগ্যৰ বন্ধন অকল তাৰে হোৱা নাই। তথাপি প্ৰিন্স্ এণ্ডুৰ কাৰণে তাৰ প্ৰাণে কান্দিলে। বন্ধুৰ কাৰণে তাৰ যিমানেই বেছি বেয়া লাগিল, সিমানেই নাতাচাক বেছি ঘিণ কৰা হ'ল। নাতাচাৰ অন্তৰৰ হতাশা, লাজ, অপমানৰ কথা পিয়াৰে নাজানিছিল।

পিয়াৰে আচৰিত হৈ কলে, "কি ? বিয়া কৰাব ? সিতো বিয়া কৰাব নোৱাৰে। সি বিবাহিত।"

"আৰু কিমান বেয়া শুনিম! সি বদমাচ, দগাবাজ! তাই আজি ছুদিনে তাৰ কাৰণে আশা পালি আছে। আমি এতিয়া কোৱা উচিত অন্ততঃ তাৰ কাৰণে আশাপালি থাকিব নালাগে।"

পিয়াৰৰ মুখত আনাতোলৰ বিয়াৰ সকলো কথা শুনি যেৰিয়া ক্ষিত্ৰিভনাই খঙতে আনাতোলক যিহকে পালে তাকেকৈ গালি পাৰিলে আৰু আনাতোলক মাতি পঠাবলৈ থিবাং কৰিলে। ক্ষিত্ৰিভনাৰ ভয় হ'ল যে কাউণ্ট আৰু বল্‌কন্‌স্কি যি কোনো মুহূৰ্ততে আহি ঘটনাটো শুনিব পাৰে আৰু তাক দ্বন্দ্বযুদ্ধলৈ আহ্বান কৰিব পাৰে। ক্ষিত্ৰিভাই ঘটনাটো তেওঁলোকৰ পৰা লুকাব খুজিছিল। সেই কাৰণে ক্ষিত্ৰিভনাই পিয়াৰক অনুৰোধ কৰিলে যাতে পিয়াৰে আনাতোলক মস্কোৰ পৰা যাবলৈ আৰু তাইক দেখা নিদিবলৈ

কৰে। বুঢ়া কাউণ্ট, নিকলস আৰু প্ৰিন্স এণ্ড্ৰুৰ বিপদ হব পাৰে বুলি ভাবি পিয়াৰে ক্ষিত্ৰিভনাৰ অনুৰোধত প্ৰতিশ্ৰুতি দিলে। ক্ষিত্ৰিভনাই কি কৰিব খুজিছে চমুকৈ পিয়াৰক কলে। তাৰ পাছত তাক বহা কোঠালৈ যাবলৈ কলে। "কিন্তু চাবা, কাউণ্টে এই বিষয়ে একোকে নাজানে। তুমিও যেন একো নাজানা, এনেকৈ কথা পাতিবা। মই গৈ তাইক কওঁ যে তাৰ কাৰণে আশা-পালি থকাৰ লাভ নাই। আৰু যদি অসুবিধা নহয়, চুপৰীয়া ইয়াতে খাবা।"

পিয়াৰে বুঢ়া কাউণ্টক দেখা কৰিলে। কাউণ্ট উদ্বিগ্ন হৈ অস্থিৰচিত্তে বহি আছে। আজি ৰাতিপুৱাই নাতাচাই তেওঁক কৈছে বল্‌কন্‌স্কিৰ লগত হব লগা বিয়াখন তাই ভাঙিছে।

কাউণ্টে কলে, "মাক নোহোৱা ছোৱালী দুজনী লৈ মই বৰ বিপদত পৰিছোঁ। তোমাক কোনো কথা লুকাব নোখোজোঁ। মই ইয়ালৈ আহি ভুল কৰিছোঁ। কাকো একো নোকোৱাকৈয়ে তাই বিয়াখন ভাঙিছে। অৱশ্যে বিয়াখন মই বৰ ভাল পোৱা নাছিলোঁ। তেওঁ বৰ ভাল মানুহ তাত কোনো সন্দেহ নাই। কিন্তু বাপেকৰ ইচ্ছাৰ বিৰুদ্ধে বিয়া কৰাই সুখ পাব নোৱাৰে। আৰু নাতাচাৰ কাৰণে দৰাৰ অভাৱ নহব। তথাপি বিয়াখন ঠিক হৈছিল কিন্তু এতিয়া মাক-বাপেকৰ অজ্ঞাতে তাই এইখন কৰিলে। তাইৰ এতিয়া অসুখ হৈছে, ভগবানে হে জানে কি হয়! মাকৰ পৰা আঁতৰি থকাটো ছোৱালীৰ কাৰণে বৰ বেয়া।" কাউণ্টৰ অশান্তি দেখি পিয়াৰে অইন কথা পাতিব খুজিছিল কিন্তু কাউণ্টে নিজৰ অশান্তিৰ কথাহে কবলৈ ধৰিলে।

চোনিয়া উদ্বিগ্ন হৈ বহা কোঠালৈ আহিল।

"নাতাচাৰ গা ভাল নহয়। তাই আপোনাক পাব খুজিছে। মেৰিয়া ক্ষিত্ৰিভনা তাইৰ লগত আছে। তেৱেঁ আপোনাক মাতিছে।"

কাউণ্টে কলে, "তুমি বল্‌কন্‌স্কিৰ এজন ডাঙৰ বন্ধু। তাই নিশ্চয় তালৈ কিবা খবৰ পঠিয়াব খুজিছে। হে ভগবান! কি আছিল, কি হ'ল!"

আনাতোলৰ বিয়া হোৱা বুলি মেৰিয়া ক্ষিত্ৰিভনাই নাতাচাক কৈছে। নাতাচাই তেওঁক বিশ্বাস নকৰে। তাই কথাটো নিজে পিয়াৰৰ মুখৰ পৰা শুনিব খোজে। চোনিয়াই পিয়াৰক নাতাচাৰ কোঠালৈ লৈ যাওঁতে বাটতে কথাটো পিয়াৰক কলে।

নাতাচাই শেঁতা পৰি মেৰিয়া ক্ষিত্ৰিভনাৰ ওচৰত বহি আছে। তাই পিয়াৰৰ ফালে চালে কিন্তু নমস্কাৰো নকৰিলে বা নাহাঁহিলেও। নাতাচাই

পিয়াৰৰ ফালে একেবাৰে চাই থাকিল। সেই চাৱনিৰ অৰ্থ—অইনৰ নিচিনা ইও আনাতোলৰ শত্ৰু নে মিত্ৰ?

মেৰিয়া ক্মিত্ৰিভনাই নাতাচক কলে, "এওঁ সকলো জানে। মোৰ কথা সঁচা হয় নে নহয়, এওঁৱে কওক।"

চিকাৰত আহত হোৱা জন্তুৱে যেনেকৈ চিকাৰী আৰু কুকুৰবোৰৰ ফালে চায়, সেইদৰে নাতাচাই এবাৰ ক্মিত্ৰিভনাৰ ফালে, এবাৰ পিয়াৰৰ ফালে চাইছে।

নাতাচালৈ পিয়াৰৰ পুতৌ হ'ল। সি কথাটো কবলৈ বেয়া পালে। পিছত তলমূৰকৈ কলে, "নাতাচা, কথাটো সঁচাই হওক বা মিছাই হওক, তোমাক তাতে কোনো হানি নহয় কাৰণ···"

"তেন্তে তেওঁৰ বিয়া হোৱা কথাটো সঁচা নহয়?"

"কথাটো সঁচা।"

"তেওঁ কেতিয়াবাই বিয়া কৰালে নেকি? আপোনাৰ কথা মই বিশ্বাস কৰিব পাৰোঁ নে?"

"মোৰ কথা বিশ্বাস কৰা, সি কেতিয়াবাই বিয়া কৰালে।"

"তেওঁ এতিয়াও ইয়াত আছে নে?"

"আছে। মই এতিয়াই তাক লগ পাইছিলোঁ।"

তাই মাতিব নোৱাৰা হ'ল। হাতৰ ইঙ্গিতেৰে তেওঁলোকক যাবলৈ কলে।

# দ্বাদশ অধ্যায়

খাবৰ সময়লৈকে পিয়াৰ নাথাকিল। নাতাচাৰ কোঠাৰ পৰা ওলাই গুচি গ'ল। আনাতোল কুৰেগিনক বিচাৰি সি গোটেই নগৰখন চলাথ কৰিলে। আনাতোলৰ ওপৰত তাৰ বৰ খং উঠিল। বেশ্যালয়, নৰ্তকীহঁতৰ ঘৰত আনাতোলক নাপালে। পিয়াৰ ক্লাবলৈ গ'ল। সদস্যসকল ক্লাবলৈ আহিছে। সিহঁতে দলবান্ধি কথা পাতিছে। সিহঁতে পিয়াৰক অভিবাদন জনাই নগৰৰ বা-বাতৰি কলে। লগুৱাজনে পিয়াৰৰ স্বভাৱ আৰু তাৰ বন্ধুসকলকো জানে। সি পিয়াৰক অভিবাদন জনাই কলে যে তেওঁৰ কাৰণে সৰু কোঠাটোত এখন আসন আছে। এজন চিনাকি সদস্যই পিয়াৰক সুধিলে—কুৰেগিনে নাতাচা ৰোস্তভক পলুৱাই নিয়া কথাটো তেওঁ শুনিছে নে নাই আৰু কথাটো সঁচা নেকি? পিয়াৰে হাঁহি হাঁহি কলে যে কথাটো একেবাৰে মিছা, কাৰণ সি এইমাত্র ৰোস্তভহঁতৰ তাৰ পৰা আহিছে। পিয়াৰে সকলোকে আনাতোলৰ কথা সুধিলে। এজনে কলে যে সি এতিয়াও আহি পোৱা নাই। আন এজনে কলে—সি আজি ইয়াতে খোৱাৰ কথা আছিল। সিহঁতৰ লগত কথা পাতি পিয়াৰৰ আৰু ভাল নালাগিল। সি ডাঙৰ কোঠাটোৰ ভিতৰত ঘূৰি-পকি থাকিল। সকলো সদস্য আহিল। কিন্তু আনাতোল অহাৰ কোনো আশা নেদেখি—পিয়াৰে ভাত নাখাই গুচি গ'ল।

আনাতোলে সিদিনাখন দলোহভৰ তাত খাইছে। এতিয়া আৰু কি উপায়ে নাতাচাক পলুৱাই নিব পাৰি দলোহভৰ লগত তাৰে পৰামৰ্শ কৰিছে। সি ভাবিলে নাতাচাক লগ ধৰাটো উচিত হব। তাইক কেনেকৈ লগ পাব—এই বিষয়ে আলোচনা কৰিবলৈ গধূলি আনাতোল ভনীয়েকৰ তালৈ গ'ল। গোটেই নগৰখন চলাথ কৰিও আনাতোলক ক'তো বিচাৰি নাপাই প্রিয়াৰ ঘৰলৈ আহিল। লগুৱাটোৱে জনালে যে প্রিন্স্ আনাতোল ভনীয়েকৰ লগত আছে। হেলেনৰ বহা কোঠাটো আলহীৰে ভৰ্তি।

পিয়াৰে ঘৈণীয়েকক অভিবাদন নজনালে। আহিবৰে পৰা সি ঘৈণীয়েকক দেখা কৰা নাই। এতিয়া ঘৈণীয়েকক আৰু বেছি ঘিণ কৰা হ'ল। পিয়াৰে বহা কোঠাত সোমাই আনাতোলক দেখি পোনে পোনে তাৰ ওচৰলৈ গ'ল।

হেলেনে পিবিয়েৰৰ ওচৰলৈ গৈ কলে, "আমাৰ বেচেৰা আনাতোলৰ কি দুৰৱস্থা হৈছে—আপুনি নাজানে· ·।" কিন্তু পিয়াৰৰ অগ্নিমূৰ্তি দেখি তাইৰ আৰু কবলৈ সাহস ন'হল। দলোহভৰ লগত দ্বন্দ্বযুদ্ধৰ পাছত পিয়াৰৰ খং আৰু শক্তিৰ পৰিচয় তাই নিজেই পাইছে।

পিয়াৰে ভৈণীয়েকক ক'লে, "তুমি য'তেই থাকা, ত'তেই পাপ আৰু প্ৰবঞ্চনা থাকিব।" তাৰ পাছত ফৰাচী ভাষাত কলে, "আনাতোল, আহা। এটা কথা কব খুজিছোঁ ?" আনাতোলে ভনীয়েকৰ ফালে চাই থিয় হ'ল। পিয়াৰে আনাতোলক হাতত ধৰি বাহিৰলৈ লৈ গ'ল। হেলেনে কলে, "মোৰ বহা কোঠাতো দেখোন কব পাৰিলে হয়··· ।" পিয়াৰে একো নামাতিলে।

আনাতোল ভয় ভয়কৈ পিয়াৰৰ পিছে পিছে গ'ল। নিজৰ কোঠাটোত সোমাই পিয়াৰে দুৱাৰখন মাৰিলে। তাৰ পাচত মুখলৈ নাচাই আনাতোলক সুধিলে, "নাতাচা ৰোস্তভক বিয়া কৰাবা বুলি তুমি কথা দিছিলা নেকি ? তাইক পলুৱাই নিব খুজিছিলা নেকি ?"

আনাতোলে ফৰাচী ভাষাত কলে, "এনে সুৰৰ কোনো প্ৰশ্নৰ উত্তৰ দিবলৈ মই বাধ্য নহওঁ বুলি ভাবোঁ।"

পিয়াৰে খঙতে উগ্ৰমূৰ্তি ধৰি আনাতোলৰ চোলাৰ ডিঙিত খাপ মাৰি ধৰিলে। আনাতোলৰ মুখখন ভয়তে শেঁতা পৰিল। ডিঙিৰ এটা গুদাম ছিঙি পৰিল। পিয়াৰে কলে, "মই যেতিয়া তোমাক সুধিব খুজিছোঁ···"

"কিন্তু ই অভদ্ৰ ব্যবহাৰ।"

"তুমি দগাবাজ, লম্পট। মই যে এতিয়াও তোমাৰ মূৰটো ভাঙি পেলোৱা নাই কিয় কব নোৱাৰোঁ। তাইক বিয়া কৰাবা বুলি কথা দিছিলা নেকি ?"

"মই···মই···মই বোধকৰোঁ···মই কথা দিয়া নাই···অৱশ্যে·· কাৰণ···"

পিয়াৰে তাক বাধা দি কলে, "তাইৰ কিবা চিঠি তোমাৰ লগত আছে নে ?"

আনাতোলে চোলাৰ যোনাৰ পৰা এখন চিঠি উলিয়াই দিলে। পিয়াৰে চিঠিখন লৈ চোফাত বহিল। আনাতোলক ভয় খোৱা দেখি পিয়াৰে কলে, "ভয় নকৰিবা। মই তোমাক আঘাত নকৰোঁ।"

অলপ পৰ নিমাত হৈ থাকি পিয়াৰ চোফাৰ পৰা উঠিল। কোঠাটোৰ ভিতৰত ইফাল সিফালকৈ খোজ কাঢ়ি ক'লে, "এক নম্বৰ—এই চিঠিবোৰ। দ্বিতীয়তে, তুমি কালিয়েই মস্কো এৰিব লাগিব। তৃতীয়তে, তোমাৰ আৰু

নাতাচাৰ মাজত যি হৈছে তাক ঘৃণাকৰেও কাকো কব নোৱাৰিবা। অৱশ্যে মই তোমাক বাধা দি ৰাখিব নোৱাৰোঁ। কিন্তু তোমাৰ যদি বিবেক বোলা বস্তু অকণো আছে…। তুমি নিশ্চয় জানিবা যে তোমাৰ নিজৰ সুখৰ বাহিৰে আইন মানুহৰো সুখ, শান্তি আছে। তুমি নিজৰ সুখৰ কাৰণে এটা জীবন নষ্ট কৰিবলৈ ওলাইছা। হেলেনৰ নিচিনা তিৰোতাৰ লগত স্ফূৰ্তি কৰা, তাত তোমাৰ অধিকাৰ আছে। সিহঁতে জানে তোমাক কি লাগে। সিহঁতো একে ধৰণৰ পাপী। গতিকে তোমাক ভয় নকৰে। কিন্তু এজনী ছোৱালীক বিয়া কৰাবা বুলি কথা দিয়া—প্ৰবঞ্চনা কৰা, অপহৰণ কৰা…। ই বুঢ়া মানুহ বা সৰু লৰা-ছোৱালীক আক্ৰমণ কৰাৰ নিচিনা নীচ কাম…।"

পিয়াৰে আনাতোলৰ ফালে চালে। পিয়াৰৰ খং শাতলা দেখি আনাতোলে আইন ফালে চাই সাহসেৰে থৰকবৰককৈ কলে, "এই বিষয়ে মই নাজানো। জানিব ইচ্ছাও নকৰোঁ। কিন্তু তুমি মোক নীচ বুলিলা আৰু যিহকে তিহকে কলা। মোৰোতো মান-সম্মান আছে—এইটো মই সহ্য কৰিব নোৱাৰোঁ।"

পিয়াৰে আনাতোলৰ কথা বুজি নাপালে। সি তাৰ মুখলৈ চাই থাকিল। আনাতোলে কলে, "যদিও আমাৰ দুজনৰ ভিতৰতহে গোপনে কথা হৈছে তথাপি নোৱাৰোঁ…।"

পিয়াৰে বিদ্ৰূপৰ সুৰত কলে, "কি? তুমি কৈফিয়ৎ বিচাৰিছা নেকি?"

"তুমি কোৱামতে যদি মই কৰিব লাগে তেন্তে অন্ততঃ তোমাৰ কথাবোৰ উঠাই লোৱা।"

পিয়াৰে কলে, "বাৰু, কথাবোৰ মই উঠাই লম। নিশ্চয় উঠাই লম। আৰু মই তোমাক ক্ষমা খুজিছোঁ। আৰু যোৱাৰ কাৰণে যদি ধন লাগে, এইখিনি ৰূপ নিয়া।"

আনাতোলৰ মুখত হাঁহি ওলাল। হেলেনেও এনেকুৱা নীচ প্ৰকৃতিৰ হাঁহি হাঁহে। পিয়াৰে খঙতে "নীচ, নিৰ্দয় জাতি" বুলি চিঞৰি কোঠাটোৰ পৰা ওলাই আহিল।

পিছদিনাখন আনাতোল পিটাৰ্চবাৰ্গলৈ গ'ল।

পিয়াৰে গৈ মেৰিয়া দ্মিত্ৰিভনাক জনালে যে তেওঁৰ কথামতে আনাতোলক মস্কোৰ পৰা নিৰ্বাসিত কৰা হৈছে। গোটেই ঘৰখনতে চাঞ্চল্য, ভীতিৰ সঞ্চাৰ হৈছে। নাতাচাৰ অসুখ বেছি হৈছে। দ্মিত্ৰিভনাই পিয়াৰক মনে মনে ক'লে, যে আনাতোল বিবাহিত বুলি কোৱাৰ দিনা তাই চুৰ কৰি

আনি আৰ্চেনিক খায়। অলপ খায়ে তাই বৰ ভয় খায়। আৰু চোনিয়াৰ জগাই আৰ্চেনিক খোৱাৰ কথাটো কয়। সময় মতে ঔষধ দিয়া হৈছে। এতিয়া আৰু ভয়ৰ কাৰণ নাই। কিন্তু তাই ইমান দুৰ্বল হৈছে যে এই অৱস্থাত তাইক গাঁৱলৈ নিব নোৱাৰি। মাকৰ মাতি পঠোৱা হৈছে। পিয়াৰে দেখিলে কাউণ্ট বিমোৰত পৰিছে ; চোনিয়াই চকুপানী টুকিছে। নাতাচাক সি দেখা নাপালে।

সেইদিনাখন পিয়াৰে ক্লাবত খালে। আনাতোলে কেনেকৈ নাতাচা ৰোস্তভক পলুৱাই নিব খুজিছিল সদস্যসকলে এইবোৰ কথা পাতিছে। পিয়াৰে কিন্তু কথাটো মিছা বুলি কলে। পিয়াৰে কলে যে আচলতে কথাটো হৈছে— আনাতোলে তাইক বিয়া কৰাবলৈ প্ৰস্তাৱ দিছিল আৰু সেই প্ৰস্তাৱটো তাই প্ৰত্যাখ্যান কৰে। পিয়াৰে ভাবিলে যে সম্পূৰ্ণ ঘটনাটো লুকোৱা আৰু নাতাচাৰ মান-সম্মান ৰক্ষা কৰা তাৰ কৰ্তব্য।

প্ৰিন্স্ এণ্ড্ৰু কেতিয়াকৈ আহি পায় তাৰ কাৰণে পিয়াৰে ভয় ভয়কৈ বাট চাই থাকিল। সি সদায় গৈ বুঢ়া প্ৰিন্সৰ পৰা এণ্ড্ৰুৰ খবৰ লয়। প্ৰিন্স্ বল্‌কন্‌স্কিয়ে মেদেমচেল বুৰিয়েঁৰ মুখে নগৰৰ সকলো জনৰৱৰ কথা শুনিছে। বিয়াখন নহব বুলি নাতাচাই যিখন চিঠি মেৰিয়াক দিছিল সেই চিঠিখনো প্ৰিন্সে পঢ়িছে। বুঢ়াৰ মনটো এতিয়া ভাল দেখা গৈছে। আৰু পুতেকক লগ পাবৰ কাৰণে উদ্বিগ্ন হৈ আছে।

# ত্ৰয়োদশ অধ্যায়

আনাতোল যোৱাৰ কেইদিনমান পাছত পিয়াৰে এণ্ড্ৰুৰ এখন চিঠি পালে। এণ্ড্ৰু আহি পাইছে আৰু পিয়াৰক মাতি পঠাইছে।

প্ৰিন্স্ এণ্ড্ৰু মস্কো আহি পোৱাৰ এক মিনিট পাচতেই বুঢ়া প্ৰিন্সে নাতাচাই মেৰিয়ালৈ দিয়া চিঠিখন পুতেকক দিলে। মদেমচেলে বুৰিয়েঁ মেৰিয়াৰ পৰা চিঠিখন চুৰ কৰি নি বুঢ়া প্ৰিন্সক দিছিল। নাতাচা পলাই যোৱা গল্পটোও এণ্ড্ৰুৱে বাপেকৰ মুখৰ পৰা শুনিলে।

প্ৰিন্স্ এণ্ড্ৰু গধূলি আহি পাইছিল। পিচদিনা ৰাতিপুৱা পিয়াৰে তেওঁক দেখা কৰিবলৈ আহিল। প্ৰিন্স্ এণ্ড্ৰুৱে হাতত ধৰি পিয়াৰক তেওঁৰ কোঠালৈ লৈ গ'ল। কোঠাটোত এখন বিছনা আৰু কেইটামান খোলা বাকচ আছিল।

প্ৰিন্স্ এণ্ড্ৰুৱে এটা বাকচৰ পৰা কিছুমান চিঠি উলিয়াই কলে "তোমাক আমনি কৰাৰ কাৰণে বেয়া নাপাবা···।" এণ্ড্ৰুৰ অৱস্থা দেখি পিয়াৰৰ পুতৌ হ'ল। সি বুজি পালে যে এণ্ড্ৰুৱে নাতাচাৰ কথা কব খুজিছে। এণ্ড্ৰুৱে খঙেৰে কলে, "নাতাচা ৰোস্তভে মোৰ লগত বিয়াত নবহে বুলি লিখিছে। আৰু আনাতোলে হেনো তাইক বিয়া কৰাব খুজিছে। এনে ধৰণৰ কিছুমান জনৰব মোৰ কাণত পৰিছে। কথাটো সঁচা নেকি?"

"সঁচাও, মিছাও।"

"এইবোৰ তাইৰ চিঠি আৰু ফটো। যদি দেখা হয়, এইবোৰ তাইক দিবা।"

"তাইৰ আসুখ।"

"তেন্তে এতিয়াও তাই ইয়াতেই আছে? আৰু প্ৰিন্স্ কুৰেগিন?"

"সি কেতিয়াবাই গ'ল। তাইৰ মৰো মৰোঁ অৱস্থা।"

বাপেকৰ নিচিনা নিৰ্দয়, নিৰস, কাঠহাঁহি এটা মাৰি এণ্ড্ৰুৱে কলে, "তাইৰ বেমাৰৰ কথা শুনি বৰ বেজাৰ পালোঁ। কুৰেগিনে তেন্তে তাইক অনুগ্ৰহ নকৰিলে?"

"সি বিয়া কৰাব নোৱাৰে, কাৰণ সি বিবাহিত।"

প্ৰিন্স্ এণ্ড্ৰুৱে নিৰস হাঁহি এটা মাৰিলে। "আনাতোল নো এতিয়া ক'ত আছে? মই জানিব পাৰোঁ নে?"

পিয়াৰে কলে, "সি পিটাৰ্চবাৰ্গলৈ গৈছিল কিন্তু আচলতে সি ক'ত আছে, মই নাজানো।"

"থাক, জানিবৰ কোনো দৰকাৰ নাই। মোৰ হৈ নাতাচা ৰোস্তভক কবা যে তাই আগতেও স্বাধীন আছিল, এতিয়াও সম্পূৰ্ণ স্বাধীন। আৰু মই তাইৰ মঙ্গল কামনা কৰোঁ।"

প্ৰিন্স্ এণ্ড্ৰুৰ কামটো কৰিবৰ কাৰণে সিদিনা গধূলি পিয়াৰ ৰোস্তভহঁতৰ তালৈ গ'ল। নাতাচা বিছনাতে আছে। কাউণ্ট ক্লাবলৈ গৈছে। চিঠিবোৰ চোনিয়াৰ হাতত দি পিয়াৰ মেৰিয়া ক্মিত্ৰিভনাক দেখা কৰিবলৈ গ'ল। দহ মিনিট পাছত চোনিয়া আহি মেৰিয়া ক্মিত্ৰিভনাক কলে যে নাতাচাই পিয়াৰক লগ পাব খুজিছে।

ক্মিত্ৰিভনাই কলে, "তাই যেনেকৈহে আছে—সেই কোঠাটোলৈ এওঁক কেনেকে নিওঁ?"

চোনিয়াই কলে, "তাই এতিয়া ভাল কাপোৰ-কানি পিন্ধি বহা কোঠালৈ গৈছে।"

মেৰিয়া ক্মিত্ৰিভনাই বিৰক্তিৰ সুৰত পিয়াৰক কলে, "মাকজনী আহিলেই ৰক্ষা পাওঁ। মোৰ আৰু আমনি লাগিছে। ইমান জুলুম কৰিছে। তাইক সকলো কথা নকবা। বেচেৰীৰ অৱস্থা দেখিলে বেয়াও লাগে। একো কব নোৱাৰি।"

নাতাচা বহা কোঠাটোৰ মাজত থিয় হৈ আছে। তাই আগতকৈ খীণাইছে। পিয়াৰ আহি দুৱাৰমুখ পালে কিন্তু তাই কি কৰিব ভাবি নাপালে। পিয়াৰ তাইৰ ওচৰলৈ গ'ল। পিয়াৰে ভাবিছিল যে আগৰ দৰে তাই হাতখন আগবঢ়াই দিব। কিন্তু তাই অলপ আগবাঢ়ি আহি হঠাতে বল। তাই কবলৈ ধৰিলে, "প্ৰিন্স্ বল্‌কন্‌স্কি আপোনাৰ বন্ধু আছিল। নহয়, এতিয়াও আপোনাৰ বন্ধু। (তাইৰ মনত সকলো অতীতৰ কথা এতিয়া পৰিবৰ্তন হৈছে)। তেওঁ আপোনাৰ সহায় বিচাৰিবলৈ কৈছিল।" নাতাচাই ঘনাই উশাহ ললে কিন্তু নাকান্দিলে।

পিয়াৰে নাতাচাক দুষিছিল, তাইক ঘিণ কৰিছিল। কিন্তু এতিয়া তাইক দেখি, তাইৰ কথা শুনি তাৰ অন্তৰ পমি গ'ল, তাৰ পুতৌ হ'ল। আগতে তাৰ অন্তৰত এনে করুণ ভাব আৰু কেতিয়াও উদয় হোৱা নাছিল।

"তেওঁতো এতিয়া ইয়াতে আছে? কব বাতে মোক ক্ষমা কৰে।"

"হয়, ইয়াতে আছে। মই তেওঁক কম কিন্তু···" কি কব পিয়াৰে বিচাৰি নাপালে।

পিয়াৰৰ মনৰ ভাব বুজি নাতাচা হতাশ হৈ ঘপৰাই ক'লে, "নহয়, সকলো শেহ, মই জানো। সেই কথা আৰু হব নোৱাৰে। তেওঁক অন্যায় কৰি মই দুৰ্ভাগিনী হৈছোঁ। অকল কব যে সকলো দোষৰ কাৰণে মই তেওঁৰ ক্ষমা প্ৰাৰ্থনা কৰিছোঁ।" তাইৰ গোটেই গাটো কঁপিবলৈ ধৰিলে। এখন চকীত বহি পৰিল।

"মই তেওঁক সকলো কথা কম। নিশ্চয় কম, আকৌ এবাৰ কম। কিন্তু এটা কথা মই জানিব খোজোঁ।"

নাতাচাৰ চকুযুৰিয়ে সুধিলে "কি জানিব খোজে?"

"মই জানিব খোজো তুমি সঁচাকৈয়ে···" আনাতোলক কি বুলি কব পিয়াৰে ভাবি নাপালে। আনাতোলৰ কথা মনত পৰোঁতেই তাৰ মুখখন ৰঙা হ'ল। "সেই বেয়া মানুহজনক তুমি ভাল পাইছিলা নেকি?"

নাতাচাই কলে, "তেওঁক বেয়া বুলি নকব। মই নাজানো···মই কব নোৱাৰোঁ।" তাই কান্দিবলৈ ধৰিলে। পিয়াৰৰ অন্তৰ পমি গ'ল। তাৰো চকুপানী ওলাল।

পিয়াৰে কলে, "এই বিষয়ে আমি আৰু আলোচনা নকৰাই ভাল।"

পিয়াৰৰ সৰল, মৰমিয়াল, সহানুভূতিপূৰ্ণ কথাবোৰ নাতাচাৰ হঠাতে আচৰিত যেন লাগিল। "এই বিষয়ে আৰু কথা নাপাতোঁ। মই তেওঁক সকলো কম। তোমাক অনুৰোধ কৰিছোঁ—মোক বন্ধু বুলি ভাবিবা। আৰু এতিয়া নহয়, সুস্থ হলে তোমাৰ কেতিয়াবা সহায়, উপদেশ বা অকল অন্তৰৰ কথা খুলি কবলৈ দৰকাৰ হলে মোলৈ মনত পেলাবা। মই কিবা সহায় কৰিব পাৰিলে সুখী হম।" পিয়াৰে তাইৰ হাতখন লৈ চুমা খালে।

নাতাচাই কান্দি কান্দি কলে, "এইবোৰ মোক নকব। মই যোগ্যা নহওঁ।"

তাই কোঠাটোৰ পৰা ওলাই যাব খুজিছিল কিন্তু পিয়াৰে হাতত ধৰি ৰখালে। তাইক কবলৈ তাৰ আৰু কথা আছিল। কিন্তু কৈ সি নিজেই আচৰিত হৈছিল।

"নাকান্দিবা, এতিয়াও গোটেই জীৱনটো তোমাৰ আগত পৰি আছে।"

আত্মগ্লানি আৰু অসম্মান অনুভৱ কৰি নাতাচাই কলে, "মোৰ আগত! নাই, নাই, মোৰ সকলো শেহ হৈছে।"

"সকলো শেহ ! এনে নহৈ যদি মই পৃথিৱীৰ ভিতৰত আটাইতকৈ ধুনীয়া, বুধিয়ক, ভাল মানুহ হলোঁহেঁতেন আৰু মই স্বাধীন হোৱা হলে—মই এতিয়াই তোমাৰ প্ৰেম ভিক্ষা কৰি আঠু ললোঁহেঁতেন ।"

বহুত দিনৰ পাছত আজি প্ৰথম তাইৰ কৃতজ্ঞতাৰ চকুলো ওলাল । পিয়াৰৰ ফালে চাই তাই কোঠাটোৰ পৰা ওলাই গ'ল ।

পিছত্তে পিয়াৰ বাহিৰৰ কোঠালৈ গ'ল। গৰম কোটটোৰ হাত দুখন বিচাৰি নাপাই, এনেয়ে গাত পেলাই লৈ সি গাড়ীত উঠিল ।

গাৰোৱানে সুধিলে, "হুজুৰ, এতিয়া ক'লৈ যাব ?"

পিয়াৰে ভাবিলে, "ক'লৈ যাওঁ ? নাচলৈ নাযাওঁ, কাৰো ঘৰলৈকো নাযাওঁ ।"

তাৰ অন্তৰত যি কৰুণাৰ, প্ৰেমৰ অনুভূতি হৈছে আৰু নাতাচাৰ সেই কৃতজ্ঞতাপূৰ্ণ চাৱনিৰ তুলনাত পৃথিৱীৰ সকলো মানুহ পিয়াৰৰ মনত তুচ্ছ যেন বোধ হ'ল। ইমান জাৰ, বৰফ পৰিছে—তথাপি পিয়াৰে গৰম কোটটো গাৰ পৰা আঁতৰাই লৈ কলে, "ঘৰলৈ ব'লা ।"

আকাশখন উজ্জল। তৰাবোৰে হাঁহিছে। আকাশখনলৈ চাই পিয়াৰে পৃথিৱীৰ হীন, তুচ্ছবোৰৰ কথা পাহৰিলে। তৰাবোৰৰ মাজত ১৮১২ চনৰ প্ৰকাণ্ড উজ্জল ধূমকেতুটো জ্বলি আছে। এই ধূমকেতুৱে হেনো আকাল, মহামাৰী, পৃথিৱীৰ ধ্বংস সূচনা কৰিছিল। কিন্তু এই উজ্জল, নেজাল ধূমকেতুটোৱে পিয়াৰৰ মনত কোনো ভীতি সঞ্চাৰ কৰা নাছিল। বৰং এই উজ্জল ধূমকেতুটো দেখি সি বঙহে পাইছিল। এপাত কাঁড়ৰ নিচিনা পৃথিৱী ভেদ কৰি ক'লা আকাশৰ এঠাইত লাগি ধৰিছে। নেজডালে অসংখ্য তাৰকাৰাজিৰ লগত পোহৰ দিছে, খেলিছে। ধূমকেতুৰ পোহৰৰ নিচিনা পিয়াৰেও যেনিবা এক নতুন জীৱনৰ অনুভূতি পাইছে।

# সপ্তম খণ্ড

## প্ৰথম অধ্যায়

১৮১১ চনৰ শেহ ভাগত পশ্চিম ইউৰোপৰ সেনাবাহিনীত বহুতো সৈন্য যুগুত হ'ল। আৰু ১৮১২ চনত এই সেনাবাহিনীৰ লাখ লাখ মানুহ পশ্চিমৰ পৰা পূৱলৈ—ৰুছসীমান্তলৈ খোজ ললে। ৰুছবাহিনীও ১৮১১ চনৰ পৰা সীমান্তত গোট খাই আছিল। জুন মাহৰ বাৰ তাৰিখে পশ্চিম ইউৰোপৰ সেনাবাহিনী সীমান্ত পাৰ হ'ল আৰু লগে লগে যুদ্ধ আৰম্ভ হ'ল।

মস্কোত পিয়াৰৰ লগত দেখা হোৱাৰ পাচত প্ৰিন্স্ এণ্ড্ৰু পিটাৰ্চবাৰ্গলৈ গ'ল। ঘৰত কৈ গ'ল যে পিটাৰ্চবাৰ্গত তেওঁৰ কিবা কাম আছে। কিন্তু আচলতে গ'ল আনাতোল কুৰেগিনক লগ পাবলৈ। আনাতোলক লগ পোৱা তেওঁৰ দৰকাৰ।

পিটাৰ্চবাৰ্গলৈ গৈ এণ্ড্ৰুৱে খবৰ কৰি জানিব পাৰিলে যে আনাতোল এতিয়া তাত নাই। প্ৰিন্স্ এণ্ড্ৰুৱে তাৰ পিচ লাগিছে বুলি পিয়াৰে আনাতোলক জনাইছিল। আনাতোল কুৰেগিনে লৰালৰিকৈ যুদ্ধ বিভাগৰ মন্ত্ৰীৰ পৰা এটা চাকৰি লৈ মলদোভিয়ালৈ গৈ সেনাবাহিনীত যোগ দিছে।

পিটাৰ্চবাৰ্গত প্ৰিন্স্ এণ্ড্ৰুৱে তেওঁৰ পুৰণি সেনাপতি কুতুজভৰ লগত দেখা কৰিলে। কুতুজভে আগৰে পৰা তেওঁক ভাল পায়। কুতুজভ অধিনায়ক হিচাপে মলদোভিয়ালৈ যাব। প্ৰিন্স্ এণ্ড্ৰুকো তেওঁ যাবলৈ লগ ধৰিলে। কুতুজভৰ অধীনত এটা কাম লৈ প্ৰিন্স্ এণ্ড্ৰু তুৰ্কিলৈ গ'ল।

প্ৰিন্স্ এণ্ড্ৰুৱে ভাবিলে যে দ্বন্দযুদ্ধলৈ আহ্বান কৰি কুৰেগিনক চিঠি দিয়াটো ভাল নহব। তেওঁ ভাবিলে যে আন কোনো নতুন কাৰণ নোহোৱাকৈ দ্বন্দযুদ্ধলৈ আহ্বান কৰিলে নাতাচা ৰোষ্টভৰ কাৰণে বেয়া হব। সেই কাৰণে তেওঁ কুৰেগিনক লগ পাবলৈ বিচাৰিছে যাতে কিবা এটা চেলু উলিয়াই কাজিয়া কৰি দ্বন্দযুদ্ধ কৰিব পাৰে। কিন্তু তুৰ্কি বাহিনীতো প্ৰিন্স্ এণ্ড্ৰুৱে কুৰেগিনক লগ নাপালে। প্ৰিন্স্ এণ্ড্ৰুৱে তুৰ্কি বাহিনীলৈ অহাৰ পাছতেই সি ৰুছিয়ালৈ গৈছে। বাক্‌দত্তাৰ প্ৰবঞ্চনাত প্ৰিন্স্ এণ্ড্ৰুৰ জীৱনটো অসহ্য হৈছিল। কিন্তু এতিয়া নতুন ঠাইত, নতুন পৰিবেশৰ মাজত তেওঁৰ তিমান বেয়া নালাগিল।

প্ৰিন্স্ এণ্ড্ৰুৱে সৈনিক বিভাগত কাম কৰি ভাল পাইছিল। সেনাপতি হিচাপে প্ৰিন্স্ এণ্ড্ৰুৰ আগ্ৰহ, কৰ্তব্যনিষ্ঠা, অধ্যবসায় দেখি কুতুজভ আচৰিত

হৈছিল। তুৰ্কিত লগ নাপাই আনাতোলক বিচাৰি আকৌ কছিয়ালৈ যোৱাটো আৱশ্যক বুলি এণ্ড্ৰুৱে অনুভৱ নকৰিলে। প্ৰিন্স্ এণ্ড্ৰুৱে আনাতোলক ঘিণ কৰিছিল আৰু তেনেকুৱা মানুহৰ লগত কাজিয়া কৰা নিজৰ পক্ষে অপমানজনক বুলি ভাবিলে। তথাপি এণ্ড্ৰুৱে জানিছিল যে যিমান দিনেই পলম নহওক লাগে—ভোকে লঘোণে থকা মানুহে খোৱা বস্তু দেখিলে যেনেকৈ লৰি যায়, তেৰেঁা আনাতোলক দেখিলে যুদ্ধলৈ আহ্বান নকৰাকৈ থাকিব নোৱাৰিব। অপমানৰ প্ৰতিশোধ লবই। বাহিৰত ইমান ব্যস্ততাৰ মাজতো এণ্ড্ৰুৰ খঙৰ জুই জ্বলি আছে।

১৮১২ চনত নেপোলিয়নৰ লগত যুদ্ধৰ বাতৰি আহি পালত প্ৰিন্স্ এণ্ড্ৰুৱে পশ্চিম ফ্ৰান্সৰ বাহিনীলৈ যাব বিচাৰিলে। কুতুজভ আজি চৈধ্য মাহে এনেহৰা হৈ বহি আছে। এণ্ড্ৰুৰ উৎসাহ দেখি তেওঁ নিজে লাজ পাইছিল। সেই কাৰণে প্ৰিন্স্ এণ্ড্ৰুক বাৰ্কলেৰ অধীনত কাম কৰিবলৈ যাবলৈ দিলে।

জুন মাহৰ শেহ ভাগত প্ৰিন্স্ এণ্ড্ৰু সেনাবাহিনীৰ সদৰ কাৰ্যালয় পালেহি। প্ৰথম বাহিনীটো ড্ৰিচাত শিবিৰ তৰি আছিল। আৰু সেই বাহিনীত জাৰ নিজে আছিল। দ্বিতীয় বাহিনী পিচ হুহকি আহি প্ৰথম বাহিনীৰ লগত লগ লাগিব বিচাৰিছে। কিন্তু ৰুছবাহিনীৰ গতিবিধিত সকলো অসন্তুষ্ট। তথাপি ৰুছ প্ৰদেশ আক্ৰমণ কৰিব বুলি কোনেও সপোনতো ভৱা নাছিল। পশ্চিম পোলেণ্ডৰ সীমান্ত অতিক্ৰম কৰি যুদ্ধ বিয়পি পৰিব বুলি কোনেও ভৱা নাছিল।

প্ৰিন্স্ এণ্ড্ৰুৱে ড্ৰিচা নৈৰ পাৰত বাৰ্কলেক দেখা কৰিলে। বাহিনীত অসংখ্য সেনাপতি আৰু সভাসদ আছিল, কিন্তু ওচৰত কোনো ডাঙৰ গাওঁ বা উপযুক্ত থকাঘৰ নাছিল। গতিকে নৈখনৰ দুয়োপাৰে সাত মাইল কেন্দ্ৰ কৰি গাঁৱৰ ভাল ভাল ঘৰবোৰত সেনাপতি আৰু পৰিষদসকলে থাকিবলৈ ললে। বাৰ্কলে জাৰৰ পৰা তিনি মাইল আঁতৰত থাকিল। জাৰ্মান সেনাপতি বাৰ্কলেই প্ৰিন্স্ এণ্ড্ৰুক কলে যে জাৰৰ লগত পৰামৰ্শ কৰিহে তেওঁক এটা নিৰ্দিষ্ট কাম দিয়া হব। সম্প্ৰতি এণ্ড্ৰুৱে বাৰ্কলেৰ অধীনতে থাকিব।

# দ্বিতীয় অধ্যায়

গোটেই জুলাই মাহটো বুঢ়া প্ৰিন্স্ বলকনস্কি কামত ব্যস্ত। এখন নতুন বাগিছা পাতিছে। লগুৱাবোৰৰ কাৰণে এটা কোঠা কৰাইছে। কিন্তু বুঢ়াৰ ভালকৈ টোপনি নোহোৱা দেখি মেৰিয়াৰ চিন্তা হ'ল। তিয়া পঢ়া কোঠাটোত শুবলৈ এৰিছে। প্ৰতিদিনে বেলেগ বেলেগ ঠাইত বিছনা কৰি দিব লাগে। কেতিয়াবা কাপোৰ-কানি পিন্ধি চ'ৰাঘৰৰ চোফা এটাতে শুই থাকে। কেতিয়াবা খোৱা কোঠাতে ৰাতিটো কটায়।

আগষ্ট মাহৰ এক তাৰিখে প্ৰিন্স্ এণ্ড্ৰুৰ পৰা এখন চিঠি আহিল। ফৰাচী-বিলাকে ভিটেবস্ক নগৰখন দখল কৰাৰ পাছত এণ্ড্ৰুৱে তাৰ পৰা লিখিছে। এখন নক্সাৰ সৈতে প্ৰিন্স্ এণ্ড্ৰুৱে যুদ্ধৰ চমু বিৱৰণী দিছে। আৰু ভৱিষ্যত যুদ্ধৰ গতি কোনফালে চাল খাব পাৰে তাকো লিখিছে। এণ্ড্ৰুৱে বাপেকলৈ লিখিছে যে শত্ৰুপক্ষ সেইফালেদি আগবাঢ়ি যাব, গতিকে তেওঁলোকৰ তাত থকা নিৰাপদ নহব। এণ্ড্ৰুৱে বাপেকক মস্কোলৈ যাবলৈ লিখিছে।

খাবৰ সময়ত প্ৰিন্সৰ শিল্পী দেচালিয়ে কলে যে ফৰাচীবিলাক ভিটেবস্ক নগৰত সোমোৱা বুলি তেওঁ শুনিছে। হঠাতে এণ্ড্ৰুৰ চিঠিখনৰ কথা বুঢ়া প্ৰিন্সৰ মনত পৰিল। মেৰিয়াক কলে, "এণ্ড্ৰুৰ পৰা আজি এখন চিঠি পাইছোঁ—। তুমি পঢ়িছানে ?"

মেৰিয়াই ভয় ভয়কৈ কলে, "নাই পঢ়া।" তাইনো চিঠিখন কেনেকৈ পঢ়িব ? চিঠি অহা বুলি এইমাত্ৰ শুনিলে।

প্ৰিন্সে বিদ্ৰূপৰ হাঁহি এটা মাৰি ক'লে, "সি যুদ্ধৰ কথা লিখিছে।" বৰ্তমান যুদ্ধৰ কথা কলেই বিদ্ৰূপৰ হাঁহি মৰা তেওঁৰ অভ্যাস হৈছে।

চ'ৰাঘৰত প্ৰিন্সে চিঠিখন মেৰিয়াক দি ডাঙৰকৈ পঢ়িবলৈ কলে। আৰু নিজে নতুন ঘৰৰ নক্সাখন মেলি লৈ চাবলৈ ধৰিলে।

চিঠিখন পঢ়ি মেৰিয়াই বাপেকৰ ফালে চালে। কিন্তু বাপেকে মনপুতি নক্সাখন হে চাইছে।

দেচালিয়ে সাহস কৰি সুধিলে, "প্ৰিন্স্, এই বিষয়ে আপুনি কি কয় ?"

প্ৰিন্সে ক'লে, "মই ?" কিন্তু তেওঁ নক্সাখন চায়ে থাকিল।

"খুব সম্ভব আমাৰ ওচৰতে যুদ্ধ হব।"

বুঢ়া প্ৰিন্সে হাঁহি ক'লে, "যুদ্ধ? মই সদায় কৈ আহিছোঁ, এতিয়াও কওঁ, যুদ্ধ হ'ব লাগিব পোলেণ্ডত। নীমনৰ ইপাৰে যুদ্ধ হ'ব নোৱাৰে।" নীমনৰ কথা কোৱা দেখি দেচালি আচৰিত হ'ল। কাৰণ শত্ৰু নীপাৰ পাইছেহি। কিন্তু মেৰিয়াই নীমনৰ ভৌগোলিক অৱস্থিতিৰ কথা পাহৰিছে। গতিকে দেউতাকৰ কথাকে সঁচা বুলি ধৰি ললে।

বুঢ়া প্ৰিন্সে ১৮০৭ চনৰ যুদ্ধৰ কথা মনত কৰি ক'লে, "বৰফ গলিলে লিইত পোলেণ্ডৰ পিতনিত পোত যাব। বেনিগচনে আগতেই প্ৰুচিয়াত সোমাব লাগিছিল। তেতিয়া কথা বেলেগ হ'লহেঁতেন।"

দেচালিয়ে ভয় ভয়কৈ ক'লে, "কিন্তু প্ৰিন্স্ চিঠিখনত ভিটেবস্কৰ কথা হে কৈছে।"

প্ৰিন্সে অসন্তুষ্ট হৈ ক'লে, "চিঠিখন? এৰা, সি লিখিছে ফৰাচীবিলাকক পৰাজয় কৰিছে। কোন নৈত?"

দেচালিয়ে লাহেকৈ ক'লে, "এই বিষয়ে প্ৰিন্সে একো লিখা নাই।"

"লিখা নাই নেকি? মই সাজি কোৱা বুলি ভাবিছা নেকি?"

বহুপৰলৈকে সকলো নিমাত থাকিল।

হঠাতে ঘৰৰ নক্সাখন দেখুৱাই প্ৰিন্সে ক'লে, "এৰা, এৰা, মাইকেল আইভানোভিচ, কোৱাচোন এইডোখৰ কেনেকৈ সজাব খুজিছে।"

মাইকেল আইভানোভিচক কথাটো বুজাই দি মেৰিয়া আৰু দেচালিৰ ফালে ভ্ৰুকুটি কৰি চাই প্ৰিন্স্ নিজৰ কোঠালৈ গ'ল।

দেচালিয়ে বুঢ়া প্ৰিন্সৰ ফালে চাই অপ্ৰস্তুত আৰু আচৰিত হৈছিল আৰু বহুপৰ নিমাত হৈ থাকিল। মেৰিয়াই এইবোৰ লক্ষ্য কৰিছিল। বাপেকে পুতেকৰ চিঠিখন পাহৰি, চ'ৰাঘৰৰ মেজত এৰি থৈ যোৱা দেখি মেৰিয়া আচৰিত হ'ল। কিন্তু এইবোৰ কথা দেচালিক সুধিবলৈ মেৰিয়াৰ সাহস নহ'ল।

গধূলি প্ৰিন্সে চিঠিখন বিচাৰি মাইকেল আইভানোভিচক মেৰিয়াৰ ওচৰলৈ পঠালে। মেৰিয়াই মাইকেল আইভানোভিচৰ হাতত চিঠিখন দিলে আৰু লগতে দেউতাকেনো কি কৰিছে সুধিলে।

মাইকেল আইভানোভিচে ব্যঙ্গৰ সুৰত ক'লে, "এতিয়া বৰ ব্যস্ত। নতুন কোঠাটো লৈ খুব ব্যস্ত হৈছে। অলপ পঢ়িছে। কিন্তু এতিয়া বাকচটো খুলিছে, বোধকৰোঁ উইলখন বিচাৰিছে।" আজি কিছুদিনৰ পৰা তেওঁৰ এটা ভাৱৰ

কাম হৈছে—মৃত্যুৰ সময়ত যিবোৰ কাগজ-পত্ৰ এৰি যাব, সেইবোৰ পঢ়ি চোৱা। এইবোৰ হেনো তেওঁৰ উইল। মেৰিয়াই সুধিলে, "আলপাতিচক স্মোলেনস্কলৈ পঠোৱা হৈছে নে?"

"সি যাবলৈ কেতিয়াবাই সাজু হৈ আছে—অকল হুকুমৰ কাৰণে বৈ আছে।"

চিঠিখন লৈ মাইকেল আইভানোভিচ পঢ়া কোঠালৈ গৈ দেখিলে বুঢ়া প্ৰিন্সে চচমা পিন্ধি, চাকি জ্বলাই, মেলা বাকচটোৰ কাগত বহি আছে। তেওঁৰ চাৰিওফালে কাগজ-পত্ৰবোৰ সিচৰতি হৈ আছে। গহীনভাৱে কাগজ-পত্ৰবোৰ (ইবোৰক তেওঁ "মন্তব্য" বুলিছিল) পঢ়িছে। তেওঁৰ মৃত্যুৰ পিছত এই মন্তব্য-বোৰ জাৰক দিব লাগিব। যি সময়ত এই মন্তব্যবোৰ লিখিছিল, সেই সময়ৰ কথা মনত কৰি প্ৰিন্সে চকুলো টুকিছে। প্ৰিন্সে মাইকেল আইভোনোভিচৰ হাতৰ পৰা চিঠিখন নি জেপত থলে আৰু কাগজ-পত্ৰবোৰ জাপি থলে। তাৰ পাছত আলপাতিচক (বৰ লগুৱা) মাতি পঠালে। লগুৱাটোৱে তেওঁক লগ পাবলৈ কেতিয়াবাৰে পৰা বৈ আছিল।

স্মোলেনস্কৰ পৰা কি কি বস্তু আনিব ল্যাগিব প্ৰিন্সে এখন লিষ্ট কৰিছিল। আলপাতিচ আহি দুৱাৰমুখত থিয় হ'ল। প্ৰিন্সে কোঠাটোৰ ভিতৰত ইফাল সিফালকৈ খোজকাঢ়ি কৰবলৈ ধৰিলে—"প্ৰথমতে চিঠি লিখা কাগজ, শুনিছা নে? আঠ দিস্তা, চোৱা—এনেকুৱা, নমুনাটো নিয়া যাতে ভুল নহয়। বাৰ্ণিচ, লা।"

অলপ ঘূৰি-পকি ক'লে, "এই চিঠিখন নিজহাতে ৰাজ্যপালক দিবা।" তাৰ পাছত নতুন ঘৰটোৰ কাৰণে তলা লাগিব, নতুন ধৰণৰ। আৰু তেওঁৰ উইলখন থবৰ কাৰণে এটা লোৰ বাকচ সজাব দিব লাগিব।

আলপাতিচক আদেশ উপদেশ দিওঁতে দুঘণ্টাৰো বেছি সময় লাগিল। তথাপি প্ৰিন্সে তাক এৰি নিদিয়ে। প্ৰিন্সে বহি লৈ কিবা ভাবিবলৈ ধৰিলে। তেওঁৰ চকু মুদ খালে, টোপনি আহিল। আলপাতিচে অলপ শব্দ কৰিলে।

প্ৰিন্সে কলে, "বাক, যোৱা, যোৱা, আৰু কিবা লাগিলে, পিছত কম।" আলপাতিচ গ'ল। প্ৰিন্সে কাগজ-পত্ৰবোৰ আকৌ চাইচিতি বাকচটো বন্ধ কৰিলে। তাৰ পাছত ৰাজ্যপাললৈ চিঠি লিখিবলৈ বহিল।

চিঠিখন লিখোঁতে, বন্ধ কৰোঁতে বহুতো ৰাতি হ'ল। তেওঁৰ টোপনি ধৰিছিল কিন্তু তেওঁ জানে যে তেওঁৰ টোপনি নাহে। বিছনাত পৰিলেই নানা

দুশ্চিন্তাই তেওঁক বেৰি ধৰে। তেওঁ টিহনক মাতি তাৰ লগত কোঠাবোৰ চালে—আজি ৰাতি তেওঁৰ বিছনা ক'ত কৰি দিব। কোঠাবোৰ চুকেকোণে চালে। তেওঁৰ মনে ধৰা ঠাই নাপালে। পঢ়াকোঠাৰ বিছনাখনত আগতে তেওঁ সদায় শুইছিল কিন্তু আজি তাত কোনোমতে নোশোৱে। সেইখন বিছনাত শুবলৈ তেওঁ ভয় কৰিছে। বোধকৰোঁ সেইখনত শুই তেওঁ দুখৰ কথাবোৰ ভাবিছিল। শুবলৈ উপযুক্ত ঠাই বিচাৰি নাপাই—শেহত চ'ৰাঘৰৰ চুক এটাকে বাচি ললে। আগতে তেওঁ কেতিয়াও তাত শোৱা নাছিল। টিহনে লগুৱাটোৰ সৈতে তাতেই প্ৰিন্সৰ বিছনা পাতি দিলে।

বুঢ়া প্ৰিন্সে চিঞৰিলে, "ভাল নহ'ল,—ভাল নহ'ল!" তেওঁ নিজে চুকৰ পৰা খাটখন এক ইঞ্চিমান টানি আনিলে। পাছত আকৌ চুকলৈ ঠেলি দিলে।

প্ৰিন্সে ভাবিলে, "এতিয়া আৰু কাম নাই। জিৰণি লওঁ।" টিহনে তেওঁৰ পোছাকটো খুলিবলৈ লাগিল। বিছনাত পৰি প্ৰিন্সে ভাবিলে, "উহ, ভৰি দুখন ইমান গধুৰ হৈছে! আৰু নোৱাৰি! কিমান কষ্ট কৰিম! মোক নিলেই হয়।" অলপ পাছতে খাটখন দোলা যেন লাগিল। খাটখন যেন তল ওপৰ কৰিছে, কাতি হৈছে। ৰাতি শুলে সদায় তেওঁৰ তেনেকুৱা লাগে। চকুযুৰি আপোনা আপুনি মুদ খাইছিল কিন্তু তেওঁ মেলিলে।

পেটে পেটে কাৰোবাৰ ওপৰত খং কৰি কলে, "শান্তি নাই!—এৰা, এটা ভাৱৰ কথা পাহৰিছিলোঁ। এতিয়া বিছনাত পৰিহে মনত পৰিল। বণ্টু? নহয়, বণ্টুৰ কথাটো মই কৈছোঁ। নহয়, চ'ৰাঘৰত কিবা আছিল। মেৰিয়াই মিছাতে লেপ্‌লেপাই আছিল। সেই মূৰ্খ দেচালিয়েও কিবা কৈছিল। মোৰ চোলাৰ মোনাত কিবা আছিল—পাহৰিলোঁ।"

"টিচ্‌কা, খাবৰ সময়ত আমি কিহৰ কথা পাতিছিলোঁ?"

"প্ৰিন্স্ মাইকেলৰ—"

প্ৰিন্সে মেজত চাপৰ মাৰি কলে, "হৈছে, হৈছে। মনত পৰিছে—প্ৰিন্স্ এণ্ড্ৰুৰ চিঠি। মেৰিয়াই পঢ়িছিল। দেচালি ভিটেবস্কৰ কথা কিবা কৈছিল। এতিয়া মই পঢ়োঁ।"

প্ৰিন্সৰ কথামতে টিহনে চোলাৰ মোনাৰ পৰা চিঠিখন, এখন সৰু মেজ আৰু চাকিটো আনিলে। প্ৰিন্সে চচমা পিন্ধি চিঠিখন পঢ়িবলৈ লাগিল। ৰাতিৰ নিস্তব্ধতাৰ মাজতহে প্ৰিন্সে চিঠিখনৰ অৰ্থ কন্তেকৰ কাৰণে বুজি পালে। "ফৰাচীবিলাকে ভিটেবস্ক দখল কৰিছে। চাৰিদিনৰ ভিতৰতে সিহঁত মোলেনস্ক

আহি পাবহি পাবে। বোধকৰো এতিয়া মানে আহি পাইছে। টিচ্‌কা!" টিহন ভাপ মাৰি উঠিল। প্ৰিন্সে কলে, "নহয়, একো নহয়।"

চিঠিখন থৈ তেওঁ চকু মুদিলে। লগে লগে ডেকাকালৰ উজ্জ্বল দিনবোৰ তেওঁৰ চকুৰ আগত ভাঁহি উঠিল। তেওঁ স্বাস্থ্যবান, ডেকা, সাহসী সেনাপতি, দানিউব নৈৰ পাৰত কছশিবিৰ, পটিয়মকিনৰ লগত তেওঁৰ প্ৰথম সাক্ষাৎ। তাৰ পাছত শকত বাজমাওৰ শকত মুখখন—কেনেকৈ হাঁহিমুখে তেওঁক অভিনন্দন জনাইছিল—অন্তিম সময়ত তেওঁৰ মুখখন। আৰু বাজমাওৰ মৃত্যুৰ পাছত জুবভৰ লগত তেওঁৰ কাজিয়া। সকলো কথা জলজল পটপটকৈ তেওঁ চকুৰ আগত দেখিলে।

"মই আকৌ সেই সময়লৈ যাওঁ। বৰ্তমানৰ সোনকালে সামৰণি পৰক! মোক শান্তি দিয়ক!"

# তৃতীয় অধ্যায়

প্ৰিন্স্ নিকলয় এন্‌গ্ৰিচ বল্‌কন্‌স্কিৰ জমিদাৰী ব্লিক হিলচ স্মোলেনস্কৰ পৰা চল্লিশ মাইল আৰু মস্কোলৈ যোৱা সদৰ ৰাস্তাৰ পৰা দুমাইল দূৰৈত।

যিদিনা গধূলি প্ৰিন্সে আলপাতিচক কিছুমান কামৰ ভাৰ দিলে, সেই দিনা-খনেই দেচালি আৰু মেৰিয়াৰ মাজত কথা হ'ল। দেচালিয়ে কলে যে প্ৰিন্স্ এণ্ড্ৰুৰ চিঠিৰ পৰা বুজিব পাৰি যে ব্লিক হিলচত থকাটো নিৰাপদ নহয়। তথাপি বুঢ়া প্ৰিন্সে নিৰাপদৰ কাৰণে কানো ব্যৱস্থা লোৱা নাই। আৰু তেওঁৰ গাও ভাল নহয়।

বৰ্তমানে যুদ্ধৰ অৱস্থা কেনে আৰু ব্লিক হিলচত বিপদৰ আশঙ্কা আছে নেকি—এই বিষয়ে স্মোলেনস্কৰ ৰাজ্যপালক এখন চিঠি লিখি সুধিবলৈ দেচালিয়ে মেৰিয়াক অনুৰোধ কৰিলে। আৰু চিঠিখন আলপাতিচৰ হাততেই দিবলৈ কলে। মেৰিয়াৰ হকে দেচালিয়ে ৰাজ্যপাললৈ চিঠিখন লিখিলে। মেৰিয়াই চহী কৰিলে। চিঠিখন ৰাজ্যপালক দিবলৈ আলপাতিচক কোৱা হ'ল। আৰু বিপদৰ আশঙ্কা থাকিলে তুৰন্তে উত্তৰিবলৈ কোৱা হ'ল।

সকলো আদেশ উপদেশ লৈ আলপাতিচে প্ৰিন্সে উপহাৰ দিয়া টুপীটো পিন্ধি, প্ৰিন্সৰ নিচিনাকৈ হাতত এডাল লাখুটি ললে। তাৰ পাছত লাগতিয়াল সকলো বস্তু-বাহানি লৈ ঘৰৰ পৰা ওলাল। বাহিৰত তিনিটা ঘোঁৰাৰ গাড়ী এখন সাজু হৈ আছিল। গাড়ীৰ টিলিঙাবোৰৰ ভিতৰত আলপাতিচে কাগজ সুমুৱাই দিলে। প্ৰিন্সে ব্লিক হিলচত টিলিঙা বজাই কাকো গাড়ী চলাব নিদিয়ে। কিন্তু দূৰলৈ গলে আলপাতিচে টিলিঙা বজোৱা ভাল পায়। পালিপহৰী, কেৰাণী, ঘৰৰ চাকৰ-নাকৰ, বেটী-বান্দি, ৰান্ধনী সকলো ওলাই আহি আলপাতিচক বিদায় দিলে।

আগস্ট মাহৰ চাৰি তাৰিখে গধূলি আলপাতিচ স্মোলেনস্ক গৈ পালে। তাত ফেৰাপনটভ নামৰ এজন পুৰণি চিনাকি মানুহৰ হোটেলত থাকিল। আজি ত্ৰিশ বছৰে স্মোলেনস্কলৈ আহিলে এই হোটেলত থকা তাৰ অভ্যাস।

গোটেই ৰাতি হোটেলৰ কাষৰ ৰাস্তাটোৰে সেনাবোৰ গৈ আছে। পিছদিনা এটা ভাল পোছাক পিন্ধি আলপাতিচ কামলৈ ওলাল। বতৰটো

ভাল। বেলি গলাইছে। আলপাতিছে ভাবিলে, "পথাৰত শস্য গোটাবৰ কাৰণে বৰ ধুনীয়া বতৰ।" ৰাতি পুৱাবে পৰা নগৰৰ বাহিৰত বন্দুকৰ শব্দ শুনা গৈছে।

আঠ বজাত বন্দুকৰ শব্দৰ লগে লগে কামানৰ ধ্বনিও শুনা গ'ল। নগৰৰ ৰাস্তাবোৰ সামৰিক, বেসামৰিক মানুহেৰে ভৰি পৰিল। কিন্তু গাৰোৱানবোৰে ভাৰাগাড়ী চলাই আছে। দোকানীবোৰ দোকানৰ আগত থিয় হৈ আছে। আৰু গীৰ্জাত ঠিকমতে উপাসনা চলিছে। আলপাতিচ দোকানলৈ গ'ল, অফিচলৈ গ'ল, ৰাজ্যপালৰ তালৈ গ'ল। সকলো ঠাইতে মানুহে যুদ্ধৰ কথা আৰু শত্ৰুৱে নগৰখন আক্ৰমণ কৰাৰ কথা কোৱাকুই কৰিছে। কি হ'ব, কি কৰা যায়—বুলি সকলোৱে ইজনে সিজনক সোধাপোছা কৰি প্ৰত্যেকে নিজৰ ভয়টো পাতলাব যত্ন কৰিছে।

ৰাজ্যপালৰ ঘৰলৈ গৈ আলপাতিচে দেখিলে দুৱাৰমুখতে বহুতো মানুহ জমা হৈ আছে। কেইজনমান অশ্বাৰোহী সেনা আৰু এখন গাড়ীও সাজু হৈ আছে।

বাহিৰৰ বহা কোঠাটোত বহুতো সদাগৰ, তিৰোতা, কেৰানী নিয়াত হৈ, ইজনে সিজনৰ মুখলৈ চাই ৰহি আছে। ৰাজ্যপালৰ কোঠাটোৰ দুৱাৰখন খোলা মাত্ৰে সকলো থিয় হৈ আগবাঢ়ি গ'ল। কোঠাটোৰ পৰা এজন কেৰানী ওলাই আহি সদাগৰ এজনকে কিবা কলে। তাৰ পাছত এজন শকত-আৱত কৰ্মচাৰীক ভিতৰলৈ মাতি লৈ গ'ল। কেৰানীজনে আইন কাৰো কথালৈ মন নকৰিলে, মুখলৈকে নাচালে। কেৰানীজন আকৌ আহিলত আলপাতিচে অভিবাদন জনাই চিঠি দুখন আগবঢ়াই দি ক'লে, "প্ৰধান সেনাপতি প্ৰিন্স্ বল্‌কন্‌স্কিয়ে মহামান্য ৰাজ্যপাল বেৰনেচলৈ দিছে।" আলপাতিচৰ কোৱাৰ ধৰণটো দেখি কেৰানীজনে তাৰ মুখলৈ চাই চিঠিখন ললে। কেই মিনিটমান পাছত আলপাতিচক ৰাজ্যপালৰ আগলৈ নিয়া হ'ল। ৰাজ্যপালে লৰালৰিকৈ কলে, "প্ৰিন্স্ আৰু তেওঁৰ জীয়েকক কৰা যে এই বিষয়ে মই একো নাজানো। মই ইয়াত ওপৰৰ হুকুম মতেহে কাম কৰোঁ।...।" ৰাজ্যপালে আলপাতিচক এখন ইস্তাহাৰ দিলে।

"তথাপি প্ৰিন্সৰ গা যেতিয়া ভাল নহয়, তেওঁ মস্কোলৈ যোৱাই ভাল। মযো সোনকালে যাম। তেওঁলোকক কবা...।" ৰাজ্যপালৰ কথা শেষ নৌহওঁতেই এজন কৰ্মচাৰী ধূলিত লুটুৰি-পুটুৰি হৈ, ঘামি জামি কোঠাটোত সোমাই কথাটো

ভাবাত কিবা কবলৈ ধৰিলে। ৰাজ্যপাল ভয় খাই উঠিল। আলপাতিচক বিদায় দি ৰাজ্যপালে কৰ্মচাৰীজনক কিছুমান প্ৰশ্ন কৰিলে। আলপাতিচ ৰাজ্যপালৰ কোঠাটোৰ পৰা ওলাই আহিলত বাহিৰত থকা মানুহবোৰে আগ্ৰহেৰে, নিসহায়, ভয়াতুৰ হৈ তাৰ ফালে চালে। আলপাতিচে এতিয়া ওচৰতে বেছিকৈ বন্দুকৰ শব্দ শুনিলে। সি লৰালৰিকৈ হোটেললৈ গ'ল।

ৰাজ্যপালে আলপাতিচক দিয়া ইস্তাহাৰখনত এইদৰে লিখা আছিল—

"মই নিশ্চয়কৈ কৈছোঁ যে স্মোলেনস্ক নগৰত কোনো প্ৰকাৰ বিপদৰ সম্ভাবনা নাই। একালৰ পৰা মই নিজে আৰু আন কালৰ পৰা প্ৰিন্স্ বাগ্ৰাচিয়ঁ এই মাহৰ বাইশ তাৰিখে স্মোলেনস্কৰ আগত লগ লাগিম গৈ। আমাৰ মিলিত শক্তিয়ে দেশবাসীৰ সহযোগিতাত শত্ৰুক পৰাস্ত কৰিব পাৰিব। নহলে আমাৰ এটি প্ৰাণী জীয়াই থকালৈকে যুদ্ধৰ অন্ত নপৰে। গতিকে আপুনি নিসন্দেহে স্মোলেনস্কৰ নাগৰিকসকলক অভয় দি কব পাৰে যে এনে শক্তিশালী দুটা সেনাবাহিনী আছে যেতিয়া জয়লাভ সুনিশ্চিত।"

( স্মোলেনস্কৰ বেসামৰিক শাসনকৰ্তা বেৰনেচলৈ পঠোৱা বাৰ্কলেৰ ইস্তাহাৰ, ১৮১২ )।

জাকে জাকে মানুহ উদ্বিগ্ন হৈ ৰাস্তাত ঘূৰি ফুৰিছে। বাচনবৰ্তন, মেজ, চকী আদি ঘৰৰ বস্তুবাহানিবোৰ বোজাই দি গাড়ীবোৰ ঘৰৰ গেটৰ পৰা ওলাই ৰাস্তা ধৰিছে। ফেৰাপনটভৰ ঘৰৰ কাষৰ ঘৰটোৰ আগত গাড়ী থিয় হৈ আছে। তিৰোতাবোৰে কন্দাকটা কৰি বিদায় লৈছে। কুকুৰটোৱে ঘোঁৰাৰ গালৈ জপিয়াইছে আৰু ভুকিছে।

আলপাতিচে বেগাবেগিকৈ আহিয়ে তাৰ গাড়ীখন চালে। গাৰোৱানটো শুই আছিল। তাক জগালে। গাৰোৱানক গাড়ীত ঘোঁৰা জুটিবলৈ কৈ আলপাতিচ বাহিৰৰ কোঠালৈ গ'ল। ভিতৰৰ কোঠা এটাত সি লৰাছোৱালী আৰু এজনী মাইকী মানুহৰ কান্দোন আৰু ফেৰাপনটভৰ চিঞৰ শুনিলে। ৰান্ধনীজনী ভয় খাই বাহৰৰ কোঠালৈ লৰি আহি আলপাতিচক দেখি ক'লে, "তেওঁ আইদেউক মাৰিছে। উঁহ! ইমান মাৰিছে!"

আলপাতিচে সুধিলে "কেলেই?"

"আইদেৱে সদায় ইয়াৰ পৰা যোৱাৰ কথা কৈ থাকে, মাইকী মানুহৰ স্বভাৱেই। তেওঁ কয় 'মোক ইয়াৰ পৰা নিয়ক। লৰা-ছোৱালী কিটাৰ লৈতে মোক নামাৰিব। সকলো মানুহ গ'ল। আমি নো কি চাই আছোঁ?' সেই

কাৰণে তেওঁক মাৰিলে, কোবালে।" আলপাতিচে একো নমাতি তাৰ কিনা বস্তু খিনি থ'ত থৈছিল, সেই কোঠাটোৰ দুৱাৰমুখলৈ গ'ল।

এজনী ক্ষীণ, শেঁতাপৰা মাইকী মানুহ কোলাত এটি কেঁচুৱা লৈ কান্দি কান্দি চোতালৈলৈ লৰি আহিল। ফেৰাপনটভে পাছে পাছে তাইক খেদি আহিছিল। কিন্তু আলপাতিচক দেখি কানিকাপোৰবোৰ ভালকৈ লৈ আলপাতিচৰ পিছে পিছে কোঠাটোত সোমাল

"তুমি যাবলৈ ওলাইছা নেকি

আলপাতিচে ফেৰাপনটভৰ ফালে উভতি নাচালে, একোকে নামাতিলে। কিনা বস্তুখিনি গোটাই লৈ সি কিমান পইচা দিব লাগিব বুলি ফেৰাপনটভক সুধিলে।

ফেৰাপনটভে কলে,"ৰাক, আমি হিচাপ কৰিম। ৰাজ্যপালৰ তালৈ গৈছিলা নেকি ? কি শুনিলা ?"

আলপাতিচে কলে যে ৰাজ্যপালে তাক সঠিককৈ একো কোৱা নাই। ফেৰাপনটভে কলে, "কাৰবাৰ বন্ধ কৰিনো—আমি ইয়াৰ পৰা কেনেকৈ যাওঁ ? গাড়ীভাৰাই লাগিব সাত টকা। সিহঁতৰ কাণ্ডজ্ঞান নাই। যোৱা শুক্ৰবাৰে চেলিভানভে ভাল বেপাৰ কৰিলে—সৈনিকবোৰৰ তাত ময়দাৰ বস্তা ন টকাকৈ বেচিলে। অলপ চাহ খাবা নেকি ?" দুয়ো চাহ খাই শস্যৰ দাম আৰু খেতি পথাৰৰ কথা পাতিলে।

তিনি পিয়লা চাহ খাই থিয় দি ফেৰাপনটভে কলে, "এতিয়ালৈকে বোধকৰোঁ আমিয়ে জয়ী হৈ আছোঁ। শত্ৰুক হেনো নগৰৰ ভিতৰলৈ সোমাব নিদিব। কাৰ সাধ্য আগ বাঢ়ি আহিব ? সেই দিনাখন হোনা প্ৰেটভে শত্ৰুপক্ষক মেৰিনা নৈলৈকে খেদি নিছিল। একে দিনে ওঠৰ হাজাৰ শত্ৰুক পানীত ডুবাই মাৰিছে। কিহৰ ভয় !"

আলপাতিচে কিনা বস্তুখিনি গোটাই গাৰোৱানৰ হাতত দিলে আৰু ফেৰাপনটভক পাওনি হিচাপ কৰি দিলে। আলপাতিচৰ গাড়ী সাজু হ'ল।

বিয়লি পৰত ৰাস্তাৰ আধাখিনিত ছাঁ পৰিছে। আলপাতিচে খিড়িকীৰে এবাৰ বাহিৰলৈ চাই দুৱাৰৰ ওচৰলৈ আহিল। হঠাতে কামানৰ শব্দ হ'ল আৰু লগে লগে খিড়িকীখোৰ জোকাৰ খাই উঠিল।

আলপাতিচ ৰাস্তালৈ গ'ল। দুজন মানুহ দলংখনৰ ফালে লৰি গৈছে। চাৰিওফালৰ পৰা কামানৰ গুলি, হাতবোমা আহি নগৰত পৰিছে। নগৰৰ

বাহিৰত ভীষণ কামানৰ গৰ্জন শুনা গৈছে। নেপোলিয়নৰ হুকুমমতে চাৰি ৰজাত একশ ত্ৰিশটা কামানে নগৰৰ ওপৰলৈ গুলি চলাইছে। প্ৰথমতে মানুহে এই কামান ধ্বনিৰ অৰ্থ বুজি পোৱা নাছিল।

হাতবোমা আৰু কামানৰ গুলীৰ শব্দ শুনি প্ৰথমতে মানুহৰ অকল কৌতূহল হে হৈছিল। ফেৰাপনটভৰ ঘৈণীয়েকে তেতিয়াও বাহিৰত কান্দি আছিল। তাই কান্দিবলৈ এৰি কেঁচুৱাটোক কোলাত লৈ গেটৰ ওচৰলৈ গ'ল। কামানৰ শব্দ শুনি তাই বাস্তাৰ মানুহবোৰলৈ চাই থাকিল। দোকানী আৰু বান্ধনীজনীও গে'টলৈ ওলাই আহিল। সকলোৱে আগ্ৰহেৰে মূৰৰ ওপৰেদি উৰি অহা গুলীবোৰলৈ চালে চুকত দুজনমান মানুহে কথা পাতিছে। এজনে কৈছে "কি জোৰ! ঘৰৰ চালবোৰ ভাঙি ভোথৰ ভোথৰ কৰিছে।" আনজনে কলে, "গাহৰিয়ে মাটি হুৰকা দিছে।"

আৰু কেইজনমান মানুহ আহি তাত গোট খালেহি। সিহঁতৰ ঘৰৰ ওচৰতে এখন ঘৰত কামানৰ গুলি পৰাৰ কথা কলে। এনেতে সিহঁতৰ মূৰৰ ওপৰত কামানৰ গুলি, হাতাবামা উৰিবলৈ ধৰিলে। কিন্তু এটাও ওচৰত নপৰিল। ওপৰেদি উৰি গ'ল। আলপাতিচ গাড়ীত উঠিল। ফেৰাপনটভ গেটত থিয় হৈ থাকিল।

বান্ধনীজনীয়ে এটা ৰঙা পেটীকোট পিন্ধি, চোলাৰ হাত দুখন কোঁচাই লৈ ওচৰতে মানুহবোৰৰ কথা শুনি আছিল। ফেৰাপনটভে তাইক মাতিলে, "তুমি তাত মুখমেলি কি চাইছা?" গৃহস্থৰ মাত শুনি বান্ধনীজনী চোলাৰ হাতৰখন টানি লৈ অলপ আঁতৰি আহিল। এনেতে নিচেই ওচৰতে চৰাই তললৈ উৰি অহা যেন শব্দ হ'ল। বাস্তাৰ মাজতে জুই উঠিল, গুলিৰ শব্দ হ'ল, বাস্তাটো ধোঁৱাই ঢাকি থলে।

ফেৰাপনটভে বান্ধনীজনীৰ ওচৰলৈ লৰি গৈ ক'লে, "পাপীষ্ঠানী, কি চাই আছা?" তিৰোতাবোৰে চিঞৰ-বাখৰ লগালে। কেঁচুৱাটোৱে ভয়তে কান্দিবলৈ ধৰিলে আৰু মানুহবোৰে বেজাৰ মনেৰে বান্ধনীজনীক বেৰি ধৰিলে। বান্ধনীজনীয়ে চিঞৰিছে "হে ভগবান! হে ভগবান! মোক নামাৰিব।"

পাঁচ মিনিট পাছত বাস্তাত এটিও জনপ্ৰাণী নাইকিয়া হ'ল। বান্ধনীজনীৰ এখন ভৰি বোমাই ভাঙিছে। তাইক ঘৰলৈ কাঢ়িয়াই নিছে। আলপাতিচ, তাৰ গাৰোৱান, ফেৰাপনটভৰ ঘৈণীয়েক, লৰা-ছোৱালীবোৰ আৰু লগুবাটোকে উঁৱাল ঘৰত বহি বাহিৰৰ শব্দবোৰ শুনি আছে। বান্ধনীজনীয়ে একেবাহে

চিঞৰিছে—তাইৰ চিঞৰটোহে বেছি। ফেৰাপনটভৰ ঘৈণীয়েকে কেঁচুৱাটোক নিচুকাইছে আৰু কোনোবাই ভঁৰালৰৈ আহিলেই ভয়ভয়কৈ, ফুচফুচাই গিৰিয়েকৰ কথা সোধে—তেওঁ দেখোন বাস্তাত আছিল, ক'লৈ গ'ল ? দোকানী-জনে ক'লে যে গৃহস্থ মানুহবোৰৰ লগত গীৰ্জালৈ গৈছে। তেওঁলোক স্মোলেনস্কৰ পবিত্ৰ, আচৰিত ছবিখন ওপৰত আঁৰি দিব।

এইভাৰ হোৱাৰ লগে লগে কামানৰ শব্দ নাইকিয়া হ'ল। আলপাতিচ ভঁৰালৰ পৰা পলাই আহি দুৱাৰমুখত থিয় হ'ল।

গোটেই আকাশখন ধূঁৱলী-কুঁৱলী হৈছে। জোন ওলাইছে কিন্তু ধোঁৱাৰ কাৰণে ভালকৈ নেদেখি। কামানৰ গৰ্জন বন্ধ হোৱাৰ পাচত নগৰখন নিজান হ'ল। অকল মাজে মাজে মানুহৰ ভৰিৰ শব্দ দুৱৈৰ চিঞৰ-বাখৰ, বিননি আৰু জুই লগা শব্দ শুনা গ'ল। ৰান্ধনীজনীয়ে বিনাবলৈ এৰিছে। দুইফালে জুইৰ পৰা ক'লা ধোঁৱা উঠিছে। সেনাবোৰে বেলেগ বেলেগ ধৰণৰ পোছাক পিন্ধি বাহভঙা পৰুৱাৰ নিচিনা বাস্তাৰ চৌপাশে ঘূৰি ফুৰিছে। আলপাতিচৰ চকুৰ আগতে কেইজনমান ফেৰাপনটভৰ চোতালৰৈ লৰি আহিল। আলপাতিচ গে'টলৈ গ'ল। এটা সেনাদল আহি আলপাতিচৰ আগত বাস্তাত থিয় হ'ল। কৰ্মচাৰীজনে কলে, "নগৰখন শত্ৰুক এৰি দিছোঁ, গুচি যোৱা।" সৈনিক কেইজনক দেখি কলে, "চোতালৰৈ লৰি আহা! বাক মজা দিম।"

আলপাতিচ ঘৰলৈ আহি গাৰোৱানক যাবলৈ ওলাবলৈ কলে। আল-পাতিচ আৰু গাৰোৱানৰ পিচে পিচে ঘৰৰ সকলো বাহিৰলৈ ওলাই আহিল। ঘৰবোৰ জ্বলা দেখি তিৰোতাবোৰে বিনাবলৈ ধৰিলে। বাস্তাৰ অইন ফালৰ পৰাও তেনে বিননি শুনা গ'ল।

আলপাতিচে গাড়ী লৈ গে'টৰ বাহিৰ হৈ দেখিলে প্ৰায় বাৰজনমান সৈনিকে ফেৰাপনটভৰ খোলা দোকানৰ আগত ডাঙৰকৈ কথা পাতিছে। দোকানৰ আটা, ময়দাবোৰ সিহঁতৰ মোনাত ভৰাইছে। সেই সময়তে ফেৰাপনটভ উভতি আহি দোকানলৈ গ'ল। সি সৈনিকবোৰক দেখি চিঞৰ-বাখৰ কৰিব খুজিছিল কিন্তু হঠাতে বৈ নিজৰ চুলিকোচাত খামুচি ধৰি কেঁকুৰি কেঁকুৰি হাঁহিবলৈ ধৰিলে। সি চিঞৰি কলে, "নিয়া, সকলো নিয়া, শত্ৰুৰ কাৰণে একো নেৰিবা।" সি নিজে বস্তাবোৰ বাস্তালৈ টানি লৈ গ'ল। কেইজনমান সৈনিক ভয়তে পলাল। বাকীবোৰে মোনাবোৰ ভৰ্তি কৰাত লাগিল। আলপাতিচক দেখি ফেৰাপনটভে কলে, "ৰাছিয়ৰ শেষ হৈছে! আলপাতিচ! সকলো শেষ!

এতিয়া মই নিজেই জুই লগাই দিম। শেহ!…” ফেৰাপনটভে ঘৰ বুলি লক্ষ্য লিলে।

লেঠাৰি নিচিন্তা সেনাৰ সোঁতে গোটেই ৰাস্তাটো বন্ধ কৰিছে। আল-পাতিচে যাবলৈ বাট নাপাই ৰবলৈ বাধ্য হ'ল। ফেৰাপনটভৰ ঘৈণীয়েক, লৰা-ছোৱালীবোৰো এখন গাড়ীত বহি আছিল। সিহঁতো ৰৈ থাকিল।

লাহে লাহে এন্ধাৰ হৈ আহিল। কিন্তু আকাশত ভৰা আছিল আৰু ধোঁৱাৰ মাজেৰে কেতিয়াবা নতুন জোনৰ পোহৰ দেখা গৈছিল। আলপাতিচ আৰু ফেৰাপনটভৰ ঘৈণীয়েকৰ গাড়ী দুখন সৈনিকসকলৰ যানবাহনৰ লগত শাৰী পাতি লাহে লাহে আগ বাঢ়িল। কিন্তু নীপাৰৰ ফালে যোৱা এটলীয়া ৰাস্তাত সিহঁত একেবাৰে থামিব লগা হ'ল। ওচৰৰ এটা সৰু ৰাস্তাৰ কেইবাটাও ঘৰত আৰু দোকানত জুই লাগিছে। ধোঁৱাৰ কাৰণে বাটপথ একো নেদেখি। অকল মানুহৰ চিঞৰ-বাখৰ শুনি। হঠাতে জুইকুৰা বেছিকৈ জ্বলিলে মানুহৰ মুখবোৰ দেখি। জুইৰ আগত কিছুমান ক'লা পোছাক পিন্ধা মানুহ লৰি ফুৰিছে। আলপাতিচে দেখিলে যে গাড়ীখন কৈ সোনকালে যাব পৰাৰ সম্ভাবনা নাই। সি জুই চাবলৈ সৰু ৰাস্তাটোলৈ গ'ল। সৈনিকবোৰ জুইৰ আগত ইফাল-সিফালকৈ ফুৰিছে। দুজন সৈনিকে জ্বলা কাঠবোৰ ৰাস্তাৰ সিপাৰৰ ওচৰৰ ঘৰ এটালৈ টানি নিছে আৰু কিছুমানে এমুঠিকৈ খেৰ নিছে।

এটা ডাঙৰ ঘৰত ভীষণ জুই লাগিছে। কিছুমান মানুহ আগত থিয় হৈ আছে। আলপাতিচ তালৈ গ'ল। বেৰত জুই লাগিছে, পাচফালৰ বেৰখন পৰি গৈছে। চাটি, বাতাহবোৰ জ্বলিছে। মানুহবোৰ চালখন পৰালৈ চাই আছে।

হঠাতে কোনোবাই আলপাতিচক নামধৰি মাতিলে। আলপাতিচে মাতটো বুজি পালে।

ডেকা গৃহস্থৰ মাতটো বুজিব পাৰি আলপাতিচে কলে, “হজুৰ, ভগবানে ৰক্ষা কৰক!”

প্ৰিন্স এণ্ড্ৰুৱে এটা ক'লা ঘোঁৰাত উঠি জনতাৰ মাজৰ পৰা আলপাতিচক দেখিছিল।

“তুমি এইখিনি কেনেকৈ পালাহি?”

“হজুৰ, হজুৰ!” আলপাতিচে কেঁকুৰি কেঁকুৰি কলে, “আমাৰ সৰ্বনাশ হৈছে! সঁচা নে হজুৰ?”

প্ৰিন্স্ এণ্ড্ৰে আকৌ সুধিলে "তুমি যে ইয়াত ?" সেই সময়তে জুইকুৰা দপ্ দপ্ কৈ জ্বলি উঠিল। জুইৰ পোহৰত আলপাতিচে ডেকা গৃহস্থৰ শেঁতা, ক্লান্ত মুখখন দেখিলে। নগৰলৈ তাক কিয় পঠাইছিল আৰু উভতি যাবলৈ কেনে আহুকাল পাইছে—আলপাতিচে প্ৰিন্স্ এণ্ড্ৰুক কলে। সি আকৌ সুধিলে, "হুজুৰ, আপুনি কি কয় ? আমাৰ সৰ্বনাশ হৈছে নে ?"

প্ৰিন্স্ এণ্ড্ৰে কোনো উত্তৰ নিদি নোটবহীখনৰ পৰা এটা পাত ফালি উলিয়াই পেঙ্কিলেৰে ভনীয়েকলৈ লিখিলে—

"স্মোলেনস্কৰ পতন হৈছে। এক সপ্তাহৰ ভিতৰতে শত্ৰুৱে ব্লিক হিলচ দখল কৰিব। তৎক্ষণাৎ মস্কোলৈ বাওনা হোৱা। যেতিয়া যোৱা মোক তত্তালিকে জনাবা।"

এই কেইটা কথা লিখি এণ্ড্ৰে কাগজখন আলপাতিচক দিলে। লগতে বুঢ়া প্ৰিন্স্, ভনীয়েক, তেওঁৰ লৰা আৰু শিক্ষকজনক সোনকালে ব্লিক হিলচৰ পৰা পঠাবলৈ আলপাতিচক দিহা-পৰামৰ্শ দিলে। আৰু তেওঁলোক যোৱা মাত্ৰে—ক'ত, কেনেকৈ খবৰ দিলে তেওঁ পাব তাকো আলপাতিচক কলে।

"তাৰ পাচত তেওঁলোকক কবা যে উত্তৰৰ কাৰণে মই দহ তাৰিখলৈকে বাট চাম। তেওঁলোক আটায়ে যোৱা বুলি যদি দহ তাৰিখৰ ভিতৰত মই কোনো খবৰ নাপাওঁ, তেতিয়া ইয়াত সকলো কাম থেকেচা মাৰি থৈ মই নিজে ব্লিক হিলচলৈ যাবলৈ বাধ্য হম।"

জুইৰ মাজত এটা ডাঙৰ শব্দ হ'ল। পোহৰ কমিল, ক'লা ধোঁৱা উঠিল। অলপ পাচতে জুইকুৰা আকৌ জ্বলি উঠিল। দৰ্শকসকলে আনন্দত চিঞৰিবলৈ ধৰিলে।

প্ৰিন্স্ এণ্ড্ৰে আলপাতিচক কলে, "তেন্তে মই কোৱা সকলোখিনি কথা তেওঁলোকক কবা।" প্ৰিন্স্ এণ্ড্ৰু সৰু বাস্তাটোৰে ঘোঁৰাত উঠি গুচি গ'ল।

## চতুৰ্থ অধ্যায়

স্মোলেনস্কৰ পৰা সৈনিকবোৰে পৃষ্ঠভঙ্গ দিবলৈ ধৰিলে আৰু শত্ৰুৱে পিছে পিছে খেদি গ'ল। আগস্টৰ দহ তাৰিখে প্ৰিন্স্ এণ্ড্ৰুৰ সেনাবাহিনী সদৰ ৰাস্তাৰে গৈ ব্লিক হিলচলৈ যোৱা সৰু ৰাস্তাটো পালে। তিনি সপ্তাহ ধৰি বৰ গৰম পৰিছে। শস্য কাটিবলৈ মানুহ নাই। খাল, বিল, পথাৰৰ শস্য শুকাই গৈছে। গৰু, ম'হে খাবলৈ পথাৰত ঘাঁহ নাই। ব'দতে জ্বলি গৈছে। ৰাতি নিয়ৰ পৰিলে, ছাবিত অলপ জুৰ পৰে। কিন্তু সেনাবোৰ যি ৰাস্তাৰে গৈছে, তাত হাবিৰ মাজেৰে গলেও জুৰ নপৰে। ৰাস্তাৰ ওপৰত এফুট ডপত ধূলি। এই ধূলিবোৰ সৈনিকসকলৰ নাকেমুখে সোমাইছে। নাকে, মুখে ৰুমাল বান্ধি সিঁহত গৈছে। চাৰিওপিনে ধূলি ওপৰলৈ উৰিছে। অকণো বতাহ নাই। গাওঁ পালেই সকলো কুঁৱা বিচাৰি লৰি যায়। আৰু কাড়াকাড়ি কৰি বোকাৰে পানীয়ে খাই শেহ কৰে।

প্ৰিন্স্ এণ্ড্ৰুৱে অকল বাহিনীৰ সৈনিকবোৰৰ কথা ভাবিছে, সিঁহতৰ তত্ত্বাৱধানত ব্যস্ত। স্মোলেনস্ক নগৰখন পুৰি শত্ৰুক এৰি অহাত প্ৰিন্স্ এণ্ড্ৰুৰ জীৱনত এটা নতুন যুগৰ অৱতাৰণা হ'ল। শত্ৰুলৈ তেওঁৰ ইমান ঘৃণা হ'ল যে নিজৰ দুখৰ কথা পাছৰি গ'ল। বাহিনীৰ সৈনিক, কৰ্মচাৰী সকলোৱে এণ্ড্ৰুক ভাল পায়। এণ্ড্ৰুৱে সিঁহতক মৰম কৰে, সিঁহতৰ সুখদুখ বুজে, সিঁহতৰ লগত ভাল ব্যৱহাৰ কৰে। সিঁহতে তাক "প্ৰিন্স্" বুলি মাতে।

আগস্টৰ ছয় তাৰিখে স্মোলেনস্ক এৰি অহাৰ পাছত প্ৰিন্স্ এণ্ড্ৰুৱে ভৱিষ্যত এন্ধাৰ দেখিলে। এনেকৈ পিচুৱাই নাহি সিঁহতে অনায়াসে যুদ্ধ কৰিব পাৰিলেহেঁতেন, কছ সেনাই হয়তো জিকিবও পাৰিলেহেঁতেন। ইয়াৰ উপৰিও এণ্ড্ৰুৰ এটা ডাঙৰ চিন্তা হৈছে দেউতাকক লৈ। তেওঁৰ গা ভাল নহয়। এনে অৱস্থাত নিজে সজা ঘৰ-দুৱাৰ এৰি যাব লগা হ'ল। তেওঁৰ মৰমৰ ঘৰদুৱাৰ লোকে লুটিপুটি নিব। কিন্তু বৰ্তমানে এণ্ড্ৰুৱে ভাবিব লগা হৈছে তেওঁৰ বাহিনীটোৰ কাৰণে। আগস্টৰ দহ তাৰিখে সেনাবাহিনী আহি ব্লিক হিলচলৈ যোৱা সৰু ৰাস্তাটো পালেহি। দুদিন আগতে প্ৰিন্স্ এণ্ড্ৰুৱে খবৰ পাইছে যে তেওঁৰ দেউতাক, লৰা, ভনীয়েক মস্কোলৈ গৈছে। যদিও ব্লিক হিলচত এণ্ড্ৰুৰ

সকাম নাই তথাপি নিজৰ শোক বঢ়াবলৈহে যেন তেওঁ তালৈ যাবলৈ সংকল্প কৰিলে।

সদৰ ৰাস্তা এৰি প্ৰিন্স এণ্ড্ৰু দেউতাকৰ ঘৰলৈ বাওনা হ'ল। সেই ঘৰতে তেওঁ উপজিছে, ডাঙৰ-দীঘল হৈছে। পুখুৰীৰ পাৰেদি যাওঁতে এণ্ড্ৰুৱে এটি জনপ্ৰাণীও নেদেখিলে কিন্তু আগতে এই পুখুৰীত সদায় জাকে জাকে তিৰোতাই গা ধুই, কাপোৰ ধুই, কথা পাতিছিল। ঘৰৰ আগ পাই দেখিলে গে'টখন খোলা। বাগিচাত বন গজিছে, বেৰবোৰ ভাগিছে। গৰু, ঘোঁৰা তাত চৰিছে। গছৰ পুলি কিছুমান মৰিছে। ফলৰ গছবোৰৰ ঠানি ভাঙিছে। এণ্ড্ৰুৱে মালীজনক মাতিলে কিন্তু কোনো উত্তৰ নাপালে। বাগিচাৰ সমুখত এজন বুঢ়া বহি থাকে। সৰুকালৰ পৰাই এণ্ড্ৰুৱে এই বুঢ়াটোক এইদৰে বহি থকা দেখিছে। আজিও সি তাতেই বহি ৰ'ল লৈছে। কিন্তু তাৰ বহাৰ আসন সলাইছে। এণ্ড্ৰুৰ দেউতাকে যিখন বেঞ্চিত বহি ভাল পাইছিল, বুঢ়াটো সেইখন বেঞ্চিত বহি আছে। ওচৰৰ গছজোপাৰ ঠানিত কঠ এখন শুকাবলৈ দিছে। মানুহজন কলা। প্ৰিন্স এণ্ড্ৰু অহা সি গমেই নাপালে।

প্ৰিন্স এণ্ড্ৰু ডাঙৰ ঘৰটোলৈ গ'ল। বাহিৰত এজনী মাইকী ঘোঁৰা আৰু ছোৱালী এজনী গছৰ তলত আছে। ঘৰৰ খিড়িকীবোৰ মৰা। মাত্ৰ তলৰ তলাৰ এখন খিড়িকী খোলা আছে। এজন লগুৱাই প্ৰিন্স এণ্ড্ৰুক দেখি ঘৰৰ ভিতৰলৈ লৰি গ'ল।

আলপাতিচে তাৰ লৰা-ছোৱালীবোৰ পঠিয়াই ব্লিক হিলচত অকলে আছে। সি ঘৰৰ ভিতৰত বহি মহাপুৰুষসকলৰ জীৱনী পঢ়ি আছিল। প্ৰিন্স এণ্ড্ৰু অহা বুলি শুনি সি নাকত চচমাযোৰ লৈ লৰি আহিল। আৰু এনেকে নামাতি, চকুলো টুকি এণ্ড্ৰুৰ আগত আঠু ললে।

আলপাতিচে নিজৰ দুৰ্বলতাৰ কাৰণে লাজ পাই ঘৰৰ সকলো খবৰ কবলৈ ধৰিলে। মূল্যবান বস্তুবোৰ বোগুচাৰোভলৈ নিয়া হৈছে। একশ মোণ শস্য আঁতৰোৱা হৈছে। আলপাতিচৰ মতে ভাল শস্যখিনি সৈনিকসকলে কেঁচাতে কাটি নিছে। খেতিয়কবোৰৰ সৰ্বনাশ হৈছে। সিহঁতবো কিছুমান বোগুচাবো-ভলৈ গৈছে। অকল কেইঘৰমানহে ইয়াত আছে। প্ৰিন্স এণ্ড্ৰুৱে তাৰ কথালৈ মন নকৰি সুধিলে, "দেউতা আৰু ভনীজনী কেতিয়া গ'ল?" এণ্ড্ৰুৱে মস্কোলৈ যোৱাৰ কথা সুধিছিল কিন্তু আলপাতিচে বোগুচাৰোভলৈ যোৱাৰ কথা সোধা বুলি কলে যে তেওঁলোক সাত তাৰিখেই বাওনা হৈছে। তাৰ পাছত

আলপাতিচে আৰৌ খেতিপথাৰৰ কথা কথলৈ ধৰিলে আৰু এণ্ডুৰ দিহা-পৰামৰ্শ বিচাৰিলে।

"এতিয়াও ছয় শ মোণ শস্য আছে, কি কৰিম ?" অসময়ত এই প্ৰশ্নবোৰ শুনি প্ৰিন্স্ এণ্ড্ৰুৱে তপামুৰা বুঢ়াটোলৈ চাই কলে, "মই নো তোমাক কি কম ?"

"বাগিছাখন দেখিছেই, তেনেই নষ্ট হৈছে কিন্তু কি কৰিম, উপায় নাই। তিনিটা সেনাদল আহি ৰাতি ইয়াত আছিল। এটা দল বৰ বেয়া আছিল। গোচৰ দিবৰ কাৰণে মই কাপ্তেনজনৰ নাম লিখি থৈছোঁ।"

"বাৰু, এতিয়া তুমি কি কৰিব খুজিছা ? শত্ৰুৱে ঠাইখন দখল কৰিলেও তুমি ইয়াতেই থাকিবা নেকি ?"

আলপাতিচে প্ৰিন্স্ এণ্ডুৰ মুখলৈ চালে। তাৰ পাছত হাত দুখন ওপৰলৈ দাঙি কলে, "তেৱেঁ মোক বাধোঁতা ; সকলো তেওঁৰ ইচ্ছা।"

পথাৰৰ পৰা কেইজনমান খেতিয়ক আহি প্ৰিন্স্ এণ্ডুক সেৱা জনালে।

প্ৰিন্স্ এণ্ড্ৰুৱে বুঢ়া আলপাতিচক নমস্কাৰ কৰি ক'লে, "বাৰু, তেন্তে এতিয়া আহিলো। তুমি ইয়াৰ পৰা যাবা। লগত যি পাৰা নিবা। খেতিয়কবোৰক ৰিয়াজান বা মস্কোৰ জমিদাৰীলৈ যাবলৈ কবা।"

মেৰিয়া মস্কোলৈ যোৱা নাই। গতিক নিৰাপদে থকা বুলিয়েই প্ৰিন্স্ এণ্ড্ৰুৱে অনুমান কৰিলে।

## পঞ্চম অধ্যায়

আলপাতিচ খোলেনস্কৰ পৰা উভতি অহাত, বুঢ়া প্ৰিন্সে যেন হঠাতে টোপনিৰ পৰা সাৰ পালে। তেওঁ দেশৰক্ষীসকলক অস্ত্ৰ-শস্ত্ৰ লৈ গাঁৱৰ বাহিৰত গোট খাবলৈ আদেশ দিলে। প্ৰধান সেনাপতিক লিখি জনালে যে শেষ মুহূৰ্তলৈকে তেওঁ ব্লিক হিলচত থাকিব। ব্লিক হিলচ ৰক্ষাৰ কাৰণে প্ৰধান সেনাপতিয়ে ব্যৱস্থা লওক বা নলওক—এজন পুৰণি কছ সেনাপতিয়ে শেষ মুহূৰ্তলৈকে ব্লিক হিলচ ৰক্ষা কৰিব। তাতে হয় শত্ৰুৰ হাতত বন্দী হব, নহয় মৰিব। প্ৰিন্সে ঘৰৰ সকলোকে জনাই দিলে যে তেওঁ ব্লিক হিলচতে থাকিব।

যদিও নিজে ব্লিক হিলচত থাকিবলৈ সঙ্কল্প কৰিলে, প্ৰিন্সে মেৰিয়া, এণ্ড্ৰুৰ লৰাটো আৰু শিক্ষকজনক বোগুচাৰোভলৈ আৰু তাৰ পৰা মস্কোলৈ পঠোৱাৰ দিহা কৰিলে। বুঢ়াকালত হঠাতে বাপেকৰ এনে অস্বাভাৱিক অদম্য উৎসাহ দেখি মেৰিয়াই কোনমতে তেওঁক অকলে এৰি থৈ যায়? জীৱনত প্ৰথম বাৰৰ কাৰণে তাই বাপেকৰ অবাধ্য হবলৈ সাহস কৰিলে। মেৰিয়া যাবলৈ অমান্তি হ'ল। বাপেকৰ খং কোনে চায়! প্ৰিন্সে পুৰণি কথাবোৰ সোঁৱৰাই মেৰিয়াক গালি পাৰিবলৈ ধৰিলে। তায়ে তেওঁৰ সকলো অশান্তিৰ কাৰণ। তায়ে বাপেক-পুতেকৰ বিচ্ছেদ ঘটাইছে। বাপেকক অশান্তি দিয়াটোৱে তাইৰ জীৱনৰ ব্ৰত। প্ৰিন্সে মেৰিয়াক পঢ়া কোঠাৰ পৰা খেদি দিলে। তাই যেনেকৈ মৰে মৰক—মৰিলেই ভাল। তাই যেন প্ৰিন্সক আৰু মুখ নেদেখুৱায়। প্ৰিন্সে যে ব্লিক হিলচৰ পৰা তাইক নিবলৈ হুকুম নিদিলে—তাতে মেৰিয়াই ভাল ভাল পালে। মেৰিয়াই ধৰি ললে যে তাই থকাত প্ৰিন্সে পেটে পেটে ভাল পাইছে।

প্ৰিন্স্ এণ্ড্ৰুৰ লৰাটো যোৱাৰ পিছদিনা বুঢ়া প্ৰিন্সে সেনাপতিৰ পুৰণি পোছাকটো পিন্ধি প্ৰধান সেনাপতিক দেখা কৰিবলৈ ওলাল। ঘৰৰ পৰা ওলাই তেওঁ সশস্ত্ৰ খেতিয়ক সকলক চাবলৈ বাগিচাত সোমাল। মেৰিয়াই এখন খিড়িকীৰ ওচৰত বহি বাপেকৰ মাতটো শুনি আছে। হঠাতে ভয়াতুৰ হৈ কিছুমান মানুহ ঘৰৰ ফালে লৰি আহিল।

মেৰিয়া বাহিৰলৈ ওলাই আহিল। দেশৰক্ষীদল এটা তাইৰ ফালে আগবাঢ়ি আহিছে। আৰু দলটোৰ মাজত কেইজনমান মানুহে সামৰিক পোছাক পিন্ধা

এজন চুটি-চাপৰ মানুহক ধৰি লৈ আনিছে। মেৰিয়া আগবাঢ়ি গৈ বাপেকৰ মুখত ভয় আৰু নিসহায়ৰ ভাব দেখিলে। জীয়েকক দেখি বুঢ়াই অবশ ওঁঠ দুটাৰে কিবা কলে কিন্তু তাৰ অৰ্থ কোনেও বুজি নাপালে। বুঢ়া প্ৰিন্সক দাঙি নি পঢ়া কোঠাত শুৱাই থোৱা হ'ল। আজি কিছুদিনৰ পৰা তেওঁ এই কোঠাটোত শুবলৈ ভয় কৰা হৈছে।

ডাক্তৰ আহি ক'লে যে তেওঁৰ সোঁফালে পক্ষাঘাত হৈছে। ব্লিক হিলচত থকাটো ক্ৰমে বেছি বিপদজনক হৈ উঠিল। পিছদিনাখন প্ৰিন্সক বোগুচাৰোভলৈ নিয়া হ'ল। ডাক্তৰ লগতে গ'ল। ইতিমধ্যে শিক্ষকজন এণ্ড্ৰু লৰাটোৰ সৈতে মস্কো বুলি বাওনা হৈছে।

বোগুচাৰোভত প্ৰিন্স্ এণ্ড্ৰুৱে এটা নতুন ঘৰ সাজিছিল। বুঢ়া প্ৰিন্স্ সেই ঘৰতে একাজী অৱস্থাত তিনি সপ্তাহ বিছনাত পৰি থাকিল। ইয়াৰ ভিতৰত বেমাৰ বেছি, কম একো নহ'ল। বুঢ়া প্ৰিন্স্ অজ্ঞান হৈ, মৰা শৰ দৰে পৰি থাকে। মাজে মাজে মুখৰ ভিতৰতে কিবা কয়। বৰ্তমানে তেওঁ ক'ত আছে—বুজিব পাৰিছেনে নাই—কব নোৱাৰি। কিন্তু এইটো ঠিক যে তেওঁ কষ্ট পাইছে আৰু কিবা কবলৈ বিচাৰে। কিন্তু কি কব খোজে, কোনেও কব নোৱাৰে। ডাক্তৰে ক'লে যে শাৰীৰিক অৱশতাৰ কাৰণেহে তেওঁ তেনে কৰিছে, অইন কোনো অৰ্থ নাই। মেৰিয়াই ভাবি ললে তেওঁ তাইক কিবা কব খুজিছে। কাৰণ মেৰিয়া আগত থাকিলে বুঢ়াক বেছি অস্থিৰ হোৱা যেন লাগে। বুঢ়াই অকল শাৰীৰিক নহয়, মানসিক কষ্টতো ভুগিছে। ভাল হোৱাৰ আৰু আশা নাই। এনে অৱস্থাত তেওঁক অইন ঠাইলৈও নিয়া অসম্ভৱ। যদি বাটতে জীৱ যায়? মেৰিয়াই কেতিয়াবা ভাবে, "মৰিলেই ভাল, নহয় জানো?" টোপনি ক্ষতি কৰি মেৰিয়াই দিনে-ৰাতি বাপেকক চায়। কিন্তু হয়তো ভালৰ ফালে অহালৈ আশা নকৰি, অন্তিম সময়লৈকে বাট চাই থাকে।

মেৰিয়াই ভাবি আচৰিত হ'ল—বাপেকৰ বেমাৰৰ লগে লগে তাইৰ পুৰণি সুপ্ত আশা-ভৰসাবোৰ যেন সজাগ হৈ উঠিল। বাপেকৰ হাত সাৰি স্বাধীন জীৱন যাপন কৰা, দাম্পত্য প্ৰণয়ৰ কথা আৰু ভবিষ্যতৰ নানান সুখৰ তাই সপোন দেখে। আজি কেবা বছৰো ধৰি এইবোৰ চিন্তা তাইৰ মনলৈ অহা নাছিল।

এইবোৰ মায়া-মৰীচিকা বুলি মেৰিয়াই জানিছিল কিন্তু বহু চেষ্টা কৰিও তাই এইবোৰ চিন্তা মনৰ পৰা আঁতৰাব নোৱাৰে। ইয়াৰ পাছত তাইৰ

জীৱনটো কেনে ধৰনৰ হব ? মেৰিয়াই উপাসনাত বিশ্বাস কৰে। যীশু খ্রীষ্টৰ পবিত্র ছবিথনৰ আগত বহি তাই উপাসনা কৰিবলৈ বহে। কিন্তু উপাসনা কৰিব নোৱাৰে। আধ্যাত্মিক ভাবৰ পৰা তাইৰ মনটো নতুন বাস্তৱ জগতলৈ লৰি আহে। তাই উপাসনা কৰিব নোৱাৰে, কান্দিব নোৱাৰে— বাস্তৱ চিন্তাত তন্ময় হৈ থাকে।

বোগুচাৰোভত থকাটো ক্ৰমে বিপদজনক হ'ল। চাৰিওপিনে জনৰৱ হ'ল যে ফৰাচীবিলাক ওচৰ চাপিছেহি। আৰু দহ মাইল দূৰৈৰ গাওঁ এথন ফৰাচী ডকাইতে হেনো লুটপাত কৰিছে। প্রিন্সক আইন ঠাইলৈ নিয়া দৰকাৰ হৈছে বুলি ডাক্তৰে কলে। প্রদেশৰ শাসনকৰ্তাই এজন কৰ্মচাৰীৰ আগত কৈ পঠালে মেৰিয়া যেন অতি শীঘ্রে বোগুচাৰোভৰ পৰা যায়। পুলিচ বিভাগৰ এজন কাপ্তেন আহিও মেৰিয়াক একে কথাকে কলে, কাৰণ ফৰাচীবিলাক মাত্র ত্রিশ মাইল দূৰৈত আছে। ফৰাচীবিলাকৰ ঘোষণা গাঁৱে গাঁৱে প্রচাৰিত হৈছে। পোন্ধৰ তাৰিখৰ ভিতৰত মেৰিয়াই বাপেকক আঁতৰাই নিনিলে, পৰিণামৰ কাৰণে পুলিচ বিভাগ দায়ী নহব।

মেৰিয়াই পোন্ধৰ তাৰিখে যাবলৈ ঠিক কৰিলে। যাবলৈ সাজু হবৰ কাৰণে মেৰিয়াই ঘৰৰ সকলোকে কলে। আগদিনাথন গোটেই দিনটো বস্তুবাহানিবোৰ ঠিক কৰাত মেৰিয়া ব্যস্ত থাকিল। চৈধ্য তাৰিখৰ ৰাতি মেৰিয়া আগৰ মতে প্রিন্স্ থকা কোঠাটোৰ ওচৰৰ কোঠাটোতে থাকিল। প্রিন্সৰ কেঁকনি, বিছনাৰ শব্দ বা টিহনৰ ভৰিৰ শব্দ শুনিলেই তাই সাৰ পায়। মাজে মাজে দুৱাৰৰ ওচৰলৈ গৈ কাণ পাতি থাকে। প্রিন্সে বৰ অস্থিৰ হৈ ডাঙৰ ডাঙৰকৈ কিবা কোৱা যেন ভাবে। তাইৰ টোপনি নাহে। বাপেকৰ কোঠালৈ যাব খোজে কিন্তু মনটোৱে যাব নিদিয়ে। যদিও দেউতাকে এতিয়া নোৱাৰে, মেৰিয়াই জানে যে তেওঁৰ বিষয়ে চিন্তা কৰাটো তেওঁ ভাল নাপায়। মেৰিয়াই অজ্ঞাতে কেতিয়াবা তেওঁৰ মুখলৈ একেৰাহে চাই থাকিলে তেওঁ অসন্তুষ্ট হৈ মুখ ঘূৰায়। মেৰিয়াই জানে যে ৰাতি অসময়ত গ'লে দেউতাকৰ খং উঠিব।

কিন্তু দেউতাকৰ কাৰণে ইমান চিন্তা তাইৰ আগতে হোৱা নাছিল— দেউতাকক হেৰুৱাব বুলি ইমান ভয় খোৱা নাছিল। গোটেই জীৱনটো তাই দেউতাকৰ লগতে আছে। প্রত্যেকটো কথাতে, প্রতিটো কামতে—তাই দেউতাকৰ মৰম দেখিছে। কেতিয়াবা এই স্মৃতিবোৰ পাহৰি—তাই ভৱিষ্যতৰ মায়া-মৰীচিকাৰ সপোন দেখে। দেউতাকৰ মৃত্যুৰ পাছত তাইৰ কি হব,

কেনেকৈ নতুন স্বাধীন জীৱন যাপন কৰিব ! সেহ নিশা বাপেকক অলপ শান্ত হোৱা দেখি, তাই শুলে।

বাতিপুৱা মেৰিয়াই বেলিকৈ সাৰ পালে। সুস্থিৰ অৱস্থাত তাই নিজৰ কৰ্তব্য স্পষ্টকৈ বুজি পালে। বাপেকে মুখৰ ভিতৰতে কিবা বলকি থকা শুনি তাই এটা হুমুনিয়াহ কাঢ়িলে। বেমাৰীৰ কোনো পৰিবৰ্তন হোৱা নাই।

"কিন্তু কি পৰিবৰ্তন হব লাগে ? মই কি বিচাৰিছোঁ ? মই তেওঁৰ মৃত্যু কামনা কৰোঁ !" মেৰিয়াৰ নিজৰ প্ৰতি ঘৃণা হ'ল।

হাত-মুখ ধুই, কাপোৰ-কানি পিন্ধি মেৰিয়াই উপাসনা কৰিলে। তাৰ পাছত বাহিৰলৈ ওলাল। গাড়ীখনত বস্তুবাহানিবোৰ বোজাই দিয়া হৈছে। বতৰটো ভাল। মেৰিয়া বাহিৰত ঘূৰি-পকি আছে। ডাক্তৰে আহি কলে "আজি তেওঁৰ অৱস্থা অলপ ভাল। মই আপোনাক বিচাৰিছোঁ। আজি তেওঁৰ কথাবোৰ অলপ বুজিব পৰা হৈছে। মস্তিষ্কৰ বিকাৰ নাই। ভিতৰলৈ আহক। তেওঁ আপোনাক বিচাৰিছে⋯।"

ডাক্তৰৰ কথা শুনি মেৰিয়া শেঁতা পৰিল। তাই বাগৰি পৰিব খুজিছিল। ভয়াবহ পাপ চিন্তাই তাইৰ অন্তৰ অধিকাৰ কৰিছে। তাইনো বাপেকক চাবলৈ, তেওঁৰ চকুৰ আগলৈ, কথা পাতিবলৈ কেনেকৈ যায় ? ডাক্তৰে মেৰিয়াক আকৌ মাতিলে।

মেৰিয়া কোঠাটোত সোমাই বাপেকৰ বিছনাৰ ওচৰলৈ গ'ল। প্ৰিন্স্ বিছনাত বহি হেলান দি আছে। হাত দুখনি লেপৰ ওপৰত থৈছে। বাওঁ চকুটোৰে চাই আছে। সোঁ চকুটো বিকৃত হৈছে। ওঁঠবোৰ, চেলাউৰি লৰচৰ নকৰে। প্ৰিন্স্ একেবাৰে শুকাই খীণাই গৈছে। দেখিলেই দুখ লাগে। মেৰিয়াই ওচৰলৈ গৈ দেউতাকৰ হাতত চুমা খালে। তেওঁৰ বাওঁ হাতখনে মেৰিয়াৰ হাতখন এনেকৈ খামোচ মাৰি ধৰিলে যেনিবা মেৰিয়াক লগ পাবৰ কাৰণে তেওঁ কেতিয়াবাৰ পৰা বৈ আছে। তেওঁ মেৰিয়াৰ হাতখন টিপিছে। চেলাউৰি আৰু ওঁঠবোৰ খঙতে কঁপি উঠিল।

বাপেকৰ মনৰ ভাব বুজিবৰ কাৰণে মেৰিয়াই বিমৰ্ষভাৱে বাপেকৰ মুখলৈ চালে। মেৰিয়া বাওঁফালে আহিলত, বাওঁ চকুটোৰে মেৰিয়াৰ মুখখন ভালকৈ দেখি বুঢ়াই ভালপোৱা যেন লাগিল। কিছু সময় তেওঁ একেবাৰে মেৰিয়াৰ মুখলৈ চাই থাকিল। তাৰ পাছত তেওঁৰ ওঁঠযুৰি, জিভাখন লৰচৰ কৰিলে,

শব্দ হ'ল, কিবা কব খুজিছে। কিন্তু মেৰিয়াই তেওঁৰ কথা বুজি নাপাব বুলি ভাবিয়ে বোধকৰো তেওঁ করুণভাৱে চালে।

মেৰিয়াই একান্তমনে বাপেকৰ ফালে চালে। কষ্টেৰে কথা কবলৈ যাওঁতে বাপেকৰ বিকৃত মুখখন দেখি মেৰিয়াই তলমুৱ কৰিলে। বাপেকৰ দুৰৱস্থা দেখি তাইৰ কেঁকুৰিবলৈ ইচ্ছা হৈছিল; কোনোমতে সামৰিলে। কথাবোৰ বাৰে বাৰে কৈ তেওঁ কিবা কব খুজিছিল কিন্তু মেৰিয়াই কথাবোৰ বুজি নাপালে। কিন্তু বাপেকে কোৱা বুলি অনুমান কৰি মেৰিয়াই সেই কথাবোৰ আকৌ কলে।

"ও, ও···এ, এ···।" প্ৰিন্সে কোবাবাবো কলে। এইবোৰ শব্দৰ অৰ্থ কৰা টান। ডাক্তৰে অনুমান কৰি কলে, "মেৰিয়াই ভয় কৰিছে?"

প্ৰিন্সে মূৰ জোকাৰি আকৌ সেইবোৰ শব্দকে কৰিলে।

"আত্মাটোৱে কষ্ট পাইছে"—মেৰিয়াই অনুমান কৰিলে। প্ৰিন্সে এটা শব্দ কৰি মেৰিয়াৰ হাতখন নি বুকুত চেপি ধৰিলে।

আগতকৈ স্পষ্টকৈ, বুজিব পৰাকৈ প্ৰিন্সে কলে, "সদায় ভাবি আছোঁ··· তোমাৰ কথা···ভাবিছোঁ···।" চকুলো লুকাবৰ কাৰণে মেৰিয়াই বাপেকৰ হাতত মূৰটো গুজিলে। বুঢ়াই তাইৰ চুলিত হাত ফুৰালে।

প্ৰিন্সে কলে, "গোটেই ৰাতি তোমাক মাতি আছোঁ···।"

চকুলো টুকি টুকি তাই কলে, "মই যদি জানিলোঁহেঁতেন···মই আহিবলৈ ভয় কৰিছিলোঁ।" প্ৰিন্সে তাইৰ হাতখন চেপি ধৰিলে।

"তোমাৰ টোপনি অহা নাছিল জানো?"

মূৰ জোকাৰি মেৰিয়াই কলে "নাই, অহা নাছিল।"

বাপেকৰ নিচিনাকৈ তাইয়ো আও-ভাৱৰে কবলৈ ধৰিলে যেন তাইৰো কথা কবলৈ কষ্ট হৈছে।

"সোণ, মইনা, তুমি কিয় নাহিলা?" এনেকুৱা মৰমৰ মাত আগতে তেওঁ জীয়েকক মতা নাই।

মেৰিয়াই ভাবিলে, "আৰু মই তেওঁৰ মৃত্যু কামনা কৰিছিলোঁ!"

অলপ বৈ প্ৰিন্সে আকৌ কলে, "ধন্যবাদ··· তোমাক। সোণ, মইনা,··· সকলো সকলো···ক্ষমা কৰিবা··· শলাগ···ক্ষমা· ধন্যবাদ।" চকুৰ পানী ববলৈ ধৰিলে। হঠাতে কলে, "এণ্ড্ৰুক মাতা।" পাচত বেলে নিজেই বুজি পালে যে এই প্ৰশ্ন অৰ্থহীন।

মেৰিয়াই কলে, "তাৰ পৰা এখন চিঠি পাইছোঁ।"

"সি ক'ত আছে ?"

"দেউতা, সি স্মোলেনস্কত সেনাবাহিনীত আছে।"

প্ৰিন্স্ নিমাত হৈ, চকু মুদি কিছু সময় থাকিল। তাৰ পাছত যেন তেওঁৰ সকলো মনত পৰিল, সকলো বুজি পালে। মূৰ দোৱাই, চকুমেলি লাহেকৈ কলে, "ৰুছিয়া গ'ল ! ৰুছিয়াক হেৰুৱালে !"

প্ৰিন্সে আকৌ ফেঁকুৰিবলৈ ধৰিলে। চকুৰ পানী দুগালেৰে বাগৰি প'ল। মেৰিয়াই আৰু বাপেকৰ মুখলৈ চাই থাকিব নোৱাৰিলে। তাইও কান্দিবলৈ ধৰিলে।

প্ৰিন্সে আকৌ চকু মুদিলে। কান্দিবলৈ এৰিলে। চকুলৈ আঙুলিয়াই দিলে। টিফোনে বুজি পাই প্ৰিন্সৰ চকুৰ পানীবোৰ মচি দিলে।

প্ৰিন্সে চকু মেলি কিবা কলে। বহু পৰলৈকে কোনেও বুজি নাপালে। পাছত টিফোনে বুজি পাই বুজাই দিলে।

বুঢ়াই ৰুছিয়াৰ কথা কয়। প্ৰিন্স্ এণ্ড্ৰুৰ কথা, মেৰিয়াৰ কথা, নাতিয়েকৰ কথা, নিজৰ মৃত্যুৰ কথা কয়। এইদৰে হঠাতে বেলেগ বেলেগ বিষয়ে কোৱা বাবে মেৰিয়াই তেওঁৰ কথাবোৰ বুজিবলৈ টান পাইছিল।

বুঢ়াই কলে, "তোমাৰ বগা পোছাকটো পিন্ধা। মোৰ দেখি ভাল লাগে।"

এই কথা শুনি মেৰিয়াই হাওঁ হাওঁকৈ কান্দিবলৈ ধৰিলে। ডাক্তৰে হাতত ধৰি মেৰিয়াক ওপৰলৈ লৈ গ'ল। ডাক্তৰে তাইক সান্ত্বনা দি মস্কোলৈ যাবৰ কাৰণে সাজু হবলৈ কলে। মেৰিয়া যোৱাৰ পাছত বুঢ়াই আকৌ পুতেকৰ কথা, যুদ্ধৰ কথা আৰু জাৰৰ কথা কলে। খঙতে চিঞৰিবলৈ ধৰিলে আৰু লগে লগে দ্বিতীয়বাৰ শেহ মূৰ্চ্ছা গ'ল।

সিদিনাখন বতৰটো বৰ ভাল আছিল। কিন্তু মেৰিয়াৰ একোতে মন নবহে, ভাল নালাগে। তাই অকল দেউতাকৰ কথাই ভাবিছে। দেউতাকক যে তাই ইমান ভাল পায়, তাই যেন আগতে গমেই পোৱা নাছিল। তাই বাগিছালৈ ওলাই আহিল। পুখুৰীটোৰ দুয়োপাৰে শাৰী পাতি প্ৰিন্স্ এণ্ড্ৰুৱে নেমু পুলি কইছিল। মেৰিয়াই ফেঁকুৰি ফেঁকুৰি তালৈ আহিল।

মেৰিয়াই বুকুত হাতখন দি বাগিছাৰ ভিতৰত ঘূৰি ঘূৰি ফেঁকুৰি কবলৈ ধৰিলে, "এৰা ···মই তেওঁৰ মৃত্যু কামনা কৰিছিলোঁ ! হয়, সোনকালে গ'লেই ভাল বুলি ভাবিছিলোঁ ···মই শান্তিত থাকিব খুজিছিলোঁ—। কিন্তু মোৰ কি হব ? তেওঁ গ'লে, শান্তি মোৰ কি কামত আহিব ?" এনেতে মেৰিয়াই

ৰহেমচেল বুৰিয়েঁক এজন অচিনাকি ভদ্ৰলোকৰ লগত অহা দেখিলে। এইজন জিলাৰ শাসনকৰ্তা। তেওঁ মেৰিয়াক ইয়াৰ পৰা তৎক্ষণাত যাবৰ কাৰণে অনুৰোধ কৰিবলৈ আহিছে। মেৰিয়াই তেওঁক ঘৰৰ ভিতৰলৈ নি জলপান খাবলৈ দিলে। তাৰ পাছত তেওঁক অলপ পৰ বহিবলৈ কৈ মেৰিয়া বাপেকৰ কোঠাটোৰ দুৱাৰৰ ওচৰলৈ গ'ল। চিন্তান্বিত হৈ ডাক্তৰজন কোঠাৰ পৰা ওলাই আহি মেৰিয়াক ক'লে, "এতিয়া আপনি ভিতৰলৈ যাব নোৱাৰে। আপুনি ইয়াৰ পৰা যাওঁক।"

মেৰিয়া আকৌ বাগিছালৈ গ'ল। কোনেও নেদেখাকৈ মেৰিয়া পাহাৰৰ তলত ঘাঁহুনিৰ ওপৰত বহিলগৈ। কিমান পৰ তাত বহি থাকিল তাই কব নোৱাৰে। তিৰোতা মানুহৰ খোজ শুনি তাই উভতি চালে। তাই থিয় হৈ লিগিৰী দুনিয়াছাক দেখিলে। দুনিয়াছাই নিশ্চয় তাইক বিচাৰি আহিছে। "আহক, প্ৰিন্সেছ, আহক···।" দুনিয়াছাই আৰু কবলৈ নৌপাওঁতেই মেৰিয়াই "গৈছোঁ" বুলি ঘৰলৈ লৰ দিলে। লিগিৰীজনীৰ ফালে নাচালেই।

ঘৰৰ দুৱাৰমুখতে মেৰিয়াক লগ পাই জিলাৰ শাসনকৰ্তাজনে ক'লে, "প্ৰিন্সেছ, সকলো ভগৱানৰ ইচ্ছা। সকলো বিপদ-আপদলৈ সাজু হওক।" মেৰিয়াই খঙেৰে ক'লে, "মই সাজু আছোঁ—কিন্তু কথাটো সঁচা নহয়।"

ডাক্তৰে তাইক বখাব খুজিছিল কিন্তু ডাক্তৰক ঠেলা মাৰি মেৰিয়া দুৱাৰৰ ওচৰলৈ লৰি গ'ল। তাই ভাবিলে, "ইহঁতেনো ভয়াতুৰ হৈ মোক বাধা দিছে কিয়? মোক কাকো নালাগে। সিহঁতে ইয়াত কি কৰিছে?" তাই দুৱাৰখন মেলিলে। এন্ধাৰ কোঠাটোত দিনৰ উজ্জ্বল পোহৰ দেখি তাই ভয় খালে। তাইৰ বুঢ়ী ধাইজনী আৰু কিছুমান তিৰোতা কোঠাটোত আছে। সিহঁত বিছনাৰ ওচৰৰ পৰা আঁতৰি আহি, মেৰিয়াক যাবলৈ বাট এৰি দিলে। আগৰ দৰে প্ৰিন্সে এতিয়াও বিছনাত শুই আছে কিন্তু শান্ত মুখখনত মেৰিয়াই ভ্ৰূকুটি লক্ষ্য কৰিলে।

মেৰিয়াই ভাবিলে, "নহয়, তেওঁ মৰা নাই, মৰ নোৱাৰে।" ওচৰলৈ গৈ মেৰিয়াই প্ৰিন্সৰ গালত চুমা খালে। কিন্তু হঠাতে আকৌ আঁতৰি আহিল। বাপেকৰ প্ৰতি তাইৰ সকলো মৰম চেনেহ অন্তৰ্ধান হ'ল। ভবিষ্যতৰ ভয়াবহ চিন্তাই তাইক অভিভূত কৰিলে। "নাই, নাই, তেওঁ আৰু নাই। তেওঁৰ ঠাইত ইয়াত কিবা নতুন, ভয়ৰ বস্তুহে আছে।" হাত দুখনৰ ভিতৰত মুখখন লুকাই মেৰিয়া ডাক্তৰৰ গাত ঢলি পৰিল।

টিহন আৰু ডাক্তৰৰ আগতে তিৰোতাসকলে প্ৰিন্সৰ মৰা শটো ধুৱাই-পখলাই, সামৰিক পোছাকটো পিন্ধাই দিলে। তাৰ পাছত গুকান মৰাশটো মেজৰ ওপৰত থলে। কোনে, কেতিয়া কি কৰিলে কব নোৱাৰি। সকলো কাম যেন যন্ত্ৰৰ নিচিনা আপোনাআপুনি হ'ল। বাত্তি শটোৰ চাৰিওকালে চাকি জলোৱা হ'ল। কাপোৰেৰে শটো ঢাকি থলে। এজন পুৰোহিত আহি বাইবেল পঢ়িলে। জিলাৰ শাসনকৰ্তা, গাঁৱৰ মুখিয়াল মাহুহবোৰ, তিৰোতা-সকল, চিনাকি-অচিনাকি বহুতো মতা-মাইকী আহি মূৰ দোঁৱাই বুঢ়া প্ৰিন্সৰ ঠৰঙা হাতখনত চুমা খালে।

# ষষ্ঠ অধ্যায়

প্ৰিন্‌ এণ্ড্ৰুৰ আগতে কোনো গৰাকীয়ে বোগুচাৰোভ জমিদাৰীত ঘৰ কৰি থকা নাছিল। ইয়াৰ খেতিয়কবোৰো বেলেগ ধৰণৰ, ব্ৰিক হিলচৰ নিচিনা নহয়। ইহঁতৰ ভাষা, পিন্ধন-উৰণ, আচাৰ-ব্যৱহাৰ সকলো বেলেগ। ইহঁত হেনো পাহাৰী জাতিৰ মানুহ। বৰকৈ পৰিশ্ৰম কৰিব পৰাৰ কাৰণে বুঢ়া প্ৰিন্সে ইহঁতক ৰখানিছিল, কিন্তু ব্যৱহাৰ কাৰণে বেয়া পাইছিল।

প্ৰিন্‌ এণ্ড্ৰুৱে জমিদাৰীখন সংস্কাৰ কৰি পঢ়াশালি, ডাক্তৰখানা পাতি দিলে; খাজনা কমাই দিলে, তথাপি ইহঁত শান্ত, সভ্য নহ'ল বৰং বেছি উদ্ধত স্বভাৱৰহে হ'ল।

বুঢ়া প্ৰিন্সৰ মৃত্যুৰ অলপ আগতে আলপাতিচ বোগুচাৰোভলৈ অহি দেখিলে যে খেতিয়কবোৰ উত্তেজিত হৈ আছে। ব্ৰিক হিলচৰ খেতিয়কবোৰ গাওঁ-ভুই এৰি গুচি গৈছে। বোগুচাৰোভৰবোৰ এতিয়াও লৰচৰ কৰা নাই। ইহঁতে হেনো ফৰাচীবিলাকৰ লগত সংযোগ ৰাখিছে আৰু কিছুমান গুপুত কাগজ-পত্ৰ সিহঁতৰ ভিতৰত প্ৰচাৰিত হৈছে।

আটাইতকৈ এটা ডাঙৰ কথা আলপাতিচৰ কাণত পৰিল। বোগুচাৰোভৰ পৰা মেৰিয়াৰ মালপত্ৰবোৰ নিবলৈ আলপাতিচে যেতিয়া গাওঁবুঢ়াসকলক গাড়ী যোগাৰ কৰিবলৈ কয়, তেতিয়া হেনো গাওঁ এৰি নেযায় বুলি খেতিয়কবোৰে মেল কৰি থিৰাং কৰিলে। প্ৰিন্সৰ মৃত্যুৰ দিনাখন পোন্ধৰ আগষ্টত সেনাপতিয়ে মেৰিয়াক সেই দিনাই বোগুচাৰোভ এৰিবলৈ কলে। ষোল তাৰিখৰ পাছত কি হয়—তাৰ কাৰণে সেনাপতিয়ে দায়িত্ব লব নোৱাৰে। সেনাপতি অন্ত্যেষ্টিক্ৰিয়াৰ কাৰণে পিছদিনা আহিব বুলি কৈ গ'ল। কিন্তু পিছদিনা তেওঁ আহিব নোৱাৰিলে। ফৰাচীবিলাক আহি পোৱা বুলি শুনি মুৰামুৰি সময়ত তেওঁ নিজৰ পৰিয়াল আৰু মূল্যবান বস্তুবাহানিবোৰ আঁতৰালে।

গধূলিলৈকে গাড়ী যোগাৰ নহ'ল। গাঁৱলীয়াসকল আকৌ মেল বহিছে। মেৰিয়াক যাবৰ কাৰণে কোনো যানবাহন নিদিবলৈ ঠিক কৰিলে। আৰু ঘোঁৰাবোৰ হাবিলৈ খেদি দিলে। আলপাতিচে কিন্তু এইবোৰ কথা মেৰিয়াক ঘূণাক্ষৰেও জানিবলৈ নিদিলে। ব্ৰিক হিলচৰ পৰা অনা গাড়ীবোৰৰ পৰা আলপাতিচে নিজৰ বস্তুবাহানিবোৰ নমাবলৈ কলে আৰু তাৰ ঘোঁৰাবোৰকে মেৰিয়াৰ গাড়ীত যুঁতিবলৈ কৈ আলপাতিচ বানাইলৈ লৰ দিলে।

আগষ্টৰ সোতৰ তাৰিখে ৰোষ্টভ, ইলিন, লাভ্ৰুছকা আৰু এজন অৰ্ডলী

যোঁৱাত উঠি বোগুচাৰোভ পালেহি। ইলিনে নতুনকৈ কিনা ঘোঁৰাটো লিইতে পৰীক্ষা কৰি চাইছে। আৰু ঘোঁৰাৰ ঘাঁহো বিচাৰিছে।

আজি তিনি দিনৰ পৰা বোগুচৰোভৰ দুইকালে দুটা বিপক্ষ সেনাবাহিনীৰ সমাবেশ হৈছে।

বোগুচাৰোভলৈ আহোঁতে ৰোস্তভ আৰু ইলিনে বাটে বাটে বং মনে কথা পাতি আহিছিল। বোগুচাৰোভ কোনোবা প্ৰিন্সৰ জমিদাৰী বুলি সিহঁতে শুনিছিল। তাত তাঙৰ মানুহৰ ঘৰদুৱাৰ দেখিব আৰু হয়তো দুই-এজনী দিপ্লিপ্ ছিগিৰীও চকুত পৰিব। বিজন প্ৰিন্স বল্কন্স্কিৰ লগত তাৰ ভনীয়েক নাতাচাৰ বিয়াৰ কথাবাৰ্তা চলিছে, সেই বল্কন্স্কিহঁতৰে এইখন জমিদাৰী বুলি কিন্তু ৰোস্তভৰ ধাৰণা নাছিল। দুয়োৰো ভাগৰ লাগিছে। ৰোস্তভ আগে আগে, ইলিন পিচে পিচে আহিছে। গাঁৱৰ ৰাস্তাত সিহঁত লাহে লাহে যাবলৈ ধৰিলে।

এটা ডাঙৰ ঘৰৰ আগত বহুতো খেতিয়ক থিয় হৈ আছে। তাকে কেইজনমানে ৰোস্তভ আৰু ইলিনক দেখি সেৱা জনালে। দুজন বুঢ়া খেতিয়কে হোটেলত মদ খাই, গীত গাই গাই, সিহঁতৰ ওচৰলৈ আহি হাঁহিলে।

ৰোস্তভে হাঁহি ক'লে, "বৰ ভাল মানুহ? তোমালোকৰ ঘাঁহ আছেনে?"

ইলিনে ক'লে, "আৰু···"

খেতিয়ক দুজনে গীত গাবলৈ ধৰিলে।

জনতাৰ মাজৰ পৰা এজন খেতিয়ক আহি ৰোস্তভক সুধিলে, "আপোনা-লোক ক'ৰ মানুহ?"

ইলিনে হাঁহি ক'লে, "আমি ফৰাচী।" আৰু লাভৰুছকালৈ আঙুলিয়াই কলে, "এওঁ স্বয়ং নেপোলিয়ন।"

"তেন্তে আপোনালোক বোধকৰো ৰুছ?"

আৰু এজন চুটি-চাপৰ খেতিয়ক আহি সুধিলে, "ইয়াত আপোনালোকৰ সেনা বহুতো আছে নেকি?"

ৰোস্তভে ক'লে, "বহুত আছে। কিন্তু তোমালোক নো আটায়ে ইয়াত গোট খাইছা কিয়? কিবা পৰব আছে নেকি?"

"গাঁৱৰ কথা লৈ বুঢ়াবোৰ গোট খাইছে।"

এনেতে প্ৰিন্সৰ ঘৰৰ পৰা দুজনী তিৰোতা আৰু বগা টুপী পিন্ধা এজন ডেকা মানুহ কৰ্মচাৰীসকলৰ পিনে বেগাই অহা দেখা গ'ল।

তুনিয়াছাক দেখি ইলিনে ক'লে, "সেই গোলাপী বস্তৰ পোছাক পিন্ধাজনী কিন্তু মোৰ। তোমালোকে গোলমাল নকৰিবা। সাৱধান!"

লাভৰুছকাই চকু টিপ মাৰি ইলিনক ক'লে, "তাই আমাৰ হ'ল।"

ইলিনে মিচিকবৈ হাঁহি সুধিলে, "ৰূপহী, তোমাক কি লাগে?"

"আপোনালোক কোন দলৰ মানুহ আৰু কি নাম প্রিন্সেছে মোক সুধিবলৈ পঠাইছে।"

ইলিনক ছোৱালীজনীৰ লগত কথা পতা দেখি অতলীয়া খেতিয়ক এজনে হাঁহি হাঁহি গীত গাবলৈ ধৰিলে। তুনিয়াছাৰ পাছতে আলপাতিচ আহি মোস্তভক অভিবাদন জনাই বুকুত এখন হাত দি, মিনতি কৰি ক'লে, "আপোনাক আমনি কৰা বাবে মোক ক্ষমা কৰিব। প্রধান সেনাপতি প্রিন্স্ নিকলয় এণ্ড্রেইচ বল্‌কন্‌স্কিৰ এই মাহৰ পোন্ধৰ তাৰিখে পৰলোক হৈছে। তেখেতৰ ছোৱালীগৰাকীয়ে এই খেতিয়কবোৰৰ অজ্ঞতাৰ কাৰণে বিপদত পৰি আপোনাক মাতি পঠাইছে।" ওচৰতে দুজন খেতিয়কক ঘূৰি-পকি থকা দেখি ক'লে, "অনুগ্রহ কৰি আপুনি অলপ আঁতৰবলৈ আহিলে ভাল হয়। কাৰণ ইহঁতে শুনাকৈ সকলো কথা কব নোৱাৰি।"

ৰোস্তভে অলপ আঁতৰি গৈ সুধিলে, "কি হৈছে?"

"ক্ষমা কৰিব—এই বৰ্বৰ খেতিয়কহঁতে ছোৱালীজনীক জমিদাৰীৰ পৰা যাব নিদিয়ে। যাবলৈ ওলালে গাড়ীৰ পৰা ঘোঁৰাবোৰ সোলোকাই আনিব বুলি ভয় দেখুৱাইছে। বস্তবাহানিবোৰ ৰাতিপুৱাতে বান্ধিলোঁ কিন্তু এতিয়াও তাই যাব পৰা নাই।"

"অসম্ভৱ।"

"মই অকণো অতিৰঞ্জিত কৰি কোৱা নাই। যি কৈছোঁ একেবাৰে সঁচা।"

ৰোস্তভ ঘোঁৰাৰ পৰা নামিল। লগুৱাটোৰ হাতত ঘোঁৰাটো দি ৰোস্তভ আলপাতিচৰ লগত প্রিন্স্ বল্‌কন্‌স্কিৰ ঘৰলৈ খোজ ললে। বাটত আলপাতিচৰ পৰা ৰোস্তভে সকলো কথাৰ সন্ধেদ ললে।

ৰোস্তভ আৰু ইলিনে ঘোঁৰাত উঠি যেতিয়া গাঁৱৰ ৰাস্তাৰে আহিছিল, সেই সময়তে যেৰিয়াই আলপাতিচ, লিপিৰী, বুঢ়ী ধাইজনীৰ কাৰো হকাবধা নুশুনি গাড়ীত ঘোঁৰা জুতিবলৈ দিছিল আৰু যাবলৈ ওলাইছিল। কিন্তু গাৰোৱানবোৰে অশ্বাৰোহী ক্ষাটো বুলি ভাবি ভয়তে লৰ দিলে।

ৰোস্তভ যেৰ দুৱাৰমুখ পাওঁতেই বাইকীবোৰ ওলাই আহি চিঞৰিবলৈ

ধৰিলে, "আপুনি পৰম দয়ালু! ৰক্ষক! ভগৱানে আপোনাক পঠিয়াইছে।"
মেৰিয়া অসহায় হৈ তাতেই কোঠাটোত বহি আছিল। বোস্তভক কোঠাটোলৈ নিয়া হ'ল। তেওঁ কোন, ইয়ালৈ কিয় আহিছে, কি কথা মেৰিয়াই একোকে বুজি নাপালে। কিন্তু কছ মুখখন দেখি আৰু কথাই-বাৰ্তাই, আচাৰ-ব্যৱহাৰত সম্ৰান্ত বংশৰ মানুহ বুলি ধৰিব পাৰি মেৰিয়াই বোস্তভৰ ফালে চাই তাইৰ বিপদৰ কথা আবেগেৰে কবলৈ ধৰিলে।

বোস্তভে মেৰিয়াৰ মুখলৈ চাই, তয়ৰ কাহিনী শুনি ভাবিলে, "অবলিকভা শোকাভিভূতা, অকলশৰীয়া ছোৱালী এজনী বৰ্বৰ, বিদ্ৰোহী খেতিয়কবোৰৰ কৃপাপাত্ৰী হৈ আছে। দেখনে-শুনে, কথাই-বাৰ্তাই তাই কিমান নম্ৰ, কিমান ভদ্ৰ।" এই সাক্ষাতটো বোস্তভৰ মনত এটা আচৰিত ঘটনা যেন লাগিল।

এইবোৰ ঘটনা বাপেকৰ সৎকাৰৰ পিছদিনা হোৱা বুলি কওঁতে মেৰিয়াই কান্দিব খুজিছিল কিন্তু নিজৰ দুৰ্বলতা দেখুৱাই বোস্তভৰ অনুগ্ৰহ বিচাৰিবলৈ নুখুজিলে। বোস্তভৰ চকুৰ পানী ওলাল। মেৰিয়াই উজ্জ্বল চকুযুৰিৰে তাৰ মুখলৈ চালে।

বোস্তভে থিয় হৈ ক'লে, "প্ৰিন্সেছ, আপোনাক লগ পাই বৰ ভাল পালোঁ। আপোনাক কিবা কামত সহায় কৰিব পাৰিলে আৰু সুখী হম। আপুনি সোনকালে বাওনা হওক। আপোনাক আগবঢ়াই থবলৈ যদি আপুনি মোক অনুমতি দিয়ে তেন্তে সকলো দায়িত্ব মই লম। কোনেও আপোনাক আমনি কৰিবলৈ সাহস নকৰিব।" ৰাজপৰিয়ালৰ মহিলাসকলক যিদৰে সেৱা জনোৱা হয়, সেইদৰে বোস্তভে মেৰিয়াক ভক্তিভাৱে সেৱা জনাই দুৱাৰৰ ওচৰলৈ গ'ল।

বোস্তভে তাৰ কথা-বতৰাৰ দ্বাৰা দেখুৱালে যে যদিও সি মেৰিয়াক দেখি সুখী হৈছিল তথাপি বিপদৰ সুবিধা লৈ সি তাইৰ লগত চিনাকি হবৰ ইচ্ছা কৰা নাছিল। মেৰিয়াৰ বোস্তভক ভাল লাগিল। তাই কথাটো ভাবাত ক'লে, "মই আপোনাৰ শলাগ লৈছোঁ—কিন্তু এইবোৰ বোধকৰো আমাৰ বুজাক ভুলতে হে হৈছে, কাৰো দোষ নাই।" মেৰিয়াই কান্দি পেলালে। তাই ক'লে, "ক্ষমা কৰিব।" আকৌ এবাৰ সেৱা জনাই বোস্তভ কোঠাটোৰ পৰা ওলাই গ'ল।

"কেনে? ধুনীয়া নে? যোবজনী কিন্তু বৰ ধুনীয়া। তাইৰ নাক ফুলিযাছা।" কিন্তু বোস্তভক চিন্তাযুক্ত দেখি ইলিনে আৰু একো নকলে।

বোৰ্স্তভে ইডিনক ভ্ৰূকুটি কৰি চাই গাৰ্চৈলৈ গ'ল। "এই বদমাচইতক মই শেকা দিম।"

আলপাতিচে বোস্তভৰ পিছে পিছে আহি সুধিলে, "আপোনালোকে কি সিদ্ধান্ত কৰিলে?" বোস্তভে খঙেৰে ক'লে, "সিদ্ধান্ত? কি সিদ্ধান্ত, বিশ্বাসঘাতকী বুঢ়া! তুমি কি চাই আছা? খেতিয়কবোৰ অবাধ্য হৈছে—তুমি সিহঁতক চলাব নোৱাৰা? তুমি নিজেই বিশ্বাসঘাতক। মই সকলোকে চিনি পাইছোঁ— পিঠিৰ চামৰা কাঢ়িম···।"

বোস্তভ আগবাঢ়ি গ'ল। গালিমাত খায়ো আলপাতিচে বোস্তভৰ পিছে পিছে খেতিয়কবোৰৰ কথা কৈ গ'ল। আলপাতিচে ক'লে যে খেতিয়কবোৰে এটা কথাকে ধৰি আছে। কাৰো কথা নুশুনে, সশস্ত্ৰ বাহিনী নহলে সিহঁতক দমন কৰা টান হব। বোস্তভে ক'লে, "বাৰু, মই সিহঁতক সশস্ত্ৰবাহিনী দিম।" বোস্তভৰ মনৰ বল, ভ্ৰূকুটি দেখি ফল ভাল হব বুলি আলপাতিচৰ বিশ্বাস হ'ল।

খেতিয়কবোৰৰ ওচৰলৈ গৈ বোস্তভে আদেশ দিলে, "সকলোৱে শুনা, এই মুহূৰ্ত্ততে সকলো ঘৰাঘৰি যোৱা। ইয়াত প্ৰাণীও নাথাকিবা। মই তোমালোকৰ মাত শুনিব নোখোজোঁ।"

খেতিয়কবোৰে ইজনে সিজনক দুষি কলে, "কেলেই? আমি তো কোনো অনিষ্ট কৰা নাই? এইবোৰ আমাৰ মূৰ্খালি··· মই সদায়ে কৈ অহোঁ—যে কথাটো ভাল হোৱা নাই।"

আলপাতিচে ক'লে, "চোৱা, তোমালোকে বেয়া কৰিছা বুলি মই কোৱা নাছিলোঁ জানো?"

"হয় আলপাতিচ, ই আমাৰ মূৰ্খালি।" খেতিয়কবোৰ সিঁচৰিত হ'ল।

দুঘন্টাৰ ভিতৰতে লাগতিয়াল গাড়ী, ঘোঁৰা বোগুচাৰোভৰ ঘৰৰ চোতালত হাজিৰ হ'ল। খেতিয়কবোৰে লৰালৰিকৈ মালবস্তুবোৰ গাড়ীত বোজাই দিলে।

মেৰিয়াই কিবা ভাবিব পাৰে বুলি বোস্তভে উপযাচি মেৰিয়াৰ তালৈ আৰু নগ'ল। সি গাঁৱৰ ৰাস্তাতে মেৰিয়াৰ কাৰণে ৰৈ থাকিল। মেৰিয়াৰ গাড়ী আহিলত সি ঘোঁৰাত উঠি মেৰিয়াক ন মাইল দূৰলৈকে আগবঢ়াই থলে। এখন হোটেলত অনুমতি লৈ বোস্তভে মেৰিয়াৰ হাতত চুমা খাই বিদায় ললে।

জাইক ৰক্ষা কৰাৰ কাৰণে মেৰিয়াই বোস্তভৰ শলাগ লোৱাত বোস্তভে ক'লে,

"মই নো কি কৰিছোঁ! যি কোনো পুলিচ কৰ্মচাৰীয়ে এইখিনি কৰিলেহেঁতেন। অকল খেতিয়কবোৰৰ লগত যুদ্ধ কৰা হ'লে, শত্ৰুক আমি ইমানখিনি আগবাঢ়িব নিদিলোঁহেঁতেন। আপোনাৰ লগত চিনাকি হ'বলৈ পাইহে মই সুখী হৈছোঁ। এতিয়া বিদায় লওঁ। আশা কৰোঁ আপুনি সুখ, সান্ত্বনা পাব। ভাল অৱস্থাত আপোনাক আকৌ লগ পাম বুলি আশা কৰিলোঁ। মোক ধন্যবাদ দি আৰু লাজ নিদিব।"

মেৰিয়াই কথাৰে ৰোষ্টভক আৰু ধন্যবাদ নিদিলে হয় কিন্তু তাইৰ গোটেই মুখখন কৃতজ্ঞতাৰে উপচি পৰিল। ৰোষ্টভক ধন্যবাদ দিবৰ কোনো কাৰণ নাই বুলি তাই ভাবিবই নোৱাৰে। তাই ভাবিলে ৰোষ্টভেই তাইক ৰক্ষা কৰিছে। তেওঁ নহা হ'লে বিদ্ৰোহী খেতিয়ক নাইবা ফৰাচীৰ হাতত তাই লাঞ্ছনা ভুগিব লাগিলহেঁতেন—ই ধ্ৰুৱ। তাইক বচাবৰ কাৰণে ৰোষ্টভ নিজে বিপদৰ সম্মুখীন হৈছে। তাৰ উপৰিও ৰোষ্টভৰ অন্তৰখন উদাৰ, মহৎ কাৰণে তাইৰ বিপদত, শোকত—সহানুভূতি দেখুৱাইছে। তাই কান্দি কান্দি যেতিয়া তাইৰ দুখৰ কাহিনী কয়, তেওঁৰ চকুপানী ওলাইছিল। তেওঁৰ মনটো কিমান উদাৰ, মৰমিয়াল। ৰোষ্টভে বিদায় লৈ যোৱাৰ পাছত মেৰিয়াই অকলে চকুৰ পানী টুকি ভাবিছিল, "মই তেওঁৰ প্ৰেমত পৰিলোঁ নেকি?"

মস্কোলৈ যাওঁতে ডুনিয়াছায়ো মেৰিয়াৰ লগত একেখন গাড়ীতে গৈছিল। ডুনিয়াছাই লক্ষ্য কৰিলে যে মেৰিয়াই ঘনেপতি খিড়িকীৰে চাইছে আৰু এই দুখৰ সময়তো হঠাতে তাইৰ মুখত সুখৰ হাঁহি বিৰিঙি উঠে।

"প্ৰেমত পৰিলোঁৱেই বা তাতে নো কি হ'ল?" প্ৰেমত পৰা কথাটো মেৰিয়াৰ নিজৰ আগতে স্বীকাৰ কৰিবলৈ লাজ পাইছে। কাৰণ ৰোষ্টভে হয়তো তাইৰ কথা কেতিয়াও নাভাবিব। মেৰিয়াই নিজকে এই বুলি সান্ত্বনা দিলে যে জীৱনত যদি প্ৰথম আৰু শেহবাৰৰ কাৰণে তাই মনতে ভালো পাইছে—তাৰ কাৰণে তাই দোষী নহয়।

মেৰিয়াই খিড়িকীৰে বাহিৰলৈ চায় আৰু ডুনিয়াছালৈ চাই মিচিকি হাঁহে। ৰোষ্টভৰ মুখখন, তেওঁৰ সহানুভূতি, তেওঁৰ কথাবোৰ মনত কৰি তাইৰ সুখৰ সপোন একেবাৰে অসম্ভৱ নহয় বুলি মেৰিয়াই ভাবে। "ঠিক সেই সময়তে তেওঁ বোগুচাৰোভলৈ আহিল! তেওঁৰ ভনীয়েকেই এণ্ড্ৰুৰ লগত বিয়াত বহিবলৈ অমান্তি হ'ল!" মেৰিয়াই ভাবিলে—সকলো ভগৱানৰ মহিমা!

ৰোষ্টভৰো মেৰিয়াক বৰ ভাল লাগিল। মেৰিয়াৰ কথা ভাবিলেই

তাৰ ভাল লাগে। তাৰ যোগুচাৰোত অভিযানৰ কথা শুনি নগৰীয়াবোৰে তাক জোকায়। ঘাঁহ বিচাৰি গৈ কছিয়াৰ তাঙৰ উত্তৰাধিকাৰিণীজনীক বুটলিলে। নগৰীয়াবোৰে ঠাট্টা কৰিলে ৰোস্তভৰ খং উঠে। প্রিন্সেছ মেৰিয়া ধীৰ, নম্র, ধুনীয়া আৰু বৰ চহকী। তাইক বিয়া কৰোৱা ভাবটো ৰোস্তভৰ মনত আপোনাআপুনি বহবাৰ খেলিছিল। তাৰ মতে মেৰিয়াক বিয়া কৰাব পাৰিলে নিকলয়ক আৰু অইন ছোৱালী নালাগে। তাইক বিয়া কৰালে মাকো সুখী হব আৰু বাপেকৰ আৰ্থিক অৱস্থাৰো উন্নতি হব। আৰু নিকলয়ে ভাবিলে যে বিয়াখন হলে বোধকৰো প্রিন্সেছ মেৰিয়াও সুখী হব পাৰিব।

# সপ্তম অধ্যায়

প্ৰধান সেনাপতিৰ পদত নিযুক্ত হৈয়ে কুতুজভে প্ৰিন্স্ এণ্ড্ৰুক যাই শিবিৰলৈ মাতি পঠালে। প্ৰিন্স্ এণ্ড্ৰুৱে দেখা কৰিবলৈ আহি শুনিলে যে প্ৰধান সেনাপতি সেনাবাহিনী পৰিদৰ্শনৰ কাৰণে ওলাই গৈছে। গে'টৰ ওচৰত এখন বেঞ্চিত বহি তেওঁ প্ৰধান সেনাপতিৰ কাৰণে বৈ থাকিল।

দাড়ি-গোঁফ নথকা এজন অশ্বাৰোহী কৰ্মচাৰী গে'টৰ ওচৰলৈ আহি এণ্ড্ৰুক প্ৰধান সেনাপতিৰ কথা সুধিলে। এণ্ড্ৰুৱে কলে যে তেৰোঁ প্ৰধান সেনাপতিক লগ পাবলৈ এইমাত্ৰ আহিছে। কৰ্মচাৰীজনে তেতিয়া এজন আজ্ঞাবাহকক সুধিলে। প্ৰধান সেনাপতিৰ আজ্ঞাবাহকবোৰে সাধাৰণতে কৰ্মচাৰীসকলক বিদৰে কয় সিও অৱজ্ঞাৰ সুৰত ক'লে, "প্ৰধান সেনাপতি! এতিয়াই আহিব। আপোনাৰ কি সকাম?" কৰ্মচাৰীজনে আজ্ঞাবাহকৰ ব্যৱহাৰত অসন্তুষ্ট হৈ ঘোঁৰাৰ পৰা নামিল। ঘোঁৰাটো এজন লগুৱাক ধৰিবলৈ দি এণ্ড্ৰুৰ ওচৰলৈ গৈ অভিবাদন জনালে। এণ্ড্ৰুৱে বহিবলৈ কোৰাত কৰ্মচাৰীজন এণ্ড্ৰুৰ লগতে বেঞ্চিখনত বহিল।

কৰ্মচাৰীজনে ক'লে "শুনিছোঁ, এওঁ হেনো সকলোৰে লগত দেখাসাক্ষাৎ কৰে। আপুনি যুদ্ধত নামিছে নে নাই?"

এণ্ড্ৰুৱে ক'লে, "অকল যুদ্ধত যোগ দিয়াই নহয়, এই যুদ্ধতে মোৰ ধন-সম্পত্তি, ঘৰ-বাৰী সকলো নাশ হ'ল—শেহত সেউটা ঢুকাল। মোৰ ঘৰ স্মোলেনস্কত।"

এণ্ড্ৰুৰ হাতত ধৰি মৰমেৰে মুখলৈ চাই কৰ্মচাৰীজনে ক'লে, "ও আপুনিয়ে প্ৰিন্স্ বল্‌কন্‌স্কি নেকি? চিনাকি হৈ ভাল পালোঁ। মই লেফটেনাণ্ট কৰ্ণেল দেনিচভ—অৱশ্যে মোক সকলোৱে "ভাচকা" বুলিয়ে মাতে। আপোনাৰ কথা মই শুনিছোঁ। আপুনিয়ে প্ৰিন্স্ এণ্ড্ৰু বল্‌কন্‌স্কি। চিনাকি হৈ বৰ ভাল লাগিল।"

দেনিচভে যুদ্ধ পৰিচালনা সম্পৰ্কে নিজৰ পৰিকল্পনাটোৰ কথা এণ্ড্ৰুক ক'লে। এই পৰিকল্পনাৰ কথা দেনিচভে বাৰ্কলিক কৈছে, এতিয়া কুতুজভক কবলৈ আহিছে। তাৰ পদ্ধতি মতে যুদ্ধ কৰিলে হেনো ৰুছিয়াৰ জয়লাভ সুনিশ্চিত। তাৰ পৰিকল্পনা মতে ফৰাচী বাহিনীক মাজতে হঠাতে আক্ৰমণ কৰি ছিন্‌ভিন্ কৰিব লাগে যাতে সিহঁতৰ ভিতৰত যোগাযোগ থাকিব

নোৱাৰে। "গোটেই বাহিনী সিহঁতে ৰক্ষা কৰিব নোৱাৰে—অসম্ভব। মোক পাঁচ শ সৈনিক দিয়ক, মই ছিন্‌ভিন্‌ কৰি দিম। গৰিলা যুদ্ধৰ বাহিৰে সিহঁতক হেৰুৱাবলৈ আৰু উপায় নাই।" দেনিচভে উত্তেজিত হৈ থিয় দি তাৰ পৰিকল্পনাৰ কথা এগুক কৈ আছিল। এনেতে সৈন্যৰ কোলাহল, জয়ধ্বনি, গীত, বাজনা শুনা গ'ল। সেইটত শব দি থকা অশ্বাৰোহী সৈনিকজনে চিঞৰি ক'লে, "প্ৰধান সেনাপতি আহিছে।"

এগু আৰু দেনিচভ গে'টলৈ আগবাঢ়ি গ'ল। কুতুজভ এটা চুটি-চাপৰ ঘোঁৰাত উঠি আহিছে। পিছে পিছে এদল কৰ্মচাৰী শাৰী পাতি আহিছে। বাৰ্কলি কুতুজভৰ লগে লগে আহিছে। তেওঁলোকৰ চৌপাশে বহুতো কৰ্মচাৰীয়ে জয়ধ্বনি কৰিছে। গে'টৰ আগত অশ্বাৰোহী সেনাদলৰ অভিবাদন গ্ৰহণ কৰি কুতুজভে সিহঁতৰ ফালে এক মিনিট চালে। তাৰ পাছত সেনাপতি, কৰ্মচাৰীসকলৰ পৰা বিদায় লৈ এগু আৰু দেনিচভৰ কাষেদি গে'টৰ ভিতৰত সোমাল।

কুতুজভ আগতকৈ শকত হৈছে। এগুক প্ৰথমতে তেওঁ চিনি পোৱা নাছিল। পাছত চিনি পাই মাতিলে, "অ' প্ৰিন্স্ এগু, কি খবৰ? কেনে আছা? আঁহা, আঁহা। বাৰাণ্ডাত এখন বেঞ্চিত বহি চোলাৰ বুতামবোৰ খুলি লৈ এগুক সুধিলে, "তোমাৰ দেউতাৰা কেনে আছে?"

"তেওঁৰ পৰলোক হোৱা বুলি কালি খবৰ পাইছোঁ।"

কুতুজভৰ মুখখন শেঁতা পৰিল। তেওঁ এগুৰ মুখলৈ চালে। পিছত টুপীটো সোলোকাই ভগৱানৰ নাম ললে। "পৰলোকত তেওঁ শান্তি পাওক! সকলো ভগৱানৰ ইচ্ছা।" দীঘলকৈ এটা হুমুনিয়াহ কাঢ়ি ক'লে, "মই তেওঁক খুব ভাল পাইছিলোঁ—অগাধ শ্ৰদ্ধা কৰিছিলোঁ। তোমাৰ শোকত মই আন্তৰিক সমবেদনা অনুভৱ কৰিছোঁ।" কুতুজভে এগুক সাৱটি ধৰিলে। তেওঁৰ ওঁঠ দুটা কঁপিবলৈ ধৰিলে, চকুৰ পানী ওলাল।

"আহা, ঘৰৰ ভিতৰলৈ আহা—কথা পাতোঁ", এই বুলি কুতুজভে হাতত ভৰ দি বেঞ্চিত ধৰি থিয় হব খুজিছিল, এনেতে দেনিচভ আগলৈ আহিল। দেনিচভক দেখি কুতুজভ অলপ বিৰক্ত হ'ল। দেনিচভে নিজৰ পৰিচয় দি ক'লে, যে দেশৰ কল্যাণৰ কাৰণে সি এটা ডাঙৰ প্ৰস্তাৱ লৈ আহিছে। কুতুজভে পেটৰ ওপৰত হাত দুখন থৈ ক'লে, "দেশৰ কল্যাণৰ কাৰণে? ই কি কথা? বাৰু, কোৱা।" দেনিচভে লাজতে ৰঙা পৰি তাৰ পৰিকল্পনাৰ কথাটো বহলাই কলে। কুতুজভে

নিজৰ ভৰি দুখনৰ ফালে চাইছে আৰু মাজে মাজে ওচৰৰ সৰু ঘৰটোৰ চোতাললৈ চাইছে যেন তাৰ পৰা কিবা বিপদৰ হে আশংকা কৰিছে। অলপ পাছতে সেই ঘৰটোৰ পৰা কিছুমান কাগজ-পত্ৰ লৈ এজন সেনাপতি ওলাই আহিল। দেনিচভৰ কথাৰ মাজতে কুতুজভে সেনাপতিজনক সুধিলে, "কি ? তুমি সাজু হৈ আহিছা ?"

"হয়, হুজুৰ।"

কুতুজভে মূৰ জোকাৰি ভাবিলে, "এজন মানুহে এইটো কেনেকৈ কৰিব ?"

দেনিচভে ক'লে, "মই শপত খাইছোঁ। মই নেপোলিয়নৰ বাহিনীৰ যোগাযোগ বিচ্ছিন্ন কৰিমেই।"

কুতুজভে সুধিলে, "বাৰু, কিৰিল আঁন্দ্ৰেইভিচ দেনিচভ তোমাৰ কিবা হয় নেকি ?"

"হুজুৰ, তেওঁ মোৰ খুৰাদেউ।"

কুতুজভে খুচী হৈ ক'লে, "অ', তেওঁ দেখোন আমাৰ নিজৰ মানুহ। বাৰু, বাৰু, তুমি আমাৰ লগত ইয়াতে থাকা। কালিলৈ তোমাৰ লগত কথা হ'ব।"

দেনিচভক বিদায় দি কুতুজভে সেনাপতিজনে অনা কাগজ-পত্ৰবোৰলৈ হাত মেলিলে। সেনাপতিজনে অলপ অসন্তুষ্টিৰ সুৰত ক'লে, "হুজুৰ ঘৰৰ ভিতৰলৈ গলেই ভাল আছিল। পৰিকল্পনাবোৰ ভালকৈ চাব লাগিব আৰু কিছুমান কাগজত চহী কৰিবও লাগিব।" কিন্তু কুতুজভে ঘৰৰ ভিতৰলৈ যোৱাৰ আগতে কামবোৰ শেষ কৰিব খোজে। "নালাগে, ইয়াতেই হ'ব। এখন মেজ আনি দিয়া।" প্ৰিন্স্ এণ্ড্ৰুৰ ফালে চাই ক'লে, "বহা, তুমি নাযাবা। তোমাৰ লগত কথা আছে। বৰ দুখৰ কথা। কিন্তু তুমি মোক তোমাৰ দেউতাৰা বুলি ভাবিবা।"

প্ৰিন্স্ এণ্ড্ৰুৱে বাপেকৰ মৃত্যুৰ কথা যি শুনিছিল আৰু ব্লিক হিলচলৈ গৈ যি দেখি আহিছিল, সকলো কথা কুতুজভে ক'লে। এণ্ড্ৰুৰ কথাৰ পৰা ৰুছিয়াৰ বৰ্তমান অৱস্থা মনত পৰাত কুতুজভে হঠাতে চিঞৰি উঠিল, "বৰ্তমানে আমাৰ যি দুৰ্দশা হৈছে ভাবিবই নোৱাৰি।" অলপ ৰৈ ক'লে, "ৰবা, ৰবা, তোমাক মই মাতি পঠিয়াইছিলোঁ—তোমাক মোৰ লগত ৰাখিম বুলি।"

প্ৰিন্স্ এণ্ড্ৰুৱে নম্ৰভাৱে ক'লে, "হুজুৰৰ শলাগ লৈছোঁ—কিন্তু এতিয়া বোধকৰো মই আৰু আপোনাৰ কৰ্মচাৰী কামৰ কাৰণে অনুপযুক্ত। আৰু তাতকৈ কথা সেনাদলটো মোৰ ভাল লাগিছে। মোৰ সেনাদলৰ কৰ্মচাৰী-

সকলক মই ভাল পাওঁ আৰু যোধকবো তেওঁলোকেও মোক ভাল পায়। এই সেনাদলটো এৰি আহিবলৈ বেয়া লাগিব। আপোনাৰ লগত থকাতকৈ তাত থাকিলেহ যোদ্ধকবো কামো হব।"

কুতুজভে অলপ ভাবি ক'লে, "তুমি থাকিলে মোৰ কামত বহুতো সহায় হ'লহেঁতেন। কিন্তু তুমি ঠিকেই কৈছা। আচল কামৰ মানুহ মোৰ ইয়াত নালাগে। পৰামৰ্শ দিওঁতা বহুতো আছে কিন্তু আচল কামৰ মানুহ পোৱা টান। পৰামৰ্শ দিওঁতাসকলে তোমাৰ নিচিনাকৈ সেনাবাহিনীত কাম কৰা হলে, আমাৰ এই অৱস্থা নহয়। অস্টাৰলিজত তুমি পতাকা হাতত লৈ যোৱা দৃশ্যটো এতিয়াও জলজল পটপটকৈ মোৰ মনত আছে।" কথাটো মনত পৰি এণ্ড্ৰুৰ বৰ ভাল লাগিল। কুতুজভে এণ্ড্ৰুক সাৱটি ধৰি চুমা খালে। কুতুজভৰ আকৌ চকুপানী ওলাল। এণ্ড্ৰুৱে জানে যে কুতুজভৰ অলপতে চকুৰ পানী ওলায় আৰু তেওঁৰ শোকত সহানুভূতি দেখুৱাবৰ কাৰণেই কুতুজভে তাক ইমান মৰম দেখুৱাইছে। তথাপি কুতুজভে অষ্টাৰলিজৰ কথা সোঁৱৰাই দিয়াত এণ্ড্ৰুৱে মনত বৰ বং পালে।

কুতুজভে ক'লে, "নিজ কৰ্তব্যৰ বাটত আগবাঢ়ি যোৱা। ভগবান তোমাৰ সহায় হব। তুমি আচল বাট লৈছা। বাৰু, এতিয়া বিদায়। তোমাৰ শোক মই অন্তৰেৰে অনুভৱ কৰিছোঁ। মনত ৰাখিবা মই তোমাৰ প্ৰধান সেনাপতি নহওঁ—তোমাৰ দেউতাৰা। কিবা লাগিলে মোৰ ওচৰলৈ আহিবা। আশীৰ্বাদ কৰিছোঁ, যোৱা।" এণ্ড্ৰুক সাৱটি ধৰি আকৌ চুমা খালে।

কুতুজভৰ লগত সাক্ষাৎ কৰি যুদ্ধৰ ভৱিষ্যত গতি আৰু প্ৰধান সেনাপতিৰ বিষয়ে প্ৰিন্স্ এণ্ড্ৰুৰ ধাৰণা বদ্ধমূল হ'ল। এই বুঢ়া প্ৰধান সেনাপতিজনৰ ব্যক্তিগত কোনো মতামত নাই। তেওঁ কোনো পৰিকল্পনা নকৰি, ধৈৰ্য্য ধৰি সময়ৰ গতিলৈ বাট চাই থাকে। যি হব তাক বাধা দি ৰাখিব নোৱাৰি। তেওঁ সকলোৰে কথা শুনে, ভাবে, ভাল কামত বাধা নিদিয়ে, বেয়া কাম কৰিবলৈ নিদিয়ে। কিন্তু নিজ ইচ্ছাৰে তেওঁ একো নকৰে। নিজ ইচ্ছাতকৈ ডাঙৰ বস্তু হৈছে নিয়তি। ধৈৰ্য্য ধৰি সুসময়ৰ কাৰণে তেওঁ বৈ থাকে। তেওঁৰ ওপৰত মানুহৰ বিশ্বাস থকাৰ আই কাৰণ হ'ল—তেওঁৰ কষ্ট—কষ্টিয়াৰ কাৰণে তেওঁৰ প্ৰাণ কান্দে। এই জাতীয় ভাবৰ কাৰণেই তেওঁক প্ৰধান সেনাপতিৰ বাব দিয়া হয়।

# অষ্টম অধ্যায়

কেবাদিনৰো পাছৰ চবিশ তাৰিখে বতৰ ভাল হ'ল। সেইদিনাই দুপৰীয়া খাই-বৈ পিয়াৰ মস্কোৰ পৰা ৰাওনা হ'ল। ৰাতি পেৰহুস্কোভো পাই পিয়াৰে শুনিলে সেই দিনাখনেই গধূলি হেনো ছেভাৰদিনোত এখন যুদ্ধ হৈছিল। কিন্তু যুদ্ধত জয় হ'ল নে পৰাজয় হ'ল পিয়াৰক কোনেও সঠিককৈ কব নোৱাৰিলে। ৰাতিপুৱা পিয়াৰ মস্কো পালেগৈ। মস্কোৰ সকলো ঘৰ, হোটেল সৈনিক আৰু কৰ্মচাৰীৰে ভৰি আছে। তাৰ আৰু থাকিবলৈ ঠাই নাই।

চবিশ তাৰিখে ছেভাৰ্ডিনোৰ গড়ৰ আগত যুদ্ধ হয়। পচিশ তাৰিখে কোনো পক্ষৰ পৰা গুলি চলোৱা হোৱা নাই। ছাব্বিশ তাৰিখে বৰোডিনত যুদ্ধ হয়।

পচিশ তাৰিখে ৰাতিপুৱা পিয়াৰ মোজেস্কৰ পৰা তাতৰিনোভোলৈ গ'ল। বাটত আহত সৈনিকসকলৰ গাড়ী লগ পালে। এঘাৰ বজাত এডোখৰ ওখ ঠাইত পিয়াৰ গাড়ীৰ পৰা নামিল। ওচৰেদি স্মোলেনস্কৰ সদৰ ৰাস্তাটো ধঁকাই-পকাই এখন গাঁৱৰ মাজেদি গৈছে। গাঁওখনত এটা বগা গীৰ্জা আছে। ওখ ঠাইডোখৰৰ নামনিত এশ খোজমান আগতে এই গাঁওখন। এইখনেই বৰোডিনো। বৰোডিনো পাৰ হৈ চাৰি মাইলমান দূৰৈত ৰাস্তাটো ভেলুভ নামেৰে এখনি সৰু গাঁৱত লাগিছে। নেপোলিয়ন বৰ্তমানে এইখন গাঁৱত আছে। হাবি-জংঘলৰ কাৰণে ভেলুভৰ পাছত ৰাস্তাটো দেখা নাযায়। ৰাস্তাৰ সোঁফালে কলোস্কি মঠৰ ঘণ্টা আৰু ক্ৰচ দেখি। দূৰৈত ৰাস্তাৰ দুয়ো ফালে শিবিৰৰ ধোঁৱা দেখি। সোঁফালৰ ঠাইবোৰ ওখ, পাহাৰ; বাওঁফালৰ ঠাইবোৰ সমতল। তাত খেতিপথাৰ আছে। তাত এখন গাঁও জ্বলাই দিছে—ধোঁৱাবোৰ দেখি।

পিয়াৰে যুদ্ধক্ষেত্ৰ বিচাৰি আহিছিল কিন্তু যুদ্ধক্ষেত্ৰ ক'তো নেদেখে। সি সকল খেতি-পথাৰ, নৈ, পাহাৰ, গাঁও, হাবি, সেনাৰ শিবিৰ—এইবোৰ হে দেখে। দূৰৈত থকা সেনাবোৰৰ কোনবোৰ ৰুছ, কোনবোৰ ফৰাচী তাকো সি ধৰিব নোৱাৰে।

এজন সামৰিক কৰ্মচাৰীক দেখি পিয়াৰে সুধিলে, "আমাৰ আগত সেইখন কি গাঁও?"

কৰ্মচাৰীজনে বেসামৰিক প্ৰকাণ্ড মানুহজনক দেখি ক'লে, "এইখন বৰোডিনো।"

"সেইবোৰ আমাৰ মানুহ নেকি ?"

"হয়, তাৰ সিফালে থকাবোৰ ৰুছৰ। সিইত সৌ তাত আছে।"

"ক'ত ? ক'ত। ?"

কৰ্মচাৰীজনে বাওঁফালে নদীৰ সিপাৰে ধোঁৱা দেখুৱাই ক'লে, "চোৱা, সৌবোৰ।" লগে লগে কৰ্মচাৰীজনৰ মুখখন গহীন হ'ল।

বাওঁফালে এডোখৰ ওখ ঠাইত কিছুমান সৈনিক দেখি পিয়াৰে সুধিলে, "তাত সৌবোৰ কি ?"

"সৌবোৰ আমাৰ মানুহ।"

দূৰৈত এখন পাহাৰৰ মাজত এখন গাঁৱৰ ওচৰত এডোখৰ ওখ ঠাইত শিবিৰৰ ধোঁৱা দেখি পিয়াৰে সুধিলে, "সৌ তাত নো কি আছে ?"

"সেইটো ফৰাচীৰ গড়। তাত তেওঁ নিজে আছে। সৌখন ঠাই কালি আমাৰ আছিল কিন্তু এতিয়া তেওঁৰ।"

"তেন্তে এতিয়া আমাৰ অৱস্থা কি ?"

কৰ্মচাৰীজনে মিচিকিয়াই হাঁহি ক'লে, "আমাৰ অৱস্থা ? মই তোমাক ভালকৈ বুজাই দিব পাৰিম কাৰণ আমাৰ প্ৰায়বিলাক গড় মই সাজিছোঁ।" সন্মুখৰ গাওঁ এখনৰ এটা বগা গীৰ্জালৈ আঙুলিয়াই ক'লে, "সৌ বৰোডিনক্ষে আমাৰ কেন্দ্ৰ।" সোঁফালে দূৰৈত পাহাৰৰ মাজৰ গহ্বৰলৈ আঙুলিয়াই ক'লে, "আমাৰ সোঁফালৰ বাহিনী তাত আছে। তাতে আমি তিনিটা ডাঙৰ গড় সাজিছোঁ। কিন্তু বাওঁফালৰ বাহিনীৰ কথা কোৱা টান। ফৰাচীবিলাকে সৌ যে ওখ গছজোপা দেখিছা—আমাৰ বাওঁফালৰ বাহিনী কালি তাত আছিল। কিন্তু আমি বাহিনীটো পিছুৱাই আনিছোঁ। এতিয়া সৌ যে ধোঁৱা দেখিছো— সেই গাওঁখনত আছে। তাত যুদ্ধ হোৱাৰ সম্ভাৱনা নাই। তথাপি কাইলৈ হাজিৰা কৰাৰ সময়ত বহুতো মানুহ গোৱা নাযাব।"

এনেতে বৰোডিনৰ পথ্য এটা সমদল আহিল। আগে আগে অশ্বাৰোহী সেনাৰ দল আৰু পদাতিক বাহিনীৰ পিছত গীৰ্জাৰ সঙ্গীত ধ্বনি। কৰ্মচাৰী, সৈনিক, খেতিয়ক সকলো লবি আহি টুপী সোলোকাই সমদলত যোগ দিছে।

মোলেনস্কৰ অধিষ্ঠাত্ৰী গোঁসানীৰ বিগ্ৰহটো লৈ এওঁলোকে শোভাযাত্ৰা কৰিছে। গাঁৱৰ সেৱকসকলৌ, খেতিয়ক সকলো আৰু-আৰু এৰি সমদলত যোগ

নিছে। পিছে পিছে পুৰোহিতসকল গৈছে। সৈনিক, কৰ্মচাৰীসকলে প্ৰকাণ্ড পৱিত্ৰ ছাতিটো কঢ়িয়াই নিছে। এই বিগ্ৰহটো স্মোলেনস্কৰ পৰা আহোঁতে লৈ আনিছে। তেতিয়াৰ পৰা এই বাহিনীয়ে ইয়াক লগে লগে লৈ ফুৰিছে। বিগ্ৰহটোৰ আগে-পাছে, চৌপাশে সৈনিকবোৰ শুদা মূৰে, মূৰ দোঁৱাই গৈছে।

এজন শকত-আৱত বুঢ়া মানুহ বিগ্ৰহটোৰ ওচৰলৈ আহিল। সৈনিকসকলে সসম্ভ্ৰমে তেওঁক বাট এৰি দিলে। চেহেৰা দেখিয়েই পিয়াৰে মানুহজনক কুতুজভ বুলি চিনি পালে। এটা দীঘল চোলা পিন্ধি, শুদা মূৰে পুৰোহিতৰ পিছত থিয় হ'ল। পাছত মূৰ দোঁৱাই হাতেৰে মাটি চুই তেওঁ বিগ্ৰহটোক সেৱা কৰিলে। উপাসনাৰ পাছত কুতুজভে বিগ্ৰহটোৰ আগত আঁঠু লৈ আকৌ বন্দনা কৰিলে। বহু কষ্টেৰে থিয় হৈ বিগ্ৰহটোক চুমা খালে আৰু এখন হাতেৰে মাটি চুই সেৱা কৰিলে। কুতুজভক দেখি অইন সেনাপতিবোৰেও বিগ্ৰহক বন্দনা কৰিলে। তাৰ পাছত কৰ্মচাৰী, সৈনিক, দেশৰক্ষী সকলো ঠেলা-হেচা কৰি আগবাঢ়ি গৈ বিগ্ৰহটোক সেৱা কৰিলে। মানুহৰ হেচাঠেলাৰ মাজৰ পৰা ওলাই পিয়াৰে চাৰিওফালে চালে। এনেতে কোনোবাই মাতিলে, "পিয়াৰ, পিয়াৰ বেচুখভ, তুমি এইখিনি কেনেকৈ পালাহি?" পিয়াৰে উভতি চালে। বোৰিচ দ্ৰুবেৎস্কো হাঁহি হাঁহি পিয়াৰৰ ওচৰলৈ আহিল।

গাওঁখনৰ এটা ঘৰৰ ছাত এজন অশ্বাৰোহীয়ে এখন বেঞ্চি আনি দিলে আৰু আন এজনে বেঞ্চিখনৰ ওপৰত কম্বল পাৰি দিলে। কুতুজভ বেঞ্চিত বহিল আৰু কৰ্মচাৰীবোৰ তেওঁৰ চৌপাশে থিয় হ'ল। সমদলটো আগবাঢ়ি গ'ল। কুতুজভৰ পৰা ত্ৰিশ খোজমান আঁতৰত থিয় হৈ পিয়াৰে বোৰিচৰ লগত কথা পাতিছে। পিয়াৰে যুদ্ধত যোগ দিয়লৈ ইচ্ছা কৰে বুলি কোৱাত বোৰিচে ক'লে, "বাক মই সকলো ঠিক কৰি দিম। কাউণ্ট বেন্নিগচনৰ লগত থাকিলে সকলো ভালকৈ বুজিব পাৰিবা। মই তেওঁৰ লগতে আছোঁ। তোমাৰ কথা মই তেওঁক কম। যদি আমাৰ বাহিনী চাব খোজা, আমাৰ লগতে আহা। আমি এতিয়া বাওঁফালৰ বাহিনীলৈ যাম। তাৰ পৰা আহি ৰাতি মোৰ লগতে থাকিবা—তাচ খেলিম।"

"মই কিন্তু সোঁফালৰ বাহিনীটো হে চাব খুজিছিলোঁ। সেইফালৰ বাহিনীটো হেনো বৰ বলী। মজকা নৈৰ পৰা গৈ সম্পূৰ্ণ অৱস্থাটো চাব খুজিছিলোঁ।"

"সেইবোৰ পিছত চাব পাৰিবা কিন্তু বাওঁফালটোহে গুৰুত্বপূৰ্ণ।"

পিয়াৰে ক'লে, "বাৰু, বাৰু। প্রিন্স্ বল্‌কন্‌স্কিৰ সেনাদলটো নো ক'ত? মোক দেখুৱাই দিব পাৰা নে?"

"এণ্ড্রুৰ সেনাদলটো? আমি বাটতে পাম। বাৰু, তেওঁৰ ওচৰলৈ মই তোমাক লৈ যাম।"

কেবাজনো চিনাকি মানুহ আহি পিয়াৰৰ লগ লাগিল। সিহঁতে জাউৰিয়ে জাউৰিয়ে তাক মস্কোৰ খা-খবৰ সুধিলে। সিহঁতৰ সকলোৰে মুখত উত্তেজনা, উদ্বেগৰ ভাব। কিছুমানে ব্যক্তিগত কৃতকাৰ্যতাৰ কাৰণে উত্তেজিত হৈ আছে আৰু কিছুমানে জীৱন-মৰণৰ সমস্যাটৈল উদ্বিগ্ন।

পিয়াৰক দেখি কুতুজভে ক'লে, "তেওঁক মাতি আনা।"

এজন অনুচৰ গৈ পিয়াৰক মাতিলে। লগে লগে বোৰিচো আহি পিয়াৰক ক'লে, "খেতিয়ক দেশৰক্ষীবোৰ চাফা বগা কামিজ পিন্ধি মৰিবলৈ সাজু হৈ আছে। কি বীৰত্ব!"

আচলতে কুতুজভৰ কাণত পেলাবলৈ হে বোৰিচে এইখিনি কথা কৈছিল। এনেকুৱা কথা কুতুজভে ভাল পায় বুলি বোৰিচে জানে। আৰু সঁচাকৈয়ে কথাষাৰ শুনি কুতুজভে বোৰিচক সুধিলে, "দেশৰক্ষীৰ কথা কি কৈছা?"

"হুজুৰ, কালিলৈ মৰিবৰ কাৰণে সিহঁতে বগা কামিজ পিন্ধি সাজু হৈ আছে।"

কুতুজভে চকু মুদি হুমুনিয়াহ কাঢ়ি ক'লে, "সিহঁত অদ্ভুত, অসাধাৰণ মানুহ! অসাধাৰণ!" পিয়াৰৰ ফালে চাই ক'লে, "তুমি বাৰুদৰ গোন্ধ লব খুজিছা নেকি? এৰা, বৰ ভাল গোন্ধ। তোমাৰ পৈণীয়েৰাৰ মধ্যে এজন উপাসক আছিলোঁ। তেওঁৰ ভাল নে? তুমি মোৰ লগতে থাকিব পাৰিবা।"

বোৰিচে তাৰ সেনাপতিক পিয়াৰৰ কথা কলে আৰু তেওঁলোক লগতে বাহিনীৰ ফালে যাবলৈ কাউণ্ট বেন্নিগচনে পিয়াৰক অনুৰোধ কৰিলে।

আধা ঘণ্টা পাছত কুতুজভ বাত্তাবিনোভোলৈ উভতি গ'ল। বেন্নিগচন সদলবলে পিয়াৰক লৈ বাহিনী পৰিদৰ্শন কৰিবলৈ গ'ল।

গৰ্কীৰ পৰা বেন্নিগচন সদৰ ৰাস্তাৰে দলঙখনৰ ওচৰলৈ গ'ল। দলংখন পাৰ হৈ বৰোডিনো পালে। বাওঁফালে বহুতো মানুহ আৰু ঘিঁৰৈ আছে। সেইবোৰ এৰি এড়োখৰ ওখ ঠাইলৈ উঠিল। তাত দেশৰক্ষীসকলে মাটি খানি গড় সাজিছে। তাৰ পাচত তেওঁলোক খেতি-পথাৰৰ মাজেৰে আগবাঢ়ি গ'ল। তাত মানুহবোৰে মাটি কাটি ৰাস্তা সাজিছে। বেন্নিগচনে তাত ৰৈ সম্মুখৰ

কেভাবডিনোৰ গড়টোলৈ চালে। কালি এইডোখৰ ঠাই কহিয়াৰ আছিল। পাহাৰৰ ওপৰত কিছুমান অশ্বাৰোহী দেখা গৈছে। কৰ্মচাৰীবোৰে ক'লে যে তাত নেপোলিয়ন আৰু ম্যুৰা আছে। সকলোৰে আগ্ৰহেৰে অশ্বাৰোহী বোৰলৈ চালে। নেপোলিয়নক দেখে বুলি পিয়াৰেও আগলৈ চালে। অশ্বাৰোহীবোৰ পাহাৰৰ পৰা নামি অদৃশ্য হ'ল।

# নৱম অধ্যায়

সিদিনা আবেলি এখনি সৰু গাৱঁৰ তম্বুৰ ভিতৰত অকলে শুই শুই গ্রিফ্ এণ্ড্রুৱে নানান কথা ভাবিছে। সম্মুখৰ বান্ধনি ঘৰৰ পৰা ধোঁৱাবোৰ অঁকাই-পকাই ওপৰলৈ উঠিছে। সাত বছৰ আগতে অস্ট্ৰেলিয়াৰ আগত জীৱনৰ প্ৰতি তেওঁৰ যেনে বিতৃষ্ণা হৈছিল, আজিও যুদ্ধৰ আগদিনা তেওঁৰ তেনে ভাব হৈছে। এতিয়া তেওঁৰ হাতত কোনো কাম নাই। কালিৰ কাৰণে তেওঁ সেনাদলক সকলো লাগতিয়াল আদেশ উপদেশ দিছে। তেওঁ অকল ভাবিছে যে কাইলৈ তেওঁৰ মৃত্যুও হব পাৰে। কাইলৈ বৰ ডাঙৰ যুদ্ধ হব। তেওঁ মৃত্যুৰ বিভীষিকা দেখিলে। তেওঁৰ জীৱনৰ কাহিনীবোৰ ছায়াচিত্ৰৰ নিচিনা চকুৰ আগত ভাহিবলৈ ধৰিলে। দীঘলকৈ হুমুনিয়া কাঢ়ি তেওঁ ভাবিলে, "হয়, ইহঁতেই মোক সুখ, দুখত অভিভূত কৰি প্ৰবঞ্চনা কৰিছিল। এতিয়া দেখিছোঁ আশা, আকাঙ্ক্ষা সকলো মিছা, সকলো সপোন মাথোন। দেশপ্ৰেম, যশ, গৌৰৱ, নাৰীৰ প্ৰেম, সমাজৰ সকলো অসাৰ। কালিৰ অভিযানেই একমাত্ৰ সত্য। এই অভিযানতেই নতুন জীৱন লাভ কৰিব পাৰিম যেন লাগিছে।"

জীৱ-ৰ তিনিটা প্ৰধান দুখৰ ঘটনাৰ কথা বাৰে বাৰে এণ্ড্ৰুৰ মনলৈ আহে। এজনী ছোৱালীলৈ তেওঁৰ প্ৰেম, তেওঁৰ বাপেকৰ মৃত্যু আৰু ফৰাচী আক্ৰমণ—আধা কছিয়া দখল কৰিছে। "প্ৰেম! সেই দীপ্লিপ্ ছোৱালীজনীক মই ভাল পাইছিলোঁ। তাইক কেন্দ্ৰ কৰি ভৱিষ্যত সুখৰ স্বপ্নৰাজ্য ৰচিছিলোঁ। কিমান কৰিলাৰ প্ৰেৰণা পাইছিলোঁ! এবছৰৰ কাৰণে তাইক এৰি আহিবৰ সময়ত ভাবিছিলোঁ—তাই মোক পাহৰিব নোৱাৰে। সাধুকথাৰ বিৰহিনী কুঁৱৰীৰ দৰে তাই মোৰ কথা ভাবি ভাবি শুকাই-খীণাই যাব। মই সহজে বিশ্বাস কৰিছিলোঁ। কিন্তু অনায়াসে সকলো ব্যৰ্থ কৰিলে—কি ভীষণ, ভয়ঙ্কৰ—কি ঘৃণনীয়!

"দেউতাই ৰিক হিলচত নতুনকৈ ঘৰদুৱাৰ সাজিলে। তেওঁ ভাবিছিল এই ঘৰ, এই গাওঁ, এই গাৱঁৰ মাটি, খেতিয়কবোৰ তেওঁৰ নিজা সম্পত্তি। কিন্তু হঠাতে ধুমুহাৰ দৰে ক'ৰপৰা নেপোলিয়ন আহি সকলো উৰাই লৈ গ'ল। যেতিয়াই কয়—ভগৱানে এই শাস্তি দিছে কিন্তু এতিয়া আৰু শান্তি ভোগ কৰিব নালাগে। তেওঁ এতিয়া ঢুকি পোৱাৰ বাহিৰত। তেওঁ আৰু নাহে। গতিকে কাক শাস্তি দিব?

"পিতৃভূমি, মস্কো-সকলো যাব। কিন্তু কাইলৈ ময়ো মৰিম। ফৰাচীৰ হাতত নমৰি, হয়তো আমাৰ এজনৰ হাতততেই মই মৰিব পাৰোঁ। কালি আমাৰ সৈনিক এজনে বন্দুক মাৰোঁতে গুলীটো কথমপিহে মোৰ গাত নালাগিল। মই মৰিলে বেয়া গোন্ধ ওলায় বুলি—ফৰাচীবিলাকে মৰাশটো মাটিত পুতি থব। নতুন অৱস্থাৰ সৃষ্টি হব। সেই বিষয়ে মই একো নাজানিম।"

সম্মুখৰ দেৱদাৰু গছৰ শাৰীবোৰলৈ চাই এণ্ড্রুৱে ভাবিলে, "মৃত্যুৱেই ভাল। কাইলৈ সিহঁতে মোক মাৰক। পৃথিৱীতে যাতে মোৰ কোনো চিনচাৰ নাথাকে। মোৰ সকলো শেষ হওক।" নিজক বাদ দি তেওঁ পৃথিৱীৰ অস্তিত্ব কল্পনা কৰিলে। দেৱদাৰু গছ, ডাৱৰ, ধোঁৱা, বেলিৰ পোহৰ, ছাঁ—সকলোৱে তেওঁৰ মনত ভয়াবহ বিভীষিকা সঞ্চাৰ কৰিলে। তেওঁৰ গোটেই গাটো কঁপিবলৈ ধৰিলে। অকলে থাকিব নোৱাৰা হ'ল। তেওঁ তম্বুৰ ভিতৰত পৰা বাহিৰলৈ ওলাই আহিল।

তম্বুৰ পিচফালে মানুহৰ মাত শুনি প্রিন্স্ এণ্ড্রুৱে মাতিলে, "কোন?" কাপ্তেন টিমোহিন আৰু এজন কৰ্মচাৰী এণ্ড্রুৰ আগলৈ আহি থিয় হ'ল। সিহঁতে এণ্ড্রুক গোটেই দিনটোৰ খা-খবৰ দিবলৈ আহিছে। এণ্ড্রুৱে সকলো লাগতিয়াল আদেশ-উপদেশ দি সিহঁতক বিদায় দিব এনেতে চিনাকি মাত শুনি উভতি চাই পিয়াৰক দেখিলে। প্রিন্স্ এণ্ড্রুৱে এতিয়া পুৰণি বন্ধু-বান্ধৱক লগ পালে ভাল নাপায়। বিশেষকৈ পিয়াৰক দেখি এণ্ড্রুৱে ভাল নাপালে। কাৰণ পিয়াৰক দেখিয়েই তেওঁৰ দুখৰ দিন কেইটালৈ মনত পৰিল। এণ্ড্রুৱে সুধিলে, "তুমিনো এইখিনি কেনেকৈ পালাহি? তোমাক দেখা পাম বুলি ভবাই নাছিলোঁ।"

প্রিন্স্ এণ্ড্রুৰ চকু, মুখৰ পৰাই পিয়াৰে বুজি পালে যে তাক দেখি এণ্ড্রুৱে ভাল পোৱা নাই। বৰং বেয়াহে পাইছে। পিয়াৰ যি উৎসাহ, আশা লৈ বন্ধুৰ ওচৰলৈ আহিছিল, এক নিমিষতে সকলো মৰহি গ'ল। পিয়াৰে সঙ্কুচিত হৈ ক'লে, "মই আহিছোঁ, এই বুজিছা—মই আহিছোঁ—কৌতূহল—যুদ্ধ চাবলৈ!"

কৰ্মচাৰীসকলে বিদায় লৈ যাব খুজিছিল কিন্তু প্রিন্স্ এণ্ড্রুৱে পিয়াৰৰ লগত অকলে থাকিবলৈ ইচ্ছা নকৰি—তেওঁলো ক'ক চাহ খাই যাবলৈ ক'লে। পিয়াৰে মস্কোৰ কথা আৰু সি দেখামতে ৰুছ বাহিনীৰ অৱস্থানৰ বিষয়ে কৈছে। কৰ্মচাৰীসকলে পিয়াৰৰ প্ৰকাণ্ড দেহাটোলৈ চাইছে আৰু তাৰ কথা শুনিছে। প্রিন্স্ এণ্ড্রুৱে একো মতা নাই: গহীন হৈ আছে। পিয়াৰে কথাবোৰ বলকনস্কিক নকৈ যেনিবা টিমোহিনকহে কৈছে।

প্ৰিন্স্ এণ্ড্ৰুৱে ক'লে, "তেন্তে আমাৰ সৈন্যৰ অৱস্থিতি তুমি ভালদৰে বুজি পাইছা ?"

"মই ভালকৈ বুজা বুলি কব নোৱাৰোঁ, কাৰণ মই সামৰিক মানুহ নহয়। তথাপি খুলমূলভাৱে পদ্ধতিটো বুজি পাইছোঁ।"

"নহয়, তুমি আমাতকৈ বেছি জনা হৈছা।"

পিয়াৰে সুধিলে, "কুতুজভক প্ৰধান সেনাপতিৰ পদত নিযুক্ত কৰাটো কেনে হোৱা বুলি ভাবা ?"

এণ্ড্ৰুৱে কলে, "মই যি জানো, তেওঁক নিযুক্ত কৰাত মই ভাল পাইছোঁ।"

"তেন্তে কালিৰ যুদ্ধত আমাৰ জয় হব বুলি ভাবা ?"

এণ্ড্ৰুৱে কলে, "নিশ্চয় জয় হব বুলি ভাবোঁ। মোৰ ক্ষমতা থকা হলে, মই এটা কাম কৰিলোঁহেঁতেন। মই যুদ্ধৰ বন্দী নিনিলোঁহেঁতেন। বন্দী নিয়াৰ অৰ্থ কি ? ফৰাচীবিলাকে মোৰ ঘৰদুৱাৰ নষ্ট কৰিছে, মস্কো ধ্বংস কৰিবলৈ আহিছে। সিহঁতে প্ৰতি মুহূৰ্তে মোক অৱমাননা কৰি আছে। সিহঁত মোৰ শত্ৰু। মোৰ মতে সিহঁত আটায়ে অপৰাধী। এইদৰে টিমোহিন আৰু তাৰ সৈনিকবোৰেও ভাবে। সিহঁতক হত্যা কৰিব লাগে।"

পিয়াৰে ক'লে, "ঠিকেই কৈছা। মই তোমাৰ মতটো সমৰ্থন কৰোঁ। মোৰো একে মত।"

মোজেস্ক পাহাৰৰ ওপৰত গোটেই দিনটো পিয়াৰৰ মনত যি প্ৰশ্ন উদয় হৈছিল, এতিয়া তাৰ ভাল সমিধান পালে। এতিয়া সি যুদ্ধৰ তাৎপৰ্য্য বুজি পালে। বাটত লগ পোৱা কৰ্মচাৰীবোৰ গহীন হোৱাৰ কাৰণ বুজি পালে। দেশপ্ৰেমতকৈও মৃত্যু বিভীষিকাই সিহঁতক বেছিকৈ অভিভূত কৰিছে। সিহঁত মৃত্যুৰ কাৰণে সাজু হৈছে।

প্ৰিন্স্ এণ্ড্ৰুৱে ক'লে, "আমি বন্দী নিয়া উচিত নহয়। তেতিয়া হলে যুদ্ধৰ ধাৰণা বদলি যাব, তিমান নিৰ্দয় যেন নালাগিব। যুদ্ধ লৈ খেমালি কৰা নীচতা। মহানুভৱতা লৈ খেমালি কৰা বেয়া। তিৰোতা মানুহে ৰক্তপাত দেখিব নোৱাৰে—ইমান মৰমিয়াল যে গৰু-ছাগলীক হত্যা কৰা দেখিলে মূৰ্চ্ছা যায়। কিন্তু সেই মঙহ খাই বৰ তৃপ্তি পায়। যুদ্ধত মহানুভৱতাও তেনেকুৱা। মানুহ যুদ্ধৰ নীতি নিয়মৰ কথা কয়, সন্ধিৰ কথা কয়, আহতৰ প্ৰতি দয়াৰ কথা কয়—কিন্তু ইয়াৰ কোনো অৰ্থ নাই। ১৮০৫ চনত মই বীৰত্ব, সন্ধিৰ কথা যথেষ্ট শুনিছিলোঁ। কিন্তু সিহঁতে আমাক প্ৰতাৰণা কৰিছে, আমি সিহঁতক প্ৰতাৰণা

কৰিছোঁ। সিহঁতে লোকৰ ঘৰ লুটপাত কৰিছে, মিছা টকা উলিয়াইছে, এনেকি মোৰ লৰা-ছোৱালী দেউতাক হত্যা কৰিছে। আৰু পাছত যুদ্ধৰ নীতি নিয়মৰ কথা কয়; পৰাজিত শত্ৰুৰ প্ৰতি বদান্যতাৰ কথা কয়। বন্দী কৰিব নালাগে। মাৰিবলৈ আৰু মৰিবলৈ যোৱা! বদান্যতাৰ কোনো কথা নাথাকিলে মানুহে অকল জীৱন দান কৰিব লগীয়া কাৰণতহে যুদ্ধ কৰিব। তেতিয়া হলে পভেলইভানিচে মাইকেল ইভানিচক অপমান কৰাৰ কাৰণে যুদ্ধ নহয়। কিন্তু এতিয়া যুদ্ধ লাগিছে যেতিয়া—ই প্ৰকৃত যুদ্ধ হওক। তেতিয়া যুদ্ধৰ গতি বেলেগ হব। বেলেগ ঠাইৰ মানুহে নেপোলিয়নৰ লগত কছিয়ালৈ যুদ্ধ কৰিবলৈ নাহে। প্ৰকৃত কাৰণ নাজানি আমিও অষ্ট্ৰিয়া বা প্ৰচিয়ালৈ যুদ্ধ কৰিবলৈ নগলোঁহেঁতেন। আমি জনা উচিত—যুদ্ধ আমোদ-প্ৰমোদৰ বস্তু নহয়। ইয়াৰ নিচিনা নীচ কাম নাই। যুদ্ধ লৈ খেমালি কৰা উচিত নহয়। যুদ্ধ আৱশ্যক হলেও ই ভয়াবহ আৱশ্যক। সেইদৰে আমি তাক গ্ৰহণ কৰিব লাগিব। যুদ্ধ খেমালি নহয়। যুদ্ধক যুদ্ধ বুলি লব লাগিব। নহলে ই চঞ্চলমতি, এলেহুৱাসকলৰ তামাচাহে হয়। সামৰিক বাবৰ মান-মৰ্য্যদা আছে। কিন্তু যুদ্ধ কি? যুদ্ধত জয় লাভ কৰিবৰ কাৰণে কি লাগে? যুদ্ধৰ উদ্দেশ্য হত্যা, প্ৰবঞ্চনা, দেশ ধ্বংস কৰা, সেনাবাহিনীৰ ভৰণপোষণ কাৰণে লুটপাত কৰা, মিছা, চতুৰালি। যুদ্ধত হয় এইবোৰ। আৰু ইয়াকে বোলে সামৰিক কৌশল। সামৰিক বিভাগৰ বিবেক, স্বাধীনতা নাথাকে। মূৰ্খৰ নিচিনাকৈ সকলো ৰকমৰ নিৰ্মম, বেয়া কাম কৰে আৰু মদ খায়। তথাপি সামৰিক বিভাগক মানুহে সন্মান কৰে। চীনৰ বাহিৰে সকলো দেশতে সামৰিক প্ৰতীক আছে আৰু যি যিমান বেছি মানুহ মাৰিব পাৰে, সি তিমান বেছি পুৰস্কাৰ পায়। পৰস্পৰক মাৰিবৰ কাৰণে সিহঁত গোট খায়—যেনেকৈ কাইলৈ আমি গোট খাম। হেজাৰ-বিজাৰ মানুহ হত্যা কৰে, বিকলাঙ্গ কৰে, পিছত যিমান মাৰে—তাতোকৈ বেছি মৰা বুলি কৈ সন্মান লাভ কৰে। যিমানে বেছি মানুহ মাৰে তিমানে তাঙৰ জয় বুলি গৌৰব অনুভৱ কৰে। ভগৱানে জানে ইহঁতক ক্ষমা কৰিব? ভাই, কিছুদিনৰ পৰা জীৱনটো মোৰ তিতা লাগিছে। মই বোধকৰো বেছি জনা হলোঁ। বেছিকৈ জনাটো মানুহৰ পক্ষে ভাল নহয়। যি হওক আৰু বেছি দিন নাই।" তাৰ পাছত এণ্ড্ৰুৱে হঠাতে পিয়াৰৰ মুখলৈ চাই ক'লে, "তোমাৰ টোপনি ধৰিছে। মোৰো শুৱৰ সময় হৈ গৈছে। গৰ্কীলৈ যোৱা।"

এণ্ড্ৰুৰ কথাত আচৰিত হৈ পিয়াৰে ক'লে, "মই নাযাওঁ।"

এণ্ড্ৰুৱে আকৌ ক'লে, "তুমি যাবই লাগিব। যুদ্ধৰ আগতে ভালকৈ টোপনি মাৰি লব লাগে।" এণ্ড্ৰুৱে পিয়াৰক সাৱটি ধৰি চুমা খাই ক'লে "যোৱা, বিদায়। আমাৰ আকৌ দেখাদেখি হয় নে নহয়···।"

পিয়াৰক এৰি থৈ এণ্ড্ৰু লৰালৰিকৈ তম্বুৰ ভিতৰত সোমালগৈ। এণ্ড্ৰুৱে খঙেৰে নে মৰমেৰে বিদায় ললে পিয়াৰে এন্ধাৰত এণ্ড্ৰুৰ মুখখনৰ পৰা ধৰিব নোৱাৰিলে।

পিয়াৰে কিছু সময় নিমাত হৈ থিয় দি ভাবিলে, এণ্ড্ৰুৰ তম্বুৰ ভিতৰলৈকে যাব নে গৰ্কীলৈকে যাব। "নহয়, সি মোক নিবিচাৰে। মই বুজিছোঁ— এয়ে আমাৰ শেহ দেখা!" পিয়াৰে দীঘলকৈ এটা হুমুনিয়াহ কাঢ়ি ঘোঁৰাত উঠি গৰ্কীলৈ উভতি গ'ল।

তম্বুৰ ভিতৰত প্ৰিন্স্ এণ্ড্ৰুৱে এখন কম্বল পাতি শুলে। কিন্তু তেওঁৰ টোপনি নাহিল। অতীতৰ কথাবোৰ তেওঁৰ মনলৈ আহে। এটা কথা মনত পৰি তেওঁৰ ভাল লাগিল। পিটাৰ্চবাৰ্গত এদিনাখন গধূলি নাতাচাই বৰ আগ্ৰহেৰে, উত্তেজিত হৈ কৈছিল তাই হেনো কাঠফুলা বিচাৰি ফুৰোঁতে এবাৰ হাবিত বাট হেৰুৱাইছিল। তাতে তাই এজন মৌৰখীয়াক লগ পায় আৰু তাইৰ তেতিয়া কিমান ভাল লাগিছিল। কিন্তু মাজতে কৈছিল, "নাই, মোৰ মনৰ ভাবটো ভালকৈ কব পৰা নাই। আপুনি মোৰ ভাবটো বুজি নাপাব।" প্ৰিন্স্ এণ্ড্ৰুৱে তাইৰ কথা বুজি পোৱা বুলি কৈছিল। কিন্তু তাই বিশ্বাস কৰা নাছিল। নাতাচাই ভাবিছিল যে তাইৰ অনুভূতি ভাষাৰে প্ৰকাশ কৰিব পৰা নাই। তাই কৈছিল, "কি সুন্দৰ সেই বুঢ়া মানুহজন! হাবিৰ ভিতৰত ইমান এন্ধাৰ···তাৰ মৰমৰ চাৱনি! নাই, মই বৰ্ণাব নোৱাৰোঁ।"

তেতিয়া নাতাচাৰ মুখলৈ চাই প্ৰিন্স্ এণ্ড্ৰুৱে যিদৰে হাঁহিছিল এতিয়াও সেইদৰে হাঁহিলে। "মই তাইৰ সকলো বুজিছিলোঁ। তাইৰ অন্তৰ, দেহা সকলো নিৰ্মল। তাইক ইমান ভাল পাইছিলোঁ। কিন্তু সি (আনাতোলে) তাইৰ সেইবোৰ দেখা নাছিল। সি দেখিছিল এজনী ধুনীয়া গাভৰু ছোৱালী আৰু তাইক জীৱন সঙ্গিনী কৰি লব খুজিছিল। কিন্তু মই···এতিয়াও সুখেৰে জীয়াই আছোঁ।" প্ৰিন্স্ এণ্ড্ৰু হঠাতে জাপমাৰি উঠি তম্বুৰ বাহিৰলৈ গৈ ইফাল সিফাল কৰিবলৈ ধৰিলে।

## দশম অধ্যায়

আগস্ট মাহৰ পঁচিশ তাৰিখে বৰোডিনৰ যুদ্ধৰ আগ দিনা গধূলি পেৰিচৰ পৰা বুছেট আৰু মাড্রিদৰ পৰা কৰ্ণেল ফেবভিয়াৰ ভলেভলৈ আহিল। বুছেট সম্রাটৰ কাৰেঙৰ বৰ লগুৱা। সি সম্রাটলৈ এটা টোপোলা আনিছে। টোপোলাটো লৈ সি নেপোলিয়নৰ শিবিৰৰ প্ৰথম কোঠাটোলৈ গ'ল। ফেবভিয়াৰে চিনাকি সেনা-পতিসকলৰ লগত কথা পাতিবলৈ ধৰিলে আৰু বুছেটে টোপোলাটো খুলিলে।

সম্রাট নেপোলিয়ন তেতিয়াও শোৱা কোঠাৰ পৰা ওলাই অহা নাই। দুটা লগুৱাই তেওঁৰ গা মালিচ কৰিছে। এজন দূত আহি যোৱা যুদ্ধত কিমানক বন্দী কৰা হৈছে সম্রাটক জনালে। সম্রাটে খং কৰি ক'লে, "বন্দীৰ কোনো আৱশ্যক নাই।" তাৰ পাছত লগুৱা দুটাক ক'লে, "জোৰকৈ মালিচ কৰা।" দূতজনক ক'লে, "বাৰু, বুছেট আৰু ফেবভিয়াৰক আহিবলৈ কোৱা।" "যি হুকুম" বুলি দূতজন গুচি গ'ল।

লগুৱা দুটাই লৰালৰিকৈ সম্রাটক নীলা পোছাকটো পিন্ধাই দিলে। নেপোলিয়ন বাহিৰৰ ( দৰবাৰ ) কোঠালৈ আহিল।

সম্রাজ্ঞীয়ে সম্রাটৰ কাৰণে বুছেটৰ হাতত এটা উপহাৰ পঠাইছে। বুছেটে বাহিৰৰ কোঠাত দুখন চকীত উপহাৰটো সজাই থব ধৰিছিল। সম্রাটে হঠাতে দেখি ভাল পাব। কিন্তু বুছেটৰ সজোৱা হোৱাৰ আগতে নেপোলিয়ন আহি ওলাল। নেপোলিয়নে বুছেটক দেখিয়ে তাৰ মনৰ ভাব বুজি প্যালে। সি কিবা ধেমালি কৰিব খুজিছে। নেপোলিয়নে তাক সেই সুখৰ পৰা বঞ্চিত কৰিবলৈ ইচ্ছা নকৰিলে। তেওঁ বুছেটক নেদেখা ভাও জুৰি ফেবভিয়াৰক হাত বাউল দি ওচৰলৈ মাতিলে। ইউৰোপৰ সীমান্তত চালামাঙ্কাৰ যুদ্ধত ফৰাচীবাহিনীয়ে কেনে বীৰত্বেৰে যুঁজিছে ফেবভিয়াৰে তাৰ বৰ্ণনা দিলে। সিহঁতে সদায় সম্রাটৰ মান মৰ্য্যাদা অটুট ৰাখিবলৈ অশেষ যত্ন কৰিছিল। সম্রাট যাতে কোনো প্ৰকাৰে অসন্তুষ্ট নহয়। কিন্তু যুদ্ধত ফৰাচীবাহিনী ধ্বংস হৈছে। ফেবভিয়াৰৰ কথাবোৰ ভালকৈ শুনি লৈ নেপোলিয়নে এনে এটা মন্তব্য কৰিলে যে তেওঁৰ অনুপস্থিতিত বাহিনীৰ এনেকুৱা দুৰ্দশা নহৈ নোৱাৰে বুলি তেওঁ আগতে জানে। খঙেৰে ক'লে, "মস্কোত এই ক্ষতি পূৰণ কৰিম।"

বুছেটে চকীৰ ওপৰত কিবা এটা থিয় কৰি থৈ কাপোৰেৰে ঢাকি থলে। নেপোলিয়নে বুছেটক মাতিলে। বুছেটে আগবাঢ়ি আহি সম্রাটক অভিবাদন

জনাই এখন চিঠি দিলে। নেপোলিয়নে মৰমেৰে বুছেটৰ কানত ধৰিলে। নেপোলিয়নে আগ্ৰহেৰে, বং মনেৰে বুছেটৰ লগত কথা পাতিলে। "তুমি বৰ সোনকালে আহি পালা। তোমাক দেখি বৰ ভাল লাগিল। বাৰু, পেৰিচত মানুহে কি কয়?"

"সম্ৰাটৰ অনুপস্থিতিৰ কাৰণে পেৰিচত সকলোৱে দুখ কৰিছে।"

নেপোলিয়নে শুনি ভাল পালে। অৱশ্যে তেওঁ জানিছিল যে বুছেটে ভালৰি লগাবৰ কাৰণে এনে ধৰণৰ কিবা কথা কবই আৰু তাৰ সকলো কথা মিছা! সম্ৰাটে আকৌ তাৰ কানত চিকুটি ক'ল, তোমাক বৰ কষ্ট দিলোঁ—ইমান দূৰলৈকে আহিব লগা হ'ল।"

• "মই কিন্তু সম্ৰাটক অন্ততঃ মস্কোৰ গে'টতহে লগ পাম বুলি ভাবিছিলোঁ।"

নেপোলিয়নে হাঁহিলে। সোঁফালে চাওঁতেই এজনে অনুচৰে সসম্ভ্ৰমে সম্ৰাটৰ হাতত এটা সোণৰ নস্যৰ টেমা দিলে। নস্যৰ খোলা টেমাটো নাকৰ ওচৰলৈ নি নেপোলিয়নে ক'লে, "তুমি এটা ভাল সুযোগ পালা। তুমি তো দেশ ফুৰিবলৈ ভাল পোৱা—। তিনি দিনৰ ভিতৰতে মস্কো দেখিবা। এচিয়াৰ ৰাজধানী দেখা পাবা বুলি বোধকৰো ভবা নাছিলা। বাটত বৰ ভাল লাগিব।" বুছেটে মূৰ দোঁৱাই শলাগ ললে।

কাপোৰেৰে ঢাকি থোৱা বস্তুটোলৈ পৰিষদবৰ্গই চোৱা দেখি নেপোলিয়নে সুধিলে, "সেইটো কি?" বুছেটে দুখোজ পিচুৱাই গৈ ঢাকনিখন গুচাই দি কলে, "সম্ৰাজ্ঞীয়ে সম্ৰাটলৈ দিয়া উপহাৰ।"

নেপোলিয়ন আৰু অষ্ট্ৰিয়াৰ সম্ৰাটৰ জীয়েকৰ পৰা জন্ম হোৱা লৰাটোৰ এখন ৰঙচঙীয়া ছবি। এই লৰাটোক সকলোৱে ৰোমৰ সম্ৰাট বুলি মাতে। ছবিখনৰ এখন হাতত এটা বল আৰু আনখনত এটা পিয়লা। বলটোৱে ভূমণ্ডল আৰু পিয়লাটোৱে ৰাজদণ্ড বুজাইছে। ছবিখন দেখি সকলোৱে ভাল পালে, প্ৰশংসা কৰিলে। নেপোলিয়নে ছবিখন শিবিৰৰ আগত থবলৈ কলে যাতে সম্ৰাটৰ একমাত্ৰ পুত্ৰ আৰু উত্তৰাধিকাৰী ৰোমৰ ৰজাক দেখি সকলোৱে সন্তোষ পায়। "সম্ৰাট দীৰ্ঘজীৱী হওক! ৰোমৰ ৰজা দীৰ্ঘজীৱী হওক!" বুলি সকলোৱে জয়ধ্বনি কৰিলে।

খোৱাৰ পাছত নেপোলিয়নে সেনাবাহিনীক তেওঁৰ ইস্তাহাৰ জনালে—

"সৈনিকসকল! এইখনেই তোমালোকৰ হেঁপাহৰ যুদ্ধ। জয়লাভ তোমালোকৰ হাতত। এই যুদ্ধত জয়লাভ আমাৰ অত্যাৱশ্যক। তেতিয়া

আমাক যি লাগে সকলো পাম। সোনকালে নিজ দেশলৈ উভতিব পাৰিম। অস্টাৰলিজ, ফ্রিদলেণ্ড, ভিটেবস্ক, স্মোলেনস্কত যেনেকৈ যুদ্ধ কৰিছিলা, ইয়াতো তেনেকৈ কৰিবা। যাতে ভবিষ্যত বংশধৰসকলে তোমালোকৰ আজিৰ কৃতকাৰ্য্যতা গৌৰৱেৰে সুঁৱৰিব পাৰে। যাতে তোমালোকৰ প্রত্যেকৰ বিষয়ে কব পাৰে—মস্কোৰ সেই ডাঙৰ যুদ্ধত তেওঁ যুদ্ধ কৰিছিল।"

নেপোলিয়ন শিবিৰৰ পৰা ওলাই আহি পুত্ৰকৰ ছবিখনৰ ওচৰত থিয় হ'লত প্ৰহৰীবোৰে জয়ধ্বনি কৰিলে। নেপোলিয়নে জ্ৰকুটি কৰি ক'লে, "ইয়াক ইয়াৰ পৰা আঁতৰাই নিয়া। যুদ্ধক্ষেত্ৰ চাবলৈ এতিয়া তাৰ সময় হোৱা নাই।"

সেইদিনাথন ৰাতি সৈন্তবাহিনী ভালকৈ পৰিদৰ্শন কৰি আহি নেপোলিয়নে কলে, "দবাৰ গুটিবোৰ সজোৱা হৈছে, কাইলৈ খেল আৰম্ভ হব।"

তেওঁ কামত ইমান ব্যস্ত যে শুবলৈ নাপালে। তেওঁৰ ঠাণ্ডা লাগি চৰ্দি হৈছে, তথাপি তিনি বজাতে বৰকৈ হাচিয়াই শিবিৰৰ ডাঙৰ কোঠাটোলৈ গ'ল। কছবিলাক পিচুৱাই গৈছে নেকি বুলি সুধিলে। কিন্তু শত্ৰুপক্ষৰ জুইবোৰ একে ঠাইতে থকা বুলি তেওঁ শুনিলে।

এজন অনুচৰক দেখি নেপোলিয়নে সুধিলে, "ৰাক বেপ্, আজি আমি জিকিম বুলি ভাবানে?" বেপে ক'লে, "নিসন্দেহে সম্রাট! স্মোলেনস্কত হুজুৰে কৈছিল—বটলৰ খিলা যেতিয়া খুলিছে, মদ খাবই লাগিব।"

নেপোলিয়নে হাতৰ ওপৰত মূৰটো থৈ কিছু সময় নিমাতে থাকি ক'লে, "স্মোলেনস্কৰ যুদ্ধৰ পিছৰ পৰা আমাৰ সেনাবল বহুতো কমিছে।" মুখত এটা লোজেন্স লৈ তেওঁ ঘড়ীটো চালে। তেওঁৰ টোপনি ধৰা নাই কিন্তু ৰাতি পুৱাবলৈ বহুতো সময় আছে। সেনাবাহিনীক আদেশ-উপদেশ দিবলৈ একো নাই। সকলো আগতে দিয়া হৈছে। এতিয়া সেইমতে কাম কৰিবহে লাগে। নেপোলিয়নে বেপক সুধিলে, "প্ৰহৰীবোৰক বিস্কুট, ভাত দিয়া হৈছে নে?"
"হয় সম্রাট! দিয়া হৈছে।"

"ভাতো দিছে?"

বেপে ক'লে যে সি সম্রাটৰ হুকুম জাৰি কৰিছিল। কিন্তু তেওঁৰ হুকুম পালন কৰিছে নে নাই নেপোলিয়নৰ সন্দেহ হ'ল। এজন লগুৱাই মদ লৈ আহিল। নেপোলিয়নে বেপকো এক গিলাচ দিবলৈ ক'লে। মদৰ গিলাচটো হাতত লৈ হাচিয়াই নেপোলিয়নে ক'লে, "মোৰ বৰকৈ পানী লাগিছে। কোনো বস্তুৰে সোৱাদ নাপাওঁ, গোন্ধো নাপাওঁ। সিইঁতে ঔষধৰ কথা কয়। ঔষধনো কি?

পানী লগাকে ভাল কৰিব নোৱাৰে। মোক এইবোৰ বড়ি খাবলৈ দিছিল কিন্তু অকণো ভাল পোৱা নাই। ঔষধে কি কৰিব পাৰে? ই কোনো বেমাৰ ভাল কৰিব নোৱাৰে। আমাৰ দেহাটো আমাক জীয়াই ৰখা এটা যন্ত্ৰ মাথোন। ই নিজে স্বাভাৱিকতে চলি থাকে। দৰৱ-পাতি দিলে ই অচল হয়। আমাৰ দেহাটোও এটা ঘড়ীহে। নিৰ্দিষ্ট সময়ৰ কাৰণে চলি থাকে। এই ঘড়ীটো কিন্তু খুলিব নোৱাৰি।" হঠাতে ক'লে, "সমৰ কৌশল কি জানানে? চেগ চাই শত্ৰুতকৈ বেছি বলী হোৱাটোৱে সমৰ কৌশল।" চেপে নামাতিলে।

"কাইলৈ আমি কুতুজভৰ লগত যুদ্ধ কৰিব লাগিব। তোমাৰ মনত আছে নে তেৱেঁ ক্ৰনোৰ যুদ্ধতো প্ৰধান সেনাপতি আছিল। তিনি সপ্তাহৰ ভিতৰত এবাৰো সৈন্যবাহিনী পৰিদৰ্শন কৰা নাই। কাইলৈ দেখা যাব।"

তেওঁ ঘড়ীটো চালে। মাত্ৰ চাৰিহে বাজিছে। তেওঁৰ টোপনি ধৰা নাই। মদ খোৱা হ'ল, এতিয়া আৰু কোনো কাম নাই। থিয় হৈ অলপ পৰ ইফাল সিফালকৈ খোজ কাঢ়ি গৰম কোটটো আৰু টুপীটো পিন্ধি শিবিৰৰ বাহিৰলৈ গ'ল। নিজান এন্ধাৰ ৰাতি আৰু কিনকিনিয়া বৰষুণ। ওচৰত ফৰাচী প্ৰহৰী-সকলৰ জুই টিমিক-টামাককৈ জ্বলি আছে। দূৰৈত ৰুছবাহিনীত জুই জ্বলি আছে। ফৰাচী সেনাপতিবিলাকৰ লৰচৰ কৰাৰ শব্দ শুনা গৈছে।

নেপোলিয়নে শিবিৰৰ আগত ইফাল সিফালকৈ খোজ কাঢ়ি জুইবোৰ চালে আৰু ফৰাচী সৈনিকসকলৰ ভৰিৰ খোজৰ শব্দ শুনিলে। তাৰ পাছত শিবিৰত পৰ দি থকা প্ৰহৰীৰ ওচৰ পাওঁতেই প্ৰহৰীজনে সম্ৰাটক দেখি এটা ক'লা খুটাৰ নিচিনাকৈ থিয় হ'ল। সম্ৰাটে তাৰ আগত থিয় হৈ মৰমেৰে সুধিলে, "কোন্ চনৰ পৰা তুমি কাম কৰিছা?" প্ৰহৰীজনে উত্তৰ দিলে।

"অ', তুমি এজন পুৰণি সৈনিক। তোমালোকৰ দলৰ সকলোৱে ভাত পাইছেনে?"

"হয় সম্ৰাট, পাইছোঁ।" নেপোলিয়নে মূৰ দোঁৱাই গুচি গ'ল।

চাৰে পাঁচ বজাত নেপোলিয়ন ঘোঁৰাত উঠি ক্ষেভাৰডিনলৈ গ'ল। তেতিয়া পোহৰ হৈছে; অকল পূৱফালে অলপ আন্ধাৰ আছে। হঠাতে সোঁফালে ছিলৈৰ এটা ডাঙৰ শব্দ হ'ল। অলপ পাছত আৰু দুটা গুলীৰ শব্দ শুনা গ'ল। তাৰ পাছতে সোঁফালে ওচৰতে একেবাৰে কামানৰ শব্দ শুনা গ'ল। নেপোলিয়নে অনুচৰবৰ্গৰ লৈতে গৈ ক্ষেভাৰডিন দুৰ্গত ঘোঁৰাৰ পৰা নামি দেখিলে খেল আৰম্ভ হৈছে।

# একাদশ অধ্যায়

প্ৰিন্স্ এণ্ড্ৰুক দেখা কৰি পিয়াৰ গৰ্কীলৈ আহিল। চলপুৰাতে তাক অগাই দিবলৈ গাৰোৱানটোক কৈ পিয়াৰে বোৰিচে দেখুৱাই দিয়া মতে এটা চুকত শুই থাকিল।

ৰাতিপুৱা সাৰ পাই পিয়াৰে দেখিলে পঁজাটোত কোনো নাই। দৰজা খিড়িকী সকলো খোলা। গাৰোৱানটোৱে তাক গাত ধৰি মাতিছে "হুজুৰ! হুজুৰ!" গাৰোৱানটোৱে পিয়াৰৰ মুখলৈ চোৱাই নাই। হুজুৰক আৰু কেতিয়াবা জগাব পাৰিব বুলি সি আশা এৰিছে। সাৰ পাই উঠি পিয়াৰে সুধিলে, "কি হ'ল? আৰম্ভ হ'ল নেকি?"

গাৰোৱানটোৱে ক'লে "গোৰা হিলৈৰ শব্দ শুনক হুজুৰ। সকলো কৰ্মচাৰী গৈছে। প্ৰধান সেনাপতিও কেতিয়াবাই গ'ল।"

লৰালৰিকৈ পোছাক পিন্ধি পিয়াৰ বাহিৰলৈ ওলাল। তেতিয়া বেলি ওলাইছে। ঘোঁৰাবোৰ বাহিৰত থিয় হৈ আছে। হিলৈৰ শব্দ ভালকৈ শুনা গৈছে। দুজন অশ্বাৰোহীয়ে ৰাস্তাৰে চিঞৰি কৈ গ'ল "কাউন্ট সময় হৈছে; সময় হৈছে।" আগদিনাখন যিডোখৰ ওখ ঠাইৰ পৰা পিয়াৰে ৰণস্থলীখন দেখিছিল সেইডোখৰ ঠাইলৈ খোজ ললে। পিছে পিছে ঘোঁৰাটো লৈ যাবলৈ গাৰোৱানটোক কলে। সেই ওখ ঠাইডোখৰত বহুতো কৰ্মচাৰী গোট খাইছে। কুতুজভো তাতে আছে। কুতুজভে দুৰবীণটোৰে সন্মুখৰ সদৰ ৰাস্তাটোলৈ চাইছে।

ওখ ঠাইডোখৰৰ পৰা সন্মুখৰ দৃশ্যটো দেখি পিয়াৰৰ বৰ ভাল লাগিল। কালিও এই দৃশ্যটো দেখি তাৰ ভাল লাগিছিল। কিন্তু আজি গোটেই-ডোখৰ ঠাই সৈনিক আৰু বন্দুকৰ ধোঁৱাৰে ঢাক খাই আছে। সোঁফালে বাওঁফালে আগফালে পিছফালে অকল সৈনিক, সৈনিক। বৰোডিনৰ যুদ্ধক্ষেত্ৰৰ দৃশ্যটো দেখি পিয়াৰ আচৰিত হ'ল। ধোঁৱাৰ মাজেৰে এটি বগা গীৰ্জা, অ'ত ত'ত বৰোডিনৰ পঁজাবোৰৰ চালবোৰ দেখি। সেনাবাহিনী থাৰ-বাৰুদৰ বাৰুচ, কামানবোৰ দেখা যায়। গোটেই দৃশ্যটো যেন লৰচৰ কৰিছে। গোটেইখন ঠাইৰ পৰা ধোঁৱা অবিৰাম ওপৰলৈ উঠিছে। এই ধোঁৱাবোৰে আৰু তাৰ লগতে কামানৰ ধ্বনিয়ে এটা নতুন সৌন্দৰ্য্যৰ সৃষ্টি কৰিছে।

সেই ধোঁৱাৰ মাজলৈ, শব্দৰ মাজলৈ যাবৰ কাৰণে পিয়াৰৰ উৎসাহ হ'ল। নিজৰ অনুভূতিৰ লগত মিলাবৰ কাৰণে সি কুতুজভৰ ফালে, অনুচৰবোৰৰ ফালে চালে। সকলোৰে একে অনুভূতি লৈ আগলৈ চাইছে। একে অনুভূতিৰে সকলোৰে মুখ উজ্জ্বল হৈ উঠিছে।

কুতুজভে একেৰাহে যুদ্ধক্ষেত্ৰৰ ফালে চাই আছে। ওচৰতে থিয় হৈ থকা এজন সেনাপতিক কুতুজভে ক'লে "বন্ধু মোৰ। ভগৱান তোমাৰ সহায় হ'ক।" আদেশ পোৱা মাত্ৰে সেনাপতিজন পিয়াৰৰ ওচৰেদি ওখ ঠাইডোখৰৰ পৰা নামি গ'ল। এজন কৰ্মচাৰীৰ প্ৰশ্নৰ উত্তৰত সেনাপতিজনে ক'লে "যুদ্ধক্ষেত্ৰলৈ যাওঁ।" পিয়াৰে ভাবিলে, "আৰু মযো যাওঁ, মযো।" পিয়াৰেও সেনাপতিজনৰ পিছে পিছে সেইফালে গতি কৰিলে।

পিয়াৰৰ ঘোঁৰাত উঠা ধৰণটো দেখি কৰ্মচাৰীবোৰে হাঁহিলে। সেনাপতি-জন তললৈ নামি গৈ হঠাতে বাওঁফালে ঘূৰিল। পিয়াৰে সেনাপতিজনক নেদেখি আগে আগে যোৱা এদল পদাতিক সেনাৰ মাজলৈ আহিল। ইহঁতক এৰাই পিয়াৰে এবাৰ সোঁফালেদি, এবাৰ বাওঁফালেদি যাবলৈ চেষ্টা কৰিলে কিন্তু সকলোপিনে সৈনিক। সকলোৰে মুখত একে উদ্বিগ্নৰ ভাৱ। সকলোৱে বিৰক্ত হৈ এই বগা টুপী পিন্ধা শকত মানুহজনৰ ফালে চাইছে। সি নো ঘোঁৰাত উঠি সিহঁতৰ মাজলৈ কিয় আহিছে? তাৰ ঘোঁৰাটোৱে সিহঁতক গচকিছে। এজনে সুধিলে "তোমাক কি লাগে?" আন এজনে বন্দুকৰ আগেৰে তাৰ ঘোৰাটোক খুচি দিলে। পিয়াৰ সৈনিকবোৰৰ সম্মুখত থকা এডোখৰ মুকলি ঠাইলৈ গ'ল।

পিয়াৰে আগত এখন দলং দেখা পালে। তাত সেনাবোৰে থিয় হৈ গুলী কৰিছে। পিয়াৰ সিহঁতৰ ওচৰলৈ গ'ল। গৰ্কী আৰু বৰোডিনৰ মাজত থকা কলোচা নৈৰ এই দলংখন ফৰাচীসকলে আৰম্ভণিতেই আক্ৰমণ কৰিছিল। পিয়াৰে এইটো নাজানিছিল। পিয়াৰে দেখিলে দলংখনৰ দুয়োফালে আৰু পথাৰত ধোঁৱাৰ মাজত সেনাবোৰে কিবা কৰিছে। অবিৰাম গুলী চলি থকা সত্ত্বেও পিয়াৰে বুজি নাপালে যে এইখনেই যুদ্ধৰ কেন্দ্ৰস্থল। চাৰিওপিনে হৈ থকা গুলীৰ শব্দলৈ আৰু নৈৰ সিপাৰে থকা শত্ৰুলৈ পিয়াৰে লক্ষ্য নকৰিলে। তাৰ ওচৰতে হতাহত সৈনিকবোৰক বাগৰি পৰা নেদেখালৈকে পিয়াৰে একোকে বুজি নাপালে। তথাপি সি হাঁহিমুখে এইবোৰ চাইছে।

এজন সৈনিকে পিয়াৰৰ ফালে চাই আকৌ চিঞৰিলে, "সৌ মানুহজন

আগত আছে কিয় ?" কিছুমানে চিঞৰিলে, "বাওঁফালে, সোঁফালে।" পিয়াৰ সোঁফালে গ'ল। কৰ্মচাৰীজনে খঙেৰে পিয়াৰৰ ফালে চালে। সিও চিঞৰি কিবা কব খুজিছিল কিন্তু চিনি পাই পিয়াৰক অভিবাদন কৰিলে।

"তুমি এইখিনি কেনেকৈ পালাহি ?" বুলি কৈ কৰ্মচাৰীজন গুচি গ'ল। পিয়াৰ অপ্ৰস্তুত হৈ, আকৌ কাৰোবাক আমনি কৰে বুলি ভয় কৰি কৰ্মচাৰী-জনৰ পিছে পিছে গ'ল। পিয়াৰে সুধিলে, "ইয়াৰ অৱস্থা কেনে ? মই তোমাৰ লগত যাব পাৰোঁ নে ?" কৰ্মচাৰীজনে "এক মিনিট ৰবা" বুলি কৈ পথাৰত থকা এজন শকত সেনাপতিক কিবা কৈ আহি পিয়াৰক ক'লে "তুমিনো ইয়ালৈ কিয় আহিছা ? এতিয়াও তোমাৰ কৌতূহল আছে নেকি ?"

পিয়াৰে ক'লে "এৰা, এৰা, মোৰ কৌতূহল হৈছে।"

কৰ্মচাৰীজনে অলপ দূৰ গৈ ক'লে, "ইয়াত ভালেই কিন্তু বাওঁফালে বাগ্ৰাচিয়ঁৰ বাহিনীৰ সাংঘাতিক অৱস্থা।"

"হয় নেকি ? বাগ্ৰাচিয়ঁৰ বাহিনীনো ক'ত ?"

"বাক, মোৰ লগত সৌ ওখ ঠাইডোখৰলৈ আহা। তাৰ পৰা দেখিম। কিন্তু আমাৰ হিলৈবোৰ এতিয়াও ভালদৰে চলি আছে। যাবা নেকি ?"

"নিশ্চয় যাম।" পিয়াৰে চহিচজনক বিচাৰিলে।

পিয়াৰে এইমাত্ৰ প্ৰথম আহত সৈনিক দেখিলে। কিছুমান থৰকবৰকৈ গৈছে, কিছুমানক কঢ়িয়াই নিছে। পথাৰৰ মাজত এজন আহত সৈনিক পৰি থকা দেখি পিয়াৰে ক'লে, "ইয়াক নিয়া নাই কিয় ?" কৰ্মচাৰীজনে সেইফালে চালে।

পিয়াৰে চহিচজনক বিচাৰি নাপালে। সি কৰ্মচাৰীজনৰ পিছে পিছে বেভস্কিৰ গড়ৰ পিনে গ'ল। পিয়াৰৰ ঘোঁৰাটো বৈ বৈ যোৱা দেখি কৰ্মচাৰী-জনে সুধিলে, "তোমাৰ ঘোঁৰাত উঠা বোধকৰো অভ্যাস নাই।"

"ঠিকেই আছে। কিন্তু ঘোঁৰাটো খোৰাইছে দেখোন।"

কৰ্মচাৰীজনে ঘোঁৰাটোলৈ চাই ক'লে, "ও, আগঠেঙত আঘাত লাগিছে। নিশ্চয় গুলী লাগিছে। যি হ'ক, তুমি যুদ্ধৰ সোৱাদ পালা। তোমাক সম্বৰ্ধনা জনাইছোঁ।"

হিলৈদাৰীসকলে কামান চলাই আছে। কৰ্মচাৰীজন আৰু পিয়াৰ ঘোঁৰাৰ মাজেৰে সিহঁতৰ পাছফালেদি গৈ এখন সৰু বননিত সোমাল। তাতে সিহঁত ঘোঁৰাৰ পৰা নামি খোজ কাঢ়ি টিলাৰ ওপৰলৈ উঠিল।

গড় পাই কৰ্মচাৰীজনে সুধিলে, "সেনাপতি ইয়াত আছেনে?" সোঁফালে আঙুলিয়াই এজনে ক'লে, "এইমাত্র ইয়াত আছিল। সোঁফালে গৈছে।"

কৰ্মচাৰীজনে পিয়াৰৰ ফালে চালে। "ইয়াক কি কৰা যায়?"

পিয়াৰে ক'লে, "মোৰ কাৰণে ভাবিব নালাগে। মই ওপৰলৈ যাম। যাব পাৰিম নহয়?"

"যোৱা। তাৰ পৰা সকলো দেখিবা। তাত তিমান ভয়ৰ কাৰণ নাই। মই আহি তোমাক লৈ যাম।"

পিয়াৰ হিলৈবোৰৰ ওচৰলৈ গ'ল আৰু কৰ্মচাৰীজন উভতি আহিল। সিহঁতৰ আৰু দেখাদেখি হোৱা নাই। বহুত দিনৰ পিছত পিয়াৰে শুনিছিল কৰ্মচাৰীজনৰ হেনো সিদিনাখনেই কামানৰ গুলীত এখন হাত নাইকিয়া হৈছিল।

এই টিলাটোক পিছত ৰুছসকলে হিলৈ পাহাৰ বা ৰেভস্কি পাহাৰ নাম দিছিল। আৰু ফৰাচীবিলাকৰ মাজত "বৰ গড়, মাৰাত্মক গড় আৰু কেন্দ্ৰ গড়" বুলি জনাজাত হৈছিল। ইয়াতেই হাজাৰে বিজাৰে মানুহ মৰিছিল।

এই টিলাটোৰ তিনিওফালে গড়খাৱৈ। এই গড়ৰ দুয়োফালে দহোটা হিলৈয়ে অবিৰাম গুলী চলাইছিল। হিলৈ শাৰীৰ অলপ পিছতে পদাতিক বাহিনী। পিয়াৰ টিলাটোৰ ওপৰলৈ উঠি আহিল। তিনিওফালে গড়খাৱৈ আৰু কেইটামান কামানে ৰক্ষা কৰা এই ঠাইডোখৰ যুদ্ধৰ কেন্দ্ৰ বুলি পিয়াৰে অনুমান কৰিব নোৱাৰিলে।

মাটিৰ ঢাপত বহি চাৰিওফালে চাই পিয়াৰৰ ভাল লাগিল। মাজে মাজে উঠি পিয়াৰ হিলৈবোৰৰ ওচৰলৈ যায়। সৈনিকবোৰে কামানবোৰ চলাইছে। কিছুমানে তাৰ ওচৰেদি লৰি গৈ খাৰ-বাৰুদ আনিছে। পিয়াৰে কিন্তু কাৰো অসুবিধা কৰা নাই।

ভীষণ শব্দেৰে কামানবোৰ অবিৰাম চলি আছে। ধোঁৱাই গোটেইখন ঠাই আবৰি আছে।

হিলৈবোৰ পৰ দি থকা পদাতিক সেনাবোৰৰ মাজত আতঙ্কৰ ভাব দেখা গৈছে। কিন্তু হিলৈ চলোৱা মানুহ কেইজন বৰ ব্যস্ত। একে পৰিয়ালৰ মানুহৰ নিচিনা সিহঁতে মিলি-জুলি বৰ আগ্ৰহেৰে, উত্তেজিত হৈ নিজ নিজ কামত লাগি আছে। পিয়াৰৰ অসামৰিক পোছাক আৰু বগা টুপী দেখি

ছিলৈদাৰীসকলে ভাল পোৱা নাই। সৈনিকবোৰে তাৰ ওচৰেদি ইফালে সিফালে লৰি যাওঁতে তাৰ ফালে কেৰাহিকৈ চায়। ছিলৈৰ প্ৰধান কৰ্মচাৰীজনে আচৰিত হৈ তাৰ ফালে চালে। নতুনকৈ নিযুক্ত হোৱা এজন লৰা কৰ্মচাৰী ওচৰলৈ আহি পিয়াৰক ক'লে, "ডাঙৰীয়া, আপুনি ইয়াৰ পৰা যাওক, বেয়া নাপাব। ইয়াত থাকিবৰ হুকুম নাই।"

সৈনিকবোৰে পিয়াৰৰ ফালে চাই কৰ্মচাৰীজনৰ কথা সমৰ্থন কৰিলে। কিন্তু এই বগা টুপী পিন্ধা মানুহজনে কোনো অনিষ্ট কৰা নাই, কামত বাধা জন্মোৱা নাই। টিপৰ ওপৰত বহি থাকে, মাজে মাজে ছিলৈবোৰৰ ওচৰলৈ আহি ঘূৰি পকি থাকে। ওচৰেদি কোনো সৈনিক গ'লে মিচিকিয়াই হাঁহি মুখলৈ চায়। সেনাবাহিনীত থকা কুকুৰা, কুকুৰ, ছাগলী আদি জীৱজন্তুলৈ সৈনিকবিলাকৰ যেনে মৰম-প্ৰীতি ভাব থাকে, লাহে লাহে পিয়াৰলৈও সিহঁতৰ তেনেকুৱা ভাব হ'ল, সিও সিহঁতৰ সুখ-দুখৰ সমভাগী বন্ধু। সৈনিকবোৰে পিয়াৰক সিহঁতৰে এজন বুলি মনতে ভাবি লৈ আপোন কৰি ললে। সিহঁতে তাৰ নাম দিলে "আমাৰ ডাঙৰীয়া" আৰু তাৰ কথা কৈ সিহঁতে হাঁহি তামাচা কৰে।

পিয়াৰৰ দুখোজমান আঁতৰতে কামানৰ গুলী এটা পৰি মাটি ওফৰাই দিলে। পিয়াৰে গাৰ পৰা মাটিবোৰ গুচাই হাঁহি হাঁহি আগলৈ চালে। এজন সৈনিকে ক'লে, "বৰ আচৰিত। আপোনাৰ জানো ভয় লগা নাই, ডাঙৰীয়া ?"

"তোমাৰ তেন্তে ভয় লাগিছে ?"

সৈনিকজনে হাঁহি হাঁহি ক'লে, "নিশ্চয়। তাইৰ কাৰো ওপৰত দয়া, মৰম নাই। তাই আপোনাক চুৰমাৰ কৰি দিব। ভয় নকৰি নোৱাৰে।"

কেবাজনো সৈনিক আহি পিয়াৰৰ ওচৰত থিয় হ'ল। সিহঁতৰ নিচিনাকৈ পিয়াৰক কথা পতা দেখি আচৰিত হৈ ক'লে, "ই আমাৰ কামেই। কিন্তু ভদ্ৰলোকৰ পক্ষে ই বৰ আচৰিত কথা।"

সৈনিকবোৰক অহা দেখি লৰা কৰ্মচাৰীজনে চিঞৰিলে, "তোমালোক নিজ নিজ ঠাইলৈ যোৱা।" এই লৰা কৰ্মচাৰীজনৰ কামত ভৰ্তি হোৱাৰ বোধকৰো বেছি দিন হোৱা নাই। সেই কাৰণে সৈনিকবোৰৰ আৰু ওপৰবালাৰ লগত সি সদায় থৰকৈ নীতি নিয়ম মানি চলে।

কামান গৰ্জন আৰু বন্দুকৰ শব্দ বিশেষকৈ বাওঁফালে ক্ৰমাৎ বেছিকৈ হব ধৰিলে। বাওঁফালে বাগ্ৰাচিয়ঁৰ বাহিনী আছে। কিন্তু পিয়াৰ য'ত আছে, তাৰ পৰা ধোঁৱাৰ কাৰণে সেইফালে একো নেদেখি। অৰ্ধলশৰীয়া ছিলৈদাৰীৰ

এই সক দলটোৰ কামকেহে পিয়াৰে মনোযোগেৰে চাইছে। যুদ্ধৰ দৃশ্য, শব্দ শুনি পিয়াৰে এক অজ্ঞাত আনন্দ অনুভৱ কৰিছিল কিন্তু পথাৰত অকলশৰীয়াকৈ এজন সৈনিকৰ মৰাশ এটা পৰি থকা দেখিবৰ পৰা তাৰ অন্তৰত বেলেগ অনুভূতি হ'ল। মাটিৰ ঢাপৰ ওপৰত বহি তাৰ চাৰিওপিনে ব্যস্ত হৈ লৰচৰ কৰি ফুৰা মানুহবোৰলৈ সি চাইছে।

দহ বজাৰ ভিতৰত হিলৈ বাহিনীৰ পৰা প্ৰায় কুৰিজনমান মানুহ আঁতৰাই নিয়া হ'ল। দুটা হিলৈয়ে কাম নকৰা হ'ল। হিলৈ বাহিনীৰ ওপৰত এতিয়া বেছিকৈ কামানৰ গুলী পৰিবলৈ ধৰিলে। হিলৈদাৰীসকলে তালৈ মন কৰা নাই। সকলোৱে হাঁহি তামাচা কৰি আছে।

এটা বোমা উৰি অহা দেখি এজন সৈনিকে চিঞৰিলে, "এইফালে নহয়, ৰূপহী।" আন এজনে হাঁহি হাঁহি ক'লে, "পদাতিকসকলক আপ্যায়িত কৰা।" বোমাটো পদাতিকবাহিনীৰ মাজত পৰিল।

এটা হিলৈৰ গুলী অহা দেখি খেতিয়ক এজনে মূৰ দোৱালে। তাকে দেখি এজন সৈনিকে ক'লে. "কিহে, কোনোবা বন্ধু আহিছে নেকি ?"

কেইজনমান সৈনিকে মাটিৰ ঢিপৰ ওপৰত থিয় হৈ আগৰফালে কি হৈছে চালে। "অ' গড়টো দখল কৰিলে! সিহঁত পিছ হুহকি আহিছে।"

এজন বুঢ়া কৰ্মচাৰীয়ে সিহঁতক চিঞৰি ক'লে, "তোমালোকে নিজৰ কাম কৰাগৈ।" সিহঁত যদি পিছহুহকি আহিছে, এনেয়ে অহা নাই। নিশ্চয় কিবা মতলব আছে। বুঢ়া কৰ্মচাৰীজনে এজন সৈনিকক ভিডিত ধৰি আঠুৰে খুন্দিয়াই দিলে। আনবোৰে হাঁহিবলৈ ধৰিলে।

সিফালে চিঞৰ শুনা গ'ল, "পাঁচ নম্বৰ হিলৈ সাজু হোৱা।" সৈনিকবোৰে খাৰ-বাৰুদ ভৰাবলৈ লাগিল।

এজন সৈনিক হাঁহি হাঁহি ক'লে, "উহু, আমাৰ ভাওৰীয়াৰ টুপীটোকে উৰুৱাই নিব খুজিছিল।" কামানৰ গুলী এটা আহি হিলৈৰ গাড়ী এখনৰ চকা এটা আৰু এজন মানুহৰ ভৰি এখন ভাঙিলে। নগৰৰক্ষী খেতিয়ক-বোৰক হেহোনেহো কৰা দেখি সৈনিকজনে ক'লে, "তোমালোকে কি চাই আছা—এই মানুহজনক লৈ যোৱা।"

পিয়াৰে লক্ষ্য কৰিলে যে প্ৰতিটো বোমা পৰাৰ পাছত আৰু ক্ষতি হোৱাত সৈনিকবোৰে বেছিহে আনন্দ পাইছে। বিপদ যিমানেই ঘনীভূত

হৈছে তিখানেই বিজুলীৰ দৰে সৈনিকবোৰৰ মুখ উজ্জল হৈ উঠিছে। আৰু দুগুণ উৎসাহেৰে বিপদৰ গতিৰোধ কৰিবলৈ দৃঢ়তৰ হৈছে।

পিয়াৰে আৰু সন্মুখৰ ফালে যুদ্ধক্ষেত্ৰলৈ নোচোৱা হ'ল। তাত কি হৈছে, তাৰ জানিবলৈ হেঁপাহ নাই। সি বাঢ়ি অহা জুইৰ কথা ভাবিছে। তাৰ অন্তৰতো সেই অগণি জ্বলিছে।

দহ বজাত হিলৈবোৰৰ আগত হাবিয়েজংঘলে থকা পদাতিকবাহিনী পিছ হুহকি আহিল। এজন কৰ্মচাৰী গড়লৈ আহি সেনাপতিক কিবা কৈ আৰু খণ্ডেৰে পিয়াৰৰ ফালে চাই গুচি গ'ল। অলপ পাছতে হিলৈ-বোৰৰ সোঁফালে থকা পদাতিকবাহিনীৰ ছুন্দুভিৰ শব্দ শুনা গ'ল। আৰু হুকুম পোৱাৰ লগে লগে পদাতিকবাহিনী আগবাঢ়ি গ'ল। পিয়াৰে এজন লৰামতীয়া কৰ্মচাৰীক পিছুৱাই অহা দেখিলে। তাৰ মুখখন শেঁতা। তৰোৱালখন তলমুৱাকৈ লৈ সি অস্থিৰ হৈ চাৰিওপিনে চাইছে।

পদাতিক সেনাৰ শাৰীবোৰ ধোঁৱাৰ মাজত অন্তৰ্ধান হ'ল। কিন্তু সিহঁতৰ চিঞৰ-বাখৰ আৰু বন্দুকৰ শব্দ শুনা গ'ল। অলপ পিছত সেইফালৰ পৰা বহুতো আহত সৈনিক সাঙীত তুলি অনা হল। হিলৈদাৰী সকলৰ ওপৰতো ক্ৰমাৎ বেছিকৈ বোমা পৰিবলৈ ধৰিলে। কেবাজনো মানুহ ধৰাশায়ী হ'ল। সৈনিকবোৰ বৰ ব্যস্ত হৈ কামত লাগিল। এতিয়া পিয়াৰৰ ফালে কোঁৱে নাচায়। তাৰ পৰা তাক আঁতৰি যাবলৈ দুবাৰো খঙেৰে চিঞৰি কোৱা হৈছিল। প্ৰধান কৰ্মচাৰীজনে ভ্ৰূকুটি কৰি এটা হিলৈৰ পৰা আনটোলৈ বেগেৰে অহা-যোৱা কৰিছে। লৰা কৰ্মচাৰীজনৰ মুখখন ৰঙা পৰিছে। সি এতিয়া বেছি সাৱধানেৰে সৈনিকবোৰক আদেশ দিছে। হুকুম মতে সৈনিকবোৰে যন্ত্ৰৰ নিচিনা সকলো কাম দুগুণ উৎসাহেৰে কৰিছে।

ধুমুহাৰ ভাৱৰ ক্ৰমাৎ আগবাঢ়ি আহিল। পিয়াৰে যি জুই দেখিছিল সেই জুই এতিয়া প্ৰত্যেকৰে মুখত বেছি উজ্জল হৈ জ্বলি উঠিল। পিয়াৰ প্ৰধান কৰ্মচাৰীৰ ওচৰত থিয় হৈ আছে। লৰা কৰ্মচাৰীজনে প্ৰধান কৰ্মচাৰীজনক অভিবাদন জনাই ক'লে, "আৰু আঠবাৰ হিলৈ চলাবৰ জোখাৰেহে খাৰ-বাৰুদ আছে। গুলী চলাইয়ে থাকিব নেকি? আপুনি কি আদেশ কৰে?"

এনেতে এটা বোমা পৰিল। পাখিত গুলী লগা চৰাইৰ নিচিনাকৈ লৰা কৰ্মচাৰীজন মাটিত বাগৰি পৰিল। পিয়াৰ আচৰিত হ'ল। সি এবাৰ দেখিলে।

এটাৰ পাছত এটাকৈ ভীষণ শব্দেৰে কামানৰ গুলী আহি সৈনিকবোৰৰ মাজত, হিলৈবোৰৰ ওপৰত পৰিবলৈ ধৰিলে। এনে শব্দ পিয়াৰে আগতে কদাচিত শুনিছিল কিন্তু এতিয়া অইন একো নুশুনে। হিলৈবোৰৰ সোঁফালে সৈনিকবোৰ জয়ধ্বনি কৰি লৰিছে কিন্তু পিয়াৰে অনুমান কৰিলে যে সিহঁত আগবাঢ়ি নগৈ পিছলৈহে লৰি আহিছে।

পিয়াৰৰ ওচৰতে কামানৰ গুলি এটাই টিপৰ কিছুমান মাটি উকৰাই নিলে। লগে লগে এটা ডাঙৰ শব্দ হ'ল। নগৰৰক্ষীসকল ভয়তে পলাল।

এজন কৰ্মচাৰী প্ৰধান কৰ্মচাৰীৰ ওচৰলৈ লৰি আহি ভয় ভয়কৈ ক'লে (ভোজৰ সময়ত খানচামাই যেনেকৈ কেতিয়াবা গৃহস্থক কয় যে যি মদ বিচাৰিছে সেই মদ আৰু নাই) যে আৰু খাৰ-বাৰুদ নাই।

পিয়াৰৰ ফালে চাই প্ৰধান কৰ্মচাৰীজনে কৰ্মচাৰীজনক চিঞৰি ক'লে, "দপাবাওইতে কি কৰিছে? ভঁৰালৈলৈ লৰি যোৱা, তাৰ পৰা আনাগৈ।"

পিয়াৰে ক'লে, "মই যাম।" প্ৰধান কৰ্মচাৰীজনে একোকে নামাতি হিলৈ-বোৰৰ ফালে গৈ চিঞৰি ক'লে, "গুলি নকৰিবা, অলপ ৰোৱা।"

যিজন সৈনিকক খাৰ-বাৰুদ আনিবলৈ হুকুম কৰা হ'ল সি লৰি পিয়াৰক কৈ গ'ল, "ডাঙৰীয়া, ইয়াত আপোনাৰ কোনো কাম নাই।" কিন্তু পিয়াৰ সৈনিকজনৰ পিছে পিছে তললৈ লৰ দিলে।

খাৰ-বাৰুদৰ ভঁৰালৰ পিনে লৰি যাওঁতে পিয়াৰৰ চাৰিওফালে কামানৰ গুলি আহি মাটিত পৰিল। সি আচৰিত হৈ ৰ'ল। আগলৈ যাব নে পিছলৈ উভতি আহিব সি ভাবি নাপালে। হঠাতে এটা ডাঙৰ আঘাত পাই পিয়াৰ পিছফালে মাটিত পৰি গ'ল। লগে লগে এটা ভীষণ শব্দ হ'ল আৰু জুইৰ পোহৰে তাৰ চকু ছাট মাৰি ধৰিলে।

পিয়াৰে সজ্ঞান হৈ দেখিলে সি হাত দুখনত ভৰ দি মাটিত বহি আছে। ওচৰত থকা খাৰ-বাৰুদৰ বাকচটো তাত নাই। ঘাঁহবোৰ পুৰিছে। আৰু তাত কিছুমান ফটা কাগজ আৰু কাপোৰ সিঁচৰতি হৈ পৰি আছে। এটা ঘোঁৰা লৰি গ'ল। আৰু এটা ঘোঁৰাই পিয়াৰৰ নিচিনাকৈ মাটিত বাগৰি চিঞৰিছে।

পিয়াৰে বৰ ভয় খাই আশ্ৰয় বিচাৰি হিলৈবোৰৰ পিনে লৰ দিলে। টিলাৰ ওপৰলৈ গৈ পিয়াৰে হিলৈৰ শব্দ নুশুনিলে। কিন্তু কিছুমান মানুহে তাত কিবা কৰিছে। সেইবোৰ কি মানুহ তাৰ চাবলৈ সময় নাই। প্ৰধান কৰ্মচাৰীজন

মাটিৰ দেৱালৰ ওপৰত হীৰল দি পৰি আছে, যেন মন দি তললৈ কিবা চাইছে। পিয়াৰে আৰু দেখিলে কিছুমান মানুহে এজন সৈনিকক ধৰিছে আৰু সৈনিক-জনে সিহঁতৰ হাত এৰাবলৈ চেষ্টা কৰি লগৰীয়াবোৰক চিঞৰি মাতিছে। পিয়াৰে আৰু এটা আচৰিত ঘটনা দেখিলে।

পিয়াৰে বুজি পালে যে প্ৰধান কৰ্মচাৰীজনক শত্ৰুৱে মাৰিছে আৰু সৈনিক-জনক বন্দী কৰিছে। এনেতে তাৰ চকুৰ আগতে আন এজন সৈনিকক বন্দুকৰ সঙ্গীনেৰে খুচি মাৰিলে। ভয়তে পিয়াৰ টিপৰ ওপৰলৈ লৰ দিলে। পিছে পিছে নীলা পোছাক পিন্ধা এজন মানুহে হাতত তৰোৱাল লৈ চিঞৰি তাক খেদি গ'ল। মানুহজন ওচৰ চাপিলত পিয়াৰে একো নভবা নিচিন্তাকৈ আত্মৰক্ষাৰ কাৰণে ফৰাচী কৰ্মচাৰীজনক ডিঙিত সাৰটি ধৰিলে। কৰ্মচাৰীজনেও তৰোৱালখন পেলাই দি পিয়াৰৰ ডিঙিত সাৰটি ধৰিলে।

দুয়ো ভয় খাই কিছু সময় ইজনে সিজনৰ মুখলৈ চাই থাকিল। সিহঁতে কি কৰিছে, কি কৰিব ভাবি আচৰিত হ'ল। দুয়ো ভাবিছে, "মই বন্দী কৰিলোঁ নে ময়ে বন্দী হলোঁ।" ফৰাচী কৰ্মচাৰীজনৰ কিন্তু দৃঢ় বিশ্বাস হ'ল যে সি বন্দী হৈছে কাৰণ পিয়াৰে ভয়তে তাৰ ডিঙিত জোৰকৈ চেপি ধৰিছিল। ফৰাচীজনে কিবা কব খুজিছিল, এনেতে এটা হিলৈৰ গুলী সিহঁতৰ মূৰৰ ওচৰলৈ উৰি আহিল। ফৰাচী কৰ্মচাৰীজনক হঠাতে তলমূৰ কৰা দেখি পিয়াৰে ভাবিলে গুলিটো নিশ্চয় তাৰ মূৰত পৰিছে। পিয়াৰেও তলমূৰ কৰি হাত দুখন এৰি দিলে। কোন বন্দী হ'ল বুলি আৰু নাভাবি—ফৰাচীজন হিলৈবোৰৰ ফালে উভতি লৰ দিলে। পিয়াৰো পাহাৰৰ তললৈ বেগেৰে নামি গ'ল। পিয়াৰে বাওঁতে আহত আৰু মৰা সৈনিকবোৰত উজুটি খাই খাই গ'ল। সিহঁতে তাক ভৰিত ধৰা যেন পালে। কিন্তু পিয়াৰে ভৈয়াম পোৱাৰ আগতে দেখিলে এদল ৰুছ সেনা উল্লাহ মনেৰে হিলৈবোৰৰ পিনে আগবাঢ়ি আহিছে।

কামান দখল কৰা ফৰাচীবোৰ পলাল। ৰুছ সৈনিকসকলে সিহঁতক পিছে পিছে বহু দূৰলৈকে খেদি গ'ল। সিহঁতে হিলৈখলীৰ পৰা কেইবাজনো ফৰাচীক বন্দী কৰি আনিলে। তাৰ ভিতৰত এজন আহত সেনাপতিও আছিল। দুয়ো পক্ষৰ বহুতো সৈনিক হতাহত হ'ল। তাৰ ভিতৰত পিয়াৰে চিনাকি মানুহো দেখিলে।

পিয়াৰ হিলৈবোৰৰ ওচৰলৈ গৈ তাত এঘণ্টামান থাকিল কিন্তু হিলৈধাৰী-

সকলৰ আগৰ দলটোৰ এজনকো নেদেখিলে। আগৰ দলটোৱে পিয়াৰক সিহঁতৰে এজন বুলি ভাবি লৈছিল। বহুতো মৰাশ পৰি আছে। কিছুমানক পিয়াৰে চিনি পালে, কিছুমানক নাপালে। লৰা কৰ্মচাৰীজন এতিয়াও তেজেৰে ৰাঙলী হৈ মাটিৰ গড়ৰ পাৰত বহি আছে।

পিয়াৰ তললৈ নামি আহিল। আহত সৈনিকবোৰ কঢ়িয়াই নিয়া সাঙী-বোৰৰ পিছে পিছে গৈ পিয়াৰে ভাবিলে, "এতিয়া যুদ্ধ বন্ধ কৰা উচিত। সিহঁতে যি কৰিছে দেখি নিজেই চক খাব।"

ধোঁৱাৰ আবৰণৰ ওপৰত এতিয়াও বেলিৰ পোহৰ আছে। আগৰ ফালে বিশেষকৈ বাওঁফালে চেমিওনোভস্কিৰ ওচৰত এতিয়াও ধোঁৱাৰ মাজত যুদ্ধ চলি আছে। কামান, বন্দুকৰ শব্দ ক্ৰমাৎ বেছি হৈছে। যেনিবা হতাশৰ শেহ চিঞৰ।

# দ্বাদশ অধ্যায়

বাভিপুৰা পিয়াৰে যি ভাৱে দেখি গৈছিল, এতিয়াও একে ঠাইতে কম্বল পাড়ি দিয়া বেঞ্চিখনৰ ওপৰত কুতুজভ তলমূৰকৈ বহি আছে। তেওঁ নিজে কোনো হুকুম নিদিয়ে। কোনোবাই কিবা আদেশ বিচাৰিলেহে তেওঁ সম্মতি বা অসম্মতি দিয়ে। কোনোবাই কিবা প্ৰস্তাৱ কৰিলে তেওঁ কয়—"থাক, কৰা।" অনুচৰবোৰক কয় "হেৰা, তুমি সেইফালে যোৱা ; তুমি এইটো চাবা। এইটো এতিয়া কৰিব নালাগে। চোৱা য'ক কি হয়।" যুদ্ধৰ বাতৰিবোৰ তেওঁ শুনে, কিন্তু নিবিচাৰিলে তেওঁ কোনো আদেশ নিদিয়ে। যুদ্ধৰ বাতৰিতকৈও বাতৰি দিয়া মানুহজনৰ মুখলৈ, মাতটোলৈ, কোৱাৰ ধৰণটোলৈহে তেওঁ বেছিকৈ লক্ষ্য কৰে। বয়সৰ গুণত আৰু সামৰিক বিভাগত বহুদিন কাম কৰি তেওঁ উপলব্ধি কৰিছে যে মৃত্যুৰ লগত যুঁজ কৰা হেজাৰ-বিজাৰ মানুহক এজন মানুহে দিহা-পৰামৰ্শ দি চলাব নোৱাৰে। প্ৰধান সেনাপতিৰ হুকুমৰ ওপৰতে যুদ্ধৰ জয়-পৰাজয় নিৰ্ভৰ নকৰে। বাহিনীৰ অৱস্থিতি, কামান আৰু মৰাৰ সংখ্যা লৈ ও যুদ্ধৰ ফলাফল নিৰ্ধাৰিত নহয়। সমগ্ৰ বাহিনীটোৰ মিলিত শক্তিয়েই জয়-পৰাজয়ৰ ভাগ্য নিৰ্ণয় কৰে। যুদ্ধৰ ফলাফল নিৰ্ভৰ কৰে এটা শক্তিৰ ওপৰত—সেইটো হৈছে সৈন্যবাহিনীৰ মনোবল। সেই শক্তিটোলৈ তেওঁ লক্ষ্য কৰিছে। আৰু যিমান দূৰ পাৰে সেই শক্তিটো দিবলৈ চেষ্টা কৰিছে। সেই শক্তিৰে তেওঁ চলাবলৈ বিচাৰিছে।

এবাৰ বজাত এজন দূত আহি কুতুজভক জনালে যে ফৰাচীবিলাকক আকৌ খেদি পঠোৱা হৈছে। কিন্তু বাগ্ৰাচিওঁ আহত হৈছে। কুতুজভে এজন অনুচৰক কলে, "তুমি প্ৰিন্স্ পিটাৰ আইভানোভিচক লগ ধৰি সঠিক জানি আহা।" ওয়াৰটেম্বাৰ্গৰ ৰাজকোঁৱৰ পিচফালে থিয় হৈ আছিল। তেওঁৰ পিনে মুখ কৰি কুতুজভে কলে, "আপুনি গৈ বাগ্ৰাচিয়ঁৰ প্ৰথম বাহিনীটো পৰিচালনা কৰক।"

ৰাজকোঁৱৰ যোৱাৰ অলপ পাচতে, বোধকৰো তেওঁ চেমিওনোভস্কি পোৱাগৈয়ে নাছিল—আকৌ সৈন্য বিচাৰি কুতুজভৰ ওচৰলৈ এজন দূত পঠালে। কুতুজভৰ খং উঠিল। প্ৰথম বাহিনী পৰিচালনা কৰিবলৈ,

লোহটুবোডক ভাৰ দিলে। আৰু জাৰ্মান সেনাপতিজনক মাতি পঠালে যে এনে-কুৱা জৰুৰী সময়ত ৰাজকোঁৱৰ তেওঁৰ ওচৰত নাথাকিলে তেওঁ চলিব নোৱাৰে।

ম্যুৰা বন্দী হোৱা বুলি খবৰ পাই কৰ্মচাৰীসকলে কুতুজভক ওলগ জনালত কুতুজভে হাঁহি ক'লে, "তোমালোক অলপ সময় অপেক্ষা কৰা। ৰণত আমি জিকিমেই। ম্যুৰা বন্দী হোৱাটো একো আচৰিত কথা নহয়। কিন্তু আনন্দ উৎসৱটো পিচলৈ থলে ভাল হব। আগতে ইমান হৈ-চৈ কৰা ভাল নহব।" তথাপি সৈন্যবোৰক এই খবৰটো দিবৰ কাৰণে তেওঁ এজন অনুচৰ পঠালে।

ফৰাচীবিলাকে চেমিওনোভস্কো দখল কৰাৰ খবৰ লৈ এজন দূত আহিল। যুদ্ধক্ষেত্ৰৰ কোৰ্হাল শুনি আৰু দূতজনৰ মুখখন দেখিয়ে কুতুজভে অনুমান কৰিলে যে খবৰ বেয়া। তেওঁ থিয় হৈ দূতজনক হাতত ধৰি আঁতৰলৈ লৈ গ'ল। তাৰ পাছত এজন সহচৰক ক'লে, "তুমি যোৱা। কিবা কৰিব পাৰি নেকি চোৱা।"

ৰুচসকলৰ কেন্দ্ৰ ঠাই গৰ্কী। কুতুজভ তাতেই আছে। বাওঁফালৰ আক্ৰমণ কেবাবাৰো প্ৰতিৰোধ কৰা হৈছে। মাজভোখৰত ফৰাচীসকলে বৰোডিনৰ পৰা আগবাঢ়ি অহা নাই। উভাৰভৰ অশ্বাৰোহী সেনাই ফৰাচী-বিলাকক সেইফালৰ পৰা খেদি পঠাইছে।

তিনি বজাত ফৰাচীসকলৰ আক্ৰমণ বন্ধ হ'ল। যুদ্ধক্ষেত্ৰৰ পৰা অহা কৰ্মচাৰীসকলৰ মুখ দেখিয়েই কুতজভে বুজি পালে যে সকলোৱে যৎপৰোনাস্তি চেষ্টা কৰিছে। আজিৰ আশাতীত কৃতকাৰ্য্যতাত কুতুজভে সন্তোষ পালে। কিন্তু বুঢ়াৰ গাৰ বল লাহে লাহে টুটি আহিল। ভাগৰি পৰিল। তলমূৰকৈ বহি থাকে আৰু তেনেকৈয়ে টোপনিয়ায়। তেওঁৰ খানা আহিল।

কুতুজভে খাই থাকোঁতে অনুচৰ ৱালজোগন আহিল। এই সেনাপতি জনক বাৰ্‌ক্লাচিয়ুই বিশেষকৈ ঘিণ কৰে। বাওঁফালে সৈনিকবোৰ কিদৰে পলাইছে এই খবৰটো কুতুজভক দিবৰ কাৰণে ৱালজোগন সেনাপতি বাৰ্কলিৰ ওচৰৰ পৰা আহিছে। আহত মানুহবোৰক পলোৱা দেখি, সেনাবাহিনীৰ বিশৃঙ্খলতা দেখি আৰু সকলো ফালে (বৰুমে) বুজিবাজি চাই চতুৰ বাৰ্কলিয়ে যুদ্ধত পৰাজয় বুলি ধৰি ললে। আৰু এই খবৰটো দিবলৈ তেওঁৰ প্ৰিয় সহচৰ-জনক প্ৰধান সেনাপতিৰ ওচৰলৈ পঠাইছে।

কুতুজভে কষ্টেৰে মঙহ চোবাই আছিল। ৱালজোগনক দেখি ভাল পালে।

ৰালজোগনে অলপ মিচিকিয়াই হাঁহি, বিশেষ সন্মান নেদেখুৱাই কুতুজভৰ আগত থিয় হ'ল।

এই কৰ্মচাৰীজনে প্ৰধান সেনাপতিক শ্ৰদ্ধা নকৰে, অৱজ্ঞা কৰে। এই কৰ্মচাৰীজনে ৰুছ-সকলক দেখুৱায় যে তেওঁ এজন উচ্চ শিক্ষিত সামৰিক কৰ্মচাৰী আৰু মানুহে মিছাতেই এই বুঢ়া অপদাৰ্থ মানুহজনক তাওঁৰ প্ৰধান সেনাপতি বুলি ভাবে। জাৰ্মান মহলত তেওঁ কুতুজভক সদায় "বুঢ়া ভদ্ৰলোক" বুলি উল্লেখ কৰে। কুতুজভৰ ওচৰলৈ আহি তেওঁ ভাবিলে, "অ' বুঢ়াই খাইছে।" তাৰ পাছত খোৱা বস্তুবোৰলৈ চাই বাৰ্কে কৈ পঠোৱা খবৰটো বুঢ়া ভদ্ৰলোক-জনক কলে আৰু লগতে নিজৰ মতামতো জনালে। সি ক'লে, "সকলোবোৰ ঠাই শত্ৰুৱে দখল কৰিছে। সিহঁতক খেদিব নোৱাৰি কাৰণ আমাৰ তিমান সৈন্য নাই। মানুহবোৰ পলাইছে। সিহঁতক খমোৱা অসম্ভৱ।"

কুতুজভে হঠাতে খাবলৈ এৰি আচৰিত হৈ ৰালজোগনৰ মুখলৈ চালে, যেন তাৰ কথা তেওঁ বুজি পোৱা নাই। বুঢ়া ভদ্ৰলোকজনক উত্তেজিত হোৱা দেখি ৰালজোগনে অলপ হাঁহি ক'লে, "মই যি দেখিছোঁ— তাক হুজুৰৰ ওচৰত লুকাবলৈ মোৰ অধিকাৰ নাই বুলি ভাবোঁ। সৈন্যবোৰ একেবাৰে ছত্ৰভঙ্গ দিছে···।"

কুতুজভে তৎক্ষণাৎ থিয় হৈ ৰালজোগনৰ কাষ চাপি ভ্ৰূকুটি কৰি চিঞৰি উঠিল, "তুমি দেখিছা?" হাত দুখনেৰে ভীতিজনক আওভাও কৰি কঁপি কঁপি চিঞৰি ক'লে, "তুমি কেনেকৈ এই কথা কব পাৰিলা? তোমাৰ ইমান সাহস! কোন সাহসেৰে তুমি মোক এইদৰে কৈছা? তুমি একোকে নাজানা। মই কোৱা বুলি সেনাপতি বাৰ্কলিক কোৱাগৈ যে তেওঁৰ ভুল হৈছে। মই প্ৰধান সেনাপতি—যুদ্ধৰ পৰিস্থিতি সম্পৰ্কে মই তেওঁতকৈ বেছি জানো।" ৰালজোগনে প্ৰতিবাদ কৰিব খুজিছিল কিন্তু কুতুজভে তেওঁক বাধা দি খঙেৰে টানকৈ ক'লে, "শত্ৰুক বাওঁফালে ভেটা দিয়া হৈছে আৰু সোঁফালে পৰাজিত কৰা হৈছে। তুমি যদি ভুলকৈ দেখিছা, তুমি নুবুজা কথা কবলৈ নাহিবা। সেনাপতি বাৰ্কলিৰ তালৈ উভতি যোৱা আৰু কাইলৈ ফৰাচীবিলাকক আক্ৰমণ কৰিবলৈ মোৰ দৃঢ় সংকল্পৰ কথা তেওঁক জনোৱাগৈ।"

সকলো নিস্তব্ধ হ'ল। অকল বুঢ়া সেনাপতিৰ ফোঁপনি শুনা গ'ল। ভগৱানৰ নাম লৈ তেওঁ ক'লে, "সকলো ঠাইতে শত্ৰুৰ গতি প্ৰতিৰোধ কৰা হৈছে। তাৰ কাৰণে ভগৱানৰ আৰু আমাৰ বীৰসকলৰ শলাগ লৈছোঁ। শত্ৰু পৰাস্ত

হৈছে। আৰু কাইলৈ আমি তাক পবিত্র ৰুছভূমিৰ পৰা খেদি দিম।" কুতুজভে হঠাতে ফেঁকুৰিবলৈ ধৰিলে।

ৱালজোগনে একো নামাতি, আচৰিত হৈ গুচি গ'ল।

এনেতে এজন শকত-আৱত, ধুনীয়া সেনাপতি আহিল। তেওঁৰ নাম ৰভস্কি। এওঁ গোটেই দিনটো যুদ্ধক্ষেত্ৰৰ প্ৰধান অংশত আছিল। তেওঁক দেখি কুতুজভে ক'লে, "এইয়া, আমাৰ বী আহিছে।" ৰভস্কিয়ে জনালে যে সেনাবাহিনীয়ে দৃঢ়ভাৱে নিজ ঠাই ৰক্ষা কৰি আছে। ফৰাচীবিলাকে আৰু আক্ৰমণ কৰিবলৈ সাহস পোৱা নাই।

তেওঁৰ কথাখিনি ভালকৈ শুনি লৈ কুতুজভে ফৰাচী ভাষাত ক'লে, "তেন্তে তোমাৰ দৰে আনবোৰৰ দৰে তুমি নাভাবা যে আমি পলাবলৈ বাধ্য হৈছোঁ?"

ৰভস্কিয়ে ক'লে, "বৰং অনিশ্চিত যুদ্ধত যি লাগি থাকে সিয়ে জয়ী হব। মোৰ মতে...।"

কুতুজভে তেওঁৰ অনুচৰজনক মাতি ক'লে, "কাইচেৰভ, বহা। কালিৰ কাৰণে হুকুম লিখা।" আন এজনৰ ফালে চাই ক'লে, "তুমি এতিয়াই সেনা-বাহিনীক ঘোষণা কৰাগৈ যে কাইলৈ আমি আক্ৰমণ কৰিম।"

কুতুজভে ৰভস্কিৰ সৈতে কথা পাতিছে আৰু কালচেৰভক হুকুমটো কৈ আছে। এনেতে জাৰ্মান দূতজন উভতি আহি জনালে যে প্ৰধান সেনাপতিয়ে যি আদেশ দিছে তাক সমৰ্থন কৰি এখন লিখিত হুকুম পালে সেনাপতি বাৰ্কলি সুখী হব।

কুতুজভে ৱালজোগনৰ ফালে নোচোৱাকৈ এখন লিখিত হুকুম দিবলৈ অনুচৰজনক ক'লে। নিজে দায়িত্বৰ হাত সাৰিবলৈ এই হুকুম বিচাৰিলি।

# ত্ৰয়োদশ অধ্যায়

মনোবলেই যুদ্ধৰ প্ৰধান সম্বল। আৰু এই মনোবল কছবাহিনীৰ আছিল। কুতুজভৰ কথাবোৰ, তেওঁৰ যুদ্ধৰ হুকুম সেনাবাহিনীৰ ইমূৰৰ পৰা সিমূৰলৈ তৎক্ষণাৎ বিয়পি পৰিল।

হুকুমত থকা শব্দবোৰৰ মানুহৰ মুখে মুখে সালসলনি হ'ল। আৰু হুকুমৰ সাৰমৰ্ম সকলোৱে বুজি পালে। কাৰণ কুতুজভে ভাবিচিন্তি এই হুকুম দিয়া নাই। ই প্ৰধান সেনাপতিৰ অন্তৰৰ কথা, গভীৰ অনুভূতিৰ বিকাশ মাথোন। আৰু এই গভীৰ অনুভূতি প্ৰতিজন কছৰ অন্তৰতে আছে। কাইলৈ শত্ৰুক আক্ৰমণ কৰিব লাগিব বুলি জানিব পাৰি ভাগৰুৱা, সন্দিহানসকলে সান্ত্বনা পালে, আকৌ সাহস পালে। প্ৰধান সেনাপতিৰ ঘোষণাই যাদুমন্ত্ৰৰ দৰে সেনাবাহিনীত উৎসাহ, উদ্দীপনাৰ সঞ্চাৰ কৰিলে।

প্ৰিন্স্ এণ্ড্ৰুৰ সেনাদলে সিদিনাখন যুদ্ধ কৰা নাই। ভবিষ্যতৰ কাৰণে সিঁহতক আচুতীয়াকৈ ৰখা হৈছিল। দুই বজালৈকে সিঁহতক চেমিওনোভস্কোয়িৰ পিচফালে কামানৰ গুলীৰ তলত ৰখা হৈছিল। দুই বজাৰ আগতে দলটোৰ দুশবো বেছি সৈনিকে প্ৰাণ হেৰুৱায়। দুই বজাৰ আগতে দলটোক চেমিওনোভস্কোয়ি আৰু হিলৈ গড়ৰ মাজৰ পথাৰ খনলৈ আগ বঢ়াই নিয়া হ'ল। এই ঠাইডোখৰতে সিদিনা হেজাৰ-বিজাৰ মানুহ মৰিছিল। আৰু প্ৰায় দুইশান বজাত এইডোখৰ ঠায়ে শত্ৰুপক্ষৰ শ শ হিলৈৰ লক্ষ্যস্থল হৈছিল।

প্ৰিন্স্ এণ্ড্ৰুৰ দলটো সেই ঠাইৰ পৰা লৰচৰ কৰা নাই; গুলিও কৰা নাই। কিন্তু তাতে দলটোৰ আৰু তিনি ভাগৰ এভাগ সৈনিক হানি হ'ল।. গোটেইখন ঠাই ধোঁৱাৰে ঢাক খাই আছিল। কোনোফালে একো নেদেখি। সম্মুখত বিশেষকৈ সোঁফালে অবিৰাম কামান ধ্বনি হৈ আছে। আৰু জোৰেৰে বোমা আৰু গুলিবোৰ উৰি আহিছে। কেতিয়াবা আৰু গুলিবোৰ সিঁহতৰ মূৰৰ ওপৰেদি উৰি যায়। কেতিয়াবা এক মিনিটৰ ভিতৰতে দলটোৰ কেবাজনে মানুহক শেষ কৰে। সৈনিকবোৰে মৃত আৰু আহতবোৰক আঁতৰাই নিয়ে।

প্ৰতিটো গুলি বিস্ফোৰণৰ লগে লগে জীয়াই থকা সকলবো জীৱনৰ আশা টুটি আহে। বাহিনীটোক বেলেগ বেলেগ দলত ভাগ কৰি তিনিশ খোজ আঁতৰে আঁতৰে ৰখা হৈছিল। তথাপি সকলোৱে জীৱনৰ আশা এৰি

দিছিল—কেতিয়া কাৰ কি হয়! দুই-এজনে অলপ কথা-বতৰা পাতিলেও বোমাৰ শব্দত আকৌ নিস্তব্ধ হয়।

সৈনিকবোৰক বহি বহি কাম কৰিবলৈ কোৱা হ'ল। কিন্তু সম্প্ৰতি কোনো কাম নাই। কোনোবাই জোতা চাফা কৰিছে, কোনোবাই মাটিত দাগ কাটিছে, কোনোৱে মাটিৰ চপৰা গুৰি কৰিছে, কৈবে মাটিৰে বন্দুকৰ সঙ্গীন চাফা কৰিছে। সকলোৱে যেন মনপুতি নিজৰ নিজৰ কামত লাগিছে। হিটলৈৰ গুলি লাগি কোনো সৈনিক বাগৰি পৰিলে বা মৰিলেও মানুহৰ আৰু যুৰ দাঙি চাবলৈ আগ্ৰহ নোহোৱা হ'ল। বন্দুবাহিনী আগুৱাই যোৱা বুলি গম পালে অকল কয়—"এবা, এইদৰেহে যুদ্ধ কৰিব লাগে।" অলপ সময়ৰ কাৰণে এই বিষয়ে আলোচনাও কৰে। কিন্তু পাছতেই আকৌ এই সাধাৰণ অকামত লাগি যায়। যুদ্ধ আৰু ভাল নলগা হ'ল। প্ৰাণশক্তি অচেতন হ'ল।

হঠাতে এটা কুকুৰ দেখি সৈনিকবোৰ চঞ্চল হৈ উঠিল। সকলোৱে মৰমৰ চকুৰে কুকুৰটোলৈ চালে। এই বাদামী ৰঙৰ কুকুৰটো হঠাতে ক'ৰ পৰা আহিল—কোনেও নাজানে। কিন্তু ইয়াৰ লগত গৃহস্থ জীৱনৰ যেনিবা এটা নিতা সম্বন্ধ আছে। জীৱনৰ সাধাৰণ বস্তুলৈও এতিয়া ইইতৰ কি মায়া! হঠাতে এটা গুলি আহি পৰিলত বেচেৰা কুকুৰটো পাচ ঠেং দুখনৰ মাজত নেজডাল লুকাই ক'ত অদৃশ্য হ'ল—! সকলোৱে হোঁ হোঁকৈ হাঁহিবলৈ ধৰিলে।

"সাৱধান! সাৱধান!—তোমাৰ গাত পৰিব, শেহ কৰি দিব—। আৰে, কণা নেকি? কি চাই আছা? দেখা নাই নেকি?" এনে ধৰণৰ সতৰ্কবাণী চাৰিওপিনে শুনা গৈছে।

সেনাবাহিনীৰ মানুহবোৰৰ দৰে প্ৰিন্স্ এণ্ড্ৰুও শেতা পৰিছে। তেওঁ তলমূৰকৈ পথাৰখনৰ ইমূৰৰ পৰা সিমূৰলৈ ঘূৰি ফুৰিছে। সৈনিকবোৰে নিজ খুচিমতে কাম কৰি আছে। তেওঁ সিইতলৈ মন কৰা নাই। সেনাদলক কোনো নতুন শিক্ষা দিবলৈ তেওঁৰ গাত শক্তি নাই। তেওঁৰ কোনো বিশিষ্টতা নাই।

সৈনিকবোৰৰ নিচিনা এণ্ড্ৰুৰ মনটোও যুদ্ধৰ বীভৎসভাব পৰা আঁতৰত থাকিব খুজিছে। তেওঁৰ জোতাত কিমান ধূলি জমিছে, তালৈ চায়। চহ কৰা পথাৰৰ মাজেদি যাওঁতে ভাবে—এই পথাৰখনত কিমান শস্য হব পাৰে। গছৰ এটা সৰু ঠানি ভাঙি আনি তাৰ পাতবোৰ গুণি চায়। কালি পিয়াৰক দেখি যিবোৰ কথা তেওঁৰ মনলৈ আহিছিল, সেইবোৰ সকলো পাহৰিছে। এতিয়া

তেওঁৰ মনত কোনো ভাবনা-চিন্তা নাই। এতিয়া তেওঁৰ চাৰিওফালে আকাশে-বতাহে অকল কামান গৰ্জন, বোমা বিস্ফোৰণৰ শব্দ আৰু ৰণক্ষেত্ৰৰ কোৰ্হাল। কেতিয়াবা আগলৈ চাই বোমা উৰি অহা দেখিলে তেওঁ যেন উৎসাহেৰে কয় "অ" আহিছে; মোৰ ফালে আহিছে। আৰু এটা আহিছে; বৰ তলেদি আহিছে···মূৰৰ ওপৰেদি গ'ল।···তাত এটা পৰিল; হয়, পৰিছে।" তাৰ পাছত আকৌ লাহে লাহে এখোজ-দুখোজকৈ পথাৰখনৰ সিমূৰলৈ যায়।

হঠাতে দহ হাত দূৰৈত মাটিত এটা গুলী পৰিল। এণ্ড্ৰু চক্ খাই আগলৈ চালে।—নিশ্চয় কাৰোবাৰ গাত লাগিছে নহলে ইমান মানুহ গোট খাব কিয়?

এজন অনুচৰক মাতি এণ্ড্ৰুৱে ক'লে, "মানুহবোৰক আঁতৰি যবলৈ কোৱা।"

এজন সৈনিক ভয়তে চিঞৰি উঠিল, "সাৱধান! সাৱধান!" মুহূৰ্ততে এটা গোলা আহি কৰ্মচাৰী এজনৰ ঘোঁৰাৰ ঠেঙত পৰিল। কৰ্মচাৰীজনক পেলাই দি ঘোঁৰাটো মাটিত বাগৰি পৰিল।

তাৰ পাছত অনুচৰ এজনে চিঞৰিলে, "শুই পৰক! শুই পৰক!" কিন্তু প্ৰিন্স্ এণ্ড্ৰু থিয় হৈয়ে থাকিল। গুলীটো ক'ত পৰিব—এণ্ড্ৰুৱে বুজি নাপালে। ধোৱাৰ মাজেৰে আহি দুয়াৰে মাজৰ গছ এজোপাৰ এডোখৰ খুৰিলে।

পোৰা গছজোপালৈ চাই এণ্ড্ৰুৱে বেজাৰ কৰিলে, "এনেকৈয়ে মৃত্যু আহে। কিন্তু মইতো মৰিব নোখোজো। মই জীৱনক ভাল পাওঁ। পৃথিবীৰ মায়াই মোৰ মনটো বান্ধি ৰাখিছে। মই নোৱাৰিম, মই কৰিব নোৱাৰিম।" জীৱনৰ প্ৰতি এটি গভীৰ আকৰ্ষণ অন্তৰত অনুভৱ কৰিলে। অনুচৰজনক এণ্ড্ৰুৱে কিবা কব খুজিছিল, এনেতে এটা বোমা আহি এণ্ড্ৰুক লুটিয়াই পেলালে। এণ্ড্ৰু উবুৰি খাই মাটিত পৰিল। কেবাজনো কৰ্মচাৰী ওচৰলৈ লৰি আহিল। এণ্ড্ৰুৰ পেটৰ পৰা তেজ ওলাই আছে। নগৰৰক্ষীসকলে সাঙী লৈ আহিল। "কি চাইছা? তুলি লোৱা।"

কৰ্মচাৰীসকলে কোৱাকুই কৰিলে, "হে ভগৱান! সৰ্বনাশ! পেটত! আৰু আশা নাই।" অনুচৰজনে ক'লে, "গুলিটো মোৰ কাণৰ ওচৰেদি গৈছে।" এণ্ড্ৰুৱে কেকাইছে। খেতিয়কসকলে এণ্ড্ৰুক সাঙীত তুলি লৈ আহত-সকলৰ শিবিৰলৈ বাওনা হ'ল। এজন কৰ্মচাৰীয়ে খেতিয়কবোৰক ক'লে, "লাহে লাহে, সাৱধানে নিবি।" আহতজনক এজন ডাঙৰ কৰ্মচাৰী বুলি খেতিয়কবোৰে বুজি পালে।

টিমোহিন লৰি আহি সাঙীৰ ওপৰলৈ জুমি চাই কান্দোনৰ সুৰত মাতিলে, "হুজুৰ ? হুজুৰ ? প্রিন্স ?"

সাঙীৰ পৰা প্রিন্স এণ্ড্ৰুৱে চকু মেলি টিমোহিনৰ ফালে চাই আকৌ চকু মুদিলে। খেতিয়কসকলে প্রিন্স এণ্ড্ৰুক হাবিৰ মাজত থকা আহতসকলৰ শিবিৰলৈ লৈ গ'ল।

নাকত আঁৰি দিয়া মোনাৰ পৰা ঘোঁৰাবোৰে বুটমাহ খাইছে। মাটিত পৰা বুটমাহবোৰ চৰায়ে বুটলি নিছে। তেজৰ গোন্ধ পাই কাউৰীবোৰে গছত কা-কা কৰিছে। শিবিৰৰ চাৰিফালে পাঁচ একৰমান ঠাই জুৰি বিভিন্ন পোছাক পিন্ধি ৰক্তাক্ত কলেৱৰেৰে মানুহবোৰ বহি বা শুই আছে। সাঙীৰ লগত অহা সৈনিকবোৰে হতাশ মনেৰে সিহঁতক বেৰি জুমি চাইছে। কর্মচাৰীসকলে সিহঁতক বাৰে বাৰে খেদি দিয়ে কিন্তু সিহঁত আকৌ আহি জুম বান্ধে। কর্মচাৰীসকলৰ হুকুমলৈ মন নকৰি সিহঁতে আহতবোৰক আগ্রহেৰে চায়— যেন কিবা ডাঙৰ সমস্যাহে সমাধান কৰিব খুজিছে।

তম্বুবোৰৰ ভিতৰৰ পৰা কৰুণ বিনানি শুনা গৈছে। মাজে মাজে ডাক্তৰৰ সহকাৰীজন পানীৰ কাৰণে নাইবা ইয়াৰ পাছত কাক ভিতৰলৈ নিব দেখুৱাই দিবলৈ বাহিৰলৈ ওলাই আহে। বাহিৰত বৈ থকা আহতবোৰে চিঞৰ-বাখৰ কৰিছে, বিনাইছে বা ভোদকা বিচাৰিছে। কিছুমানে প্রলাপ বকিছে। সেনাপতি বুলি প্রিন্স এণ্ড্ৰুক চিকিৎসা নোহোৱা আহতবোৰৰ মাজেদি নি এখন তম্বুৰ ওচৰত থোৱা হৈছে। কঢ়িয়াই অনা খেতিয়কবোৰ ওচৰতে থিয় হৈ আছে। প্রিন্স এণ্ড্ৰুৱে চকু মেলি চালে কিন্তু বহু পৰলৈকে ক'ত আছে, কি হৈছে—একো বুজি নাপালে। সেই পথাৰখনৰ কথা, পোৱা গছজোপাৰ কথা, উৰি অহা বোমাৰ কথা আৰু জীৱনৰ প্রতি তেওঁৰ সেই মৰমৰ ভাব আকৌ তেওঁৰ মনলৈ আহিল। তেওঁৰ দুখোজমান ওচৰতে এজন ওখ, ধুনীয়া কর্মচাৰী গছ এজোপাত আউজি থিয় হৈ আছে। তাৰ মাৰটো কাপোৰেৰে বন্ধা।

সি মূৰত আৰু ভৰিত আঘাত পাইছে। সি ডাঙৰ ডাঙৰকৈ কথা কৈছে আৰু আহত আৰু সাঙী কঢ়িওৱা মানুহবোৰে বেৰি ধৰি তাৰ কথাবোৰ মন দি শুনিছে।

কর্মচাৰীজনে গর্ব কৰি চিঞৰি কৈছে, "আমি তাক বিচাৰি উলিয়ালোঁ। সিহঁতক হাৰ মানিবলৈ বাধ্য কৰালোঁ। আমাৰ গুলিত তিষ্ঠিব নোৱাৰি সিহঁত পলাবলৈ বাধ্য হ'ল। আমি স্বয়ং ৰজাকে বন্দী কৰিলোঁ। মুৰামৰি সময়ত

আচুভীয়াকৈ থকা সেনাদলটো আহি পোৱা হলে তাৰ কোনো চিন-চাবেই নাথাকিলহেঁতেন। কাৰণ মই কব পাৰোঁ।… ।"

তাৰ ফালে চাই আৰু তাৰ কথা শুনি প্ৰিন্স্ এণ্ড্ৰুৱেও অলপ সান্ত্বনা পালে। এণ্ড্ৰুৱে ভাবিলে, "কিন্তু এতিয়াও সেই একেই নহয় জানো? ইয়ালৈনো কিয় আহিছোঁ? মোৰ কি হৈছে? জীৱনটোৰ লগত এৰাএৰি হবলৈনো মই কিয় বেজাৰ পাইছোঁ? জীৱনটো কি মই বুজা নাছিলোঁ; এতিয়াও বুজা নাই।"

তম্বুৰ ভিতৰৰ পৰা এজন ডাক্তৰ ওলাই আহিল। তেওঁৰ কাপোৰত আৰু হাতত তেজ লাগি আছে। তেওঁৰ এখন হাতত এটা চুৰট। তেজ লাগে বুলি চুৰটটো তেওঁ বুঢ়া আৰু কেঞ্চী আঙুলিৰে ধৰিছে। বোধকৰো তেওঁ অলপ জিৰণি লব খুজিছিল। ডাক্তৰজনে আহতবোৰলৈ চালে। সোঁফালৰ পৰা বাওঁফাললৈ অলপ পৰ চাই হুমুনিয়াহ কাঢ়ি তলমুৰ কৰিলে। এজন সহকৰ্মীয়ে প্ৰিন্স্ এণ্ড্ৰুলৈ আঙুলিয়াই দিয়াত ডাক্তৰজনে ক'লে, "বাৰু, এতিয়াই।" আৰু প্ৰিন্স্ এণ্ড্ৰুক ভিতৰলৈ নিবলৈ বাহকবোৰক আদেশ দিলে।

ৰৈ থকা আহতবোৰৰ মাজত অসন্তোষ ভাব দেখা গ'ল। এজনে মাত লগালে, "পৰকালতো অকল ভাঙৰ মানুহেহে সুবিধা পাব।"

প্ৰিন্স্ এণ্ড্ৰুক ভিতৰলৈ নিয়া হ'ল। এইমাত্ৰ খালি হোৱা এখন মেজৰ ওপৰত তেওঁক শুৱাই থোৱা হ'ল। এজন সহকৰ্মীয়ে তেওঁৰ জখমবোৰ চাফ্ কৰিলে। তম্বুৰ ভিতৰত কি আছে এণ্ড্ৰুৱে ভালকৈ গম নাপালে। চাৰিওপিনে কৰুণ বিননি আৰু নিজৰ উৰু, পেট আৰু পিঠিৰ অসহ্য বিষৰ কাৰণে তেওঁ অইনফালে মন কৰিব নোৱাৰে। তেওঁৰ মূঠতে ধাৰণা হ'ল যে গোটেইখন শিবিৰ নাঙঠ, ৰক্তাক্ত কলেবৰৰ মানুহেৰে ভৰি আছে।

তম্বুৰ ভিতৰত আৰু দুখন মেজ আছে। ডাক্তৰসকলে এণ্ড্ৰুক কিছু সময়ৰ কাৰণে অকলে এৰি থৈ আন মেজ দুখনৰ ওচৰলৈ গ'ল। প্ৰিন্স্ এণ্ড্ৰুৱে সেই দুখন মেজৰ ফালে চাই থাকিল। তেওঁৰ ওচৰৰ মেজখনত এজন টাটাৰ বহি আছে। ওচৰতে পেলাই থোৱা পোছাকটোৰ পৰা তাক এজন অশ্বাৰোহী সৈনিক বুলি অনুমান হ'ল। চাৰিজন সৈনিক তাক ধৰিছে আৰু বিতচকু পিন্ধা এজন ডাক্তৰে তাৰ পিঠিত কিবা কাটিছে।

হঠাতে টাটাৰজনে কোঁচমোচ খাই চিঞৰিবলৈ ধৰিলে। অইনখন মেজৰ চৌকাষে কেবাজনো মানুহ থিয় হৈ আছে। এজন শকত মানুহ মেজখনৰ ওপৰত চিৎ হৈ আছে। কেঁকোৰা চুলিবোৰ, গাৰ বং আৰু গঠন

দেখি মানুহজনক এণ্ড্ৰুৰ চিনাকি যেন লাগিল। কেবাজনো মানুহে তাক ধৰি আছে। এখন শৰুত, বগা ভৰি ঘনাই থৰচৰ কৰি আছে। মানুহজনে কেঁকুৰিছে। দুজন ডাক্তৰে তেজেৰে ৰাঙলী হোৱা ঠেংখনত কিবা কৰিছে। টাটাৰজনক কাপোৰেৰে ঢাকি থৈ, হাত দুখন মচি, বিভচকু পিন্ধা ডাক্তৰজন প্ৰিন্স্ এণ্ড্ৰুৰ ওচৰলৈ আহিল।

ডাক্তৰজনে প্ৰিন্স্ এণ্ড্ৰুৰ মুখলৈ চালে। তাৰ পাচত সহকাৰীজনৰ ফালে চাই খঙেৰে ক'লে, "পোছাকটো খুলি দিয়া! কি চাইছা?"

সহকাৰীজনে চোলাৰ হাত দুখন কোঁচাই লৈ এণ্ড্ৰুৰ বুতামবোৰ খুলি পোছাকটো সোলোকাই নিলে। প্ৰিন্স্ এণ্ড্ৰুৰ লৰালি কালৰ কথা মনত পৰিল। ডাক্তৰজনে জখম হোৱা ঠাইডোখৰ জুমি চালে আৰু হাতেৰে চুই চাই দীঘলকৈ হুমুনিয়াহ কাঢ়িলে। তাৰ পাছত এজনক ইঙ্গিত কৰিলে। পেটৰ ভিতৰৰ অসহ্য যন্ত্ৰণাই প্ৰিন্স্ এণ্ড্ৰুক অজ্ঞান কৰিলে। যেতিয়া তেওঁৰ সজ্ঞান হয়, তেতিয়া গুলিৰ টুকুৰাবোৰ তেওঁৰ কবঙ্গণৰ পৰা উলিওৱা হৈছে। অলপ মঙহ কাটি পেলাই ঘাডোখৰ বান্ধি দিয়া হৈছে। তেওঁৰ মুখত পানী চটিয়াই দিছে। প্ৰিন্স্ এণ্ড্ৰুৱে চকু মেলি চোৱা মাত্ৰেই ডাক্তৰজনে জুমি তেওঁৰ ওঁঠত চুমা খাই, একোকে নামাতি গুচি গ'ল।

ইমান অসহ্য যন্ত্ৰণাৰ পাছত প্ৰিন্স্ এণ্ড্ৰুৱে যেন স্বৰ্গীয় শান্তি পালে। জীৱনৰ সুখৰ দিনবোৰলৈ বিশেষকৈ সৰুকালৰ দিনবোৰলৈ তেওঁৰ মনত পৰিল। সৰু কালত কাপোৰ-কানি সোলোকাই কেনেকৈ তেওঁক শুৱাই থৈছিল; ধাইজনীয়ে কেনেকৈ ওচৰতে বহি নিচুকনি গীত গাইছিল,—এইবোৰ কথা তেওঁৰ মনলৈ আহিল। তেওঁ যেন সেই দিনবোৰ আকৌ ওলোটাই পালে।

যিজন আহত মানুহক এণ্ড্ৰুৱে চিনি পোৱা যেন লাগিছিল, ডাক্তৰসকলে তাক দাঙি ধৰি সান্ত্বনা দিছে। মানুহজনে ভয় খাই কেঁকুৰি কেঁকুৰি কৈছে, "মোক এবাৰ দেখুৱাওক, উহুঁ।" তাৰ বিননি শুনি প্ৰিন্স্ এণ্ড্ৰুৰো কান্দিবলৈ ইচ্ছা গ'ল। যোৰকৰো বিনা সুখ্যাতিৰে সি এনেকৈ মৰিবলৈ ওলাইছে বা জীৱনটো এৰিবলৈ বেজাৰ পাইছে নাইবা লৰাকালৰ সুখ-স্মৃতিবোৰ সুঁৱৰি নাইবা অসহ্য যন্ত্ৰণাৰ কাৰণে নাইবা লোকৰ দুখ দেখি, সেই মানুহজনে ইমান কৰুণভাৱে বিনাইছে। এণ্ড্ৰুৰো কান্দিবলৈ ইচ্ছা হ'ল। তেওঁৰ চকুপানী ওলাল।

সিইঁতে আহত মানুহজনক তাৰ কাটি পেলোৱা ভৰিখন দেখুৱালে।

জেজেৰে বাওলী হোৱা ভৰিখনে এপাত বুটজোতা পিন্ধি আছে। সি "উহঁ, উহঁ" কৈ মাইকী মানুহৰ নিচিনাকৈ ফেঁকুৰি উঠিল। ডাক্তৰজন গুচি গ'ল।

প্ৰিন্স্ এণ্ড্ৰু আচৰিত হ'ল, "হে ভগৱান! ই কি কথা? সি ইয়ালৈ কেনেকৈ আহিল?"

এই ফেঁকুৰি থকা দুৰ্ভগীয়া মানুহজনৰ ভৰিখন এইমাত্ৰ কাটি পেলোৱা হৈছে। প্ৰিন্স্ এণ্ড্ৰুৱে তাক চিনি পালে। সি আনাতোল কুৰেগিনা। আনাতোলক দাঙি ধৰি সিহঁতে তাক এগিলাচ পানী খাবলৈ দিলে। আনাতোলৰ কেনেকৈ, কি হ'ল এণ্ড্ৰুৱে ভালকৈ বুজি নাপালে। তেওঁ ভাবিলে, "আনাতোল হয়। এই মানুহজনৰ লগত মোৰ দুখৰ সম্বন্ধ আছে।" নিজকে প্ৰশ্ন কৰিলে, "এই মানুহজনৰ লগত মোৰ সককালৰ জীৱনৰ কি সম্পৰ্ক?" হঠাতে লৰাকালৰ পবিত্ৰ প্ৰেমৰ অভাৱনীয় স্মৃতি এণ্ড্ৰুৰ মনলৈ আহিল। ১৮১০ চনত বলনাচত নাতাচাক পোন প্ৰথমে দেখাৰ কথা তেওঁৰ মনত পৰিল। সেই ধুনীয়া অঙ্গ-প্ৰত্যঙ্গ, সেই ধুনীয়া, লাজকুৰীয়া হাঁহি মুখ। তাইলৈ এণ্ড্ৰুৰ মনত গভীৰ প্ৰেম সঞ্চাৰ হ'ল। তাৰ পাছত এই মানুহজনৰ লগত তেওঁৰ সম্বন্ধৰ কথা মনত পৰিল। এই মানুহজনে এতিয়া ফেঁকুৰি ফেঁকুৰি চকুপানী টুকি, উখহা চকুৰিবে তাৰ ফালে চাই আছে। সকলো কথা এণ্ড্ৰুৰ মনত পৰিল। এই মানুহজনলৈ তেওঁৰ পুতৌ হ'ল।

প্ৰিন্স্ এণ্ড্ৰুৱে আৰু চকুলোৰ নোৱাৰিলে। তেওঁৰ নিজৰ আৰু লগৰীয়াবোৰৰ কথা ভাবি, সিহঁতৰ আৰু নিজৰ ভুল-ভ্ৰান্তিৰ কথা ভাবি—তেওঁৰ অন্তৰখন প্ৰেম আৰু কৰুণাৰে পমি গ'ল। চকুলো বাগৰি পৰিল। "সহানুভূতি, প্ৰেম! আমাৰ বন্ধু-বান্ধৱৰ কাৰণে, যি আমাক ভাল পায়, যি আমাক ঘিণ কৰে, আমাৰ শত্ৰুৰ কাৰণে, সকলোৰ কাৰণে সহানুভূতি, প্ৰেম। ভগৱানে পৃথিৱীত যি প্ৰেম প্ৰচাৰ কৰিছে—সেই প্ৰেম মেৰিয়াই মোক শিকাবলৈ খুজিছিল কিন্তু মই নুবুজিলোঁ। সেই কাৰণে জীৱনটো এৰি লৈ টান পাইছোঁ। মানুহলৈ মানুহৰ প্ৰেম, কৰুণা নহলে পৃথিৱী মিছা। কিন্তু এতিয়া আৰু সময় নাই। মই বুজিছোঁ। দেৰীকৈ উপলব্ধি কৰিলোঁ।"

## চতুৰ্দশ অধ্যায়

যুদ্ধক্ষেত্ৰৰ বীভৎস দৃশ্য। চাৰিওপিনে অসংখ্য হতাহতৰ স্তূপ। তেওঁ ভালদৰে চিনি পোৱা প্ৰায় কুৰিজন সেনাপতি হতাহত হোৱা বুলি সংবাদ পালে। তেওঁৰ এসময়ৰ প্ৰবল পৰাক্ৰমী বাহিনীও অকামিলা হ'ল। এইবোৰ দেখি-শুনি নেপোলিয়নৰ মনত এটা অভাবনীয় ধাৰণা হ'ল। তেওঁৰ মনটো চঞ্চল হৈ উঠিল। এক গুৰুতৰ যন্ত্ৰণা অনুভৱ কৰিলে। যি মৃত বা আহত মানুহ দেখিলে বং পায়, উৎসাহিত হয়, নিজৰ নিৰ্ভীকতাৰ কাৰণে গৌৰৱ অনুভৱ কৰে, সেই নেপোলিয়নৰ অদম্য শক্তিকো আজিৰ যুদ্ধক্ষেত্ৰৰ বীভৎস দৃশ্যই পৰাস্ত কৰিলে। যুদ্ধক্ষেত্ৰত তেওঁ বেছি পৰ থাকিব নোৱাৰিলে। স্কেভাৰ-ডিনোলৈ উভতি গ'ল।

বিষাদ মনেৰে শিবিৰৰ ভিতৰত এখন টুলৰ ওপৰত তলমূৰকৈ বহি নেপোলিয়নে হিলৈৰ শব্দ শুনি থাকিল। তেওঁ ভাবিলে, "এই যুদ্ধ কেতিয়াকৈ শেহ হব!" নেপোলিয়নে নিজেই যুদ্ধৰ সূচনা কৰিছে। এতিয়া কিন্তু তেওঁ তাৰ গতিৰোধ কৰিব নোৱাৰে। যুদ্ধক্ষেত্ৰত মৃত আৰু আহতসকলৰ মুখৰপৰা যেন এটি নিঃশব্দ প্ৰতিবাদ, নিবৰ গৰিহণা ধ্বনিত হৈছে—"ইয়াৰ কাৰণে তুমি দায়ী।" বাহ্যিক পৃথিৱীৰ কৃত্ৰিমতাৰ কথা পাহৰি ক্ষন্তেকৰ কাৰণে তেওঁৰ অন্তৰত মানৱ চেতনা জাগি উঠিল। নিজৰ যন্ত্ৰণা, মৃত্যুৰ কথা নেপোলিয়নৰ মনলৈ আহিল। সেই মুহূৰ্তত বিজয় গৌৰৱৰ কাৰণে মস্কোলৈ যাবলৈ তেওঁৰ হেঁপাহ নাইকিয়া হ'ল। (তেওঁকনো আৰু বেছি গৌৰৱ কিয় লাগিছে?)। তেওঁ এতিয়া অকল জিৰণি, শান্তি, মুক্তি বিচাৰিছে। তেওঁ শিবিৰৰ পৰা ওলাই আহিল।

অলপ পাছতে এজন সেনাপতি আহি নিবেদন কৰিলে যে আৰু সৈন্য লাগে। ৰুছসকলে প্ৰচণ্ডবেগে আক্ৰমণ চলাইছে। সিহঁতক প্ৰতিৰোধ কৰিবলৈ হলে আৰু নতুন শক্তি লাগিব। নেপোলিয়ন নতুন সেনাদল পঠালে আৰু সেনাপতি-জনক কলে ফলাফল যেন তেওঁক জনোৱা হয়। ইয়াৰ পাছত আৰু এজন সহকাৰী আহি সংবাদ দিলে যে সম্ৰাটৰ আদেশ-অনুসৰি ৰুছসকললৈ তুপ বন্দুক চলোৱা হৈছে। তথাপি এতিয়াও সিহঁত এখোজো পিছ হোঁহকা নাই।

নেপোলিয়নে লাহেকৈ ক'লে, "পিইতক আৰু মানুহ লাগে ?" সহকাৰীজনে নেপোলিয়নৰ কথা বুজিব নোৱাৰি সুধিলে,

"হুজুৰ ?"

নেপোলিয়নে ভ্ৰূকুটি কৰি ক'লে, "পিইতক আৰু মানুহ লাগে ! বাৰু, নিয়া।"

ক্ষন্তেক আগতে নেপোলিয়নৰ অন্তৰত যি মানৱতাৰ অনুভূতি হৈছিল হঠাতে সেই মানৱ চেতনা লুপ্ত হ'ল। তেওঁ আকৌ কৃত্ৰিম বীৰত্বৰ বিজয় গৌৰৱৰ মায়াত নিজকে পাহৰি গ'ল। তেওঁক কাৰণে নিৰ্দিষ্ট সকলো, নিৰ্দয়, ভয়াবহ, অমানুষিক কামত আকৌ লিপ্ত হ'ল : অকল সেই সময়ৰ বা সেই দিনৰ কাৰণেই এই মানুহজনৰ মন আৰু বিবেক আন্ধাৰে ঢাকি থোৱা নাছিল। এই বিভৎস কামত যিসকলে অংশ গ্ৰহণ কৰিছিল, তাৰ ভিতৰত আটাইতকৈ নেপোলিয়নেই বেছি দায়ী। জীৱনৰ শেহ সময়লৈকে তেওঁ সৎ, সত্য, সৌন্দৰ্য্য উপলব্ধি কৰিব পৰা নাছিল। তেওঁৰ কামবোৰে সত্য, ন্যায়, আৰু মানৱতাৰ বিৰুদ্ধাচৰণ কৰিছিল। কিন্তু তেওঁ তাক উপলব্ধি কৰিব পৰা নাছিল। পৃথিবীৰ আধাখিনি মানুহৰ পৰা তেওঁ প্ৰশংসা পাইছিল। সেই কাৰণে নিজৰ কামবোৰক বেয়া বুলি ভাবিব পৰা নাছিল। আৰু সেই কাৰণেই সত্য, ন্যায়, সৎ—সকলো অস্বীকাৰ কৰিবলৈ বাধ্য হৈছিল। সেই দিনাখন যুদ্ধক্ষেত্ৰত মৃত আৰু আহতৰ দ'মবোৰ দেখি তেওঁ হিচাপ কৰি চাইছিল—এজন ফৰাচীৰ ঠাইত কিমান ৰুছ মৰিছে। এজন ফৰাচীৰ ঠাইত পাঁচজন ৰুছ মৰা বুলি অনুমান কৰি তেওঁ আনন্দ অনুভৱ কৰিছিল।

যিখন পথাৰত শ শ বছৰ ধৰি ববোডিন, গৰ্কী, স্কেভাৰডিনোৰ খেতিয়কসকলে খেতি কৰিছিল, গৰু-ম'হ চৰাইছিল, সেই পথাৰত আজি বিভিন্ন ঠাইৰ, বিভিন্ন পোছাকৰ হাজাৰ বিজাৰ মানুহ মৰি আছে। চিকিৎসা শিবিৰবোৰত দুই একৰ ঠাই জুৰি মাটি, ঘাঁহ তেজেৰে তিতি আছে। আহত আৰু আহত নোহোৱা মানুহবোৰ দলে দলে প্ৰাণৰ ভয়ত কোনোমতে মোজেক বা ভেলুভৰ পিনে বাট লৈছে। কিছুমান ক্লান্ত, ক্ষুধাৰ্ত মানুহকে কৰ্মচাৰীসকলে আগবঢ়াই নিছে। কিছুমানে নিজৰ ঠাইৰপৰা লৰচৰ নকৰি গুলি চলাই আছে।

বাস্তিপুৰা বেলিৰ পোহৰত সঙ্গীন আৰু ছোঁৱাবোৰৰে সৈতে গোটেই ৰণস্থলীখন উজ্জ্বল হৈ উঠিছিল। কিন্তু এতিয়া সেইডোখৰ ঠাই ক'লা

ডাৱৰ, কুঁৱলী, ধোঁৱাৰে ঢাক খাই আছে। আৰু খাৰ-বাৰুদ আৰু তেজৰ গোন্ধ। ওপৰত ডাৱৰ,—আৰু মৃত, আহত, ভয়াতুৰ, ক্লান্ত সৈনিকবোৰৰ ওপৰত কিনকিনীয়া বৰষুণ পৰিছে। যেনিবা পথাৰখনে বিড়িয়াই কৈছে, “হৈছে, হৈছে, বন্ধ কৰা, বন্ধ কৰা, ক্ষান্ত হোৱা। ভাবি চোৱা, তুমি কি কৰিছা?”

দুয়ো পক্ষৰ মানুহ ক্লান্ত। খাদ্য আৰু জিৰণিৰ অভাৱত সকলোৱে ভাবিছে এই হত্যাকাণ্ড সিহঁতে আৰু কিমান চলাই থাকিব। সকলো সন্দিহান। প্ৰত্যেকৰ মনতে এটা প্ৰশ্ন উদয় হৈছে “কিহৰ কাৰণে, কাৰ কাৰণে মই মাৰিব আৰু মৰিব গুলাইছোঁ? যাকে মাৰা, যিহকে কৰা, কিন্তু যথেষ্ট হৈছে!” গধূলি পৰত এই চিন্তাটো সকলোৰে অন্তৰত একেদৰে থিতাপি ললে। যি কোনো মুহূৰ্ততে এই মানুহবোৰ নিজৰ কামত ভয়াৰ্ত হৈ সকলো এৰি থৈ যি কোনো ঠাইলৈ পলাই যাব পাৰে।

যদিও যুদ্ধৰ শেহ পিনে মানুহবোৰে নিজৰ কাম দেখি ভয় খাই উঠিছিল, যদিও ক্ষান্ত দিবলৈ হেঁপাহ কৰিছিল, তথাপি কিবা এটা দুৰ্বোধ্য, ৰহস্যময় শক্তিয়ে সিহঁতক চালিত কৰিছিল। হিলৈদাৰীসকলৰ এতিয়া তিনি ভাগৰ এভাগ মাত্ৰ জীয়াই আছে। সিহঁতো দুখে-ভাগৰে কোনোমতে জীয়াই আছে। ঘামতে গাবোৰ তিতি আছে, গোটেই গাত তেজ আৰু খাৰ-বাৰুদৰ গোন্ধ। তথাপি কামানবোৰত খাৰবাৰুদ, গুলি ভৰাই জুই দিছে। হিলৈৰ গুলিবোৰ জোৰেৰে, নিৰ্দয়ভাৱে দুয়োফালৰ পৰা গৈ মানুহ মাৰিছে আৰু সকলো ভয়াবহ কাম কৰিছে। কিন্তু এইবোৰ যেন মানুহৰ ইচ্ছাত হোৱা নাই। সকলো হৈছে মানুহ আৰু পৃথিবীৰ হৰ্তাকৰ্তা ভগৱন্তৰ ইচ্ছাতহে।

ৰুছ বাহিনীৰ পিছৰ ফালৰ বিশৃঙ্খলতা দেখি যি কোনো মানুহেই ক'লেহেঁতেন যে ফৰাচীবিলাকে আৰু অলপ জোৰেৰে আক্ৰমণ চলালেই ৰুছ-বাহিনী ধ্বংস হব। ফৰাচী বাহিনীৰ পিছফালে চাই যি কোনো মানুহেই ক'লেহেঁতেন যে ৰুছবিলাকে আৰু অলপ জোৰেৰে চেষ্টা কৰিলেই ফৰাচীবিলাক পৰাস্ত হব। কিন্তু কোনো পক্ষৰেই এই চেষ্টা কৰা নাই। যুদ্ধৰ অগণি ঢিমিক ঢামাককৈ জ্বলি থাকিল।

ৰুছবিলাকে চেষ্টা কৰা নাই কাৰণ তেওঁলোকে ফৰাচীক আক্ৰমণ কৰা নাই। যুদ্ধৰ আৰম্ভণিত মস্কোলৈ যোৱা বাটত সিহঁত থিয় হৈছিল অকল ফৰাচীবিলাকক ভেটা দিবৰ কাৰণে। যুদ্ধৰ শেহ সময়তো সিহঁতে একেদৰে

স্থিৰ হৈ আছে। কিন্তু ফৰাচীবিলাকক খেদি পঠোৱা উদ্দেশ্য হোৱা হলেও, সিহঁতে এই শেহ চেষ্টা কৰিব নোৱাৰিলেহেঁতেন। কাৰণ সকলো ৰুছ সৈন্য ছত্ৰভঙ্গ দিছে। যুদ্ধত ক্ষতিগ্ৰস্ত নোহোৱা কোনো সেনাদল নাই। ৰুছবাহিনী পিছ হুঁহকি যোৱা নাই। কিন্তু সিহঁতৰ আধাখিনি সৈন্য ধৰাশায়ী হৈছে।

পোন্ধৰ বছৰৰ বিজয় স্মৃতি ফৰাচীবিলাকৰ অন্তৰত আছে। নেপোলিয়নৰ সৰ্ব-বিজয়ী প্ৰতিভাৰ ওপৰত সিহঁতৰ অটল বিশ্বাস। যুদ্ধক্ষেত্ৰৰ কিছু অংশ সিহঁতে দখল কৰিছে। সিহঁতৰ মাত্ৰ চাৰিভাগৰ এভাগ মানুহহে হানি হৈছে। এতিয়াও কুৰি হাজাৰ সৈনিক, প্ৰহৰী আদি মজুত আছে। সিহঁতৰ পক্ষে এই চেষ্টা কৰাটো সহজ কথা আছিল। ফৰাচীবিলাকে ৰুছবিলাকক খেদি পঠাবৰ কাৰণে আক্ৰমণ কৰিছিল। সিহঁতে এই চেষ্টা কৰা উচিত আছিল। কাৰণ ৰুছবিলাকে মস্কোৰ বাটত ভেটা দি থাকিলে ফৰাচীবিলাকৰ উদ্দেশ্য সাধন নহয়। সিহঁতৰ সকলো ক্ষতি, পৰিশ্ৰম অথলে যায়। কিন্তু ফৰাচীবিলাকে এই শেহ চেষ্টা কৰা নাই। কিছুমান ঐতিহাসিকে কয় যে নেপোলিয়নে পুৰণি প্ৰহৰীবোৰক আগবঢ়াই নিয়া হলে, যুদ্ধত জয়ী হ'লহেঁতেন। কিন্তু নেপোলিয়নে পুৰণি প্ৰহৰীবোৰক আগবঢ়াই নিয়া হলে কি হ'লহেঁতেন, কোৱা মানে শৰৎ কালত যদি বসন্ত আহিলহেঁতেন বুলি কোৱা একে কথা। ফৰাচীবাহিনীৰ সকলো সেনাপতি, কৰ্মচাৰী, সৈনিকে বুজি পাইছিল যে এই শেহ চেষ্টা কৰাটো অসম্ভৱ। কাৰণ সেনাবাহিনীত আৰু সেই উদ্যম নাই।

প্ৰবল প্ৰতাপী সেনাবাহিনীৰ অক্ষমতা দেখি অকল নেপোলিয়নৰে দুশ্চিন্তা হোৱা নাছিল। ফৰাচীবাহিনীৰ সকলো সেনাপতি, সৈনিক এই শত্ৰুৰ আগত ভীত হ'ল। আগৰ সকলো যুদ্ধতে ইয়াৰ দহভাগৰ এভাগ চেষ্টাতে শত্ৰুপক্ষ পলাই পত্ৰং দিছিল। কিন্তু এই শত্ৰু আধাখিনি বাহিনী হানি হোৱাৰ পাছতো শেহলৈকে নিৰ্ভীকভাৱে নিজ ঠাই দখল কৰি আছে। আক্ৰমণকাৰী ফৰাচী-সকলৰ মনৰ বল নাইকিয়া হৈছে। পতাকা বা শত্ৰুৰ হাতৰ পৰা কোনো ঠাই দখল কৰি বিজয়ী হোৱা নাই সঁচা, কিন্তু মনৰ বলত ৰুছবিলাকে বৰোডিনৰ যুদ্ধত জয়ী হৈছিল। ৰুছবিলাকৰ মনোবলৰ আগত ফৰাচীবিলাকে নিজৰ অক্ষমতা স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল। আক্ৰমণকাৰী ফৰাচিবাহিনীয়ে এই হত্যাকাণ্ডত মৰ্মান্তিক আঘাত পাই সিহঁতৰ অন্তিম অৱস্থা বুলি গম পালে। কিন্তু ইয়াতেই বধ নোৱাৰে। ৰুছলকলো আধাখিনি বাহিনী লৈ পিচুৱাই যাব

নোৱাৰে। এই বাধা পোৱাৰ পিছতো ৰুচীবাহিনী কোনোমতে মস্কোলৈ আগবাঢ়ি গ'ল। কিন্তু তাত ৰুছবাহিনীৰ আৰু নতুন উত্তম নাই। ইয়াৰ পতন অৱশ্যম্ভাৱী। বৰোডিনৰ যুদ্ধতে সিহঁতৰ জীৱনীশক্তি নাইকিয়া হৈছে। বৰোডিনৰ যুদ্ধৰ ডাঙৰ ফল হ'ল—নেপোলিয়ন বিনা কাৰণে পাঁচ লাখ সেনাৰ অৱশিষ্ট অংশ লৈ স্মলেনস্কৰ বাটেৰে মস্কোৰ পৰা পলাই আহিল। বৰোডিনৰ যুদ্ধতেই নেপোলিয়নৰ পতনৰ প্ৰথম সূচনা হ'ল। শত্ৰুপক্ষৰ মনোবলৰ আগত সেও মানিলে।

# অষ্টম খণ্ড

## প্ৰথম অধ্যায়

বোৰোডিনৰ যুদ্ধৰ পাছত পিয়াৰ কামান বাহিনীৰ পৰা লৰি আহি অগনন সেনাৰ লগত গুহা, গহ্বৰ পাৰ হৈ ক্লেজকভোলৈ আহিল। তাৰ গাড়ী আৰু গাৰোৱানটো মোজেস্কত আছিল। তালৈ সি খোজ কাঢ়ি গ'ল।

হাজাৰ হাজাৰ আহত সৈনিকক পেলাই থৈ সেনাবাহিনী গুচি আহিল। আহতবোৰে ঘৰৰ খিড়িকীৰে চাইছে আৰু চোতালত, বাস্তাত বহুতো গোট খাইছে। আহতবোৰক নিবলৈ অহা গাড়ীবোৰৰ পৰা চিএৰ-বাখৰ শুনা গৈছে। পিয়াৰে তাৰ এজন চিনাকি আহত সেনাপতিক নিজৰ গাড়ীত তুলি লৈ মস্কো বুলি বাওনা হ'ল। বাটতে পিয়াৰে শুনিলে যে তাৰ ঘৈণীয়েকৰ ককায়েক আনাতোল আৰু প্ৰিন্স্ এণ্ড্ৰু মৰিছে।

দহ তাৰিখে গধূলি পিয়াৰ মস্কো আহি পালেহি। সেই দিনাখন গধূলিয়ে আঠজন মানুহ বেলেগ বেলেগ কাম লৈ তাক দেখা কৰিবলৈ আহিল। এজন কোনোবা এখন সমিতিৰ সম্পাদক, এজন তাৰ মেনেজাৰ। সকলোৱে একোটা আবেদন লৈ আহিছে। প্ৰত্যেকৰে পিয়াৰৰ লগত বেলেগ বেলেগ সকাম আছে। সিহঁতে পিয়াৰৰ মতামত বিচাৰিছে। কিন্তু সিহঁতৰ কথাবোৰ পিয়াৰৰ কাণত নোসোমায়। কোনো কথাই তাৰ ভাল নালাগে। সিহঁতৰ হাত সাৰিবৰ কাৰণে চমুকৈ কিবা সমিধান দি সিহঁতক বিদায় দিলে। কাপোৰ-কানি নোসোলোকোৱাকৈয়ে পিয়াৰ বিছনাত পৰিল আৰু লগে লগে তাৰ টোপনি আহিল।

পিছদিনা বাতিপুৱা টোপনিৰ পৰা উঠাৰ পাছতে বহা কোঠাত বাৰজন মানুহ বেলেগ বেলেগ সকামত পিয়াৰক লগ পাবলৈ বৈ আছে। পিয়াৰে লৰালৰিকৈ কাপোৰ-কানি পিন্ধি, তেওঁলোকক দেখা কৰিবলৈ নগৈ, পিছ ফালৰ দুৱাৰেদি বাহিৰলৈ ওলাই গ'ল। তেতিয়াৰ পৰা মস্কো দখল কৰা লৈকে বেচখভ পৰিয়ালৰ মানুহে পিয়াৰক আৰু দেখা নাই। বহু চেষ্টা কৰিও তাৰ সন্ধান পোৱা নাই।

# দ্বিতীয় অধ্যায়

চেপ্টেম্বৰৰ দুই তাৰিখে শত্ৰুপক্ষ মস্কোত সোমায়। কিন্তু ৰোস্তভইত এক তাৰিখলৈকে মস্কোতে থাকিল। আগষ্ট মাহৰ আঠাইশ তাৰিখলৈকে কাউণ্টে মস্কো এৰিবলৈ একো যো-জা কৰা নাই। তেওঁলোকৰ বস্তুবাহানিবোৰ কঢ়িয়াই নিবৰ কাৰণে মস্কো আৰু ৰেজানৰ জমিদাৰীৰ পৰা যি গাড়ী অহাৰ কথা আছিল —সেইবোৰ ত্ৰিশ তাৰিখেহে আহি পালেহি।

আঠাইশ তাৰিখৰ পৰা ত্ৰিশ তাৰিখলৈকে গোটেই মস্কোখন উথলমাথল লাগিল। বোৰোডিনৰ যুদ্ধক্ষেত্ৰৰ পৰা নিতৌ হেজাৰ হেজাৰ আহত সৈনিকক মস্কোলৈ অনা হৈছে। আৰু মস্কোৰ অধিবাসীসকলক আৰু সিহঁতৰ মালবস্তুবোৰ কঢ়িয়াই হাজাৰে হাজাৰে গাড়ী নগৰ এৰি গৈছে।

সকলোৰে ধাৰণা হ'ল যে নগৰখন ছাৰখাৰ হব, এটা ডাঙৰ পৰিবৰ্তন আহিব। কিন্তু চেপ্টেম্বৰৰ এক তাৰিখলৈকে কোনো পৰিবৰ্তন নঘটিল। ফাঁচী দিবলৈ নিয়া মানুহজনে জানে যে এক মিনিটৰ পাছতে তাৰ মৃত্যু হব, তথাপি সি ইফালে সিফালে চায়, মূৰৰ টুপীটো ভালকৈ লয়। মস্কোৰ অধিবাসীসকলে জানিছিল যে সিহঁতৰ মৃত্যু ওচৰ চাপি আহিছে, সকলো ধ্বংস হব, তথাপি যন্ত্ৰৰ দৰে সিহঁতে দৈনন্দিন কাম চলাই আছে।

মস্কো অধিকাৰ কৰাৰ আগৰ তিনি দিন ৰোস্তভইতৰ গোটেই পৰিয়ালটো বৰ ব্যস্ত থাকিল। কাউণ্টে ঘনাই ঘনাই ঘৰৰপৰা ওলাই গৈ নগৰৰ জনৰববোৰ গোটাই আনে। আকৌ ঘৰলৈ আহি মস্কো এৰিবলৈ সবালৰিকৈ সাজু হবৰ কাৰণে আদেশ দিয়ে। কোনবোৰ বস্তু নিবলৈ বান্ধিব লাগিব কাউণ্টেছে দেখুৱাই দিছে। তেওঁৰ মেজাজ ভাল নহয়, সকলোৰে ওপৰত খং। বিশেষকৈ তেওঁ পিটিয়াক বিচাৰি হাৰাবান হৈছে। কাম কৰিব লাগিব বুলি পিটিয়াই মাকক লগেই নিদিয়ে। সদায় নাতাচাৰ লগত কথা পাতি থাকে। অকল চোনিয়াইহে মালবস্তুবোৰ বন্ধাত সহায় কৰিছে।

পিটিয়া আৰু নাতাচাই মাক-বাপেকক অকণো সহায় কৰা নাই। বৰং সিহঁতে লোকৰ কামত বাধাহে জন্মাইছে। গোটেই দিনটো সিহঁতে ঘৰৰ ভিতৰত মিছাতে চিঞৰ-বাখৰ, খিকিন্দালি কৰি লৰি ফুৰিছে। সিহঁতে ইহাৰ বা স্ফূৰ্তি কৰাৰ কোনো কাৰণ নাছিল। সিহঁতৰ অন্তৰত আনন্দ আছিল সেই কাৰণে সকলো কথাতে হাঁহি-খিকিন্দালি কৰিছিল।

পিটিয়াৰ স্ফূৰ্তিৰ কাৰণ হ'ল—সি সকত্তে ঘৰৰ পৰা ওলাই গৈছিল, এতিয়া প্ৰুনীয়া ডেকাটো হৈ উভতি আহিছে। বেলিচাৰকভত্ত কোনো যুদ্ধবিগ্ৰহত যোগ দিবলৈ সোনকালে সুযোগ পোৱাৰ তাৰ আশা নাই। মস্কোত অলপ দিনৰ ভিতৰতে যুদ্ধ হব। তাৰ উপৰিও সি সদায় নাতাচাৰ কথা মতে চলে, তাইক মানে। নাতাচাৰ স্ফূৰ্তি দেখি সি বেছি স্ফূৰ্তি পাইছে। নাতাচাৰ মনত আনন্দ, কাৰণ তাই বহুদিন মন মাৰি আছিল। এতিয়া দুখৰ কাৰণবোৰ পাহৰি গৈ আকৌ বঙিয়াল হৈছে। তাইৰ অন্তৰত নতুন প্ৰাণ সঞ্চাৰ হৈছে। তাইৰ আনন্দৰ আৰু কাৰণ হ'ল, তাইক পুজিবলৈ মানুহ লাগে। গাড়ীৰ চকাত তেল নিদিলে যেনেকৈ গাড়ীখন ভালকৈ নচলে, লোকৰ পজা নাপালে নাতাচাইও জীৱনত সুখ নাপায়। পিটিয়া তাইৰ ভক্ত। তাইক পূজা কৰে। বিশেষকৈ সিহঁতৰ স্ফূৰ্তিৰ কাৰণ হ'ল—মস্কোৰ দুৱাৰদলিতে যুদ্ধ। ইয়াত যুদ্ধ হব। সকলোৱে অস্ত্ৰ-শস্ত্ৰ লৈ সাজু হৈছে। ইয়াত কিবা অঘটন ঘটিব। এনেবোৰ ঘটনাই মানুহক বিশেষকৈ ডেকা-গাভৰুক উত্তেজিত কৰে।

একত্ৰিশ আগস্টত শনিবাৰৰ দিনাখন ৰোস্তভহঁতৰ গোটেই ঘৰখন ওলট-পালট হ'ল। ঘৰৰ আটাইবোৰ দুৱাৰ মেলা। চকী, মেজবোৰ বাহিৰলৈ উলিয়াইছে; আয়না, ছবিবোৰ নমাইছে। কোঠাবোৰত বাকচ, খেৰ, কাগজ, ৰছিবোৰ সিঁচৰতি হৈ আছে। খেতিয়ক আৰু ঘৰৰ লগুৱাবোৰে ঘৰি-পকি মাল-বস্তুবোৰ বাহিৰলৈ কঢ়িয়াইছে। খেতিয়কবোৰৰ গাড়ীৰে চোতালখন ভৰ্তি হৈছে। কিছুমান গাড়ীত ওখকৈ মালবস্তু বোজাই দিয়া হৈছে আৰু কিছুমানত মাল বোজাই দিয়া নাই। অসংখ্য লাগুৱা আৰু খেতিয়কবোৰৰ কথা-বতৰা আৰু ভৰিৰ খোজৰ শব্দত গোটেইখন ঘৰ, চোতাল মুখৰিত হৈছে। কাউণ্ট বাতিপুৱাতে ওলাই গৈছে। চিঞৰ-বাখৰত কাউণ্টেছৰ মূৰ ঘূৰাইছে। তেওঁ মূৰত ভিনেগাৰৰ জলপাটি লৈ বিছনাত পৰি আছে। পিটিয়া ঘৰত নাই। সি এজন বন্ধুক লগ পাবলৈ গৈছে। সেই বন্ধুজনৰ লগত সি দেশৰক্ষী বাহিনীৰ পৰা সেনাবাহিনীৰ আগ শাৰীলৈ বদলি হবৰ কাৰণে আলচ কৰিছে। নাতাচাই খিড়িকীৰে বাহিৰলৈ চাই আছে। আহত সৈনিকবোৰক লৈ অসংখ্য গাড়ী বাস্তাত জমা হ'ল।

লিগ্ৰিৰী, বুঢ়ী ধাইজনী, বান্ধনী, পাৰোৱাল, চহিচ সকলো গেটৰ ওচৰত থিয় হৈ মানুহবোৰ চাইছে। নাতাচায়ো মূৰত এডোখৰ বগা কাপোৰ লৈ বাস্তালৈ গ'ল।

বুঢ়ী বান্দীজনী বাস্তালৈ গৈ এখন গাড়ীৰ ভিতৰত শুই থকা এজন শেঁতাপৰা ডেকা কৰ্মচাৰীৰ লগত কথা পাতিবলৈ ধৰিলে। নাতাচা আগবাঢ়ি গৈ সিহঁতৰ কথাত কাণ দিলে।

বুঢ়ী বান্দীজনীয়ে কৈছে, "তেন্তে মস্কোত আপোনাৰ কোনো নাই? এটা কোঠা পালে আপোনাৰ কাৰণে ভাল হয়। আমাৰ ঘৰতে পাব পাৰে। ঘৰৰ গৰা কীহঁত সকলো যাব।"

কৰ্মচাৰীজনে লাহে লাহে ক'লে, "অনুমতি দিয়ে নে নাই কব নোৱাৰোঁ।" এজন শকত-আৱত মানুহৰ পিনে আঙুলিয়াই ক'লে, "তেওঁ আমাৰ প্ৰধান কৰ্মচাৰী, তেওঁক সোধা।" প্ৰধান কৰ্মচাৰীজন গাড়ীবোৰ চাইছে।

আহত কৰ্মচাৰীজনৰ খুখখন দেখি নাতাচা ভয় খাই উঠিল। তাই প্ৰধান কৰ্মচাৰীজনক লগ পাবলৈ গ'ল। নাতাচাই সুধিলে, "আহত মানুহবোৰ আমাৰ ঘৰত থাকিব পাৰেনে?"

প্ৰধান কৰ্মচাৰীজনে হাতখন টুপীত দি মিচিকিয়াই হাঁহি ক'লে, "আপুনি কি বিচাৰিছে?"

নাতাচাই গহীনাই তাইৰ প্ৰশ্নটো আকৌ কৰিলে। নাতাচাক ইমান ধীৰ গহীন দেখি কৰ্মচাৰীজনে অলপ ভাবি ক'লে, "নিশ্চয়, সিহঁত থাকিব পাৰে।"

নাতাচাই নমস্কাৰ জনাই লৰালৰিকৈ বুঢ়ী বান্দীজনীৰ ওচৰলৈ গ'ল। তাই তেতিয়াও সেই ডেকা কৰ্মচাৰীজনৰ লগত কথা পাতি আছিল। নাতাচাই তাইৰ কাণৰ ওচৰত ক'লে, "এওঁলোক থাকিব পাৰে; তেওঁ কৈছে।"

আহত কৰ্মচাৰীজন থকা গাড়ীখন বোস্তভইতৰ চোতালত সোমাল। তেনেকুৱা আৰু কেইবাখনো গাড়ী নগৰবাসীসকলে নিজ নিজ ঘৰলৈ মাতি নিলে। নতুন মানুহৰ লগত, নতুন ধৰণৰ কাম পাই নাতাচাৰ ভাল লাগিল। তাই বুঢ়ী বান্দীজনীৰ লগতে লগ হৈ আৰু কেইখনমান গাড়ী সিহঁতৰ চোতালৈ অনালে।

বান্দীজনীয়ে ক'লে, "কিন্তু আগতে তোমাৰ দেউতাৰাক কথাটো সুধিব লাগিছিল।

"কেলেই লাগিছে? এদিনৰ কাৰণে আমি বাহিৰৰ কোঠাতে থাকিব পাৰিম। ঘৰটোৰ আধাখিনি আমি সিহঁতক এৰি দিব পাৰোঁ।"

"ঠিকেই কৈছা। চাকৰ-নাকৰৰ ঘৰবোৰো দিব পাৰোঁ। কিন্তু তথাপি তেওঁৰ অনুমতি লাগে।"

"থাক, মই অনুমতি লম।"

নাতাচা লৰি গৈ মাকৰ খোঠালীত সোমাল। মাক শুই আছিল। "মা, মা, তোমাৰ টোপনি আহিছে নেকি ?"

"মোৰ জানো টোপনি আহিব পাৰে ?"

নাতাচাই মাকৰ ওচৰত আঁঠুলৈ ক'লে, "মা, তোমাক টোপনিৰ পৰা জগালোঁ, ক্ষমা কৰিবা। এনে কাম আৰু কেতিয়াও নকৰোঁ।" তাৰ পাছত একে উশাকে ক'লে, "কেইজনমান আহত কৰ্মচাৰীক আমাৰ ঘৰলৈ মাতি আনিছোঁ। তুমি অনুমতি দিব লাগে। সিহঁতৰ যাবলৈ ঠাই নাই। আপুনি নিশ্চয় অনুমতি দিব।"

মাকে ক'লে, "কৰ্মচাৰী ? কোন কৰ্মচাৰীক মাতি আনিছা ? মই একো বুজি পোৱা নাই।"

নাতাচাই হাঁহিলে। মাকৰো হাঁহি ওলাল।

নাতাচাই ক'লে, "তুমি অনুমতি দিবা বুলি মই জানো। মই সিহঁতক কওঁগে।" মাকক চুমা খাই নাতাচা মাকৰ কোঠাৰ পৰা ওলাই গ'ল।

নাতাচাই বাপেকক ডাঙৰ কোঠাটোত লগ পালে। তেওঁ বেয়া খবৰ লৈ এইমাত্ৰ ঘৰলৈ আহিছে। নাতাচাক দেখি অলপ খঙেৰে ক'লে, "আমি বৰ পলম কৰিছোঁ। ক্লাব বন্ধ হৈছে। পুলিচবোৰো যাবলৈ ওলাইছে।"

নাতাচাই ক'লে, "দেউতা, মই কেইজনমান আহত মানুহক আমাৰ ঘৰলৈ মাতি আনিছোঁ। আপুনি বেয়া নেপায় তো ?"

বাপেকে ঘপৰাই ক'লে, "নিশ্চয় নাপাওঁ। কিন্তু এতিয়া এইবোৰ বাজে কথা লৈ থাকিবৰ সময় নাই। কাইলৈ যাবই লাগিব। তাৰ কাৰণেহে বস্তু-বাহানিবোৰ ঠিক কৰি সাজু হব লাগে।"

দুপৰীয়া খোৱাৰ পিছত গোটেই ৰোস্তভ পৰিয়ালটো বস্তু-বাহানিবোৰ বন্ধাত লাগি গ'ল। কাউণ্ট এবাৰ ভিতৰলৈ আহে, এবাৰ বাহিৰলৈ যায়। চাকৰ-নাকৰবোৰক চিঞৰি আদেশ-উপদেশ দিছে যাতে কামবোৰ সোনকালে হয়। পিটিয়াই চোতালত বস্তবোৰ চাইছে। বাপেকৰ কথাৰ লৰচৰ দেখি চোনিয়া বিমোৰত পৰিছে। বাপেকে এতিয়াই কিবা এটা কৰিবলৈ কয়, আকৌ পাছতে সেইটো নালাগে, আইন এটাহে কৰিবলৈ কয়। চাকৰ-নাকৰবোৰ চিঞৰ-বাখৰ, কাজিয়া কৰি কোঠাবোৰত লৰি ফুৰিছে। নাতাচাও কামত লাগি গৈছে। কিন্তু তাইৰ পৰা কামত কিবা সহায় হৈছে বুলি

কোনেও নাভাৱে। তাইৰ কথা কোনেও শুনে। অলাগতিয়াল বস্তবোৰ এৰি, বৰ-দৰ্কাৰী বস্তু-বাহানিবোৰ বন্ধা হ'ল। কিন্তু বহু বাতিলৈকেও সকলো কাম শেহ নহ'ল। কাউণ্ট, কাউণ্টেছ, নাতাচা, চোনিয়া সকলো শুই পৰিল।

সেইদিনাখন ৰাতি আৰু এজন আহত কৰ্মচাৰী আহিল। তেওঁৰ গাড়ীখনো বুঢ়ী বান্দীজনীয়ে ৰোগুভইতৰ চোতালৈ মাতি আনিলে। এই আহত কৰ্মচাৰীজনক এজন ডাঙৰ মানুহ বুলি বান্দীজনীৰ অনুমান হল। গাৰোৱানৰ ওচৰত এটা বুঢ়া ভদ্ৰ লগুৱা বহি আছে। পিছে পিছে আন এখন গাড়ীত এজন ডাক্তৰ আৰু দুজন সৈনিক আহিছে।

বান্দীজনীয়ে বুঢ়া চাকৰটোক ক'লে, "আমাৰ ঘৰলৈ আহা। গিৰিহঁত যাবলৈ ওলাইছে। গোটেই ঘৰখন উদং।"

লগুৱাটোৱে হুমুনিয়াহ কাঢ়ি ক'লে, "বাৰু, জীৱন্ত অৱস্থাত তেওঁক ঘৰলৈ নিব পাৰিম বুলি আশা কৰা নাই। মস্কোত আমাৰ নিজা ঘৰ আছে। কিন্তু ইয়াৰ পৰা বহুত দূৰৈত আৰু ঘৰতো কোনো নাই।"

বান্দীজনীয়ে ক'লে, "অনুগ্ৰহ কৰি ভিতৰলৈ আহা। আমাৰ গিৰিহঁতৰ সকলো আছে। ইয়াত কোনো অসুবিধা নহব...। তেখেতৰ অৱস্থা বৰ বেয়া নেকি ?"

"আশা নাই। বাৰু, মই ডাক্তৰক সোধোগৈ।" এই বুলি লগুৱাটো গাড়ীৰ পৰা নামি পিছৰ গাড়ীখনলৈ গ'ল।

ডাক্তৰে ক'লে, "বাৰু।"

লগুৱাটো আকৌ গাড়ীখনৰ ওচৰলৈ আহি ভিতৰলৈ ভুমুকি মাৰি চাই মূৰ জোকাৰিলে। গাৰোৱানটোক গাড়ীখন চোতালৰ ভিতৰলৈ নিবলৈ ক'লে।

বান্দীজনীয়ে ক'লে, "হে ভগৱান, দয়া কৰক! আহত মানুহজনক ঘৰৰ ভিতৰলৈ নিয়া। গিৰিহঁতে একো নকয়।" এই আহত কৰ্মচাৰীজন প্ৰিন্স এণ্ড্ৰু বল্‌কন্‌স্কি।

# তৃতীয় অধ্যায়

মস্কোৰ শেহ দিন আহিল। দেওবাৰ। শৰৎ কালৰ ধুনীয়া বতৰ। সদায় দেওবাৰে যেনেকৈ গীৰ্জাত ঘণ্টা বাজে আজিও তেনেকৈ বাজিছে। আজি মস্কোৰ ভাগ্যত কি আছে কোনেও অনুমান কৰিব পৰা নাই। কিন্তু বাহিৰত এটা উত্তেজনাৰ ভাব দেখা গ'ল। বজাৰত বস্তুৰ দাম চৰিছে। মগনীয়াৰ সংখ্যা বাঢ়িছে। বোস্তপচিনৰ কাৰণে বৈ নাথাকি কাৰখানাৰ বনুৱা, ছাত্ৰ, সাধাৰণ বেসামৰিক মানুহবোৰ ৰাতি পুৱাতেই তিনি পাহাৰৰ পিনে দলে দলে গৈছে—তাত তাণ্ডৱ যুদ্ধ হব। বেলি উঠাৰ লগে লগে অস্ত্ৰ-শস্ত্ৰ, গাড়ী, ঘোঁৰা, সোনাৰ দাম বাঢ়ি গৈছে। আৰু কাগজৰ টকাৰ, বিলাস-দ্ৰব্যৰ দাম তেনেই কমি গৈছে। এদিনৰ ভিতৰতে বস্তুৰ দামৰ ইমান ওলট-পালট হব বুলি কোনেও অনুমান কৰা নাছিল। এটা বেয়া ঘোঁৰা পাঁচ শ টকাত বিকিছে। আৰু ভাল ভাল মেজ, চকী, আয়না পানীৰ দামতো কোনেও নিকিনে।

এইবোৰ খবৰ বোস্তভইঁতৰ ঘৰ এতিয়াও পোৱাহি নাই। অবশ্যে তিনিটা চাকৰ পলাইছে কিন্তু সিহঁতে কোনো বস্তু চুৰ কৰা নাই। বোস্তভইঁতে গাৱঁৰ পৰা ত্ৰিশখন গাড়ী আনিছে, তাকে দেখি মানুহৰ চকু পুৰিছে। ক'তো গাড়ী পাবলৈ নাই। কেবাঘৰো মানুহ চৰা দাম বাচি বোস্তভইঁতৰ তাত গাড়ী বিচাৰি আহিল। বস্তুৰ দামৰ ইমান ওলট-পালট হোৱা বুলি এতিয়াহে বোস্তভইঁতে গম পালে। গাড়ী কিনোতা মানুহৰ বাহিৰেও ওচৰ-চুবুৰীয়াৰ ঘৰত আশ্ৰয় লোৱা বহুতো আহত সৈনিক নাইবা সিহঁতৰ লগত অহা মানুহেৰে বোস্তভইঁতৰ চোতাল ভৰি পৰিল। সিহঁতে বোস্তভইঁতৰ খানচামাক খাটিছে, "মস্কোৰ পৰা নিৰাপদ ঠাইলৈ যাবলৈ অনুগ্ৰহ কৰি কাউণ্টক কৈ আমাক এখন গাড়ী দিয়ক। এইকেৰি অনুগ্ৰহ কৰক।" বৰ খানচামাজনৰ পুতৌ হ'ল, কিন্তু কৈছে, "ত্ৰিশখন গাড়ীয়ে আমাকেই নাটে। তোমালোকক গাড়ী দিয়াৰ কথা কলে মই কাউণ্টৰ গালি হে খাব লাগিব। এখন গাড়ী দিলে তো নহব। আটাইবোৰ দিব লাগিব। ত্ৰিশখন কিয় তিনি শ গাড়ী দিলেও তোমালোকক নাটিব। আমি জানো যাব নালাগে? তোমালোকে যে কি কোৱা! বিপদৰ সময়ত আগতে নিজৰ কথা ভাবিব লাগে। তাৰ পাছতহে লোকৰ কথা। মই কাউণ্টক কব নোৱাৰিম। কথা কৰিব।"

বাত্তিপুৱা সাৰ পাই কাউণ্টে ছৈণীয়েকৰ টোপনি ভাঙে বুলি মনে মনে সাৰি-শব্দ নকৰাকৈ ঘৰৰ দুৱাৰমুখলৈ ওলাই আহিল। বোজাই দিয়া গাড়ী-বোৰ চোতালত শাৰী পাতি আছে। বৰ খানচামাজনে এজন লৈতাপৰা আহত কৰ্মচাৰী আৰু এজন বুঢ়া চাপৰাচীৰ লগত কথা পাতি আছে। বৰ খানচামাজনে গৃহস্থক দেখি সিহঁতক আঁতৰি যাবলৈ ইঙ্গিত কৰিলে।

কাউণ্ট তপা মূৰটোত হাত ফুৰাই সুধিলে, সকলো ঠিক হৈছেনে ?"

"হয় হুজুৰ, ঘোঁৰা জুটিলেই হ'ল।"

"বৰ ভাল কথা। কাউণ্টেছ এতিয়াই উঠিব। ঈশ্বৰে কৰিলে আমি বাওনা হব পাৰিম।"

আহত কৰ্মচাৰীজন ওচৰলৈ আহি কাউণ্টক সেৱা জনাই ক'লে, "কাউণ্ট, ভগৱানৰ দোহাই, মোক একেবি অনুগ্ৰহ কৰক। মোক আপোনালোকৰ গাড়ীত নিব লাগে। মোৰ লগত কোনো মালবস্তু নাই। মই আপোনা-লোকৰ মালৰ গাড়ীতে যাব পাৰিম।" চাপৰাচীজনো আহি মনিবৰ কাৰণে কাউণ্টক অনুৰোধ কৰিলে।

কাউণ্টে ক'লে, "বাক, বাক, নিয়া যাব।" কাউণ্টে দেখিলে বহুতো আহত সৈনিক চাপৰাচী তেওঁৰ ওচৰলৈ আগবাঢ়ি আহিছে। সকলোৰে একে আবেদন। সিহঁতক মস্কোৰ পৰা কাউণ্টৰ গাড়ীত নিব লাগে।

বৰ খানচামাজনে মাজতে ক'লে, "হুজুৰ, ডাঙৰ ডাঙৰ ছবিবোৰ কি কৰা যায় ? এবাৰ চালে ভাল আছিল।"

কাউণ্টে তাৰ কথালৈ মন নকৰি ক'লে, "চোৱা, এখন বা দুখন গাড়ী খালি কৰি দিয়া। মালবোৰ নমোৱা। আহত সৈনিকবোৰৰ কাৰণে কিবা এটা ব্যৱস্থা কৰিবই লাগিব। লাগিলে দুই-চাৰিটা বাকচকে এৰি যোৱা। সিহঁতক ঠাই কৰি দিয়া।"

ছবিবোৰ চাবলৈ খানচামাৰ লগত কাউণ্ট ঘৰৰ ভিতৰলৈ গ'ল। কাউণ্টে খানচামাক আকৌ ক'লে, "তেওঁলোকৰ গাড়ীত বাব খোজা আহত মানুহবোৰক যেন নিয়া হয়।"

ন বজাত কাউণ্টেছ শুই উঠিলত। বৰ লিগিৰীজনী আহি গোচৰ দিলে যে কাউণ্টৰ আদেশ মতে গাড়ীবোৰৰ পৰা মালবস্তুবোৰ নমোৱা হৈছে। ছোৱালীবোৰৰ কাপোৰৰ বাকচটোও গাড়ীৰ পৰা নমোৱা হৈছে। এই বাকচটো নিনিলে বৰ আহুকাল হব। আহত মানুহবোৰক নিবৰ কাৰণে কাউণ্টে

গাড়ীবোৰ খালি কৰি দিবলৈ কৈছে। কাউণ্টেছে গিৰিয়েকক মাতি পঠালে।

"আপুনি এইবোৰ কি কৰিছে? মালবস্তুবোৰ হেনো গাড়ীৰ পৰা নমাইছে।"

কাউণ্টে ঢোক গিলি, ভয় ভয়কৈ ক'লে, "এৰা, কথাটো মই তোমাক কম বুলিয়ে আছিলোঁ। এজন কৰ্মচাৰী আহি মোক কাকুতি কৰিলে—আহত সৈনিকবোৰৰ কাৰণে কেইখনমান গাড়ী দিব লাগে। আমাৰ টকাৰ ক্ষতি হব হয়, কিন্তু সিহঁতৰ অৱস্থাৰ কথা ভাবি চোৱা। আমাৰ চোতালতে আছে—আমিয়ে সিহঁতক মাতি আনিছোঁ। ইয়াত কেবাজন কৰ্মচাৰীও আছে। সিহঁত যাওক। আমাৰ একো লৰালৰি হোৱা নাই।"

টকা-পইচাৰ কথাতে কাউণ্টে ঘৈণীয়েকৰ লগত সদায় ভয় ভয়কৈ কথা কয়। লৰা-ছোৱালীৰ ইটো নাই, সিটো নাই বুলি ঘৈণীয়েকে কাউণ্টক সদায় আমনি কৰে।

লৰা-ছোৱালীৰ কাপোৰৰ বাকচবোৰ এৰি যাবলৈ ঘৈণীয়েক কোনোমতে মান্তি নহয়। শেহত শুডতে চকু পানী টুকি টুকি কাউণ্টেছে কবলৈ ধৰিলে, "ধন-সম্পত্তি সকলো পানী কৰিলে। যি দুখন ফটা কানি আছে তাকো এনেকৈ পেলাই যাব খুজিছে। লৰা-ছোৱালীবোৰক বাটৰ ভিকহু কৰিলে। যি অলপ মালবস্তু আছে তাৰ দামো নাই বুলিও এক লাখ টকাৰ কম নহব। সেইখিনিও সিহঁতক ভোগ কৰিবলৈ নিদিয়ে। আপোনাৰ ইমানে মতিভ্ৰম হৈছে! মই এডাল কুটাও এৰি নাযাওঁ। হবই নোৱাৰে। আহতবোৰক চৰকাৰে চাব। আপোনাৰ আগতে দেখোন পৰহিদিনা লুইপুকিপেৰাইস্ত গ'ল। সিহঁতেনো কি এৰি থৈ গৈছে? চোতাল সাৰা বাড়নিটাৰো দেখোন লৈ গৈছে। বুদ্ধি থকা মানুহে তেনেকৈয়ে চলে। আমি অথা মূৰ্খ। নহলেনো এনে অৱস্থা হয় নে? মোৰ কাৰণে ভাবিব নালাগে বাৰু। লৰা-ছোৱালীৰ কাৰণেতো অলপ ভাবিব লাগে।"

কাউণ্ট হতাশ মনেৰে হাত জোকাৰি, একোকে নামাতি কোঠাটোৰ পৰা ওলাই গ'ল। নাতাচা ওচৰতে আছিল। তাই মাকৰ কথাবোৰ শুনিছে। বাপেকক দেখি সুধিলে, "দেউতা, কি হৈছে?"

কাউণ্টে কলে, "একো হোৱা নাই। তুমি কথাৰ ভাগ লব নালাগে।"

"দেউতা, মই সকলো শুনিছোঁ। কিন্তু মায়ে নো কিয় আপত্তি কৰে?"

বাপেকে খং কৰি ক'লে, "তোমাক মো এইবোৰ কথা কেলেই ?"

নাতাচাই কান্দিবলৈ ধৰিলে।

"তোমালক আটায়ে জহন্নামে যোৱা। মোৰ মৰটো খালে", বুলি বুঢ়া কাউণ্ট ঘৰৰ পৰা ওলাই গ'ল।

নাতাচাই কি কৰ ভাবি নাপাই বাপেকৰ পিছে পিছে বাহিৰলৈ গ'ল।

বাহিৰত পিটিয়াই মস্কোৰ পৰা যাব ওলোৱা লগুৱাবোৰক অস্ত্র বিলাই দিছে। বোজাই কৰা গাড়ীবোৰ এতিয়াও চোতালত থিয় হৈ আছে। দুখন গাড়ীৰ বান্ধ খুলিছে আৰু তাৰে এখনত চাপৰাচী এজনে আহত কৰ্মচাৰী এজনক উঠাই দিছে।

পিটিয়াই নাতাচাক সুধিলে, "কিহৰ কাৰণে লাগিছে ? গম পাইছা নে ?" (নাতাচাই বুজি পালে যে সি মাক-বাপেকৰ কাজিয়াৰ কথা কৈছে।) তাই একোকে নামাতিলে।

পিটিয়াই ক'লে, "আটাইবোৰ গাড়ী দেউতাই আহত মানুহবোৰক দিব খুজিছিল কাৰণে। পানচায়াই মোক কৈছে। মই ভাবোঁ...।"

নাতাচাই পিটিয়াৰ মুখলৈ চাই চিঞৰি ক'লে, "মই এইটো বৰ নীচ, ঘিণ লগা কথা বুলি ভাবোঁ। আমি আটাইবোৰ নীচ জাৰ্মান হলোঁ নেকি ?" তাই ফেকুৰিবলৈ ধৰিলে। হঠাতে ঘৰৰ ভিতৰলৈ গ'ল।

বাপেকে ধপাত হুপি এটা কোঠালীত থৰি-পৰি আছিল।

নাতাচাই মাকৰ কোঠালৈ লৰি গৈ ক'লে, "এইটো বৰ নীচ, ঘিণ লগা কথা। ই তোমাৰ আদেশ কেতিয়াও হব নোৱাৰে।"

কাউণ্টেছে আচৰিত হৈ ভয় ভয়কৈ নাতাচাৰ মুখলৈ চালে। কাউণ্টে খিড়িকীৰ ওচৰত থিয় হৈ সিহঁতৰ কথা শুনি থাকিল। নাতাচাই কান্দি কান্দি কৈছে, "মা অসম্ভৱ ! চোতালত কি হৈছে চোৱাগৈ। সিহঁতক এৰি গৈছে...।"

"কি হৈছে ? সিহঁত কোন ? তোমাক কি লাগে ?"

"আহতবোৰ। অসম্ভৱ। বৰ অপমানৰ কথা। মা, আমাৰ ভুল হৈছে। মোক ক্ষমা কৰা। আমি লগত কি নিওঁ তাৰ কাৰণে কিয় ভাবিব লাগিছে ? তুমি এবাৰ চোতাললৈ গৈ চোৱা। ই হবই নোৱাৰে।"

"থাক, থাক, যি ভাল দেখা তাকে কৰা। মই জানো কাবোবাৰ কামত হকাবধা দিওঁ ?"

"মা, মোক ক্ষমা কৰিবা।"

কাউণ্টেছে নিজকে দোষী বুলি ভাবি পিবিয়েৰৰ ওচৰলৈ গৈ ক'লে, "আপনি যি ভাল দেখে সেইমতে হুকুম দিয়ক। এইবোৰ কথা মই বুজি নাপাওঁ।"

কাউণ্ট বং পাই ধৈণীয়ে কক সাবটি ধৰি ক'লে, "মিছাতে তোমালোকে মোক শিকাব আহা।"

নাতাচাই সুধিলে, "দেউতা, মা, তেন্তে মই হুকুম দিওঁ গৈ? তথাপি আমাৰ লাগতিয়াল বস্তবোৰ নিব পাৰিম।"

কাউণ্টে সম্মতি দিলে। নাতাচা চোতাললৈ লৰি গ'ল।

লগুৱাবোৰে নাতাচাৰ অদ্ভুত হুকুমটো বিশ্বাস কৰিব নোৱাৰিলে। শেহত কাউণ্টে নিজে আহি কাউণ্টেছৰ হুকুম বুলি কোৱাত হৈ বাকচবোৰ গুদাম ঘৰলৈ নি গাড়ীবোৰ আহত মানুহবোৰৰ কাৰণে খালি কৰা হ'ল। লগুৱাবোৰ কামত লাগি গ'ল। পোন্ধৰ মিনিট আগতে বস্তু-বাহানিবোৰ এৰি থৈ আহতবোৰক নিয়াটো অসম্ভৱ বুলি ভাবিছিল। এতিয়া দেখিলে আহতবোৰক এৰি থৈ মালবস্তুবোৰ নিয়া অসম্ভৱ।

গোটেই পৰিয়ালটো আহত মানুহবোৰক গাড়ীত তুলি দিয়াত ইমান ব্যস্ত হ'ল যেনিবা এই কামটো আগতে নকৰাৰ কাৰণে তেওঁলোকৰ ত্ৰুটী হৈছে।

আহত সৈনিকবোৰ খোটালীৰ পৰা চুচৰি-বাগৰি ওলাই আহি শেঁতা হাঁহি মুখেৰে গাড়ীৰ ওচৰত গোট খাইছে। ওচৰ-চুবুৰীয়া ঘৰবোৰৰ পৰাও আহত মানুহবোৰ আহিল। কিছুমান আহত সৈনিকে কলে যে বাকচবোৰ গাড়ীৰ পৰা নমমাই সিহঁতক বাকচবোৰৰ ওপৰত বহুৱাই দিলেও হব। কিন্তু মালবস্তু-বোৰ নমোৱা এবাৰ যেতিয়া আৰম্ভ হৈছে, সেই কামটো চলিয়ে থাকিল। তাতে আধাখিনি বা গোটেইখিনি মালবস্তু এৰি থাব লগা হওক, এই বিষয়ে কাৰো আক্ষেপ নাই। আগদিনাখন ৰাতি বিশেষ সাৱধানে বান্ধি থোৱা ছবি, আয়নাৰ টোপোলাবোৰ চোতালত পৰি থাকিল। থানচামাটোৱে ক'লে, "আৰু চাৰিজন নিব পাৰিম। মোৰ বস্তু-বাহানিবোৰ এৰি যাম। নহলে ইহঁতৰ কি হব?"

কাউণ্টেছে বৰ লিগিৰীজনীক ক'লে, "আহা, আমাৰ কাপোৰ-কানি বোজাই দিয়া গাড়ীখনো ইহঁতক দিওঁ।" তিৰোতা মানুহৰ কাপোৰ-কানিৰ বাকচবোৰ নমাই, কেইজনমান আহত সৈনিকক মাতি পঠোৱা হ'ল। চাকৰ-নাকৰ সকলোৰে মনত বং। আটাইতকৈ নাতাচাৰ বং কোনে চায়?

এটা লওৱাই এটা বাকচ থৈ আহি ক'লে, "এই বাকচটো ক'ত দিওঁ? এখন গাড়ী লাগিব।"

নাতাচাই সুধিলে, "ইয়াত কি আছে?"

"দেউতাৰ কিতাপ।"

"থাক, থোৱা, কোনো দৰকাৰ নাই। খানচামাই নিব।"

মানুহ থোৱা গাড়ীখনো মানুহেৰে ভৰি পৰিল। পিটিয়াৰ কাৰণে বহিবলৈ ঠাই নাই।

নাতাচাই পিটিয়াক চিঞৰি ক'লে, "তুমি বাকচৰ ওপৰতে বহি যাবা; বাকচৰ ওপৰত, নহয় জানো?"

চোনিয়াও বৰ ব্যস্ত কিন্তু তাইৰ উদ্দেশ্য নাতাচাৰ বিপৰীত। তাই কাউন্টৰ কথামতে এৰি থৈ যোৱা মালবস্তুবোৰৰ এখন ফৰ্দ কৰি মালবস্তুবোৰ গুদাম ঘৰলৈ নিয়াইছে। আৰু বিমানখিনি পাৰে লগত নিবলৈ চেষ্টা কৰিছে।

দুই বজাত ৰোস্তভইতৰ চাৰিখন গাড়ী যাবলৈ সাজু হ'ল। আহত সৈনিক বোজাই দিয়া গাড়ীবোৰ শাৰী পাতি এখন এখনকৈ চোতালৰ পৰা ওলাই গৈছে।

চোনিয়াই এজনী লিগিৰীৰ সৈতে গাড়ীৰ ভিতৰত কাউণ্টেছৰ কাৰণে এডোখৰ ঠাই কৰিছিল। এনেতে প্ৰিন্স্ এণ্ড্ৰু থকা গাড়ীখন সম্মুখৰ গেটেৰে ওলাই গ'ল। গাড়ীৰ খিড়িকীৰে মূৰটো উলিয়াই চোনিয়াই লিগিৰীজনীক সুধিলে, "এইখন কাৰ গাড়ী?"

"কেলেই? আপুনি শুনা নাই? সেই আহত প্ৰিন্স্‌জন। তেওঁ ৰাতি আমাৰ ঘৰতে আছিল আৰু এতিয়া আমাৰ লগত যাব।"

"কোন? নাম কি?"

লিগিৰীজনীয়ে ক'লে, "সেই নাতাচাৰ লগত যে বিয়া হোৱাৰ কথা আছিল প্ৰিন্স্ বল্‌কন্‌স্কি।" পিছত হুমুনিয়াহ কাঢ়ি ক'লে, "তেওঁৰ হেনো জীয়াই থকাৰ আশা নাই।"

চোনিয়া গাড়ীৰ পৰা জাপ মাৰি কাউণ্টেছৰ ওচৰলৈ গ'ল। কাউণ্টেছে সাজি-কাচি যোৱাৰ আগতে একেলগে বহি উপাসনা কৰিবলৈ ঘৰৰ আনবোৰ পৰিয়ালৰ কাৰণে বাহিৰৰ কোঠাত বৈ আছে। নাতাচা তাত নাই।

চোনিয়াই ক'লে, "মা, প্ৰিন্স্ এণ্ড্ৰু ইয়াত আছে। তেওঁ আহত, মৰোঁ মৰোঁ অৱস্থা। তেওঁ আমাৰ লগত যাব।"

কাউণ্টেছে হতাশ হৈ চোনিয়াৰ হাতত ধৰি ক'লে, "নাতাচা !" তেওঁলোক দুয়ো প্ৰিন্স্ এণ্ড্ৰুক ভাল পায়। তেওঁলৈ সহানুভূতি আছে। কিন্তু তেওঁলোকে নাতাচাক ভালদৰে জানে। এই খবৰটো পালে নাতাচাৰ মনৰ কি অৱস্থা হব পাৰে, এই লৈয়ে তেওঁলোকৰ বেছি চিন্তা হ'ল।

চোনিয়াই ক'লে, "নাতাচাই এতিয়াও গম পোৱা নাই। কিন্তু তেওঁ আমাৰ লগতে যাব।"

"তুমি কৈছা তেওঁৰ জীৱনৰ আশা নাই।" কাউণ্টেছে চোনিয়াক সাবটি ধৰি কান্দিবলৈ ধৰিলে। তেওঁ ভাৱিলে, "ভগৱানৰ মহিমা বুজিব নোৱাৰি। সকলো তেওঁৰ ইচ্ছা।"

এনেতে বৰ আগ্ৰহেৰে লৰি আহি নাতাচাই মাকক ক'লে, "মা, সকলো সাজু হৈছে।—কি হৈছে ?..."

কাউণ্টেছে কাপোৰৰ আঁচলেৰে মুখখন ঢাকি ক'লে, "একো হোৱা নাই। যদি সাজু হৈছে ব'লা যাওঁ।"

চোনিয়াই নাতাচাক সাবটি ধৰি চুমা খালে।

নাতাচাই আচৰিত হৈ চোনিয়াৰ মুখলৈ চাই সুধিলে, "ই কি ? কি হৈছে ?"

"নাই, নাই, একো হোৱা নাই।"

চতুৰী নাতাচাই সুধিলে, "মোৰ কিবা বেয়া খবৰ আছে ? কিনো ?"

চোনিয়াই হুমুনিয়াহ কাঢ়িলে, কিন্তু কোনো উত্তৰ নিদিলে। কাউণ্টেছে যীশু খ্ৰীস্টৰ মূৰ্তিৰ আগত আঁঠু ললে। চোনিয়াই বেৰত আঁৰি থোৱা যীশু খ্ৰীস্টৰ ছবিবোৰ গোটাই ললে।

এফিম বোতভইতৰ পুৰণি গাৰোৱান। কাউণ্টেছে অকল এফিমকহে বিশ্বাস কৰে। তেওঁ যোৱা গাড়ীখন সদায় এফিমে চলায়। এফিমে গাড়ীত নিজৰ ঠাইত বহি ললে। সকলো উঠিলত কাউণ্টেছে ক'লে, "এফিম, এতিয়া ভগৱানৰ নাম লৈ গাড়ী এৰি দিয়া।" কিন্তু আজি ত্ৰিশ বছৰৰ অভিজ্ঞতাৰ পৰা এফিমে ভালদৰে জানে যে এনেকৈ কোৱাৰ পাছতো কাউণ্টেছে অন্ততঃ দুবাৰ গাড়ী ৰখায়। "এইটো ভুল হ'ল।" "সিটো পাহৰি আহিলোঁ।" কাউণ্টেছে যি কোনো ঠাইলৈ যাত্ৰা কৰিলেই তেনেকুৱা হয়। আজিও সেয়ে হ'ল। এটা চুটকেচ পাহৰি আহিছে, মানুহ পঠাই অনালে। তাৰ পাছত এফিমে ভগৱানৰ নাম লৈ গাড়ী এৰি দিলে। কাউণ্টেছে ক'লে, "লাহে লাহে, সাৱধানে চলাবা।" চোতালৰ পৰা গাড়ীখন বাটলৈ আহিল। গীৰ্জাটো দেখি সকলোৱে মূৰ

দৌৱালে। কেইজনমান লগুৱা গাড়ীখনৰ দুয়োফালে খোজকাঢ়ি আহি আগবঢ়াই থলেহি। সিহঁত মস্কোতে থাকিব।

নাতাচাই গাড়ীৰ ভিতৰত মাকৰ ওচৰত বহি ৰাস্তাৰ দুয়োফালৰ ঘৰবোৰ চাইছে। ৰাস্তাৰ মানুহবোৰ চাইছে। তাইৰ বৰ ভাল লাগিছে। আহত সৈনিকবোৰৰ গাড়ীবোৰ আগে আগে লানি পাতি গৈছে। নাতাচাই খিড়িকীৰে মুখখন উলিয়াই সকলোৰে আগত যোৱা গাড়ীখনলৈ বাৰে বাৰে চাইছে। সেইখন প্ৰিন্স্ এণ্ড্ৰুৰ গাড়ী। কিন্তু নাতাচাই নাজানে সেইখন গাড়ীত কোন আছে।

চাৰি আলিত অসংখ্য গাড়ী গোট খাইছে। গাড়ীবোৰ শাৰী পাতি থিয় হৈছে। ৰাস্তাত মানুহৰ ভিৰৰ মাজত নাতাচাই পিয়াৰক দেখা পালে। সি গাৰোৱানৰ পোছাক পিন্ধি কিবা ভাবি ভাবি গৈছে। নাতাচাই চোনিয়াক কলে, "সৌ সেইজন গৈছে।"

"কোন? কাৰ কথা কৈছা?"

"কেলেই বেচুখভ। সৌজন গৈছে, দেখা নাই?"

চোনিয়াই গাৰোৱানৰ পোছাক পিন্ধা মানুহজনক দেখি ক'লে, "এ, তুমি ভুল কৰিছো।"

নাতাচাই ক'লে, "নিশ্চয়, পিয়াৰ হয়।" নাতাচাই গাৰোৱানক গাড়ীখন ৰখাবলৈ ক'লে। কিন্তু গাড়ীখন তেতিয়া চলিছে, পিছত অসংখ্য গাড়ী। গাৰোৱানে কোনোমতে গাড়ী ৰখাব নোৱাৰে। উপায় নাপাই নাতাচাই চিঞৰি পিয়াৰক মাতিলে। প্ৰথমতে পিয়াৰে শুনা নাছিল। নাতাচাই আৰু ডাঙৰকৈ মাতিলে, "পিয়াৰ, আহক, শুনক। চিনি পাইছে নে?"

পিয়াৰে মৰ দাড়ি চাই আগবাঢ়ি আহিল। নাতাচাৰ মুখলৈ চাই অলপ হাঁহিলে। নাতাচাই ক'লে, "বি হ'ক চিনি পাইছে। এইটো পোছাক কিয়?" বুলি হাতখন আগবঢ়াই দিলে। পিয়াৰে নাতাচাৰ হাতত ধৰিলে। গাড়ীখন কিন্তু চলি আছে। পিয়াৰে নাতাচাৰ হাতখনত ধৰি গাড়ীৰ লগে লগে খোজ কাঢ়ি গ'ল। কাউন্টেছে পিয়াৰৰ পোছাকটো দেখি ক'লে, "এইবোৰ কি?"

"কি হৈছে? এইবোৰ কথা আৰু নোসোধাই ভাল।"

নাতাচাই সুধিলে, "আপুনি ইয়াতে থাকিব নে যাব?"

পিয়াৰে অলপ ভাবি ক'লে, "মস্কোত? নিশ্চয় থাকিম। বাৰু, তেন্তে এতিয়া যোৱা।"

"সঁচাকৈয়ে মতা মানুহ হোৱা হলে মযো আপোনাৰ লগত ইয়াতে থাকিলোঁ হয়। মায়ে থাকিবলৈ দিলে…।"

নাতাচাৰ কথা শেহ নৌহওঁতেই কাউণ্টেছে ক'লে, "ভাল কথা, তুমি হেনো যুদ্ধলৈ গৈছিলা—। যুদ্ধ দেখিছা তো ?"

"হয়, মই যুদ্ধলৈ গৈছিলোঁ। কাইলৈ আকৌ এখন যুদ্ধ হব।"

নাতাচাই ক'লে, "কিন্তু আপোনাৰ কি হৈছে ? কওঁকচোন। আপোনাক এক ৰকম দেখিছোঁ।"

"মোক আৰু কোনো কথা সুসুধিবা। মই একো কব নোৱাৰোঁ। মই একো নাজানো। বাৰু, এতিয়া যোৱা, বিদায়। বৰ বেয়া সময়।"

গাড়ীখনৰ ওচৰৰ পৰা গুচি গৈ পিয়াৰ মানুহৰ ভিৰৰ মাজত মিলি গ'ল। নাতাচাই হাঁহিমুখে সেইফালে একেবাহে চাই থাকিল।

# চতুৰ্থ অধ্যায়

চেপ্টেম্বৰৰ এক তাৰিখে ৰাতি প্ৰধান সেনাপতি কুতুজভে আদেশ দিলে যে সকলো কছ সৈন্যসামন্ত মস্কোৰ ভিতৰেদি ৰিয়াজনৰ বাট ধৰি যাব। সেই ৰাতিয়েই কছ বাহিনী ৰাওনা হ'ল। প্ৰথম দলটো ভালে ভালে গ'ল। কিন্তু পিছদিনা ৰাতিপুৱা দৰোখোমিলভ সেতুৰ ওপৰত খেলিমেলি লাগিল। সাঁকোখন ঠেক। গতিকে সাঁকোৰ আগত বহুতো সৈন্য গোট খালে। লাহে লাহে জনসংখ্যা বাঢ়ি আহিল। সিইঁতৰ ভীৰ হ'ল। লৰালৰি, ঠেলাঠেলি লাগিল। কিছুমান সাঁকোৰে পাৰ হ'ল। কিছুমান নাৱৰে গ'ল। কিছুমান পানীত নামিল। আৰু কিছুমান ইফালে সিফালে পলাল। কুতুজভ নিজে পিচফালৰ ৰাস্তাৰে মস্কোৰ সিমূৰ ওলাল গৈ। চেপ্টেম্বৰৰ দুই তাৰিখে ৰাতিপুৱা দহ বজালৈকে পিছৰ সেনাবোৰ দৰোখোমিলভ সেঁতুৰ ওচৰতে থাকিল। মূল বাহিনী মস্কো পাৰ হৈ গৈছে।

ইপিনে চেপ্টেম্বৰৰ দুই তাৰিখে ৰাতিপুৱা দহ বজাত নেপোলিয়নে সেনাবোৰৰ মাজত থিয় হৈ পকলোনি পাহাৰৰ পৰা সন্মুখৰ দৃশ্যবোৰ চাইছে। আগস্ট মাহৰ ছাবিশ তাৰিখৰ পৰা চেপ্টেম্বৰ মাহৰ দুই তাৰিখলৈকে বোৰোডিনৰ যুদ্ধৰ দিনাৰ পৰা ফৰাচী বাহিনী মস্কোত প্ৰবেশ কৰা দিনলৈকে গোটেই সপ্তাহটো বতৰ ভাল। শৰতৰ বেলিৰ পোহৰত গোটেইখন মস্কো নগৰ জিলিকি আছে। চেপ্টেম্বৰৰ দুই তাৰিখে দহ বজাত পুৱাৰ বেলিৰ পোহৰত পকলোনি পাহাৰৰ পৰা মস্কোৰ নৈ, বগিছা, গীৰ্জাবোৰ লৈ এখন পৰী ৰাজ্য যেন দেখাইছে। এই আচৰিত জীৱন্ত নগৰখনৰ দৃশ্য দেখি নেপোলিয়নৰ বৰ কৌতূহল হ'ল। ভাবিলে, "অসংখ্য গীৰ্জাৰ সৈতে এইখন এচিয়াৰ পবিত্ৰ মস্কো নগৰ। এই প্ৰসিদ্ধ নগৰখন জয় কৰিবলৈ এইয়ে উপযুক্ত সময়। ঘোঁৰাৰ পৰা নামি মস্কোৰ মানচিত্ৰখন আগত মেলি ললে।

নেপোলিয়নে ভাবিলে, "শত্ৰুৱে জয় কৰা নগৰ, সতীত্ব হেৰোৱা তিৰোতাৰ নিচিনা।" এই ভাবেৰে তেওঁ মস্কোৰ সৌন্দৰ্য্যলৈ চালে। তেওঁ ভাবি বং পালে যে ইমান দিনৰ বাসনা, যি অসম্ভৱ বুলি ভাবিছিল, সিও আজি সম্ভৱ হ'ল। তেওঁ এবাৰ নগৰখনৰ পিনে চায়, এবাৰ মানচিত্ৰখন চায়। মস্কো অধিকাৰ কৰিব পাৰিব বুলি নিশ্চিত হ'ল।

"এই ৰাজধানী এভিয়া মোৰ পদানত, পৰাজয়ৰ প্ৰতীক্ষাত। সম্রাট আলেকজেণ্ডাৰ এতিয়া ক'ত? তেওঁ কি ভাবিছে? এই আচৰিত, ধুনীয়া নগৰ! এই অপূর্ব সুযোগ! মোৰ এটা কথাতে, এটা ইঙ্গিততে, জাৰৰ প্ৰাচীন ৰাজধানী ধ্বংস হব। কিন্তু বিজিত জাতিক মই সদায় দয়া কৰোঁ। মই সিঁহতক ক্ষমা কৰিম। মোৰ মাহাত্ম্য দেখুৱাম। কিন্তু মইতো এতিয়াও মস্কো অধিকাৰ কৰা নাই। সোণৰ গম্বুজবোৰ ৰ'দত চিকমিকাছে। যদিও মস্কো মোৰ পদানত, মই মস্কো ধ্বংস নকৰোঁ।

"বৰ্বৰতা আৰু স্বেচ্ছাচাৰিতাৰ স্তম্ভফলকত—মোৰ ন্যায়-পৰায়ণতা আৰু দয়াৰ বাণী খোদিত হব। আলেকজেণ্ডাৰে এসেকা পাব। মই তাক জানো। ক্ৰেমলিনৰ দুৰ্গৰ পৰা মই ন্যায়পৰায়ণতাৰ বাৰ্তা ঘোষণা কৰিম। সিঁহতক প্ৰকৃত সভ্যতাৰ অৰ্থ শিকাম। অহা শতাব্দীতে এই বিজয় কাহিনী, বিজেতাৰ নাম সকলোৱে সগৌৰৱেৰে, মৰমেৰে সুঁৱৰিব। প্ৰতিনিধিসকলক মই কম যে মই যুদ্ধ বিচৰা নাই, নিবিচাৰোঁ। মই ৰাজ্যৰ প্ৰৱঞ্চনাৰ লগত যুদ্ধ কৰিছোঁ। মই আলেকজেণ্ডাৰক ভাল পাওঁ, সন্মান কৰোঁ। মস্কোত মোৰ আৰু মোৰ জাতিৰ সন্মান বজায় ৰাখি সন্ধিৰ প্ৰস্তাৱ মানি লম। এই যুদ্ধেৰে সিঁহতৰ মহামান্য সম্রাটক অৱমাননা কৰাৰ সুবিধা লব খোজা নাই। প্ৰতিনিধি দলক কম মই যুদ্ধ নিবিচাৰোঁ। মই মোৰ সকলো প্ৰজাৰে সুখ-শান্তি বিচাৰোঁ। সিঁহতৰ উপস্থিতিয়ে মোক অনুপ্ৰেৰণা দিব। মই সকলো কথা পৰিষ্কাৰকৈ বুজাই দিব পাৰিম। কিন্তু মই জানো মস্কোত আছোঁ? কেনেকৈ সেইখন!"

তেওঁ অনুচৰ কেইজনক ক'লে, "কছ প্ৰতিনিধিসকলক মাতি আনা।" এজন সেনাপতি কেইজনমান দূত লগত লৈ ঘোঁৰাত উঠি তৎক্ষণাত প্ৰতিনিধি দলটো আনিবলৈ গ'ল।

দুঘণ্টা পাছত। নেপোলিয়নে থাই-বৈ পকলোনি পাহাৰৰ একে ঠাইতে আকৌ থিয় হৈ প্ৰতিনিধি দলটোৰ কাৰণে বৈ আছে। প্ৰতিনিধি দলটোক কি কব তেওঁ মনতে ভাবি থৈছে। কথাবোৰত তেওঁৰ মাহাত্ম্য প্ৰকাশ পাব বুলি তেওঁ ধৰি লৈছে।

ইতিমধ্যে অনুচৰসকলৰ পিছফালে সেনাপতি আৰু কৰ্মচাৰীসকলৰ মাজত ফুচফুচাই আলোচনা চলিছে। মস্কোলৈ যি দূত গৈছিল তেওঁলোক উভতি আহিছে। মস্কো এতিয়া জনশূন্য। সকলোৱে মস্কো এৰি গৈছে। কি আছে সিঁহতো যাব ওলাইছে। অনুচৰসকলৰ মুখ সেঁতা আৰু চিন্তাযুক্ত।

সকলো মস্কো এৰি গৈছে, মস্কো জনশূন্য। কথাটো ভাঙৰ হলেও তাৰ কাৰণে সিহঁত ভয় খোৱা নাই। ভয় খাইছে—এই কথাটো সম্রাটক কেনেকৈ কয়। মস্কোত কোনে নাই। অকল কেইজনমান মদপীহে আছে। তেওঁ মিছাতে প্ৰতিনিধি দলটোৰ কাৰণে বৈ আছে—। এই কথা শুনিলে সম্রাটে মনত বৰ দুখ পাব। এই খবৰটো সম্রাটৰ দিবলৈ কাৰো সাহস নহ'ল। কিছুমানে কলে, "প্ৰতিনিধি বুলি কেইজনমান মানুহ ধৰি আনিলেই হয়।" কিন্তু বাকীবোৰে এই প্ৰস্তাৱত মান্তি নহৈ কলে, "অসম্ভৱ। তেওঁ যেতিয়া আচল কথাটো জানিব তেতিয়া কি হব? তাতকৈ সঁচা কথাটো কোৱাই ভাল।" কিন্তু কথাটো কবলৈ গাত লয় কোনে?

নেপোলিয়নে নগৰৰ মানচিত্ৰখন হাতত লৈ ইফাল সিফাল কৰিছে আৰু মাজে মাজে মস্কোলৈ যোৱা বাটটোৰ পিনে বং মনেৰে চাইছে। কিন্তু অনুচৰসকলে কি কৰিব—এতিয়ালৈকে কোনো সিদ্ধান্তলৈ আহিব নোৱাৰিলে।

বৈ বৈ সম্রাটৰ আমনি লাগিল। মিছাতে পলম কৰা হৈছে। তেওঁ নাটকীয় ভঙ্গীৰে কামান চলাবলৈ আদেশ দিলে। লগে লগে তিনিটা বাটেৰে সেনাবাহিনী মস্কো অভিমুখে ৰাওনা হ'ল। নেপোলিয়ন নিজেও দৰোগোমিলভ গে'টলৈকে গ'ল। তাত তেওঁ ঘোঁৰাৰ পৰা নামি প্ৰতিনিধি দলটোৰ কাৰণে বহুপৰ ৰ'ল।

ইতিমধ্যে মস্কো পৰিত্যক্ত হৈছে। নগৰত এতিয়াও মানুহ আছে। পঞ্চাশ ভাগৰ এভাগ মানুহ আছে হয় কিন্তু নগৰ শূন্য। মস্কো এতিয়া ৰাণী নোহোৱা মৌবাহৰ নিচিনা হৈছে।

নেপোলিয়নে কেমাৰকোলেজস্কি গড়ৰ ওচৰত অস্থিৰ চিত্তে ইফাল সিফাল কৰি প্ৰতিনিধি দলটোৰ কাৰণে বৈ আছে।

মস্কোৰ চুকেকোণে এতিয়াও কিছুমান মানুহ আগৰ অভ্যাস মতে যন্ত্ৰৰ দৰে চলা-ফুৰা কৰি আছে।

এজন দূত আহি মস্কো জনশূন্য বুলি খবৰ দিলত নেপোলিয়নে ভ্ৰুকুটি কৰি দূতজনৰ ফালে চালে। তাৰ পাছত মুখ ফিৰাই অলপ কিবা ভাবিলে। অলপ পাছতে কলে, "মোৰ গাড়ী।" দূতজনৰ কাষতে গাড়ীত বহি ৰাওনা হ'ল। মনে মনে ক'লে, "মস্কো জনশূন্য! কি অসম্ভৱ কথা!"

তেওঁ নগৰলৈ নগ'ল। ৰাতিটো দৰোগোমিলভৰ এখন গাৰ্ত শৰাইখানাত থাকিল।

আবেলি চাৰি বজাত মুৰাৰ সেনাদল মস্কোত প্ৰৱেশ কৰিলে। ফৰাচী বাহিনীৰ এতিয়া তিনিভাগৰ এভাগহে আছে। সিহঁতো ক্লান্ত, অৰ্দ্ধভুক্ত, জৰাজীৰ্ণ। তথাপি ফৰাচী বাহিনী সুশৃঙ্খল ভাৱে মস্কোত সোমাল। মস্কোত সেনাবাহিনী সিঁচৰতি হৈ পৰিল। এৰি থৈ যোৱা ডাঙৰ ডাঙৰ ঘৰবোৰত আশ্ৰয় ললে। তেতিয়া আৰু সিহঁত সেনা হৈ নাথাকিল, লুণ্ঠনকাৰী হে হ'ল।

পাঁচ সপ্তাহ পাছত যেতিয়া এই মানুহবোৰে মস্কো এৰি যায় তেতিয়া সিহঁত সেনাবাহিনী নহয়। সিহঁত এটা ডকাইতৰ দল হ'ল। প্ৰত্যেকে কিবা নহয় কিবা মূল্যবান, দৰকাৰী বস্তু মস্কোৰ পৰা লগত লৈ আহিছে। মস্কো এৰি আহি এই মানুহবোৰৰ যুদ্ধ কৰিবৰ উদ্দেশ্য নোহোৱা হ'ল। লুটপাত কৰি অনা বস্তুবোৰ ৰক্ষা কৰাই সিহঁতৰ উদ্দেশ্য হ'ল। এটা বান্দৰে বাদামৰ কলহ এটাত হাত সুমাই বাদামবোৰ মুঠি মাৰি ধৰিছিল। কিন্তু মুঠি মাৰি হাতখন উলিয়াব নোৱাৰা হ'ল। তথাপি লোভতে মুঠিটো এৰি নিদিলে। তাতে তাৰ মৃত্যু হ'ল। মস্কো এৰাৰ পাছত ফৰাচীবিলাকৰো ধ্বংস অনিবাৰ্য্য হ'ল। লুটপাত কৰা বস্তুবোৰ সিহঁতে লগত লৈ আনিছে। বান্দৰটোৱে যেনেকৈ বাদামবোৰ এৰিব পৰা নাছিল, সিহঁতৰ পক্ষেও এই বস্তুবোৰ এৰি যোৱা অসম্ভৱ যেন লাগিছিল। ফৰাচী সৈন্য-সামন্তবোৰ মস্কোৰ ঘৰবোৰত সিঁচৰতি হৈ পৰাৰ দহ মিনিট পাছত আৰু কোনো সৈনিক বা কৰ্মচাৰী হৈ নাথাকিল। ঘৰবোৰত সৈনিকৰ পোছাক পিন্ধা মানুহক ঘূৰি-পকি ৰং-ধেমালি কৰি থকা খিড়িকীৰে দেখি। সিহঁত খোৱাত ব্যস্ত। ঘৰৰ কোঠালিবোৰৰ তলা ভাঙি সোমাইছে। বান্ধনি ঘৰত জুই জ্বলাইছে। ঘৰৰ লৰা-ছোৱালী, মাইকী মানুহৰ লগত ৰং-ধেমালি কৰিছে। বস্তাবঢ়া কৰিছে, মদ খাইছে। দোকানে-পোহাৰে, বাটে-ঘাটে যথেষ্ট মানুহ কিন্তু নাই।

সেই দিনাখনেই ফৰাচী প্ৰধান সেনাপতিয়ে আদেশ জাৰি কৰিলে যে সৈনিকবোৰ নগৰত সিঁচৰতি হৈ থাকিব নোৱাৰিব, নাগৰিকসকলক কোনো অত্যাচাৰ কৰিব নোৱাৰিব, লুটপাট কৰিব নোৱাৰিব। আৰু জনালে যে পথুলি সকলোৰে হাজিৰা লোৱা হব। কিন্তু এইবোৰ ব্যৱস্থা লোৱা সত্ত্বেও পৰিত্যক্ত নগৰখনত ইমান ভাল বস্তু পাই সৈনিকবোৰ চাৰিও পিনে পিত্ত-পিতাই ঘূৰিবলৈ ধৰিলে। মৰুভূমি পাৰ হৈ অহা গৰু-ম'হৰ পালে হঠাতে

সুন্দৰ সেউজীয়া ঘাঁহনি পথাৰ দেখিলে যেনেকৈ সেইফালে আকৃষ্ট হয়, অইনফালে চাবলৈ আজৰি নাথাকে, লিঁচৰতি হৈ পৰে, পথাৰখন এৰি যাব নোখোজে, সেইদৰে ফৰাচীবাহিনী চহকী মস্কোত ইমান খোৱা-বোৱাৰ, সুখ-সুবিধাৰ বস্তু পাই লোভতে গোটেই নগৰখনতে সিঁচৰতি হৈ পৰিল।

ফৰাচীবাহিনী পোন প্ৰথমে ক্ৰেমলিনত প্ৰৱেশ কৰে। মস্কো জনশূন্য আৰু মৰুভূমিৰ নিচিনা হৈছিল। সৈনিকবিলাক আহি মৰুভূমিত পানীৰ দৰে চাৰিও পিনে বৈ পৰিল। অশ্বাৰোহী সেনাবোৰে এজন সদাগৰৰ এৰি থোৱা দোকান এখনত সোমাই ঘোঁৰাৰ সাজ-সৰঞ্জামবোৰতো নিলেই ওচৰৰ ভাল ঘৰটোও ললে। কাজিয়া কৰি, দোকানীবোৰৰ লগত মৰামৰি কৰিও সিঁহতৰ ঘৰবোৰত থাকিবলৈ ললে। আৰু ঘৰবোৰত সিঁহতৰ নাম লিখিলে। থাকিবৰ কাৰণে ঘৰবোৰ লৈ সৈনিকবোৰ নগৰখন চাবলৈ বাহিৰলৈ ওলাল। নাগৰিকসকলে ধন-সম্পত্তি এৰি থৈ যোৱা বুলি শুনি মূল্যবান বস্তু বিচাৰি সিঁহতে নগৰখন চলাথ কৰিলে। কৰ্মচাৰীসকলে সৈনিকবোৰক শাসন কৰিবলৈ গৈ সিঁহতো একে লোভতে পৰে। এৰি যোৱা গাড়ীৰ দোকানবোৰলৈ গৈ সেনাপতিসকলে নিজৰ নিজৰ গাড়ী বাছি ললে। যি সামান্য কেইজনমান অধিবাসী এতিয়াও আছিল, সিঁহতে লুটপাতৰ হাত সাৰিবৰ কাৰণে কৰ্মচাৰী-সকলক মাতি নি নিজৰ ঘৰত ৰাখিলে।

মস্কোত যথেষ্ট সম্পত্তি আছিল। তাৰ সীমা সংখ্যা নাই। সৈনিকবোৰে যিমানেই নতুন নতুন ঠাইলৈ যায়, সিমানেই ধন-সম্পত্তি দেখিবলৈ পায়। নোযোৱা ঠাইবোৰত আৰু বেছি সম্পত্তি থকা বুলি ভাবে। মস্কোৱে সিঁহতক আকৃষ্ট কৰিলে। শুকান মাটিত পানী পৰিলে, শুকান মাটি আৰু পানী দুয়ো অদৃশ্য হৈ বোকাত পৰিণত হয়। সেইদৰে এই ক্ষুধাৰ্ত সেনানী ত্যক্ত চহকী নগৰীত প্ৰৱেশ কৰাত বাহিনী আৰু নগৰৰ ধন-সম্পত্তি বিনাশ হৈ, সিঁহত যোৱা ঠাইবোৰত ডকাইতৰ দল আৰু অগ্নি জ্বলি উঠি। অগ্নিকাণ্ড আৰু লুণ্ঠনৰ ৰাজ্য হ'ল।

মস্কো পুৰি ছাৰখাৰ হ'ল। মস্কো ধ্বংস হোৱাৰ কাৰণে ফৰাচীবিলাকে মস্কোৰ ৰাজ্যপাল সেনাপতি ৰোস্তপচীনক দোষাৰোপ কৰে। কিন্তু ৰুছবিলাকে ফৰাচীবিলাকৰ বৰ্বৰতাৰ কাৰণে হোৱা বুলি কয়। কিন্তু এইবোৰ অৰ্থহীন কথা। মস্কো পুৰি ছাৰখাৰ হ'ল কাৰণ এনে অৱস্থাত কাঠেৰে সজা যি কোনো নগৰ, কেইটামান জুই কুৰুৱা যন্ত্ৰ থাকোক বা নাথাকক, পুৰি ছাৰখাৰ নহৈ

নোৱাৰে। মস্কোৰ অধিবাসীসকল গুচি গৈছে। যেৰৰ দ'মত কেবাদিনো জুইৰ ফিৰিঙতি ছটিয়াই দিলে সেই যেৰ জ্বলিবই। পুলিচ আৰু অধিবাসীসকল থাকোঁতেও কাঠেৰে সজা এই নগৰীত নিতৌ অগ্নিকাণ্ড হৈছিল। এতিয়া অধিবাসীসকল নাই। সৈনিকবোৰে সিহঁতৰ ঘৰদুৱাৰ দখল কৰি তাৰ ভিতৰত ধোঁৱা খাইছে, জুই জ্বলাইছে, তুবাৰ, ভিনিবাৰকৈ ধোঁৱা খাদ্য ৰান্ধিছে। মস্কো জ্বলিবই। শান্তিৰ সময়তে সৈন্যবিলাকে গাৱঁত শিবিৰ তৰিলে, সেই জিলাত হঠাতে অগ্নিকাণ্ড বাঢ়ে। বিদেশী সেনাৰ দখলত থকা পৰিত্যক্ত, কাঠেৰে সজা নগৰীত অগ্নিকাণ্ড বাঢ়িবই। গতিকে ইয়াত ৰাজ্যপাল সেনাপতি ৰোস্তপচীনক দোষাৰোপ কৰা বা ফৰাচীসকলৰ বৰ্বৰতাৰ প্ৰশ্ন নুঠে। মস্কো পুৰি ছাৰখাৰ হ'ল—ধপাতৰ, ৰান্ধনি ঘৰৰ আৰু তম্বুৰ জুইৰে। আৰু শত্ৰুসেনাৰ অসাৱধানতা, উদাসীনতাৰ কাৰণে। সিহঁতে ঘৰ দখল কৰি আছিল কিন্তু গিৰিহঁতৰ নিচিনা ঘৰৰ যত্ন লোৱা নাই। কোনোবাই ইচ্ছা কৰি জুই লগাই দিয়া বুলি সন্দেহ কৰিবৰ কাৰণ নাই। কাৰণ এনে পাপ কৰিবৰ কাৰো কাৰণ নাছিল। জুই লগাই নিদিলেও এনে অৱস্থাত অগ্নিকাণ্ড নহৈ নোৱাৰে।

ফৰাচীবিলাকে ৰোস্তপচীনৰ নৃশংসতাক দোষাৰোপ কৰি শান্তি লভিছিল। ৰুছবিলাকে দুৰ্বৃত্ত বোনাপাৰ্টক দুষিছিল। এইটো কথা স্বীকাৰ কৰিব লাগিব যে গিৰিহঁতে এৰি যোৱা ঘৰত বিদেশীয়ে অস্থায়ীভাৱে আশ্ৰয় লৈ তাত বন্ধাবঢ়া কৰিলে মস্কো কিয় যি কোনো গাওঁ বা কাৰখানাতে অগ্নিকাণ্ড হ'বই। আচলতে মস্কোক তাৰ অধিবাসীসকলে পুৰিলে—যিসকল এতিয়াও মস্কোত আছে তেওঁলোকে নহয়; যিসকলে মস্কো এৰি গৈছে তেওঁলোকেহে। বাৰ্লিন, ভিয়েনা বা অইন নগৰীৰ নিচিনা শত্ৰুৰ দখলত থাকোঁতে মস্কোৱে ক্ষতিৰ হাত সাৰিব নোৱাৰিলে, কাৰণ ইয়াৰ অধিবাসীসকলে ফৰাচীবিলাকক আলহীৰ দৰে সোধ-পোছ নকৰি মস্কো এৰি গৈছে।

## পঞ্চম অধ্যায়

নগৰৰ যিটো ঘৰত পিয়াৰ আছিল, ছেপ্টেম্বৰৰ দুই তাৰিখৰ গধূলিলৈকে ফৰাচীবিলাকে সেইখিনি পোৱাগৈ নাই। দুদিন অকলে অকলে ভাৰি ভাৰি পিয়াৰ পগলাৰ দৰে হৈছে। এটা চিন্তাই তাক অভিভূত কৰিছে। অতীত, বৰ্তমানৰ কোনো কথাই তাৰ মনত নাই। সকলো সপোন যেন লাগিছে দৈনন্দিন জীৱনৰ কামবোৰৰ হাত সাৰিব কাৰণে সি নিজৰ ঘৰ এৰি আহিছে। মস্কো ৰক্ষা অভিযানত যোগ দিবলৈ পিয়াৰে খেতিয়কৰ ছোলা পিন্ধি ৰাস্তাত ৰোস্তভইতক লগ পাওঁতে নাতাচাই কৈছিল, "আপুনি মস্কোতে থাকিব নেকি ? বৰ ভাল কথা !" নাতাচাই থকাটো সমৰ্থন কৰিছিল। নাতাচাৰ কথাটো তাৰ লাগিছে। সঁচাকৈয়ে ভাল কথা। সিহঁতে মস্কো ললেও তাৰ থকাটো আৰু নিয়তিৰ নিৰ্দেশ মানি তাৰ কৰ্তব্য কৰাটো গৌৰৱৰ কথা হব।

পিচদিনাখন খেতিয়কসকলৰ লগত পিয়াৰ তিনি পাহাৰলৈ গ'ল। কিন্তু মস্কো ৰক্ষা কৰিব পৰা না যাব বুলি তাৰ বিশ্বাস হ'ল। সি যিটো অসম্ভৱ বুলি ভাৰিছিল, এতিয়া হঠাতে সেইটো অনিবাৰ্য্য বুলি ভাৰিলে। সি তাৰ নাম গোপন কৰি মস্কোতে থাকিব। নেপোলিয়নক হত্যা কৰিব। হয় নিজে মৰিব, নহয়, ইউৰোপৰ দুখ-দুৰ্গতিৰ অন্ত পেলাব। পিয়াৰৰ মতে অকল নেপোলিয়নেই ইউৰোপৰ দুখ-দুৰ্গতিৰ কাৰণে।

১৮০৯ চনত ভিয়েনাত এজন জাৰ্মান ছাত্ৰই কেনেকৈ নেপোলিয়নৰ প্ৰাণ নাশ কৰিব খুজিছিল, পিয়াৰে বিতংকৈ জানে। আৰু সেই ছাত্ৰজনক গুলি কৰি মৰা হৈছিল, তাকো পিয়াৰে জানে। তাৰ অভিসন্ধি কাৰ্য্যত পৰিণত কৰোঁতে নিজৰ জীৱন বিপদাপন্ন হব বুলি ভাৰি সি আৰু বেছি উত্তেজিত হ'ল।

দুটা কাৰণত পিয়াৰে এই অভিসন্ধি কৰিলে। প্ৰথমতে জনসাধাৰণৰ দুখ-দুৰ্গতিৰ কাৰণে স্বাৰ্থত্যাগ আৰু দুখ ভুঞ্জিবলৈ আগ্ৰহ। এই আকাংক্ষাই পঁচিশ তাৰিখে তাক মস্কোলৈ যুদ্ধৰ মাজলৈ নিছিল। আৰু এতিয়া সকলো সুখ-বিলাস এৰি থৈ ঘৰৰ পৰা পলাই আহিছে। দ্বিতীয়তে সকলো গতানুগতিক কৃত্ৰিমতালৈ ঘৃণা। খাই-বৈ থকাটোৱে জীৱনৰ লক্ষ্য নহয়। বিপদ সাগৰত নিজকে উটাই দিয়ে সি সুখী।

মানসিক অৱস্থাৰ লগে লগে পিয়াৰৰ শাৰীৰিক অৱস্থাৰো পৰিবৰ্তন ঘটিছে। তাৰ আগৰ থোৰা-বোৰা, মদ, চিগাৰেট নাই! এতিয়া সি অনভ্যস্ত সাধাৰণ বস্তু খাইছে, ভোদকা খাইছে। কাপোৰ-কানি লেতেৰা। শুদা চোফাতে শুইছে। দুই ৰাতি প্ৰায় টোপনি নাই। এইবোৰৰ কাৰণে তাৰ স্বাস্থ্য ভগ্ন হৈছে। সি পগলাৰ নিচিনা হৈছে।

আবেলি দুই বাজিছে। ফৰাচীবিলাক মস্কোত সোমাইছে। পিয়াৰে তাৰ অভিসন্ধিৰ কথা ভাবিছে। নেপোলিয়নক আঘাত কৰা বা নেপোলিয়নৰ মৃত্যুৰ কথাতকৈও নিজৰ মৃত্যুৰ কথা, সহিষ্ণুতাৰ কথা ভাবি করুণ আনন্দ লাভ কৰিছে।

সি ভাবিলে, "সকলোৰে ভালৰ কাৰণে এই কামটো মই নিশ্চয় কৰিম। নহলে মই নিজে মৰিম। মই লগ ধৰিম আৰু হঠাতে পিস্তল নাইবা ছুৰীৰে শেহ কৰিম। ই কোনো কথা নহয়। মই কম—'মই তোমাক মৰা নাই, ভগৱানে তোমাক শাস্তি দিছে।' (নেপোলিয়নক মাৰোঁতে পিয়াৰে কি কব ভাবিলে)। বেজাৰ মনেৰে মুৰ দোঁৱাই পিয়াৰে দৃঢ়ভাৱে কব, "মোক ধৰি নিয়া। মোক ফাঁচী দিয়া।"

## ষষ্ঠ অধ্যায়

বেলেগ বেলেগ ৰাস্তাৰ পৰা, বেলেগ বেলেগ ধৰণে নাগৰিকসকল মস্কোৰ পৰা পলাইছে। চেপ্টেম্বৰৰ দুই তাৰিখে মস্কোত প্ৰথম যি অগ্নিকাণ্ড হ'ল, পিছ হহকি যোৱা সৈনিকবোৰে তাক দূৰৈৰ পৰা দেখিলে।

ৰোস্তভইভৰ দলটো মস্কোৰ পৰা তেৰ মাইল দূৰৈত সেইদিনাখন ৰাতিটো থাকিল। চেপ্টেম্বৰৰ এক তাৰিখে সিঁহত বৰ পলমকৈ ৰাওনা হৈছে। বাটত গাড়ী আৰু সৈনিকবোৰে ৰাস্তা বন্ধ কৰিছিল। বহুতো বস্তু এৰি থৈ গৈছিল। সেইবোৰ আনিবলৈ লগুৱা পঠালে। এইবোৰ কাৰণে প্ৰথম দিনাখন সিঁহত মস্কোৰ পৰা তিনি মাইল দূৰৈত ৰাতি থাকিল। পিছদিনাখন সিঁহতৰ উঠাত দেৰী হ'ল। আৰু অইন অইন কাৰণেও ৰাওনা হোৱাত পলম হ'ল। দহ বজাত ৰোস্তভ পৰিয়াল আৰু তেওঁলোকৰ লগত যোৱা আহত সৈনিকবোৰে ৰাতিটোৰ কাৰণে এখন ডাঙৰ গাঁৱৰ চোতাল আৰু পঁজা পালে। চাকৰ-নাকৰ, গাৰোৱান, আহত কৰ্মচাৰীসকলৰ চাপৰাচীবোৰে গিৰিহঁতক সা-সুবিধা কৰি দি, খাই-বৈ, ঘোঁৰাক খুৱাই ঘৰৰ বাৰাণ্ডালৈ আহিল।

ওচৰৰ পঁজাটোত ৰেভস্কিৰ সহচৰজন আছিল। তাৰ এখন হাত ভাঙিছে। সি গোটেই ৰাতিটো চিঞৰি আছে। তাৰ চিঞৰত আগদিনাখন ৰাতি কাউণ্টেছ শুব পৰা নাই। সেই কাৰণে অলপ কষ্ট কৰিও আজি তেওঁ আঁতৰৰ পঁজা এটাত শুইছে। ৰাতি এজন লগুৱাই দূৰৈত জুই দেখিলে। "আকৌ সৌফালে জুই।" সকলোৱে সেইফালে চালে। "মস্কোত জুই লাগিছে।" দুজন লগুৱাই গাড়ীৰ ওপৰত উঠি চালে। আনবোৰো বাহিৰলৈ ওলাই গ'ল। এজনে বেজাৰ কৰি ক'লে, "ভাইহঁত, মস্কোত জুই লাগিছে।"

সকলো নিমাত হ'ল; দূৰৈৰ জুইকুৰালৈ চাই থাকিল। এজনে বুঢ়া লগুৱা মিছখাক মাতিলে, "কি চাইছা? কাউণ্টে তোমাক বিচাৰিব পাৰে। কোনো নাই। যোৱা কাপোৰ-কানিবোৰ ঠিক কৰা।"

মিছখাই ক'লে, "মই পানী খাবলৈহে আহিছো।"

এজন লগুৱাই বুঢ়াজনক ক'লে, "সেইয়া জুই মস্কোতে নহয় নে? কি কোৱা?" বুঢ়াজনে একোকে নামাতিলে। লাহে লাহে জুই বিয়পি পৰিল। বহু দূৰলৈকে পোহৰ হ'ল।

"হে ভগবান, জুই বিয়পিছে। ভগবান, আমাক পাপীবোৰক দয়া কৰক!"

"ভয় নাই, সিহঁতে নুমাব।"

বুঢ়া লগুৱাটোৱে গহীনাই মাত লগালে, "কোনে নুমাব? শুকুলা নগৰী, আমাৰ আই, মস্কোত জুই লাগিছে।" বুঢ়াই ফেকুৰিবলৈ ধৰিলে। সকলোৱে হা-হুমুনিয়াহ কাঢ়ি ভগবানৰ নাম ললে।

বুঢ়া লগুৱাজন গৈ কাউণ্টক খবৰ দিলে যে মস্কোত জুই লাগিছে। কাউণ্ট বাহিৰলৈ ওলাই আহিল। লগতে চোনিয়াও আহিল। কাউণ্টেছ আৰু নাতাচা ভিতৰত থাকিল। পিটিয়া পৰিয়ালৰ লগত নাই। সি তাৰ সেনাদলটো লৈ ট্ৰয়েটচালৈ আগবাঢ়ি গৈছে।

মস্কোত জুই লগা বুলি শুনি কাউণ্টেছে কান্দিবলৈ ধৰিলে। নাতাচা যীশু খ্ৰীস্টৰ এখন ছবিৰ তলত বেঞ্চি এখনত বহি আছে। তাই বাপেকৰ কথালৈ মন কৰা নাই। তাই আহত সৈনিকজনৰ কেঁকনি কাণ পাতি শুনিছে।

চোতালৰ পৰা জাৰতে কঁপি কঁপি আহি চোনিয়াই কান্দি কান্দি ক'লে, "কি সাংঘাতিক। বোধকৰো গোটেইখন মস্কো পুৰি ছাই হ'ল। কি ভয়ঙ্কৰ জুই। নাতাচা, চোৱা—এইখন খিড়িকীৰে দেখা পাবা।"

নাতাচাই কিন্তু চোনিয়াৰ ফালে হে চালে। তাই যেন একো বুজি পোৱা নাই। আজি বাতিপুৱাৰে পৰা নাতাচা এনে উদাসীন হৈছে। কিবা কাৰণে কোৱা উচিত বুলি ভাবি আজি বাতিপুৱা চোনিয়াই প্ৰিন্স্ এণ্ড্ৰু আহত হোৱাৰ কথা আৰু তেওঁ সিহঁতৰ লগতে থকা বুলি নাতাচাক কৈছিল। আৰু তাৰ কাৰণে তাই মাকৰ গালি-শপনিও খাইছিল। চোনিয়াই মাকক ক্ষমা খুজিছিল। আৰু তেতিয়াৰ পৰা চোনিয়াই নাতাচাৰ লগতে লাগি আছে। যেন পাপৰ প্ৰায়শ্চিত্ত হবৰ কাৰণে।

চোনিয়াই ক'লে, "নাতাচা, চোৱা, কেনেকৈ জুয়ে পুৰি পেলাইছে।"

নাতাচাই সুধিলে, "কি পুৰিছে? ওঁ মস্কো।"

চোনিয়াই বেয়া পাব বুলি নাতাচাই খিড়িকীৰ পিনে মুখ কৰিলে। কিন্তু তাই একো নেদেখিলে। আকৌ আগৰ দৰে বহি থাকিল।

"কিন্তু তুমি নেদেখিলা।"

"দেখিছোঁ।"

কাউণ্টেছ আৰু চোনিয়াই সহজে বুজি পালে যে মস্কোত জুই লগা বা আন কোনো কথাই তাইৰ মনত নধৰে।

কাউণ্ট আহি আকৌ শুই থাকিল। কাউণ্টেছে ওচৰলৈ আহি নাতাচাৰ মূৰত হাত দিলে। তাইক চুমা খালে। "তোমাৰ দেখোন গাটো চেঁচা, কঁপিছা, শুই থাকাগৈ।"

"শুব লাগে? বাৰু এতিয়াই শুম্।"

প্রিন্স্ এণ্ড্রু ভয়ানকভাৱে জখম হোৱা আৰু সিহঁতৰ লগতে অহা বুলি শুনি নাতাচাই মনতে বহুতো প্রশ্ন কৰিলে—"তেওঁনো কলৈ, কেনেকৈ যায়? সঁচাকৈয়ে তেওঁ বেয়াকৈ আহত হৈছে নেকি? তাই কেনেবাকৈ তেওঁ চাব নোৱাৰে নে?"

তাইক কোৱা হৈছিল যে তাই তেওঁক দেখা কৰিব নোৱাৰে। জখম বেছি হলেও, জীৱনৰ আশঙ্কা নাই। কিন্তু এই কথাবোৰ তাই বিশ্বাস কৰা নাই। তাই বুজি পালে যে তাই যিমানেই প্রশ্ন নকৰক কিয় সিহঁতে একে উত্তৰ দিব। তাই কোনো কথা নোসোধা হ'ল। কথা নোকোৱা হ'ল। ওৱে বাটটো নাতাচা গাড়ীৰ এচুকত লৰচৰ নকৰাকৈ বহি আহিছে। এতিয়াও পঞ্জাৰ ভিতৰত একেদৰে বেঙ্কিত বহি আছে। কাউণ্টেছে অনুমান কৰিলে যে তাই কিবা পাঙিছে। হয়তো কিবা মতলব কৰিছে। কিন্তু কি কৰিব খুজিছে তেওঁ বুজিব নোৱাৰিলে। তাইৰ কাৰণে মাকৰ দুশ্চিন্তা হ'ল।

"নাতাচা, কাপোৰ সলাই মোৰ বিছনাত শুই থাকাগৈ।" কাৰণ অকল কাউণ্টেছৰ কাৰণেহে খাটত বিছনা কৰি দিয়া হৈছে। বাকীবোৰ মাটিত শুইছে।

নাতাচাই বিৰক্তিৰে ক'লে, "নালাগে মা, মই ইয়াত মাটিতে শুম।" নাতাচা উঠি গৈ খিড়িকীখন খুলিলে। তাৰ পৰা আহত সৈনিকজনৰ বিননি ভালদৰে শুনি নাতাচা খিড়িকীৰে মূৰটো বাহিৰলৈ উলিয়াই দিলে। কাউণ্টেছে দেখিলে নাতাচাই কেঁকুৰিছে। নাতাচাই জানিছিল যে এইটো প্রিন্স্ এণ্ড্রুৰ বিননি নহয়। তেওঁ ওচৰৰে এটা পঞ্জাত থকা বুলি নাতাচাই জানে। কিন্তু এই অবিৰাম কৰুণ বিননি শুনি তাইৰ কান্দোন আহিল। কাউণ্টেছ আৰু চোনিয়া দুয়ো চকুলৈ চোৱা-চুই কৰিলে।

কাউণ্টেছে মৰমেৰে নাতাচাৰ কানত হাত দি ক'লে, "আইকণ, সোণ, শোৱাগৈ, আহা।"

"যাওঁ, শোওঁ।" নাতাচাই লৰালৰিকৈ কাপোৰ সলাই, মাটিৰ বিছনাত বহিল গৈ। চুলিকোছা বান্ধি লৈ তাই দুৱাৰৰ ওচৰত মাটিত খেৰৰ বিছনাত শুই পৰিল।

চোনিয়াই ক'লে, "নাতাচা, তুমি মাজত শোৱা।"

নাতাচাই বিৰক্ত হৈ "নালাগে, তুমি শোৱা", বুলি কৈ গাকত মুখখন গুজি থলে।

কাউণ্টেছ, চোনিয়া, ধৰলিগিৰী সকলোৱে কাপোৰ-কানি সলাই শুই পৰিল। কোঠালীটোৰ ভিতৰত অকল যীশু খ্রীস্টৰ ছবিখনৰ আগতহে এটা চাকি জ্বলি থাকিল। কিন্তু বাহিৰত এমাইল জুৰি জুইৰ পোহৰ। ৰাস্তাৰ সিপাৰে হোটেলত খেতিয়কবোৰে চিঞৰ-বাখৰ কৰি আছে আৰু আহত সৈনিকজনৰ বিননি অবিৰাম শুনা গৈছে।

বহুপৰলৈকে নাতাচাই এই শব্দবোৰ শুনিলে। কিন্তু তাই অকণো লৰচৰ কৰা নাই। তাই মাকৰ উপাসনা, হুমুনিয়াহ, বিছনাৰ কেৰকেৰণিৰ শব্দ শুনিলে। ধৰলিগিৰীৰ নাকৰ ঘৰঘৰণি শুনিলে। চোনিয়াৰ নিশ্বাসৰ শব্দ শুনিলে। কাউণ্টেছে নাতাচাক মাতিলে কিন্তু নাতাচাই নামাতিলে।

চোনিয়াই ক'লে, "তাইৰ বোধকৰোঁ টোপনি আহিছে, মা।"

অলপ পাছত কাউণ্টেছে আকৌ কিবা ক'লে, কিন্তু ইবেলি কাৰো সাৰি-শব্দ নাপালে।

অলপ পাছতে নাতাচাই মাকৰ নিশ্বাসৰ শব্দ শুনিলে। এটা উঁইছিৰিডাই ঝি ঝি শব্দ কৰিছে। এটা কুকুৰাই ওচৰত আৰু আন এটাই দূৰৈত কক্ কক কৰিছে। হোটেলত এতিয়া চিঞৰ-বাখৰ নাই। কিন্তু আহত সৈনিকজনে একেদৰে বিনাই আছে। নাতাচা উঠি বহিল।

নাতাচাই লাহেকৈ মাতিলে, "চোনিয়া, টোপনি আহিল নেকি? মা?" কোনেও নামাতিলে। লাহেকৈ সাৱধানে থিয় হৈ নাতাচাই শুদা ভৰিৰে চেঁচা মজিয়াত খোজ দিলে। মেকুৰী পোৱালিৰ নিচিনাকৈ লৰি গৈ দুৱাৰত হাত দিলে। তাইৰ বুকুখন ধপ্ ধপ্ কৰিবলৈ ধৰিলে। দুৱাৰখন মেলি বাহিৰলৈ ওলাই গ'ল। বাহিৰৰ চেঁচা বতাহে তাইৰ গা জুৰ পেলালে। বাহিৰত শুই থকা এজন মানুহৰ গাত তাইৰ ভৰি লাগিল। তাই তাক চেৰাই গ'ল। পিছত গৈ প্রিন্স্ এণ্ডু থকা পঁজাটোৰ দুৱাৰখন মেলিলে।

পঁজাটোৰ ভিতৰখন এন্ধাৰ। এটা চুকত এখন বেঞ্চিৰ ওপৰত এটা চাকি ঢিমিক-ঢামাককৈ জ্বলি আছে।

ৰাতিপুৱা প্রিন্স্ এণ্ডুৰ অসুখৰ কথা আৰু তেওঁ ইয়াতে থকাৰ কথা শুনাৰে পৰা নাতাচাই তেওঁক দেখা কৰিবলৈ সংকল্প কৰিছিল। কিয় দেখা কৰিব

লাগে তাই কব নোৱাৰে। তাই জানে যে এই সাক্ষাতত তাই মনত বেজাৰ পাব। সেই কাৰণেই তাই দেখা কৰিব খুজিছিল।

বাতি তেওঁক দেখা কৰিব বুলি ক'লেটেই দিনটো নাতাচাই আশা পালি আছিল। কিন্তু সময়ৰ মূৰত তাইৰ বুকুখন কঁপি উঠিল। তাই কি দেখিব— কি বীভৎস দৃশ্য!—তাই জানো সহ্য কৰিব পাৰিব? তেওঁ নিশ্চয় সেই আহত সৈনিকজনৰ দৰে বিনাই আছে। তাই মনতে এটা হিয়াভঙা করুণ দৃশ্য কল্পনা কৰিলে। কাপোৰ দ'ম হৈ থকা চুকৰ বিছনাখন দেখি তাই ভয়তে থমকি ৰ'ল। কিন্তু কিবা এটা অদম্য শক্তিয়ে তাইক আগবঢ়াই নিলে। লাহে লাহে তাই পঞ্জাটোৰ মাজ পালেগৈ। যীশু খ্ৰীস্টৰ মূৰ্তিৰ তলত এখন বেঞ্চিত আন এজন মানুহ শুই আছে (এইজন টিখোহিন।) আৰু মজিয়াত আৰু দুজন শুইছে (ডাক্তৰ আৰু লগুৱা)।

লগুৱাটো উঠি বহি কিবা ক'লে। ভৰিৰ বিষত টিখোহিনৰ টোপনি অহা নাই। বগা পোছাক আৰু টুপী পিন্ধা ছোৱালীজনীলৈ সি ইতে চালে। লগুৱাটোৱে টোপনিৰ জালত ভয় খাই ক'লে, "কোন? কি লাগে?" নাতাচা লৰালৰিকৈ চুকৰ বিছনাখনৰ ওচৰলৈ গ'ল। যিমানেই ভয়লগা দৃশ্য হ'ক এতিয়া তাই তেওঁক চাবই। চাকিটো হঠাতে জ্বলি উঠিল। তাই প্ৰিন্স্ এণ্ড্ৰুক ভালকৈ দেখা পালে। হাত দুখন লেপৰ ওপৰত আছে। আগতে যেনে দেখিছিল, এতিয়াও সেই এণ্ড্ৰুৱেই।

তেওঁ একেদৰে আছে। এণ্ড্ৰুৱে আগ্ৰহেৰে নাতাচাৰ ফালে চাইছে। তেওঁৰ মুখখন আৰু চকুযুৰি উজ্জ্বল। এতিয়া তেওঁক আৰু বেছি সৰল, সৰু লৰাৰ নিচিনা দেখি। তাই ওচৰলৈ লৰি গৈ আঁঠু ললে। এণ্ড্ৰুৱে হাঁহিলে। তাইলৈ হাতখন আগবঢ়াই দিলে।

বৰোডিনৰ যুদ্ধক্ষেত্ৰৰ পৰা প্ৰিন্স্ এণ্ড্ৰুক চিকিৎসকৰ তত্ত্বাবধানলৈ আনিবৰ সাত দিন হৈছে। এই কেইদিন তেওঁ প্ৰায় অজ্ঞান অৱস্থাতেই আছিল। এণ্ড্ৰুৰ পেটত জ্বৰ হৈছিল। লগত অহা ডাক্তৰৰ মতে তেওঁৰ আৰু বাচিবৰ আশা নাই। কিন্তু সাতদিনৰ দিনা এণ্ড্ৰুৱে হেঁপাহেৰে চাহ আৰু কটি খালে। জ্বৰো কমিল। বাতিপুৱা প্ৰিন্স্ এণ্ড্ৰু সজ্ঞান হৈছিল। মস্কো এৰি অহা প্ৰথম ৰাতিটো গৰম আছিল। সেই ৰাতিটো তেওঁ গাড়ীতে আছিল। পিছ দিনাখন বেমাৰী নিজে গাড়ীৰ পৰা নামি আহিব খুজিলে আৰু চাহ বিচাৰিলে। গাড়ীৰ পৰা পঞ্জাটোলৈ আনোতে প্ৰিন্স্ এণ্ড্ৰুৱে বৰকৈ

চিঞৰিছিল। আকৌ অজ্ঞান হৈছিল। পঞ্জাৰ ভিতৰত বিছনাত শুৱাই থোৱাৰ বহুপৰলৈকে তেওঁ লৰচৰ নকৰাকৈ চকু মুদি আছিল। পাছত চকু মেলি ফুচফুচাই ক'লে, "চাহৰ কি হ'ল ?" সক-সুৰা কথালৈ মন কৰা দেখি ডাক্তৰ আচৰিত হ'ল। কিন্তু ডাক্তৰে নিজ অভিজ্ঞতাৰ পৰা বুজি পালে যে এণ্ড্ৰু বাচিব নোৱাৰে। যদিও এতিয়া নমৰে, অলপ পিছত আৰু বেছি কষ্ট খাই মৰিব। এণ্ড্ৰুৰ লগত তেওঁৰ সেনাদলৰ বিষয়া টিমোহিন আছিল। টিমোহিনেও বৰোডিনৰ একে যুদ্ধতে ভৰিত আঘাত পাইছিল। সি মস্কোত এণ্ড্ৰুৰ লগ লৈছে। ডাক্তৰ, এণ্ড্ৰুৰ লগুৱা, গাৰোৱান আৰু দুজন চাপৰাচীয়ে তেওঁলোকৰ তত্ত্বাৱধান লৈছিল।

প্ৰিন্স এণ্ড্ৰুক চাহ দিয়া হ'ল। পঞ্জাটোৰ সম্মুখৰ দুৱাৰেখনৰ ফালে চাই চাই বৰ হেঁপাহেৰে চাহটুপি খালে।

"আৰু নালাগে। টিমোহিন ইয়াত আছে নে ?"

টিমোহিনে মুৰটো আগবঢ়াই মাত লগালে, "হুজুৰ, মই ইয়াতে আছোঁ।"

"তোমাৰ আঘাতটো কেনে হৈছে ?"

"মোৰ ? ভালেই, হুজুৰ। আপুনি কেনে পাইছে ?"

প্ৰিন্স্ এণ্ড্ৰুৱে আকৌ অলপ ভাবি কলে, "মোক এখন কিতাপ দিব নোৱাৰা নে ?"

"কি কিতাপ ?"

"বাইবেল। মোৰ লগত নাই।"

ডাক্তৰে এখন বাইবেল আনি দিব বুলি সান্ত্বনা দি তেওঁৰ অসুখৰ কথা সুধিলে। এণ্ড্ৰুৱে অনিচ্ছা সত্ত্বেও সকলো প্ৰশ্নৰ যথাযথ উত্তৰ দিলে। তাৰ পাছত ক'লে, "পেটৰ তলত এটা গাৰু দিলে ভাল লাগিল হয়।"

ডাক্তাৰ এণ্ড্ৰুৰ গাৰ পৰা সামৰিক পোছাকটো সোলোকাই আনি পেটৰ তলত এটা গাৰু দিলে। এই সুযোগতে ঘাঁডোখৰ চাবৰ কাৰণে ডাক্তৰে বান্ধটো খোলোতেই পচা দুৰ্গন্ধ ওলাল। অৱস্থা মুঠেই ভাল নহয়। এইখিনি লৰচৰ কৰোতেই ৰোগী আকৌ অজ্ঞান হ'ল। ডাক্তৰে হাত ধুবলৈ বাহিৰলৈ গ'ল।

অলপ পিছতে সজ্ঞান হৈ এণ্ড্ৰুৱে আকৌ কিতাপৰ খিচাব কৰিলে। "কিতাপ পঢ়িলে একো অনিষ্ট নকৰে। অন্ততঃ এক মিনিটৰ কাৰণে দিয়ক।"

এনে অসহ্য যন্ত্ৰণা সহ্য কৰিও যে এণ্ড্ৰু জীয়াই আছে ডাক্তৰ আচৰিত হ'ল।

মস্কো এৰি অহাৰ দ্বিতীয় দিনাখন পোন প্ৰথমে এণ্ড্ৰুৱে বুজি পালে তেওঁৰ কি হৈছে, ক'ত আছে। গাড়ী খুলত তেওঁ পঞ্জাৱলৈ যাব বিচাৰিলে। বিযেত আকৌ অজ্ঞান হ'ল। পঞ্জাৰ ভিতৰত চাহ খাওঁতে আকৌ ভালদৰে সজ্ঞান হয়। সেই সময়ত আগৰ কথাবোৰ তেওঁৰ মনত পৰিল। বিশেষকৈ হাস্পটালত তেওঁ ভাল নোপোৱা এজন মানুহৰ কষ্টৰ দৃশ্যটো মনত পৰাত তেওঁৰ ভাল লাগিল। তেওঁ মনত নতুন আনন্দ পালে। আৰু ভাবিলে যে এই আনন্দৰ বাইবেলৰ লগত সম্বন্ধ আছে। সেই কাৰণে তেওঁ বাইবেল বিচাৰিছিল। কিন্তু ডাক্তৰে ঘাঁডোখৰ হোৱাৰ পাছত তেওঁ বিযত অস্থিৰ হয়। ৰাতি নিজান হোৱাত তেওঁ তৃতীয়বাৰ জ্ঞান লাভ কৰে। সকলোৰে টোপনি আহিছে। বাহিৰত এটা উঁইচিৰিঙাই ঝি ঝি কৰিছে। ৰাস্তাত কোনোবাই চিঞৰিছে আৰু গীত গাইছে। পইতাচৰাইবোৰ মেজ, যীশু খ্ৰীস্টৰ মূৰ্তি আৰু বেৰত লৰি ফুৰিছে। এটা ডাঙৰ মাখি তেওঁৰ আৰু চাকিটোৰ ওচৰত উৰি ফুৰিছে।

প্ৰিন্স্ এণ্ড্ৰুৰ আত্মাটো স্বাভাবিক অৱস্থাত নাছিল। স্বাস্থ্যবান মানুহে বহুতো কথা একেলগে ভাবে, অনুভৱ কৰে, মনত কৰে কিন্তু তাৰ ভিতৰত কোনো এটা বিষয় বাচি লৈ সেই বিষয়ে সকলো মনোযোগ দিবলৈ তাৰ সামৰ্থ্য থাকে। স্বাস্থ্যবান মানুহে গভীৰ চিন্তাৰ মাজতো কোনোবা আহিলে তেওঁলোকৰ লগত ভদ্ৰভাৱে দুই চাৰিটা কথা পাতি আকৌ সেই চিন্তাত নিমগ্ন হব পাৰে। কিন্তু বহুতো বেলেগ বেলেগ ভাৱ একেলগে এণ্ড্ৰুৰ মনলৈ আহিছিল। সেইবোৰ কথা ভাবিছিল। সুস্থ অৱস্থাত মানুহে তেনেকৈ ভাবিব নোৱাৰে। এটা কথা ভাবি থাকোঁতে হঠাতে আন এটা অসম্ভৱ কথা মনলৈ আহে। মনতে স্বৰ্গৰাজ্য সাজি আনন্দ অনুভৱ কৰে। একো-বাৰ চাকিটোৰ ফালে চায়। পইতাচৰাইবোৰ লৰি ফুৰা শব্দ কাণলৈ আহে। মাখিটোৱে ভন্ ভন্ কৰি তেওঁৰ গালত, মুখত পৰে। দুৱাৰৰ ওচৰত এটা বগা বস্ত দেখি ভাবে, "বোধকৰোঁ মোৰ কামিজটো মেজৰ ওপৰত আছে। মনটো আকৌ স্বৰ্গৰাজ্যলৈ যায়। প্ৰেম! প্ৰেম কিন্তু স্বাৰ্থৰ কাৰণে নহয়। মই মোৰ শত্ৰুক মৰাৰ সময়ত দেখিছিলোঁ। তথাপি তাক ভাল পাইছিলোঁ। —সেই প্ৰেম! সেই প্ৰেমৰ আনন্দ মই এতিয়াও অনুভৱ কৰিছোঁ। ওচৰ-

চুবুৰীয়াক, শত্ৰুক, ভগৱানৰ সকলো বস্তুকে ভাল পাবা। শত্ৰুক অকল ঐশ্বৰিক প্ৰেমৰ দ্বাৰাই হে ভাল পাব পাৰি। সেই কাৰণে সেই মানুহজনক ভাল পাই মই ইমান আনন্দ পাইছিলোঁ। তাৰ কি হৈছিল? সি এতিয়াও জীয়াই আছে নেকি? মানবীয় ভালপোৱা ঘৃণাত পৰিণত হব পাৰে কিন্তু ঐশ্বৰিক প্ৰেমৰ মৃত্যুৰেও পৰিবৰ্তন ঘটাব নোৱাৰে। মই জীৱনত কিমান মানুহক ঘিণ কৰিছোঁ। কিন্তু তাইৰ নিচিনাকৈ কাকো ভাল পোৱা নাই, ঘিণ কৰাও নাই।" হঠাতে নাতাচাৰ ছবিটো তেওঁৰ মনলৈ আহিল। তাইৰ আত্মাটো দেখিলে। তাইৰ মনৰ ভাব, তাইৰ দুখ, লাজ, অনুতাপ সকলো বুজি পালে। তাইক এৰি গৈ নিৰ্দয়তাৰ কাম কৰিছিল বুলি অনুভৱ কৰিলে। "তাইক যদি আকৌ এবাৰ লগ পালোঁহেঁতেন—সেই চকুযুৰিলৈ চাই কৰলৈ···।"

মাখিটোৰ ভন্ ভন্ শব্দ আকৌ কাণত পৰিল। কিহবাৰ এটা শব্দ হ'ল। চেঁচা বতাহ মুখত লাগিল। এণ্ড্ৰে চাকিটোলৈ চালে। দুৱাৰৰ ওচৰত এটা বগা ছায়ামূৰ্ত্তি থিয় হৈ থকা দেখিলে। মূৰ্ত্তিটোৰ মুখখন বগা, চকুযুৰি উজ্জ্বল। এইমাত্ৰ ভাবি থকা নাতাচাৰ বাস্তৱ মূৰ্ত্তি।

কল্পনাৰ এই মুখখন পাহৰিবলৈ এণ্ড্ৰে ভাবিলে, "মই ইমান প্ৰলাপ বকিছোঁ।" কিন্তু বাস্তৱ মুখখন আগবাঢ়ি আহি তেওঁৰ আগত থিয় হ'ল। প্ৰিন্স্ এণ্ড্ৰে জ্ঞান লভিবলৈ চেষ্টা কৰিলে, অলপ লৰচৰ কৰিলে। কিন্তু পানীত বুৰা মানুহৰ নিচিনা তেওঁ অজ্ঞান হ'ল।

সজ্ঞান হৈ দেখিলে নাতাচা, জীৱন্ত নাতাচা যাক এতিয়া তেওঁ নতুন, পবিত্ৰ স্বৰ্গীয় প্ৰেমেৰে ভাল পাব বিচাৰিছে। সেই নাতাচা তেওঁৰ আগত আঁঠুলৈ আছে। এই জীৱন্ত, বাস্তৱ নাতাচাক চিনি পাই তেওঁ আচৰিত নহ'ল। দেখি ৰং পালে। নাতাচাই আঁঠু লৈ ভয় ভয়কৈ তেওঁৰ ফালে চাই আছে।

প্ৰিন্স্ এণ্ড্ৰে স্বস্তিৰ নিশ্বাস পেলাই, মিচিকি হাঁহি হাতখন আগবঢ়াই দি ক'লে, "তুমি? কি আনন্দ!"

আৰু ওচৰ চাপি আহি নাতাচাই আগ্ৰহেৰে এণ্ড্ৰ হাতখন লৈ চুমা খালে। এণ্ড্ৰ ফালে চাই নাতাচাই ফুচফুচাই ক'লে, "মোক ক্ষমা কৰক! মোক ক্ষমা কৰক!"

"তোমাক ভাল পাওঁ মই।"

"মোক ক্ষমা কৰিবনে?"

"ক্ষমা, কিহৰ ক্ষমা?"

এণ্ড্ৰুৰ হাতখনত বাৰে বাৰে চুমা খাই, ক্ষীণ মাতেৰে অস্পষ্টভাৱে নাতাচাই ক'লে, "মই যে অপৰাধ কৰিছোঁ,—তাৰ কাৰণে মোক ক্ষমা কৰক।"

প্ৰিন্স্ এণ্ড্ৰুৱে নাতাচাৰ মুখখন দাঙি ধৰি, তাইৰ চকুলৈ চাই ক'লে, "মই তোমাক এতিয়া আগতকৈ বেছি ভাল পাওঁ।" আনন্দৰ চকুলোৰে নাতাচাই এণ্ড্ৰুলৈ চাইছে। দুশ্চিন্তাৰ কাৰণে নাতাচাৰ মুখখন শুকাই-খীণাই গৈছে, শেঁতা পৰিছে, কুৎসিত হৈছে, ভয় লগা হৈছে। প্ৰিন্স্ এণ্ড্ৰুৱে কিন্তু তাইৰ মুখলৈ চোৱা নাই। তেওঁ তাইৰ ধুনীয়া, উজ্জ্বল চকুযুৰিলৈ চাইছে। এনেতে পিছফালে কোনোবাই কথাপতা তেওঁলোকৰ কাণত পৰিল।

ভালকৈ সাৰ পাই লগুৱাটো ডাক্তৰৰ ওচৰলৈ গ'ল। ভৰিৰ বিষত টিমোহিন গোটেই ৰাতি শুব পৰা নাছিল। সি সকলো দেখি আছে। এতিয়া গাতলোৱা কাপোৰখন গাত মেৰিয়াই লৈ বেঞ্চিত উঠি বহিল।

ডাক্তৰে সাৰ পাই উঠি ক'লে, "এইবোৰ কি? আইদেউ, অনুগ্ৰহ কৰি ইয়াৰ পৰা যাওক।"

সেই সময়তে কোনোবাই দুৱাৰত শব্দ কৰিলে। কাউণ্টেছে জীয়েৰক বিচাৰি এজনী লিগিৰী পঠাইছে। নাতাচাই তন্দ্ৰাৰ জালত কোঠাটোৰ পৰা ওলাই গৈ নিজৰ পঁজাটোৰ ভিতৰত বিছনাত পৰি ফেঁকুৰিবলৈ ধৰিলে।

সিদিনাখনৰ পৰা ৰোস্তভইঁতৰ ভ্ৰমণৰ সকলো জিৰণি লোৱা ঠাইতে নাতাচাই বলকনস্কিৰ কাষ এৰা নাই। ডাক্তৰে স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল যে এনে এজনী সৰু ছোৱালীৰ পৰা ইমান সহিষ্ণুতা আৰু আহত মানুহক ইমান শুশ্ৰূষা কৰিব পাৰে বুলি তেওঁ কেতিয়াও আশা কৰা নাছিল।

ডাক্তৰে কোৱা মতে কাউণ্টেছে ভয় কৰিছিল হয়তো জীয়েকে ওচৰত বহি থাকোঁতেই বাটতে প্ৰিন্স্ এণ্ড্ৰুৰ মৃত্যু হব পাৰে। তথাপি তেওঁ জীয়েকক হকাবধা দি ৰাখিব পৰা নাই। বৰঞ্চ সিহঁতে আকৌ পৰস্পৰে পৰস্পৰক ভাল পোৱা দেখি—প্ৰিন্স্ এণ্ড্ৰু ভাল হলে সিহঁতৰ আগৰ বিয়াৰ প্ৰস্তাৱটো আকৌ হব পাৰে। কিন্তু এই বিষয়ে কোনেও একো কোৱা নাই। নাতাচা আৰু এণ্ড্ৰুৱেতো কোৱাই নাই। অকল প্ৰিন্স্ এণ্ড্ৰুৰ নহয় গোটেই ৰুছিয়াৰ জীৱন-মৰণ প্ৰশ্নই আন সকলো কথাকে তল পেলাই থৈছে। অইন কথা ভাবিবৰ সময় নাই।

# সপ্তম অধ্যায়

তিনি চেপ্টেম্বৰৰ দিনাখন পিয়াৰে দেৰীকৈ সাৰ পালে। তাৰ গাটো ভাল লগা নাই। মূৰ কামুৰিছে। ঘড়ী চাই দেখিলে এঘাৰ বাজিছে। থিয় হৈ, চকু মোহাৰি পিয়াৰে পিস্তলটো চালে। তাৰ মনলৈ আহিল—সি ক'ত আছে। তাৰ ভাগ্যত আজি কি আছে! ভাবিলে, "মোৰ এনেয়ে পলম হোৱা নাই জানো? নহয়, বোধকৰো বাবৰজাৰ আগতে সি মস্কোত নোসোমায়।" তাৰ কি হব পাৰে তালৈ নাভাবি, সি লৰালৰি লগালে। কাপোৰ-কানিবোৰ ভালকৈ সামৰি, পিস্তলটো লৈ যাব ওলাইছে। কিন্তু হঠাতে তাৰ চেতনা হ'ল। পিস্তলটো সি কেনেকৈ হাতত লৈ যায়। এই ডাঙৰ পিস্তলটো সি কোটৰ তলতো লুকাই নিব নোৱাৰে, কাযলতিৰ তলতো নোৱাৰে। মানুহে দেখা পাবই। সি ভাবিলে, "এখন ডেগাৰ নিলেও হব।" কিন্তু তাৰ অভিসন্ধি কাৰ্য্যত পৰিণত কৰাৰ কথা ভাবোঁতে সি বাৰে বাৰে ভাবিছিল যে ১৮০৯ চনত ছাত্ৰজনে ডাঙৰ ভুল কৰিছিল—সি নেপোলিয়নক ছুৰীৰে বধ কৰিব খুজিছিল। কিন্তু সংকল্প সাধনত কৃতকাৰ্য্যতা লাভ কৰা তাৰ প্ৰধান উদ্দেশ্য নহয়। সি যে তাৰ সংকল্প এৰি দিয়া নাই আৰু তাৰ সমাধানৰ কাৰণে পাৰ্য্যমানে সকলো কৰিছে, এইটো নিজৰ ওচৰত প্ৰতিপন্ন কৰাই তাৰ উদ্দেশ্য। ভোটা ছুৰীখন ওয়েষ্ট-কোটৰ তলত লুকাই লৈ পিয়াৰ ৰাস্তালৈ ওলাল।

কালি গধূলি পিয়াৰে যি জুই দেখিছিল, সেই জুই ৰাতিৰ ভিতৰতে বহুতো বাঢ়িছে। মস্কোৰ কেবা ঠাইতো জুই লাগিছে। দৰোগোমিলত, দলঙৰ ওচৰত, কাঠৰ বজাৰত আৰু মস্কভা নৈৰ নাওবোৰতো জুই লাগিছে।

পিয়াৰে ভাবি লৈছিল যে নিকোলাচৰ গীৰ্জাৰ আগত সি নেপোলিয়নক হত্যা কৰিব। পিয়াৰ ৰাস্তাৰে গৈ আছে। সৰহভাগ ঘৰৰে গে'ট আৰু দুৱাৰ বন্ধ। ৰাস্তা আৰু গলিবোৰত মানুহ নাই। হঠাতে তুই এজন ভয়াতুৰ কচ আৰু ঘৰ বিচাৰি ফুৰা ফৰাচী মানুহক লগ পায়। সিহঁতে আচৰিত হৈ পিয়াৰৰ পিনে চায়। পিয়াৰ ডাঙৰ-দীঘল মানুহ, মুখত বিষাদৰ ছাঁ। পিয়াৰ কেনে ডবকল মানুহ ধৰিব নোৱাৰি কচসকল আচৰিত হয়। সকলো কচে ফৰাচী-বিলাকক ভয় ভৰকৈ কৌতূহলেৰে চায়। কিন্তু পিয়াৰে সিহঁতক ভ্ৰূক্ষেপ নকৰি ওচৰেদি যোৱা দেখি ফৰাচীবিলাক আচৰিত হ'ল।

এঠাইত ওচৰৰ কেবাখনতো জুই লাগিছে। বাস্তাত ধোঁৱা, বতাহ গৰম হৈছে। বাস্তাত বহুতো মানুহ দেখি পিয়াৰে বুজিলে যে তাত কিবা অঘটন ঘটিছে। অলপ আগুৱাই গৈ দেখিলে এখন পথাৰৰ সিমূৰে ডাঙৰ বাগিচা থকা এখন ঘৰত জুই লাগিছে। হঠাতে ওচৰত এজনী মাইকী মানুহৰ কান্দোন শুনি পিয়াৰ থমকি ৰ'ল। হঠাৎ যেন তাৰ সপোন ভাঙিল। সি মূৰ দাঙি চালে।

পিয়াৰে দেখিলে পথাৰৰ শুকান ঘাঁহৰ ওপৰত লেপ, তুলি, গাৰু, কেৰাহী, বাকচ বহুতো বস্তু দ'ম হৈ আছে। এটা ডাঙৰ বাকচৰ ওচৰত থিয় হৈ এজনী শুকান তিৰোতাই বৰকৈ কান্দিছে। তাইৰ ওচৰতে দহ বাৰ বছৰীয়া দুজনী ছোৱালী ভয় খাই থিয় হৈ মাকৰ ফালে চাই আছে। ধাইজনীৰ কোলাত সাত বছৰীয়ামানৰ লৰা এটিয়ে টেটুফালি চিঞৰিছে। এজনী লেতেৰা লিগিৰী শুদা ভৰিৰে, চুলি মেলি এটা বাকচৰ ওপৰত বহি আছে। এজন মতা মানুহে বাকচবোৰ টনাটনি কৰিছে। আৰু বস্তুবোৰৰ ভিতৰৰ পৰা সি কাপোৰ-কানিবোৰ টানি উলিয়াইছে। এইজন তিৰোতাজনীৰ গিৰিয়েক।

পিয়াৰক দেখি তিৰোতাজনীয়ে পিয়াৰৰ ভৰিত দীঘল দি পৰি কান্দি কান্দি ক'লে, "বোপাই, মোক ৰক্ষা কৰা। তুমিয়ে মোৰ ঈশ্বৰ। মোৰ কোলাৰ ছোৱালীজনী পুৰি মৰিল। মোৰ বুকুৰ তেজেৰে তাইক ডাঙৰদীঘল কৰিছিলোঁ। মোক ৰক্ষা কৰা।" গিৰিয়েকে তিৰোতাজনীক সান্ত্বনা দি কৈছে, "অলপ ধৈৰ্য্য ধৰাচোন। ইমান অস্থিৰ হৈছা কিয়? ভনীজনীতো ওচৰতে আছিল। তাই নিশ্চয় কিবা দিহা কৰিছে।"

তিৰোতাজনীয়ে খঙতে চিঞৰি চিঞৰি গিৰিয়েকক বকিবলৈ ধৰিলে, "ৰাক্ষস, নিৰ্দয়। তোমাৰ অন্তৰত দয়া-মায়া নাই। নিজৰ লৰাছোৱালীৰ কাৰণেও দয়া-মমতা নাই। যি কোনো মানুহে তাইক জুইৰ পৰা বচালেহেঁতেন। তুমি ৰাক্ষস, মানুহ নহয়, দেউতাক নহয়।" পিয়াৰৰ ফালে চাই ফেঁকুৰি ফেঁকুৰি ক'লে, "তুমি মহাপুৰুষ। গোটেই চুবুৰিতে জুই লাগিছে। অকল জুই, জুই। আমি বস্তু-বাহানিবোৰ উলিয়াবলৈ চেষ্টা কৰিলোঁ। যি পাৰোঁ তাকে লৈ কোনো মতে প্ৰাণটো বচালোঁ। অকল এইখিনি বস্তুহে উলিয়াব পাৰিলোঁ। সকলো গ'ল। অকল বিছনাখন আৰু যীশু খ্ৰীষ্টৰ মূৰ্ত্তিটোহে আনিব পাৰিলোঁ। সকলো বস্তু নাশ হ'ল। হে ভগৱান! কিন্তু মোৰ ছোৱালীজনী দেখোন নাই। কাটিচকাক হেৰুৱালোঁ। মোৰ কেঁচুৱাটো পুৰি মৰিল।"

পিয়াৰে সুধিলে "তাই ক'ত আছিল?"

পিয়াৰৰ পৰা সহায় পাব বুলি তিৰোতাজনীৰ আশা হ'ল। তাই তাৰ ভৰিত ধৰি ক'লে, "তুমি দয়ালু, মোক শান্তি দিয়া।" পাছত দীঘল দাঁত কেইটা উলিয়াই তাই খঙেৰে লিগিৰীজনীক ক'লে, "এলিচকা, বখিণী, যা, তেওঁক বাটটো দেখুৱাই দে।"

পিয়াৰে ক'লে, "মোক বাটটো দেখুৱাই দিয়া। মই যি পাৰোঁ কৰিম।"

লিগিৰীজনীৰ পিছে পিছে পিয়াৰ গ'ল। পিয়াৰে গভীৰ মূৰ্চ্ছাৰ পাচত প্ৰাণ পোৱা যেন পালে। জীৱনৰ নতুন পোহৰ পাই তাৰ চকুযুৰি জিলিকি উঠিল। সিইঁত এটা ডাঙৰ ৰাস্তালৈ গ'ল। গোটেই ৰাস্তাটোত ক'লা ধোঁৱা। ধোঁৱাৰ মাজত জুইৰ পোহৰ। গোটেইখন চুবুৰীত জুই লাগিছে। জুইৰ সমুখত বহুতো মানুহ গোট খাইছে। ৰাস্তাৰ মাজতে থিয় হৈ এজন ফৰাচী সেনাপতিয়ে ওচৰৰ মানুহবিলাকক কিবা কৈছে। লিগিৰীজনীৰ সৈতে পিয়াৰ সেনাপতিজনৰ ওচৰলৈ যাব খুজিছিল। কিন্তু সৈনিকবোৰে তাক বাধা দি চিঞৰিলে, "যাব নোৱাৰা।"

লিগিৰীজনীয়ে পিয়াৰক ক'লে, "দেউতা, এইফালেদি যাওঁ আহক। চমু হ'ব।"

এই সৰু বাটটোৰে এবাৰ সোঁফালেদি, এবাৰ বাওঁফালেদি কিছুদূৰ যোৱাৰ পাছত তিনিটা ঘৰ এৰি সোঁফালে এখন জপনাৰ ওচৰ পাই লিগিৰীজনীয়ে ক'লে, "এই ইয়াতে।"

পিয়াৰে সুধিলে, 'তোমালোকৰ ঘৰ কোনটো?"

এখন চোতাল পাৰ হৈ গৈ এটি সৰু ঘৰলৈ আঙুলিয়াই লিগিৰীজনীয়ে ক'লে, "এইটোৱে আমাৰ ঘৰ আছিল।" গোটেই ঘৰখনতে জুই লাগিছে। একাষৰ বেৰ পৰি গৈছে। জুইৰ তাপৰ কাৰণে পিয়াৰ অলপ পিচুৱাই আহিল।

লিগিৰীজনীয়ে "কাটিচকা, কাটিচকা" বুলি কান্দিবলৈ ধৰিলে। পিয়াৰ আগবাঢ়ি যাব খোজে কিন্তু অতিপাত তাপৰ কাৰণে যাব নোৱাৰে। অলপ ঘূৰি সি এটা ডাঙৰ ঘৰৰ ওচৰলৈ গ'ল। এই ঘৰটোৰ চালত একাষে জুই লাগিছে। এদল ফৰাচী সেনাই ঘৰটো বেৰি আছে। এই ফৰাচীবিলাকে ঘৰটোৰ পৰা বস্তু টানি উলিয়াইছিল। পিয়াৰে কিন্তু প্ৰথমতে সিইঁত ইয়াত ঘূৰি-পকি থকাৰ কাৰণ বুজি পোৱা নাছিল। এজন ফৰাচীয়ে এখন ভোটা তৰোৱালেৰে এজন খেত্তিয়কৰ পিঠিত কোবাই তাৰ নোমৰ কোটটো কাঢ়ি নিয়া দেখি পিয়াৰে বুজি পালে যে ইয়াত লুটপাত চলিছে। কিন্তু এইবোৰ কথা ভাবিবলৈ তাৰ সময় নাই।

জুইৰ শব্দ, ঘৰৰ বেৰ, দুৱাৰ, খিড়িকী ভাঙি পৰাৰ শব্দ, মানুহৰ কোৰ্হাল; ছাই, ধোঁৱা, ফিৰিঙতি ; জুইৰ তাপ ; সোণালী সাপৰ নিচিনা জুইবোৰ বগাই ফুৰিছে। এইবোৰে যেন পিয়াৰৰ অন্তৰতো জুই জ্বলাই দিলে। এই দৃশ্যই তাক অইন সকলো চিন্তাৰ পৰা মুক্ত কৰিলে। সি গাত, মনত বল পালে; দৃঢ় প্ৰতিজ্ঞ হ'ল। সি যৌৱনৰ আনন্দ অনুভৱ কৰিলে। ডাঙৰ ঘৰটোৰ কাষেদি সি সৰু ঘৰটোৰ ফালে আগবাঢ়িছিল, এনেতে ঘৰৰ ওপৰত কিছুমান মানুহে চিঞৰ-বাখৰ লগালে। লগে লগে ওপৰৰ পৰা কেইটামান গধুৰ বস্তু তাৰ ওপৰত পৰিল।

পিয়াৰে ঘূৰি চাই দেখিলে কিছুমান ফৰাচী সৈনিকে ওপৰৰ পৰা খিড়িকীৰে বাচন-বৰ্তনৰ ডাঙৰ বাকচ এটা পেলাই দিছে আৰু তলত আন কেইজনমান ফৰাচী সৈনিক বাকচটোৰ ওচৰলৈ লৰি গৈছে।

পিয়াৰক দেখি এজন ফৰাচী সৈনিকে চিঞৰিলে, "সেই মানুহটোৱে কি বিচাৰিছে?"

পিয়াৰে ক'লে, "ঘৰৰ ভিতৰত এজনী ছোৱালী আছিল। দেখিছিলা নে?"

আটায়ে চিঞৰিলে, "কি বল কি? ভালে ভালে আঁতৰ হ।"

সোণ-ৰূপৰ বাচন-বৰ্তনবোৰ নিয়ে বুলি এজন সৈনিকে ভয় দেখুৱাই পিয়াৰলৈ চোঁচা মাৰি আহিল।

ওপৰৰ পৰা এজন ফৰাচীয়ে চিঞৰি ক'লে, "ছোৱালী? বাগিছাত মই কাৰোবাক কন্দা শুনিছিলোঁ। সেইজনীয়ে তাৰ ছোৱালী হব পাৰে। বৰ দুখৰ কথা।"

পিয়াৰে সুধিলে "ক'ত কান্দিছিল?"

ওপৰৰ খিড়িকীৰ পৰা ফৰাচী সৈনিকজনে ঘৰটোৰ পিছফালে বাগিছালৈ আঙুলিয়াই চিঞৰি ক'লে, "এইফালে। ৰাক, ৰবা, মই নামি গৈছোঁ।"

ফৰাচী সৈনিকজন সঁচাকৈয়ে এক মিনিটতে খিড়িকীৰ পৰা জাপ মাৰি নামি আহিল। পিছত পিয়াৰৰ পিঠিত থপৰিয়াই তাক লৈ বাগিছাৰ ফালে লৰি গ'ল। ঘৰটোৰ পিছফালে গৈ ফৰাচীজনে পিয়াৰক হাতত ধৰি এডোখৰ ঘূৰণীয়া ঠাই দেখুৱাই দিলে। তাত এখন বেঞ্চিৰ ওপৰত তিনি বছৰমান বয়সৰ এজনী ছোৱালী গোলাপী ৰঙৰ ফ্ৰক এটা পিন্ধি শুই আছে।

ফৰাচীজনে ক'লে, "এইজনী তোমাৰ ছোৱালী। বৰ ধুনীয়া। যি হ'ক ৰক্ষা। বাৰু, এতিয়া আহোঁ। মানুহক দয়া মৰম কৰিব লাগে। আমি

সকলোৰে মৰিম।" পিয়াৰৰ পিঠিত আকৌ থপৰিয়াই লগৰীয়াবোৰৰ ওচৰলৈ ।ত গ'ল।

ছোৱালীজনী মাকৰ নিচিনা। দেখিবলৈ ভাল নহয়। পিয়াৰে বঢ়তে ছোৱালীজনীক কোলাত লবলৈ গ'ল। কিন্তু অচিনাকি মানুহ দেখি ছোৱালী-জনীয়ে ভয়তে চিঞৰি লব দিলে। পিয়াৰে তাইক ধৰি কোলাত ললে। খঙতে ছোৱালীজনীয়ে খুজবাগৰ লগালে আৰু পিয়াৰক কামুৰিলে। এই সৰু জন্তুটোৱে পিয়াৰক আমনি লগালে। কিন্তু পিয়াৰে তাইক কোলাৰ পৰা থোৱা নাই। তাইক ডাঙৰ ঘৰটোৰ ওচৰলৈ লৈ গ'ল। এতিয়া কিন্তু আৰু সেই বাটেৰে যোৱা অসম্ভৱ। সেই লিগিৰীজনীও নাই। উপায় নাপাই চিঞৰি থকা ছোৱালীজনীক ভালকৈ সাৱটি ধৰি বাহিৰ হবলৈ আইন বাট বিচাৰি পিয়াৰ বাগিছাৰ মাজেৰে লব দিলে।

ছোৱালীজনীক লৈ কেৰাখনো চোতাল, সৰু বাট-পদূলি পাৰ হৈ পিয়াৰ ডাঙৰ ৰাস্তাত ওলালহি। কিন্তু ৰাস্তাৰ কোনখিনিৰ পৰা সি ছোৱালীজনীক বিচাৰি গৈছিল ধৰিব নোৱাৰা হ'ল। গোটেই ৰাস্তাটো মানুহ আৰু মাল-বস্তুৰে ভৰ্তি হৈ আছে। নিৰাশ্ৰয় ৰুছ পৰিয়ালবোৰে জুইৰ পৰা ৰক্ষা পৰা মালবস্তুবোৰ ৰখি আছে। ওচৰতে বেলেগ বেলেগ পোছাকৰ বহুতো ফৰাচী সৈনিক ঘূৰিপকি আছে। পিয়াৰে সিহঁতলৈ ভ্ৰূক্ষেপ কৰা নাই। সি পৰিয়ালটো বিচাৰি উলিয়াই মাকক ছোৱালীজনী গটাই দিবলৈ লৰালৰি কৰিছে। তাৰ ইচ্ছা হৈছে সি আকৌ গৈ কাৰোবাক সহায় কৰে। ইয়াত তাৰ বহুতো কাম আছে; বৈ থাকিবৰ সময় নাই। এতিয়া সি গাত আৰু বেছি শক্তি পোৱা যেন পাইছে।

ছোৱালীজনী শান্ত হৈছে। হাত দুখনিৰে পিয়াৰৰ কোটত খামুচি ধৰি কোলাত বহি আছে। মাজে মাজে পিয়াৰে তাইলৈ চাই হাঁহিছে। এই অমখোৱা ছোৱালীজনীৰ সৰলতাত সি মুগ্ধ হৈছে।

পিয়াৰে সেই তিৰোতাজনীক বা তাইৰ গিৰিয়েকক বিচাৰি নাপায়। ভিৰৰ মাজত সোমাই সি মানুহৰ মুখবোৰ চাই ফুৰিছে। এটা আৰ্মানি পৰিয়াল তাত থিয় হৈ আছিল। পৰিয়ালটোত এজন বুঢ়া, এজনী বুঢ়ী আৰু এজনী গাভৰু। গাভৰুজনী বৰ ধুনীয়া। বুঢ়ীজনীৰ পিছফালে এটা বাকচৰ ওপৰত তাই জলমুৱলৈ বহি আছে। নিজৰ যৌৱনৰ বিষয়ে সচেতন বুলিয়ে যোৱকবো তাই ভয় ভয়কৈ বহি আছে। পিয়াৰে গাভৰুজনীৰ ৰূপত ভোল গ'ল। আৰু

ঘূৰি ঘূৰি লৰালৰিকৈ তাইৰ কালে কেৰাবাৰো চালে। ছোৱালীজনীৰ মাক-বাপেকক বিচাৰি নাপাই পিয়াৰে থিয় হৈ চাৰিওফালে চালে।

কছ মতা-তিৰোতাবোৰে পিয়াৰক সুধিবলৈ ধৰিলে, "আপুনি কাৰোবাকে হেৰুৱাইছে নেকি ? আপুনি নিজে ভদ্ৰলোক নেকি ? এইজনী কাৰ ছোৱালী ?"

পিয়াৰে ক'লে যে এইজনী এজনী ক'লা পোছাক পিন্ধা তিৰোতাৰ ছোৱালী। তাই লৰা-ছোৱালীবোৰৰ সৈতে, ইয়াতে বহি আছিল। তাইক কোনোবাই চিনি পায় নেকি আৰু তাই কলৈ গ'ল কোনোবাই কব পাৰে নেকি বুলি সুধিলে।

এজন বুঢ়া পাদুৰীয়ে এজনী খেতিয়কৰ তিৰোতাক ক'লে, "তেন্তে এন্‌-ফেৰভচইভৰ হব। ভগৱানে দয়া কৰক ! হে ভগবান, দয়া কৰক !"

তিৰোতাজনীয়ে ক'লে, "কেলেই ? এন্‌ফেৰভচইভ দেখোন আজি ৰাতিপুৱাতেই গ'ল। মেৰিয়া নিকোলেভনা নাইৰা আইভানোভা হব।"

এজনী লিগিৰীয়ে মাত লগালে, "কেলেই ? এজনী তিৰোতা বুলিহে তেওঁ কৈছে। মেৰিয়া নিকোলেভনা দেখোন ভদ্ৰ মহিলা।"

পিয়াৰে ক'লে, "তোমালোকে তেন্তে তাইক চিনি পোৱা।—ভকান, দাঁতবোৰ দীঘল।"

খেতিয়কৰ তিৰোতাজনীয়ে ক'লে, "নিশ্চয় মেৰিয়া নিকোলেভনাই হব।" ফৰাচী সৈনিকবোৰলৈ দেখুৱাই ক'লে, "এই কুকুৰনেচীয়াবোৰক চোঁচা মাৰি অহা দেখিয়েই সিহঁত বাগিছাত সোমাইছে।"

পাদুৰীজনে আকৌ ক'লে, "হে ভগবান, দয়া কৰক !"

তিৰোতাজনীয়ে আকৌ ক'লে, "সৌ তালৈ যাওঁক। সিহঁত তাত আছে। তায়ে হব নিশ্চয়। তায়ে কান্দি কাটি অস্থিৰ হৈ আছিল। তায়ে হব। এইফালেদি যাওঁক।"

পিয়াৰে কিন্তু তিৰোতাজনীৰ কথালৈ মন কৰা নাই। আৰ্মানী পৰিয়ালটোৰ ওচৰলৈ দুজন ফৰাচী সৈনিকক অহা দেখি পিয়াৰে সেইফালেহে মন দি চাইছে।

সৈনিক দুজনৰ এজন চুটি-চাপৰ, কোটটো নীলা, মূৰত এটা টুপী কিন্তু ভৰিত জোতা নাই। আনজন ওখ, খীণ খকবা যেন লাগে। তাৰো পোছাকটো নীলা, ভৰিত ওখ বুটজোতা। তাৰ ভৰিবে থকা সৈনিকজনে

আৰ্মানী পৰিয়ালটোৰ ওচৰলৈ গৈ কিবা ক'লে। তাৰ পাচত হঠাতে বুঢ়াজনৰ ভৰি দুখনত থাপ মাৰি ধৰিলে। বুঢ়াজনে লৰালৰিকৈ তেওঁৰ নতুন বুটজোতাযোৰ ভৰিৰ পৰা সোলোকাব ধৰিলে। আনজন সৈনিকে জেপত হাত ভৰাই ছোৱালীজনীৰ আগত থিয় হৈ তাইলৈ একেবাহে চাইছে।

পিয়াৰে লৰালৰিকৈ খেন্তিয়কৰ তিৰোতাজনীৰ হাতত কেচুৱাটো দি ক'লে, "এইক ধৰা। ছোৱালীজনী নিয়া। তুমিয়ে সিহঁতক দিবা।"

আৰ্মানী পৰিয়ালটোৰ ফালে আকৌ এবাৰ ঘূৰি চাই পিয়াৰে ছোৱালীজনীক মাটিত বহুৱাই থলে। ছোৱালীজনীয়ে চিঞৰিবলৈ ধৰিলে। চুটিচাপৰ সৈনিকজনে দুয়োপাত বুটজোতা নিছে। বুঢ়াজনে উদা ভৰিৰে বহি কেঁকুৰি কেঁকুৰি কিবা কৈছে। পিয়াৰে কিন্তু গাভৰুজনীৰ আগত থিয় হৈ থকা সৈনিকজনলৈহে চাইছে। সৈনিকজনে এতিয়া আৰু কাষ চাপি আহি ছোৱালীজনীৰ ডিঙিত ধৰিছে।

ছোৱালীজনীয়ে এতিয়াও লৰচৰ নকৰাকৈ তলমুৰকৈ বহি আছে। সৈনিকজনে কি কৰিছে, সেইটো যেন দেখাই নাই।

পিয়াৰ সেইখিনি আহি পোৱাৰ আগতে সৈনিকজনে ছোৱালীজনীৰ ডিঙিৰ হাৰডাল ধৰি টানিছে। ছোৱালীজনীয়ে দুয়োখন হাতেৰে ডিঙিত ধৰি চিঞৰিবলৈ ধৰিছে।

গৰ্জি উঠি, "খবৰদাৰ, এৰি দে," বুলি পিয়াৰে খঙেৰে সৈনিকজনক ডিঙিত ধৰি পটিয়াই দিলে। সৈনিকজন বাগৰি পৰিল। লৰালৰিকৈ উঠি, লৰ দিলে। লগৰীয়াজনে বুটজোতাযোৰ থৈ তৰোৱাল এখন উলিয়াই ৰুদ্ৰ মূৰ্তিৰে পিয়াৰক খেদি আহিল।

পিয়াৰ খঙতে পগলাৰ নিচিনা হৈছে। তাৰ শক্তি দহগুণ বাঢ়িছে। পিয়াৰে সৈনিকজনক ডিঙিত ধৰি বগৰাই দি খুচিয়ালে। এই দৃশ্য দেখি ওচৰত থকা মানুহবোৰে বৰ ভয় খালে। কিন্তু হঠাতে এদল বৰ্মধাৰী সৈনিক আহি পিয়াৰক ঘেৰাও কৰিলে। তাৰ পাছত কি হ'ল পিয়াৰে কব নোৱাৰে। তাৰ অকল মনত পৰে যে সি কাৰোবাক মাৰিছিল, নিজেও মাৰ খাইছিল। পাছত দেখিলে যে তাৰ হাত দুখন বন্ধা। এদল ফৰাচী সেনাই তাক বেৰি ধৰি আছে। আৰু তাৰ কাপোৰ-কানি খানাতালাচ কৰিছে। কোনোবাই কোৱা শুনিলে, "ইয়াৰ লগত এখন চুৰী আছে।"

পিয়াৰৰ লগত মাৰামৰি কৰা উদা ভৰিৰে থকা সৈনিকজনকো পিয়াৰৰ

লগতে বন্দী কৰা হৈছিল। কৰ্মচাৰীজনে তাৰ ফালে চাই ক'লে, "দুৰ্বী, অস্ত্র! বাৰু, বিচাৰৰ সময়ত তোমাৰ সকলো কথা কবা।" তাৰ পাছত পিয়াৰৰ ফালে চাই ক'লে, "তুমি ফৰাচী ভাষা জানানে?"

পিয়াৰে বঙা চকুৰে কৰ্মচাৰীজনলৈ চালে। পিয়াৰৰ মূৰ্তি দেখি কৰ্মচাৰীজনে কুচকুচাই কিবা কলে। চাৰিজন বৰ্মধাৰী সৈনিক আহি পিয়াৰৰ দুয়োফালে থিয় হ'ল।

অলপ আঁতৰ হৈ ফৰাচী কৰ্মচাৰীজনে আকৌ সুধিলে, "তুমি ফৰাচী ভাষা কব পাৰানে? বাৰু, দোভাষীজনক মাতা।" এজন চুটিচাপৰ মানুহ আগলৈ আহিল। দোভাষীজনক দেখিয়েই পিয়াৰে তাক চিনি পালে। সি মস্কোৰ এখন দোকানত কাম কৰা ফৰাচী মানুহ।

পিয়াৰৰ ফালে চাই দোভাষীজনে কলে, "হুজুৰ, এওঁক সাধাৰণ মানুহ যেন নালাগে।"

কৰ্মচাৰীজনে ক'লে, "ঠিকেই, জুই লগাই দি ফুৰিছিল। দেখিলেই কব পাৰি। কোন সোধাচোন।"

দোভাষীজনে ফৰাচী সুৰত ৰুছ ভাষাত সুধিলে, "তুমি কোন? কৰ্মচাৰীজনক কব লাগিব।"

পিয়াৰে হঠাতে ফৰাচী ভাষাত ক'লে, "মই মোৰ নাম নকওঁ। মই বন্দী। তোমালোকৰ য'লৈকে খুচি লৈ যোৱা।"

কৰ্মচাৰীজনে পিয়াৰৰ ফালে কেৰাহিকৈ চাই ক'লে, "হয় নেকি? বাৰু, ব'লা।"

বৰ্মধাৰী সৈনিকবোৰৰ ওচৰত বহুতো মানুহ গোট খাইছিল। সেই খেতিয়কৰ তিৰোতাজনী ছোৱালীজনীক কোলাত লৈ পিয়াৰৰ ওচৰত থিয় হৈ আছিল। সৈনিকবোৰে পিয়াৰক বান্ধি নিয়া দেখি তাই আগবাঢ়ি আহি কলে, "হে প্ৰভু, সিহঁতে তোমাক ক'লৈ নিয়ে? ছোৱালীজনী? যদি সিহঁতৰ নহয়, মই কি কৰিম?" তাই কান্দিবলৈ ধৰিলে।

কৰ্মচাৰীজনে সুধিলে, "এই তিৰোতাজনীক কি লাগে?"

ছোৱালীজনীক দেখি, আকৌ বেছি উত্তেজিত হৈ পিয়াৰে গাজি ক'লে, "কি লাগিব? মোৰ ছোৱালীজনীক তাই লৈ আছে। ছোৱালীজনীক এইমাত্র মই জুইৰ পৰা বচাইছোঁ।" তাৰ পাছত "বাৰু, বিদায়" বুলি কৈ পিয়াৰে গহীনভাৱে ফৰাচীবিলাকৰ লগত খোজ ললে।

ফৰাচী কৰ্তৃপক্ষই অনুমান কৰিছিল যে কিছুমান দুৰ্বৃত্তই নগৰৰ চাৰিওফালে জুই লগাই ফুৰিছে। সেই কাৰণে লুটপাত বন্ধ কৰিবলৈ আৰু বিশেষকৈ জুই দিয়া মানুহবোৰক ধৰিবলৈ এদল বৰ্মধাৰী সৈনিক পঠোৱা হৈছিল। কেবাটাও ৰাস্তা ঘূৰি-পকি সৈনিকবোৰে আৰু পাঁচজনক সন্দেহ কৰি বন্দী কৰিছিল। সকলোবোৰ ৰুছ, এজন দোকানী, দুজন ছাত্ৰ, এজন খেতিয়ক আৰু এজন লগুৱা। ইয়াৰ বাহিৰেও লুটপাত কৰা কেবাজনো ফৰাচী সৈনিকক আটক কৰিছিল। কিন্তু সকলোতকৈ পিয়াৰক মাৰাত্মক অপৰাধী বুলি ধৰি ললে। সেই কাৰণে ৰাতি পিয়াৰক এটা বেলেগ ঘৰত চোকা পহৰা দি ৰখা হ'ল।

# নৱম খণ্ড

## প্ৰথম অধ্যায়

বৰোডিনৰ যুদ্ধৰ কেইদিনমান আগতে ঘোঁৰা কিনিবৰ কাৰণে নিকলয়ক ভৰোনেজলৈ পঠোৱা হয়। কেইজনমান অশ্বাৰোহী সৈনিক আৰু টকা-পইচা লৈ নিকলয় ভৰোনেজলৈ যায়।

সামৰিক জীৱনৰ দৈনন্দিন ধৰাবন্ধা নিয়মৰ পৰা হঠাতে এনেকৈ মুক্তি লাভ কৰি নিকলয়ে যে কি আনন্দ অনুভৱ কৰিছিল তাক অকল সৈনিকেহে অনুমান কৰিব পাৰিব। তাত সৈনিক, সেনাবাহিনীৰ গাড়ী, সেনা শিবিৰ একোকে দেখিবলৈ নাই। অকল আছে গাওঁ, খেতিয়ক, খেতিয়কৰ তিৰোতা, ভদ্ৰলোকৰ গ্ৰাম্য লীয়া ঘৰ, পথাৰত গৰু-ম'হৰ পাল, চৰাইখানা। এইবোৰ দেখি নিকলয়ৰ বৰ ভাল লাগিল। যেন আগতে এইবোৰ দেখাই নাছিল। বিশেষকৈ স্বাস্থ্যৱতী গাভৰুসকলৰ কথা তাৰ বহুদিনলৈকে মনত আছিল। ইয়াত বাৰজন কৰ্মচাৰীয়ে এজনী তিৰোতাৰ পিছ নলয়।

বৰ উলাহ মনেৰে নিকলয় ৰাতি ভৰোনেজৰ এখন হোটেলত থাকিল। সেনা শিবিৰত যিবোৰ বস্তুৰ পৰা বঞ্চিত হৈছিল, সেইবোৰ বস্তুৰ ফৰমাচ কৰিলে। পিছদিনা ভালকৈ দাড়ি খুৰাই, চাফচিকুণকৈ পিন্ধি-উৰি স্থানীয় কৰ্তৃপক্ষক দেখা কৰিবলৈ গ'ল।

তাৰ ৰাজ্যপালজন বৰ ভদ্ৰ মানুহ। ক'ত ক'ত ঘোঁৰা পোৱা যায় তেওঁ নিকলয়ক ক'লে। নগৰৰ এজন ঘোঁৰা বেপাৰীৰ পৰা ঘোঁৰা কিনিবলৈ ক'লে। আৰু নগৰৰ পৰা পোন্ধৰ মাইলমান দূৰৈত এজন ভদ্ৰলোকৰ তাত ভাল ভাল ঘোঁৰা থকা বুলি ক'লে। নিকলয়ে বিদায় লওঁতে ৰাজ্যপালে ক'লে, "তোমাৰ কিবা দৰকাৰ হ'লে মোক কবা। তুমি জানো কাউণ্ট ৰোস্তভৰ ল'ৰা নহয়? তোমাৰ মাৰা মোৰ পৰিবাৰৰ বৰ বন্ধু। বৃহস্পতিবাৰে বন্ধু-বান্ধৱসকলে আমাকে দেখা কৰিবলৈ আহে। আজি বৃহস্পতিবাৰ। তুমিও আহিবা। অৱশ্যে একো আয়োজন নাই।"

গা-পা ধুই, ভাল কাপোৰ-কানি পিন্ধি গ'লি নিকলয় ৰাজ্যপালৰ ঘৰলৈ আহিল। তাত ভৰোনেজৰ বিশিষ্ট নাগৰিকসকল গোট খাইছে। অশ্বাৰোহী কৰ্মচাৰীৰ পোছাক পিন্ধি নিকলয়ে ঘৰৰ ভিতৰত সোমোৱা মাত্ৰে

সকলোৰে চকু তাৰ ওপৰত পৰিল। সামাজিক জীৱনৰ পৰা সি বহুদিন বাহিৰত আছিল। এখন গাৰঁলীয়া নগৰত এনেকৈ সকলোৰে পৰা মানসন্মান, মৰম-চেনেহ পাই নিকলয়ে গৌৰৱ অনুভৱ কৰিলে। সি আনন্দত মতলীয়া হ'ল। সকল হোটেলত, খোঁৱা বেপাৰীৰ তাত বা লিপিবীবোৰেই তাক ভালপোৱা নহয়, ইয়াতো অসংখ্য ধুনীয়া, অবিবাহিতা, বিবাহিতা মহিলাই যেন তাৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ অধৈৰ্য্য হৈ বৈ আছে।

বয়সিয়াল মানুহবিলাকে তাৰ বিয়াৰ কথা ভাবিলে। ইয়াৰ কোনোবাজনী ছোৱালীৰ লগত তাৰ বিয়াখন পাতি দিব পাৰিলে ভাল হয়। ৰাজ্যপালৰ ঘৈণীয়েকে আপোন মানুহৰ দৰে তাক অভ্যৰ্থনা জনালে।

ৰাজ্যপালৰ ঘৈণীয়েকে ক'লে, "নিকলয়, আনা ইগ্নাটেভনাই তোমাক চাব খুজিছে; আহাচোন। মই তোমাক নিকলয় বুলিয়ে মাতিছোঁ। বেয়া নাপাবা দেই।"

"নিশ্চয় নাপাওঁ, মাহীদেউ।"

নিকলয়ে ভাবিলে, "আনা ইগ্নাটেভনা নিশ্চয় কোনোবা বিশিষ্টা ভদ্ৰ-মহিলা হব।" সি সুধিলে, "মাহীদেউ, তেওঁনো কোন? মোক কেনেকৈ চিনি পালে?"

"আনা ইগ্নাটেভনা মালভিনচেভ। তেওঁ তোমাৰ কথা ছোৱালীৰ পৰা শুনিছে। তুমি তাইক উদ্ধাৰ কৰিছিলা⋯এতিয়া বুজি পাইছানে?⋯"

নিকলয়ে ক'লে, "মই কিমানক ৰক্ষা কৰিছোঁ।"

"প্ৰিন্সেছ বল্‌কনস্কি তেওঁৰ বায়েকৰ জীয়েক। ছোৱালী এতিয়া মাহীয়েকৰ লগত ভৰোনেজতে আছে। লাজ কৰিছা নেকি?"

"নাই কৰা, মাহীদেউ।"

"বাৰু, বাৰু, কি যে ল'ৰা!"

মেদাম মালভিনচেভে কেইজনমান বিশিষ্ট নাগৰিকৰ লগত তাচ খেলি আছিল। ৰাজ্যপালৰ ঘৈণীয়েকে নিকলয়ক তেওঁৰ ওচৰলৈ লৈ গ'ল। মেদাম মালভিনচেভ ছোৱালীৰ মাহীয়েক। তেওঁ চহকী, বিধবা লৰা-ছোৱালী নাই। সদায় ভৰোনেজতে থাকে। ছোৱালীৰ দেউতাকক তেওঁ মুঠেই ভাল নাপাইছিল। তেওঁ গহীনভাৱে নিকলয়ৰ ফালে চাই হাতখন আগবঢ়াই দি ক'লে, "তোমাক দেখি ভাল পালোঁ, বোপাই। আমাৰ তালৈ যাবা দেই।" তেওঁ ছোৱালী আৰু তাইৰ দেউতাকৰ বিষয়ে আলাপ ক'লে। আৰু নিকলয়ে প্ৰিন্স্ এণ্ড্ৰু কিবা খবৰ

পাব নেকি শুধিলে। বিদায় দিয়াৰ আগতে নিকলয়ক তেওঁ আকৌ তেওঁলোকৰ ঘৰলৈ মাতিলে। নিকলয়ে যাব বুলি কলে। প্ৰিন্সেছ মেৰিয়াৰ নাম উল্লেখ কৰাত নিকলয়ে অলপ লাজ আৰু ভয় অনুভৱ কৰিলে। কিন্তু তাৰ কাৰণ সি বুজি নাপালে।

যেদাম মালভিনচেভৰ ওচৰৰ পৰা আহি নিকলয় নাচত যোগ দিবলৈ যাব খুজিছিল। কিন্তু ৰাজ্যপালৰ ঘৈণীয়েকে তাক শকত হাতখনেৰে ধৰি ক'লে যে তাৰ লগত অলপ কথা আছে। তেওঁ তাৰ এটা বেলেগ কোঠালীলৈ লৈ গ'ল। ৰাজ্যপালৰ ঘৈণীয়েকে কলে, "বোপাই, মই তোমাৰ কাৰণে এজনী ছোৱালী ঠিক কৰিছোঁ। মই যি দেখিছোঁ এইজনী ছোৱালীয়ে তোমাৰ কাৰণে বৰ উপযুক্ত হব। যদি তুমি কোঁৱা, মই কথাবাৰ্তা কওঁ।"

"আপুনি কাৰ কথা কৈছে ?"

"প্ৰিন্সেছৰ লগত তোমাৰ বিয়াখন পাতিব খুজিছোঁ। তুমি কি কোৱা ? তোমাৰ মাৰাই নিশ্চয় ভাল পাব। সঁচাকৈয়ে ইমান ভাল, মৰমলগা ছোৱালী। দেখিবলৈকো বেয়া নহয়।"

ৰোস্তভে ঘপকৈ ক'লে, "নিশ্চয় নহয়। মই কিন্তু মাহীদেউ, সৈনিক হিচাপে কাকো জোৰো নকৰোঁ আৰু কোনোবাই যাচিলে না বুলিও নকওঁ।"

"তেন্তে মনত ৰাখিবা। ধেমালি কৰা নাই।"

এই অচিনাকি তিৰোতাগৰাকীক অন্তৰৰ সকলো কথা কবলৈ নিকলয়ৰ ইচ্ছা হ'ল। এনেকৈ খোলাখুলিকৈ নিজৰ মাক, ভনীয়েক বা অন্তৰঙ্গ বন্ধুকো নকলেহেঁতেন। পাছত কিন্তু এইটো তাৰ মূৰ্খালি বুলিহে ভাবিছিল।

নিকলয়ে ক'লে, "শুনক মাহীদেউ, আচল কথা হৈছে—বহুদিনৰ পৰা মায়ে মোৰ কাৰণে এজনী ধনী মানুহৰ ছোৱালী বিচাৰিছে। মই কিন্তু টকাৰ কাৰণে বিয়া কৰোৱাৰ বিৰুদ্ধে।"

"মই বুজিছোঁ।"

"কিন্তু প্ৰিন্সেছ বল্‌কন্‌স্কিৰ কথা বেলেগ। প্ৰথমতে সঁচাকৈ কবলৈ হলে মই তেওঁক বৰ ভাল পাওঁ। মই তেওঁক দেখি মোহিত হৈছোঁ। সেই বিপদৰ সময়ত তেওঁক লগ পোৱাটো ভগবানৰ ইচ্ছা বুলিয়ে মই ভাবিছোঁ। আৰু চাওঁক, মায়ে বহুদিনৰ পৰা এইখন বিয়াৰ কথা ভাবিছিল। কিন্তু আগতে তেওঁক দেখা পোৱাৰ সুবিধা মই কোনোমতে পোৱা নাছিলোঁ।

পাছত মোৰ ভনী নাতাচাৰ লগত যেতিয়া তেওঁৰ ককায়েকৰ বিয়াৰ কথা-বাৰ্তা হ'ল, তেতিয়া অৱশ্যে আমাৰ বিয়াৰ কথা ভাবিব নোৱৰা হলোঁ। ভগৱানৰ কি ইচ্ছা নাতাচাৰ বিয়াখন ভঙাৰ ঠিক পাছতেই তেওঁৰ লগত মোৰ প্ৰথম দেখা হ'ল। তাৰ পাছত আপুনি জানেই···। গতিকে চাওক। এইবোৰ কথা মই কেতিয়াও কাকো কোৱা নাই, নকৰোঁ। অকল আপোনাকহে কৈছোঁ।" ৰাজ্যপালৰ ঘৈণীয়েকে কথাবোৰ শুনি বৰ ভাল পাই নিকলয়ৰ হাতত ধৰিলে।

অলপ পৰ বৈ এটা হুমুনিয়াহ কাঢ়ি নিকলয়ে ক'লে, "তথাপি মাহীদেউ, এইখন বিয়া হব নোৱাৰে। প্ৰিন্সেছ মেৰিয়াই জানো মোক বিয়া কৰাব? তাতে সেইদিনাখন মাত্ৰ তেওঁৰ দেউতাক ঢুকাইছে। এতিয়া এইবোৰ কথা ভৱাই ভুল।"

"কেলেই? মই জানো তোমাক আজিয়ে বিয়া কৰাই দিব খুজিছোঁ? সকলো কামৰ এটা পদ্ধতি আছে।"

ৰাজ্যপালৰ ঘৈণীয়েকৰ হাতত চুমা খাই নিকলয়ে ক'লে, "মাহীদেউ, আপুনি দেখোন বিয়া পতাত ওস্তাদ।"

বগুচাৰোভোত ৰোস্তভৰ লগত দেখা হোৱাৰ পাছত প্ৰিন্সেছ মেৰিয়াই মস্কোলৈ আহি ভতিজাক আৰু তাৰ শিক্ষকজনক লগ পায়। প্ৰিন্স্ এণ্ড্ৰুৱে মেৰিয়াক ভৰোনেজত মাহীয়েকৰ তালৈ যাব লিখিছিল আৰু কোন বাটেৰে যাব লাগিব তাকো লিখিছিল। ভ্ৰমণৰ কাৰণে যো-বা, নতুন ঠাইত নতুন ঘৰ, নতুন মানুহ, তাৰ উপৰিও ককায়েকৰ কাৰণে চিন্তা, ভতিজাকৰ শিক্ষাৰ কাৰণে চিন্তা—। বাপেকৰ বেমাৰৰ সময়ত আৰু তেওঁৰ মৃত্যুৰ পাছত বিশেষকৈ ৰোস্তভৰ লগত দেখা হোৱাৰ পাচত যি লোভনীয় অনুভূতিয়ে মেৰিয়াক উৎপীড়ন কৰিছিল, এইবোৰ চিন্তাই সেই অনুভূতিক তল পেলাই থৈছিল।

তাইৰ মনটো মৰা। ভৰোনেজত এমাহ থকাৰ পাছত মেৰিয়াই বাপেকৰ অভাৱ বেছিকৈ অনুভৱ কৰিলে। তাইৰ মতে বাপেকৰ মৃত্যুৰ লগত কছিয়াৰ পতনৰ সম্পৰ্ক আছে। বৰ্তমানে তাইৰ আপোন বুলিবলৈ আছে একমাত্ৰ ককায়েক। তেৰোঁ আছে দুৰ্যোগৰ বিপদৰ মাজত। তেওঁৰ কাৰণে তাইৰ দিনে-ৰাতি চিন্তা। ইপিনে ভতিজাকৰ শিক্ষাৰ কাৰণে চিন্তা। তাক যেন তাই আৰু শাসনত ৰাখিব নোৱাৰা হৈছে। কিন্তু এটা কথা ভাবি তাই শান্তি

পাইছে। বোস্তভক লৈ তাই যি ব্যক্তিগত সুখৰ সপোন দেখিছিল সেই কল্পনাও তাই জয় কৰিছে।

নিকলয়ৰ লগত কথাবাৰ্তা হোৱাৰ পিছদিনাই ৰাজ্যপালৰ ঘৈণীয়েক আহি মেৰিয়াৰ মাহীয়েকক সকলো কথা কলে। মেৰিয়াৰ মাহীয়েকে বিয়াখনত সম্মতি দিলে। বৰ্তমান অৱস্থাত বিয়াৰ প্ৰস্তাৱটো আনুষ্ঠানিকভাৱে কৰাৰ কথা ভাবিব নোৱাৰি। তথাপি তেওঁলোকে ভাবিলে যে সিহঁতক দুয়োকো লগ লগাই দিয়াটো ভাল হব, যাতে সিহঁতে পৰস্পৰে পৰস্পৰক জানিব পাৰে। মাহীয়েকৰ লগত কথা হোৱাৰ পাছত ৰাজ্যপালৰ ঘৈণীয়েকে মেৰিয়াৰ আগত বোস্তভৰ কথা উলিয়ালে; তাৰ গুণৰ কথা ক'লে। মেৰিয়াৰ নাম শুনি বোস্তভৰ মুখখন কেনে ৰঙা হৈছিল তাকো ক'লে। এইবোৰ কথা শুনি মেৰিয়াৰ অন্তৰৰ শান্তি ভঙ্গ হ'ল। তাইৰ মনত আকৌ সেই আকাঙ্ক্ষা, সন্দেহ, আত্মগ্লানি, আশা জাগি উঠিল।

বোস্তভ মাহীয়েকৰ ঘৰলৈ অহাৰ আগৰ দুদিন মেৰিয়াই অকল ভাবিছে— বোস্তভ আহিলে তাইনো কি কৰিব। একোবাৰ ভাবে যে বোস্তভে মাহীয়েকক দেখা কৰিবলৈ আহিলে তাই বাহিৰৰ বহা কোঠালৈ নাহে। শোকৰ সময়ত কোনো বাহিৰা মানুহক দেখা কৰা উচিত নহব। আকৌ ভাবে যে বোস্তভে তাইৰ কাৰণে যি কৰিছে তাৰ পাছত তাক দেখা নকৰাটো অভদ্ৰতা হব। তাৰ পাছত তাইৰ মনলৈ আহে যে ৰাজ্যপালৰ ঘৈণীয়েক আৰু মাহীয়েকে বোধ কৰোঁ তাইক আৰু বোস্তভক লৈ কিবা ভাবিছে। তেওঁলোকৰ কথা-বতৰা আৰু ভাৱভঙ্গীৰ পৰা তাই অনুমান কৰিছে। আকৌ এই অনুমানটো তাই নিজৰ মনেসজা বুলি ভাবে। এনে শোকৰ সময়ত বিয়াৰ প্ৰস্তাৱ কৰাটো তাইৰ পক্ষে আৰু দেউতাকৰ স্মৃতিৰ কাৰণে অপমানজনক বুলি তেওঁলোকে জানো নাজানে? আকৌ ভাবে, "বাৰু, দেখা কৰিলোৱা যেনিবা, তেওঁ নো মোক কি কব? আৰুময়ে নো তেওঁক কি কম?" সিহঁতৰ কথা-বতৰা সাধাৰণ ধৰণৰ হব বুলি ভাবে, পিছতে গুৰুত্বপূৰ্ণ হব বুলি ভাবে। বিশেষকৈ তাইৰ ভয় হ'ল যে বোস্তভৰ আগত তাই নিশ্চয় অপ্ৰস্তুত, হতবুদ্ধি হব আৰু দেখা মাত্ৰেই বোস্তভে তাইৰ মনৰ ভাব বুজি পাব।

কিন্তু ৰবিবাৰে গধূলি বোস্তভ অহা বুলি লগুৱাটোৱে যেতিয়া খবৰ দিলে, মেৰিয়াৰ অকণো অপ্ৰস্তুতৰ চিন দেখা নগ'ল। অকল গাল দুখন অলপ ৰঙা পৰিছিল আৰু চকুযুৰি উজ্জল হৈ উঠিছিল।

প্ৰিন্সেছ মেৰিয়াই সুস্থিৰভাৱে ক'লে, "মাহীদেউ, আপুনিতো তেওঁক দেখিছে।" বাহিৰত কেনেকৈ এনে সুস্থিৰ আৰু স্বাভাৱিক হ'ল তাই নিজেই কব নোৱাৰে।

ৰোস্তভ ঘৰৰ ভিতৰলৈ আহিলত মেৰিয়াই তলমূৰ কৰিলে যেন মাহী-য়েকক সম্ভাষণ জনাবলৈ ৰোস্তভক সময় দিছে। কিন্তু নিকলয়ে তাইৰ ফালে চোৱা মাত্ৰেই মূৰ দাঙি উজ্জ্বল চকুযুৰিৰে তাই নিকলয়ৰ চকুলৈ চালে। ৰংমনে মিচিকি হাঁহি মেৰিয়াই তাইৰ হাতখন ৰোস্তভলৈ আগবঢ়াই দিলে। তাৰ পাছত মেৰিয়াই এনে সুন্দৰকৈ কথা পাতিলে যেনিবা তাইৰ মাতত নাৰীত্বৰ মাধুৰ্য্য ফুটি ওলাইছে। তাইৰ চাৱনি, গাম্ভীৰ্য্য, মাতৰ মাধুৰ্য্যই নিকলয়ক মোহিত কৰিলে। ম্যাদাম চৈলবুৰিয়ঁ ওচৰতে থিয় হৈ আছিল। বুৰিয়ঁ পুৰুষ ভুলোৱাত পাকৈত। কিন্তু তেওঁ আজি মেৰিয়াৰ ভাৱভঙ্গী দেখি অবাক হ'ল। মেৰিয়াইনো ইমান মোহিনী শক্তি ক'ত পালে? বুৰিঁয় পৰাভৱ মানিলে।

মেৰিয়াৰ এই পৰিবৰ্তনৰ কথাটো তাই নিজে ভাবি চাব পৰা হলে তাই ৰোধকৰো বুৰিয়ঁতকৈয়ো বেছি আচৰিত হ'লহেঁতেন। জীৱনৰ এটা অজান, নতুন শক্তিয়ে তাইক এইবোৰ কোৱাইছিল, কৰাইছিল। ৰোস্তভ ঘৰৰ ভিতৰত সোমোৱাৰ লগে লগে তাইৰ চেহেৰাৰ পৰিবৰ্তন ঘটে। ৰঙেৰে কাৰুকাৰ্য্য কৰা লেমটো গধূলি জ্বলালে যেনেকৈ হঠাতে কাৰুকাৰ্য্যবোৰৰ অপৰূপ সৌন্দৰ্য্য ওলাই পৰে, মেৰিয়াৰ চেহেৰাতো তেনেকৈ পৰিবৰ্তন ঘটিল। ইমান দিনৰ সঞ্চিত পৱিত্ৰতা, সৎ চিন্তা, আধ্যাত্মিকতা, মৰমচেনেহ, স্বাৰ্থত্যাগ, আত্মগ্লানি, ভগৱানৰ প্ৰতি বিশ্বাস, দুখকষ্ট—সকলোবোৰ আজি প্ৰথম তাইৰ উজ্জ্বল চকুযুৰিত, মধুৰ হাঁহিত, সকলো অঙ্গ-প্ৰত্যঙ্গতে উজ্জ্বল হৈ বিকশিত হ'ল।

ৰোস্তভে তাইক ভালদৰে চিনি পালে। তাই অইন তিৰোতাৰ নিচিনা নহয়। ৰোস্তভে দেখা সকলো নাৰীতকৈ মেৰিয়া শ্ৰেষ্ঠা। নিজতকৈও মেৰিয়া বহুগুণে শ্ৰেষ্ঠা বুলি ৰোস্তভে অনুভৱ কৰিলে।

প্ৰিন্সেছ মেৰিয়াৰ দৰে ৰোস্তভো মেৰিয়াৰ নাম শুনি আৰু তাইৰ কথা ভাবি অপ্ৰস্তুত হৈছিল। তাৰ মুখখন ৰঙা হৈছিল। কিন্তু তাইৰ আগত ৰোস্তভে অকণো দ্বিধা বোধ কৰা নাই। তাইক যিবোৰ কথা কব বুলি সি ভাবি আহিছিল, তাকে ক'লে। অপ্ৰাসঙ্গিক কোনো কথা কোৱা নাই।

তাইৰ শোকৰ কাৰণে মেৰিয়া কোনো মেল-সবাহলৈ নাযায়। নিকলয়েও

তেওঁলোকৰ ঘৰলৈ আকৌ যোৱাটো উচিত বুলি নাভাবিলে। কিন্তু ৰাজ্যপালৰ ঘৈণীয়েকে বিয়াখন পাতিবলৈ লাগিয়ে আছে। মেৰিয়াই নিকলয়ক প্ৰশংসা কৰা বুলি, ভাল পোৱা বুলি তেওঁ নিকলয়ক কয়। আৰু এইদৰে মেৰিয়াকো বহুতো কথা সাজি কয়। বোস্তভে মেৰিয়াক কথা দিব লাগে। এই উদ্দেশ্যে এদিন পুৰোহিতৰ ঘৰত দুয়োকো লগ লগাই দিবৰ কাৰণে ৰাজ্যপালৰ ঘৈণীয়েকে বন্দৱস্ত কৰিলে। যদিও কথা দিব নোৱাৰে বুলি ৰোস্তভে ৰাজ্যপালৰ ঘৈণীয়েকক নকলে তথাপি তালৈ যাব বুলি প্ৰতিশ্ৰুতি দিলে।

সকলোৱে যিটো ভাল বুলি কয় তাক সন্দেহ কৰিবৰ শক্তি ৰোস্তভৰ নাই। অৱশেষত সি ভাগ্যৰ হাতত আত্ম-সমৰ্পণ কৰিবলৈ স্থিৰ কৰিলে। সি ভাবিলে হয়তো ইয়াত নিয়তিৰ হাত আছে। নিয়তিয়ে তাক সেইফালে টানি নিছে। আৰু অনুভৱ কৰিলে যে অৱস্থাৰ অধীন হৈ, লোকৰ কথামতে চলি সি কোনো অন্যায় কাম কৰিবলৈ ওলোৱা নাই। বৰং জীৱনত নকৰা এটা ডাঙৰ কামহে কৰিব খুজিছে।

নবেম্বৰ মাহৰ মাজ ভাগত বৰোডিনৰ যুদ্ধৰ মৰ্মান্তিক কাহিনী, হতাহতৰ সংবাদ আৰু মস্কো পতনৰ দুঃসংবাদ ভৰোনেজ আহি পালে। ককায়েক আহত হোৱা বুলি প্ৰিন্সেছ মেৰিয়াই বাতৰি কাকতৰ পৰা জানিছিল। কিন্তু তেওঁৰ কোনো সঠিক খবৰ নাপাই ককায়েকক বিচাৰি যাবলৈ ওলাই-ছিল।

বৰোডিনৰ যুদ্ধৰ খবৰ আৰু মস্কো এৰি দিয়া বুলি শুনি—ৰোস্তভৰ মনত কোনো প্ৰতিক্ৰিয়া নহ'ল। কিন্তু ভৰোনেজত তাৰ আৰু একেবাৰেই ভাল নলগা হ'ল। মানুহৰ কথাবোৰ তাৰ কাণত নধৰে। সেনা শিবিৰলৈ গৈ যি দোষৰ তাকেহে সি বিশ্বাস কৰিব। ইয়াত থকাটো আৰু উচিত নহব বুলি ভাবি সি ঘোঁৰা কিনা কামটো শেহ কৰিবলৈ খৰখৰ লগালে। লগুৱা আৰু তলতীয়া সৈনিকবোৰৰ ওচৰত ৰোস্তভে মিছাতে কথাই কথাই খং কৰা হ'ল, দোষ ধৰা হ'ল।

# দ্বিতীয় অধ্যায়

বোত্তভ যোৱাৰ কেইদিনমান আগতে কছ বাহিনীৰ সাফল্য সম্বৰ্দ্ধনা উপলক্ষে নাগৰিকসকলে গীৰ্জাত উপাসনা কৰিছিল। সেই উপাসনালৈ নিকলয়ো গৈছিল। নিকলয়ে ৰাজ্যপালৰ পিছত গহীন হৈ চকু মুদি থিয় হৈ নানান কথা ভাবিছিল। উপাসনাৰ পাছত ৰাজ্যপালৰ বৈণীয়েকে তাক হাতবাউল দি মাতি নি এজনী ক'লা পোছাক পিন্ধা তিৰোতা মানুহৰ ফালে আঙুলিয়াই ক'লে, "সোৱা, প্রিন্সেছক দেখিছানে ?"

নিকলয়ে মেৰিয়াক চিনি পালে। মেৰিয়াই একান্ত ভক্তিভাৱে সেৱা কৰি আছিল। নিকলয় আচৰিত হৈ তাইৰ বিষাদময়, ভক্তিপূর্ণ মুখখনলৈ চাই থাকিল। অকণো দ্বিধা নকৰি, গীৰ্জাত তাইৰ লগত কথা পতাটো উচিত হব নে নহয় চিন্তা নকৰি নিকলয়ে আগবাঢ়ি গৈ মেৰিয়াক ক'লে, "আপোনাৰ বিপদৰ কথা মই শুনিছোঁ আৰু তাৰ কাৰণে মই অন্তৰেৰে সৈতে বেজাৰ পাইছোঁ।" বোত্তভৰ মাত শুনিয়েই হৰ্ষ,—বিষাদেৰে তাইৰ মুখখন উজ্জ্বল হৈ উঠিল। বোত্তভে ক'লে, "এটা কথা মই আপোনাক কব খুজিছোঁ। প্রিন্স্ এণ্ড্ৰু এজন ডাঙৰ কৰ্মচাৰী। তেওঁ জীয়াই নথকা হলে তৎক্ষণাত গেজেটত প্রকাশ হ'লহেঁতেন।"

মেৰিয়াই তাৰ ফালে চালে। বোত্তভৰ কথাবোৰ তাই বুজি নাপালে। কিন্তু বোত্তভৰ সহানুভূতিসূচক মুখখন দেখি তাই সান্ত্বনা পালে।

নিকলয়ে ক'লে, "বহুতো ঠাইত আঘাত পালেও তেনে কোনো সাংঘাতিক নহয়। মোৰ বিশ্বাস তেওঁ তেনে কোনো সাংঘাতিক আঘাত পোৱা নাই।"

"ভগবানে তাকে কৰক। উহ্! এইবোৰ কথা মই ভাবিবই নোৱাৰোঁ।" বুলি কৈ মেৰিয়াই বোত্তভক নমস্কাৰ জনাই মাহীয়েকৰ পিছে পিছে গ'ল।

সেইদিনা গধূলি নিকলয় বাহিৰলৈ নগ'ল। ঘৰতে থাকি ঘোঁৰা বেপাৰী-সকলৰ লেনাদেনা মাৰিলে। হিচাপ-পত্ৰ কৰোঁতে ৰাতি হ'ল ; তেতিয়া আৰু বাহিৰলৈ যাবৰ সময় নাই। কিন্তু শুবৰ সময়ো হোৱা নাই। বোত্তভে অতীত জীৱনৰ কথা কেতিয়াও নাভাবে। কিন্তু আজি কোঠাটোৰ ভিতৰতে ইফাল-সিফালকৈ খোজ লৈ বহুপৰলৈকে অতীতৰ কথাবোৰ চিন্তা কৰিলে।

বগুচাৰোভত প্ৰিন্সেছ মেৰিয়াই তাক আকৃষ্ট কৰে। এক জটিল অৱস্থাত মেৰিয়াৰ লগত তাৰ দেখা হয় আৰু মাকেও ধনী মানুহৰ এই ছোৱালীজনীৰ লগত তাৰ বিয়া পাতিব খুজিছিল। সেই কাৰণে ৰোষ্টভে মেৰিয়াক বিশেষ মন দি চাইছিল। ভেৰোনেজত সেই আলপোৰাটো গভীৰ হ'ল।

মেৰিয়াৰ মানসিক সৌন্দৰ্য্যত ৰোষ্টভ বিশেষকৈ মোহিত হ'ল। ভেৰো-নেজৰ পৰা ৰোষ্টভ যাবলৈ ওলাইছে দুখ কৰিবলৈ তাৰ মনত নহ'ল যে ভেৰোনেজৰ পৰা গ'লে সি আৰু তাইক দেখাৰ সুবিধা নাপাব। কিন্তু আজি খাতিপুৰা গীৰ্জাত মেৰিয়াক দেখি সি মনত বৰ শান্তি পাইছে। সেই উজ্জল চকুযুৰি, বিতোপন ভাবভঙ্গি, তাইৰ করুণ বিষাদ মূৰ্ত্তিয়ে তাক চঞ্চল কৰিছিল। তাইলৈ তাৰ গভীৰ সহানুভূতি হৈছিল মানুহৰ গুথ থাপৰ আধ্যাত্মিক জীৱন ৰোষ্টভে ভাল নাপাইছিল। সি তাক দৰ্শন, আদৰ্শবাদ বুলি ইতিকিং কৰিছিল। আৰু সেই কাৰণে সি প্ৰিন্স্ এণ্ড্ৰুক ভাল নাপাইছিল। কিন্তু প্ৰিন্সেছ মেৰিয়াৰ বিষাদৰ ভিতৰত সেই আধ্যাত্মিকতা দেখি বিশেষভাৱে আকৃষ্ট হ'ল।

লগুৱা লাভৰুছকাই চিঠি এখন হাতত লৈ দুৱাৰমুখলৈ আহি টোপনিৰ জালত ক'লে, "এজন দূতে ৰাজ্যপালৰ পৰা আপোনালৈ এইখন চিঠি আনিছে।"

চিঠিখন ট্ৰয়েট্চাৰ পৰা মাকে দিছে। চিঠিখনত মাকে মস্কোৰ কথা, তেওঁলোক মস্কো এৰি অহাৰ কথা, অগ্নিকাণ্ডৰ কথা আৰু তেওঁলোকৰ সকলো সম্পত্তি নাশ হোৱাৰ কথা লিখিছে। মাকে আৰু লিখিছে যে প্ৰিন্স্ এণ্ড্ৰু আহত হৈছে আৰু আহত সৈনিকবোৰৰ গাড়ীত তেওঁলোকৰ লগতে আহিছে। তেওঁৰ অৱস্থা ভাল নহয়; কিন্তু ডাক্তৰে কৈছে এতিয়া অলপ ভালৰ ফালে আহিছে। চোনিয়া আৰু নাতাচাই তেওঁক সেৱাশুশ্ৰূষা কৰিছে।

পিচদিনা চিঠিখন লৈ ৰোষ্টভে প্ৰিন্সেছ মেৰিয়াক দেখা কৰিবলৈ গ'ল। "নাতাচাই তেওঁক সেৱা-শুশ্ৰূষা কৰিছে।" ইয়াৰ কি অৰ্থ হব পাৰে—এই বিষয়ে নিকলয় বা মেৰিয়াই কোনো কথা নকলে। যি কি নহওক এই চিঠিখনে হঠাতে মেৰিয়াৰ লগত নিকলয়ৰ ঘনিষ্ঠ সম্বন্ধ ঘটালে।

পিচদিনাখন ৰোষ্টভে মেৰিয়াক আৰোমভিলৈ আগবঢ়াই থলে। আৰু কেইদিনমান পাচতে সি তাৰ সেনাদলত যোগ দিবলৈ বাওনা হ'ল।

# তৃতীয় অধ্যায়

বোস্তভইত গৈ প্ৰথমতে ট্ৰয়েটচাৰ মঠত থাকিবলৈ লয়। মঠৰ হোস্টেলৰ তিনিটা ডাঙৰ কোঠালি বোস্তভইতক দিয়া হৈছিল। তাৰে এটাত প্ৰিন্স্ এণ্ড্ৰুক ৰখা হৈছে। তেতিয়ালৈ এণ্ড্ৰুৱে বহুতোখিনি ভাল পাইছে। নাতাচা তেওঁৰ লগতে বহি আছে। ওচৰৰ কোঠাটোত কাউণ্ট আৰু কাউণ্টেছে সসম্মানে ধৰ্মযাজকৰ লগত কথা পাতিছে। চোনিয়াও তেওঁলোকৰ লগতে বহি আছে। কিন্তু এণ্ড্ৰু আৰু নাতাচাই কি নো কথা পাতিছে জানিবলৈ তাইৰ কৌতূহল হ'ল। দুৱাৰৰ ফাঁকেৰে তাই সিহঁতৰ কথা পতা শুনিছে। হঠাতে আবেগেৰে নাতাচা এই কোঠাটোলৈ আহিল। ধৰ্মযাজকজনে তাইক দেখি থিয় হৈ কিবা সুধিলে কিন্তু নাতাচাই তেওঁলৈ মন নকৰি চোনিয়াৰ ওচৰলৈ গৈ তাইক হাতত ধৰি টানিলে।

কাউণ্টেছে ক'লে, "নাতাচা, কি হৈছে? শুনা।"

মাকৰ কথামতে নাতাচাই ধৰ্মযাজকৰ আশীৰ্বাদ ললে। ভগবানৰ সহায় বিচাৰিবলৈ ধৰ্মযাজকজনে নাতাচাক উপদেশ দিলে।

ধৰ্মযাজকজন যোৱা মাত্ৰেই নাতাচাই চোনিয়াক হাতত ধৰি খালি হৈ থকা তৃতীয় কোঠাটোলৈ টানি লৈ গ'ল।

নাতাচাই ক'লে, "চোনিয়া, তেওঁ নিশ্চয় বাচিব। চোনিয়া, মই কিমান সুখী, কিমান দুৰ্ভাগীয়া। মৰমৰ চোনিয়া, সকলো আগৰ দৰেই আছে। এক-মাত্ৰ কথা হৈছে—তেওঁ যদি বাচি উঠে—তেওঁ নোৱাৰে···কাৰণ কা-ৰণ···"

নাতাচাৰ চকুৰ পানীৰ ধাৰ বৰলৈ ধৰিল।

## চতুৰ্থ অধ্যায়

যিসকল কৰ্মচাৰী আৰু সৈনিকে পিয়াৰক বন্দী কৰিছিল, সিহঁতে তাক সাংঘাতিক বুলি জানিও সন্মান দেখুৱাইছিল। সিহঁতৰ লগত তাৰ যি ব্যক্তিগত সংঘৰ্ষ হৈছিল তাৰ পৰা সিহঁতৰ সন্দেহ হৈছিল যে সি ভয়ঙ্কৰ হলেও কোনোবা ডাঙৰ মানুহ হব। কিন্তু পিছদিনা বাতিপুৱা যিসকল কৰ্মচাৰী আৰু সৈনিকে তাক পৰ দিবলৈ আহিল, সিহঁতে তাক সেই চকুৰে নাচালে। খেতিয়কৰ পোচাক পিন্ধা এই শকত-আৱত মানুহজনে লুটপাত কৰা সৈনিকৰ লগত যুঁজিছিল আৰু এজনী ছোৱালীক উদ্ধাৰ কৰা বুলি কৈছিল। পিছদিনাৰ প্ৰহৰীয়াসকলে অইন কছ বন্দীসকলৰ লগত পিয়াৰৰ কোনো পাৰ্থক্য নেদেখিলে। অকল দেখিছিল সি অকণো ভয় খোৱা নাই আৰু ফৰাচী ভাষাত ভালকৈ কথা কব পাৰে। পিয়াৰক থোৱা কোঠালীটো এজন কৰ্মচাৰীৰ কাৰণে দৰকাৰ হোৱাত সিদিনা পিয়াৰক অইন বন্দীবোৰৰ লগত একে ঘৰতে ৰখা হ'ল।

পিয়াৰৰ লগত থকা আটাইবোৰ কছ বন্দী তলখাপৰ মানুহ আছিল। সিহঁতে পিয়াৰক ভদ্ৰলোক বুলি জানি আৰু বিশেষকৈ ফৰাচী ভাষা কোৱা শুনি পিয়াৰৰ পৰা আঁতৰি আঁতৰি থকা হ'ল। সিহঁতে তাক ঠাট্টা-বিদ্ৰূপ কৰা শুনি পিয়াৰে মৰ্মান্তিক বেজাৰ পাইছিল।

পিছদিনা গধূলি পিয়াৰে শুনিলে যে সকলো বন্দীৰ বিচাৰ হব। অপৰাধ জুই লগাই দি নগৰ ধ্বংস কৰাৰ চেষ্টা। পিচদিনাখন অইন বন্দীবিলাকৰ লগত পিয়াৰকো এটা ঘৰলৈ নিয়া হ'ল। তাত পকাগুফীয়া এজন ফৰাচী সেনাপতি, দুজন সহকাৰী আৰু কিছুমান ফৰাচী মানুহ বহি আছিল। বন্দীবিলাকৰ বিচাৰ কৰোঁতে ছুটামান নিৰ্দিষ্ট চমু প্ৰশ্ন কৰা হয় আৰু তাতেই সত্যৰ সন্ধান নিৰ্ভুলভাৱে পোৱা বুলি ভবা হয়। এই বিচাৰকসকলেও সেইদৰে পিয়াৰ আৰু তাৰ লগৰীয়াবোৰক প্ৰশ্ন কৰিলে, "তুমি কোন? তুমি ক'ত আছিলা? কি উদ্দেশ্য?" ইত্যাদি।

"তুমি কি কৰিছিলা?" বুলি সোধাত পিয়াৰে ক'লে, "ছোৱালী এজনীক জুইৰ পৰা উদ্ধাৰ কৰি মই তাইক মাক-বাপেকৰ ওচৰলৈ নিছিলোঁ।"

"সৈনিকবোৰৰ লগত যুদ্ধ কৰিছিলা কিয়?"

"মই এজনী তিৰোতাক ৰক্ষা কৰিছিলোঁ। তিৰোতা মানুহক অপমানৰ হাতৰ পৰা ৰক্ষা কৰা প্ৰত্যেক মানুহৰ কৰ্তব্য।…"

অপ্ৰাসঙ্গিক কথা কোৱা বুলি পিয়াৰক আৰু কবলৈ দিয়া নহ'ল।

"জুই লগা ঘৰটোৰ চোতাললৈ তুমি কিয় গৈছিলা ?"

"মস্কোত কি হৈছে, মই চাই ফুৰিছিলোঁ।"

তাক আকৌ বাধা দিয়া হ'ল।

বিচাৰপতিয়ে ক'লে, "তুমি কলৈ গৈছিলা মই সোধা নাই। কিন্তু তুমি কি মতলবেৰে জুইৰ ওচৰত আছিলা ? তুমি কোন ?"

পিয়াৰে তাৰ নাম কবলৈ অমান্তি হোৱাত পকাগুফীয়া সেনাপতিজনে খঙেৰে ক'লে, "বৰ বেয়া, বৰ বেয়া কথা ; লিখি দিয়া।"

চতুৰ্থ দিনাখন পিয়াৰহঁতক ৰখা ঘৰটোত জুই লাগিল। অইন তেৰজনৰ লগত পিয়াৰকো এজন সদাগৰৰ গাড়ী থোৱা ঘৰ এটাত ৰখা হ'ল। ৰাস্তাৰে যাওঁতে ধোঁৱাৰ কাৰণে পিয়াৰে উশাহ লবলৈ টান পালে। গোটেই নগৰখন ধোঁৱাৰে ঢাক খাই আছে। চাৰিওফালে জুই। মস্কো পোৰাৰ উদ্দেশ্য কি পিয়াৰে তেতিয়া বুজি নাপালে। মস্কোৰ দৃশ্য দেখি তাৰ অন্তৰ কঁপি উঠিল।

চেপ্টেম্বৰৰ আঠ তাৰিখে বন্দীবোৰক এখন বাগিচালৈ নিয়া হ'ল। বাগিচাৰ মাজত এটা কাঠৰ খুটা পোতা আছিল। আৰু খুটাটোৰ ওচৰতে এটা ডাঙৰ গাঁত খন্দা হৈছে। খুটাটো আৰু গাঁতটোৰ চাৰিওফালে বহুতো মানুহ গোট খাই আছে। ইয়াত বেলেগ বেলেগ পোছাকৰ জাৰ্মান, ইটালিয়ান আৰু ফৰাচী মানুহ আছে। সৰহভাগেই নেপোলিয়নৰ সৈনিক। কছৰ সংখ্যা তাকৰ। খুটাটোৰ সোঁফালে আৰু বাওঁফালে ফৰাচী সেনাবোৰ শাৰী পাতি থিয় হৈ আছে। লিষ্টমতে বন্দীবোৰক শাৰী পাতি থিয়কৈ ৰখা হৈছে আৰু ক্ৰমিকভাৱে খুটাটোৰ ওচৰলৈ নিয়া হৈছে। পিয়াৰ হ'ল ছয় নম্বৰ বন্দী। কেৰাটাও ঢাক, ঢোল হঠাতে বাজি উঠিল। এই বাজনা শুনি পিয়াৰৰ জীউ গ'ল। সি একোকে ভাবিব নোৱাৰা হ'ল। এই হত্যাকাণ্ডটো সোনকালে হৈ গ'লেই পিয়াৰে ভাল পোৱা হ'ল। সি লগৰীয়াবোৰলৈ চালে। দুজন পুৰণি দাগী, এজন লগুৱা, এজন খেতিয়ক আৰু কাৰখানাত কাম কৰা এজন ওঠৰ বছৰীয়া লৰা।

বন্দীবোৰক এজন এজনকৈ নে একেবাৰতে দুজনকৈ গুলীয়াই মৰা হব— ফৰাচীবিলাকে আলোচনা কৰা পিয়াৰে শুনিলে। এজন ওথ খাপৰ কৰ্ম-

চাৰীয়ে একেলগে দুজনকৈ মাৰিবলৈ হুকুম দিলে। এজন ফৰাচী কর্মচাৰী বন্দীবোৰৰ ওচৰলৈ আহি কছ আৰু ফৰাচী ভাষাত দণ্ডৰ আদেশ পঢ়ি শুনালে।

এজন কর্মচাৰীৰ আদেশ মতে দুজন ফৰাচী সৈনিকে পুৰণি দাগী দুজনক লৈ গ'ল। দাগী দুজনে খুটাটোৰ ওচৰত থিয় হৈ চিকাৰীৰ হাতত পৰা জন্তুৰ দৰে হতাশ মনেৰে চাৰিওফালে চালে। এজনে ভগৱানৰ নাম ললে আৰু আনজনে মুখখন অলপ হঁহাৰ নিচিনা কৰিলে। সৈনিকবোৰে লৰালৰিকৈ সিহঁতৰ চকুবোৰ কাপোৰেৰে বান্ধি সিহঁতক খুটাটোত বান্ধিলে।

কেবাজনো হিলৈদাৰী সৈনিক আহি খুটাটোৰ পৰা আঠ খোজমান আঁতৰত থিয় হ'ল। পিয়াৰে আৰু সেইফালে চাব নোৱাৰিলে। হঠাতে ভয়ঙ্কৰ শব্দ হ'ল, চাৰিও পিনে ধোঁৱা উঠিল। গাঁতটোৰ ওচৰত ফৰাচী সৈনিকবোৰে কিবা কৰি থকা পিয়াৰে দেখিলে। তাৰ পাছত আৰু দুজন বন্দীক নিয়া হ'ল। ইহঁতেও নিঃসহায়ভাৱে চাৰিওফালে চালে। কিন্তু সঁচাকৈয়ে সিহঁতক মাৰিব বুলি সিহঁতে বিশ্বাস কৰিব পৰা নাই।

পিয়াৰে সিহঁতৰ ফালৰ পৰা মুখ ঘূৰালে। হঠাতে আকৌ ভয়ঙ্কৰ শব্দ হ'ল, ধোঁৱা উঠিল। পিয়াৰে দেখিলে কছ, ফৰাচী সৈনিক, কর্মচাৰী সকলোৰে মুখত বিষাদৰ ছাঁ। কোনেও যেন এই কামটো ভাল পোৱা নাই। পিয়াৰে ভাবিলে, "তেন্তে ইয়াৰ অর্থ কি? প্রকৃততে এইবোৰ কোনে কৰিছে? মোৰ নিচিনাকৈ সিহঁতেও বেজাৰ কৰিছে। সি কোন? কোন?"

তাৰ পাছত পিয়াৰৰ কাষত থিয় হৈ থকা পঞ্চম বন্দীজনক অকলে নিয়া হ'ল। পিয়াৰে ৰক্ষা পৰা বুলি আৰু বাকীবোৰক যে এনেয়ে বধ্যভূমিলৈ অনা হৈছে, পিয়াৰে জনা নাছিল। সি পঞ্চম বন্দী কাৰখানাত কাম কৰা লৰাজনৰ ফালে চালে। সৈনিকবোৰে লৰাটোৰ গাত হাত দিওঁতেই সি পিয়াৰক সাৱট মাৰি ধৰিলে। সৈনিকবোৰে একবাই তাক টানি লৈ গ'ল। সি চিঞৰি থাকিল কিন্তু খুটাটোৰ ওচৰ পাই হঠাতে শান্ত হ'ল। সি বোধকৰো বুজিলে যে চিঞৰিলে কোনো লাভ নাই বা মানুহে তাক মৰাটো অসম্ভৱ। সি উজ্জ্বল চকুযুৰিৰে চাৰিওফালে চালে। সৈনিকবোৰে তাৰ চকু দুটা বান্ধি তাক খুটাত বান্ধিলে। পিয়াৰে একেবাহে লৰাটোৰ ফালে চাই থাকিল। আদেশমতে লৰাটোলৈ আঠোটা গুলি মৰা হ'ল। কিন্তু পিয়াৰে কোনো শব্দ শুনিলে পিয়াৰ খুটাটোৰ ওচৰলৈ গ'ল। কোনেও তাক বাধা নিদিলে।

সৈনিকবোৰে বিষাদ মনেৰে মৰাশটোক কিবা কৰিছে। খুটাটোৰ পৰা টানি মৰাশটো লৰালৰিকৈ গাঁতত পেলাই দিয়া হ'ল। সিহঁতে আটায়ে ভালদৰে জানিছিল যে সিহঁত দোষী। আৰু নিশ্চয় সেই কাৰণেই পাপৰ চিন্‌চাবখিনি লুকাই থবলৈ ধৰফৰ কৰিছিল।

পিয়াৰে গাঁতটোৰ ভিতৰলৈ চালে। কাৰখানাত কাম কৰা লৰাটোৰ মূৰটো তলপিনে আৰু ভৰি দুখন ওপৰৰ ফালে আছে। সৈনিকবোৰে কোৰেৰে শটোৰ ওপৰত মাটি জাপি দিবলৈ ধৰিলে। এজন সৈনিকে খঙেৰে পিয়াৰক আঁতৰ হবলৈ কলে। কিন্তু পিয়াৰে তাৰ কথালৈ ভ্ৰুক্ষেপ নকৰি খুটাটোৰ ওচৰত থিয় দি ৰ'ল। তাক কোনেও খেদি নিদিলে।

গাঁতটো মাটিৰে পুৰ কৰা হ'লত পিয়াৰক বন্দীবিলাকৰ শাৰীলৈ নিয়া হ'ল। খুটাটোৰ দুয়োফালে থিয় দি ফৰাচী সৈনিকবোৰ তাৰ পৰা গুচি গ'ল। যিবোৰ সৈনিকে গুলি কৰিছিল সিহঁতো দুজন দুজনকৈ গ'ল। পিয়াৰে সিহঁতৰ ফালে চাই থাকিল। এজনৰ বাহিৰে সকলোবোৰ গৈ দলত যোগ দিলে। এজন ডেকা সৈনিক বিমৰ্ষভাৱে গাঁতটোৰ ওচৰতে থাকিল। সি মদপী মানুহৰ নিচিনাকৈ থৰক-বৰককৈ এবাৰ দুখোজমান আগলৈ যায় আৰু দুখোজমান পিচুৱাই আহে। থিয় হৈ থাকিব নোৱাৰে, পৰি যাব খোজে। এজন বুঢ়া কৰ্মচাৰীয়ে কান্ধত ধৰি তাক দললৈ টানি নিলে। দৰ্শকবোৰ তলমূৰকৈ খোজ ললে। কাৰো মুখত মাতবোল নাই।

কোনোবা এজন ফৰাচীয়ে ক'লে, "ই সিহঁতক জুই দিবলৈ শিকাব।" পিয়াৰে বক্তাজনলৈ ৰি চালে। এজন সৈনিকে তাৰ কামৰ কাৰণে মিছাতে সান্ত্বনা লভিব খুজিছিল। শেহৰ বাক্যটো শেষ নকৰাকৈয়ে সি হাত জোকাৰি গুচি গ'ল।

এই প্ৰাণদণ্ডৰ পাছত আইন বন্দীবোৰৰ লগৰ পৰা আঁতৰ কৰি পিয়াৰক এটা সৰু লেতেৰা গীৰ্জাত অকলে ৰখা হ'ল। গধূলি এজন কৰ্মচাৰী আৰু দুজন সৈনিক আহি পিয়াৰক ক'লে, যে তাক ক্ষমা কৰা হৈছে আৰু এতিয়া সিহঁতে তাক সামৰিক বন্দীবিলাকৰ ওচৰলৈ নিব। সিহঁতে তাক এটা আধাপোৰা ঘৰলৈ লৈ গ'ল। তাত বেলেগ বেলেগ ধৰণৰ প্ৰায় কুৰিজনমান মানুহ পিয়াৰৰ ওচৰতে থিয় হৈ আছিল। পিয়াৰে সিহঁতলৈ চালে। কিন্তু সিহঁত কোন, কিয় তাত আছে, পিয়াৰে একোকে বুজি নাপালে। বাতিপুৱা সেই মৰন বিভীষিকা দেখাৰ পৰা পিয়াৰৰ আত্মৰূপলীত বিপ্লব ঘটিছে। কোনো কথাই

যেন তাৰ মগজত নোসোমায়।

তাৰ চাৰিওফালে এক্কাৰত মানুহ থিয় হৈ আছিল। ঘৰটোৰ এটা চুকত কিছুমানে হাঁহি হাঁহি কথা পাতিছে।

খেৰৰ ওপৰত বহি, বেৰত আউজি পিয়াৰে এবাৰ চকু মেলে, এবাৰ মুদে। চকু মুদিলেই সি সেই কাৰখানাৰ লবাটোৰ ভয়লগা মুখখন আৰু হত্যাকাৰীসকলক দেখে। লবাটো আছিল সবল; আৰু গুলিওৰা মানুহবোৰে অনিচ্ছা সত্ত্বেও সেই কাম কৰিছিল। ভয়তে চকু মেলি পিয়াৰে এক্কাৰলৈ চাই থাকে।

পিয়াৰৰ ওচৰতে এজন মানুহ বহি আছিল। তাৰ গাৰ দুৰ্গন্ধৰ পৰা সি থকা বুলি পিয়াৰে গম পালে। এই মানুহজনে ভৰিবে কিবা কৰিছে। পিয়াৰে তাৰ মুখখন দেখা নাপালেও অনুমান কৰিলে যে সি সেই মানুহজনৰ ফালে চাই আছে। মানুহজনে ভৰিৰ পৰা কিবা জোলোকাই মূৰৰ ওপৰত থকা গজালত আঁৰি থলে। তাৰ পাছত কটাৰীখনেৰে কিবা কাটিলে। কটাৰীখন জপাই থৈ মানুহজনে হাত দুখনেৰে আঁঠু দুটা সাৱটি ধৰি বহি পিয়াৰৰ ফালে চাই থাকিল।

হঠাতে মানুহজনে মাত লগালে, "আপুনি বোধকৰোঁ বৰ কষ্ট পাইছে।" এনে সবল আৰু মৰমৰ মাত শুনি পিয়াৰে কিবা কব খুজিছিল কিন্তু তাৰ চকুপানী ওলাল। মানুহজনে আকৌ কছিয়াৰ খেতিয়ক তিৰোতাবোৰৰ দৰে মৰমেৰে ক'লে, "আপুনি দুখ নকৰিব। দুখ ক্ষন্তেকীয়া কিন্তু জীৱন অনন্ত। ভগৱানৰ শলাগ লওক। আমি ইয়াত ভালে, আছোঁ। একোৱে আমাক আমনি কৰা নাই। সিঁহতো মানুহ, সিঁহতৰ ভিতৰতো ভাল, বেয়া আছে।" তাৰ পাছত মানুহজন উঠি গ'ল। কুকুৰটোক মৰম কৰি আহি সৈনিকজন আকৌ নিজৰ ঠাইত বহিল। তাৰ হাতত কাপোৰেৰে মেৰোৱা কিবা বস্তু আছে। কাপোৰখন মেলি তাৰ পৰা মানুহজনে সসম্মানে পিয়াৰৰ হাতত কেটামান সিজোৱা আলুগুটি দি ক'লে, "ইয়াকে খাওক। এই আলুবোৰ খাই ভাল পাব।" গোটেই দিনটো পিয়াৰে একো খোৱা নাই। আলুৰ গোন্ধ পাই তাৰ ভাল লাগিল। সি সৈনিকজনক ধন্যবাদ দি আলু কেইটা খাবলৈ ধৰিলে। সৈনিকজনে অলপ হাঁহি ক'লে, "তেনেকৈ কিয় খাইছে? এনেকৈ খাওকচোন।" সৈনিকজনে এটা আলু লৈ কটাৰীৰে সমানে দুডোখৰ কৰিলে। তাত অলপ নিমখ ছটিয়াই দি পিয়াৰক খাবলৈ দিলে।

"আলুবোৰ বৰ ভাল। এনেকৈ খাওক, ভাল পাব।"

পিয়াৰে বৰ তৃপ্তিৰে খালে। এনে ভাল বস্তু যেন আৰু সি কেতিয়াও খোৱা নাছিল।

পিয়াৰে ক'লে, "মই ভালেই আছোঁ। কিন্তু সিহঁতে বেচেৰা মানুহ কেইজনক কিয় গুলীয়াই মাৰিলে?···শেহৰজন কুৰি বছৰীয়া লৰা আছিল।"

মানুহজনে ঘপৰাই ক'লে, "পাপ, বৰ ডাঙৰ পাপ···। আপুনিনো এনেকৈ মস্কোত কিয় আছিল?"

পিয়াৰে ক'লে, "ঘটনাচক্রত মই ইয়াত থাকিলোঁ। সিহঁত ইমান সোনকালে আহিব বুলি মই ভবা নাছিলোঁ।"

"কিন্তু ঘৰৰ পৰা আপোনাক কেনেকৈ ধৰি আনিলে?"

"নহয়, মই জুই চাবলৈ আহিছিলোঁ। জুই লগাই দিয়া মানুহ বুলি ধৰি মোক বিচাৰৰ কাৰণে আনিছে।"

"ইয়াতনো ক'ত বিচাৰ আছে? সকলো ভুৱা।"

আলুগুটি চোবাই চোবাই পিয়াৰে সুধিলে, "তুমি ইয়াত কেতিয়াৰাৰ পৰাই আছা নেকি?"

"মই? দেওবাৰে সিহঁতে মোক মস্কো হাস্পাটালৰ পৰা আনিছে।"

"তুমিনো কি? সৈনিক?"

"আমি এপচেৰণ সেনাদলৰ সৈনিক আছিলোঁ। মোৰ জ্বৰত মৰোঁ মৰোঁ অৱস্থা। আমাক একো সোধা নাই। আমি কুৰিজন বেমাৰত পৰি আছিলোঁ। এনে অৱস্থা হব বুলি আমি ভাবিবই পৰা নাছিলোঁ।"

"ইয়াত তুমি বৰ কষ্ট পাইছা, নহয়?"

"বৰ কষ্ট পাইছোঁ। মোৰ নাম প্লেটন। মানুহে মোক কাৰাটেভ্ বুলি মাতে। সেনাদলত মোক "সক শেন" বুলিছিল। দুখৰ কথা আৰু কব লাগিছে নে? মস্কো নগৰৰ মাক। তেওঁক দেখি মানুহে দুখ কৰিব।" পাছত লৰালৰিকৈ ক'লে, "বুঢ়া মানুহে কোৱা শুনিছিলোঁ বোলে—পোকে কৰি কুটে কিন্তু কুটা শেহ হোৱাৰ আগতে সি মৰে।"

"কি? কি? তুমি কি কলা?"

কাৰাটেভে কলে, "মই? মই কৈছোঁ যে কোনো কথা মানুহৰ বুদ্ধিমতে নহয়, ভগৱানৰ ইচ্ছামতে হে হয়। বাৰু, আপোনাৰ জমিদাৰী, নিজৰ ঘৰবাৰী আছে নে? আপুনি নিশ্চয় বৰ সুখত থকা মানুহ। আপোনাৰ পৰিয়াৰ

আছে নে? আপোনাৰ বুঢ়া মাক-বাপেক জীয়াই আছে নে?”

আন্ধাৰত পিয়াৰে তাৰ মুখখন দেখা নাছিল। তথাপি পিয়াৰে অনুভব কৰিলে যে প্লেটনে মৰমৰ হাঁহিৰে এইবোৰ প্ৰশ্ন কৰিছে। পিয়াৰৰ মাক-বাপেক, বিশেষকৈ মাক নোহোৱা বুলি শুনি প্লেটনে নিশ্চয় বৰ দুখ পাইছিল।

প্লেটনে ক'লে, “সৎ উপদেশৰ কাৰণে ঘৈণীয়েক, সোধপোছৰ কাৰণে শাহুৱেক, কিন্তু নিজৰ মাকৰ নিচিনা কোনো হব নোৱাৰে। আপোনাৰ লৰালুৰি আছে নে?” পিয়াৰে নাই বুলি কোৱাত সি আকৌ হতাশ হ'ল।

“বাৰু আপোনালোক ডেকা মানুহ। ভগবানত বিশ্বাস ৰাখিব। সকলো হব। সকল শান্তি আৰু মিলাপ্ৰীতিৰে থাকিব।”

পিয়াৰে ক'লে, “কিন্তু বৰ্তমান অবস্থাত থকা নথকা একে কথা।”

প্লেটনে ক'লে, “ভিখহুৱে জোলোঙা আৰু ফাটেকৰ হাত এৰাব পাৰিব বুলি কোনেও কব নোৱাৰে।” সি ভালকৈ বহি লৈ কথলৈ ধৰিলে—

“চাওক বন্ধু, মোৰ অবস্থা কি আছিল। আমাৰ বহুতো মাটিবাৰী আছে। খেতিয়কবোৰবো অৱস্থা ভাল। ঘৰখন আছিল ভগবানৰ দলাগ লবলগীয়া। সেইভাই আমাক ছজনক লৈ পথাৰলৈ গৈছিল। আমিও এক প্ৰকাৰ খেতিয়কৰ নিচিনা আছিলোঁ। আমাৰ দিনবোৰ বৰ সুখতে গৈছিল। পিছত···” প্লেটনে এটা দীঘলীয়া গল্প ক'লে। কেনেকৈ এদিনাখন সি খৰি বিচাৰি লোকৰ বাৰীত সোমাইছিল। চকীদাৰে কেনেকৈ তাক ধৰিলে। পিছত বিচাৰকে তাক বেত দি সেনাদলত ভৰ্তি কৰি দিলে।

“এইটো আমি দুৰ্ভাগ্য বুলি ভাবিছিলোঁ। কিন্তু চাওক ই আমাৰ সুখৰ কাৰণ হ'ল। ময় এই দোষ নকৰা হলে মোৰ ভাইজন সৈনিক বিভাগলৈ যাব লাগিলহেঁতেন। মোৰ ভাইজনৰ পাঁচোটা লৰা-ছোৱালী আছিল। কিন্তু মই অকল ঘৈণীক হে এৰি গৈছোঁ। মোৰ এজনী সৰু ছোৱালী আছিল। কিন্তু মই সৈনিক হোৱাৰ আগতে ভগৱানে তাইক নিছে। মই ছুটী লৈ ঘৰলৈ গৈ ঘৰখনৰ অৱস্থা আগতকৈ বহুগুণে ভাল দেখিছিলোঁ। চোতালখন গৰু-ম'হেৰে ভৰা। ঘৰত তিৰোতাবোৰে আৰু বাহিৰত ভাই দুজনে উপাৰ্জন কৰিছে। অকল দুমলীয়া ভাইজন ঘৰত থাকে। সেইভাই কয় ‘সকলো লৰা-ছোৱালী সমান। যি কোনো আঙুলিতে দুলে বিন্ধক, একে বিষ। সিইতে প্লেটনক সৈনিক কৰি নপঠোৱা হলে, দুমলীয়া লৰাটো যাব লাগিলহেঁতেন।’ বিশ্বাস কৰিব নে?—তেওঁ আমাৰ ঘৰৰ আটাইকে মাতিনি যীশুখ্ৰীষ্টৰ ছবিখনৰ আগত

থিৰ কৰালে। আৰু দেউতাৰ আদেশ মতে ফ্ৰমজীয়া ভাইজন, ভিবোতাবোৰে, লৰা-ছোৱালীবোৰে মোৰ শুবিত পৰি সেৱা কৰিলে। চাওক বিধাতাই সুবিচাৰ কৰে। আমাৰ বিচাৰ ঠিক নহয়। আমাৰ সুখ টনা-জাৰৰ পানীৰ নিচনা। টানি থাকোঁতে জালখন পানীৰে ওফন্দি থাকে; উঠাই আনিলে একো নাই," প্লেটন অইন ঠাইত গৈ বহিল।

"আপোনাৰ নিশ্চয় টোপনি ধৰিছে।" বুলি বৃদ্ধ সি মনে মনে ভগৱানক উপাসনা কৰিলে, "প্ৰভু! যীশুখ্ৰীষ্ট, ক্ৰোলা, লাভ্ৰা, আমাক দয়া কৰক, ৰক্ষা কৰক!" তাৰ পাছত তাৰ সামৰিক কোটটো গাত লৈ শুলে।

পিয়াৰে মাত লগালে, "তুমি কি স্তোত্ৰ গাইছা?"

প্লেটনে ক'লে, "স্তোত্ৰ? মই ভগৱানক প্ৰাৰ্থনা কৰিছোঁ। আপুনি নকৰে জানো?"

"ময়ো কৰোঁ কিন্তু তুমি কি কলা—ক্ৰোলা, লাভ্ৰা?"

প্লেটনে ক'লে, "তেওঁলোক ঘোঁৰাৰ দেৱতা। নিঃকিন জন্তুবোৰৰ কথাও ভাবিব লাগে।" ওচৰতে থকা তাৰ কুকুৰটোৰ গাত হাত ফুৰাই ক'লে, "এই মোৰ কুকুৰটো জাৰতে কোচমোচ খাই আছে।" প্লেটনৰ টোপনি আহিল।

বাহিৰত দূৰৈত চিঞৰ-বাখৰ, বিননি শুনা গৈছে। বেৰৰ ফুটাৰে জুইৰ পোহৰ দেখি। কিন্তু ঘৰটোৰ ভিতৰত এন্ধাৰ, নিস্তব্ধ। বহুপৰলৈকে পিয়াৰৰ টোপনি নাহিল। সি এন্ধাৰত চকু মেলি পৰি থাকিল।

এই ঘৰটোত পিয়াৰ চাৰি সপ্তাহ আছিল। তাৰ লগত আৰু তেইশজন সৈনিক, তিনিজন কৰ্মচাৰী আৰু দুজন বেসামৰিক বন্দী আছিল।

এইবোৰ আটাইবোৰ কথা পিয়াৰে পাছত পাহৰি গৈছিল, কিন্তু প্লেটনক সি কেতিয়াও পাহৰা নাই। প্লেটন কদিয়াৰ নিভাঁজ মৰমিয়াল মানুহ। প্লেটনৰ কথা-বতৰা শুনিয়ে মানুহজনৰ আকৃতি কেনেকুৱা হব পাৰে পিয়াৰে এন্ধাৰতে অনুমান কৰিছিল। পিছদিনা ৰাতিপুৱা দেখিলে যে তাৰ অনুমান হুবহু মিলিছে। প্লেটনে নিজৰ বয়সৰ কথা নাজানে। সি বিবেচি লগৰীয়াৰ কথা কয় তাৰ পৰা তাৰ বয়স পঞ্চাশৰ ওপৰ হব বুলি ধৰিব পাৰি। কিন্তু তাৰ শৰীৰত যথেষ্ট শক্তি আছে। দাঁতবোৰ মজবুত আৰু দাড়ি-চুলি এডালো পকা নাই।

মুখখন চাই মানুহে তাক সবল আৰু ডেকা বুলি কব। তাৰ মাতটো বৰ সুৱলা। সি লেঠেৰি নিচিগাকৈ কথা কব পাৰে। সি কি কৈছে বা কি কব

বোধকৰোঁ তাক আগতে নাজানো। তাৰ শাৰীৰিক শক্তি বৰ বেছি। কাটেকত আগৰছোৱালীতকৈ আগৰ যা অকুন কাক লোলে বোধকৰোঁ সি নাজানিছিল। বাতি বিছনাত পৰিলেই সি শিলৰ দৰে শুই থাকে। আৰু ৰাতিপুৱা সাৰ পায়ে লৰা-ছোৱালীয়ে পুতলা লৈ খেলাৰ দৰে চিনা ভতালিকে কামত ধৰে। সি সকলো কামকে কৰিব পাৰে। সি কটি কাটে, ধুৱা-বঢ়া কৰে, চিলাই কৰে, ছবি আঁকে আৰু জোতা চিলাই কৰে। সি সদায় ব্যস্ত। অকল গধূলি সি কথা পাতে আৰু গীত গায়। সি কথা পাতি বৰ ভাল পায়। গায়কৰ দৰে শ্ৰোতাক শুনাবৰ কাৰণে সি গীত নগায়। চৰাইৰ নিচিনাকৈ নিজৰ দৰকাৰত গায়। বৰ্দ্দীশালত সি দাড়িখোৰ দীঘলকৈ ৰাখিছে। এতিয়া সি সৈনিকৰ [illegible] এৰিলে। তাক জোৰ কৰিহে সৈনিক কৰা হৈছিল। সি এতিয়া আকৌ আগৰ খেতিয়কৰ স্বভাৱ লৈছে। সি কেতিয়াও তাৰ সৈনিক জীৱনৰ কথা নকয়। অৱশ্যে সি প্ৰায়ে কয় যে কোনো যুদ্ধতে সি পিচ পৰি থকা নাই। সি তাৰ খেতিয়ক জীৱনৰ কথা কবলৈ ভাল পায়। সি ধৰ্মভীৰু। সদায় জ্ঞানৰ কথা কয়। সৈনিকৰ দৰে অশ্লীল কথা কেতিয়াও তাৰ মুখেৰে নোলায়।

সি প্ৰায়ে এটা কথাকৈ তাৰ পাছতে তাৰ বিপৰীতটো কয়। কিন্তু দুয়োটাই সত্য। সি কথা কবলৈ ভাল পায়। আৰু কথাবোৰ প্ৰায়ে ৰহণ লগাই, যোজনা লগাই কয়। এইবোৰ যোজনা সি নিজে সজা বুলি পিয়াৰে অনুমান কৰিছিল। সাধাৰণ কথাবোৰকো সি সজাই-পৰাই অসাধাৰণ কৰে। সি সাধুকথা শুনিবলৈ ভাল পায় কিন্তু বাস্তৱ জীৱনৰ কথা শুনি বেছি ভাল পায়। আৰু তাৰ পৰা সি নিজ উপদেশ গোটাবলৈ চেষ্টা কৰে। কোনো বিশেষ বস্তু বা মানুহৰ প্ৰতি তাৰ মায়া-মমতা বা বন্ধুত্ব নাই। সি সকলো প্ৰাণীকে দয়া-মৰম কৰে—যেতিয়া যাক লগ পায়। সি তাৰ কুকুৰটোক, লগৰীয়াবোৰক, কৰাচীবোৰক, পিয়াৰক সকলোকে সমানে ভাল পাইছিল। কিন্তু পিয়াৰে তাৰ লগ এৰি যোৱাত সি অকণো দুখ কৰা নাই।

অইন সৈনিকবোৰৰ মনত প্লেটন এজন সাধাৰণ সৈনিক আছিল। তাক "[illegible]লেন" বুলি মাতিছিল। সিহঁতে তাক ঠাট্টা, বিদ্ৰূপ কৰিছিল আৰু সক-[illegible] আমবলৈ পাঠিছিল। কিন্তু প্ৰথম ৰাতিৰেই পিয়াৰে তাক এজন অচল, অটল, [illegible]তা আৰু সত্যৰ প্ৰতিমূৰ্ত্তি বুলি জ্ঞান কৰিছিল। পাছতো পিয়াৰে তাক [illegible]দায় এইভাৱেই চাইছিল।

উপাসনাৰ ভোজবোৰৰ বাহিৰে প্লেটনৰ কোনো কথা মুখস্থ নাই।

এটা বাক্য আৰম্ভ কৰিলে—তাক কেনেকৈ শেষ কৰিব—সি নাজানে। পিয়াৰে তাক কেতিয়াবা কোনো কথা বা কোনো গীত আকৌ কবলৈ বা গাবলৈ কলে, এক মিনিট আগতে কোৱা কথা বা গোৱা গীতটো সি তুনাই মনত পেলাব নোৱাৰে। সি অকল কেইটামান শব্দহে গাইছিল। সি গীতবোৰ গাইছিল অন্তৰৰ পৰা। বাক্যত নথকা শব্দৰ কিবা প্ৰভেদ থকা বুলি সি নাজানিছিল। সি অকলশৰীয়া গাইগোটা হৈ থাকিবলৈ ভাল নাপাইছিল। তাৰ কথা আৰু কামবোৰ আছিল ফুলৰ মলমলীয়া গোন্ধৰ নিচিনা।

## পঞ্চম অধ্যায়

ককায়েক বোণ্ডভইত্তৰ লগত জেবোম্লেভত থকা বুলি নিকলয়ৰ পৰা শুনি মাহীয়েকে হাক দিয়া সত্ত্বেও মেৰিয়া ককায়েকৰ তালৈ যাবলৈ ওলাল। তাই অকলে নাযায় ভতিজাককো লগত নিব। তালৈ যোৱাটো সহজ নে কষ্টকৰ, সম্ভৱ নে অসম্ভৱ, তাই কোনো খবৰ নকৰিলে, কৰিবলৈ ইচ্ছাও নকৰিলে। এই সময়ত ককায়েকৰ ওচৰত থকাটো—বোধকৰোঁ তেওঁৰ শেহ অৱস্থা, তাইৰ একমাত্ৰ কৰ্তব্য নহয়, লৰাটোকো বাপেকৰ ওচৰলৈ নিয়াৰ যত্ন কৰাটোও তাইৰ কৰ্তব্য বুলি ভাবিলে। যাৰৰ কাৰণে তাই লৰালৰিকৈ সাজু হ'ল। প্ৰিন্স এণ্ডুৱে তাইলৈ একো লিখা নাই। তাৰ কাৰণ মেৰিয়াই অনুমান কৰিলে ককায়েক বৰ দুৰ্বল, লিখিব নোৱাৰে নাইবা ইমান দূৰলৈ অহাটো মেৰিয়া আৰু লৰাটোৰ কাৰণে কষ্টকৰ আৰু বিপদজনক বুলি লিখা নাই।

ভৰোনেজত শেহৰ দিন কেইটা মেৰিয়াই বৰ সুখেৰে কটাইছিল। বোস্তভক ভাল পাই তাই অকণো দুখ-কষ্ট অনুভৱ কৰা নাই। তাইৰ বিশ্বাস হৈছিল যে তাই বোস্তভক ভাল পায় আৰু বোস্তভেও তাইক ভাল পায়।

ককায়েক বোস্তভইতৰ লগত থকা বলি শুনি নিকলয়ে যেতিয়া তাইক ক'লে, তেতিয়াৰ পৰা তাইৰ এই বিশ্বাসটো হৈছে। প্ৰিন্স এণ্ডু ভাল হলে নাতাচাৰ লগত আকৌ বিয়া হোৱাৰ সম্ভাৱনা আছে বুলি নিকলয়ে কোনো কথা কোৱা নাই। কিন্তু মেৰিয়াই নিকলয়ৰ মুখখন চাই অনুমান কৰিছিল যে সি এই বিষয়ে কিবা জানে বা ভাবিছে। তথাপি মেৰিয়াই নিকলয়ৰ মনৰ কোনো পৰিবৰ্তন নেদেখিলে। বৰং মেৰিয়াক ভাল পাই, এনেকৈ মিলাপ্ৰীতি হবলৈ পাই সি যেন বৰ আনন্দ অনুভৱ কৰিছিল। মেৰিয়াও কেতিয়াবা এনেকৈ ভাবি আনন্দ লাভ কৰে। মেৰিয়াই জানিছিল যে তাইৰ জীৱনত এই প্ৰথম আৰু এয়ে শেহ ভাল পোৱা। তাইকো ভাল পায় বুলি তাই অনুভৱ কৰিছিল। ইয়াতে তাই আনন্দ লভিছিল, শান্তি পাইছিল।

কিন্তু এই আধ্যাত্মিক শান্তিয়ে ককায়েকৰ কাৰণে শোক কৰাত অকণো প্ৰতিবন্ধক হোৱা নাই। বৰং এই আধ্যাত্মিক শান্তিয়ে ককায়েকৰ কাৰণে ভাবিবলৈ তাইক বেছি শক্তি দিলে। এতিয়া ককায়েকৰ কাৰণে সকলো দুখ-কষ্টকে তাই দুগুণ উৎসাহেৰে অতিক্ৰম কৰি গ'ল। যাওঁতে তাই অকল

বাটৰ কথাহে ভাবিছিল—কি কাৰণে, কলৈ যাব, সেই কথা ভবা নাই। কিন্তু জেৰোস্লেভৰ ওচৰ পাই সেইদিনা গধূলি ককায়েকৰ চিন্তাই তাইক আকৌ অভিভূত কৰিলে। তাই গৈ কি দেখে—তাইৰ ভাগ্যত কি আছে!

ৰোস্তভইত ক'ত আছে আৰু প্ৰিন্স্ এণ্ড্ৰুৰ বৰ্তমান অৱস্থা জানি আহিবলৈ মেৰিয়াই আগধৰি জেৰোস্লেভলৈ এজন গাৰোৱান পঠাইছিল। গাৰোৱানজন উলটি আহি গেটত মেৰিয়াৰ গাড়ীখন দেখিলে। মেৰিয়াই গাড়ীৰ খিড়িকীৰে ভালৈ চাইছে। তাইৰ শেঁতা মুখখন দেখি গাৰোৱানজনে ভয় খাই ক'লে,

"প্ৰিন্সেছ, মই সকলো বিচাৰি পাইছোঁ। ৰোস্তভইত ওচৰতে ভলগা নৈৰ পাৰত এজন সদাগৰৰ ঘৰত আছে।"

মেৰিয়াই ভয় ভয়কৈ গাৰোৱানজনৰ মুখলৈ চাই থাকিল। সিয়ো তাইৰ বাই প্ৰশ্নবোৰৰ উত্তৰ নিদিয়ে কিয়? ককায়েক কেনে আছে?

"প্ৰিন্সো তেওঁলোকৰ লগত একে ঘৰতে আছে।"

মেৰিয়াই ভাবিলে, "তেন্তে তেওঁ জীয়াই আছে।" লাহেকৈ সুধিলে, "তেওঁ কেনে আছে?"

"লগুৱাবোৰে ক'লে "কোনো পৰিবৰ্তন হোৱা নাই।"

"কোনো পৰিবৰ্তন নোহোৱাৰ" অৰ্থ মেৰিয়াই নুসুধিলে। সাত বছৰীয়া নিকলুছকা গাড়ীত মেৰিয়াৰ আগত বহি বং মনেৰে নগৰখনৰ দৃশ্য চাই আছে। মেৰিয়াই এবাৰ তাৰফালে চাই তলমূৰ কৰিলে। অলপ দূৰ গৈ গাড়ীখন ৰ'ল।

গাড়ীখনৰ দুৱাৰ মেলিলে। বাওঁফালে বহল ভলগা নৈ। সোঁফালে ভিতৰলৈ যোৱা বাট। বাটত কেবাজনো মানুহ, লগুৱা থিয় হৈ আছে। এজনী ধুনীয়া ছোৱালীয়ে মেৰিয়াৰ ফালে চাই মিচিকিয়াই হাঁহিলে। এইজনী চোনিয়া। মেৰিয়া আগবাঢ়ি গ'ল। ছোৱালীজনীয়ে হাঁহি হাঁহি ক'লে, "এইফালে আহক।" ঘৰৰ দুৱাৰমুখ পাওঁতেই এগৰাকী বয়সিয়াল মহিলা লৰালৰিকৈ আগবাঢ়ি আহি মেৰিয়াক সাৱটি ধৰি চুমা খালে। এইগৰাকী কাউণ্টেছ্।

"আইকণ, মই তোমাক কেতিয়াবাৰ পৰাই জানো, তোমাক ভাল পাওঁ।" এইগৰাকী কাউণ্টেছ বুলি মেৰিয়াই বুজি পালে। কিবা কোৱা উচিত ভাবি তায়ো নম্ৰভাৱে দুটামান কথা কৈ সুধিলে, "তেওঁ কেনে আছে?"

"ডাক্তৰৰ মতে তথ্যৰ কোনো কাৰণ নাই।" এই বুলি কৈ কাউণ্টেছে হমুনিয়াহ কাঢ়ি ওপৰলৈ চালে। তেওঁ আকাৰে ইঙ্গিতে তেওঁৰ কথাৰ প্ৰতিবাদ কৰিলে। প্ৰিন্সেছে সুধিলে, "তেওঁ ক'ত আছে? মই তেওঁক চাব পাৰোঁনে?"

"অলপ ৰবা, আইকণ, এতিয়াই চাব পাৰিবা।" নিকলুছকাৰ ফালে চাই ক'লে, "এইটো তেওঁৰ লৰা নেকি? তোমালোক ইয়াতেই থাকিব পাৰিবা। ঘৰটো ডাঙৰ। কি ধুনীয়া লৰা!"

মেৰিয়াই ককায়েকক চাবৰ কাৰণে উদ্বিগ্ন হৈ আছে। এই সময়ত ভূতিজাকৰ প্ৰশংসা আদি অইন কথা শুনি তাই আমনি পালে। কিন্তু তাই কোনো অসন্তুষ্টিৰ ভাব নেদেখুৱালে। দেশ, কাল, পাত্ৰ অনুসৰি নীতি-নিয়ম মানি চলিবই লাগিব।

মেৰিয়াই আকৌ সুধিলে, "তেওঁ ক'ত আছে?"

চোনিয়াই ক'লে, "তেওঁ তলৰ কোঠাত আছে। নাতাচা লগতে আছে। আমি খবৰ পঠাইছোঁ। আপোনাৰ বোধকৰোঁ বৰ ভাগৰ লাগিছে।"

মেৰিয়াই আমনি পালে। তাইৰ চকুলো ওলাল। তাই আকৌ কাউণ্টেছক সুধিব খুজিছিল, এনেতে দুৱাৰমুখত মানুহৰ খোজ শুনি সেইফালে চালে। নাতাচা লৰি আহিছে। বহুদিন আগতে মস্কোত এই নাতাচাকে তাই বেয়া পাইছিল। এতিয়া নাতাচাৰ মুখলৈ চায়ে মেৰিয়াই বুজি পালে যে নাতাচাই তাইৰ দুখৰ ভাগ লৈছে, তাইৰ বন্ধু। মেৰিয়াই আগবাঢ়ি গৈ তাইক সাৱটি ধৰি কান্দিবলৈ ধৰিলে।

নাতাচা প্ৰিন্স্ এণ্ড্ৰুৰ বিছনাৰ কাষতে বহি আছিল। প্ৰিন্সেছ মেৰিয়া অহা বুলি শুনি তাই লাহেকৈ কোঠাটোৰ পৰা ওলাই মেৰিয়াক দেখা কৰিবলৈ লৰি আহিছে। কোঠাটোৰ পৰা ওলাই আহোঁতে তাইৰ চকুমুখে ওলাই পৰিল এণ্ড্ৰুৰ প্ৰতি অসীম প্ৰেম। তাই মেৰিয়াক আৰু এণ্ড্ৰুৰ সকলো আপন মানুহকে ভাল পোৱা হ'ল। লোকৰ দুখত দুখী হবলৈ ইচ্ছা হ'ল। আৰু সিহঁতক সহায় কৰিবৰ কাৰণে আত্ম সমৰ্পণ কৰিবলৈ তাইৰ প্ৰবল বাসনা হ'ল। মেৰিয়াই নাতাচাক দেখিয়ে তাইৰ এই মনোভাব বুজি পালে। আৰু নাতাচাক সাৱটি ধৰি স্বস্তিৰ চকুলো টুকিলে।

"আহা মেৰি, তেওঁৰ ওচৰলৈ যাওঁহক।" বুলি নাতাচাই মেৰিয়াক হাতত ধৰি কাষৰ কোঠাটোলৈ লৈ গ'ল।

মেৰিয়াই চকুপানী মচি, মূৰ দাঙি নাতাচাৰ মুখলৈ চালে। তাই ভাবিলে যে নাতাচাৰ পৰা তাই সকলো জানিব, সকলো বুজিব পাৰিব। তাই "কেনে…" বুলি আৰম্ভ কৰিছিল কিন্তু হঠাতে ৰ'ল। তাই অনুভব কৰিলে যে কোনো প্ৰশ্ন বা কোনো উত্তৰ কথাৰে প্ৰকাশ কৰিব নোৱাৰি। নাতাচাৰ মুখখনে, চকুযুৰিয়ে যেন তাইক সকলো কথা ফটফটীয়াকৈ কৈছে।

নাতাচাই মেৰিয়াৰ ফালে চালে। কিন্তু তাই যি জানে সকলো কথা মেৰিয়াক কব নে নকয়, তাইৰ যেন মনত ভয় হল, সন্দেহ হল। তাই অনুভব কৰিলে মেৰিয়াৰ উজ্জ্বল চকুযুৰিয়ে তাইৰ অন্তৰ ভেদ কৰি চাইছে। তাই অনায়াসে সকলো সত্যকথা নোকোৱাকৈ থকাটো অসম্ভৱ। হঠাতে নাতাচাৰ মুখখন মলিন হ'ল। হাত দুখনেৰে মুখখন ঢাকি তাই ফেঁকুৰিবলৈ ধৰিলে। প্ৰিন্সেছ মেৰিয়াই সকলো বুজি পালে। তথাপি তাই নিৰাশ নহ'ল। মেৰিয়াই সুধিলে, "তেওঁৰ ঘাঁটোখৰ কেনে হৈছে? মুঠতে তেওঁৰ অৱস্থা কেনে?"

নাতাচাই অকল ক'লে, "তুমি…তুমি নিজে দেখিবা।"

সিহঁতৰ দুখ, চকুলো সামৰিবৰ কাৰণে দুয়ো কোঠাটোৰ বাহিৰত ৰহিল।

মেৰিয়াই সুধিলে, "দাদাৰ নো কি কি অসুখ হৈছিল? কেতিয়াৰ পৰা অৱস্থা বেয়া হ'ল?"

নাতাচাই ক'লে যে প্ৰথমতে ঘাঁটোখৰ ফুলিছিল আৰু বৰ বিষাইছিল। কিন্তু ট্ৰয়েটছাত এইবোৰ উপসৰ্গ নাইকিয়া হয়। কিন্তু ঘাঁটোখৰ পচা বুলিহে ডাক্তৰে ভয় কৰিছিল। সেইটো ভয়ো প্ৰায় নাইকিয়া হৈছিল। জেৰোস্লেভ পোৱাত ঘাঁটোখৰ আকৌ পচিবলৈ ধৰে। তেতিয়াৰ পৰা নাতাচাই সকলো কথা জানে। তাৰ পাছত জ্বৰ হ'ল। কিন্তু জ্বৰটো তিমান ভয় লগা নহয় বুলি ডাক্তৰে কৈছিল। কোনোমতে চকুপানী চম্ভালি নাতাচাই ক'লে, "আজি দুদিনৰ পৰা হঠাতে এই অৱস্থা হৈছে…। কি হ'ল, মই কব নোৱাৰোঁ। তুমি নিজেই তেওঁৰ অৱস্থা দেখিবা।"

"তেওঁ বৰ দুৰ্বল হৈছে নেকি? খীণাইছে নেকি?"

"নহয়, তাতোকৈ বেয়া। তুমি দেখিবা। ওঁ, মেৰিয়া, তেওঁ ইমান ভাল যে তেওঁ এই পৃথিৱীত থাকিব নোৱাৰে—কাৰণ…"

নাতাচাই দুৱাৰখন মেলিলে। প্ৰিন্সেছ মেৰিয়া আগে আগে কোঠাটোত সোমাল। মেৰিয়াৰ কান্দোন আহিল। তাই বুজি পালে যে হাজাৰ চেষ্টা

চৰিত্র কৰিও তাই চকুপানী চম্ভালিব নোৱাৰিব।

নাতাচাই কৈছিল, "দুদিনৰ পৰা তেওঁৰ এনে অৱস্থা হৈছে।" মেৰিয়াই তাৰ অৰ্থ বুজি পালে। হঠাতে তেওঁ শান্ত, কৰুণ হৈছে। মেৰিয়াই বুজি পালে যে ই মৃত্যুৰ আগজাননী। দৰাবদলি পাৰ্ছে সককালৰ সেই এণ্ড্ৰুছাৰ হাঁহি মুখখন তাইৰ মনত পৰিল। তাই ভাবিলে যে লউভাকৰ নিচিনাকৈ এণ্ড্ৰুৱেও মৃত্যু শয্যাত তাইৰ লগত মৰমেৰে, আগ্ৰহেৰে কথা পাতিব। তাই হয়তো সেইবোৰ সহ্য কৰিব নোৱাৰিব—কান্দি পেলাব। কিন্তু অলপ আগ পাছ, তাই কান্দিবই লাগিব। তাই কোঠাটোৰ ভিতৰত সোমাল। মেৰিয়াই এণ্ড্ৰুৰ মুখলৈ চালে। এণ্ড্ৰুৱে তাইক দেখিলে।

প্ৰিন্স্ এণ্ড্ৰু বিছনাত শুই আছে। দুই ফালে কাষত কেটামান গাৰু। তেওঁ বাঁধাইছে, শেতা পৰিছে। এখন ক্ষীণ হাতত এখন ৰুমাল। আনখন হাতৰ আঙুলিৰে গোফবোৰ ছুই চাইছে। গোফবোৰ দীঘল হৈছে। এণ্ড্ৰুৱে সিহঁতৰ ফালে চালে। এণ্ড্ৰুক দেখি মেৰিয়াৰ চকুপানী শুকাল, কান্দোন নাহিল। এণ্ড্ৰুৰ মুখলৈ, চকুযুৰিলৈ চাই তাই হঠাতে লাজ আৰু দোষী অনুভৱ কৰিলে। মনতে ভাবিলে, "মোৰ নো কি দোষ ?" কিন্তু এণ্ড্ৰুৰ নিষ্প্ৰভ, কঠোৰ চকুযুৰিয়ে যেন ক'লে, "তোমালোক জীয়াই আছা। জীয়াই থকা মানুহৰ কথা ভাবিছা কিন্তু মই !..."

সিহঁতৰ আগৰ নিয়মমতে এণ্ড্ৰুৱে ভনীয়েকৰ হাতত চুমা খালে। মেৰিয়াই এণ্ড্ৰুৰ হাতত চুমা খালে।

এণ্ড্ৰুৱে উদাসীনভাৱে ক'লে, "মেৰিয়া, কেনে আছা ? ইয়ালৈ কেনেকৈ আহিলা ?" এণ্ড্ৰুৰ মাতটো শুনি মেৰিয়াই ভয় খালে। এণ্ড্ৰুৱে হতাশৰ চিঞৰ মাৰিলেও মেৰিয়াই বোধকৰোঁ তিলমান ভয় নাখালেহেঁতেন। অলপ ভাবি, যেন পুৰণি কথা সুঁৱৰি এণ্ড্ৰুৱে ক'লে, "নিকলুছকাকো আনিছা নেকি ?" প্ৰিন্সেছ মেৰিয়াই সুধিলে, "এতিয়া কেনে আছা ?"

"ডাক্তৰক সুধিবা, ভণ্টী।" মৰম দেখুৱাবলৈ চেষ্টা কৰি, নজৰানিচিন্তাকৈ আকৌ ক'লে, "ভণ্টী, তুমি যে আহিছা, তাৰ কাৰণে তোমাক ধন্যবাদ।"

মেৰিয়াই এণ্ড্ৰুৰ হাতখন সাবটি ধৰিলে। কিন্তু কি কব ভাবি নাপালে। এণ্ড্ৰুৱে ভ্ৰুকুঞ্চিত কৰি উদাস দৃষ্টিৰে চাই থাকিল। দুদিনৰ পৰা তেওঁৰ অৱস্থাৰ কি পৰিবৰ্তন ঘটিছে, মেৰিয়াই গম পালে। তেওঁৰ মাত, কথা আৰু চকু-যুৰিৰ পৰা বুজিব পাৰি যে তেওঁ সকলো পাৰ্থিব বস্তুলৈ উদাসীন। জীৱন্ত মানুহৰ

কাৰণে বৰ ভয় লগা কথা। বহু কষ্টেৰে তেওঁ জীৱন্ত বস্তুৰ কথা বুজি পায়। তেওঁৰ বুজি পোৱা শক্তি লোপ পোৱা নাছিল। কিন্তু তেওঁ যি ভাবিছিল, যি বুজিছিল, জীৱন্ত মানুহে তাক বুজা নাছিল, বুজিব পৰা নাছিল।

নাতাচাৰ ফালে দেখুৱাই এণ্ড্ৰুৱে ক'লে, "চোৱা, ভাগ্যই কেনেকৈ আমাক আকৌ লগ লগাই দিছে। তেওঁ মোক শুশ্ৰূষা কৰিছে।"

মেৰিয়াই এণ্ড্ৰুৰ কথা বুজি নাপালে। তেওঁ ভালপোৱা ছোৱালীজনীৰ আগত তেওঁ এনেকৈ কৰ পাৰিলে কেনেকৈ! এণ্ড্ৰুৱে এনেকৈ কেতিয়াও নকয়। মনৰ কোমল অনুভূতিক বাহিৰত প্ৰকাশ কৰা তেওঁৰ স্বভাব বিৰুদ্ধ বুলি মেৰিয়াই জানে। জীয়াই থাকিব বুলি ভৰা হলে এনেকৈ উপলুভাকৈ কেতিয়াও নকয়। মৰিব বুলি নজনা হলে তাইৰ কাৰণে দুখ নকৰি নোৱাৰিলেহেঁতেন। তাইৰ আগত এনেকৈ কৰ নোৱাৰে। ইয়াৰ একমাত্ৰ কাৰণ হব পাৰে—তেওঁ কিবা ডাঙৰ সত্যৰ সন্ধান পাইছে। সেই কাৰণে তেওঁৰ মনত এতিয়া এইবোৰৰ কোনো মূল্য নাই।

এণ্ড্ৰুৱে উদাসীন, অসংলগ্নভাৱে, বৈ বৈ কথা পাতিছে। নাতাচাই ক'লে, "মেৰি ৰেজান হৈ আহিছে।"

"হয় নেকি ?"

"তাই কৈছে মস্কো হেনো পুৰি ছাৰখাৰ হৈছে। মস্কোৰ দৃশ্য···।" নাতাচা ৰ'ল। আৰু কৰ নোৱাৰিলে। এণ্ড্ৰুৱে তাইৰ কথাবোৰ শুনিবলৈ চেষ্টা কৰিছিল কিন্তু নোৱাৰিলে।

"হয়, পুৰিছে বুলি শুনিছোঁ। বৰ দুখৰ কথা, বৰ অন্যায়।" বুলি কৈ এণ্ড্ৰুৱে সম্মুখৰ ফালে একেৰাহে চাই গোফবোৰ আঙুলিৰে চুই থাকিল।

নিইভক ভালৰি লগাবৰ কাৰণে এণ্ড্ৰুৱে হঠাতে ক'লে, "মেৰি, কাউণ্ট নিকলাচৰ লগত তেন্তে তোমাৰ দেখা হৈছে। তোমাক বৰ ভাল লাগিছে। বুলি সি লিখিছে। তুমিও যদি তাক ভাল পোৱা, বৰ ভাল হব, তাৰ লগত তোমাৰ বিয়া হলে।" এণ্ড্ৰুৱে সহজভাৱে কথাবোৰ কৈ গ'ল। জীৱন্ত মানুহৰ কাৰণে ইয়াৰ কি তাৎপৰ্য্য হব পাৰে তেওঁ বুজি নাপালে।

"মোৰ কথা কিয় কৈছা ?" বুলি মেৰিয়াই নাতাচাৰ ফালে চালে। নাতাচাই কিন্তু তাইৰ ফালে নাচালে। আকৌ সকলো নিমাত হ'ল।

মেৰিয়াই ভয় ভয়কৈ ক'লে, "এণ্ড্ৰু, তুমি নিকলুছকাক চাবা নেকি ? সি তোমাৰ কথা কৈ আছে।"

প্ৰিন্স্ এণ্ড্ৰুৱে অলপ মিচিকি হাঁহিলে। কিন্তু মেৰিয়াই এণ্ড্ৰুৰ মুখখন ভালদৰে চিনি পায়। তাই বুজিলে যে ই আনন্দৰ হাঁহি নহয়, পুত্ৰেকৰ কাৰণে মৰমৰ হাঁহি নহয়। ভনীয়েকে তাৰ অনুভূতি জগাবৰ কাৰণে শেহ চেষ্টা কৰা দেখি এণ্ড্ৰুৱে বিদ্ৰূপৰ হাঁহি হাঁহিছে।

"নিশ্চয়, নিকলুছকাক চাবলৈ পালে বৰ ভাল পাম। সি ভালে আছে নে?"

নিকলুছকাক ঘৰৰ ভিতৰলৈ অনা হ'ল। প্ৰিন্স্ এণ্ড্ৰুৱে তাক চুমা খালে। কিন্তু তাক কি কৰ ভাবি নাপালে। নিকলুছকাই বিষাদ মনেৰে বাপেকৰ ফালে চালে। কিন্তু কাকো কন্দা নেদেখি, সি নাকান্দিলে।

লৰাটোক লৈ গ'লত প্ৰিন্সেছ মেৰিয়াই আকৌ এবাৰ ককায়েকৰ ওচৰলৈ গৈ তেওঁৰ হাতত চুমা খালে। মেৰিয়াই আৰু সংযত হৈ থাকিব নোৱাৰিলে; কান্দি পেলালে।

এণ্ড্ৰুৱে তাইলৈ চালে। "নিকলুছকাৰ কাৰণে কান্দিছা নেকি?" মেৰিয়াই কান্দি কান্দি মূৰ দুপিয়ালে।

"মেৰিয়া, তুমি বাইবেল পঢ়িছা..." বুলি কৈ এণ্ড্ৰু হঠাতে ৰ'ল।

"কি কৈছা?"

"একো নহয়। তুমি ইয়াত নাকান্দিবা।"

প্ৰিন্সেছ মেৰিয়াক কন্দা দেখি এণ্ড্ৰুৱে বুজি পালে যে নিকলুছকা মাউৰা হব বুলি মেৰিয়াই কান্দিছে। তেওঁ বহু চেষ্টা কৰি ভাবিলে, "হয়, সিঁহতৰ মনত ই দুখৰ কথা। কিন্তু ই কোনো কথাৰ কথাই নহয়। অতি সহজ, অতি সৰল!"

এণ্ড্ৰুৱে মনতে ক'লে, "মানুহে একো কৰিব নোৱাৰে। ভগবানেই সকলো কৰে!" এই কথাটো এণ্ড্ৰুৱে ভনীয়েকক কব খুজিছিল। "কিন্তু সিঁহতে বুজি নাপাব। মনত বেজাৰ হে পাব। কোনো পাৰ্থিব বস্তুৰ লগতে মানুহৰ আচলতে কোনো সম্পৰ্ক নাই বুলি জীয়াই থকা মানুহে বুজিব নোৱাৰে। সিঁহতৰ আৰু মোৰ মাজত এতিয়া বহু ব্যৱধান। সিঁহতে মোৰ কথা নুবুজিব।"

প্ৰিন্স্ এণ্ড্ৰুৰ লৰাটোৰ বয়স মাত্ৰ সাত বছৰ। সি ভালকৈ পঢ়িব নোৱাৰে— একো নাজানে। ইয়াৰ পাছত দেখি-শুনি তাৰ অভিজ্ঞতা হৈছিল। পিছত সি যি মানসিক শক্তি লাভ কৰিছিল, সেই শক্তি আজি তাৰ থকা হলেও দেউতাক, মেৰিয়া আৰু নাতাচাৰ আজিৰ অন্তৰৰ ভাব সি হৃদয়ঙ্গম কৰিব নোৱাৰিলেহেঁতেন। সি বুজি পালে। সি ৰকন্দাকৈ কোঠাটোৰ পৰা ওলাই

গ'ল। নাতাচা পিছে পিছে গ'ল। বাহিৰত সি নাতাচাৰ গাত মূৰটো গুজি কান্দিবলৈ ধৰিলে। সিদিনাৰ পৰা সি কাৰো ওচৰলৈ নাযায়। অকলে থাকে। মাইৰা যেতিয়া আৰু নাতাচাৰ লগ লয়। সি এতিয়া পেহীয়েকতকৈও নাতাচাক বেছি ভালপোৱা যেন লাগিল।

ককায়েকৰ ওচৰৰ পৰা আহি যেতিয়াই নাতাচাৰ মুখখন দেখি যি অনুমান কৰিছিল সকলো বুজি পালে। ককায়েকৰ বাচিবৰ আশা আছে বুলি তাই আৰু নাতাচাক নকলে। নাতাচাৰ লগত পাল পাতি তাই ককায়েকৰ ওচৰত বহি থাকে। তাই নাকান্দে। ৰাতি দিনে ভগৱানক প্ৰাৰ্থনা কৰে। মুমূৰ্ষু মানুহজনৰ চৌপাশে তাই ভগৱানৰ অস্তিত্ব অনুভৱ কৰিছিল।

প্ৰিন্স্ এণ্ড্ৰুৱে অনুভৱ কৰিছিল যে তেওঁৰ মৃত্যু ওচৰ চাপি আহিছে, তেওঁ এতিয়া আধামৰা। সকলো পাৰ্থিৱ বস্তুলৈ উদাসীন হৈ তেওঁৰ মনটো আচৰিত ধৰণে পাতল লাগিছে। অজ্ঞাত অনন্তৰ অস্তিত্ব তেওঁ গোটেই জীৱনত অনুভৱ কৰিছিল। এতিয়া বিশেষভাৱে তাক অনুভৱ কৰিছে। অতীতত তেওঁ মৃত্যুলৈ ভয় কৰিছিল। এতিয়া আৰু ভয়ৰ অৰ্থ বুজি নাপায়। যুদ্ধক্ষেত্ৰত সম্মুখত কামানৰ গুলিবৰ্ষণ দেখি তেওঁৰ মৃত্যুলৈ ভয় হৈছিল। কিন্তু আঘাত পোৱাৰ পিছত সজ্ঞান হৈ তেওঁ আৰু মৃত্যুলৈ ভয় কৰা নাই; মৃত্যুৰ কথা ভবা নাই। নিজান কগ্ন শয্যাত পৰি তেওঁ অকল পৰলোকৰ কথা ভাবিছে। আৰু লাহে লাহে পাৰ্থিৱ জীৱনৰ প্ৰতি তেওঁৰ অনাসক্তি বাঢ়ি আহিছে। বৰোডিনৰ যুদ্ধৰ পিছত তেওঁ নতুন অনন্ত প্ৰেমৰ সন্ধান পাইছিল। মৃত্যুৰ কথা মনত পৰিলেই তেওঁ কৈছিল—"বৰ ভাল কথা।"

কিন্তু সেই দিনাখন ৰাতি যেতিয়া এজনী নাৰী আহি তেওঁৰ হাতত চুমা খালে, অজ্ঞাতে সেই নাৰীগৰাকীৰ প্ৰতি তেওঁৰ প্ৰেম উপজিল। আকৌ তেওঁ পাৰ্থিৱ জীৱনৰ বন্ধনত পৰিল। এই নাৰীগৰাকীক পাবৰ কাৰণে তেওঁ কিমান হেঁপাহ কৰিছিল। পাৰ্থিৱ সুখৰ চিন্তাই তেওঁক আগুৰি ধৰিলে।

আনাতোলৰ কথা এণ্ড্ৰুৰ মনত পৰিল। সি এতিয়া জীয়াই আছে নে নাই, কাকো সুধিবলৈ সাহস নহ'ল। চিকিৎসা কেন্দ্ৰত আনাতোলক তেওঁ যি কৃপা, কৰুণা, দয়া দেখুৱাইছিল, আজি দেখা হলে তেনে কৰিবলৈ পাৰিব বুলি এণ্ড্ৰুৰ সন্দেহ হ'ল।

নাতাচাই যি পৰিবৰ্তনৰ কথা কৈছিল—এণ্ড্ৰুৰ অৱস্থাৰ সেই পৰিবৰ্তন ঘটিছে—প্ৰিন্সেছ মেৰিয়া আহি পোৱাৰ দুদিন আগৰ পৰা। ই জীৱন মৰণক

সংগ্ৰাম। নাতাচাৰ মনত তেওঁ প্ৰেম আৰু অজ্ঞাতৰ বিভীষিকা। শেহত মৃত্যুৰে জয় হ'ল।

গধূলি এণ্ড্ৰু অৰত তন্দ্ৰা অৱস্থাত পৰি আছে। মেজৰ ওচৰত চোনিয়া বহি আছে। হঠাতে আনন্দ অনুভৱ কৰি এণ্ড্ৰুৱে ভাবিলে, "তাই আহিছে।" সঁচাকৈয়ে ঠিক সেই সময়তে নাতাচা মনে মনে আহি চোনিয়াৰ ঠাইত লাহেকৈ বহিছিল। এণ্ড্ৰুৱে নাতাচাৰ উপস্থিতি সহজে অনুভৱ কৰিব পাৰে।

চাকিৰ পোহৰটো এণ্ড্ৰুৰ মুখত পৰা দেখি নাতাচাই চাকিটো আঁৰ কৰি এখন চাপৰ চকীত বহি মোজা ববলৈ ধৰিলে। এদিনাখন এণ্ড্ৰুৱে কৈছিল যে বেমাৰীৰ ওচৰত বহি হাতৰ কাম কৰি থকা বুঢ়ী ধাইবোৰেই ভাল ধাই। তাইক চিলাই কৰি থকা দেখিলে তেওঁৰ ভাল লাগে। সিদিনাখনৰ পৰা নাতাচাই এণ্ড্ৰুৰ ওচৰত বহি মোজা গোঁঠে। তাই তলমূৰকৈ সৰু সৰু ধুনীয়া আঙুলি-বোৰেৰে মোজা গুঠিছে ; এফালে গালত চাকিটোৰ পোহৰ পৰিছে। এণ্ড্ৰুৱে তাইৰ ফালে চাই আছে। হঠাতে সূতাৰ গুলিটো নাতাচাৰ কোলাৰ পৰা মাটিত পৰিল। নাতাচাই এণ্ড্ৰুৰ ফালে চালে। এহাতেৰে চাকিটো আঁৰ কৰি ধৰি, আন হাতেৰে চাপৰি মাটিৰ পৰা সূতাৰ গুলিটো তুলি ললে। এণ্ড্ৰুৱে সকলো চাই আছে। নাতাচাই দীঘলকৈ এটা উশাহ ললে।

ট্ৰয়েটচাত তেওঁলোকে অতীতৰ কথা কৈছিল। এণ্ড্ৰুৱে কৈছিল যে তেওঁ যদি ভাল হয়, তেওঁ যি আঘাত পাইছিল তাৰ কাৰণে তেওঁ ভগৱানৰ শলাগ লব। কাৰণ আঘাতৰ কাৰণেই তেওঁলোকৰ দুয়োবো পুনৰ্মিলন সম্ভৱ হ'ল। কিন্তু তেতিয়াৰ পৰা তেওঁ কেতিয়াও ভৱিষ্যতৰ কথা কোৱা নাই।

নাতাচাই তলমূৰকৈ চিলাই কৰি আছে। এণ্ড্ৰুৱে তাইৰ ফালে চাই এতিয়া ভাবিলে, "সম্ভৱ হব নে নহব ? অকল মোৰ মৃত্যুৰ কাৰণেই বিধাতাই আমাক এনে আচম্বিতে লগ লগাই দিছে নেকি ?...জীৱনটো মিছাতে কটাবৰ কাৰণে মোক জীৱনৰ সত্য উপলব্ধি কৰিবলৈ দিছে নেকি ? পৃথিৱীৰ সকলো বস্তুতকৈ মই তাইক বেছি ভাল পাওঁ। মই এতিয়া কি কৰিব পাৰোঁ ? হঠাতে এণ্ড্ৰুৱে চিঞৰি উঠিল।

নাতাচা ওচৰলৈ গ'ল। এণ্ড্ৰুক চকু মেলি থকা দেখি সুধিলে, "আপোনাৰ টোপনি অহা নাই ?"

"নাই, মই কেতিয়াবাৰে পৰা তোমাৰ ফালে চাই আছো। তুমি অহা মই গম পাওঁ। তোমাৰ বাহিৰে মোক আন কোনেও শান্তি দিব নোৱাৰে।"

বত্তকে নাত্তাচাব মুখখন উজ্জ্বল হৈ উঠিল।

"নাত্তাচা, মই তোমাক খব ভাল পাওঁ! পৃথিবীৰ সকলো বস্তুতকৈ!"

নাত্তাচাই অলপ থাঁতবি আহি ক'লে, "আৰু মই?"

"বাক, তুমি কি ভাবা? তোমাব মনটোৱে কি কয়? মই বাচিম নে? তুমি কি ভাবা?"

নাত্তাচাই আবেগেৰে তেওঁৰ হাত ছুখন সাবটি ধৰি কান্দোনৰ সুৰত কলে, "মই জানো, আপুনি নিশ্চয় ভাল হব।"

অলপ পৰ নিমাতে থাকি এণ্ডুৱে ক'লে, "কি সুখৰ কথা হব।"

নাত্তাচা আনন্দত চঞ্চল হ'ল। পাছত তাই ভাবিলে যে এই সময়ত উত্তেজনা ভাল নহয়। তেওঁ শান্ত হৈ জিৰণি লব লাগে। সংযত হৈ কলে, "আপোনাৰ টোপনি অহা নাই। শুবলৈ চেষ্টা কৰক।"

এণ্ডুৱে আকৌ নাত্তাচাৰ হাতত চুমা খালে। নাত্তাচাই চাকিটোৰ ওচৰলৈ গৈ আকৌ আগৰ ঠাইত বহিল। নাত্তাচাই ছুবাৰো এণ্ডুৰ ফালে চালে। তেওঁ উজ্জ্বল চকুযুৰি মেলি আছে। তাই মোজা বৰলৈ লাগিল। হাতৰ কাম শেহ নহয় মানে তাই আৰু এণ্ডুৰ ফালে নাচায় বুলি ভাবিলে।

এণ্ডুৰ টোপনি আহিল কিন্তু অলপ পাছতে হঠাতে ভয় খাই সাৰ পালে। টোপনিৰ আগ মুহূৰ্তটো তেওঁ জীৱন মৰণৰ কথা ভাবিছিল; বিশেষকৈ মৰণৰ কথা। মৃত্যুৱে তেওঁৰ কাষ চাপিছে বুলি তেওঁ অনুভৱ কৰিছিল। ভাবিলে, "প্ৰেম! প্ৰেম নো কি? মৃত্যুক দূৰ কৰাই প্ৰেম, প্ৰেমেই জীৱন। মই ভাল পাওঁ দেখি এই কথা উপলব্ধি কৰিব পাৰিছোঁ। প্ৰেম জগত জুৰি আছে। প্ৰেমেই ভগৱান। প্ৰেমৰ একোটা কণিকা গুৰি হোৱাতেই মৃত্যু। মযো এটি তেনে কণিকা। মোৰ মৃত্যুও বিশ্বৰ অনন্ত প্ৰেমৰ কণিকা। প্ৰেমৰ মহা সমূদ্ৰৰ পৰা জীৱন পাইছোঁ—তাতেই সকলো লয় হব।"

এইবোৰ কল্পনা কৰি তেওঁ সান্ত্বনা পায়। কিন্তু এইবোৰ অকল চিন্তা হে—মানৱ কথা, ব্যক্তিগত কথা,—সকলো সত্য নহয়। হঠাতে মনত সন্দেহ, অশান্তি অনুভৱ কৰে। এনেকৈ ভাবি থাকোঁতেই তেওঁৰ টোপনি আহিল।

তেওঁ সপোন দেখিলে সেই কোঠাটোতে তেওঁ শুই আছে, কিন্তু তেওঁ রুগ্ন নহয় সুস্থ। তাত বহুতো বকমৰ সাধাৰণ মানুহ আছে। কিবা এটা সক কথা লৈ তেওঁ সিইতৰ লগত তৰ্ক-বিতৰ্ক কৰিছে। সিইত কৰবালৈ যাব ওলাইছে।

এণ্ডুৱে অনুভৱ কৰিছিল এইবোৰ অসাৰ কথা, তেওঁৰ ভাবিবলৈ বহুতো

তাওঁৰ কথা আছে। তথাপি তেওঁ মিছাতে কিছুমান কথা কৈছিল। তেওঁৰ কথা শুনি সিহঁত আচৰিত হৈছিল। লাহে লাহে মানুহবোৰ আঁতৰি গ'ল। তেওঁ দুৱাৰখন মাৰিবলৈ থিয় হ'ল। কিন্তু দুৱাৰখন বন্ধ কৰাত তেওঁৰ যেন পলম হ'ল। ভৰি দুখন লৰচৰ নকৰা হ'ল। তেওঁৰ বৰ ভয় লাগিল। ই মৃত্যুৰ ভয়। দুৱাৰৰ আঁৰত মৃত্যু হৈ আছে। এণ্ড্ৰুৱে অসহায়ভাৱে বহু চেষ্টা কৰি দুৱাৰৰ ওচৰলৈ গ'ল। কিন্তু এক ভয়ঙ্কৰ মূৰ্তিয়ে বাহিৰৰ পৰা দুৱাৰখন জোৰেৰে টানি ধৰিছে। এণ্ড্ৰুৱে দুৱাৰখন ধৰি জপাবলৈ শেহ চেষ্টা কৰিলে, কিন্তু কোনোমতে বন্ধ কৰিব নোৱাৰিলে। মৃত্যুৰ হেঁচাত দুৱাৰখন মেল খাই আকৌ বন্ধ হ'ল। সেই ভয়ঙ্কৰ মূৰ্তিয়ে বাহিৰৰ পৰা আকৌ দুৱাৰখন টানিলে। এণ্ড্ৰুৰ সকলো চেষ্টা ব্যৰ্থ হ'ল। দুৱাৰখন মেল খালে। ভয়ঙ্কৰ মূৰ্তিটো ভিতৰ সোমাল। ই মৃত্যু। প্ৰিন্স্ এণ্ড্ৰুৰ মৃত্যু হ'ল। সপোনত মৰাৰ মুহূৰ্তত সাৰ পাই এণ্ড্ৰুৰ মনত পৰিল যে তেওঁৰ টোপনিহে আহিছিল।

হঠাতে এণ্ড্ৰুৱে অন্তৰত অজ্ঞাতৰ অনুসন্ধান পালে। "হয়, ই মৃত্যু। মই মৰিছিলোঁ, আকৌ সাৰ পালোঁ। তেন্তে মৃত্যুৰেই জাগৰণ?" তেওঁৰ মনটো বৰ পাতল লাগিল, যেন কোনো শক্তিৰ বন্ধনৰ পৰা মুকলি হ'ল। মৃত্যুৰ স্পৰ্শত সুপ্ত চেতনা জাগি উঠিল।

সাৰ পাই বিছনাত লৰচৰ কৰা দেখি নাতাচাই ওচৰলৈ গৈ সুধিলে, "কি হৈছে?" এণ্ড্ৰুৱে একোকে নামাতিলে। অকল তাইৰ ফালে চাই থাকিল। তাইৰ কথা বুজি নাপালে।

প্ৰিন্সেছ মেৰিয়া আহি পোৱাৰ দুদিন আগৰে পৰা এণ্ড্ৰুৰ এই পৰিবৰ্তন হৈছিল। ডাক্তৰে কৈছিল যে জ্বৰটো বেয়াৰ ফালে ঢাল লৈছে। কিন্তু নাতাচাই ডাক্তৰৰ কথালৈ মন কৰা নাই। মানসিক লক্ষণবোৰ দেখিহে তাই ভয় খাইছিল। সিদিনাখন টোপনিৰ পৰা সাৰ পাই প্ৰিন্স্ এণ্ড্ৰুৱে যেন নতুন জীৱন লাভ কৰিছিল।

এণ্ড্ৰুৰ জীৱনৰ শেহ কেইদিন শান্তভাৱেই গৈছিল। মেৰিয়া আৰু নাতাচাই তেওঁক অকণো অকলে এৰি থোৱা নাই। তেওঁলোকে কন্দা নাই, ভয় খোৱা নাই। শেহ মুহূৰ্তত তেওঁলোকে অনুভৱ কৰিছিল যে তেওঁলোকে এণ্ড্ৰুক পৰ দিয়া নাই, তেওঁৰ স্মৃতি, দেহাটোকহে পৰ দি আছে। মৃত্যুৰ বিভীষিকাই তেওঁলোকক বিচলিত কৰিব পৰা নাই। এণ্ড্ৰুৰ আগত, এনেকি পাচতো তেওঁলোকে কন্দা নাই। এণ্ড্ৰুৰ বিষয়ে

কোনো কথা পতা নাই। কাৰণ অন্তৰৰ ভাৱ প্ৰকাশ কৰিবলৈ তেওঁলোকৰ ভাষা নাছিল।

পুৰোহিতৰ আগত এণ্ড্ৰুৱে শান্তভাৱে আত্ম নিবেদন কৰিলে। বিদায় লবলৈ সকলো আহিল। পুতেকক ওচৰলৈ আনিলত এণ্ড্ৰুৱে তাক চুমা খাই মুখ ফিৰালে। বেজাৰতে মুখ ফিৰোৱা নাছিল। তেওঁ কৰিবলগীয়া কাম শেহ হোৱা বুলি ভাবিছিল। লৰাটোক আশীৰ্বাদ দিবলৈ কোৱাত তেওঁ আশীৰ্বাদ দি চাৰিওফালে চালে, আৰু কিবা কৰিবলগীয়া আছে নেকি। দেহাৰ পৰা আত্মাটো ওলাই যোৱাৰ সময়ত মেৰিয়া আৰু নাতাচাই এণ্ড্ৰুক ধৰি আছিল।

অলপ পাছত মেৰিয়াই লাহেকৈ ক'লে, "সকলো শেহ হ'ল!" নাতাচাই মৃতকৰ চকুযুৰিলৈ চাই জপাই দিলে। তাই চুমা নাখালে। মৰা শটোক সাৱটি ধৰি থাকিল। "তেওঁ কলৈ গ'ল? এতিয়া ক'ত আছে?..."

ধুৱাই, পিন্ধাই মৰাশটো শৰাধাৰত শুৱাৰৰ সময়ত বিদায় লবলৈ সকলো আহিল, সকলোৱে কান্দিলে। ভয়াবহ দৃশ্য দেখি নিকলুছকাই কান্দিলে। কাউণ্টেছ আৰু চোনিয়াই নাতাচাৰ কথা ভাবি কান্দিলে। বুঢ়া কাউণ্টে কান্দিলে নিজৰ কথা ভাবি। কাৰণ অলপ দিনৰ পিছতে তেওঁ এনেকৈ যাব লাগিব।

নাতাচা আৰু প্ৰিন্সেছ মেৰিয়ায়ো এতিয়া কান্দিবলৈ ধৰিলে। তেওঁলোকে নিজৰ দুখত কন্দা নাই। চকুৰ আগতে মৃত্যুৰ ভয়াবহ গভীৰ ৰহস্য দেখি অভিভূত হৈ তেওঁলোকে কান্দিছিল।

# দশম খণ্ড

## প্ৰথম অধ্যায়

অক্টোবৰ মাহৰ ছয় তাৰিখে ৰাতিপুৱা পিয়াৰে বন্দীশালৰ পদূলিত থিয় হৈ এটা লেঙেৰা কুকুৰ পোৱালিৰ লগত খেলি আছে। কুকুৰটোৱে তাৰ চাৰিওফালে জপিয়াইছে। এই পঞ্জাটোতে কুকুৰটো কাৰাটভৰ লগত শোৱে। মাজে সময়ে সি নিজ খুচিমতে নগৰলৈ যায়, আকৌ আহে। তাৰ গৰাকীও নাই, নামো নাই। ক'ৰ পৰা আহিছে, কোনেও কব নোৱাৰে। ফৰাচী-বিলাকে তাক "এজৰ" বুলি মাতিছিল। কেৰাটভে মাতিছিল "ফুপী" বুলি। তাৰ গৰাকী, নাম আৰু এখন ঠেং নাথাকিলেও সি সদায় বং মনেৰে লৰি ফুৰে। কেতিয়াবা ৰঙৰে ভুকে। কেতিয়াবা শুই ব'দ লৈ থাকে। কেতিয়াবা এডোখৰ পাৰ বা খেৰ লৈয়ে খেলি থাকে।

বৰ্তমানে পিয়াৰৰ পিন্ধা কাপোৰ-কানিৰ অৱস্থা বৰ বেয়া। আগৰ স্মৃতিচিন ৰূপে তাৰ এটা লেতেৰা ফটা কামিজহে আছে। গাত এটা খেতিয়কৰ কোট, মূৰত খেতিয়কৰ টুপী আৰু সৈনিকৰ পেণ্ট এটা। পিয়াৰৰ স্বাস্থ্যৰো বহু পৰিবৰ্তন ঘটিছে। এতিয়া আৰু সি আগৰ দৰে শকত-আৱত নাই। অৱশ্যে বেচুখত পৰিয়ালৰ শাৰীৰিক গঠন এতিয়াও তাৰ আছে। মুখখন দাড়ি-গোঁফে ভৰি পৰিছে। মূৰত চুলিৰ জ'ট বান্ধিছে। চকুযুৰি আগতকৈ শান্ত। ভৰিত জোতা নাই।

এজন খীণ ফৰাচী সৈনিক আহি পিয়াৰক অভিবাদন জনাই সুধিলে, "প্লেটন নামৰ এজন সৈনিকক মই এটা কামিজ চিলাই কৰিবলৈ দিছিলোঁ। সি ইয়াত আছে নে?"

এক সপ্তাহ আগতে ফৰাচী সৈনিকবোৰক কাপোৰ আৰু চামৰা দিয়া হৈছিল। কামিজ আৰু বুটজোতা চিলাই কৰি দিবৰ কাৰণে সিহঁতে এইবোৰ বস্ত্ৰ কয় বন্দীসকলক দিছিল।

কামিজটো ভালকৈ ভাঁজ কৰি লৈ আহি কাৰাটেভে ক'লে, "তৈয়াৰ হৈছে,

ভাই, হৈছে।" গৰমৰ কাৰণে আৰু কাম কৰিবৰ সুবিধাৰ কাৰণে কাৰাটভে এটা হাফপেণ্ট আৰু এটা লেতেৰা কামিজ পিন্ধি আছিল। কিন্তু তাৰ মুখখন উজ্জল। প্লেটনে কামিজটো মেলি দেখুৱাই হাঁহি ক'লে, "সময়, নিষ্ঠা আৰু ভাল ব্যবসায় দুয়ো ভাই-ককাই। শুকুৰবাৰে দিম বুলিছিলোঁ, সেই কাৰণে কৰিছোঁ।"

ফৰাচী সৈনিকজনে কামিজটো পিন্ধি চিলাইবোৰ ভালকৈ চালে। কাৰাটভে ক'লে, "চোৱা ভাই, ইটো দৰ্জীৰ কাম নহয়। চিলাই কৰা লাগতিয়াল সঁজুলিও মোৰ নাই। মানুহে কয়—ঠিক অস্ত্ৰ নহলে ওকণিকো ভালকৈ মাৰিব নোৱাৰি। কামিজটো ভাল হৈছে, তোমাক শুৱাইছে।" সৈনিকজনে ক'লে, "বাৰু, ধন্যবাদ, কিন্তু অলপ কাপোৰ বৈছে নহয় ?"

প্লেটনে কামিজটোলৈ চাই আকৌ ক'লে, "বৰ ভাল হৈছে। পিন্ধি বৰ আৰাম পাবা।"

ফৰাচীজনে প্লেটনক এটকীয়া নোট এখন দি ক'লে, "বাৰু, ধন্যবাদ, ককাই। পিছে, কাপোৰ বৈছে নহয় ? বাহি হোৱা কাপোৰৰ টুকুৰাবোৰ মোক দিয়া।"

প্লেটনে ফৰাচীজনক ধন্যবাদ দিলে। পিয়াৰে দেখিলে যে প্লেটনে ফৰাচীজনৰ কথা বুজি পোৱা নাই। ফৰাচীজনে বাহি হোৱা কাপোৰখিনি আকৌ খুজিলে। আৰু তাৰ কথাখিনি পিয়াৰক বুজাই দিবলৈ কলে।

কাৰাটভে ক'লে, "টুকুৰাবোৰ নি সি কি কৰিব ? মোৰ ভৰিত বান্ধিবলৈ ভাল হব।" বেজাৰ মনেৰে কাৰাটভে তাৰ কামিজৰ ভিতৰৰ পৰা কাপোৰৰ টুকুৰাবোৰ উলিয়াই ফৰাচীজনক দিলে। সি ফৰাচীজনৰ মুখলৈ নাচালে। ফৰাচীজনে টুকুৰাবোৰ লৈ পিয়াৰৰ ফালে চালে। তাৰ পাছত লাজ পাই ক'লে, "হেৰা, প্লেটন, কাপোৰখিনি তুমিয়ে ৰাখা।" কাপোৰৰ টুকুৰাবোৰ প্লেটনক দি ফৰাচীজন গুচি গ'ল।

কাৰাটভে মূৰ জোকাৰি ক'লে, "চোৱা, সিহঁত যোলে খ্ৰীষ্টান নহয়। সিহঁতৰো আত্মা আছে। বুঢ়াবোৰে ঠিকেই কৈছিল—ঘোলে ঘামি থকা হাতখন উদাৰ, কিন্তু শুকান হাতখন কৃপণ। তাৰ নিজৰ গাত কাপোৰ নাই, কিন্তু মোক এইবোৰ দিলে।" কাৰাটভে টুকুৰাবোৰ চাই অলপ হাঁহিলে। "মোৰ ভৰিত বান্ধিবলৈ এইবোৰ বৰ ভাল হব।" বুলি কৈ প্লেটন ঘৰৰ ভিতৰত সোমাল।

# দ্বিতীয় অধ্যায়

অক্টোবৰৰ ছয় তাৰিখৰ ৰাতি ফৰাচী বাহিনী পশ্চাদপসৰণ কৰিবলৈ আৰম্ভ কৰে। ঘৰ-দুৱাৰ ভাঙি, গাড়ীয়ে গাড়ীয়ে মাল বোজাই দি সৈন্যবাহিনী যাত্ৰা কৰিছে। সৈনিকৰ তত্ত্বাৱধানত বন্দীবোৰ গৈছে। পিছে পিছে সৈনিকবোৰৰ মালৰ গাড়ী। মস্কোৰ দৃশ্য দেখি বন্দীবোৰে হা-হুতাশ কৰিছে—"গোটেই নগৰখন ধ্বংস হৈছে। আধাখিনিও নাথাকিল।"

গোটেই দিনটো ঘোঁৰাৰ পিছত গধূলি এঠাইত ৰাতিটোৰ কাৰণে জিৰণি লয়। মালৰ গাড়ীবোৰ একেলগে এঠ ৰখা হয়।

বেলি মাৰ গৈছে। আকাশত অ'ত ত'ত তৰা ওলাইছে। দূৰৈত জুইৰ পোহৰ দেখা গৈছে। জোনটো উজ্জ্বল হৈ ওলাইছে। ৰাতি হোৱা নাই। পিয়াৰক সাধাৰণ বন্দীবোৰৰ লগৰ পৰা আনি সম্ভ্ৰান্ত বন্দীসকলৰ লগত ৰখা হৈছে। সাধাৰণ বন্দীবোৰে ৰাস্তাৰ সিপাৰে জিৰণি লৈছে। সিহঁতৰ লগত কথা পাতিবলৈ পিয়াৰৰ মন গ'ল। নতুন লগৰীয়াবোৰক এৰি সি ৰাস্তাটো পাৰ হবলৈ ধৰোঁতে এজন ফৰাচী পহৰীয়াই তাক বাধা দিলে। পিয়াৰ উত্তি আহিল। কিন্তু লগৰীয়াবোৰে য'ত জুই পুৱাই আছিল তালৈ নগৈ, মালৰ গাড়ী এখনৰ ওচৰলৈ গ'ল। তাতে মাটিত ভৰযুৰকৈ বহি পিয়াৰে বহু পৰলৈকে কিবা ভাবি থাকিল। এঘণ্টাৰো ওপৰ তেনেকৈ থাকিল। তাত পিয়াৰক কোনেও আমনি কৰা নাই।

বিৰাট বাহিনীৰ কোলাহল, অসংখ্য যানবাহনৰ শব্দ, সকলো নিমাত হৈছে। সকলোৱে জিৰণি লৈছে। চাৰিওফালে জুইবোৰ ঢিমিক ঢামাককৈ জ্বলি আছে। আকাশত পূৰ্ণ চন্দ্ৰ বিৰাজ কৰিছে। দূৰৈৰ হাবি, পথাৰবোৰ দেখা গৈছে। পিয়াৰে আকাশৰ তৰাবোৰলৈ চালে। পিয়াৰে ভাবিলে, "এই সকলোবোৰ মোৰ। এই সকলোবোৰ মোৰ ভিতৰতে আছে। আৰু সকলোবোৰ ময়ে। মোৰ অন্তৰত যি আছে তাৰ অকণো সিহঁতে কাঢ়ি নি ক'তো বন্দী কৰি থব নোৱাৰে।" পিয়াৰে হাঁহিলে। পাছত লগৰীয়াবোৰৰ ওচৰলৈ গ'ল।

বন্দীবোৰৰ কাৰণে ফৰাচীসকলে যানবাহনৰ কোনো ব্যৱস্থা কৰা নাছিল। বন্দীৰ সংখ্যা লাহে লাহে টুটি আহিছে। যাত্ৰাৰ প্ৰথম কাৰণ

সৰ্বোতে তিনিশ ত্ৰিশজন, এতিয়া এশবো কমহে আছে। তাৰো আধাখিনি কোনোমতেহে জীউ ধৰি আছে। সৈনিকবোৰে মালবস্তুতকৈও বন্দীবোৰক বেছি গধুৰ বোজা বুলি ভাবিছিল। বন্দীবোৰৰ দৰে সিহঁতেও জাৰত, ভোকত কষ্ট পাইছিল। বন্দীবোৰ বাটে বাটে মৰিছে। আধামৰাবোৰক বাটতে এৰি থৈ অহা হৈছে। আৰু দুৰ্বলবোৰক গুলি কৰিবলৈও হুকুম দিয়া হৈছিল। এই অবাঞ্ছিত মানুহবোৰক লৈ সৰ্বোতে সকলো বিৰক্ত হৈছিল। এনে অৱস্থাত এই কষ্ট বন্দীবোৰক পৰ দিয়াৰ অৰ্থ সৈনিকবোৰে বুজি নাপালে। সিহঁত অসন্তুষ্ট হৈছিল।

খোজ কাঢ়িৰ পথাবোৰ একেলগে গৈছিল। পিয়াৰ, কাৰাটভ আৰু তাৰ কুকুৰটোৰ লগত গৈছিল। কুকুৰটোৱে এতিয়া কাৰাটভক গৰাকী কৰি লৈছে।

কাৰাটভ জ্বৰ হৈ মস্কো হাস্পাটালত কেইদিনমান আছিল। মস্কো এৰাৰ তিনি দিন পাছত কাৰাটেভৰ আকৌ জ্বৰ হয়। কাৰাটভ দুৰ্বল হৈ পৰাত পিয়াৰে আগৰ দৰে তাৰ লগ নোলোৱা হ'ল। ইয়াৰ কাৰণ পিয়াৰেও নাজানে। কিন্তু কাৰাটভৰ জ্বৰ হোৱাৰ পৰা পিয়াৰে যেন বাধ্যত পৰিহে কেতিয়াবা তাৰ ওচৰলৈ যায়। জিৰণি লোৱা ঠাইবোৰত পিয়াৰে কাৰাটভৰ খবৰ কৰে। কিন্তু তাৰ গাৰ গোন্ধত পিয়াৰ সোনকালে তাৰ পৰা গুচি আহে আৰু কাৰাটভৰ কথা নাভাবে।

বাইশ তাৰিখে দুপৰীয়া পিয়াৰ বোকা, পিছল ৰাস্তাৰে খোজ কাঢ়ি গৈছে। মাজে মাজে চৌপাশৰ মানুহবোৰলৈ আৰু নিজৰ ভৰি দুখনলৈ চাইছে। লেঙেৰা কুকুৰটো ৰঙমনেৰে ৰাস্তাৰে লৰি গৈছে। মাজে মাজে সি জপিয়াইছে আৰু মৰাশবোৰত পৰি থকা কাউৰীবোৰ চাই ভুকিছে। চাৰিওপিনে বেলেগ বেলেগ প্ৰাণীৰ—মানুহৰ পৰা ঘোঁৰালৈকে মৰাশবোৰ পচিছে। সৈনিকবোৰে কুকুৰনেচীয়া বাঘবোৰ খেদি দিছে—যাতে কুকুৰটোৱে সেইবোৰ মঙহ হেঁপাহ পলুৱাই খাব পাৰে।

ৰাতিপুৱাৰে পৰা বৰষুণ দিছে। অলপ পাছতে বৰষুণ এৰিব বুলি অনুমান হৈছিল। কিন্তু অলপ পৰ এৰি আকৌ বেছিকৈহে বৰষুণ হ'ল। ৰাস্তাৰ গাঁতবোৰেদি পানীৰ সোঁত বৰলৈ ধৰিলে। পিয়াৰে খোজ গণি গণি গৈছে। যোৱা ৰাতি কাৰাটভৰ লগত কথা পাতি সি যি উপদেশ পাইছিল তাৰেই অন্তৰত সান্ত্বনা লভিছে।

যোৱা ৰাতি জ্বৰ পাই আজি পিয়াৰে ওচৰৰ ভালকৈ অলপ জুই একুৰাৰ ওচৰত বহিল গৈ। তাতে মূৰত এটা কোট চোলা লৈ প্লেটনো বহি আছিল। ক্ষীণ কিন্তু সুৰলা মাতেৰে প্লেটনে সৈনিকবোৰক সাধু কথা কৈছিল। এতিয়া মাজ নিশা। সেই সময়ত সাধাৰণতে প্লেটনৰ জ্বৰ এৰে; তাৰ মনটো ভাল লাগে। প্লেটনৰ ক্ষীণ মাতটো শুনি আৰু জুইৰ পোহৰত তাৰ শেঁতা মুখখন দেখি পিয়াৰ মনত দুখ লাগিল। তাৰ ইমান পুতৌ হ'ল যে সি নিজে ভয় খাই উঠিল তাৰ পৰা তাৰ যাবৰ ইচ্ছা হৈছিল কিন্তু ওচৰত আৰু জুই নথকাৰ কাৰণে প্লেটনলৈ আৰু নাচাই, সি তাতে বহি থাকিল।

পিয়াৰে সুধিলে, "তোমাৰ জ্বৰ এবিছে নে?"

"মোৰ জ্বৰ? অসুখ হলে শোক কৰা, ভগবানে তোমাক নামাৰে।" বুলি কৈ প্লেটনে আকৌ তাৰ গল্পটো আৰম্ভ কৰিলে।

পিছত তাৰ উজ্জ্বল চকুযুৰিৰে, শেঁতা মুখখনেৰে অলপ হাঁহি ক'লে, "এনেকৈ ভাই···।"

এই গল্পটো পিয়াৰে বহুদিন আগতে শুনিছিল। প্লেটনে গল্পটো তাক প্ৰায় ছবাৰমান কৈছে। তথাপি পিয়াৰৰ মনত এতিয়া গল্পটো নতুন যেন লাগিল। গল্পটো কৈ প্লেটনে যি আনন্দ অনুভৱ কৰিছিল, পিয়াৰেও সেই আনন্দ অনুভৱ কৰিলে।

এইটো এজন বুঢ়া সদাগৰৰ গল্প। সদাগৰজনে সদায় সৎ কাম কৰিছিল আৰু গোটেই পৰিয়ালটোৱে ভগবানক ভয় কৰি চলিছিল। এদিনাখন এই সদাগৰজনে আন এজন চহকী সদাগৰৰ লগত মাকাৰিলৈ গৈছিল। ৰাতি দুয়ো এটা চৰাইখানাত শুই থাকিল। পিছদিনা দেখা গ'ল কোনোবাই চহকী সদাগৰজনক ভিতিত কাটিছে আৰু তাৰ টকাপইচাখিনি লৈ গৈছে। এখন তেজলগা ছুৰি বুঢ়া সদাগৰজনৰ গাৰুৰ তলত পোৱা গ'ল। সদাগৰৰ বিচাৰ হ'ল আৰু কাবাটতে কোৰাঘাতে আইন অনুসৰি বুঢ়া সদাগৰজনক খেত দিবলৈ, তাৰ নাকটো ফিক্কাৰলৈ হুকুম হ'ল আৰু হাকুজ্জা পৰিশ্ৰম কৰিবলৈ দিয়া হ'ল।

"এনেকৈ ভাই···( গল্পটোৰ এইখিনিতে পিয়াৰে প্লেটনক লগ পায় ) তাৰ পাছত দহ বছৰ গ'ল। বুঢ়া মানুহজন কয়েদতে থাকিল। সি কাৰো অন্যায় কৰা নাই; কুহুৰ কাৰণে অকল ভগবানক প্ৰাৰ্থনা কৰে। ৰাতি সকলোবোৰ

কয়দী আমাৰ নিচিনাকৈ একেলগে থাকে। সিহঁতে কোনে কি পাপ কৰিছিল, কিহৰ কাৰণে শাস্তি পাইছে—এইবোৰ কোবাক্ষেলা কৰে। এজনে হেনো লোকৰ ঘৰত জুই দিছিল। এজনে এজন মানুহ মাৰিছিল, আন এজনে দুজন মাৰিছিল। সিহঁতে বুঢ়া মানুহজনক সুধিলে, "ককাদেউতা, আপুনিনো কি দোষ কৰিছিল?"

"ভাইহঁত, মই মোৰ নিজৰ আৰু আনৰ পাপৰ কাৰণে ভুগিছোঁ। মই মানুহ মৰা নাই। লোকৰও বস্তুও লোৱা নাই। দুখীয়াক দানহে কৰিছোঁ। ভাইহঁত, মই এজন সদাগৰ। মোৰ আগাধ সম্পত্তি আছিল।" তাৰ পাছত ইটো সিটো কৈ, সি কেনেকৈ ফাটেকত পৰিল গোটেই ঘটনাটো বিৱৰি ক'লে।

"তাৰ কাৰণে মই দুখ নকৰোঁ। ভগৱানে মোক শাস্তি দিছে। অকল মোৰ তিৰোতা আৰু লৰা-ছোৱালীবোৰৰ কাৰণেহে দুখ লাগিছে।" এই বুলি কৈ বুঢ়াজনে কান্দিবলৈ ধৰিলে। ঘটনাক্ৰমে যিজন মানুহে সদাগৰজনক মাৰিছিল সেইজন মানুহে এই কয়দীবোৰৰ মাজত আছিল। সি মাত লগালে, "ককা, এই ঘটনাটো ক'ত ঘটিছিল? কেতিয়া, কোন মাহত?" সি আৰু কিছুমান কথা সুধিলে। তাৰ অন্তৰত বৰ আঘাত লাগিল। সি বুঢ়াজনৰ ভৰিত এনেকৈ দীঘল দি পৰি ক'লে, "বুঢ়া আপ, আপুনি মোৰ পাপৰ কাৰণে ভুগিছে। ভাইহঁত, ই সত্য কথা। এই নিৰ্দোষ মানুহজনে মিছাতে শাস্তি পাইছে। ময়ে সেই পাপ কৰিছিলোঁ। ময়ে তেওঁৰ গাকৰ তলত ছুৰীখন থৈছিলোঁ। ককাদেউতা, ভগৱানৰ দোহাই, মোক ক্ষমা কৰক।"

কাৰাটক্ত ৰ'ল। বঙমনেৰে অলপ খৰি জাপি দি জুইকুৰা জ্বলাকৈ জলালে।

বুঢ়াজনে ক'লে, "ভগৱানে তোমাক ক্ষমা কৰক। কিন্তু ভগৱানৰ ওচৰত আমি সকলো পাপী। মই মোৰ পাপৰ কাৰণে ভুগিছোঁ।" বুঢ়াজনে কান্দিবলৈ ধৰিলে।

কাৰাটভৰ মুখখন উজ্জ্বল হ'ল। আনন্দত তাৰ মনটো নাচি উঠিল, যেন গল্পটোৰ সাৰ কথাখিনি সি এতিয়াহে কব। "বন্ধুসকল, সেই হত্যাকাৰীজনে পুলিচৰ আগত তাৰ দোষ স্বীকাৰ কৰিলে।—'মই ছজন মানুহ মাৰিছোঁ। কিন্তু এই বুঢ়াজনৰ কাৰণে মই বৰ দুখ পাইছোঁ। মোৰ দোষৰ কাৰণে তেওঁ ভুগিব নালাগে।' এইবোৰ লোচৰ কাগজ ওচৰলৈ নিয়া হ'ল। আৰু সদাগৰজনক মুক্তি দিবলৈ আদেশ দিলে আৰু তেওঁক ক্ষতিপূৰণ দিয়াৰ কথা

ক'লে। জাৰৰ হুকুম আহি পালে। সিহঁতে বুঢ়াজনক বিচাৰিলে। বিনাদোষত শাস্তি পোৱা বুঢ়াজন ক'ত? জাৰৰ পৰা হুকুম আহিছে। সিহঁতে তাক বিচাৰিছে। কিন্তু ভগৱানে তাক আগতেই ক্ষমা কৰিলে। তাৰ মৃত্যু হৈছে। বন্ধুসকল, ইয়াতেই গল্পটোৰ শেহ।"

গল্পটোৰ সামৰণি মাৰি কাৰাটেভে অলপ হাঁহি বহু পৰলৈকে সন্মুখৰ ফালে চাই থাকিল।

হঠাতে কোনোবাই চিঞৰি ক'লে "তোমালোকৰ নিজৰ নিজৰ ঠাইলৈ যোৱা।" বন্দী আৰু সৈনিকবোৰৰ মাজত আনন্দৰ ঢৌ উঠিল যেন কিবা উৎসৱহে হব। চাৰিওপিনে চিঞৰি চিঞৰি আদেশ দিয়া হৈছে। বাওঁফালৰ পৰা এদল সুসজ্জিত অশ্বাৰোহী সেনা আহি বন্দীবোৰৰ চাৰিওপিনে ঘূৰি চালে। বন্দীবোৰক ৰাস্তাৰ পৰা নি এঠাইত লগ কৰি থোৱা হ'ল। সৈনিকবোৰ শাৰী পাতি থিয় হ'ল। "সম্রাট! সেনাপতি! ডিউক!" অলপ পাছতে এখন ঘোঁৰাৰ গাড়ীত এজন গহীন, ধুনীয়া, শকত মানুহ আহিল। এওঁ এজন সেনাপতি। সেনাপতিৰ গাড়ীৰ পিছে পিছে, অশ্বাৰোহী কৰ্মচাৰীবোৰ গ'ল। সিহঁতৰ পিছে পিছে সৈনিকবোৰে খোজ ললে।

সেনাপতিজন গাড়ীৰে যাওঁতে বন্দীবোৰ এঠাইত গোট খাই আছিল। পিয়াৰে কাৰাটেভক দেখা পালে। সিদিনা ৰাতিপুৱাৰে পৰা সি কাৰাটেভক দেখা নাছিল। কাৰাটেভে তাৰ সামৰিক কোটটো গাত মেৰিয়াই এজোপা গছত আউজি আছে। যোৱা ৰাতিৰ দৰে এতিয়াও তাৰ মুখখন উজ্জ্বল হৈ আছে। কিন্তু এতিয়া তাক বেছি গহীন যেন লাগিছে। তাৰ চকুলো ওলাইছে। কাৰাটেভে করুণ দৃষ্টিৰে পিয়াৰৰ ফালে চালে। সি পিয়াৰক কিবা কব খুজিছিল। কিন্তু পিয়াৰৰ নিজৰ কাৰণে ভয় হ'ল। পিয়াৰে তাক নেদেখা ভাও জুৰি তাৰ পৰা আঁতৰি গ'ল।

বন্দীবোৰ যেতিয়া আকৌ ৰাওনা হ'ল, পিয়াৰে পিছলৈ চালে। কাৰাটেভ ৰাস্তাৰ দাঁতিত গছজোপাৰ তলত বহি আছে। দুজন ফৰাচীয়ে তাৰ লগত কথা পাতিছে। পিয়াৰে আৰু নাচালে। সি খোৰাই খোৰাই পাহাৰ বগাই গ'ল।

পিছফালে য'ত কাৰাটেভ বহি আছিল, তাত ছিলৈৰ শব্দ হ'ল। বন্দুকৰ শব্দ পিয়াৰৰ কাণত ভাল ভালকৈ পৰিল। কিন্তু সেই সময়ত [illegible] স্মোলেনস্কলৈ আৰু কেই মাইল আছে তাকেহে হিচাপ কৰিছিল। হাতত বন্দুক লৈ দুজন

কয়দী আমাৰ নিচিনাকৈ একেলগে থাকে। সিহঁতে কোনে কি পাপ কৰিছিল, কিহৰ কাৰণে শাস্তি পাইছে—এইবোৰ কোৱামেলা কৰে। এজনে হেনো লোকৰ ঘৰত জুই দিছিল। এজনে এজন মানুহ মাৰিছিল, আন এজনে দুজন মাৰিছিল। সিহঁতে বুঢ়া মানুহজনক সুধিলে, "ককাদেউতা, আপুনিনো কি দোষ কৰিছিল?"

"ভাইহঁত, মই মোৰ নিজৰ আৰু আনৰ পাপৰ কাৰণে ভুগিছোঁ। মই মানুহ মৰা নাই। লোকৰও বস্তুও লোৱা নাই। দুখীয়াক দানহে কৰিছোঁ। ভাইহঁত, মই এজন সদাগৰ। মোৰ আগাধ সম্পত্তি আছিল।" তাৰ পাছত ইটো সিটো কৈ, সি কেনেকৈ ফাটেকত পৰিল গোটেই ঘটনাটো বিবৰি ক'লে।

"তাৰ কাৰণে মই দুখ নকৰোঁ। ভগৱানে মোক শাস্তি দিছে। অকল মোৰ তিৰোতা আৰু লৰা-ছোৱালীবোৰৰ কাৰণেহে দুখ লাগিছে।" এই বুলি কৈ বুঢ়াজনে কান্দিবলৈ ধৰিলে। ঘটনাক্ৰমে যিজন মানুহে সদাগৰজনক মাৰিছিল সেইজন মানুহে এই কয়দীবোৰৰ মাজত আছিল। সি মাত লগালে, "ককা, এই ঘটনাটো ক'ত ঘটিছিল? কেতিয়া, কোন মাহত?" সি আৰু কিছুমান কথা সুধিলে। তাৰ অন্তৰত বৰ আঘাত লাগিল। সি বুঢ়াজনৰ ভৰিত এনেকৈ দীঘল দি পৰি ক'লে, "বুঢ়া আপ, আপুনি মোৰ পাপৰ কাৰণে ভুগিছে। ভাইহঁত, ই সত্য কথা। এই নিৰ্দোষ মানুহজনে মিছাতে শাস্তি পাইছে। ময়ে সেই পাপ কৰিছিলোঁ। ময়ে তেওঁৰ গাৰুৰ তলত ছুৰীখন থৈছিলোঁ। ককাদেউতা, ভগৱানৰ দোঁহাই, মোক ক্ষমা কৰক।"

কাৰাটভ ৰ'ল। ৰঙমনেৰে অলপ ধৰি আপি দি জুইকুৰা ভালকৈ জ্বলালে।

বুঢ়াজনে ক'লে, "ভগৱানে তোমাক ক্ষমা কৰক। কিন্তু ভগৱানৰ ওচৰত আমি সকলো পাপী। মই মোৰ পাপৰ কাৰণে ভুগিছোঁ।" বুঢ়াজনে কান্দিবলৈ ধৰিলে।

কাৰাটভৰ মুখখন উজ্জ্বল হ'ল। আনন্দত তাৰ মনটো নাচি উঠিল, যেন গল্পটোৰ বাকী কথাখিনি সি এতিয়াহে কব। "বন্ধুসকল, সেই হত্যাকাৰীজনে পুলিচৰ আগত তাৰ দোষ স্বীকাৰ কৰিলে।— 'মই ছজন মানুহ মাৰিছোঁ। কিন্তু এই বুঢ়াজনৰ কাৰণে মই বৰ দুখ পাইছোঁ। মোৰ দোষৰ কাৰণে তেওঁ ভুগিব নালাগে।' এইবোৰ গোচৰ জাৰৰ ওচৰলৈ নিয়া হ'ল। জাৰে সদাগৰজনক মুক্তি দিয়লৈ আদেশ দিলে আৰু তেওঁক ক্ষতিপূৰণ দিয়লৈকো

ক'লে। জাৰৰ হুকুম আহি পালে। সিহঁতে বৃদ্ধজনক বিচাৰিলে। বিনাদোষত শাস্তি পোৱা বৃদ্ধজন ক'ত? জাৰৰ পৰা হুকুম আহিছে। সিহঁতে তাক বিচাৰিছে। কিন্তু ভগবানে তাক আগতেই ক্ষমা কৰিলে। তাৰ মৃত্যু হৈছে। বন্ধুসকল, ইয়াতেই গল্পটোৰ শেষ।"

গল্পটোৰ সামৰণি মাৰি কাৰাটভে অল্প হাঁহি বহু পৰলৈকে সন্মুখৰ ফালে চাই থাকিল।

হঠাতে কোনোবাই চিঞৰি ক'লে, "তোমালোকৰ নিজৰ নিজৰ ঠাইলৈ যোৱা।" বন্দী আৰু সৈনিকবোৰৰ মাজত আনন্দৰ ঢৌ উঠিল যেন কিবা উৎসৱহে হব। চাৰিওপিনে চিঞৰি চিঞৰি আদেশ দিয়া হৈছে। বাওঁফালৰ পৰা এদল সুসজ্জিত অশ্বাৰোহী সেনা আহি বন্দীবোৰৰ চাৰিওপিনে ঘূৰি চালে। বন্দীবোৰক ৰাস্তাৰ পৰা নি এঠাইত লগ কৰি থোৱা হ'ল। সৈনিকবোৰ শাৰী পাতি থিয় হ'ল। "সম্ৰাট! সেনাপতি! ডিউক!" অলপ পাছতে এখন ঘোঁৰাৰ গাড়ীত এজন গহীন, ধুনীয়া, শকত মানুহ আহিল। এওঁ এজন সেনাপতি। সেনাপতিৰ গাড়ীৰ পিছে পিছে, অশ্বাৰোহী কৰ্মচাৰীবোৰ গ'ল। সিহঁতৰ পিছে পিছে সৈনিকবোৰে খোজ ললে।

সেনাপতিজন গাড়ীৰে যাওঁতে বন্দীবোৰ এঠাইত গোট খাই আছিল। পিয়াৰে কাৰাটভক দেখা পালে। সিদিনা ৰাতিপুৱাৰে পৰা সি কাৰাটভক দেখা নাছিল। কাৰাটভে তাৰ সামৰিক কোটটো গাত মেৰিয়াই এজোপা গছত আউজি আছে। যোৱা ৰাতিৰ দৰে এতিয়াও তাৰ মুখখন উজ্জল হৈ আছে। কিন্তু এতিয়া তাক বেছি গহীন যেন লাগিছে। তাৰ চকুলো ওলাইছে। কাৰাটভে করুণ দৃষ্টিৰে পিয়াৰৰ ফালে চালে। সি পিয়াৰক কিবা কব খুজিছিল। কিন্তু পিয়াৰৰ নিজৰ কাৰণে ভয় হ'ল। পিয়াৰে তাক নেদেখা ভাও জুৰি তাৰ পৰা আঁতৰি গ'ল।

বন্দীবোৰ যেতিয়া আকৌ ৰাওনা হ'ল, পিয়াৰে পিছলৈ চালে। কাৰাটভ ৰাস্তাৰ দাঁতিত গছজোপাৰ তলত বহি আছে। দুজন ফৰাচীয়ে তাৰ লগত কথা পাতিছে। পিয়াৰে আৰু নাচালে। সি খোৰাই খোৰাই পাহাৰ বগাই গ'ল।

পিছফালে য'ত কাৰাটভ বহি আছিল, তাত হিলৈৰ শব্দ হ'ল। বন্দুকৰ শব্দ পিয়াৰৰ কাণত ভাল ভালকৈ পৰিল। কিন্তু সেই সময়ত স্মোলেনস্কলৈ আৰু কেই মাইল আছে তাকেহে হিচাপ কৰিছিল। হাতত বন্দুক লৈ দুজন

ফৰাচী সৈনিক পিয়াৰৰ ওচৰেদি লৰি গ'ল। দুয়োৰো মুখ শেঁতা। এজনে ভয় ভয়কৈ পিয়াৰৰ ফালে চালে। সৈনিকজনৰ মুখলৈ চাই পিয়াৰৰ মনত পৰিল পৰহি দিনা জুইত সেকি থাকোঁতে এই মানুহজনৰ কামিজটো জুইয়ে পুৰিছিল আৰু আনবোৰে তাক হাঁহিছিল।

পিছফালে কাৰাটভ বহি থকা ঠাইত কুকুৰটোৱে ভুকিছে। পিয়াৰে ভাবিলে, "সিনো কিয় ভুকিছে!"

পিয়াৰৰ লগৰীয়া বন্দীবোৰ তাৰ লগে লগে গৈ আছে। সিইতে পিয়াৰৰ দৰে হিলৈৰ শব্দ আৰু কুকুৰৰ ভুকনি শুনিও পিছলৈ ফিৰি নাচালে। সকলো গহীন হৈ আগ বাঢ়িছে।

# তৃতীয় অধ্যায়

জাতিৰ সন্মান আৰু স্বাধীনতা ৰক্ষাৰ যুদ্ধত সাধাৰণতে দেশত বহুতো সৰু সৰু গঢ় লৈ উঠে। এইবোৰ দল গঠনৰ কাৰণে কাৰো বিশেষ চেষ্টা নালাগে। এই সৰু সৰু দলবোৰে কাৰো আদেশৰ কাৰণে বৈ নাথাকে। সিঁহতে নিজ খুচিমতে অসীম সাহসেৰে শত্ৰুপক্ষৰ সৈন্যক হঠাতে আক্ৰমণ কৰে, শত্ৰুপক্ষৰ বস্তু-বাহানি লুটপাত কৰে। এইবাৰৰ যুদ্ধত এনে ধৰণৰ বহু সেনাদল ৰুছিয়াত গঢ়ি উঠিছিল। শত্ৰুপক্ষই স্মোলেনস্কত প্ৰবেশ কৰাৰ লগে লগে গৰিলা যুদ্ধ আৰম্ভ হয় আৰু অক্টোবৰ মাহৰ শেহভাগত এই যুদ্ধ চৰম অৱস্থালৈ আহে।

অক্টোবৰৰ বাইশ তাৰিখে দেনিচভে এটা সৰু দল লৈ গৰিলা যুদ্ধৰ কাৰণে ওলায়। এজন অনুচৰে খবৰ দিলে যে ফৰাচী বাহিনী স্মলেনস্কলৈ আগবাঢ়িছে। প্ৰধান বাহিনীৰ পিছে পিছে মালবস্তুৰ গাড়ী আৰু ৰুছ বন্দীবোৰ গৈছে। কিন্তু পহৰাৰ ভাল বন্দবস্ত আছে। ৰাতিপুৱাৰে পৰা দেনিচভে তাৰ সৰু দলটো লৈ ৰাস্তাৰ দাঁতিৰ হাবিৰ মাজে মাজে ঘূৰিপকি অপেক্ষা কৰি আছে। সিঁহতে মালবস্তুৰ গাড়ীবোৰ আক্ৰমণ কৰিব। এই বিষয়ে দেনিচভে দলোহভৰ লগত আলোচনা কৰিছে। দলোহভে তাৰ দলটো লৈ গধূলিৰ আগতে দেনিচভৰ লগ লাগিব।

অক্টোবৰৰ বাইশ তাৰিখে মালবস্তুৰ গাড়ীবোৰ মিকুলিনো গাৱঁৰ পৰা চেমচেভো গাৱঁলৈ গৈ আছিল। ৰাস্তাৰ বাওঁফালে অটব্য হাবি। দেনিচভে তাৰ দলটোৰ সৈতে গোটেই দিনটো এই হাবিৰ মাজত ঘূৰিপকি ফৰাচী-বিলাকৰ গতি-বিধি লক্ষ্য কৰি আছে। ৰাতিপুৱা মিকুলিনৰ ওচৰত দেনিচভৰ কেইজনমান অশ্বাৰোহীয়ে দুখন ফৰাচী গাড়ী আক্ৰমণ কৰি হাবিলৈ লৈ আহে। তাৰ পাছত গধূলিলৈকে আৰু কোনো আক্ৰমণ নকৰি ফৰাচীবিলাকৰ গতিবিধি চাই আছে। দলোহভ আহি পালে দুয়োদলে দুফালৰ পৰা আক্ৰমণ কৰিব বুলি বৈ আছে।

শৰৎ কাল। মাজে সময়ে বৰষুণ দি আছে। হঠাতে এবাৰ ডাঙৰকৈ বৰষুণ আহিল। দেনিচভে তিতিবুৰি ঘোঁৰাৰ ওপৰত ঘূৰি ফুৰিছে। লগে লগে দুজন সহচৰ। এজন খেতিয়কে তিতিবুৰি আগে আগে খোজকাঢ়ি সিঁহতক বাট দেখুৱাই গৈছে। পিছে পিছে নীলা ৰঙৰ ফৰাচী সামৰিক

কোট পিন্ধা এজন ডেকা কৰ্মচাৰী ঘোঁৰাত উঠি আহিছে। তাৰ লগে লগে এজন অশ্বাৰোহীয়ে এজন লেতেৰা, ফটা ফৰাচী পোছাক পিন্ধা লৰাক ঘোঁৰাত উঠাই লৈ আহিছে। লৰাটোৱে আচৰিত হৈ ইফালে সিফালে চাইছে। এই লৰাটো ফৰাচী ঢুলীয়া। তাক ৰাতিপুৱা বন্দী কৰা হয়।

আগত এটা পানীৰ ডোঙা দেখি ঘোঁৰাটোৱে এফলীয়া হৈ যাওঁতে দেনিচভৰ আঠুটো এজোপা গছত খন্দা খালে। দেনিচভে খঙতে চিঞৰি উঠি ঘোঁৰাটোক তিনি কোব মাৰিলে। ঘোঁৰাটো পানীৰ মাজেদি লৰ দিলত লগৰীয়াবোৰৰ গাত বোকাপানী ছিটিকি পৰিল। দেনিচভে ৰাতিপুৱাৰে পৰা একো খোৱা নাই। বৰষুণ আৰু ভোকৰ কাৰণে তাৰ খং চৰিছে। তাৰ উপৰিও এতিয়ালৈকে দলোহভৰ কোনো খবৰ নাই। দেনিচভে ভাবিলে, "মালবস্তুৰ গাড়ীবোৰক আক্ৰমণ কৰাৰ এনে সুবিধা আৰু নাপাম। কিন্তু অকলে আক্ৰমণ কৰা বিপদ-জনক। আজি আক্ৰমণ নকৰিলে কোনোবা ডাঙৰ দলে আমাৰ চকুৰ আগতে এইবোৰ সম্পত্তি লুটি নিব।"

দলোহভৰ দূত আহে বুলি দেনিচভে বাৰে বাৰে আগলৈ চাইছে। এডোখৰ মুকলি ঠাইলৈ আহি দেনিচভ হঠাতে ৰ'ল। "সৌৱা কোনোবা আহিছে।" দুজন মানুহ ঘোঁৰাত উঠি পাহাৰৰ পৰা নামি আহিল। দুয়োজনেই বৰষুণত তিতিছে। আগৰজন কম বয়সৰ এজন ডেকা কৰ্মচাৰী। কৰ্মচাৰীজন ওচৰলৈ আহি দেনিচভৰ হাতত এটা তিতা খাম দি কলে, "সেনাপতিয়ে দিছে। খামটো বাটতে তিতিল। ক্ষমা কৰিব···।"

দেনিচভে ভ্ৰূকুটি কৰি খামটো খুলি চিঠিখন পঢ়িবলৈ ধৰিলে।

ডেকা কৰ্মচাৰীজনে দেনিচভৰ সহচৰবোৰক ক'লে, "কেলেই? সিঁহতে দেখোন কামটো বৰ বিপদজনক বুলি কৈ আছে।" লগৰীয়াজনক দেখুৱাই কলে, "কমাৰভ আৰু মই সাজু হৈ আছিলোঁ। আমাৰ দুয়োৰো পিস্টল আছে।" ঢুলিয়া ফৰাচী লৰাটোক দেখি কলে, "ই কি? বন্দী? তোমালোকে এখন যুদ্ধ কৰিলাই? মই তাৰ লগত কথা পাতিব পাৰোঁনে?"

এনেতে দেনিচভে চিঠিখন পঢ়ি চিঞৰি উঠিল, "ৰোস্তভ! পিটিয়া! তোমাৰ চিনাকি দিয়া নাই কিয়?" দেনিচভে হাঁহি হাঁহি ডেকা কৰ্মচাৰীজনৰ হাতত ধৰিলে। এইজন কৰ্মচাৰী পিটিয়া ৰোস্তভ।

পিটিয়াই আগৰ চিনাকি নিদি দেনিচভৰ লগত এজন বয়সিয়াল কৰ্মচাৰীৰ নিচিনাকৈ ব্যৱহাৰ কৰিব বুলি বাটে বাটে ভাবি আহিছিল।

কিন্তু দেনিচভে হাঁহি হাঁহি তাৰ হাতত ধৰাত সি সেইবোৰ কথা পাহৰি গ'ল। সি বৰ বং পালে। সি তাৰ সামৰিক কীৰ্তিৰ কথা আৰু ইয়াৰ ভিতৰতে ভিয়াজমাত ফৰাচীসকলৰ লগত যুদ্ধ কৰাৰ কথা দেনিচভক ক'লে।

দেনিচভে ক'লে, "তোমাক দেখি ভাল পালোঁ।"

বাটে বাটে ভাবি অহামতে পিটিয়াই তলতীয়া কৰ্মচাৰীৰ নিচিনাকৈ দেনিচভক সামৰিক অভিবাদন জনাই ক'লে, "হুজুৰে মোক কিবা আদেশ দি পঠাব, নে মই হুজুৰৰ লগতে থাকিব লাগিব?"

দেনিচভে উদাসীনভাৱে ক'লে, "আদেশ? বাৰু কালিলৈকে তুমি ইয়াত থাকিব পাৰিবা নে?"

"আপুনি যি কয়। আপোনাৰ লগত থাকিম নে?"

"বাৰু, তোমাৰ সেনাপতিয়ে তোমাক কি আদেশ দিছিল? তৎক্ষণাত উভতি যাবলৈ কৈছিল নেকি?"

পিটিয়াৰ মুখখন ৰঙা পৰিল। অলপ বৈ ক'লে, "তেওঁ মোক কোনো আদেশ দিয়া নাছিল। মই বোধকৰোঁ থাকিব পাৰোঁ।"

"বাৰু!"

হাবিৰ মাজত জিৰণি লবৰ কাৰণে এটা পঁজা সজা হৈছিল। দেনিচভে দলটোৰ কিছুমানক তালৈ যাবলৈ কলে। আৰু এজন অশ্বাৰোহী সহচৰক দলোহভৰ খবৰ কৰিবলৈ পঠালে। তেওঁ ক'ত আছে আৰু গধুলি আহিব নে নাই।

দেনিচভে কাইলৈ চামছেভৰ ওচৰত ফৰাচীসকলৰ মালবস্তু আক্ৰমণ কৰিবলৈ ঠিক কৰিছে। সেই কাৰণে দলোহভৰ ওচৰলৈ মানুহ পঠাই দেনিচভ, তেওঁৰ সহকাৰী আৰু পিটিয়া ফৰাচীসকলৰ অৱস্থিতি চাবলৈ ওলাল। দেনিচভে বাট দেখুৱাওঁতা খেতিয়কজনক ক'লে,. "আহা ভাই, চামছেভলৈ আমাক লৈ বলা।"

দেনিচভ, তেওঁৰ সহকাৰী, পিটিয়া, কেইজনমান অশ্বাৰোহী আৰু বন্দীজন বাওঁফালেদি হাবিৰ দাঁতিৰপিনে আগ বাঢ়ি গ'ল।

বৰষুণ এৰিছে কিন্তু কুঁৱলী আৰু গছৰ পাতৰ পৰা বৰষুণৰ টোপা পৰিছে। দেনিচভ, তেওঁৰ সহকাৰী আৰু পিটিয়া মনে মনে খেতিয়কজনৰ পিছে পিছে গৈ আছে। খেতিয়কজনেও শাৰি-শব্দ নকৰাকৈ সিহঁতক হাবিৰ দাঁতিলৈ লৈ গ'ল। ৰাস্তা আহি পালত খেতিয়কজন অলপ বৈ চাৰিওফালে চালে। তাৰ পাছত

এজোপা ডাঙৰ গছৰ আঁৰলৈ আহিল। গছজোপাৰ তলত থিয় হৈ খেতিয়ক-জনে ইঙ্গিতেৰে দেনিচভক মাতিলে।

দেনিচভ আৰু পিটিয়া খেতিয়কজনৰ ওচৰলৈ আগবাঢ়ি গ'ল। সেই ঠাইৰ পৰা ফৰাচীসকলক দেখা পায়। পাঁচশ গজমান আঁতৰত এডোখৰ ওখ ঠাইৰ নামনিত এখনি সৰু গাওঁ। তাত বহুতো মানুহ দেখা গৈছে। আৰু ওখ ঠাইডোখৰত গাড়ী চলাই নিয়া মানুহৰ মাত শুনা গৈছে।

দেনিচভে মনে মনে ক'লে, "বন্দীজনক আনা।"

সহকাৰীজনে বন্দীজনক ঘোঁৰাৰ পৰা নমাই লৈ আহিল। দেনিচভে ফৰাচীবোৰৰ পিনে দেখুৱাই লৰাটোক সুধিলে, "সৌবোৰ কি সৈন্য?" লৰাটোৱে চেঁচা হাত দুখন চোলাৰ জেপত সুমুৱাই ভয় ভয়কৈ দেনিচভৰ মুখলৈ চালে। সি জনা সকলো কথা কবলৈ তাৰ ইচ্ছা থকা সত্ত্বেও সি হতবুদ্ধি হৈ কলে, "সৌবোৰ কি সৈন্য!" দেনিচভে ভ্ৰূকুটি কৰি সহকাৰীজনলৈ চাই তাৰ নিজৰ অনুমানৰ কথা কলে। পিটিয়াই এবাৰ বন্দী লৰাটোলৈ চাইছে, এবাৰ দেনিচভৰ মুখলৈ চায় আৰু এবাৰ ফৰাচীবোৰলৈ চাইছে।

দেনিচভে ক'লে, "দলোহভ আহক বা নাহক, আমি আক্ৰমণ কৰিব লাগিবই।—কি কোৱা?"

সহকাৰীজনে ক'লে, "আক্ৰমণ কৰিবলৈ এইডোখৰ বৰ সুবিধাৰ ঠাই।"

"আমি পোনে পোনে গৈ, সেই ওখ ঠাইডোখৰৰ পৰা সিহঁতক তললৈ খেদি নিম। আৰু তোমালোকে ওলটা ফালৰ পৰা সিহঁতক খেদি আহিবা।"

সহকাৰীজনে ক'লে, "কিন্তু এখন সৰু নৈ আছে। সেইখন আপোনালোকে পাৰ হব নোৱাৰিব। আৰু বাওঁফালেৰে যাব লাগিব।"

এনেকৈ গহীনাই আলোচনা কৰি থাকোঁতে হঠাতে হিলৈৰ শব্দ শুনা গ'ল। সিহঁতক লক্ষ্য কৰিয়ে গুলি কৰা বুলি ভাবি দেনিচভ আৰু সহকাৰীজন চক্ খাই পিছুৱাই আহিল। সিফালে ফৰাচীবোৰে চিঞৰবাখৰ কৰিছে। হঠাতে বগা পোছাক পিন্ধা এজন মানুহ পিতনিৰ মাজেৰে লৰি আহিল। সিহঁতে বুজি পালে যে ফৰাচীহঁতে নিশ্চয় এই মানুহজনক লক্ষ্য কৰি গুলি কৰিছে, চিঞৰ-বাখৰ কৰিছে। সিহঁতক দেখা নাই।

সহকাৰীজনে ক'লে, "ঐ আই, সেইটো আমাৰ টুহিন নহয় নে?"

দেনিচভে ক'লে, "হয়, হয়। সি নহলেনো এনেকৈ আৰু কোন মৰিবলৈ যাব।"

"কিন্তু সি পলাই সাৰিব। তাক ধৰিব নোৱাৰে।"

টুহিনে লবি আহি সৰু নৈখনত জাপ দি পৰিল। নৈখন পাৰ হৈ আকৌ লৰিবলৈ ধৰিলে। যিবোৰ ফৰাচীয়ে তাক খেদি আহিছিল, সিহঁতে টুহিনৰ কাণ্ড দেখি আচৰিত হৈ নৈৰ পাৰত থমকি ৰ'ল।

সহকাৰীজনে ক'লে, "মানুহজন বৰ টেঙৰ।"

দেনিচভে বিৰক্ত হৈ ক'লে, "সি এটা জানোৱাৰ। সিনো ইমান পৰে ইয়াত কি কৰি আছিল?"

পিটিয়াই সুধিলে, "সি কোন?"

"সি আমাৰ এজন হিলৈদাৰী। তাক পঠাইছিলোঁ পাৰিলে কাৰোবাক ধৰি আনিবলৈ।"

দেনিচভৰ কথা শুনি পিটিয়াই গহীনভাৱে ক'লে, "ওঁ, বুজিছোঁ।" কোনো কথা বুজি নাপালেও পিটিয়াই সকলো কথা বুজি পোৱা যেন দেখুৱায়।

ফৰাচীসকলৰ খবৰ লবলৈ আৰু পাৰিলে কাৰোবাক ধৰি আনিবলৈ দেনিচভে ৰাতিতে টুহিনক চামছেভলৈ পঠাইছিল। কিন্তু বোধকৰোঁ সি এজনক বন্দী কৰিয়ে সন্তুষ্ট নহ'ল, নাইবা গোটেই ৰাতিটো শুই থাকিল। হাবিৰ মাজেৰে গৈ দিন দুপৰীয়া সি ফৰাচীবোৰৰ মাজত ওলাল গৈ। ফৰাচীবোৰে তাক খেদি লৈ আহিল।

ফৰাচীসকলৰ গতিবিধি নিৰীক্ষণ কৰাৰ পাছত কাইলৈ কেনেকৈ আক্ৰমণ কৰা হব এই বিষয়ে দেনিচভে সহকাৰীজনৰ লগত আলচ কৰিলে। তাৰ পাচত পিটিয়াক ক'লে, "ব'লা, এতিয়া আমি যাওঁ। কাপোৰ-কানিবোৰ শুকাওঁ গৈ।"

হাবিৰ মাজত পঁজাটোৰ ওচৰত এজন মানুহ দেখি দেনিচভ ৰ'ল। মানুহজনে কান্ধত এটা বন্দুক লৈ ইফাল-সিফাল কৰি আছে! দেনিচভক দেখি মানুহজনে কিবা এটা বস্তু হাবিৰ মাজলৈ দলিয়াই দিলে। তাৰ পাছত তিতা টুপীটো মূৰৰ পৰা সোলোকাই দেনিচভৰ ওচৰলৈ আহি অভিবাদন জনালে। এইজন টুহিন। তাৰ গোটেই গাটো তিতা, মুখত বসন্তৰ দাগ, সৰু সৰু চকু দুটি জিলিকি আছে। তাক দেখিলেই হাঁহি উঠে।

দেনিচভে সুধিলে, "ইমান সময় তুমি ক'ত আছিলা?"

"ক'ত আছিলোঁ? কেলেই? ফৰাচী ধৰিবলৈ গৈছিলোঁ, হজুৰ।"

তুমি এটা জানোৱাৰ। দিনত গৈছিলা কেলেই, গাধা? নধৰিলা কিয়?

"হুজুৰ, এজনক ধৰছিলোঁ।"

"ক'ত ?"

"বাতিপুৰাতে এজনক ধৰিছিলোঁ। হাবিলৈ আনিছিলোঁ। পিছত দেখিলোঁ—সি একেবাৰে অঁকৰা। তাৰ দ্বাৰা আপোনাৰ কাম নহব। এজন ভাল মানুহ ধৰিব লাগিব।"

"গাধা, তাকেই নানিলা কেলেই ?"

"তাক আনিনো কি হব ? একেবাৰে অপদাৰ্থ। আপোনাক কেনেকুৱা মানুহ লাগে মইতো জানো।"

"জানোবাৰ ! বাৰু, তাৰ পাছত ?"

"তাৰ পাছত মই আৰু এজন বিচাৰি গলোঁ। হাবিৰ মাজত এনেকৈ পেট পেলাই লুকাই থাকিলোঁ। তাৰ পাছত এনেকৈ একে জাপে গৈ এজনক টেটুত চেপি ধৰিলোঁ। মানুহজনে চিঞৰ-বাখৰ লগালত তাৰ লগৰীয়া চাৰিজনে তৰোৱালেৰে মোক আক্ৰমণ কৰিলে। ময়ো এনেকৈ কুঠাৰখন ললোঁ।"

সহকাৰীজনে ক'লে, "এৰা, সিহঁতৰ হাত সাৰি তোমাক পিতনিৰ মাজে মাজে লৰি অহা আমি পাহাৰৰ ওপৰৰ পৰা দেখিছিলোঁ।"

টুহিনৰ ভাব-ভঙ্গী দেখি পিটিয়াৰ হাঁহি উঠিছিল কিন্তু আনবোৰক গহীন হৈ থকা দেখি তাৰ হাঁহিবলৈ সাহস ন'হল।

দেনিচভে থঙতে ক'লে, "কিন্তু আগতে ধৰা মানুহজনক নানিলা কিয় ?"

টুহিনে এখন হাতেৰে পিঠিখন খজুৱাই, আনখন হাতেৰে মূৰটো জুৱাই এনেকুৱা মুখৰ ভঙ্গী কৰিলে যে দেনিচভে নইহাকৈ থাকিব নোৱাৰিলে। লগে লগে পিটিয়া আৰু টুহিনেও হাঁহিবলৈ ধৰিলে।

টুহিনে ক'লে, "সেই মানুহজন একেবাৰে অপদাৰ্থ। গাত কাপোৰকানি নাই। তাক নো আনি কি হব, হুজুৰ ? সি হেনো এজন সেনাপতিৰ লৰা। সি আহিব নোখোজে।"

দেনিচভে ক'লে, "মই তাক কিছুমান কথা সুধিলোঁহেঁতেন।"

"ময়ে সুধিছিলোঁ। সি হেনো একো নাজানে।" বুলি কৈ টুহিনে দেনিচভৰ মুখলৈ চালে।

দেনিচভে থঙেৰে ক'লে, "তোমাৰ এই ভণ্ডামিৰ কাৰণে তুমি এশ বেত খাব লাগিব।"

"হুজুৰে খং কৰিছে কেলেই ? আপোনাক যেনেকুৱা মানুহ লাগে, তেনে

মানুহ পোৱা নাই। থং নকৰিব। আজি ৰাতিয়েই মই তিনিজন ধৰি আনি দিম।”

“বাৰু, আহা।” বুলি কৈ দেনিচভ পঁজাটোৰ ফালে খোজ ললে।

পিছে পিছে টুহিনে অশ্বাৰোহী সৈনিকবোৰৰ লগত হাঁহি হাঁহি কথা পাতি গৈছে। টুহিনে এজোৰ বুটজোতা হাৰিকল দলিয়াই দিছিল। সিহঁতে তাকে কোৰামেলা কৰিছে। সিহঁতৰ কথাবোৰ পিটিয়াৰ কাণত পৰিল। পিটিয়াই বুজি পালে যে টুহিনে ফৰাচী মানুহজনক মাৰিছে। আৰু এই বুটজোতাযোৰ তাৰেই। পিটিয়াৰ মনটো বেয়া লাগিল। সি ঢুলীয়া বন্দীটোৰ ফালে চালে। হঠাতে নিজৰ দুৰ্বলতাৰ কথা বুজি পাই পিটিয়াই কালিৰ আক্ৰমণৰ বিষয়ে সহকাৰীজনৰ লগত কথা পাতিবলৈ ধৰিলে।

দলোহভৰ ওচৰলৈ যিজন মানুহ পঠোৱা হৈছিল সি আই দেনিচভক খবৰ দিলে যে দলোহভ সাজু হৈ আছে,—সোনকালে আহি পাব। খবৰটো শুনি দেনিচভে বৰ বং পালে। পিটিয়াক ওচৰলৈ মাতি ক'লে, “বাৰু, এতিয়া তোমাৰ নিজৰ কথা কোৱাচোন, শুনো।”

# চতুৰ্থ অধ্যায়

মস্কো এৰি আহি পিটিয়াই বাটতে মাক-বাপেকৰ পৰা বিদায় লৈ সেনাদলত যোগ দিয়ে। ভাল কাম কৰাৰ কাৰণে অলপ দিনৰ ভিতৰতে পিটিয়াৰ পদোন্নতি হয়। এজন ডাঙৰ সেনাপতিৰ সহকাৰী হিচাপে নিযুক্ত হয়। ভিয়েজমাৰ যুদ্ধত যোগ দিয়াৰ পৰা তাৰ মনৰ বিশেষ পৰিবৰ্তন ঘটিল। দুঃসাহসিক কামলৈ তাৰ বৰ হেঁপাহ হ'ল। সাহসৰ কাম কৰিবলৈ পায়লই তাৰ আনন্দ। তেনে কাম সি বিচাৰি ফুৰে। কোনোবা ঠাইত উপস্থিত থাকিব নোৱাৰিলে সি ভাবে তাত চাগে ডাঙৰ যুদ্ধ হ'ল ; সি তাৰ বীৰত্ব দেখুৱাবলৈ সুযোগ নাপালে।

অক্টোবৰৰ একৈশ তাৰিখে তাৰ সেনাপতিয়ে যেতিয়া দেনিচভৰ ওচৰলৈ এজন মানুহ পঠোৱাৰ কথা ভাবিছিল, পিটিয়াই নিজে উপযাচি সেনাপতিক অনুনয়-বিনয় কৰি আহিবলৈ ওলাল। সেনাপতিয়ে তাৰ অনুৰোধ ৰক্ষা নকৰি নোৱাৰিলে। কিন্তু সেনাপতিয়ে পিটিয়াক ভালদৰে চিনি পায়। তেওঁ তাৰ দুঃসাহসিকতাৰ কথা জানে।

ভিয়েজমাৰ যুদ্ধত এটা খবৰ লৈ যাওঁতে পিটিয়াই সদৰ ৰাস্তাৰে নগৈ ফৰাচী কামানৰ সম্মুখেদি গৈ তাতে দুবাৰ পিস্টলেৰে গুলি কৰে। সেনাপতিয়ে তাক আহিবলৈ দিলে হয় কিন্তু এই অসীম সাহসিকতাৰ কথা সুঁৱৰি পিটিয়াক সাৱধান কৰি দিলে, সি যেন দেনিচভৰ লগ লাগি কোনো লুটপাতত যোগ নিদিয়ে। সেই কাৰণে দেনিচভৰ লগত থাকিবলৈ পিটিয়াই প্ৰথমতে হেঁহো-নেহোঁ কৰিছিল। পিটিয়াই বাটে বাটে ভাবি গৈছিল যে দেনিচভক চিঠিখন দিয়েই সি তৎক্ষণাত উভতি আহিব। কিন্তু ফৰাচীবিলাকক আৰু টুহিনক দেখি আৰু সেই ৰাতিয়ে আক্ৰমণ নিশ্চয় হব বুলি জানি হঠাতে পিটিয়াৰ মনৰ পৰিবৰ্তন হ'ল। সেনাপতিলৈ তাৰ যথেষ্ট শ্ৰদ্ধা আছে ; কিন্তু সি ভাবিলে যে তেওঁ এডোখৰ কাঠহে, তেওঁ জাৰ্মান। দেনিচভ, তেওঁৰ সহকাৰীজন আৰু টুহিনক ডাঙৰ বীৰ বুলি ভাবিলে। বিপদৰ সময়ত সিহঁতক এৰি যোৱাটো বৰ লাজৰ কথা বুলি ভাবিলে।

দেনিচভ, তেওঁৰ সহকাৰী আৰু পিটিয়াই পজা ঘৰটো পাওঁতে এন্ধাৰ হ'ল। দলৰ মানুহবোৰে ওচৰতে এটা গাঁওত জুই ধৰিছে। পজাটোৰ ৰাৰাণ্ডাত

এজন সৈনিকে এটা ভেৰাছাগলী কাটিছে। ঘৰৰ ভিতৰত তিনিজন কৰ্মচাৰীয়ে কেইখনমান দুৱাৰ লগ লগাই মেজ সাজিছে। পিটিয়াই গাৰ কাপোৰ-কানিবোৰ সোলোকাই শুকাবলৈ দি কৰ্মচাৰীবোৰৰ লগত খোৱা মেজ সাজিবলৈ লাগি গ'ল। দহ মিনিটতে মেজখন সজা হ'ল। মেজখনৰ ওপৰত এখন ডাঙৰ গামোছা পাৰি দি তাত মদ, ৰুটি, মঙহ, নিমখ আনি সজোৱা হ'ল। সকলো খাবলৈ বহিল।

পিটিয়াৰ মনত বৰ ৰং। সি দেনিচভক ক'লে, "আপোনাৰ লগত এদিন থাকিলে সেনাপতিয়ে গং কৰিব নেকি? কি কয়?" পিছত নিজে হাত-মুখ জোকাৰি ক'লে, "কিন্তু আপোনাক বিচাৰি পালেহে চিঠিখন দিব পাৰোঁ—বিচাৰিয়ে আছোঁ। কিন্তু আপুনি মোক মাজলৈ দিব লাগিব···যিমান টান কাম আছে। মোক পুৰস্কাৰ নালাগে—মোক লাগে···"

দেনিচভে হাঁহি ক'লে, "কেনে টান কাম?"

"আপুনি যিহকে দিয়ে। কিন্তু মোক অকলে এটা কামৰ ভাৰ দিব।"

এজন কৰ্মচাৰীয়ে এডোখৰ মঙহ টানি চিঙিব খুজিছিল। পিটিয়াই তাক ক'লে, "ইমান কষ্ট কৰিব লাগিছে কেলেই? ছুৰীৰে কাটিলেই দেখোন হয়। ল'বা।" বুলি পিটিয়াই মোনাৰ পৰা ছুৰীখন উলিয়াই কৰ্মচাৰীজনক দিলে।

কৰ্মচাৰীজনে ক'লে, "ছুৰীখনৰ বৰ ধাৰ।"

পিটিয়াই ক'লে, "এইখন ছুৰী তুমিয়ে ৰাখা। মোৰ এনেকুৱা কেবাখনো আছে।" তাৰ পাছত হঠাতে সি চিঞৰি "ও এটা কথা মই একেবাৰে পাহৰিছিলোঁ।" বুলি কৈ বাৰাণ্ডালৈ গ'ল। অলপ পাছতে এক টোপোলা পকা মিঠৈ আনি কৰ্মচাৰীসকলক খাবলৈ দিলে। "এইবোৰ আপোনালোকৰ কাৰণে আনিছোঁ। মই মিঠাই ভাল পাওঁ। আমাৰ শিবিৰত ভাল ভাল মিঠৈ পোৱা যায়। বৰ ভাল, খাই চাওকচোন। আপোনালোকৰ কাৰণেই আনিছোঁ।"

পিটিয়াই ইক-মুৰা আৰু কিছুমান বস্তু লগত আনিছিল। সেইবোৰৰ কথাও সি কৰ্মচাৰীসকলক ক'লে। হঠাতে সি ভাবিলে, "সৰু ল'ৰাৰ নিচিনা মই বৰ বেছি কথা কৈছোঁ। বৰ ভুল কৰিছোঁ।" আৰু কিবা ভুল কৰিছে নে কি ভাবোঁতে সেই বন্দী ঢুলীয়া লৰাটোৰ কথা তাৰ মনত পৰিল। "আমি পেট ভৰাই খালোঁ। বেচেৰাই হয়তো একোৱে খাবলৈ পোৱা নাই। বাহিৰত ঠাণ্ডাত কষ্ট পাইছে। আমি ৰং-ধেমালি কৰিছোঁ। তাক ভিতৰলৈ মাতি

আনিলে ভাল হয়।” কিন্তু এইটো তাৰ দুৰ্বলতা ভাবি লগৰীয়াবোৰে হাঁহিব বুলি সি একো কৰবলৈ সাহ নকৰিলে। “নিজে ল'ৰা কাৰণে ল'ৰাৰ কাৰণে ভাবিছে”—মই ল'ৰা নেকি কালিলৈ তাৰ প্ৰমাণ দেখুৱাম। কিন্তু পিটিয়াই বেছি সময় মুখ বন্ধ কৰি থাকিব নোৱাৰে। “মানুহে যিহকে ভাবক, মই যি ভাল বুজিছোঁ কমেই। তাক মাতি আনি খাব দিয়া উচিত হব।” পিটিয়াই দেনিচভৰ ওচৰলৈ গৈ কাণে কাণে কথাটো কওঁতেই দেনিচভে ক'লে, “ভাল কথা। বেচেৰাক মাতা, নাম ধৰি মাতা। তাৰ নাম ভিনচেণ্ট্ বছ্।”

“বাৰু, মই গৈ তাক মাতি আনো।”

“আনাগৈ বেচেৰাই বাহিৰত বৰ কষ্ট পাইছে।”

পিটিয়াৰ ব্যৱহাৰত সকলো সন্তুষ্ট হ'ল। তাৰ মানৱতাৰ পৰিচয়ত সকলোৰে অন্তৰ কোমল হ'ল। পিটিয়াই বন্দীজনক নাম ধৰি মাতিলে। অইন কোঠাৰ পৰা কজন অশ্বাৰোহীয়ে ক'লে, “হুজুৰ, সি বাহিৰত জুই পুৱাইছে ; বাৰু মাতি দিওঁ।”

ফৰাচী বাহিনীৰ ঢুলীয়া ল'ৰা বন্দীটোৰ কাৰণে পিটিয়াই মনত বৰ দুখ পাইছে। ল'ৰাটোৰ এখন হাতত ধৰি মৰমেৰে ক'লে, “আহা, ভিতৰলৈ আহা। তোমাৰ বৰ কষ্ট হৈছে। ভোক লাগিছে নেকি ? ভয় নকৰিবা। তোমাক কোনেও নামাৰে।”

পিটিয়াই বন্দী ল'ৰাটোক ঘৰৰ ভিতৰলৈ আনিলে। তালৈ পিটিয়াৰ যথেষ্ট সহানুভূতি আছে কিন্তু বন্দীজনক নিজৰ ওচৰত নবহুৱালে। পিটিয়া আঁতৰত দেনিচভৰ ওচৰত বহিলগৈ। মৰ্য্যাদা মানি হব পাৰে বুলি পিটিয়াই বন্দীজনক লোকৰ আগত বেছি মৰম নেদেখুৱালে। পইচাৰ মোনাখনত হাত দি পিটিয়াই ভাবিলে, “ল'ৰাটোক অলপ পইচা দিব পাৰিলে ভাল হয়।”

বন্দী লৰাটোক মদ, মঙহ আৰু এটা কছ পোছাক দিবলৈ দেনিচভে হুকুম দিলে। ল'ৰাটো আন বন্দীবোৰৰ লগত নাথাকি, দেনিচভৰ ঢুলীয়াসকলৰ লগত থাকিব। এনেতে দলোহভ গুলালহি। পিটিয়াই দলোহভৰ বীৰত্ব আৰু দুঃসাহসিক কামৰ বহুতো গল্প শুনিছে। সি মন দি দলোহভৰ ফালে চাই থাকিল। দলোহভৰ চেহেৰা দেখি সি আচৰিত হ'ল। এনেকুৱা বীৰৰ সহকাৰী হৈ থাকিবলৈ তাৰ হেঁপাহ হ'ল। দেনিচভতকৈ দলোহভক তাৰ বেছি ভাল লাগিল। দেনিচভে অশ্বাৰোহীৰ পোছাক পিন্ধিছে, দাড়ি-গোফ দীঘলকৈ ৰাখিছে। দলোহভে ওখ থাপৰ কৰ্মচাৰীৰ সাজ-পোছাক পিন্ধি আহিছে।

দলোহভে মস্কোত পাৰস্য পোছাক পিন্ধিছিল। আজিও সি সেই পোছাকেৰে ডাচৰ কৰ্মচাৰীৰ নিচিনাকৈ সাজিপাৰি আছিছে। সি ঘৰৰ ভিতৰত সোমাই এচুকত ভিজা পোছাকটো সোলোকাই থৈ, কোনো ফালে নাচাই পোনে পোনে দেনিচভৰ কাষত বহিলগৈ। আৰু অইন কোনো কথা নাপাতি অভিযানৰ কথা সুধিলে।

বাহিৰত বৰ এন্ধাৰ। বৰষুণ এৰিছে। কিন্তু গছৰ পাতৰ পৰা এতিয়াও টোপ টোপকৈ পানী পৰি আছে। পঁজাটোৰ ওচৰতে অশ্বাৰোহীবোৰৰ তম্বু। ঘোঁৰাবোৰ বন্ধা আছে। পিচফালে ঢুখন গাড়ী। এটা গাঁতত ঢিমিক-ঢামাককৈ জুই জ্বলি আছে। আটাইবোৰ সৈনিক এতিয়াও শোৱা নাই। সিইতৰ মাত শুনা গৈছে। ঘোঁৰাবোৰে ঘাঁহ চোবাইছে।

পিটিয়াই নিজৰ ঘোঁৰাটোৰ ওচৰলৈ গৈ তাক মৰম কৰি ক'লে, "চোৰা কাৰাবাক, কাইলৈ আমাৰ ডাঙৰ কাম আছে, বুজিছা।"

এজন অশ্বাৰোহী সৈনিকে গাড়ীৰ ওপৰৰ পৰা সুধিলে, "হুজুৰে এতিয়াও শোৱা নাই দেখোন।"

"এই মাত্ৰ আহিলোঁ। ফৰাচীবোৰক চাবলৈ গৈছিলোঁ।" বুলি কৈ পিটিয়াই তাৰ অভিযানৰ কথা ক'লে। সি কিয় ইয়াত থাকিব খুজিছে আৰু ক'লে যে জখেমধে কাম কৰাতকৈ সি নিজৰ জীৱন বিপন্ন কৰিবলৈকো সাজু আছে।

অশ্বাৰোহী সৈনিকজনে ক'লে, "হুজুৰে অলপ শুই লওক।"

"মোৰ টোপনি নহলেও চলে ; অভ্যাস হৈ গৈছে।" অলপ পৰ বৈ পিটিয়াই ক'লে, "তুমি মোৰ তৰোৱালখন ধৰাই দিব পাৰিবানে ? ধাৰ নাইকিয়া হৈছে।"

"পাৰিম হুজুৰ" বুলি কৈ অশ্বাৰোহী সেনাজন গাড়ীৰ পৰা নামি আহি তৰোৱালত শান দিবলৈ লাগিল।

"সকলো শুইছে নেকি ?"

"কিছুমান শুইছে, কিছুমান সাৰে আছে।"

"বাক, সেই ল'ৰাটো ক'ত আছে জানানে ?"

"কোন ? সেই ফৰাচী বন্দীজনৰ কথা কৈছে ? সি সৌ পঁজাটোৰ দুৱাৰৰ চুকত জৰতে কঁপি কঁপি এতিয়া শুইছে।"

পিটিয়াই একো নামাতি তৰোৱালখনত শান দিয়াৰ শব্দ শুনি থাকিল।

এন্ধাৰত মানুহৰ খোজৰ শব্দ শুনা গ'ল। কোনোবা এজনে গাড়ীখনৰ ওচৰলৈ আহি সুধিলে, "তুমি কি ধৰাইছা ?"

"হুজুৰৰ তৰোৱালখন ধৰাইছোঁ, ভাই।"

"ভাল কথা। মোৰ বাটিটো ইয়াত এৰিছিলোঁ নেকি ?"

"এৰা, সৌ চকাটোৰ ওচৰত আছে।" মানুহজনে বাটিটো ললে।

"ৰাতি পুৱায়হে বাৰু।" বুলি মানুহজন হাঁমিয়াই গ'ল। পিটিয়াৰ মনটো কিন্তু স্বপ্নৰাজ্যত আছিল। বাস্তৱ জগতৰ এইবোৰ কথা সি বুজি নাপাইছিল। পজাঘৰটোত যি ছাঁ দেখা গৈছে, ই পৃথিৱীৰ ভিতৰলৈ যোৱা সুৰঙ্গও হব পাৰে। সেই যে জুইকুৰা দেখা গৈছে, ই বোধকৰোঁ প্ৰকাণ্ড ৰাক্ষসৰ চকুহে। কিজানি সি গাড়ীৰ ওপৰত বহি থকা নাই, ওখ টিঙৰ ওপৰতহে আছে। তাৰ পৰা পৰিলে সি সদায় উৰি ফুৰিব।

গাড়ীৰ তলত বহি থকা মানুহজন সাধাৰণ কচাক নহৈ পৃথিৱীৰ কোনোবা অজ্ঞাত বীৰ, অসাধাৰণ মানুহ হব পাৰে। সেই যে এজন মানুহ পানী বিচাৰি আহিছিল, সি বোধকৰোঁ চিৰদিনৰ কাৰণে অন্তৰ্ধান হ'ল। পিটিয়া পৰীৰাজ্যত আছিল। তাত সকলো সম্ভৱ।

পিটিয়াই আকাশৰফালে চালে। আকাশখনো এখন পৰীৰাজ্য। তৰাবোৰ জিলিকি আছে। আকাশখন যেনিবা এবাৰ ওপৰলৈ উঠিছে, এবাৰ তললৈ নামিছে—হাতেৰে চুব পাৰি। এনেকৈ পিটিয়াৰ টোপনি আহিল। গছৰ পাতৰ পৰা এতিয়াও পানী পৰি আছে। শুই থকা কোনোবা সৈনিকৰ নাকৰ শব্দ শুনা গৈছে। আৰু সেই কচাকজনে তৰোৱালত শান দিয়াৰ শব্দ হৈছে। টোপনিতে পিটিয়াই যেন ঐক্যতানৰ অপূৰ্ব মধুৰ ঝঙ্কাৰ শুনিলে। এই মধুৰ ঝঙ্কাৰ শুনি তাৰ অন্তৰ নাচি উঠিল। বেহেলা, বাঁহী বেলেগ বেলেগ যন্ত্ৰৰ সুৰ তাৰ কাণত পৰিল। অগণিত কিন্নৰীয়েহে যেনিবা সুৰৰ লহৰ তুলিছে।

হঠাতে মূৰটো দাঙি পিটিয়াই ভাবিলে, "মই সপোনহে দেখিছোঁ হবলা। কিন্তু সেই সুৰ এতিয়াও কাণত লাগি আছে। বোধকৰোঁ কোনোবা অজান গায়কে মোক গীত শুনাইছে। বাৰু, আৰু গোৱা..." বুলি পিটিয়াই চকু মুদিলে। আকৌ সি সুৰৰ স্বপ্নৰাজ্যলৈ গ'ল।

কচাকজনে মাতিলে, "হুজুৰ, আপোনাৰ তলোৱাল নিয়ক। এতিয়া একে থাপে দুজন ফৰাচীৰ মূৰ কাটিব পাৰিব।"

পিটিয়াই চকু মেলি দেখিলে ৰাতি পুৱাইছে। গছৰ ওপৰত বেলিৰ পোহৰ

পৰিছে। ঘোঁৰাবোৰে চিঞৰিছে। পিটিয়াই গাড়ীৰ পৰা জাপ মাৰি নামি জেপৰ পৰা টকা এটা উলিয়াই কচাকজনক বকচিচ দিলে। সিফালে কিছুমানে টোপনিৰ পৰা উঠি অভিযানৰ যো-জা কৰিছে। দেনিচভে পঞ্জাটোৰ পৰা ওলাই পিটিয়াক বিচাৰিলে।

লগুৱাটোৱে দেনিচভক ক'লে, "হুজুৰ, আমাৰ কাপ্তেন ইয়াতে আছে।" দেনিচভে পিটিয়াক সাজু হ'বলৈ কলে।

চকুৰ নিমিষতে অশ্বাৰোহী, পদাতিক সকলো সৈন্য সাজি-পাৰি আহি নিজ নিজ ঠাইত শাৰী পাতি থিয় হ'ল। আগতে পদাতিকসকল বাওনা হ'ল। অলপ পাছতে কুঁৱলী আৰু বননিৰ মাজত সিহঁত অদৃশ্য হ'ল। হাত-মুখ ধুই পিটিয়া ঘোঁৰাৰ লাগামত ধৰি হুকুমৰ কাৰণে ৰৈ আছে। দেনিচভে ক'লে, "সকলো সাজু হৈছে নে? আমাৰ ঘোঁৰা আনা।" পিটিয়াই ঘোঁৰাত উঠি পিচফালে অশ্বাৰোহী দলটোলৈ চালে। তাৰ পাছত দেনিচভৰ কাষ চাপি ক'লে, "মোক কিবা এটা কাম কৰিবলৈ আদেশ দিব—অনুনয় কৰিছোঁ।" দেনিচভে বোধকৰোঁ পিটিয়াৰ কথা পাহৰিছিল। উভতি চাই গহীনভাৱে ক'লে, "তোমাক মই এটা অনুৰোধ কৰিছোঁ—তুমি মোৰ হুকুম মানি হে চলিবা, নিজৰ খুচিমতে একো নকৰিবা।"

গোটেই দিনটো দেনিচভে পিটিয়াক এষাৰ কথাও কোৱা নাই। হাবিৰ দাঁতি পোৱাৰ লগে লগে চাৰিও পিনে ফৰকাল হ'ল। দেনিচভে সহকাৰীজনৰ কাণৰ ওচৰত কিবা ক'লে। অশ্বাৰোহী কচাক সেনাবোৰ আগবাঢ়ি গ'ল। দেনিচভ পাহাৰৰ তললৈ নামি গ'ল। পিটিয়াও লগে লগে গ'ল।

পাহাৰৰ নামনিলৈ আহি দেনিচভে ওচৰত থকা কচাকজনক ক'লে, "সঙ্কেত ধ্বনি দিয়া।" হিলৈৰ শব্দ হ'ল। লগে লগে অশ্বাৰোহীবোৰ চাৰিও পিনে আগবাঢ়ি গ'ল। চাৰিও পিনে কামান গৰ্জন প্ৰতিধ্বনিত হ'ল। কামানৰ শব্দ শুনি পিটিয়া উত্তেজিত হ'ল। দেনিচভৰ কথালৈ ভ্ৰুক্ষেপ নকৰি জোৰেৰে ঘোঁৰা চলাই সি অকলে অকলে আগবাঢ়ি সাঁকো এখনৰ ওচৰলৈ গ'ল। কচাকবোৰ আগে আগে ৰাস্তাৰে গৈছে। কিছুমান ফৰাচী ৰাস্তাৰ সোঁফালৰ পৰা বাওঁফালে লৰি গৈছে। হঠাতে এজন ঘোঁৰাৰ ওপৰৰ পৰা বাগৰি বোকাত পৰিল। কচাকবোৰে এটা ঘৰ বেৰি আছে। তাত বহুতো মানুহৰ চিঞৰ-বাখৰ শুনা গৈছে। পিটিয়া তালৈ আগবাঢ় দেখিলে এজন ফৰাচীয়ে শত্ৰুৰ বল্লমত থাপ মাৰি ধৰি নিজক বচাবলৈ চেষ্টা কৰিছে। পিটিয়াই হুগুণ

উৎসাহেৰে গাৰ্ৰ বাটেদি ঘোঁৰা মেলি দিলে।

আগত অবিৰাম বন্দুকৰ শব্দ হৈছে। কচাক, হুচাৰ, কছবন্দীবোৰ চিঞৰ-বাখৰ কৰি ৰাস্তাৰ ভুম্বোফালৰ পৰা লৰি আহিছে। নীলা পোছাক পিন্ধা এজন ফৰাচীয়ে উগ্ৰ মূৰ্তি ধৰি বন্দুকৰ সঙ্গীনেৰে কেইজনমান হুচাৰ সেনাক বাধা দিছে। পিটিয়াই সেইখিনি পোৱাৰ আগতেই ফৰাচীজনৰ পতন হ'ল। পিটিয়াই দুখ কৰিলে, "মোৰ অহাত পলম হ'ল, মই নাপালোঁ।"

হাবিৰ মাজত এটা ঘৰৰ ভিতৰত কিছুমান ফৰাচী লুকাই আছিল। সিহঁতে বাহিৰত থকা কচাকবোৰলৈ গুলি কৰিছে। তাত এখন ভাঙৰ যুদ্ধ হৈছে। পিটিয়া তালৈ গ'ল। তাত পিটিয়াই দলোহভক দেখা পালে। দলোহভে কচাকবোৰক আদেশ দিছে, "ঘৰটো আগুৰি থাকা। হুচাৰবোৰ আহক।" পিটিয়াই দলোহভৰ ওচৰলৈ গৈ চিঞৰিলে, "ৰ'ব লাগিছে কেলেই?" এই বুলি কৈ পিটিয়া জুইৰ মাজত সোমালগৈ কামান আৰু বন্দুকৰ শব্দত একো শুনি। ঘোঁৰাৰ কাৰণে একো নেদেখা হ'ল। পিটিয়াৰ পিছে পিছে দলোহভ আৰু কচাকবোৰ আগবাঢ়ি গ'ল। ওচৰৰ হাবি-জংঘলে লুকাই থকা ফৰাচীবোৰে অস্ত্ৰ-শস্ত্ৰ পেলাই, কিছুমান পুখুৰীৰ পিনে লৰ দিলে আৰু কিছুমান আত্ম সমৰ্পণ কৰিবলৈ আগবাঢ়ি আহিল।

পিটিয়াই লাগাম এৰি দি হাত দুখন মেলি ঘোঁৰাটোৰে চৌপাশে ঘূৰি ফুৰিছে। এটা অগ্নিকুণ্ডৰ ওচৰত হঠাতে ঘোঁৰাটো ৰ'ল। লগে লগে পিটিয়া ঘোঁৰাৰ পৰা ছিটিকি জেকা মাটিত বাগৰি পৰিল। তাৰ মূৰত বন্দুকৰ গুলি লাগিছিল।

এজন ফৰাচী কৰ্মচাৰী তৰোৱালৰ আগত এখন বগা ৰুমাল বান্ধি লৈ ঘৰৰ ভিতৰৰ পৰা ওলাই আহিল। সি দলোহভক আত্মসমৰ্পণৰ কথা জনালে আৰু যুদ্ধ বন্ধ কৰিবলৈ অনুৰোধ কৰিলে। দলোহভে কৰ্মচাৰীজনৰ লগত কথা-বতৰা হৈ পিটিয়াৰ ওচৰলৈ গ'ল। পিটিয়াই হাত দুখন মেলি, অজ্ঞান হৈ পৰি আছে। "শেহ হৈছে" বুলি দলোহভ দেনিচভৰ ওবৰলৈ গ'ল।

দূৰৰ পৰা পিটিয়াক দেখি দেনিচভে চিঞৰি উঠিল, "উঁহ, মৰিল!" দলোহভে ক'লে, "শেহ হৈছে। শটো ইয়াতেই থাওক, কি কোৱা?" দেনিচভে একোকে নামাতিলে।

কচাকবোৰে বন্দীবোৰক ঘেৰি থকা দেখি দলোহভ লৰালৰিকৈ তালৈ গ'ল।

দেনিচভ পিটিয়াৰ ওচৰলৈ গ'ল। ঘোঁৰাৰ পৰা নামি দেনিচভে পিটিয়াৰ শেঁতাপৰা মুখখনলৈ চাই থাকিল। পিটিয়াৰ কথাবোৰ দেনিচভৰ মনত পৰিল, "মই মিঠাই খাবলৈ ভাল পাওঁ। এইবোৰ ভাল মিঠৈ। খাওঁক। আপোনালোকৰ কাৰণেই আনিছোঁ।"

দেনিচভৰ শোকত কচাকবোৰ বিচলিত হ'ল। দেনিচভৰ হা-হুমুনিয়াহ, কথাবোৰ সিহঁতৰ কাণত কুকুৰৰ আৰ্তনাদ যেন লাগিল। দেনিচভ লাহে লাহে গৈ এখন বেৰত ধৰি থিয় হ'ল।

দেনিচভ আৰু দলোহভে উদ্ধাৰ কৰা কছবন্দীবোৰৰ ভিতৰত পিয়াৰ বেচুখভো আছিল।

# একাদশ খণ্ড

## প্ৰথম অধ্যায়

সামান্য এটি প্ৰাণীৰ মৃত্যু দেখিলেই মানুহৰ মনত ভয় ওপজে। এদিনাখন তাৰো সেই অৱস্থা হব। নিজৰ মৃত্যুৰ কথা সোঁৱৰাই দিয়ে কাৰণে মানুহে ভয় খায়। কিন্তু মানুহৰ, আপোন মানুহৰ মৃত্যুত মানুহে অন্তৰত তাতোকৈ বেছি আঘাত পায়। এই আঘাতে কেতিয়াবা মানুহক মাৰে। জীয়াই থাকিলেও এই আঘাতে মানুহক চিৰদিন কষ্ট দিয়ে আৰু বাহিৰ জগতৰ পৰা তাক আঁতৰাই আনে।

প্ৰিন্স্ এণ্ড্ৰুৰ মৃত্যুত নাতাচা আৰু প্ৰিন্সেছ মেৰিয়াই অন্তৰত মৰ্মান্তিক আঘাত পালে। মৃত্যুৰ ভয়াবহ ভাৱৰৰ কাৰণে সিহঁতে বাহিৰৰ পিনে চাব নোৱাৰা হ'ল। বাহিৰৰ কোনো উপসৰ্গই অন্তৰৰ ঘাডোখৰ যাতে বেছি কৰিব নোৱাৰে তাৰ কাৰণে সিহঁত সাৱধান হ'ল।

কিন্তু অকৃত্ৰিম আনন্দ যেনে অসম্ভৱ, অকৃত্ৰিম শোকো তেনে অসম্ভৱ। পোন্ধৰ দিন পাছত মেৰিয়াই প্ৰথমতে শোকৰাজ্যৰ পৰা বাহিৰলৈ ওলাই আহিল। তাই এতিয়া স্বাধীন গৃহিণী, ভতিজাকৰ অভিভাৱিকা, তোলনীয়া (ধৰ্ম) মাক। আত্মীয়-স্বজনৰ পৰা পোৱা চিঠিবোৰৰ উত্তৰ দিবলৈ আছে। নিকোলুছকা থকা কোঠাটো বৰ সেমেকা। সি কাহিছে। আলপাতিচে হিচাপ-পত্ৰ লৈ জেৰোস্লেভলৈ আহিছে। তাৰ বহুতো কবলগীয়া আছে। মস্কোলৈ যাবৰ কাৰণে আলপাতিচে মেৰিয়াক উপদেশ দিছে। সিহঁতৰ মস্কোৰ ঘৰটোৰ কোনো বিশেষ ক্ষতি হোৱা নাই। অলপ মেৰামত কৰিলেই হব। কালৰ গতি বোধ কৰিব নোৱাৰি জীয়াই থাকিলে দিনবোৰ যায়। নাতাচাক এনেকৈ অকলে এৰি থৈ যাবলৈ মেৰিয়াই মনত কষ্ট পালে কিন্তু তাই সংসাৰখন চাব লগা হৈছে। আলপাতিচৰ লগত হিচাপ-পত্ৰবোৰ চালে। মেৰিয়াই দেচালিৰ লগত ভতিজাকৰ বিষয়ে আলোচনা কৰি মস্কোলৈ যোৱাৰ কাৰণে সাজু হবলৈ ধৰিলে।

নাতাচা অকলশৰীয়া হ'ল। মস্কোলৈ যাত্ৰাৰ কাৰণে সাজু হোৱাত প্ৰিন্সেছ

মেৰিয়া ব্যস্ত। মেৰিয়াৰ পৰাও নাতাচা আঁতৰ হ'ল।

নাতাচাক মস্কোলৈ নিবৰ কাৰণে মেৰিয়াই কাউণ্টেছৰ অনুমতি বিচাৰিলে। মেৰিয়াৰ কথাত বাপেক-মাক দুয়ো আগ্ৰহেৰে মান্তি হ'ল। দিনে দিনে নাতাচাৰ স্বাস্থ্য বেয়া হৈছে। ঠাই পৰিবৰ্তন আৰু মস্কোৰ ডাক্তৰৰ উপদেশত তাইৰ স্বাস্থ্য ভাল হব বুলি মাক-বাপেকে আশা কৰিছিল। কিন্তু তাইক যাবলৈ কোৱাত তাই ক'লে, "মই কলৈকো নাযাওঁ। মোক অলপ শান্তিত থাকিবলৈ দিয়া।" এই বুলি তাই খঙতে কোঠাটোৰ পৰা বেগেৰে ওলাই গ'ল।

মেৰিয়াই তাইক অকলে এৰি থৈ যাব বুলি গম পাই নাতাচা প্ৰায়ে তাইৰ কোঠাটোৰ ভিতৰত অকলে অকলে বহি ভাবি থাকে। এই অকলশৰীয়া জীৱনে তাইক কষ্ট দিছিল কিন্তু তাই তাকে বিচাৰিছিল। কোঠাটোলৈ কোনোবা আহিলে তাই লৰালৰিকৈ এখন কিতাপ বা চিলাইৰ কাম হাতত লয় আৰু মানুহজন কেতিয়া ওলাই যায় তাৰ কাৰণে অস্থিৰ হৈ বৈ থাকে।

ডিচেম্বৰ মাহৰ শেষৰ পিনে এদিনাখন নাতাচা এইদৰে নিজৰ কোঠাত বহি খিড়িকীৰ ফালে চাই আছে। তাইৰ মুখখন শেঁতা, চুলিবোৰ আউল লগা, গাত এটা ক'লা পোছাক। হঠাতে শব্দ কৰি দুৱাৰখন মেলি লিগিৰী দুনিয়াচা আহি কলে, "বাইদেউ, সোনকালে আহক। দেউতাই মাতিছে। বৰ বিপদ। চিঠি আহিছে। পিটৰ ইলিচ আৰু নাই।" দুনিয়াচাই কান্দিবলৈ ধৰিলে।

নাতাচা বাহিৰৰ জগতৰ পৰা আঁতৰি আছিল। নিজৰ পৰিয়ালৰ পৰা বিশেষভাৱে আঁতৰি থকা যেন তাই অনুভৱ কৰিছিল। মাক, বাপেক, চোনিয়া সদায় ওচৰতে আছে। কিন্তু কথা-বতৰা তাইৰ কোনোমতে সহ্য নহয়। তেওঁলোকৰ প্ৰতি তাই উদাসীন। তেওঁলোকৰ কোনো কথাই তাইৰ ভাব ৰাজ্যত নোসোমায়। দুনিয়াচাই পিটৰ ইলিচৰ বিপদৰ কথা কোৱা তাই শুনিলে, কিন্তু কথাবোৰ বুজি নাপালে।

নাতাচাই মনতে ক'লে, "তেওঁলোকৰ নো কি বিপদ হ'ল? কি বিপদ হোৱা সম্ভৱ? তেওঁলোকৰ সেখোন আগৰ দৰে, নিয়মিতভাৱে আনন্দৰ মাজত দিনবোৰ গৈ আছে। তেওঁলোকৰ নো কি বিপদ হব পাৰে?"

নাতাচা বাহিৰৰ কোঠালৈ গ'লত বাপেক লৰালৰিকৈ মাকৰ কোঠালীৰ পৰা ওলাই আহিল। চকুপানীৰে তেওঁৰ মুখখন ভাঁহিছে। নাতাচাক

দেখি জোকাবি তেওঁ ফেঁকুৰিবলৈ ধৰিলে। "পিট-পিটিয়া—ভিতৰলৈ যোৱা, মাবাই তোমাক মাতিছে।" সৰু ল'ৰাৰ নিচিনাকৈ ফেঁকুৰি ফেঁকুৰি কাউণ্টে থৰক-বৰক হৈ এখন চকীত বহি হাত দুখনেৰে মুখখন ঢাকিলে।

হঠাতে নাতাচাই বৈদ্যুতিক শক্তিৰ পৰশ যেন অনুভৱ কৰিলে। অসহ্য যন্ত্ৰণাই তাইক অন্তৰত আঘাত কৰিলে। তাই যেন আৰু নাবাচে। কিন্তু এই যন্ত্ৰণাই তাইক হেৰোৱা জ্ঞান দিলে। ভাব ৰাজ্যৰ পৰা তাই বাহিৰ জগতলৈ আহিল। বাপেকৰ অৱস্থা দেখি, মাকৰ কান্দোন শুনি, তাই হঠাতে নিজৰ শোকৰ কথা পাহৰি গ'ল।

নাতাচা বাপেকৰ ওচৰলৈ লৰি গ'ল। কিন্তু বাপেকে তাইক মাকৰ ওচৰলৈ যাবলৈ ইঙ্গিত কৰিলে। বিষণ্ণ মনেৰে প্ৰিন্সেছ মেৰিয়া আহি কিবা কৈ নাতাচাক হাতত ধৰি লৈ গ'ল। নাতাচাই তাইলৈ চোৱা নাই। তাইৰ কথা নাতাচাৰ কাণত নোসামাল। দুৱাৰমুখত অলপ ৰৈ নাতাচা মাকৰ ওচৰলৈ লৰি গ'ল।

কাউণ্টেছে এখন চাপৰ চকীত বহি কান্দি কান্দি বেৰত মূৰটো খুন্দিয়াইছে। চোনিয়া আৰু তিনিজনী লিগিৰীয়ে তেওঁৰ হাতত ধৰি আছে।

"নাতাচা! নাতাচা!···সঁচা নহয়—মিছা···মিছা কথা···নাতাচা!" লিগিৰীবোৰক ঠেলি দি চিঞৰিলে, "তইত বা, সঁচা নহয়···মৰিছে···হা···হা···সঁচা নহয়।"

নাতাচাই চকীখনৰ ওচৰত আঁঠু লৈ মাকক সাবটি ধৰি লাহে লাহে মৰমেৰে কবলৈ ধৰিলে, "মা মা, মই আহিছোঁ।"

মাকে চটফটাই আছে কিন্তু নাতাচাই মাকক এৰি দিয়া নাই। গাৰু আৰু পানী আনিবলৈ কৈ নাতাচাই মাকৰ পোছাকটো সোলোকাই দিলে। মাকক শুৱাই থলে। মাকৰ মূৰত, হাতত, মুখত চুমা খাই নাতাচাই "মা, মা" কৈ আছে। মাকৰ নাকেৰে, গালেৰে চকুপানীৰ ধাৰ ধৰিছে।

কাউণ্টেছে চকু মুদিলে আৰু অলপ পৰ শান্ত হৈ থাকিল। হঠাতে উঠি বহি চাৰিওফালে চালে। নাতাচাক দেখি তাইৰ ডিঙিত সাবটি ধৰি কবলৈ ধৰিলে, "নাতাচা, তুমি মোক ভাল পোৱা। তুমি মোক মিছা কথা নকবা, প্ৰতাৰণা নকৰিবা। মোক সঁচা কথা কোৱা।"

নাতাচাৰ চকুপানী ওলাল। মাকৰ শোকৰ ভাগ লবৰ কাৰণে মাকৰ মুখলৈ চাই তাই অকল "মা, মা" কৈ থাকিল। মাকৰ শোক অসহ্য

হ'ল। এনেকুৱা উঠি অহা ডেকা ল'ৰাটোৰ অৰিহনে জীয়াই থাকিব পাৰিব বুলি তেওঁৰ বিশ্বাস নোহোৱা হ'ল। তেওঁ প্ৰলাপ বকিবলৈ ধৰিলে।

সেইদিনাখনৰ দিনটো, ৰাতিটো আৰু পিচদিনাৰো দিন, ৰাতি কেনেকৈ কটালে নাতাচাই কব নোৱাৰে। তাই শোৱা নাই। এক মুহূৰ্তৰ কাৰণেও মাকৰ ওচৰৰ পৰা যোৱা নাই। নাতাচাই মাকক কোনো বুজনি বা সান্ত্বনা দিয়া নাই। অকল ধৈৰ্য্য ধৰি মৰমেৰে মাকক শান্ত কৰিবলৈ বিচাৰিছিল।

তৃতীয় দিনাখন কাউণ্টেছ অলপ সময়ৰ কাৰণে শান্ত হৈছিল। আৰু নাতাচাই চকীৰ হাতত মূৰটো থৈ চকু মুদিছিল। বিছনাৰ শব্দ হ'ল। নাতাচাই চকু মেলি চালে। কাউণ্টেছে বিছনাত বহি লাহে লাহে কৈছে, "তুমি ঘৰলৈ অহা দেখি, বোপাই, মোৰ কিমান ৰং লাগিছে। ভাগৰ লাগি আহিছে; অলপ চাহ খাবা, খোৱা।" নাতাচা মাকৰ ওচৰ চাপি গ'ল। নাতাচাৰ হাতত ধৰি কবলৈ, ধৰিলে, "তোমাক শকত-আৱত, ধুনীয়া দেখিছোঁ।"

"মা, মা, কি হৈছে?"

"নাতাচা, সি গ'ল আৰু নাহে। তাক আৰু নেদেখোঁ।" জীয়েকক সাবটি ধৰি কাউণ্টেছে কান্দিবলৈ ধৰিলে। এই প্ৰথম তেওঁৰ চকুপানী ওলাল।

# দ্বিতীয় অধ্যায়

পিয়াৰ বন্দী অৱস্থাত থাকোঁতে কাউণ্টেছ হেলেন বেচুখভৰ হঠাতে মৃত্যু হয়। ডাঙৰ-ডাঙৰ সভা-সমিতিত চৰকাৰীভাৱে কোৱা হৈছিল যে কাউণ্টেছ বেচুকভৰ মৃত্যুৰ কাৰণ হৃদৰোগ। কিন্তু ভিতৰুৱাকৈ জনা যায় যে স্পেনৰ ৰাণীৰ ডাক্তৰে হেলেনক ঔষধ দিছিল। কিন্তু সেই দৰব বেছিকৈ খাই হেলেনে কোনো সহায় নোপাৱাকৈ হঠাতে মৰে। প্ৰিন্স্ বাচিলে হেনো ইটালিৰ ডাক্তৰজনৰ ওপৰত মোকদমা কৰিব খুজিছিল কিন্তু মৃতকৰ কিছুমান চিঠি দেখুৱাই ডাক্তৰজন সাৰিল।

বন্দী অৱস্থাত পিয়াৰে বহুতো দুখ-কষ্ট ভুগিব লগা হৈছিল। মুক্তি পাই সি ওৰেললৈ গ'ল। সেইখিনি পোৱাৰ দুদিন পাছতে সি কিভলৈ বাওনা হব খুজিছিল কিন্তু হঠাতে অসুখ হৈ তিনি মাহ ওৰেলত শয্যাশায়ী হৈ থাকিল। ডাক্তৰৰ মতে তাৰ পিত্ত জ্বৰ হৈছিল। ঔষধ-পত্ৰ খাই সি ভাল হ'ল।

মুক্তি পোৱাৰ পৰা অসুখ হোৱালৈকে পিয়াৰোৰ কোনো কথা মনত নাই। তাৰ অকল বতৰৰ কথা মনত পৰে। কেতিয়াবা বৰষুণ দিছিল, কেতিয়াবা ব'দ দিছিল। তাৰ ভৰিত, গাত বিষ হোৱাৰ কথা মনত পৰে। মানুহৰ দুখ-দুৰ্গতিৰ কথা তাৰ মনত পৰে। বিশেষকৈ সেই সময়ত তাৰ চিন্তা আৰু অনুভূতিৰ কথা মনত পৰে।

মুক্তি পোৱাৰ দিনাখন সি পিটিয়া ৰোস্তভৰ মৰা শটো দেখে। আৰু সেই দিনাখনেই সি শুনিলে যে বৰোডিনৰ যুদ্ধৰ পাছত প্ৰিন্স্ এণ্ড্ৰু এমাহৰো বেছিদিন জীয়াই আছিল আৰু কেইদিনমান আগতে জেৰোস্লেভত ৰোস্তভইতৰ ঘৰত তেওঁৰ মৃত্যু হৈছে। সেই দিনাখনেই কথা প্ৰসঙ্গত দেনিচভে পিয়াৰক হেলেনৰ মৃত্যুৰ কথা কয়। পিয়াৰে এই খবৰটো আগতে পোৱা বুলি দেনিচভে ভাবিছিল। এইবোৰ কথা পিয়াৰৰ মনত আচৰিত যেন লাগিল। এইবোৰৰ অৰ্থ সি যেন ভালকৈ উপলব্ধি কৰিব নোৱাৰিলে। পিয়াৰৰ তেতিয়া একমাত্ৰ চিন্তা হৈছিল এই হত্যাকাণ্ড চলি থকা ঠাইৰ পৰা কেনেকৈ গৈ নিজান ঠাইত জিৰণি লব পাৰে; সুস্থিৰভাৱে এইবোৰ কথা ভাবিব পাৰে।

কিন্তু ওৰেল পায়ে তাৰ অসুখ হ'ল। ভাল হৈ পিয়াৰে দেখিলে যে মস্কোৰ পৰা তাৰ দুজন লগুৱা আহি তাক সেৱা-শুশ্ৰূষা কৰিছে। আৰু তাৰ ডাঙৰ

ভনীয়েকজনীও তাৰ মুক্তি আৰু অসুখৰ কথা শুনি তাক শুশ্ৰূষা কৰিবলৈ আহিছে। কেথাৰিন পিয়াৰৰ ঘৰতে আছিল।

অসুখৰ পৰা উঠি পিয়াৰে লাহে লাহে যোৱা কেইমাহৰ কথাবোৰ পাহৰিবলৈ ধৰিলে। লাহে লাহে সি বুজি পালে যে তাক কোনেও খেদি নিদিয়ে, তাৰ গৰম বিছনাখন কোনেও নিদিয়ে। এতিয়া চাহ, ভাত পাব বুলি সি নিশ্চিত হ'ল। কিন্তু বহুদিনলৈকে সি বন্দী জীৱনৰ কথা সপোনত দেখিছিল।

মুক্তি পোৱাৰ পিছত শুনা খবৰবোৰ সি এইদৰে লাহে লাহে উপলব্ধি কৰিলে—প্ৰিন্স্ এণ্ড্ৰু আৰু ঘৈণীয়েকৰ মৃত্যু আৰু ফৰাচীসকলৰ পতন।

স্বাধীনতাৰ ভাবে মানুহক আনন্দ দিয়ে। মস্কোৰ বাহিৰলৈ আহি পিয়াৰে পোন প্ৰথমে এই আনন্দ অনুভৱ কৰিছিল। এতিয়া এই আনন্দ সি ভালকৈ উপলব্ধি কৰিছে। তাৰ অন্তৰৰ স্বাধীনতা যেন এতিয়া ফলে-ফুলে জাতিষ্কাৰ হৈ উঠিল। এতিয়া তাৰ ওপৰত কোনেও হুকুম নচলায়, কলৈকো নপঠায়। সি সকলো পাইছে। ঘৈণীয়েকৰ চিন্তাই আগতে তাক সদায় কষ্ট দিছিল। এতিয়া সেই চিন্তা নাই। তাই নিজেই নাই।

চাফ্‌চিকুণ মেজখনিত ভাল ভাল খোৱা বস্তু তাৰ আগত দিলত, ৰাতি কোমল শয্যাত, আৰু ঘৈণীয়েক আৰু ফৰাচীবোৰ নোহোৱাৰ কথা মনত পৰিলে সি মনতে কয় "মই কিমান সুখী! কি সুখ, কি আৰাম, কি চমৎকাৰ!" আগৰ অভ্যাস অনুসৰি সি কেতিয়াবা নিজকে প্ৰশ্ন কৰে, "বাৰু, তাৰ পাছত? মই নো কি কৰিছোঁ?" ততালিকে সি নিজে উত্তৰ দিয়ে, "মই জীয়াই থাকিম। জীয়াই থকাটো কিমান সুখৰ!"

আগতে জীৱনৰ যিবোৰ প্ৰশ্নই তাক অশান্তি দিছিল, সমাধান কৰিবলৈ বিচাৰিছিল, এতিয়া আৰু সেইবোৰ প্ৰশ্ন নাই। স্বাধীনতাৰ আনন্দই তাৰ সুখৰ কাৰণ হ'ল। সি এতিয়া জীৱনৰ উদ্দেশ্যৰ কথা নাভাৱে। এতিয়া তাৰ জীৱন্ত চাক্ষুস ভগৱানৰ ওপৰত বিশ্বাস হৈছে। আগতে সি ভগৱানক বিচাৰিছিল তাৰ লক্ষ্যৰ ভিতৰত। জীৱনৰ উদ্দেশ্য বিচৰাটোৱে ভগৱানক বিচৰা। বিনা যুক্তি-তৰ্কে—বহুদিন আগতে তাৰ বুঢ়ী ধাইজনীয়ে কোৱামতে সি উপলব্ধি কৰিলে যে ভগৱান অ'ত ত'ত সকলোতে আছে। বন্দী অৱস্থাত সি দেখিছে যে কাৰাটভৰ অন্তৰত থকা ভগৱান মহান, অসীম। বাহিৰত বিচাৰি ফুৰা বস্তুটো তাৰ ঘৰতে পোৱা যেন লাগিল। গোটেই জীৱনটো যিটো বস্তুক

সি বহু দূৰলৈকে বিচাৰি ফুৰিছিল, সেই বস্তুটো তাৰ আগতে আছে। "কিহৰ কাৰণে?" এই ডাঙৰ প্ৰশ্নটোৱে তাক আগতে মনত অশান্তি দিছিল। এতিয়া তাৰ মনত আৰু সেই প্ৰশ্ন নাই। এতিয়া তাৰ সহজ উত্তৰ সি বিচাৰি পাইছে। —এজন ভগৱান আছে। —তেওঁৰ বিনা অনুমতিত মূৰৰ এডাল চুলিও নসৰে।

জাপ্‌ৰোৰী মাহৰ শেহত পিয়াৰ মস্কোলৈ আহি নিজৰ ঘৰত থাকিবলৈ ললে। তাৰ ঘৰটো পোৰা নাছিল।

পিয়াৰে শুনিলে যে ৰোস্তভইত কস্ট্রোমাত আছে। নাতাচাৰ কথা তাৰ কাচিত মনত পৰে। মনত পৰিলে পুৰণি মধুৰ স্মৃতিয়ে তাক আনন্দ দিয়ে। এতিয়া দৈনন্দিন জীৱনলৈ তাৰ কোনো চিন্তা নাই। আৰু নিজে মনতে যিবোৰ চিন্তা কৰিছিল, সেইবোৰ চিন্তাও নাই।

## তৃতীয় অধ্যায়

মস্কো আহি পোৱাৰ তিনি দিনৰ দিনাখন পিয়াৰে জ্ৰুবেৎস্কোৰ মুখত শুনিলে যে প্ৰিন্সেছ মেৰিয়া মস্কোত আছে। প্ৰিন্স্ এণ্ড্ৰুৰ মৃত্যু, দুখদুৰ্গতি আৰু শেহ দিন কেইটাৰ কথা প্ৰায়ে পিয়াৰৰ মনত পৰিছিল। এতিয়া আকৌ তাৰ মনত পৰিল। প্ৰিন্সেছ মেৰিয়া মস্কোত তাইৰ নিজৰ ঘৰত থকা বুলি পিয়াৰে দুপৰীয়া খোৱাৰ সময়ত শুনিছিল। তাইৰ ঘৰটোও পোৰা নাছিল। সেইদিনা গধূলি পিয়াৰ মেৰিয়াক দেখা কৰিবলৈ গ'ল।

যাওঁতে বাটত প্ৰিন্স্ এণ্ড্ৰুৰ কথা পিয়াৰৰ বাৰে বাৰে মনত পৰিল—তেওঁলোকৰ বন্ধুত্বৰ কথা, তেওঁলোকৰ দেখাদেখি হোৱা সময়ৰ কথা, বিশেষকৈ বৰোডিনৰ যুদ্ধৰ আগদিনা তেওঁলোকৰ শেহ দেখাদেখি হোৱাৰ কথা। "তেতিয়াৰ সেই বিষণ্ণ, হতাশ মন লৈয়ে মৰিল নেকি ? মৰাৰ আগতে জীৱনৰ ৰহস্য তেওঁ বুজি পোৱা নাছিল জানো ?" পিয়াৰে আচৰিত হৈ ভাবিলে। কাৰাটভৰ কথা, তাৰ মৃত্যুৰ কথা পিয়াৰৰ মনত পৰিল। আৰু অতৰ্কিতে মনতে দুয়োকো বিজাই চালে। দুয়ো বেলেগ, অথচ একে। সি দুয়োকো ভাল পাইছিল। দুয়ো মৰিল। পিয়াৰ গহীন হ'ল।

চিন্তামগ্ন হৈ পিয়াৰ বুঢ়া প্ৰিন্সৰ ঘৰলৈ গ'ল। ঘৰটো একে ৰকমে আছে। অ'ত ত'ত অলপ-অচৰপ ক্ষতি হৈছে। কিন্তু ঘৰটোৰ গঠন একেদৰেই আছে। বুঢ়া লগুৱাটোৱে পিয়াৰক ভ্ৰূকুটি কৰি চালে। পিয়াৰে বুজি পালে যে বুঢ়া প্ৰিন্স্ মৰিছে যদিও ঘৰখনত আগৰ কড়া নীতি-নিয়মৰ কোনো সালসলনি হোৱা নাই। লগুৱাটোৱে ক'লে যে প্ৰিন্সেছ তেওঁৰ কোঠালৈ গৈছে আৰু দেওবাৰৰ বাহিৰে তেওঁ কোনো আলহীক দেখা নকৰে। পিয়াৰে ক'লে, "মোৰ নামটো লৈ যোৱা। তেওঁ দেখা কৰিব পাৰে।" পিয়াৰক বহিবলৈ দি লগুৱাটো গুচি গ'ল।

অলপ পাছতে লগুৱাটো নিকোলুছকাৰ শিক্ষক দেচালিৰ লগত উভতি আহিল। দেচালি আহি ক'লে যে প্ৰিন্সেছে পিয়াৰক দেখা পালে ভাল পাব। দেচালিয়ে পিয়াৰক ওপৰতলালৈ লৈ গ'ল।

ওপৰ মহলাৰ এটি খোঁটালীত সোমাই দেখিলে তাত এটি মাত্ৰ চাকি জ্বলি আছে। তাতে প্ৰিন্সেছ মেৰিয়া আৰু ওচৰতে ক'লা পোছাক পিন্ধি কোনোবা

এজনী বহি আছে। মেৰিয়াই সদায় কোনোবা এজনী লগৰীৰ লগত থকাৰ কথা পিয়াৰৰ মনত পৰিল। কিন্তু সেই লগৰীবোৰৰ কথা ভালকৈ মনত নপৰিল। ক'লা পোছাক পিন্ধা মহিলাজনীক দেখি পিয়াৰে ভাবিলে, "তেওঁ মেৰিয়াৰ কোনোবা লগৰী হব।" পিয়াৰে তেওঁলৈ ভালকৈ নাচালে।

পিয়াৰক দেখি মেৰিয়া লৰালৰিকৈ থিয় হৈ হাতখন আগবঢ়াই দিলে। পিয়াৰে তাইৰ হাতত চুমা খালে। মেৰিয়াই পিয়াৰৰ মুখখনৰ পৰিবৰ্তনলৈ লক্ষ্য কৰি ক'লে, "আমাৰ আকৌ দেখাদেখি হ'ল দেখিছো। শেহৰ ফালে তেওঁ প্ৰায়ে আপোনাৰ কথা কৈছিল।" এইবুলি কৈ মেৰিয়াই অলপ লাজ পাই লগৰীজনীৰ ফালে চালে।

"আপুনি মুক্তি পোৱা বুলি শুনি কিমান বং পাইছো। বহুদিনৰ মূৰত এইটোহে ভাল খবৰ পাইছোঁ।"

লগৰীজনীৰ ফালে আকৌ চাই মেৰিয়াই কিবা কব খুজিছিল কিন্তু পিয়াৰে তাইক বাধা দিলে।

"তেওঁৰ কোনো খবৰ নাপাই মোৰ মনটো যে কেনে লাগিছিল। তেওঁক যুদ্ধত মৰা বুলিয়ে ভাবিছিলো। পাছত অৱশ্যে এজনৰ মুখত শুনিলোঁ তেওঁ হেনো হঠাতে ৰোস্তভইহঁৰ লগ পাইছে। ভগৱানৰ কি লীলা! কি আচৰিত!"

পিয়াৰে বৰ আবেগেৰে খৰকৈ কৈ গ'ল। সি এবাৰ লগৰীজনীৰ ফালে চাই দেখিলে যে তাই মন দি তাৰ ফালে চাই আছে। ক'লা পোছাক পিন্ধা লগৰীজনীক তাৰ বৰ ভাল যেন লাগিল। প্ৰিন্সেছ মেৰিয়াৰ লগত মুকলিভাৱে কথা হোৱাত তাই কোনো প্ৰতিবন্ধক নহ'ব বুলি সি ধৰি ললে। কিন্তু সি ৰোস্তভইঁতৰ কথা কোৱাত মেৰিয়া আৰু বেছিকৈ অপ্ৰস্তুত হ'ল। তাই আকৌ ক'লা পোছাক পিন্ধা মহিলাজনীৰ ফালে চাই ক'লে, "আপুনি তেওঁক চিনি পোৱা নাই?"

পিয়াৰে আকৌ এবাৰ লগৰীজনীৰ শেঁতা, ধীণ মুখখনিলৈ চালে। তাইৰ ক'লা চকুযুৰিয়ে পিয়াৰলৈ চালে। সেই চকুযুৰি পিয়াৰৰ বহুদিনৰ চিনাকি যেন লাগিল। কিন্তু সি ভাবিলে, "অসম্ভৱ! তাইনে? এই গহীন, শেঁতা, ধীণ মুখখনি তাইৰ হব নোৱাৰে। তাইৰ ইমান বয়স হোৱা নাই। ই তাইৰ কথা সোঁৱৰাই দিছে মাত্ৰ।"

প্ৰিন্সেছ মেৰিয়াই মাতিলে, "নাতাচা।"

বহুদিন মামৰে ধৰা দুৱাৰখন জোৰেৰে মেলিলে যেনেকৈ শব্দ হয়,

নাতাচাই তেনেকৈ কষ্টেৰে হাঁহিলে। সেই হাঁহিয়ে হঠাতে পিয়াৰক আনন্দত অভিভূত কৰিলে। এই হাঁহিত পিয়াৰ ভোল গ'ল। সি তাইৰ কথা ভাবিবই পৰা নাছিল। তাই যেতিয়া হাঁহিলে, পিয়াৰৰ আৰু সন্দেহ নাথাকিল। এইজনী নাতাচা। তাইক সি ভাল পাইছিল।

লাজতে পিয়াৰৰ মুখখন ৰঙা হ'ল। সি চঞ্চল হৈ উঠিল। তাৰ মনৰ ভ'ৰ মেৰিয়া আৰু নাতাচাৰ আগত গোপন নাথাকিল। সি তাৰ আবেগ লুকাব খুজিছিল, কিন্তু যিমানে লুকাবলৈ যত্ন কৰিলে তিমানে নাতাচা আৰু মেৰিয়াৰ ওচৰত ধৰা পৰিল। সি নাতাচাক ভাল পায়।

পিয়াৰে ভাবিলে, "ই একো নহয়। ই এটা বিস্ময় মাথোন।" কিন্তু সি মেৰিয়াৰ লগত কথা পাতিবলৈ যাওঁতে আকৌ এবাৰ নাতাচাৰ ফালে চালে। তাৰ মুখখন বেছি ৰঙা হ'ল। অন্তৰত ভয়, আনন্দ পালে। সি খোনাই কথা কবলৈ ধৰিলে। বাক্যৰ মাজেতে ৰয়। সংশয় হ'ল…

নাতাচাক ইয়াত দেখা পাব বুলি পিয়াৰে ভবা নাছিল। সেই কাৰণে তাইলৈ লক্ষ্য কৰা নাছিল। আগতে দেখাতকৈ নাতাচাৰ বহুতো পৰিবৰ্তন হোৱাৰ কাৰণে সি তাইক চিনিব পৰা নাছিল। তাই শেঁতা পৰিছে, খীণাইছে। সেইবুলি তাই চিনিব নোৱাৰা হোৱা নাছিল। সি যেতিয়া খোঁটালীটোত সোমায় সেই সময়ত কোনেও তাইক চিনি নাপালেহেঁতেন। কাৰণ সি যেতিয়া প্ৰথমে তাইৰ ফালে চায়, তেতিয়া তাইৰ চকুত আগৰ সেই হাঁহি নাছিল। ই শোকৰ চকু।

পিয়াৰৰ নিচিনাকৈ নাতাচা অপ্ৰস্তুত হোৱা নাই। অকল ৰঙতে তাইৰ গোটেই মুখখন উজ্জ্বলি উঠিছিল।

প্ৰিন্সেছ মেৰিয়াই ক'লে, "কেইদিনমানৰ কাৰণে মই তেওঁক ইয়ালৈ আনিছোঁ। অলপ দিনৰ ভিতৰতে কাউণ্ট আৰু কাউণ্টেছো আহিব। কাউণ্টেছক দেখিলেই বেয়া লাগে। কিন্তু নাতাচাৰ নিজৰ কাৰণেই ডাক্তৰৰ পৰামৰ্শ লব লগা হৈছে। তেওঁক জোৰকৈহে মোৰ লগত পঠাইছে।"

নাতাচাৰ ফালে চাই পিয়াৰে ক'লে, "শোক নথকা কোনোবা পৰিয়াল আছে নেকি? আমি মুক্তি পোৱা দিনাখনেই বাতিপুৱা পিটিয়া—। মই তাক দেখিছোঁ। কি স্ফূৰ্তিবাজ ল'ৰা!"

নাতাচাই তাৰ ফালে চালে কিন্তু একোকে নামাতিলে। তাইৰ চকুযুৰি আৰু উজ্জ্বল হৈ উঠিল।

ওচৰলৈ গ'ল। সি বিদায় লব খুজিছিল। কিন্তু মেৰিয়াই তাক যাবলৈ নিদিলে।

"বহক, অলপপৰ থাওকচোন। নাতাচা আৰু মই দুই বজাৰ আগতে প্ৰায়ে নোলোও। এতিয়া খাব লাগিব। তললৈ গৈ বহক। আমি এতিয়াই গৈছোঁ।"

পিয়াৰ তললৈ যোৱাৰ আগতে মেৰিয়াই তাক ক'লে, "তেওঁ তেওঁৰ কথা এনেকৈ আজিহে প্ৰথম কৈছে।"

পিয়াৰ আকৌ মেৰিয়াৰ ঘৰলৈ খাবলৈ আহিল। আহোতে বাটত সি ভগা-ছিগা ঘৰবোৰ চাই আহিল। পোৰা ঘৰ-দুৱাৰবোৰ দেখি তাৰ ৰাইন আৰু কলোচিয়মৰ ভগ্নাৱশেষৰ কথা মনত পৰিল। গাৰোৱান, মিস্ত্ৰী, ফেৰিৱালা দোকানী সকলোৱে ৰং মনেৰে পিয়াৰৰ ফালে চাইছে। সিহঁতে ৰং পাই যেন কৈছে, "ও তেওঁ আহিছে। চাওঁচোন এতিয়া কি হয়!"

প্ৰিন্সেছ মেৰিয়াৰ ঘৰ পাই পিয়াৰৰ সন্দেহ হ'ল। সি সঁচাকৈয়ে কালি ইয়ালৈ আহিছিল নে কি? নাতাচাৰ লগত দেখা হৈছিল নেকি? তাইৰ লগত কথা পাতিছিল নেকি? "বোধকৰো এইবোৰ মোৰ মনে সজা। বোধকৰো আজি ভিতৰলৈ গৈ কাকো নেদেখিম।" কিন্তু ঘৰৰ ভিতৰত সোমাই সি তাৰ স্বাধীনতা হেৰুৱালে। নাতাচাৰ উপস্থিতি অনুভৱ কৰিলে। নাতাচাই একেটা ক'লা পোছাককে পিন্ধি আছে। চুলিবোৰ কালিৰ নিচিনাকৈ বান্ধিছে। কিন্তু আজি তাইক সম্পূৰ্ণ বেলেগ যেন দেখুৱাইছে। কালি আহোঁতে এনেকুৱা দেখা হলে সি নিশ্চয় তাইক চিনি পালেহেঁতেন। সৰুৰে পৰা তাইক যেনেকুৱা দেখিছিল, পিছত প্ৰিন্স্ এণ্ড্ৰুৰ লগত বিয়া ঠিক হোৱাৰ সময়ত যেনে দেখিছিল, আজিও পিয়াৰে তাইক তেনেকুৱা দেখিলে। চকুযুৰি উজ্জ্বল। মুখখন মৰম লগা। তাত মোহিনী শক্তি আছে।

পিয়াৰে গোটেই গধূলিটো সিহঁতৰ লগতে কটালেহেঁতেন, কিন্তু প্ৰিন্সেছ মেৰিয়া গীৰ্জালৈ যাব। পিয়াৰো সিহঁতৰ লগত ওলাই আহিল।

পিছদিনাখন পিয়াৰ আগতে আহিল। সিহঁতৰ লগত খাই-বৈ গোটেই গধূলি তাত থাকিল। যদিও প্ৰিন্সেছ মেৰিয়া আৰু নাতাচাই পিয়াৰক দেখি ভাল পাইছিল আৰু যদিও পিয়াৰে এই ঘৰখনক বেছি ভাল পোৱা হৈছে—গধূলিতে সিহঁতৰ কথা শেহ হ'ল। এতিয়া সৰুসুৰা কথাবোৰহে হৈছে। সিয়ো নাইকিয়া হ'ল। কেতিয়াবা সকলো নিমাত হৈ থাকে।

সিদিনা গধূলি পিয়াৰ ইমান দেৰীলৈকে থাকিল যে মেৰিয়া আৰু নাতাচা দুয়ো মুখলৈ চোৱাচুই কৰিলে। সি নাথায় নেকি বুলি আচাৰিত হ'ল। পিয়াৰে সিইঁতৰ মনৰ ভাৱ বুজি পালে। কিন্তু আহিব নোৱাৰে। তাৰ অৱস্থাটো বুজি পালে। তথাপি সি বহি থাকিল, কাৰণ সি উঠি আহিব নোৱাৰে।

নাতাচাই তালৈ হাতখন আগবঢ়াই দি গুচি গ'ল। মেৰিয়া কিন্তু নগৈ চকীখনত ভালকৈ বহি লৈ উজ্জ্বল চকুযুৰিৰে পিয়াৰৰ ফালে চাই থাকিল। তাইৰ চকুত আৰু সেই আৱনিৰ ভাৱ নাই। তাই দীঘলকৈ এটা হুমুনিয়াহ কাঢ়িলে।

নাতাচা যোৱাৰ লগে লগে পিয়াৰৰ অস্বস্তিৰ ভাব নাইকিয়া হ'ল। তাৰ আগ্ৰহ বাঢ়িল। সি তাৰ চকীখন মেৰিয়াৰ ওচৰলৈ নি ক'লে, "মই তোমাক এটা কথা ক'ব খুজিছোঁ। তুমি মোক সহায় কৰিব লাগে। মই কি কৰিব লাগিব? মই আশা কৰিব পাৰোঁ নে? প্ৰিন্সেছ, বন্ধু, মোৰ কথা শুনা। মই জানো তাইৰ উপযুক্ত নহওঁ; কিন্তু এতিয়া সেই প্ৰস্তাব কৰাৰ সময় নহয়, মই জানো। মই তাইৰ ককায়েক হম। নহয়, নহয়; মই নহওঁ, মই হ'ব নোৱাৰো।" সি ৰ'ল। হাত দুখনেৰে চকু-মুখ মোহাৰিলে। অলপ সংযত হৈ আকৌ ক'লে, "চোৱা, কেতিয়াৰ পৰা মই তাইক ভাল পোৱা হলোঁ, মই ক'ব নোৱাৰোঁ। কিন্তু জীৱনত মই তাইকে ভাল পাইছোঁ। আৰু ইমান ভাল পাওঁ যে তাই নহ'লে জীয়াই থকাৰ কথা ভাবিবই নোৱাৰোঁ। এই সময়ত বিয়াৰ প্ৰস্তাৱ কৰিবলৈ মোৰ মনটোৱে নকয়। কিন্তু তাই মোৰ পত্নী হব পাৰে আৰু যদি এই সুযোগটো এৰি দিওঁ বৰ পৰিতাপৰ কথা হ'ব। মই আশা কৰিব পাৰোঁ নে? কোৱা। মই কি কৰিব লাগে, কোৱা, প্ৰিন্সেছ।"

মেৰিয়াই ন মতা দেখি, অলপ ৰৈ পিয়াৰে তাইৰ হাতত ধৰি ক'লে, "মৰমৰ প্ৰিন্সেছ।"

প্ৰিন্সেছ মেৰিয়াই ক'লে, "আপুনি ঠিকেই কৈছে। মস্নো তাকে ভাবিছোঁ। এতিয়া তাইক বিয়াৰ কথা কোৱাতো···।" মেৰিয়া অলপ ৰল। তাই ভাবিলে যে নাতাচাক এতিয়া বিয়াৰ কথা কোৱাটো অসম্ভৱ। কিন্তু তাই ৰ'ল। কাৰণ যোৱা তিনি দিনত তাই নাতাচাৰ হঠাৎ পৰিবৰ্তন দেখিছে। পিয়াৰে তাইক প্ৰেম নিবেদন কৰিলে, বোধকৰোঁ তাই বেয়া নাপাব। আচলতে হয়তো

নাতাচাই তাকে বিচাৰিছে। তথাপি মেৰিয়াই ক'লে, "তাইক কোৱাৰ এতিয়া কোনো প্ৰশ্নই নুঠে।"

"কিন্তু মই কি কৰোঁ ?"

"বাৰু, যি কৰিব লাগে, মই কৰিম। মই জানো…।"

"বাৰু, বাৰু !"

"মই জানো তাই ভাল পায়, তাই আপোনাক ভাল পাব।"

এই বুলি মেৰিয়াই কোৱা মাত্ৰেই পিয়াৰে জাপ মাৰি মেৰিয়াৰ হাতত ধৰিলে। "সঁচানে ? তুমি কেনেকৈ জানিলা ? তেন্তে মই আশা কৰিব পাৰোঁ ?…"

প্ৰিন্সেছ মেৰিয়াই হাঁহি ক'লে, "এৰা, মই ভাবোঁ। তাই মাক-বাপেকলৈ লিখক। বাকীখিনি মই কৰিম। সুবিধা পালেই মই তাইক কম. মোৰ মনটোৱে কৈছে আপোনালোকৰ বিয়াখন হব। ময়ো তাকে কামনা কৰোঁ।"

পিয়াৰে মেৰিয়াৰ হাত দুখনত বাৰে বাৰে চুমা খাই কবলৈ ধৰিলে, "নহয়, ই হব নোৱাৰে।"

"আপুনি পিটাৰ্চবাৰ্গলৈ যোৱাটো ভাল হব। মই আপোনালৈ চিঠি দিম।"

"পিটাৰ্চবাৰ্গলৈ ? মই যাব লাগিব ? বাৰু, যাম। কিন্তু কাইলৈ মই আকৌ আহিম।"

পিচদিনাখন পিয়াৰ বিদায় লবলৈ আহিল। আগৰ কেইদিনৰ নিচিনা আজি নাতাচাৰ মুখখন তিমান উজ্জ্বল নহয়—ধীৰ, শান্ত। পিয়াৰে তাইৰ ফালে চাই বং পালে। দুয়ো এটা হব। "কিন্তু ই জানো সম্ভৱ ? ই হব নোৱাৰে।"

বিদায় লবৰ সময়ত পিয়াৰে নাতাচাৰ হাতখন বেছি সময় ধৰি ভাবিলে, "এই হাতখন, এই মুখখন, এই চকুযুৰি, এই সৌন্দৰ্য্যৰাশী এদিনাখন চিৰদিনৰ কাৰণে মোৰ হবনে ? নহয়, অসম্ভৱ।"

নাতাচাই ক'লে, "কাউন্ট বিদায় !" পিছত লাহেকৈ ক'লে, "আকৌ দেখা হব বুলি আশা পালি থাকিম।"

এই কথা কেইটা, এই চকুযুৰি, এই মুখখন ছমাহৰ কাৰণে পিয়াৰৰ সুখৰ সপোন হৈ থাকিল। "মই আপোনাক দেখা পাবলৈ আশা পালি থাকিম।"—

তাই কেনেকৈ ক'ব পাৰিলে! কি আনন্দ! মই কিমান সুখী! মই ইমান সুখী কেনেকৈ হলোঁ?"

প্ৰথম দিনাখন গধূলি নাতাচাই মেৰিয়াক ধেমালি কৰি কৈছিল, "তেওঁক গা ধুই অহা যেন লাগিছে।" তেতিয়াৰ পৰাই নাতাচাৰ অন্তৰত এটা ভাব সোমাইছে। তেতিয়াৰ পৰা তাইৰ মুখৰ, চকুৰ, মাতৰ, সকলোৰে পৰিবৰ্তন ঘটিছে। তাইৰ জীৱনী শক্তি বাঢ়িল। সুখৰ কাৰণে হাবিলাস হ'ল। প্ৰথম গধূলিৰ পৰা যেন তাই আগৰ সকলো কথা পাহৰি গ'ল। তেতিয়াৰ পৰা তাই অকণো দুখ কৰা নাই। অতীতৰ কথা কোৱা নাই। ভৱিষ্যতত এন্ধাৰৰ কাৰণে ভয় কৰা নাই। তাই পিয়াৰৰ কথা বেছি নকয়। কিন্তু প্ৰিন্সেছ মেৰিয়াই পিয়াৰৰ কথা উলিয়ালে তাইৰ চকুযুৰি উজ্জ্বল হয়, মুখত হাঁহি ওলায়।

নাতাচাৰ এই পৰিবৰ্তন দেখি প্ৰথমতে মেৰিয়া আচৰিত হৈছিল। কিন্তু যেতিয়া তাৰ কাৰণ বুজি পালে—এই পৰিবৰ্তনৰ কাৰণে মেৰিয়া মৰ্মাহত হ'ল। মেৰিয়াই অকলে অকলে ভাৱে, "তেন্তে তাই ককাইদেউক ডিমান ভাল পোৱা নাছিল। নহ'লেনো ইমান সোনকালে তেওঁক পাহৰিব পাৰেনে?" কিন্তু নাতাচা ওচৰত থাকিলে মেৰিয়াই তাইক বেয়া নাপায়। তাইক দোষ নিদিয়ে। নাতাচাৰ জীৱনী শক্তি ইমানকৈ বাঢ়িছিল, নাতাচাই নিজেই ভাবিব পৰা নাছিল। প্ৰিন্সেছ মেৰিয়াই ভাবিলে যে নাতাচাৰ মনটোক দুষিবৰ তাইৰ অধিকাৰ নাই। নাতাচাৰ আনন্দ, সুখ ইমান স্বাভাৱিক হৈছিল যে তাই তাক লুকাবৰ চেষ্টা কৰা নাই।

সিদিনাখন ৰাতি পিয়াৰক বিদায় দি প্ৰিন্সেছ মেৰিয়াক তাইৰ কোঠালিলৈ অহা দেখি নাতাচাই দুৱাৰমুখলৈ আগবাঢ়ি গৈ আগ্ৰহেৰে সুধিলে, "তেওঁ কৈছে? নহয়? তেওঁ কৈছে? মই দুৱাৰৰ আঁৰৰ পৰা শুনিব খুজিছিলোঁ। কিন্তু তুমি মোক সকলো কবা বুলি জানো।"

প্ৰিন্সেছ মেৰিয়াই সকলো বুজি পালে। নাতাচাৰ উদ্বেগ দেখি তাইৰ পুতৌ হ'ল। তথাপি তাইৰ কথা শুনি প্ৰথমতে মৰ্মাহত হ'ল। ককায়েকৰ কথা তাইৰ মনত পৰিল। "কিন্তু কি কৰিব? তাইৰ উপায় নাই।" সংযত হৈ মেৰিয়াই পিয়াৰে তাইক কোৱা সকলো কথা নাতাচাক ক'লে। পিয়াৰ পিটাৰ্চবাৰ্গলৈ যাব বুলি শুনি নাতাচা আচৰিত হ'ল। "পিটাৰ্চবাৰ্গলৈ?" যেন তাই বিশ্বাস কৰিব নোৱাৰে। কিন্তু মেৰিয়াৰ মুখলৈ চাই তাই মেৰিয়াৰ বেজাৰৰ কাৰণ বুজি পালে। তাই হঠাতে কান্দিবলৈ ধৰিলে।

"মেৰি, মই কি কৰিম, কোঁৱা। মই নিষ্ঠুৰ হব নোখোজো। তুমি যি কোঁৱা মই তাকে কৰিম। কোঁৱা…"

"তুমি তেওঁক ভাল পোৱা ?"

নাতাচাই লাহেকৈ ক'লে, "পাওঁ।"

নাতাচাক কন্দা দেখি মেৰিয়াৰ বেয়া লাগিল। তাইৰ আনন্দক কথা কৰি ক'লে, "তেন্তে কিয় কান্দিছা ? তোমাৰ কাৰণে মই বৰ বং পাইছোঁ।"

"সোনকালে নহয়…এদিনাথন। কি সুখৰ কথা হব—মই যেতিয়া তেওঁৰ পৰিবাৰ হওঁ আৰু তুমি নিকলয়ক বিয়া কৰোৱা।"

"নাতাচা, কাবৌ কৰিছোঁ ; সেইটো কথা নক'বা। তোমাৰ কথাই কওঁইক।"

দুয়ো নিমাত হ'ল।

হঠাতে নাতাচাই ক'লে, "কিন্তু পিটাৰ্চবাৰ্গ লৈ যায় কেলেই ?" পিছত তাই নিজেই উত্তৰ দিলে, "নহয়, নহয় ; নিশ্চয় সেই কাৰণে হ'ব…হয়নে মেৰি ? নিশ্চয় সেই কাৰণে…।"

# চতুৰ্থ অধ্যায়

১৮১৩ চনত নাতাচাৰ লগত পিয়াৰ বেচুখভৰ বিয়া হ'ল। আৰু পুৰণি ৰোস্তভ পৰিয়ালৰ এইটোৱেই শেষ আনন্দ উৎসৱ। সেই বছৰতে কাউণ্ট ইলিয়া এণ্ড্ৰেফিচৰ মৃত্যু হয় আৰু সাধাৰণতে যি হয়—বাপেক মৰাৰ লগে লগে ঘৰখন ভাগিল।

মস্কো দাহন, নগৰৰ পৰা পলাই যোৱা, প্ৰিন্স্ এণ্ডুৰ মৃত্যু, নাতাচাৰ নৈৰাশ্য, পিটিয়াৰ মৃত্যু আৰু কাউণ্টেছৰ শোক—যোৱা বছৰৰ এইবোৰ ঘটনাই বুঢ়া কাউণ্টক যথেষ্ট আঘাত দিয়ে। তেওঁ এইবোৰৰ কাৰণ বুজি পোৱা নাছিল। তেওঁ সকলো মৰ পাতি লৈছে। শেহ আঘাতৰ কাৰণে বৈ আছিল। এইবোৰ দেখি তেওঁ ভয় খাইছিল যদিও অসাধাৰণ মনৰ বলেৰে দৈনন্দিন সকলো কাম কৰি আছিল। নাতাচাৰ বিয়াৰ সময়ত তেওঁ বাহিৰত ব্যস্ত হৈয়ে আছিল। বিয়াৰ ভোজ তেৰেঁ আয়োজন কৰিছিল। বং মনে থাকিবলৈ চেষ্টা কৰিছিল। ই তেওঁৰ স্বাভাৱিক আনন্দ নহয়। যি সকলে তেওঁক জানিছিল, ভাল পাইছিল, তেওঁৰ আনন্দ দেখি তেওঁলোকৰ পুতৌ হৈছিল।

পিয়াৰ আৰু তাৰ ঘৈণীয়েক যোৱাৰ পাছত কাউণ্ট হঠাতে বৰ দুৰ্বল হৈ পৰিল। কেইদিনমান পাছতে তেওঁৰ অসুখ হ'ল, শয্যাশায়ী হ'ল। ডাক্তৰে আশ্বাস দিয়া সত্বেও বেমাৰৰ প্ৰথম অৱস্থাৰ পৰাই তেওঁ বুজি পালে যে তেওঁ আৰু ভাল নহয়। এক পক্ষ ধৰি কানি-কাপোৰ নসলোৱাকৈয়ে কাউণ্টেছে তেওঁৰ গাৰুৰ ওচৰত এখন চাপৰ চকীত বহি থাকিল। প্ৰত্যেক বাৰ ঔষধ দিওঁতে কাউণ্টে তেওঁৰ হাতত লাহেকৈ চুমা খাই কান্দে। শেহৰ দিনাখন সম্পত্তি নষ্ট কৰাৰ কাৰণে তেওঁ ঘৈণীয়েকৰ আৰু বাহিৰত থকা ল'ৰাটোৰ ক্ষমা বিচাৰিলে। সম্পত্তি নষ্ট হোৱাৰ কাৰণে তেৰেঁ দায়ী বুলি তেওঁ বুজি পাইছিল। পুৰোহিত আহি শেহ সংস্কাৰ কৰাৰ পাছত তেওঁৰ শান্তিতে মৃত্যু হয়। পিছদিনাখন তেওঁক শেহ শ্ৰদ্ধা দেখুৱাবলৈ বহুতো চিনাকি মানুহ আহিল। ৰোস্তভইতৰ ভাৰা কৰা ঘৰ মানুহেৰে ভৰি পৰিল। যিসকলে প্ৰায়ে এই ঘৰত খাইছিল, নাচিছিল, হাঁহিছিল, তেওঁলোকে ক'লে "অইন যিয়ে নহওক, তেওঁ এজন চমৎকাৰ মানুহ আছিল। আজিকালি তেনে মানুহ দেখিবলৈ নাই··· দোষনো কাৰ নাথাকে ?···"

কাউণ্টৰ সম্পত্তিৰ বেমেজালি লগাৰ পাছতে হঠাতে তেওঁ মৰি থাকিল।

নিকলয়ে কুছবাহিনীৰ লগত পেৰিচত থাকোঁতে বাপেকৰ মৃত্যু সংবাদ পায়। কামৰ পৰা এৰি দিবৰ কাৰণে সি আবেদন কৰিলে, কিন্তু হুকুমৰ কাৰণে বাট নাচাই ছুটী লয়ে ততালিকে মস্কোলৈ আহিল। কাউণ্টৰ মৃত্যুৰ এমাহৰ ভিতৰতে সকলো দেনা-পাওনাৰ হিচাপ হ'ল। কাউণ্টৰ সকয়ুৰা ইমান ধাৰ থকা বুলি কোনেও ভৱা নাছিল। সকলো আচৰিত হ'ল। ধাৰ জমিদাৰীৰ মূল্যৰ দুগুণতকৈ বেছি।

কাউণ্টৰ উত্তৰাধিকাৰী নহবলৈ বন্ধু-বান্ধৱ, আত্মীয়-স্বজনে নিকলয়ক উপদেশ দিলে। কিন্তু নিকলয়ে ভাবিলে যে উত্তৰাধিকাৰী হবলৈ অস্বীকাৰ কৰিলে বাপেকৰ পুণ্য স্মৃতিক অৱমাননা কৰা হব। গতিকে মানুহৰ কথা শুনি সি তেনে কাম নকৰে। সি উত্তৰাধিকাৰী হ'ল। সকলো ধাৰ নিজে গা পাতি ললে।

বুঢ়া কাউণ্ট জীয়াই থাকোঁতে মহাজনসকলে তেওঁৰ সজ স্বভাৱৰ খাতিৰত নিমাত হৈ আছিল। এতিয়া সিহঁতে তৎক্ষণাত আহি নিকলয়ক বেঢ়ি ধৰিলে। সিহঁতৰ ভিতৰত আঁৰিয়া-আঁৰি লাগিল কোনে আগতে টকা আদায় কৰিব পাৰে। যিসকলে পুৰস্কাৰৰূপে দলিল পাইছিল সিহঁত আৰু বেছি নিৰ্দয় হ'ল। যিসকলে বুঢ়া কাউণ্টক পুতৌ কৰিছিল সিহঁতে টকাৰ কাৰণে নিকলয়ক দিনে-ৰাতি জুলুম কৰিবলৈ ধৰিলে। আচলতে এই ধাৰৰ কাৰণে নিকলয় দায়ী নহয়। সি উপযাচি এই ধাৰবোৰ মাৰিবলৈ গাত লৈছে।

নিকলয়ৰ সংকল্প কৃতকাৰ্য্য নহ'ল। জমিদাৰীখন নিলামত আধা দামত বেচিলে। তথাপি আধাখিনি ধাৰ মাৰিবলৈ থাকিল। পিয়াৰ বেচুখভে তাক ত্ৰিছ হাজাৰ টকা ধাৰলৈ দিলে। তাৰে সি ন্যায্য ধাৰখিনি মাৰিলে। বাকী মহাজনবোৰে তাক ফাটেকত দিব বুলি ভয় দেখুৱালে। ফাটেকৰ হাত সাৰিবলৈ সি আকৌ চৰকাৰী চাকৰিত সোমাল।

সেনাবাহিনীলৈ উন্নতি গ'লে সি সোনকালে কৰ্ণেল হ'ব পাৰে কিন্তু এতিয়া সেই প্ৰশ্নই নুঠে। কাৰণ মাকে এতিয়া তাক কোনোমতে এৰি থাকিব নোৱাৰে। সিয়ে মাত্ৰ এতিয়া তেওঁৰ জীৱনৰ সম্বল। আগৰ চিনাকি মানুহৰ মাজত সি মস্কোত থাকিবলৈ ভাল নাপাইছিল। তাৰোপৰি বেসামৰিক কামত সোমাবলৈ তাৰ ইচ্ছা নাছিল। তথাপি মস্কোত এটা বেসামৰিক কামত সোমাবলৈ বাধ্য

হ'ল। তাৰ মৰমৰ সামৰিক পোছাক খুলি থলে। মাক আৰু চোনিয়াৰ সৈতে এটি সৰু ঘৰত থাকিবলৈ ললে।

নাতাচা আৰু পিয়াৰ তেতিয়া পিটাৰ্চবাৰ্গত আছিল। সিহঁতে নিকলয়ৰ বিষয়ে ভালকৈ নাজানে। পিয়াৰৰ পৰা টকা ধাৰলৈ লৈ নিকলয়ে নিজৰ দৰিদ্ৰতাৰ কথা পিয়াৰৰ পৰা লুকাবলৈ যত্ন কৰিছিল। নিকলয়ৰ আৰু বেছি টনা টনি হ'ল, কাৰণ তাৰ বাবশ টকা দৰমহাৰে সি, চোনিয়া আৰু মাক পোহ-পাল যাব লাগে। আৰু মাকক এনেকৈ ৰাখিব লাগে যাতে তেওঁ দৰিদ্ৰতাৰ কথা অনুভৱ কৰিব নোৱাৰে। কাউণ্টেছ্ৰ লাহবিলাসৰ মাজত ডাঙৰ-দীঘল হৈছে। লাহবিলাস নোহোৱাকৈ থাকিব পাৰিব বুলি তেওঁ ভাবিবই নোৱাৰে। পুতেকৰ পক্ষে যে ইমান টকা দিয়া টান তেওঁ নাভাৱে। তেওঁ সদায় কৈ থাকে এখন গাড়ী লাগে, অমুকক খাবলৈ মাতিব লাগে বা নিজৰ কাৰণে ভাল খোৱাবস্তু, পুতেকৰ কাৰণে মদ, উপহাৰ কিনিবলৈ টকা, নাতাচাক, চোনিয়াক, নিকলয়ক পুৰস্কাৰ দিব লাগে। এইদৰে সদায় ফৰমাচ দিয়েই থাকে।

চোনিয়াই ঘৰখন চলায়, মাহীয়েকৰ আলপৈচান ধৰে, কিতাপ পঢ়ি শুনায়, আৰু দাৰিদ্ৰ্যৰ কথা মাহীয়েকৰ পৰা লুকাই ৰখাত নিকলয়ক সহায় কৰে। মাকৰ ইমান যত্ন লোৱাৰ কাৰণে নিকলয় চোনিয়াৰ ওচৰত কৃতজ্ঞতাৰ ঋণত আবদ্ধ। সেই ঋণ কেতিয়াও পৰিশোধ কৰিব নোৱাৰিব। তাইৰ ধৈৰ্য্য আৰু ভক্তিক সি প্ৰশংসা কৰে কিন্তু তাইৰ পৰা সি আঁতৰত থাকিবলৈ চেষ্টা কৰে।

চোনিয়া সম্পূৰ্ণ নিখুঁত। তাইৰ কোনো দোষ উলিয়াব নোৱাৰি। সেই কাৰণে তাইলৈ নিকলয়ৰ অন্তৰত হিংসা হৈছিল যেন লাগে। বহুমূলীয়া সকলো গুণবোৰ তাইৰ আছিল কিন্তু সি ভাল পাব লগা গুণ তাইৰ নাছিল। সি দেখিলে যে যিমানেই সি তাইক প্ৰশংসা কৰে, তিমানেই তাইলৈ তাৰ ভাল-পোৱা কমি আহে। সি তাইৰ লগত এনেকৈ ব্যৱহাৰ কৰে যেনিবা সিহঁতৰ আগৰ কথা সি পাহৰি গৈছে আৰু সেইবোৰ কথা কোনোমতে হব নোৱাৰে।

নিকলয়ৰ অবস্থা ক্ৰমাৎ বেয়া হ'ল। দৰমহাৰ পৰা সি অলপ সাঁচিবলৈ আশা কৰিছিল কিন্তু সি অসাৰ সপোন হ'ল। সাঁচিবতো নোৱাৰিলেই বৰং মাকৰ ফৰমাচ যোগোৱাতে তাৰ আৰু সৰুহবা ধাৰ হ'ল। তাৰ অৱস্থাৰ উন্নতিৰ কোনো-উপায় নোহোৱা হ'ল। আত্মীয় তিৰোতাসকলে তাক এজনী ধনী মানুহৰ ছোৱালী বিয়া কৰাবলৈ কৈছিল। কিন্তু এইটো

সি কোনোমতে পছন্দ নকৰে। মাকৰ মৃত্যুৰে তাৰ আৰ্থিক সমস্যা সমাধানৰ একমাত্ৰ উপায় বুলি সি কেতিয়াও ভবা নাই। সি একোকে ইচ্ছা নকৰে, আশা নকৰে। এই আৰ্থিক দুৰৱস্থা সহ্য কৰিয়ে সি এক প্ৰকাৰ সন্তোষ পাইছে। পুৰণি চিনাকিবোৰৰ পৰা আঁতৰত থাকিবলৈ চেষ্টা কৰিছে। সিইতৰ পুতৌ, সহায়, সি নিবিচাৰে। সকলো আমোদ-প্ৰমোদ বৰ্জন কৰিছে। ঘৰতো অকল মাকৰ আবদাৰ সহ্য কৰি থাকে। মনে মনে থোঁটালীটোৰ চাৰিওফালে খোজ কাঢ়ে আৰু অকল ধপাত হুপে। সি সদায় মনটো মাৰি থাকে। এনেকৈয়ে সি তাৰ দুৰৱস্থা সহ্য কৰিছিল।

# পঞ্চম অধ্যায়

শীতকালৰ আৰম্ভণিতে প্ৰিন্সেছ মেৰিয়া মস্কোলৈ আহিল। মানুহৰ পৰা তাই ৰোস্তভইঁতৰ অৱস্থাৰ কথা শুনিলে। মাকৰ কাৰণে ল'ৰাটোৱে কেনেকৈ নিজৰ স্বাৰ্থ ত্যাগ কৰিছে তাকো শুনিলে। প্ৰিন্সেছ মেৰিয়াই তাইৰ ভালপোৱাটো সুদৃঢ় হোৱা দেখি ভাল পাই মনতে ভাবিলে, "তেওঁৰ এনে অৱস্থা হব বুলি মই আগতে জানিছিলোঁ।" গোটেই পৰিয়ালটোৰ লগত তাইৰ ঘনিষ্ঠ সম্পৰ্কৰ কথা মনত পেলাই তাইয়ো যেন্নিবা পৰিয়ালৰ এজনী—তেওঁলোকক দেখা কৰা তাইৰ কৰ্তব্য বুলি ভাবিলে। কিন্তু ভেৰোনেজত নিকলয়ৰ লগত তাইৰ সম্বন্ধৰ কথা ভাবি তাইৰ যাবলৈ ভয় হ'ল। মস্কোলৈ অহাৰ কেই সপ্তাহমান পাছত আকৌ চেষ্টা কৰি তাই ৰোস্তভইঁতক দেখা কৰিবলৈ গ'ল।

নিকলয়ৰ কোঠাৰ মাজেদিযে কাউণ্টেছৰ কোঠালৈ যাব পাৰি। গতিকে নিকলয়ৰ লগতে প্ৰথম প্ৰিন্সেছ মেৰিয়াৰ দেখা হ'ল। নিকলয়ে তাইক দেখি ৰং পাব বুলি মেৰিয়াই ভাবিছিল, কিন্তু নিকলয়ে গহীন হৈ, অহঙ্কাৰৰ ভাব লৈ তাইৰ ফালে চালে। নিকলয়ে তাইৰ গা কেনে আছে বুলি সুধি, মাকৰ কোঠালৈ লৈ গ'ল। তাত পাঁচ মিনিটমান থাকি নিকলয় ওলাই আহিল।

প্ৰিন্সেছ মেৰিয়াই কাউণ্টেছক দেখা কৰি আহিলত নিকলয়ে আকৌ তাইক লগ পালে। ভদ্ৰভাৱে তাইক বহা কোঠাটোলৈ লৈ গ'ল। মেৰিয়াই কাউণ্টেছৰ স্বাস্থ্যৰ বিষয়ে মন্তব্য কৰাত সি একোকে নামাতিলে। তাৰ মুখৰ ভাৱে যেন কৈছিল, "তোমাৰ নো তাতে কি? মোক শান্তিৰে থাকিবলৈ দিয়া।"

মেৰিয়াৰ গাড়ীখন যোৱাৰ পাচত, আমনি সহ্য কৰিব নোৱাৰি নিকলয়ে ডাঙৰকৈ চোনিয়াৰ আগত ক'ল, "তাইনো ইয়ালৈ কিয় আহে? তাইক কি লাগে? এইবোৰ ভদ্ৰ মহিলা, এইবোৰ আদব-কায়দা মই সহ্য কৰিব নোৱাৰোঁ।"

চোনিয়াই নিজৰ আনন্দ লুকাব নোৱাৰি ক'লে, "নিকলাচ, তুমি কেলেই তেনেকৈ কোৱা? তাই ইমান মৰমিয়াল! মায়ে তাইক ইমান ভাল পায়!"

নিকলয়ে উত্তৰ নিদিলে। প্ৰিন্সেছ মেৰিয়াৰ কথা আৰু কবলৈ ভাল নাপালে। কিন্তু তাই যোৱাৰ পাছত বুঢ়ী কাউণ্টেছে তাইৰ কথা নিতৌ কেবাবাৰো কয়।

কাউণ্টেছে, মেৰিয়াক প্ৰশংসা কৰে আৰু পুতেকক তাইক দেখা কৰিবলৈ কয়। নিকলয়ে তাইক আকৌ দেখিবলৈ হেঁপাহ কৰে কিন্তু তাইৰ কথা ক'লে তাৰ মেজাজ গৰম হয়।

মাকে প্ৰিন্সেছ মেৰিয়াৰ কথা ক'লে নিকলয়ে একোকে নামাতে। নম্ৰতা দেখি মাকৰ খং উঠে। তেওঁ কয়, "তাই বৰ ভাল, জ্ঞানী ছোৱালী। তুমি গৈ তাইক দেখা কৰা উচিত। কাৰোবাক তুমি দেখা কৰা ভাল। আমাৰ লগত থাকি থাকি তোমাৰ আমনি লাগিব পায়।"

"কিন্তু মা, মই মুঠেই ইচ্ছা নকৰোঁ।"

"কেলেই ? তুমি দেখোন মানুহক দেখা কৰিবলৈ ভাল পাইছিলা। এতিয়া কিয় ভাল নোপোৱা ? তোমাৰ কথা বুজি নাপাওঁ, বোপাই। এতিয়াই তোমাৰ অকলে অকলে বেয়া লাগে, হঠাতে তোমাক মানুহৰ লগ নলগা হয়।"

"লগ-সঙ্গ নহ'লে বেয়া লগা বুলিতো মই কোৱা নাই।"

"কেলেই ? তুমি নিজেই কৈছা তাইক দেখা কৰিবলৈ ইচ্ছা নকৰা। তাই বৰ ভাল ছোৱালী। তুমি তাইক ভাল পাইছিলা। এতিয়া হঠাতে তোমাৰ কি বা কাৰণ হ'ল ? মোৰ পৰা সকলো কথা লুকাইছা।"

"একোকে লুকোৱা নাই, মা।"

"মইতো তোমাক অপ্ৰীতিকৰ কোনো কাম কৰিবলৈ কোৱা নাই। তাই আমাক আগতে দেখা কৰিছে। তুমি অকল গাড়ীখন লৈ গৈ তাইক দেখা কৰি আহিব লাগে। ভদ্ৰতাৰ খাতিৰত এইটো কৰা উচিত বুলি মই ভাবোঁ। মই তোমাক যাবলৈ কৈছোঁ। তোমাৰ যেতিয়া মাকক কব নোৱাৰা কিবা গুপুত কথা আছে—এই বিষয়ে মই আৰু একো নকওঁ।"

"গ'লে তুমি যদি ভাল পোৱা, মই যাম।"

"মোৰ নো কি ? তোমাৰ কাৰণেহে যাবলৈ কৈছোঁ।"

নিকলয়ে হুমুনিয়াহ কাঢ়িলে। তাৰ পাছত মনোযোগ আইনফালে নিবৰ কাৰণে গোঁফযোৰ ভালকৈ লৈ তাচবোৰ বিলালে।

পিচদিনাখন, তৃতীয়, চতুৰ্থ দিনাখনো মাক-পুতেকৰ মাজত বাৰে বাৰে একে কথাই হ'ল।

# ষষ্ঠ অধ্যায়

বোগুভইতৰ ঘৰৰ পৰা আহি আৰু নিকলয়ৰ পৰা এনে অপ্ৰত্যাশিত উদাসীন অভ্যৰ্থনা পাই প্ৰিন্সেছ মেৰিয়াই ভাবিলে যে তাই নিজে প্ৰথমতে নিকলয়ক দেখা কৰিবলৈ ইচ্ছা নকৰি ভালেই কৰিছে। "যি ভাবিছিলোঁ সেয়ে হ'ল। তেওঁৰ লগত মোৰ কোনো সম্পৰ্ক নাই। মই বুঢ়ী অভিনীক দেখা কৰিবলৈ গৈছিলোঁ। তেওঁ মোক সদায় মৰম কৰে। আৰু বহুতো কাৰণে মই তেওঁৰ ওচৰত ধৰুৱা।"

কিন্তু এনেকৈ ভাবি তাই মনক শান্তি দিব নোৱাৰিলে। বোগুভইতৰ তালৈ যোৱাৰ কথা মনত পৰিলেই তাইৰ অনুতাপ আহে। যদিও বোগুভইতৰ তালৈ আৰু নাযায় বুলি, সেইবোৰ কথা পাহৰিবলৈ তাই দৃঢ় সংকল্প হ'ল তথাপি তাইৰ মনত সদায় এটা আমোঁৱাহ লাগি থাকিল। দকৈ ভাবি চাই তাই বুজি পালে বোগুভইতৰ লগত সম্বন্ধটোৱে তাইৰ অশান্তিৰ কাৰণ। তাইৰ বিশ্বাস হ'ল যে বোগুভৰ উদাসীন অভ্যৰ্থনা তাইৰ কাৰণে নহয়, অইন কিবা লুকাবৰ কাৰণেহে। সেই অইন কিবা নো কি ভালকৈ নজনাকৈ, মনত শান্তি নাপাব বুলি তাই অনুভৱ কৰিলে।

শীতকালৰ মাজ ভাগত এদিনাখন পঢ়া কোঠালিত বহি মেৰিয়াই ভতিজাকৰ পঢ়া-শুনা চাই আছিল, এনেতে লগুৱাজন আহি খবৰ দিলে যে বোগুভ আহিছে। মনৰ কথা নকৰ আৰু অপ্ৰস্তুতৰ ভাৱ নেদেখুৱাব বুলি দৃঢ় প্ৰতিজ্ঞ হৈ মেৰিয়াই মদেমচেল বুৰিয়েঁক মাতি পঠালে আৰু তাইৰ লগত বহা কোঠালৈ গ'ল।

নিকলয়ৰ মুখলৈ প্ৰথম চায়ে মেৰিয়াই বুজি পালে যে তেওঁ অকল ভদ্ৰতাৰ খাতিৰত হে আহিছে। তায়ো তেনে ব্যৱহাৰ কৰিবলৈ স্থিৰ কৰিলে। তেওঁলোকে কাউণ্টেছৰ স্বাস্থ্যৰ কথা, দুয়োৰে চিনাকি মানুহৰ কথা, যুদ্ধৰ শেহ বাতৰিৰ বিষয়ে কথা পাতিলে। ভদ্ৰতা ৰক্ষাৰ কাৰণে দহ মিনিট হৈ যোৱাত নিকলয় বিদায় লবলৈ থিয় হ'ল।

বুৰিয়েঁৰ সহায়ত প্ৰিন্সেছ মেৰিয়াই ভালদৰে কথা-বতৰা পাতিছিল। কিন্তু শেহত ভাল নলগা কথাকৈ তাইৰ আমনি লাগিল। তাই ভাবি আচৰিত হ'ল— তাইক নো অকলে ভগৱানে জীৱনত সুখ দিয়া নাই কিয়? এইবোৰ চিন্তাত

বিভোৰ হৈ তাই বাহিৰলৈ চাই থাকিল। নিকলয় থিয় হোৱা তাই লক্ষ্য নকৰিলে।

নিকলয়ে তাইৰ ফালে চালে।—তাইৰ চিন্তালৈ যেন মনেই কৰা নাই। বুৰি'ক দুটামান কথা ক'লে। পাছত আকৌ মেৰিয়াৰ ফালে চালে। তাই লৰচৰ নকৰাকৈ বহি আছে। মুখত বিষাদৰ ছাঁ। এই বিষাদৰ কাৰণ সিয়ে হব পাৰে বুলি হঠাতে অনুমান কৰি নিকলয়ে মনত দুখ পালে।

তাইক সহায় কৰিবলৈ, তাই ভালপোৱা কিবা কথা কবলৈ তাৰ ইচ্ছা হ'ল। কিন্তু কি ক'ব ভাবি নাপালে। সি ক'লে, "বিদায় প্ৰিন্সেছ!"

তাইৰ মুখখন ৰঙা পৰিল। এটা হুমুনিয়াহ কাঢ়িলে। টোপনিৰ পৰা সাৰ পোৱাৰ নিচিনাকৈ ক'লে, "মোক ক্ষমা কৰিব। আপুনি যাব ওলাইছেই, কাউণ্ট? বাৰু, বিদায়! অ' কাউণ্টেছৰ কাৰণে আৰামী চকীখন?"

"এক মিনিট ৰ'ব; মই আনোগৈ" বুলি কৈ বুৰিয়ঁ কোঠাটোৰ পৰা ওলাই গ'ল।

দুয়ো নিমাত হৈ থাকিল। মাজে মাজে ইজনে সিজনলৈ চাইছে। শেহত বিষাদৰ হাঁহি মাৰি নিকলয়ে ক'লে, "প্ৰিন্সেছ, বগুচাৰেভাত আমাৰ দেখাদেখি হোৱা বেছি দিন হোৱা নাই। কিন্তু ইয়াৰ ভিতৰতে কিমান পৰিবৰ্তন ঘটিছে। তেতিয়া আমি সকলোৱে বৰ বিপদত পৰা বুলি ভাবিছিলোঁ। কিন্তু সেই সময় ঘূৰাই পাবলৈ মই বহুতো ত্যাগ কৰিব পাৰোঁ। কিন্তু তাক আৰু ঘূৰাই আনিব নোৱাৰি।"

প্ৰিন্সেছ মেৰিয়াই উজ্জ্বল চকুযুৰিৰে তাৰ ফালে মন দি চাইছে। তাৰ কথাবোৰৰ অৰ্থ তাই বুজিবলৈ চেষ্টা কৰিছে। তাৰ পৰা তাইৰ প্ৰতি তাৰ মনোভাব ভালদৰে বুজি পাব। "আপুনি ঠিকেই কৈছে। কিন্তু কাউণ্ট, অতীতৰ কাৰণে দুখ কৰা কোনো দৰকাৰ নাই। মই যি বুজিছোঁ—আপুনি বৰ্তমান জীৱনৰ কথা সুঁৱৰি সন্তোষ পাবৰ কাৰণে এতিয়া বহুতো স্বাৰ্থ ত্যাগ কৰিছে…।"

নিকলয়ে বাধা দি লৰালৰিকৈ ক'লে, "মই তোমাৰ প্ৰশংসা গ্ৰহণ কৰিব নোৱাৰোঁ। বৰং মই নিজকে তিৰস্কাৰ কৰিছোঁ। কিন্তু ই এটা ভাল নলগা, নিৰানন্দ বিষয়।"

নিকলয় আকৌ গহীন, উদাসীন হ'ল। কিন্তু প্ৰিন্সেছ মেৰিয়াই তাইৰ পৰিচিত, ভালপোৱা মানুহজনক আকৌ তাইৰ ভিতৰত দেখিলে। এতিয়া

তাই অকল সেই মানুহজনক ক'লে, "আপুনি বেয়া নাপাব। আপোনাৰ লগত, আপোনাৰ পৰিয়ালৰ লগত মোৰ কিমান ঘনিষ্ঠ সম্বন্ধ। মোৰ সহানুভূতিক আপুনি বেয়া নাপাব বুলি ভাবিছিলোঁ। কিন্তু মই ভুল বুজিছিলোঁ।" হঠাতে তাইৰ মাতটো কঁপিবলৈ ধৰিলে। অলপ বৈ ক'লে, "কেলেই মই ক'ব নোৱাৰোঁ।—আপুনি বেলেগ ভাবে ললে—আৰু—।"

সি নম্ৰভাৱে ক'লে, "কেলেই হাজাৰ কাৰণ থাকিব পাৰে। তোমাক ধন্যবাদ দিছোঁ, প্ৰিন্সেছ। কেতিয়াবা বৰ টান হয়—।"

মেৰিয়াৰ অন্তৰে ক'লে, "অ' সেই কাৰণে? সেই কাৰণে? মই তেওঁৰ অকল ধুনীয়াল, মৰমিয়াল, সৰল, ধুনীয়া মুখখন ভালপোৱা নাছিলোঁ। তেওঁৰ অন্তৰখন মহৎ, দৃঢ় আৰু স্বাৰ্থত্যাগী বুলি মই জানিছিলোঁ।"

"এৰা, এতিয়া তেওঁ দুখীয়া আৰু মই ধনী।···এৰা, এইটোৱে কথা। এৰা, এইটো নোহোৱা হলে···।" তাৰ আগৰ মৰমৰ কথা মনত কৰি আৰু এতিয়াৰ তাৰ মৰমিয়াল, বিষন্ন মুখখনলৈ চাই তাই তাৰ উদাসীনতাৰ কাৰণ হঠাতে বুজি পালে। কান্দো কান্দো হৈ হঠাতে তাই ওচৰ চাপি গৈ ক'লে, "কেলেই? কাউণ্ট, কেলেই? কেলেই? মোক কওঁক। মোক ক'বই লাগিব।"

সি নিমাত হ'ল।

"মই আপোনাৰ 'কাৰণ' বুজি পোৱা নাই। কিন্তু মোৰ অন্তৰত দুখ। মই···মই···সেইটো আপোনাক কম। আমাৰ পুৰণি বন্ধুত্বৰ পৰা আপুনি কিবা কাৰণে মোক বঞ্চিত কৰিব খুজিছে। সেয়ে মোক অন্তৰত আঘাত দিছে।" তাইৰ চকুপানী ওলাল।

"মই জীৱনত সুখৰ মুখ দেখা নাই। প্ৰত্যেকটো ক্ষতিয়ে মোক মৰ্মান্তিক দুখ দিছে।···ক্ষমা কৰিব। বিদায়!" বুলি কৈ হঠাতে তাই কান্দি পেলালে আৰু কোঠাটোৰ পৰা যাবলৈ ওলাল।

তাইক ৰখাবলৈ নিকলয়ে চিঞৰি ক'লে, "প্ৰিন্সেছ, নাযাবা। ঈশ্বৰৰ শপত! প্ৰিন্সেছ!"

তাই উভতি চালে। নীৰবে ক্ষন্তেক দুয়ো চকুলৈ চোৱা-চুই কৰিলে। হঠাতে সকলো দূৰৰ ওপৰ চাপি আহিল—অসম্ভৱ সম্ভৱ, অৱশ্যম্ভাৱী হ'ল।